UG ED S4-03
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

দূৰৱৰ্ত্তী শিক্ষা

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ **ড° ৰীতিমণি বৰদলৈ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ৰীতিমণি বৰদলৈ,	ড° বীৰেন্দ্র ডেকা
২	ভাস্কৰ শর্মা,	মুকতাৰা ৰহমান,
৩,১৪	ড° ৰীতিমণি বৰদলৈ,	গীতাঞ্জলী মেধি,
৪	ড° প্রণৰ শইকীয়া,	অপৰাজিতা শর্মা
৫,৯	ড° উৎপল কলিতা	গীতাঞ্জলী মেধি
৬,১১	ড° শ্রুতিধাৰা মহন্ত	গীতাঞ্জলী মেধি
৭	ড° দেবাশিষ পল আৰু ড° ৰীতিমণি বৰদলৈ	গীতাঞ্জলী মেধি
৮	ড° প্রীতিমা শর্মা	ড° ৰীতিমণি বৰদলৈ আৰু অপৰাজিতা শর্মা
১০	অধ্যাপক শ্রীনাথ বৰুৱা	ড°বীৰেন্দ্র ডেকা
১২	ড° প্রসেনজিৎ দাস	ড° বীৰেন্দ্র ডেকা
১৩	ড° প্রসেনজিৎ দাস	অপৰাজিতা শর্মা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যায় ১, ২, ৮, ৯, ১০, ১২ আৰু ১৩, **শ্রীনাথ বৰুৱা,** প্রাক্তন উপাচার্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ **ড° ৰীতিমণি বৰদলৈ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ **ড° ৰীতিমণি বৰদলৈ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭; Web : www.kkhsou.in

উপ-মুখ্য কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, **গুৱাহাটী - ৭৮১ ০২২**

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **দূৰৱৰ্ত্তী শিক্ষাৰ গঠন** ৫-২২

দূৰৱৰ্ত্তী শিক্ষাৰ ধাৰণা, বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ, ভাৰতবৰ্ষৰ দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস,ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ আৰু প্ৰয়োগ ।

অধ্যায় ২ ঃ **শিক্ষার্থীৰ সহায়কাৰী সমল** ২৩-৪২

শিক্ষার্থীৰ সহায়কাৰী সমলঃ মূল ধাৰণা, শিক্ষার্থীৰ সহায়কাৰী সমলৰ অর্থ আৰু বিকাশ, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত (ODL) শিক্ষার্থীৰ সহায়কাৰী সমলৰ ভূমিকা,অধ্যয়ন কেন্দ্ৰৰ ভূমিকা,পৰামর্শমূলক আলোচনাৰ (Couselling) গুৰুত্ব, শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিভিন্ন মাধ্যমঃ দৃশ্য আৰু শ্ৰব্য ব্যৱস্থা, **বৈদুতিক** সঁজুলিবোৰ আৰু অন্যান্য মাধ্যম ।

অধ্যায় ৩ ঃ **স্ব-শিকন সামগ্ৰী** ৪৩-৬৬

স্ব-শিকন সামগ্ৰীৰ ধাৰণা আৰু প্ৰকৃতি, স্ব-শিকন সামগ্ৰী আৰু পাঠ্যপুথিৰ প্ৰভেদ, স্ব-শিকন সামগ্ৰীৰ বৈশিষ্ট্য, স্ব-শিকন সামগ্ৰীৰ পৰিকল্পনা আৰু গাঁথনি।

অধ্যায় ৪ ঃ **দূৰৱৰ্ত্তী শিক্ষাৰ অধ্যয়নৰ কৌশলসমূহ** ৬৭-৮১

অধ্যয়নৰ কৌশলবোৰৰ অর্থ আৰু গুৰুত্ব, ফলপ্ৰসু অধ্যয়ন কৌশলৰ বিকাশ, পৰিকল্পনা, ফলপ্ৰসু শ্ৰৱণ, ফলপ্ৰসু পঢ়ন, ফলপ্ৰসু লিখন,যোগাযোগৰ কৌশলসমূহ, সময় পৰিচালনা,অধ্যয়নৰ কৌশলসমূহ আৰু দূৰৱৰ্ত্তী শিকন।

অধ্যায় ৫ ঃ **দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়া** ৮২-৯৬

পাঠ্যবিষয়ৰ ধাৰণা, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়া, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীসমূহ ।

অধ্যায় ৬ ঃ **দূৰৱৰ্ত্তী শিক্ষাত পাঠ্যসূচী মূল্যায়ন** ৯৭-১১৮

পাঠ্যসূচী মূল্যায়নৰ ধাৰণা আৰু অর্থ, পাঠ্যসূচী মূল্যায়নৰ সংজ্ঞা, পৰীক্ষা, মূল্যাংকন, জোখ-মাখ আৰু মূল্যায়ন, পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা,দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যসূচী মূল্যায়নৰ বিভিন্ন দিশ।

অধ্যায় ৭ ঃ **মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰম** ১১৯-১৩১

দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তে সামূহিক উন্নয়ন, সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰম, মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে আগবঢ়োৱা সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰমবোৰৰ সমস্যা তথা প্ৰত্যাহ্বান

অধ্যায় ৮ ঃ **দূৰৱৰ্ত্তী শিক্ষা আৰু গ্ৰামীন বিকাশ**

গ্ৰামীন বিকাশৰ ধাৰণা, দূৰৱৰ্ত্তী শিক্ষা আৰু গ্ৰামীন বিকাশ, মহিলা সবলীকৰণ আৰু দূৰৱৰ্ত্তী শিক্ষা, দূৰৱৰ্ত্তী শিক্ষাৰ যোগেদি গ্ৰামীন বিকাশ আৰু মহিলা সবলীকৰণৰ বাবে অধ্যয়ন সূচী।

অধ্যায় ৯ ঃ **শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত দূৰৱৰ্ত্তী শিক্ষাৰ ভূমিকা**

শিক্ষকৰ শিক্ষাৰ ধাৰণা, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক দিয়া প্ৰশিক্ষণ, দূৰৱৰ্ত্তী শিক্ষা আৰু ৰাষ্ট্ৰীয় শিক্ষা পৰিষদ (NCTE)ৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাদান বিষয়ক ডিপ্লমা (D.El.Ed.) পাঠ্যক্ৰম, দূৰৱৰ্ত্তী শিক্ষা আৰু ৰাষ্ট্ৰীয় শিক্ষকৰ শিক্ষা পৰিষদ (NCTE)ৰ শিক্ষা বিষয়ৰ স্নাতক (B.Ed.) পাঠ্যক্ৰম।

অধ্যায় ১০ ঃ **দূৰৱৰ্ত্তী শিক্ষাৰ গুণগত আশ্বাস**

গুণগত শিক্ষাৰ ধাৰণা, দূৰৱৰ্ত্তী শিক্ষাৰ গুণগত নিশ্চিতকৰণ, দূৰৱৰ্ত্তী শিক্ষাত গুণগত আশ্বাসৰ বিভিন্ন উপায়।

অধ্যায় ১১ ঃ **মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়ন**

মূল্যায়ন (Assessment) আৰু মূল্যাংকনৰ (Evalutation) অৰ্থ আৰু সংজ্ঞা, মুক্ত আৰু দূৰৱৰ্ত্তী শিকন (ODL) ব্যৱস্থাত মূল্যায়ন, মূল্যায়নৰ উদ্দেশ্য, মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ প্ৰকাৰ

অধ্যায় ১২ ঃ **দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা**

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ অৰ্থ, প্ৰযুক্তিবিদ্যাৰ গঠন আৰু প্ৰয়োগ, দূৰ শিক্ষাত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ভূমিকা, ইয়াৰ সুবিধা আৰু প্ৰত্যাহ্বানসমূহ।

অধ্যায় ১৩ ঃ **মুক্ত শৈক্ষিক সম্পদসমূহ আৰু ভাৰতত ইয়াৰ প্ৰত্যাহ্বানসমূহ**

মুক্ত শৈক্ষিক সম্পদসমূহৰ ধাৰণা, শিক্ষাত মুক্ত শৈক্ষিক সম্পদ (OER) সমূহৰ প্ৰয়োজনীয়তা আৰু পৰিসৰ, ভাৰতবৰ্ষৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ।

অধ্যায় ১৪ ঃ **মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্ৰত্যাহ্বানসমূহ**

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা (ODE)ত থকা প্ৰত্যাহ্বানসমূহ, শিক্ষাৰ্থীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ, শিক্ষকে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ, বিশ্ববিদ্যালয় বা শিক্ষানুষ্ঠানে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্ৰত্যাহ্বানসমূহ জয় কৰাৰ উপায়।

প্ৰসঙ্গ পুথি ঃ **(পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে)**

পাঠ্য বিষয় পৰিচয়

প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ পাঠ্যবিষয়ত আমি ইতিমধ্যে শিক্ষাৰ ধাৰণা আৰু প্ৰয়োজনৰ বিষয়ে. আলোচনা কৰাৰ লগতে শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়ে গম পালো। তৃতীয় ষান্মাসিকৰ পাঠ্যক্ৰমৰ বাবে দুখন পাঠ্যবিষয় ক্ৰমে UG ED 3-01 য'ত আমি শিক্ষাৰ সমাজতাত্ত্বিক আধাৰ আৰু পাঠ্যক্ৰম UG ED 3-02ত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ কিছু নিৰ্বাচিত বিষয়ৰ বিষয়ে বিষদ্ভাবে গম পালো। চতুৰ্থ ষান্মাসিকৰ UG ED 4-01ত আমি দূ�ৰৱৰ্ত্তী শিক্ষা আৰু ইয়াৰ প্ৰয়োগৰ বিভিন্ন দিশৰ বিষয়ে জানিবলৈ সক্ষম হ'ম। এই পাঠ্যক্ৰম মুঠতে ১৪টা অধ্যায়ত যুগুত কৰা হৈছে। UG ED 4-01 পাঠ্যবিষয়খন শিক্ষা বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে লোৱা শিক্ষাৰ্থীয়ে পঢ়িব লাগিব।

প্ৰথম অধ্যায়টিত দূৰৱৰ্ত্তী শিক্ষা গঠনৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়টিযে শিক্ষাৰ্থীৰ সহায়কাৰী সমলৰ ধাৰণা, ভূমিকা আৰু শিক্ষাৰ্থীৰ সহায়কাৰী সমলৰ বিভিন্ন মাধ্যমৰ বিষয়ে এটি আলোকপাত কৰা হৈছে। তৃতীয় অধ্যায়টিত স্ব-শিকন সামগ্ৰীৰ ধাৰণা আৰু প্ৰকৃতিৰ বিষয়ে এটি আলোচনা দাঙি ধৰা হৈছে। ইয়াৰোপৰি তৃতীয় অধ্যায়টিৰ দ্বাৰা স্ব-শিকন সামগ্ৰীৰ পৰিকল্পনা আৰু গাঁথনিৰ বিষয়ে এটি বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। চতুৰ্থ অধ্যায়টিত অধ্যয়নৰ কৌশলবোৰৰ অৰ্থ আৰু গুৰুত্ব, ফলপ্ৰসু অধ্যয়ন কৌশলৰ বিকাশৰ বিষয়ে সুক্ষ্মভাৱে এটি আলোচনা দাঙি ধৰা হৈছে। পঞ্চম অধ্যায়টিত পাঠ্যবিষয়ৰ ধাৰণা, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়া আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীসমূহৰ বিষয়ে আলোচনা কৰা হৈছে । ষষ্ঠ অধ্যায়টিৰ দ্বাৰা পাঠ্যসূচী মূল্যায়নৰ ধাৰণা, পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা আৰু দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যসূচী মূল্যায়নৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰা হৈছে। সপ্তম অধ্যায়টিত দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তে সামূহিক উন্নয়ন, মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰমৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়টিত গ্ৰামীন বিকাশ আৰু নাৰী সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। নবম অধ্যায়টিত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক দিয়া প্ৰশিক্ষণৰ বিষয়ে আলোচনা কৰা হৈছে। দশম অধ্যায়টিৰ দ্বাৰা গুণগত শিক্ষাৰ ধাৰণা আৰু দূৰৱৰ্ত্তী শিক্ষাৰ গুণগত আশ্বাসৰ বিভিন্ন উপায়সমূহৰ বিষয়ে এটি বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। একাদশ অধ্যায়টিৰ দ্বাৰা মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ গুৰুত্ব সম্পৰ্কে এটি সমীক্ষাত্মক ৰূপ অংকিত কৰাৰ প্ৰয়াস কৰা হৈছে । দ্বাদশ অধ্যায়টিৰ দ্বাৰা দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰাসংগিকতা আৰু ইয়াৰ বিভিন্ন সুবিধা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ত্ৰয়োদশ অধ্যায়টিত মুক্ত শৈক্ষিক সম্পদসমূহৰ ধাৰণা, শিক্ষাত মুক্ত শৈক্ষিক সম্পদ (OER) সমূহৰ প্ৰয়োজনীয়তা তথা পৰিসৰ লগতে ভাৰতবৰ্ষৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহৰ বিষয়ে সুক্ষ্মভাৱে এটি আলোচনা দাঙি ধৰা হৈছে। চতুদৰ্শ অধ্যায়টিৰ দ্বাৰা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা (ODE)ত থকা প্ৰত্যাহ্বানসমূহৰ বিষয়ে লগতে প্ৰত্যাহ্বানসমূহ জয় কৰাৰ উপায়সমূহৰ বিষয়েও এটি আলোকপাত আগবঢ়োৱা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ঃ দূৰৱৰ্ত্তী শিক্ষাৰ গঠন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ দূৰৱৰ্ত্তী শিক্ষাৰ ধাৰণা
১.৩.১ বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ
১.৩.২ ভাৰতবৰ্ষৰ দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস
১.৩.৩ ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ আৰু প্ৰয়োগ
১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৫ অধিক জানিবলৈ
১.৬ অগ্ৰগতিৰ খতিয়ান
১.৭ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- দূৰৱৰ্ত্তী শিক্ষা নিৰ্ণয় কৰিব পাৰিব
- বিশ্বত দূৰৱৰ্ত্তী শিক্ষাৰ গঠন সম্বন্ধে ব্যাখ্যা কৰিবলৈ আৰু ভাৰতবৰ্ষৰ দূৰ শিক্ষাৰ ইতিহাস বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব
- ভাৰতবৰ্ষত দূৰৱৰ্ত্তী শিক্ষাৰ গঠন আৰু প্ৰয়োগৰ বিষয়ে আলোচনা কৰিব পাৰিব

১.২ পৰিচয়

শিক্ষা হ'ল এক জীৱন জোৰা প্ৰক্ৰিয়া। ইয়াৰ দ্বাৰা মানুহে অভিজ্ঞতা আহৰণ কৰি সমাজত অৰ্থপূৰ্ণভাবে স্থিতি লাভৰ প্ৰয়োজনীয়তা পুৰণ কৰিবলৈ সমৰ্থবান হয়। সেয়েহে শিক্ষাক আমাৰ আৰ্থ-সামাজিক বিকাশৰ 'মূল শিলা' বুলি অভিহিত কৰা হয়। শিক্ষাই মানুহক জ্ঞানৰ যোগান ধৰে, প্ৰয়োজন আধাৰিত সামৰ্থতা কিছুমানৰ সৈতে সজ্জিত কৰি তোলে আৰু যোগাত্মক দিশত তেওঁলোকক মনোযোগ দিয়াৰ নিৰ্দেশনা যোগান ধৰে। এখন দেশৰ বিকাশৰ প্ৰাক্ প্ৰয়োজনীয়তাখিনি হ'ল শিক্ষা আৰু ব্যক্তিসকলৰ সামগ্ৰীক বিকাশ আৰু কল্যাণত ই নানা ধৰণেৰে অৰিহনা যোগায়। সেয়েহে মানৱ সম্পদ গঠনত শিক্ষাই মূলধন হিচাপে কাৰ্য সম্পাদন কৰে। বিকাশমুখী ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষই বৰ্তমান মানৱ গতিশীলতা ক্ষীপ্ৰতৰ কৰি তুলিবলৈ যত্নপৰ হৈছে। যদিও ভৌগোলিকভাৱে ভাৰতবৰ্ষৰ বহুখিনি সামৰ্থতা আছে, তথাপি মানৱশক্তিৰ গঠন আৰু উৎপাদনমুখী কাৰ্যসূচীত জড়িত পৰ্যায়ত আজিওঁ

পূৰ্ণভাৱে বাধাপ্ৰাপ্ত হৈ আছে। উন্নত ৰাষ্ট্ৰসমূহৰ লগতে উন্নয়নশীল ৰাষ্ট্ৰ যেনে শ্ৰীলংকা, চীন আদি দেশৰ তুলনাত ভাৰতবৰ্ষৰ স্বাক্ষৰতাৰ হাৰ বহুত কম। আনকি ভাৰতবৰ্ষৰ ভিতৰতে বিভিন্ন প্ৰদেশত ইয়াৰ ভিন্নতা দেখা যায়। অঞ্চলভেদে আজিওঁ নিয়োগ ব্যৱস্থা, লিংগ ভিন্নতা পূৰ্ণ শিক্ষা, আঞ্চলিক বৈষম্য, শিক্ষাৰ ক্ষেত্ৰত নামভৰ্ত্তিৰ হাৰৰ বৈষম্য দেখিবলৈ পোৱা যায়। আনকি স্বাক্ষৰতা পৰ্য্যায়তো ভিন্নতা প্ৰদৰ্শিত হৈ থকা পৰিলক্ষিত হৈছে। যিয়েই নহওঁক আমি আমাৰ লক্ষ্যৰ নিশ্চিত গঠনত উপনীত হ'ব লাগিব, সহস্ৰাব্দৰ বিকাশৰ উদ্দেশ্যত উপনীত হ'ব লাগিব আৰু মানৱ মূলধনৰ গঠনত স্থিত হ'ব লাগিব। শিক্ষাই হ'ল আমাৰ প্ৰয়োজন আৰু আকাংক্ষা পূৰণৰ একমাত্ৰ পথ আৰু ই আমাক লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। কাৰণ শিক্ষিত ব্যক্তিসকল সাধাৰণতে সুন্দৰ উৎপাদনশীল কৰ্মী হয়। তেওঁলোকে সম্পদসমূহ ফলপ্ৰসু হোৱাকৈ ব্যৱহাৰ কৰিব পাৰে, নতুন প্ৰযুক্তিগত কৌশল অৱলম্বন কৰিব পাৰে আৰু তেওঁলোকৰ ভুলবোৰৰ পৰা নিজেই শিকিব পাৰে। আমাৰ দেশত বসবাস কৰা সকলোবোৰ ব্যক্তিৰে শিক্ষা লাভ কৰাৰ অধিকাৰ আছে আৰু ইয়াক মানৱ অধিকাৰ হিচাপে অভিহীত কৰা হৈছে। সেয়েহে এইটো এটা অতি গুৰুত্বপূৰ্ণ কথা যে ব্যক্তিসকলক বিভিন্ন প্ৰকাৰৰ মাধ্যমৰ সহায়ত শিক্ষা লাভৰ সুবিধা প্ৰদান কৰিব লাগিব। মুক্ত আৰু দূ�ৰ শিক্ষা ব্যৱস্থাটোৱে হ'ল এই ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা আটাইতকৈ সুবিধাজনক ব্যৱস্থা। ইয়াৰ মাধ্যমত সকলো স্থানৰ সকলো ব্যক্তিৰ দুৱাৰ দলিলৈ শিক্ষাৰ বাতাবৰণ আনি দিব পৰা যায়। যিবিলাকে নানা ধৰণৰ অসুবিধাৰ বাবে শিক্ষা লাভ কৰিব পৰা নাই, সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে, পৰম্পৰাগত ব্যৱস্থাৰ লগত খাপ খাব পৰা নাই, আনুষ্ঠানিক শিক্ষা লাভ কৰিব পৰা নাই তেওঁলোকেও এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হ'ব। এই ব্যৱস্থাটোৱে অগণন ব্যক্তিক কম সময় আৰু সুবিধাৰ মাধ্যমত শিক্ষালাভৰ বাবে সামৰি ল'ব পাৰে বিশেষকৈ গৃহিনীসকল, কৰ্মৰত ব্যক্তিসকল, আৰু স্ব-নিয়োগীসকলক যিসকল শিক্ষালাভৰ পৰা বঞ্চিত হৈ আছে। এনেবোৰ দিশলৈ লক্ষ্য ৰাখি আমি মুক্ত আৰু দূ�ৰ শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো। এই প্ৰচেষ্টাৰ ত্ৰুটি আৰু সামৰ্থতাখিনিৰ বিষয়েওঁ আলোচনা কৰাৰ অৱকাশ আছে। তলত উল্লেখ কৰা দিশবোৰে উদ্দেশ্যত উপনীত হোৱাত অৱিহণা যোগাব বুলি ক'ব পৰা যায়।

১.৩ দূ�ৰৱৰ্ত্তী শিক্ষাৰ ধাৰণা

দূৰ শিক্ষা হ'ল শিক্ষা সম্প্ৰসাৰণৰ এটি তাৎপৰ্যপূৰ্ণ ধাৰণা। ইয়াৰ মাজেৰে ভৌগোলিক, শিক্ষকৰ বৈষয়িক অস্তিত্ব, সময়, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ ব্যক্তিসকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। এখন জ্ঞান আধাৰিত সমাজত দূৰ আৰু মুক্ত শিক্ষণ ব্যৱস্থাটো হ'ল ব্যক্তিসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ মাধ্যম। ভাৰত চৰকাৰে একাদশ পঞ্চম বাৰ্ষিক পৰিকল্পনাত শতকৰা ৪০% ভাগ শিক্ষাৰ্থীক মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাৰ মাধ্যমত

সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰি লৈছে। এই ব্যৱস্থাটোৰ নমনীয়তাৰ বাবে ইয়াক যিকোনো সময়তে যিকোনো ঠাইত যিকোনো প্ৰকাৰে আহৰণ কৰিব পৰা যায়। এই ব্যৱস্থাটোৰ অন্তৰালৰ মূল উদ্দেশ্য হ'ল ভাৰতবৰ্ষৰ সকলো প্ৰান্তলৈ শিক্ষা ব্যৱস্থাটোক গণতান্ত্ৰিক কৰি তোলা। মুক্ত আৰু দূ�ৰশিক্ষা ব্যৱস্থাৰ কেইটামান লক্ষ্য হ'ল সুন্দৰভাবে লাভ কৰিব পৰা শিক্ষা, কম খৰছৰ, অধিক নমনীয়তাপূৰ্ণ আৰু উচ্চ মানদণ্ড সম্পন্ন। পেৰাটন (Perraton) নামৰ চিন্তাবিদ গৰাকীৰ মতে দূ�ৰশিক্ষা হ'ল "এবিধ শিক্ষা প্ৰক্ৰিয়া য'ত শিক্ষণৰ কিছু বৈশিষ্ট্যপূৰ্ণ অংশ শিক্ষাৰ্থীসকলৰ সময় আৰু স্থানৰ ব্যৱধানত ৰাখি কাৰোবাৰ দ্বাৰা সম্পন্ন কৰা হয়" (১৯৮১) । সেইদৰে অছোৱা (Ochoa) নামৰ চিন্তাবিদ গৰাকীয়ে কৈছে যে "দূৰ শিক্ষা হ'ল নিৰ্বাচিত নিদেৰ্শনাত্মক মাধ্যম ব্যৱহাৰিত এটা পদ্ধতি, ইয়াত পৰম্পৰাগত আৰু নব্য উদ্ভাৱনমূলক দুয়োবিধ আহিলাৰ ব্যৱহাৰৰ দ্বাৰা শৈক্ষিক উদ্দেশ্যত উপনীত হোৱাৰ বাবে অনাতাঁৰ শিকন শিক্ষন প্ৰক্ৰিয়াৰ উন্নতি সাধনৰ দ্বাৰা পৰম্পৰাগত মুখামুখি শিক্ষা পদ্ধতিতকৈ অধিকভাৱে সম্ভাৱনাসূচক ভৌগোলিক পৰিসীমাৰ শিকাৰুক সামৰি লোৱা হয়"।

ওপৰৰ সংজ্ঞাৰ পৰা এইটো স্পষ্ট যে দূৰ শিক্ষা মানে -

- শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত পৃথকীকৰণ বা ব্যৱধান
- আনুষ্ঠানিক স্বীকৃতি
- মিশ্ৰ পদ্ধতিৰ পাঠ্যক্ৰম ব্যৱস্থা
- দ্বৈত পদ্ধতিৰ যোগাযোগ ব্যৱস্থা
- মুখামুখি যোগাযোগৰ সম্ভাৱনীয়তা
- উদ্যোগীকৰণ প্ৰক্ৰিয়াৰ ব্যৱহাৰ

মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাই হ'ল একমাত্ৰ দুৱাৰমুখ যি ব্যৱস্থাৰ দ্বাৰা সুবিধা লাভৰ পৰা বঞ্চিতসকলে পৰম্পৰাগত শিক্ষাৰ পৰিবৰ্ত্তে জীৱনজোৰা শিক্ষা লাভৰ সুবিধা লাভ কৰিব পাৰে আৰু উচ্চ শিক্ষাক নমনীয়ভাৱে কম খৰছত আয়ত্ব কৰিব পাৰে।

এই পদ্ধতিয়ে সামৰি লোৱা জনসংখ্যাসমূহ হ'ল-

- যিসকলে অৰ্থনৈতিক বাধ্যবাধকতাৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয় শিক্ষাৰ পৰা আঁতৰি আহিছিল আৰু বৰ্তমান তেওঁলোক ব্যৱসায় বাণিজ্য আদিত জড়িত হৈ আছে।
- যিবিলাক মহিলাই কম বয়সতে বৈবাহিক সম্বন্ধ স্থাপন কৰি বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষা অসম্পূৰ্ণ কৰিছে,
- যিবিলাকে তেওঁলোকৰ বৃত্তিৰ বাবে প্ৰয়োজনীয় পদবীৰ বাবে শিক্ষা সম্পূৰ্ণ নকৰাকৈ কাৰ্যালয় আৰু উদ্যোগ আদিত কাম কৰি আছে,
- গৃহিনীসকল যিবিলাকে সময়মতে পৰম্পৰাগত পদ্ধতিৰে শিক্ষা লাভ কৰিবলৈ সক্ষম নহ'ল আৰু বৰ্তমান তেওঁলোক শিক্ষা লাভৰ বাবে ইচ্ছুক,
- যিবিলাকে ভৱিষ্যতে সুন্দৰ নিয়োগ ব্যৱস্থালৈ অগ্ৰসৰ হ'ব পাৰিব বুলি আশা কৰি

উন্নত শিক্ষা ল'ব বিচাৰে,

- ইয়াৰ উপৰিওঁ মুক্ত আৰু দূ�ৰ শিক্ষা ব্যৱস্থাই চাকৰি জীৱি বা বৃত্তিমুখী ব্যক্তিসকলক বৃত্তিগত ধাৰণাৰ বাবে প্ৰয়োজনীয় অৰ্হতা আৰু প্ৰশিক্ষণ লাভৰ বাবে কৰ্ম ক্ষেত্ৰৰ মাধ্যমতে সমৰ্থবান কৰি তোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ঃ দূ�ৰৱৰ্ত্তী শিক্ষা মানে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ২ঃ দূ�ৰৱৰ্ত্তী শিক্ষাক কিয় গুৰুত্বপূৰ্ণ বুলি ভাবে?

.....

১.৩.১ বিশ্বত দূ�ৰৱৰ্ত্তী শিক্ষাৰ উদ্ভৱ

দূৰৱৰ্ত্তী শিক্ষাৰ ইতিহাস বহু দীঘল। আগতে ইয়াক যোগাযোগ পাঠ্যক্ৰম বুলি জনা গৈছিল। যোগাযোগ শিক্ষা মানে হ'ল এনে এটা শিকণ শিক্ষণ অৱস্থা য'ত শিক্ষক আৰু শিকাৰুৰ মুখামুখী হোৱাৰ ব্যৱস্থা নাই। তেওঁলোকে পা�ৰস্পৰিক ক্ৰিয়া সম্পাদন কৰে ডাক যোগাযোগৰ মাধ্যমত। ছপা সামগ্ৰী হ'ল শিক্ষাৰ মাধ্যম আৰু ছপা কৰা পাঠটোকা সমূহেই হ'ল শিকাৰুৰ বাবে শিক্ষণ সমল। যোগাযোগ শিক্ষা ব্যৱস্থাই স্থিতি লাভ কৰিছিল ১৮৪০ চনত ইংলেণ্ডত আইজাক পিটমেনৰ কাৰ্যসূচীৰ মাধ্যমত। তেওঁ ইংলেণ্ডৰ বহুবোৰ ঠাইত থকা ছাত্ৰক ডাক যোগাযোগৰ মাধ্যমত চমু লিখনৰ (চৰ্টহেণ্ড) টিউচন কৰিছিল। আৰ্ন্তজাতিক পৰ্যায়ত দূৰৱৰ্তী শিক্ষণ ব্যৱস্থাৰ প্ৰচলন হৈছিল ১৮৮৩ চনত এগৰাকী ব্যক্তিগত শিক্ষকৰ শিক্ষাদানৰ মাধ্যমত। শিক্ষক গৰাকীয়ে ইংৰাজী বাক্য গঠন প্ৰণালীটো দ্বৈত পদ্ধতিৰে ডাকযোগে শিকাইছিল। পৰৱৰ্তী সময়ত শিক্ষাবিদসকলে ভাবিছিল যে 'দূৰ শিক্ষাৰ' ধাৰণাটো 'যোগাযোগ শিক্ষা'ৰ ধাৰণাটোতকৈ অধিকভাৱে গ্ৰহণ যোগ্য হ'ব। দূৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থী সমৰ্থিত সেৱাসমূহ আৰু বিভিন্ন ধৰণৰ মূল্যায়ন পদ্ধতি সমূহ হ'ল গুৰুত্বপূৰ্ণ উপাদান। ই হ'ল এক শিকাৰু আধাৰিত প্ৰয়াস। এই ব্যৱস্থাত ছপামাধ্যমসমূহৰ বাহিৰেওঁ বহুবোৰ অনা ছপা মাধ্যমো ব্যৱহাৰ কৰা হয়, যেনে- ৰেডিওঁ, দুৰাভাষ যন্ত্ৰ, শ্ৰব্য কেচেট, ভিডিওঁ কেচেট, কম্পিউটাৰ আৰু আন আন বৈদ্যুতিক মাধ্যমসমূহ।

'মুক্ত শিক্ষণ' নামকৰণ কৰা হৈছিল ১৯২৯ চনত পিটমেনৰ এখন মুখপত্ৰত (ৰৌউনট্ৰি ১৯৯২)। মুক্ত বিশ্ববিদ্যালয় স্থাপন হোৱাৰ বহুবছৰ আগতে এই ধাৰণা প্ৰকাশিত হৈছিল

মুখপত্রখনত। কাৰণ 'যুক্তৰাজ্য মুক্ত বিশ্ববিদ্যালয়' ইংলেণ্ডত ১৯৬৯ চনতহে স্থাপন কৰা হৈছিল। এই শিক্ষা ব্যৱস্থাটোৰ অগ্রদূত আছিল পিটমেন, তেওঁই প্রথমতে যোগাযোগ পদ্ধতিৰ মাধ্যমত চমু লিখন ব্যৱস্থাটোৰ শিক্ষা সম্প্রসাৰণ কৰিছিল। মুক্ত শিক্ষণ আৰু মুক্ত শিক্ষা নিবিড়ভাবে অনুসংগিত। আজি, মুক্ত আৰু দূৰ শিক্ষণ হ'ল অতি জনপ্রিয় মাধ্যম যিটোৰ মাধ্যমত ব্যক্তিসকলে সহজে বিশ্ব শিক্ষণ ব্যৱস্থাটোক নিজৰ দুৱাৰ দলিলৈ লৈ আনিব পাৰে।

'কমন ৱেলথ শিক্ষণ' হ'ল এটা গুৰুত্বপূর্ণ সংগঠন। এই সংগঠনটোৱে কমন ৱেলথ সদস্য ৰাষ্ট্রবোৰক দূৰ শিক্ষণ আৰু প্রযুক্তিবিজ্ঞানৰ সম্ভাৱনীয়তাৰ বিকাশত সহায় আগবঢ়ায় আৰু ব্যক্তিসকলৰ শিক্ষণ সুগম কৰি তোলে। 'কমন ৱেলথ শিক্ষণ'য়ে গুণগত শিক্ষণৰ সমতাসম্পন্ন সুগম ব্যৱস্থা কৰাত অগ্রাধিকাৰ দিছে। 'কমন ৱেলথ শিক্ষণ' প্রথমতে আৰম্ভ হৈছিল ১৯৮৮ চনত কমন ৱেলথ ৰাষ্ট্রবোৰৰ ১০খন মুক্ত বিশ্ববিদ্যালয়ক লৈ। ২০০৮ চনত ইয়াৰ সদস্য সংখ্যা বৃদ্ধি হয় ২৭খনলৈ। ইয়াৰ পৰা ক'ব পাৰি যে এই শিক্ষা ব্যৱস্থাটোৰ বিকাশত অনুষ্ঠানবোৰে নিস্বার্থ সেৱা আগবঢ়াইছে আৰু বিকাশমুখী কমন ৱেলথ ৰাষ্ট্রবোৰৰ উচ্চ শিক্ষাৰ বাতাবৰণ উন্নত কৰি তুলিবলৈ অৰিহণা যোগাইছে। এচিয়াত বিশ্বৰ ভিতৰত আটাইতকৈ বেছি সংখ্যক মুক্ত আৰু দূৰ শিক্ষণৰ বয়স্ক শিকাৰু আছে। এই শিকাৰু সকলক ৭০খন মুক্ত বিশ্ববিদ্যালয়ে শিক্ষা আহৰণৰ সুবিধা প্রদান কৰিছে তাৰ ভিতৰত ১৩খন বৃহৎ পৰিসৰৰ বিশ্ববিদ্যালয়। ভাৰতবর্ষত অকলেই ১৫খন মুক্ত বিশ্ববিদ্যালয় আছে, প্রায় ১১৭খন দ্বৈত পদ্ধতিৰ অনুষ্ঠান আছে। উক্ত অনুষ্ঠানবোৰে সামগ্রীকভাৱে ৭ মিলিয়ন শিকাৰুক শিক্ষা আহৰণৰ সুবিধা আগবঢ়াইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৩ঃ যোগাযোগ শিক্ষা দূ�ৰৱর্ত্তী শিক্ষা আৰু মুক্ত শিক্ষা মানে আপুনি কি বুজে?

.....

১.৩.২ ভাৰতবর্ষৰ দূৰৱর্ত্তী শিক্ষাৰ ইতিহাস

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ সময়ত মাত্র ২০খন পৰম্পৰাগতভাৱে চলিত বিশ্ববিদ্যালয় আৰু ৫০০খন মহাবিদ্যালয় আছিল। স্বাধীনতাৰ পিছত ভাৰতবর্ষত উচ্চশিক্ষাৰ সংখ্যাগত আৰু গুণগত সম্প্রসাৰণৰ প্রয়োজনীয়তা আহি পৰিছিল। ব্যক্তিসকলৰ প্রয়াস আৰু অর্থনৈতিক দিশ পূৰণৰ বাবে চৰকাৰে প্রচেষ্টা হাতত ল'বলগীয়া হৈছিল।১৯৬১ চনত ড° ডি এচ কোঠাৰীৰ নেতৃত্বত ১০ জন সদস্যপূর্ণ এখন আয়োগ ভাৰত চৰকাৰে গঠন

কৰিছিল। সেই আয়োগে ব্যক্তিসকলক উচ্চশিক্ষাৰ ক্ষেত্ৰত সোমাই ল'ব পৰাৰ বিষয়ে উপায় তথা পৰামৰ্শ আগবঢ়াইছিল। আয়োগৰ পৰামৰ্শ আছিল যে পৰম্পৰাগত ভাৱে চলি থকা বিশ্ববিদ্যালয়বোৰতে একেমানদণ্ডৰে যোগাযোগ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হওঁক। সেই পৰামৰ্শ অনুসৰি দিল্লী বিশ্ববিদ্যালয়ে ১৯৬২ চনত যোগাযোগ পাঠ্যক্ৰম আৰু অবিৰত শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰে। অগ্ৰণী পৰিকল্পনা হিচাপে শিক্ষা লাভৰ বাবে আগ্ৰহীসকলৰ পৰা যথেষ্টভাৱে সমাদৰ লাভ কৰে। পৰবৰ্ত্তী সময়ত বহুবোৰ পৰম্পৰাগতভাৱে চলি থকা বিশ্ববিদ্যালয়ে যোগাযোগ পাঠ্যক্ৰম সঞ্চালকালয় স্থাপন কৰে। বৰ্তমান সময়ত ২০০ তকৈওঁ অধিক বিশ্ববিদ্যালয়ে দূৰশিক্ষা সঞ্চালকালয় খুলি দূৰশিক্ষা ব্যৱস্থাৰ মাধ্যমত বিভিন্ন ধৰণৰ পাঠ্যক্ৰমৰ প্ৰসাৰণ ঘটাই আছে।

'মুক্ত আৰু দূৰশিক্ষণ' ব্যৱস্থাৰ পৰিপূৰ্ণতা বিশ্বৰ দৰবাৰলৈ আহে ১৯৬৯ চনত সংযুক্ত ৰাজ্যত স্থাপন কৰা 'সংযুক্ত ৰাজ্য মুক্ত বিশ্ববিদ্যালয়' গঢ় লৈ উঠাৰ পিছতহে। ইয়াৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰিছিল। ভাৰতবৰ্ষত প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল 'অন্ধ্ৰপ্ৰদেশ মুক্ত বিশ্ববিদ্যালয়' হিচাপে বৃটিছ মুক্ত বিশ্ববিদ্যালয়ৰ আৰ্হিত। ১৯৮২ চনৰ ২৬ আগষ্টত ৰাজ্যিক আইন অনুসাৰে এই বিশ্ববিদ্যালয স্থাপন হৈছিল আৰু বৰ্তমান ইয়াৰ নাম ৰখা হৈছে 'ড° বি আৰ আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়' হিচাপে। ভাৰতবৰ্ষৰ প্ৰথম মুক্ত বিশ্ববিদ্যালয়খনৰ উদ্দেশ্য আছিল যিবিলাক বয়স্ক শিকাৰুৱে বিভিন্ন অসুবিধাৰ বাবে পৰম্পৰাগতভাৱে চলি থকা বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভৰ সুযোগ সুবিধা লাভৰ পৰা বঞ্চিত হৈ থকা দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে উচ্চ শিক্ষাৰ সুবিধাক গণতান্ত্ৰিক কৰি তোলা।

দ্বিতীয়খন মুক্ত বিশ্ববিদ্যালয় হ'ল ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় বা IGNOU। এই বিশ্ববিদ্যালয়খন সংসদৰ আইন মতে ১৯৮৫ চনত স্থাপন কৰা হয় দিল্লীত আৰু ইয়াৰ পৰিসৰ সমগ্ৰ ভাৰতবৰ্ষ আবৰি আছে। পৰ্য্যায়ক্ৰমে কোটা মুক্ত বিশ্ববিদ্যালয় (২০০২), নালণ্ডা মুক্ত বিশ্ববিদ্যালয় (১৯৯৫), যশোৱন্ত ৰাওঁ চৱন মহাৰাষ্ট্ৰ মুক্ত বিশ্ববিদ্যালয় (১৯৮৯) আদিৰ দৰে মুক্ত বিশ্ববিদ্যালয়বোৰ ৰাজ্য চৰকাৰসমূহৰ প্ৰচেষ্টা আৰু আইন অনুসাৰে গঢ় লৈ উঠে। অসম চৰকাৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ৰাজ্যিক আইন অনুসাৰে ২০০৬ চনত স্থাপন কৰিছিল। শেহতিয়াকৈ উৰিষ্যা চৰকাৰে ২০১৫ চনত উৰিষ্যা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰিছে। বৰ্তমান ভাৰতবৰ্ষত ১৪ খন মুক্ত বিশ্ববিদ্যালয় বিভিন্ন ৰাজ্যত স্থাপিত হৈছে আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় হ'ল একমাত্ৰ ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়। মুক্ত আৰু দূৰ শিক্ষা প্ৰতিষ্ঠানসমূহ মূল উদ্দেশ্য হ'ল ভাৰতবৰ্ষত শিক্ষাক গণতান্ত্ৰিকভাৱে জনসমাজলৈ সম্প্ৰসাৰণ কৰা। বৰ্তমান মুক্ত শিক্ষা ব্যৱস্থাৰ নামভৰ্ত্তিৰ হাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত শতকৰা ১১.৪৫% যিটো বিশেষভাৱে বৈশিষ্ট্যপূৰ্ণ।




জানি থোৱা ভাল

কেন্দ্রীয় বা ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়

১) ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU), ১৯৮৫

ভাৰতবর্ষৰ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়সমূহ-

১) অন্ধ্রপ্রদেশ- ড° বি আৰ আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়, (হাইদৰাবাদ, ১৯৮২)
২) মহাৰাষ্ট্র- যশোৱন্তৰাওঁ চৱন মহাৰাষ্ট্র মুক্ত বিশ্ববিদ্যালয়, ১৯৮৯
৩) মধ্য প্রদেশ- মধ্যপ্রদেশ ভোজ (মুক্ত) বিশ্ববিদ্যালয়, ১৯৯১
৪) গুজৰাট- ড° বাবা চাহেব আম্বেদ্কাৰ মুক্ত বিশ্ববিদ্যালয়, ১৯৯৪
৫) বিহাৰ-নালণ্ডা মুক্ত বিশ্ববিদ্যালয়, ১৯৯৫
৬) কর্ণাটক - কর্ণাটক ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়, ১৯৯৬
৭) পশ্চিমবংগ- নেতাজী সুভাষ মুক্ত বিশ্ববিদ্যালয়-কোলকাতা, ১৯৯৭
৮) উত্তৰ প্রদেশ- ৰাজর্শী টেণ্ডন মুক্ত বিশ্ববিদ্যালয়, ১৯৯৯
৯) ৰাজস্থান- বর্ধমান মহাবীৰ মুক্ত বিশ্ববিদ্যালয়, (আগৰ কোটা) ২০০২
১০) তামিলনাড়ু- তামিলনাড়ু মুক্ত বিশ্ববিদ্যালয়, চেন্নাই, ২০০২
১১) চটিচ্গড় - পণ্ডিত সুন্দৰ লাল শর্মা মুক্ত বিশ্ববিদ্যালয়, চট্টিচ্গড়, ২০০৪
১২) উত্তৰাঞ্চল- উত্তৰাঞ্চল মুক্ত বিশ্ববিদ্যালয়, ২০০৬
১৩) অসম- কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ২০০৬
১৪) উৰিষ্যা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ২০১৫



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৪ঃ খালী ঠাই পূৰণ কৰক-

(ক) বিশ্বত প্রথমটো বিশ্ববিদ্যালয় স্থাপন হৈছিল ..... চনত।
(খ) বর্তমান ভাৰতবর্ষত ..... খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ..... খন ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় আছে।
(গ) ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় স্থাপিত হৈছে ..... চনত।
(ঘ) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয় ..... চনত স্থাপন কৰা হৈছিল।
(ঙ) দিল্লী বিশ্ববিদ্যালয়ত ..... চনত যোগাযোগ পাঠ্যক্রম আৰু অবিৰত শিক্ষা প্রতিষ্ঠান স্থাপিত হৈছিল।

১.৩.৩ ভাৰতবর্ষত দূৰৱর্ত্তী শিক্ষাৰ উদ্ভৱ আৰু প্রয়োগ

আমি যেতিয়াই দূৰ শিক্ষাৰ উদ্ভৱ আৰু বিকাশৰ কথা ভাবো তেতিয়াই জানিব



সমসাময়িক (চিনক্রোনাচ্)
সমসাময়িক আহিলা বা একেধৰণৰ আহিলাসমূহে এক 'একে সময়তে বিভিন্ন স্থানত' ধাৰণাৰে প্ৰকৃত সময়ৰ যোগাযোগ সম্ভৱ কৰি তোলে।
আহিলাসমূহে সময়ত এটা বিন্দুত যোগাযোগ স্থাপন কৰে আৰু একে সময়তে সমসাময়িক আহিলা ৰূপেওঁ কাৰ্য সম্পাদন কৰে।
শ্ৰৱন অভিবৰ্ত্তন, ভিডিওঁ অভিবৰ্ত্তন, ৰেৱ অভিবৰ্ত্তন আদি হ'ল 'চিনক্রোনাচ্' আহিলা।

অসমসাময়িক (অচিন ক্রোনাচ্)
অচিন ক্রোনাচ্ বা অসমসাময়িক আহিলাসমূহে 'বিভিন্ন সময়ত বিভিন্ন স্থানৰ' ধাৰণাৰে কিছুসময়ৰ বাবে যোগাযোগ সম্ভব কৰি তোলে। এই আহিলাবোৰে ব্যক্তিসকলক প্ৰত্যেককে নিজৰ সুবিধা সময় অনুসাৰে সংযোজিত হোৱাত অৱিহণা যোগায়। অচিন ক্রোনাচ্ আহিলাবোৰ উক্তি আৰু সহযোগিতা প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত উপকাৰী। ই কিছুসময়ৰ বাবে ব্যক্তিসকলক সমলসমূহ দিবা বা ৰাতিৰ ভিতৰত যোগান ধৰাৰ লগতে তথ্যসমৃদ্ধ কৰি তোলে। অচিন ক্রোনাচ্ আহিলাবোৰে ব্যক্তিসকলক বহু বিকল্প সময়ৰ ক্ষেত্ৰত সুবিধা আনি দিয়ে লগতে এই আহিলাবোৰে এটা দলৰ পাৰস্পৰিক ক্ৰিয়াৰ ইতিহাসক সামৰি লোৱাটো সহায় কৰে। ই যৌথ জ্ঞানৰ অনুমতি প্ৰদান কৰে আৰু সহজভাৱে অংশ গ্ৰহণৰ লগতে বিতৰণ ক্ৰিয়া সম্পাদন কৰে। কথোপকথন ফলি,ৰেৱ তালিকা, বৈদ্যুতিক ডাক প্ৰেৰণৰ আৰ্হি, ৰেৱ পুথি আদি হ'ল কিছুমান

পাৰো যে এই শিক্ষাই বহু পৰ্য্যায় অতিক্ৰম কৰি আহিছে। এই সন্দৰ্ভত অধ্যাপক জেমচ্ চি টেইলৰে দূৰ শিক্ষাৰ পাঁচটা ভাগৰ বা পৰ্যায়ৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল -

- ছপা প্ৰযুক্তিবিদ্যাৰ ওপৰত আধাৰিত যোগাযোগ আৰ্হি
- ছপা,শ্ৰৱন আৰু ভিডিওঁ প্ৰযুক্তিবিদ্যাৰ ওপৰত আধাৰিত বহু মাধ্যম আৰ্হি
- সমসাময়িক যোগাযোগ যোগান, তাৰ সংযোগ প্ৰযুক্তি বিজ্ঞানৰ প্ৰয়োগৰ ওপৰত আধাৰিত তাৰ-শিক্ষণ আৰ্হি
- অন লাইন বা ইন্টাৰনেট আধাৰিত শিথিলতাপূৰ্ণ শিক্ষণ আৰ্হি
- অগ্ৰবৰ্ত্তী তাৰ সংযোগ বা অনলাইন প্ৰযুক্তিসমূহৰ ওপৰত আধাৰিত বুদ্ধি সম্পন্ন শিথিলতাপূৰ্ণ শিক্ষণ আৰ্হি।

আজি মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাই সামৰি লৈছে–

- আন্তঃ সক্ৰিয় বহুমাধ্যম প্ৰেৰণ, চিডি ৰ'ম ইন্টাৰনেট আধাৰিত শিক্ষাদান
- যিকোনো স্থানত যিকোনো সময়ত শিকাৰু সমৰ্থিত বৃদ্ধিপূৰ্ণ গুণ
- **সমসাময়িক (চিনক্রোনাচ) আৰু অ-সমসাময়িক (অচিনক্রোনাচ) যোগাযোগ,**
- অংশগ্ৰহণ/অবদান আগবঢ়াবলৈ ইচ্ছুক শিকাৰুসকলৰ বাবে সমান ধৰণৰ সুবিধা
- শিক্ষক শিকাৰু সমবন্ধুসকলৰ মাজত পাৰস্পৰিক আলোচনা
- সামাজিক সংযোগ আৰু সহযোগী কৰ্ম

আমি দেখিবলৈ পাইছো যে মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটোৰে আমাৰ দেশত কেইবাটাও পদক্ষেপ আগবাঢ়ি গৈ দীঘলীয়া পথ অতিক্ৰম কৰিছে। কিন্তু এতিয়াওঁ সকলোকে শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত বহুবোৰ কাম বাকী আছে। তলত দিয়া তালিকাখনত বিকাশৰ ধাৰাৰ ক্ষেত্ৰত অৱিহণা যোগোৱা শিক্ষানুষ্ঠান আৰু শিকাৰুৰ সংখ্যা দেখুওৱা হৈছে।

তালিকা ১ ঃ

ভাৰতবৰ্ষৰ মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহ ১৯৬২-২০১০

বছৰ	দ্বৈত ধৰণ বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান	একক ধৰণ মুক্ত বিঃ বিঃ সমূহ	মুঠ মুক্ত শিক্ষাৰ অনুষ্ঠানসমূহ
১৯৬২	১	—	১
১৯৭৫	২২	—	২২
১৯৮২	৩৪	১	৩৫
১৯৮৫	৩৮	২	৪০
১৯৯০	৪৬	৫	৫১
২০০০	৭০	৯	৭৯
২০০৫	১০৬	১৩	১১৯
২০১০	২৪২	১৪	২৫৬
২০১৭	১১৭	১৫	১৩২

উৎস ঃ Distance Education Bureau, UGC.

ওপৰত দেখুওঁৰা তালিকাখনৰ পৰা বুজা গ'ল যে মুক্ত আৰু দূৰ শিক্ষা অনুষ্ঠানৰ গঠনৰ ধাৰা কিছুপৰিমাণে ক্ষীপ্রতৰ। এই অনুষ্ঠানসমূহে দূৰ আৰু মুক্ত শিক্ষণ আমাৰ দেশৰ বহুসংখ্যক ব্যক্তিক সহজে লাভ কৰাৰ ক্ষেত্রত বৈশিষ্ট্যপূর্ণ ভূমিকা গ্রহণ কৰিছে আৰু অৱদান আগবঢ়াইছে। দ্বিতীয়খন তালিকাত দূৰ শিক্ষাৰ অনুষ্ঠানত শিকাৰুৰ নামভর্ত্তি কৰণৰ ক্রমাগত হাৰ দেখুওৱা হৈছে।

তালিকা ২ ঃ

দূ�ৰৱর্ত্তী শিক্ষাত নামভর্তিৰ গঠন

বর্ষ	দূৰৱর্ত্তী শিক্ষাত মুঠ নামভর্তি
১৯৮৩-৮৪	৬২৩১
১৯৮৮-৮৯	৬২৯২৩
১৯৯৩-৯৪	১৭০৩৭২
১৯৯৮-৯৯	৩৪১৪৪৪
২০০৩-০৪	৭৫০৩৪২
২০০৮-০৯	১৪৭২৩৭৯
২০১৩-১৪	২১০৪২৯১
২০১৪-১৫	৩৮১১৭২৩

উৎস ঃ Distance Education Bureau, UGC.

আমি ক'ব পাৰো যে মুক্ত শিক্ষণ ব্যৱস্থাটো এটা সমর্থবান শিক্ষা আহৰণৰ বিকল্প আৰু ইয়াৰ মাজেৰে সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক ব্যৱধান নোহোৱাকৈ সকলোৱে শিক্ষা লাভৰ সুবিধা ল'ব পাৰে।


মুক্ত শিক্ষা ব্যৱস্থাটোৱে সঠিক সময়ত শিক্ষা লাভৰ পৰা বঞ্চিতসকল আৰু যিবিলাকে শিক্ষা আহৰণ প্রক্রিয়াটোক অবিৰত কৰি ৰাখিব বিচাৰে তেওঁলোকক শিক্ষা লাভৰ সুবিধা কৰি দিয়ে আৰু সামাজিক তথা শৈক্ষিক বৈষম্য আঁতৰ কৰাত অৰিহণা যোগায়। শিক্ষা ব্যৱস্থাই শিকাৰুসকলে পৰম্পৰাগতভাৱে চলি থকা শিক্ষাত আৰোপিত হোৱা নিষেধ তথা বাধা-খিনি আঁতৰোৱাৰ ক্ষেত্রত সুবিধা প্রদান কৰে। এই শিক্ষা ব্যৱস্থাটোৱে বহু বিস্তৃতভাৱে থকা ব্যক্তিসকলক মুক্তভাৱে শিক্ষণ লাভৰ সুবিধা প্রদান কৰে। এই শিক্ষা সৌহার্দ্যপূর্ণ হয় আৰু সাময়িকভাবেও ল'ব পৰা যায়।

দূৰ আৰু মুক্ত শিক্ষণ ব্যৱস্থা হ'ল কম খৰচী ফলদায়ক পদ্ধতি। ই বহু লোকক কম খৰচত শিক্ষালাভৰ সুবিধা প্ৰদান কৰে। অনলাইন (Online) পাঠ্যক্ৰমসমূহ প্ৰস্তুতিৰ ক্ষেত্ৰত এবাৰহে খৰচ হয়। ই বহুসংখ্যক ব্যক্তিক বহুবছৰৰ বাবে সামৰি লয়। দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাৰ কাৰণে প্ৰস্তুত কৰা ছপা সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ সময়ত এবাৰ খৰচ হয়। সেই সামগ্ৰীসমূহ বছৰ বছৰ ধৰি শিক্ষাৰ্থীসকলক যোগান ধৰি থকা হয়। এনেবোৰ দিশৰ বাবে মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাক কম খৰচী ফলদায়ক পদ্ধতি বুলি কোৱা হয় কাৰণ পৰম্পৰাগত পদ্ধতিৰ স্কুলবোৰত শিক্ষাৰ্থীসকলৰ পৰা বাৰে বাৰে বুজন পৰিমাণৰ মাছুল আদায় লোৱাৰ ব্যৱস্থা আছে। সাধাৰণতে পৰম্পৰাগত ব্যৱস্থাৰ শিক্ষণ হ'ল শিক্ষক কেন্দ্ৰিক, যদিওঁ ইয়াক শিশুকেন্দ্ৰিক বুলি প্ৰচাৰ কৰা হয়।

মুক্ত বিদ্যালয়সমূহ আৰু মুক্ত বিশ্ববিদ্যালয়বোৰে সকলোকে শিক্ষালাভৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা পৰিলক্ষিত হৈছে। মুক্ত বিশ্ববিদ্যালয়বোৰ আৰু মুক্তবিদ্যালয়সমূহৰ মূল উদ্দেশ্য হ'ল শিকাৰুৰসকলক নিজৰ দুৱাৰদলিতে বিভিন্ন মাধ্যম আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত নিৰ্দেশনা যোগান ধৰা। মুক্ত আৰু দূৰ শিক্ষাৰ ধাৰণাটোক 'স্বাধীন শিক্ষণ' 'শিথিল শিক্ষণ' তথা 'আত্ম শিক্ষণ' বুলিও ধৰা বা জনা যায়। মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাক শিথিল আৰু অভিনৱ কৰাৰ বহুল পৰিসৰ আছে। বিভিন্ন স্থানত সিঁচৰিত হৈ থকা শিকাৰু সকলৰ প্ৰয়োজনীয়তা পূৰণ আৰু সমাজৰ চাহিদা পূৰ্ণ কৰাৰ বাবে সময়ৰ পৰিৱৰ্ত্তনৰ ব্যৱস্থা ইয়াত থাকে। সেয়েহে আজি মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটো বহুজন সমাদৃত হৈছে আৰু সমগ্ৰ বিশ্বত ইয়াৰ গুৰুত্ব বাঢ়িছে। 'বাচনি আধাৰিত মান ব্যৱস্থা' (Choice based credit system) আৰু কনভাৰজেঞ্চ দৃষ্টিভংগী' (Convergence approach) এই দুয়োটা হ'ল মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাৰ সুবিধা। এই ব্যৱস্থাটোৱে বহুবিস্তৃত মানৰ সম্পদ বিকাশ, শিকাৰুসকলক চাকৰিৰ বজাৰ আৰু আত্ম নিয়োজনৰ ক্ষেত্ৰত সহায় কৰিছে। মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাৰ ভূমিকা বৰ্তমান সমাজত অতি গুৰুত্বপূৰ্ণ আৰু ই শিকাৰু সকল সামৰ্থতা অনাত অৰিহণা যোগাইছে। অভিনৱ ধাৰণা আৰু শিথিল আদৰ্শক আকোৱালি লৈ ই শিক্ষাৰ ক্ষেত্ৰখনক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। সামগ্ৰীকভাৱে ভাৰতবৰ্ষ আৰু নিৰ্দিষ্টভাৱে উত্তৰ পূৰ্বাঞ্চলত দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাটো জণগণৰ বাবে এটা উন্নত ধৰণৰ শিক্ষা আহৰণৰ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে।

উত্তৰ পূব ভাৰতত মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটোৰ আৰম্ভণি হয় ১৯৮৬ চনত যেতিয়া ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰথম অধ্যয়ন কেন্দ্ৰ এটা স্থাপন কৰে। বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰত আঞ্চলিক কেন্দ্ৰ স্থাপন কৰি বিশ্ববিদ্যালয়খনে কৰ্ম সম্পাদন কৰি আছে। অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয়ত এই বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ আছে। ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ উপৰিও অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় নামেৰে এখনি মুক্ত বিশ্ববিদ্যালয় ২০০৬ চনত গুৱাহাটীত

স্থাপন কৰা হয়। কিছুমান বিশ্ববিদ্যালয়ত দূৰ শিক্ষাৰ সঞ্চালকালয় আছে আৰু সেই সঞ্চালকালয়সমূহে দূৰশিক্ষা সম্প্রসাৰণৰ কাম কৰি আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৮ চনৰ কৰা ডিব্রুগড় বিশ্ববিদ্যালয়ে ২০০১চনৰ পৰা, ৰাজীৱ গান্ধী কেন্দ্রীয় বিশ্ববিদ্যালয়, ইটানগৰ ২০০৫ চনৰ পৰা, উত্তৰ পূৰ্ব পার্বত্য কেন্দ্রীয় বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা, আগৰতলাস্থিত ত্রিপুৰা বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা আৰু তেজপুৰ বিশ্ববিদ্যালয়ে ২০১১ চনৰ পৰা । ওপৰত উল্লেখ কৰা বিশ্ববিদ্যালবোৰ হ'ল কেন্দ্রীয় বা ৰাজ্যিক ব্যৱস্থাৰে নিয়ন্ত্রিত। বর্তমান সময়ত বহুবোৰ ব্যক্তিগতখণ্ডৰ বিশ্ববিদ্যালয়ে দূৰ শিক্ষা সম্প্রসাৰণত ব্রতী হৈ উত্তৰ পূৰ্বাঞ্চলত সেৱা আগবঢ়াই আছে। তাৰ ভিতৰত চিকিম মণিপাল বিশ্ববিদ্যালয় গেংটক (চিকিম), ইকফাই বিশ্ববিদ্যালয়, আগৰতলা (ত্রিপুৰা), ইকফাই বিশ্ববিদ্যালয়, আইজল (মিজোৰাম)। ওপৰত উল্লেখ কৰা ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়বোৰৰ উপৰিও এই অঞ্চলত ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্র স্থাপন হৈছে আৰু নামভর্ত্তিকৰণৰ মাধ্যমেৰে দূৰ শিক্ষা সম্প্রসাৰণত অৰিহণা যোগাই আছে। (শ্রীবাস্তৱ আৰু বসু ২০১০)। যিয়েই নহওঁক সেই বাহিৰৰ বিশ্ববিদ্যালয়বোৰে সন্মানীয় ভাৰতবর্ষৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰৰ বিৰুদ্ধে কাম কৰি আছে আৰু উত্তৰ পূৰ্বাঞ্চলৰ কেন্দ্রবোৰ চলাই আছে। বর্তমান বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে দূৰৱর্তী শিক্ষাৰ সম্প্রসাৰণৰ সীমা বান্ধি দিয়াৰ পিছত, বাহিৰত দূৰৱর্তী শিক্ষা অনুষ্ঠানসমূহে উত্তৰ পূৰ্বাঞ্চলত নিজৰ কার্য্যসূচীসমূহ বন্ধ কৰিবলগীয়া হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কাৰাগাৰত থকা লোকসকলক শিক্ষাদানৰ সুবিধা দিয়াৰ লগতে অন্ধ আৰু বিশেষভাবে সক্ষম লোকক বিনামূলীয়াকৈ শিক্ষা দি এক সর্বাঙ্গসুন্দৰ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাই শিথিল আৰু অনানুষ্ঠানিক দৃষ্টিভংগীৰ মাধ্যমত মূল মানৱ অধিকাৰ হিচাপে শিক্ষাৰ অধিকাৰ সাব্যস্ত কৰিবলৈ জনগণক সুবিধা প্রদান কৰিছে। এই শিক্ষা ব্যৱস্থাৰ ধৰণ যথেষ্টভাৱে সুবিধাজনক আৰু ই সামগ্রীকভাৱে ৰাষ্ট্রৰ কল্যাণ সাধনত উল্লেখযোগ্য অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৫ঃ মুক্ত আৰু দূৰ শিক্ষাৰ প্রাসংগিকতা কেনেধৰণৰ?

.....

.....

প্রশ্ন নং ৬ঃ উত্তৰ পূব ভাৰতত মুক্ত আৰু দূৰ শিক্ষাৰ কি কি অনুষ্ঠান স্থাপিত হৈছে?

.....

.....

.....



অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষাক এখন দেশৰ আৰ্থসামাজিক বিকাশৰ 'মূল শিলা' বুলি অভিহীত কৰা হয়।
- শিক্ষাই মানুহক জ্ঞানৰ যোগান ধৰে; প্ৰয়োজন আধাৰিত কিছুমান কৌশলক অনুধাৱন কৰায় আৰু যোগাত্মক দিশৰ প্ৰতি মনযোগৰ নিৰ্দেশনা দিয়ে।
- ভৌগোলিক অৰ্থত সামগ্ৰীকভাৱে ভাৰতবৰ্ষৰ বৃহৎ সম্ভাৱনীয়তা আছে। কিন্তু বৰ্তমান অৱস্থা মানৱ শক্তিৰ গঠন আৰু উৎপাদন কাৰ্যসূচীৰ ক্ষেত্ৰত নিয়োগৰ পূৰ্ণতা আহি পৰা নাই।
- ভাৰতবৰ্ষৰ ভিতৰত আজিওঁ নিয়োগৰ ক্ষেত্ৰত ৰাজ্যিক আৰু আঞ্চলিক ভেদে ভিন্নতা, শিক্ষাৰ সকলো পৰ্যায়ত লিংগ বৈষম্য, সামগ্ৰীক নামভৰ্ত্তিৰ হাৰ আৰু স্বাক্ষৰতাৰ পৰ্যায় আদিত বৈষম্যতা পৰিলক্ষিত হয়।
- ইয়াৰ উপৰিও আমি সামৰি লোৱা গঠনৰ লক্ষ্যত উপনীত হৈ সহস্ৰাব্দৰ বিকাশৰ লক্ষ্যৰ প্ৰতি অগ্ৰসাৰিত হ'ব লাগিব আৰু মানৱ মূলধনৰ গঠনৰ প্ৰতি আমাৰ প্ৰচেষ্টাক নিৰ্দেশিত কৰিব লাগিব।
- শিক্ষাই হ'ল আমাৰ প্ৰয়োজন আৰু প্ৰয়াস মতে লক্ষ্যসমূহ পূৰ্ণ কৰিব পৰা একমাত্ৰ পথ। কাৰণ শিক্ষিত ব্যক্তিসকল সাধাৰণতে উন্নত উৎপাদনশীল কৰ্মী, যিয়ে মূলধনক অধিক ফলপ্ৰসুভাবে ব্যৱহাৰ কৰিব পাৰে; নতুন প্ৰযুক্তিসমূহ প্ৰয়োগ কৰিব পাৰে আৰু তেওঁলোকে কৰা ভুলৰ পৰা শিকিব পাৰে।
- আমাৰ দেশৰ সকলোবোৰ ব্যক্তিয়ে মানৱ অধিকাৰ হিচাপে শিক্ষাৰ অধিকাৰ পোৱাটো বাঞ্ছনীয়। সেয়েহে ব্যক্তিসকলক শিক্ষাৰ বিভিন্ন পন্থাৰ মাধ্যমেৰে তথ্য আৰু জ্ঞানৰ যোগান ধৰাটো অতিশয় প্ৰয়োজনীয়।
- মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষা হ'ল সকলো ব্যক্তিৰ বাবে সহজে সম্ভৱ কৰি তুলিব পৰা এটি সম্ভাব্য বিকল্প শিক্ষাৰ পথ।
- দূ�ৰৱৰ্তী শিক্ষা মানে হ'ল এক শিক্ষণৰ ধৰণ যিটোৰ মাজেৰে কোনো ভৌগোলিক ব্যৱধান, শিক্ষকৰ শাৰীৰিক উপস্থিতি, স্থান, সময় আৰু বয়স আদিৰ ক্ষেত্ৰত বাধা নোহোৱাকৈ লাভ কৰিব পৰা শিক্ষা।
- একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত দেশৰ সমগ্ৰ শিক্ষাৰ্থীৰ শতকৰা ৪০%ক মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষা পদ্ধতিৰ ভিতৰত সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে।
- আজি ইয়াৰ নমনীয়তা তথা শিথিলতাৰ বাবে, এই পদ্ধতিটোক 3A (৩-যিকোনো) যেনে যিকোনো সময়ত, যিকোনো স্থানত, যিকোনো লোককে শিক্ষালাভ কৰিব পৰা ব্যৱস্থা বুলি ক'ব পৰা যায়।

- মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটোৱে খৰচ ফলপ্রসু ধৰণৰ মাধ্যমেৰে জীৱন জো�ৰা শিক্ষালাভৰ সুবিধা প্রদানকৰিবলৈ সক্ষম হৈছে। যিবিলাকে উচ্চ শিক্ষা লাভৰ পৰা নিজকে বঞ্চিত হোৱা বুলি ভাবিছে বা তথাকথিত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা বুলি ভাবি শিক্ষা লাভৰ প্রতি আগ্রহান্বিত হৈছে তেওঁলোকক এই পদ্ধতিয়ে আকোৱালি লৈছে।
- এই শিক্ষা ব্যৱস্থাটোক আগতে যোগাযোগ শিক্ষা নামেৰে জনা গৈছিল। যোগাযোগ শিক্ষা মানে হ'ল এনে ধৰণৰ শিক্ষা য'ত শিকাৰু আৰু শিক্ষকে মুখামুখিভাৱে সংস্পর্শলৈ আহিব নোৱাৰে। তেওঁলোকে মাত্র ডাক যোগাযোগৰ মাধ্যমতহে পাৰস্পৰিক ক্রিয়া সম্পাদন কৰে। ছপা সামগ্রীয়ে হ'ল একমাত্র শিক্ষাৰ মাধ্যম আৰু ছপাপাঠবোৰেই হ'ল শিকাৰু সকলৰ বাবে একমাত্র শিক্ষাৰ সমল।
- যোগাযোগ শিক্ষাই ১৮৪০ চনত আনুষ্ঠানিক ধৰণ বা আকৃতি লাভ কৰে আইজাক পিটমেনৰ প্রচেষ্টাত। তেওঁ চমু লিখন পদ্ধতিৰ মাধ্যমত ইংলেণ্ডৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা ছাত্রসকলক ডাকযোগে পঢ়োৱাৰ ব্যৱস্থা কৰাৰ ফলত এই ব্যৱস্থাটোৰ প্রচলন হয়।
- পৰৱর্ত্তী সময়ত শিক্ষাবিদসকলৰ চিন্তাধাৰাত প্রকাশিত হ'ল যে 'দূৰ শিক্ষা' ধৰণটো যোগাযোগ শিক্ষাৰ ধৰণতকৈ অধিক গ্রহণ যোগ্য হ'ব। দূৰ শিক্ষাৰ শিক্ষার্থীৰ সহায়কাৰী সমল সেৱা আৰু মূল্যায়ণ পদ্ধতিৰ ভিন্নতা হ'ল গুৰুত্বপূর্ণ উপাদান। ই হ'ল এক শিকাৰু আধাৰিত প্রয়াস। ছপা মাধ্যমৰ বাহিৰেওঁ এই পদ্ধতিত অনা ছপা মাধ্যম যেনে ৰেডিওঁ, দুৰাভাষ যন্ত্র, শ্রব্য কেছেট, ভিডিওঁ কেছেট, কম্পিউটাৰ আৰু আন আন বৈদ্যুতিক মাধ্যমসমূহো সামৰি লোৱা হয়।
- দূৰ শিক্ষাক আজি সাধাৰণভাৱে মুক্ত আৰু দূৰ শিক্ষণ বুলি জনা যায়। 'মুক্ত শিক্ষণ' নামকৰণ হৈছিল পিটমেনৰ এখন মুখপত্রত ১৯২৯ চনত।
- মুক্ত শিক্ষণ আৰু মুক্ত শিক্ষা পৰস্পৰভাৱে সম্বন্ধিত। মুক্ত বিশ্ববিদ্যালয় প্রথমতে ইংলেণ্ডত ১৯৬৯ চনত স্থাপন কৰা হৈছিল।
- আজি মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থা বহু সমাদৃত এক শিক্ষণ ব্যৱস্থা। ইয়াৰ মাধ্যমত ব্যক্তিসকলে বিশ্বৰ বিভিন্ন প্রান্তৰ শিক্ষণ পদ্ধতিক নিজৰ ঘৰতেই বহি শিকিব পাৰে।
- বর্ত্তমান সময়ত ভাৰতবর্ষত ১৪ খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু এখন কেন্দ্রীয় মুক্ত বিশ্ববিদ্যালয় আছে। সেইখনৰ নাম হ'ল ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়।
- মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাই বিভিন্ন পর্যায় বা অৱস্থা অতিক্রম কৰি আহিছে আৰু আজিৰ দিনত অনলাইন প্রযুক্তিবিদ্যা ব্যৱহাৰ কৰিছে।
- বর্তমান সময়ত মুক্ত আৰু দূৰ বিশ্ববিদ্যালয় আৰু অনুষ্ঠানসমূহ স্থাপনৰ ধাৰা ক্ষীপ্রভাৱে বৃদ্ধি হ'বলৈ ধৰিছে আৰু এইবোৰে জনসাধাৰণক সহজে শিক্ষালাভ কৰিব পৰা

বৈশিষ্ট্যপূর্ণভাবে অৱিহণা যোগাই আছে।

- মুক্ত শিক্ষাই পৰম্পৰাগতভাৱে শিক্ষালাভ কৰিবলৈ যোৱাৰ ক্ষেত্ৰত থকা বাধা আৰু নিষেধসমূহ আতঁৰাইছে আৰু বহু পৰিসৰত থকা ব্যক্তিসকলক শিক্ষণ সুবিধা প্ৰদান কৰিছে। ই ব্যক্তিসকলক অধিক সহজভাৱে আৰু সময় উপযোগীকৈ শিক্ষা লাভ কৰিবলৈ সমৰ্থবান কৰি তুলিছে।
- মুক্ত আৰু দূৰ শিক্ষণ হ'ল কম খৰচী ফলপ্ৰসু শিক্ষণ ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাই কম খৰচতে বহু ঠাইত বিস্তৃত হৈ থকা ব্যক্তিসকলক একে সময়তে সামৰি লয়। উদাহৰণ স্বৰূপে অন লাইন পাঠ্যক্ৰমত খৰচ হয় এবাৰ। সেই খৰচতে প্ৰস্তুতি সম্পূর্ণ কৰা হয় আৰু বহু বছৰৰ কাৰণে এই পাঠ্যক্ৰমে বহু সংখ্যক ব্যক্তিক সামৰি লোৱা হয়।
- মুক্ত আৰু দূৰ শিক্ষণৰ ধৰণক "স্বাধীনভাৱে শিক্ষণ" "নমনীয় শিক্ষণ" আৰু 'আত্মশিক্ষণ' হিচাপেওঁ জনা যায়।
- মুক্ত আৰু দূৰ শিক্ষণ নতুনত্ব আৰু নমনীয়তা অনাৰ ক্ষেত্ৰত যথেষ্ট পৰিসৰ আছে। ইয়াৰ উপৰিও এই ব্যৱস্থাটোত সমাজৰ প্ৰয়োজন আৰু আৱশ্যকতা পুৰণৰ অর্থে বিভিন্ন স্থানত সিঁচৰিত হৈ থকা শিকাৰুসকলক সামৰি সময়ৰ পৰিৱর্তনৰ লগত শিক্ষণৰ ব্যৱস্থা সম্ভৱ কৰি তোলে।
- উত্তৰ পূব ভাৰতত ১৯৮৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ স্থাপনৰ সময়তে মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাৰ আৰম্ভণী হয়।
- কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসমৰ কাৰাগাৰৰ কাৰাবাসী শিকাৰুসকলক শিক্ষালাভৰ সুবিধা প্ৰদান কৰি সর্বাঙ্গ সুন্দৰ ভূমিকা গ্ৰহণ কৰিছে।



১.৫ অধিক জানিবলৈ

1) Baruah, Srinath (2011): "Education Beyond Barriers: Role of Open and Distance learning with special reference to Krishna Kanta Handiqui State Open University", Horizon, The Newsletter of KKHSOU, Vol-V, No II, July 2011

2) Kanwar, Asha (2011): "Crisis in ODL: What is the response?", Lecture presented at Symbiosis International Conference on ODL, 23rd February, Pune, India

3) Srivastava, Manjulika and Swaraj Basu, " Distance Learning in North East : An Overview ", University News, 48 (38) September, 2010

4) STRIDE Handbook on Distance Education, IGNOU

১.৬ অগ্রগতি খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ দূৰ শিক্ষা হ'ল শিক্ষা সম্প্রসাৰণৰ এটি তাৎপর্যপূর্ণ ধাৰণা। ইয়াৰ মাজেৰে ভৌগোলিক, শিক্ষকৰ বৈষয়িক অস্তিত্ব, সময়, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ ব্যক্তিসকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। এই ব্যৱস্থাটো অসংখ্য সুবিধা লাভৰ পৰা বঞ্চিত ব্যক্তিৰ লগতে আত্ম সংস্থাপিত, গৃহিনীসকলক শিক্ষা লাভৰ সুবিধা প্রদান কৰিছে। যিবিলাকে উন্নত আৰু উৎপাদনমুখী জীৱন গঢ়ি তুলিব বিচাৰে তেওঁলোককো এই ব্যৱস্থাটোৱে সুবিধা দিয়ে।

২নং প্রশ্ন উত্তৰ ঃ মুক্ত আৰু দূৰ শিক্ষা হ'ল এনে এক ব্যৱস্থা যাৰ জৰিয়তে প্রচলিত পদ্ধতিৰ মাধ্যমত যিসকলে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে তেনেলোকসকলক শিক্ষা লাভৰ সুবিধা প্রদান কৰা। কম খৰচতে এই ব্যৱস্থাৰ মাধ্যমত জীৱনযোৰা শিক্ষা লাভৰ ইচ্ছা কৰে তেনে ব্যক্তিয়ে এই ব্যৱস্থাত সোমাই ল'ব পাৰে। এই শিক্ষা ব্যৱস্থা তলত উল্লেখ কৰাবোৰৰ বাবে বৰ সহায়ক।

- যিবিলাকে বিদ্যালয়সমূহ আৰু মহাবিদ্যালয়সমূহৰ পৰা অর্থনৈতিক কাৰণৰ বাবে আঁতৰি আহিছে আৰু বর্তমান ব্যৱসায় বাণিজ্য আদিত মকৰল হৈছে।
- মহিলাসকল যিবিলাকে কম বয়সতে বিবাহ পাশত আৱদ্ধ হৈ বিদ্যালয় মহাবিদ্যালয়ৰ শিক্ষা অসম্পূর্ণ কৰিছে।
- যিবিলাকে কার্যালয় আৰু উদ্যোগসমূহত পঢ়া শুনা সম্পূর্ণ নকৰাকৈ নিয়োজিত হৈছে কিন্তু তেওঁলোকক পদবী আৰু শিক্ষা লাভৰ প্রমাণ পত্রৰ প্রয়োজন হৈছে।
- ব্যক্তিসকলৰ লগতে গৃহিণীসকলে যিয়ে সহজভাৱে পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষা লাভ কৰিব নোৱাৰিলে এতিয়া শিক্ষা লাভৰ ইচ্ছা কৰে তেওঁলোকৰ বাবে এই ব্যৱস্থা অতি সুবিধাজনক।
- যিবিলাকে তেওঁলোকৰ কার্য ক্ষেত্রৰ ভৱিষ্যত সুবিধাৰ বাবে পৰবর্ত্তী শিক্ষা লাভ কৰিব বিচাৰে।
- ইয়াৰ উপৰিওঁ মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাই চাকৰি কৰি থকা ব্যক্তিসকল বা বৃত্তিধাৰীসকলক চাকৰি কৰি থকা সময়তে বৃত্তিগত অর্হতা বৃদ্ধি আৰু

প্রশিক্ষণৰ সুবিধা প্রদান কৰে।

৩নং প্রশ্ন উত্তৰ ঃ

- যোগাযোগ শিক্ষা মানে হ'ল এনে ধৰণৰ শিক্ষা যি শিক্ষাৰ মাধ্যমেৰে ব্যক্তিয়ে নিজৰ কর্মৰ স্থানতে বা বাস কৰি থকা ঠাইতে থাকি অধ্যয়ন কৰিব পাৰে। এই ব্যৱস্থাৰ পাঠবোৰ শিক্ষানুষ্ঠানখনে ডাক যোগাযোগৰ মাধ্যমত শিকাৰুলৈ প্রেৰণ কৰে।
- দূৰ শিক্ষা হ'ল এনে এটা শিক্ষণ পদ্ধতি য'ত শিক্ষণ সূচীসমূহ ছপা সামগ্রী আৰু বৈদ্যুতিক মাধ্যমৰ মাধ্যমত শিকাৰুক যোগান ধৰা হয়। এই ব্যৱস্থাত প্রয়োজন অনুসৰিহে শিক্ষক আৰু শিকাৰুৰ যোগ স্থাপন হয় বিশেষকৈ বিদ্যায়তনিক, প্রশাসনিক, কাৰিকৰী আৰু ব্যক্তিগত সমস্যাসমূহ সমাধানৰ ক্ষেত্রত। শিক্ষক আৰু শিকাৰুৰ যোগাযোগ মাধ্যম আৰু প্রযুক্তিবিদ্যা ব্যৱহাৰৰ মাধ্যমেৰেহে সম্ভৱ হৈ উঠে।
- মুক্ত শিক্ষণ হ'ল এটা শিক্ষণ ব্যৱস্থা যিটোৰ মাধ্যমত শিক্ষাৰ অগ্রগতি হয় পৰম্পৰাগত ভাৱে চলি থকা শিকণ-শিক্ষণৰ বাহিৰত। নামভর্তিৰ নীতি নিয়ম, আসনৰ সংখ্যা, উপস্থিতি, পৰীক্ষা, পাঠ্যক্রমৰ সময়, বিষয় গাথা আদিৰ নমনীয়তা হ'ল ইয়াৰ কিছুমান বৈশিষ্ট্য। ১৯২৯ চনত পিটমেনৰ মুখপত্রত 'মুক্ত শিক্ষণৰ' ধাৰণাটো প্রবর্ত্তিত হৈছিল। এইটো এটা শিক্ষা ব্যৱস্থা য'ত নুন্যতম বাধা নিষেধৰ মাধ্যমত সকলো ব্যক্তিয়ে শিক্ষালাভৰ সুবিধা গ্রহণ কৰিব পাৰে। নমনীয়তা প্রকৃতিৰ বাবে এই ব্যৱস্থাত ব্যক্তিসকলে ভৌগলিক, শিক্ষকৰ অৱস্থিতি সময়, স্থান, বয়স আদিৰ ব্যৱধান নোহোৱাকৈ শিক্ষা লাভ কৰিব পাৰে।

৪নং প্রশ্ন উত্তৰ ঃ ক) ১৯৬৯ চন

খ) ১৪ খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ১খন কেন্দ্রীয় বিশ্ববিদ্যালয়

গ) ১৯৮৫ চন

ঘ) ২০০৬ চন

ঙ) ১৯৬২ চন

৫নং প্রশ্ন উত্তৰ ঃ মুক্ত শিক্ষণৰ প্রাসংগিকতাই সাধাৰণতে তলত দিয়া দিশসমূহক সুচায়। সেইবোৰ হ'ল ঃ

- মুক্ত শিক্ষা ব্যৱস্থা বর্তমান সময়ত অতি প্রয়োজনীয়। কাৰণ এই ব্যৱস্থাৰ প্রধান লক্ষ্য হ'ল - সামাজিক আৰু শৈক্ষিক অসমতাসমূহ আঁতৰ কৰা, পৰম্পৰাগত পদ্ধতিৰ পৰা বঞ্চিত সকলক শিক্ষা লাভৰ সুবিধা দিয়া, লগতে যিসকলে অবিৰতভাৱে শিক্ষা আহৰণ কৰিব বিচাৰে তেওঁলোকক

শিক্ষা লাভৰ বাবে অনুপ্রেৰণা আগবঢ়োৱা আদি। মুক্ত শিক্ষাই পৰম্পৰাগত ভাৱে চলি থকা শিক্ষাৰ শিক্ষার্থীয়ে সন্মুখীন হোৱা বাধা আৰু নিষেধসমূহ আঁতৰাই পেলাই। ই বহল ভিত্তিক ব্যক্তিসকলক শিক্ষা লাভৰ সুবিধা প্রদান কৰে আৰু তেওঁলোকক অধিক সহজভাৱে সময় উপযোগীকৈ শিক্ষালাভৰ বাবে সমর্থবান কৰি তুলিছে।

- মুক্ত আৰু দূৰ শিক্ষণ হ'ল কম খৰচতে বহল পৰিসৰৰ ব্যক্তিক অন্তভূক্তি কৰি লোৱা এক ফলপ্রসু শিক্ষা ব্যৱস্থা। উদাহৰণস্বৰূপে তাৰ সংযোগ (অনলাইন) পাঠ্যক্রমত প্রস্তুতিৰ ক্ষেত্রত মাত্র এবাৰহে খৰচৰ ব্যৱস্থা আছে, যিটোৱে বহুবোৰ ব্যক্তিক কেইবা বছৰৰ বাবে শিক্ষাৰ বাবে সামৰি লয়। মুক্ত আৰু দূৰশিক্ষাৰ ছপা সামগ্রীসমূহ প্রস্তুতকৰণ এবাৰতে কৰি লোৱা হয়। অনুষ্ঠানবোৰৰ প্রস্তুতকৰণৰ খৰচ এবাৰহে হয় আৰু সেই সামগ্রীসমূহৰ প্রচলন বা ব্যৱহাৰ বহুবছৰৰ বাবে কৰি থকা হয়। সেই ক্ষেত্রত মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটোক পৰম্পৰাগত ব্যৱস্থাতকৈ অধিক কম খৰচী বুলি কব পৰা যায়। পৰম্পৰাগত বিদ্যালয়সমূহত শিক্ষার্থীৰ পৰা অধিক মাচুল বাৰে বাৰে লোৱাৰ ব্যৱস্থা আছে আনহাতে মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানত নামভর্ত্তিকৰণৰ সময়তে মাচুল লোৱা হয়।
- মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাত সমাজৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা শিকাৰু সকলৰ পিনে লক্ষ্য ৰাখি সময়ৰ পৰিবর্ত্তন, প্রয়োজন আৰু আৱশ্যকতা আদিবোৰৰ ক্ষেত্রত নতুনত্ব আৰু নমনীয়তা আনিবলৈ বহল পৰিসৰ আছে। সেয়েহে, আজি মুক্ত আৰু দূৰ শিক্ষণ ধাৰণাটো সমগ্র বিশ্বতে প্রত্যেক দিনে অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰিছে আৰু প্রয়োজনীয়তাওঁ বৃদ্ধি পাইছে।

৬নং প্রশ্ন উত্তৰ ঃ উত্তৰ পূব ভাৰতত মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাটোৰ আৰম্ভণি হয় ১৯৮৬ চনত যেতিয়া ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত প্রথম অধ্যয়ন কেন্দ্র এটা স্থাপন কৰে। বর্তমান উত্তৰ পূর্বৰ ৰাজ্যবোৰত আঞ্চলিক কেন্দ্র স্থাপন কৰি বিশ্ববিদ্যালয়খনে শৈক্ষিক কর্ম সম্পাদন কৰি আছে। এই বিশ্ববিদ্যালয়ৰ অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যয়ন কেন্দ্র আছে। ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় উপৰিও অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় নামেৰে এখনি মুক্ত বিশ্ববিদ্যালয় ২০০৬ চনত গুৱাহাটীত স্থাপন কৰা হয়। তাৰোপৰি বিশ্ববিদ্যালয়ত দূৰ শিক্ষাৰ সঞ্চালকালয় আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৮ চনৰ পৰা, ডিব্রুগড় বিশ্ববিদ্যালয়ে ২০০১ চনৰপৰা, ৰাজীৱ গান্ধী কেন্দ্রীয় বিশ্ববিদ্যালয়ে (ইটানগৰ) ২০০৫ চনৰ পৰা, আগৰতলাস্থিত

ত্রিপুৰা বিশ্ববিদ্যালয়ে ১৯৯৬ চনৰ পৰা আৰু তেজপুৰ বিশ্ববিদ্যালয়ে ২০১১ চনৰ পৰা দূৰ শিক্ষা সম্প্রসাৰণৰ কাম কৰি আছে। ওপৰত উল্লেখ কৰা বিশ্ববিদ্যালয়বোৰ হ'ল কেন্দ্রীয় বা ৰাজ্যিক বিশ্ববিদ্যালয়। বর্তমান সময়ত বহুবোৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ে দূৰ শিক্ষা সম্প্রসাৰণত ব্রতী হৈ উত্তৰ পূর্বাঞ্চলত শিক্ষাৰ কেন্দ্র গঢ়ি তুলিছে। তাৰ ভিতৰত চিকিম মণিপাল বিশ্ববিদ্যালয় গেংটক (চিকিম), ইকফাই বিশ্ববিদ্যালয় আগৰতলা (ত্রিপুৰা), ইকফাই বিশ্ববিদ্যালয় আইজল (মিজোৰাম) ইত্যাদি।



১.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ শিক্ষা কিয় গুৰুত্বপূর্ণ?

প্রশ্ন ২ঃ দূৰৱর্ত্তী শিক্ষা মানে আপুনি কি বুজে?

প্রশ্ন ৩ঃ দূৰৱর্ত্তী শিক্ষা কিয় গুৰুত্বপূর্ণ?

প্রশ্ন ৪ঃ দূৰৱর্ত্তী শিক্ষাৰ প্রাসংগিকতা কেনেধৰণৰ?

প্রশ্ন ৫ঃ দূৰৱর্ত্তী শিক্ষাৰ গঠন সম্বন্ধে আপুনি কি বুজে?

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বর্তমান সময়ত মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা গুৰুত্বপূর্ণ বুলি আপুনি কিয় ভাবে? ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ যোগাযোগ শিক্ষা, দূৰৱর্ত্তী শিক্ষা আৰু মুক্ত শিক্ষা বা মুক্ত শিক্ষণ বুলিলে কি বুজে? ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ বিশ্বত দূৰৱর্ত্তী শিক্ষাৰ গঠন সম্বন্ধে চমুকৈ লিখক।

প্রশ্ন ৪ঃ ভাৰতবর্ষৰ দূৰৱর্ত্তী শিক্ষাৰ ইতিহাস সম্বন্ধে বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতবর্ষৰ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ মূল সুবিধা কিছুমান উল্লেখ কৰক।

প্রশ্ন ২ঃ ভাৰতবর্ষত দূৰৱর্ত্তী শিক্ষাৰ গঠন আৰু প্রাসংগিকতা সম্বন্ধে ব্যাখ্যা কৰক।

*****

অধ্যায় ২ঃ শিক্ষার্থীৰ সহায়কাৰী সমল (LEARNER SUPPORT SERVICES)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ শিক্ষার্থীৰ সহায়কাৰী সমলঃ মূল ধাৰণা

২.৩.১ শিক্ষার্থীৰ সহায়কাৰী সমলৰ অর্থ আৰু বিকাশ

২.৩.২ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত (ODL) শিক্ষার্থীৰ সহায়কাৰী সমলৰ ভূমিকা

২.৪ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত অধ্যয়ন কেন্দ্ৰৰ ভূমিকা

২.৫ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত পৰামর্শমূলক আলোচনাৰ (Couselling) গুৰুত্ব

২.৬ শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিভিন্ন মাধ্যম

২.৬.১ দৃশ্য আৰু শ্ৰব্য ব্যৱস্থা

২.৬.২ ইলেকট্ৰনিক সা-সঁজুলি

২.৬.৩ অন্যান্য মাধ্যম

২.৭ একবিংশ শতিকাৰ শিক্ষার্থীসকলৰ পৰিৱর্তিত বৈশিষ্ট্য

২.৭.১ একবিংশ শতিকাৰ শিক্ষার্থীৰ বাবে প্ৰয়োজনীয় দক্ষতা

২.৮ এল এছ এছত শেহতীয়াকৈ হোৱা উন্নতি

২.৮.১ Covid-19 আৰু LSS

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্ৰগতিৰ খতিয়ান

২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- শিক্ষার্থীৰ সহায়কাৰী সমলৰ প্ৰাৰম্ভিক ধাৰণা সম্পর্কে জ্ঞাত হ'ব পাৰিব।
- শিক্ষার্থীৰ সহায়কাৰী সমলৰ অর্থ আৰু বিকাশ সম্পর্কে বিচাৰ কৰিব পাৰিব।
- শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিভিন্ন মাধ্যমবোৰ আৰু সেইবোৰৰ ভূমিকা সম্পর্কে মূল্যায়ণ কৰিব পাৰিব।
- অধ্যয়ন কেন্দ্ৰৰ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত থকা ভূমিকাৰ বিষয়ে জানিব পাৰিব।

- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত পৰামৰ্শমূলক উপবেশন (Couselling session) আৰু পৰামৰ্শদাতাসকলৰ থকা ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আমি সকলোৱে জানো যে পৰাম্পৰাগত শ্ৰেণী শিক্ষা ব্যৱস্থাতকৈ মুক্ত আৰু দূৰবৰ্ত্তী শিক্ষা ব্যৱস্থা পৃথক ধৰণৰ। যাৰ বাবে এই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বিভিন্ন ধৰণৰ সা-সামগ্ৰী, যেনে, SLM বা নিজা শিক্ষণ সঁজুলি, গ্ৰন্থাগাৰ, ছাত্ৰ-ছাত্ৰীৰ আসোৱাহসমূহ দূৰ কৰিবৰ বাবে পৰামৰ্শমূলক আলোচনা, SMS সেৱাৰ যোগেদি নতুন নতুন ঘটনা বা কাৰ্যৰ বিষয়ে জনোৱা, দৃশ্য-শ্ৰব্যৰ জৰিয়তে ঘটনাৰাজিৰ জ্ঞান দিয়া বা চছিয়েল নেটৱৰ্কিংৰ জৰিয়তে আলোচনা চক্ৰ কৰা আদি সেৱাসমূহৰ যোগান ধৰা হয়, যিবোৰক শিক্ষার্থীৰ সহায়কাৰী সমল (learner support service) বোলা হয়। এই সেৱাৰ গুৰুত্বতাৰ প্ৰতি লক্ষ্য কৰি শিক্ষার্থীৰ সহায়কাৰী সমল আৰু আত্ম শিকণ সঁজুলি (Self Learning Material)ক মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ মাইলৰ খুটি বুলি কোৱা হৈছে।

এই অধ্যায়টোত শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিষয়ে আলোচনা কৰাৰ লগতে তাৰ বিভিন্ন ভাগসমূহে কিদৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ভূমিকা পালন কৰিছে তাক জানিব পাৰিব। তাৰ উপৰিও আপুনি কিদৰে দৃশ্য-শ্ৰব্য ব্যৱস্থা ইয়াত সংযোগ কৰি জ্ঞান প্ৰদানৰ ব্যৱস্থা কৰা হয় তাক জানিবলৈ সক্ষম হ'ব।

২.৩ শিক্ষার্থীৰ সহায়কাৰী সমলৰ ধাৰণা (LEARNER SUPPORT SERVICES: BASIC CONCEPT)

শিক্ষার্থীৰ সহায়কাৰী সমলৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থীসকলে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ দৰে নিয়মিত শিক্ষকৰ পৰামৰ্শৰ পৰা বঞ্চিত হয়। যাৰ বাবে তেওঁলোকে কিছুমান সুবিধা যেনে আত্ম শিক্ষণ সঁজুলি, শিক্ষার্থীৰ সহায়কাৰী সমল আদি লাভ কৰে। বৰ্তমান প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে এই ব্যৱস্থাক আৰু খৰটকীয়া কৰি তুলিছে। যিহেতু ইয়াৰ জৰিয়তে শিক্ষার্থীৰ সহায়কাৰী সমল ব্যৱস্থাটোক অধিক বেছি মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰিব পৰা গৈছে।

২.৩.১ শিক্ষার্থীৰ সহায়কাৰী সমলৰ অৰ্থ (Meaning and Scope of LSS)

শিক্ষার্থীৰ সহায়কাৰী সমলৰ ব্যৱস্থাটো এটা ছাতিৰ দৰে যিয়ে ভালেমান ব্যৱস্থা বা মাধ্যম ইয়াৰ অন্তৰ্ভুক্ত কৰি ৰাখিছে, বিভিন্ন সেৱা আৰু মাধ্যম মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ব্যৱহৃত হয় সকলোখিনি ইয়াৰ অন্তৰ্ভুক্ত। এইটো উল্লেখ্য যে শিক্ষার্থীৰ সহায়কাৰী সমলৰ সকলোবোৰ ব্যৱস্থা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠান বা বিশ্ববিদ্যালয়ে ব্যৱহাৰ কৰিব পৰা নাই। আমি পিছৰ পৰ্যায়ত শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিষয়ে বিভিন্ন মাধ্যমবোৰ আলোচনা কৰিম।

২.৩.২ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থীৰ সহায়কাৰী সমলৰ ভূমিকা (Learner support services in ODL)

যদি আমি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পৰিবেশটো লক্ষ্য কৰো তেনেহ'লে দেখিম যে ইয়াত শিক্ষার্থীৰ সহায়কাৰী সমলৰ ভূমিকা যথেষ্ট গুৰুত্বপূর্ণ। আপুনি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ছাত্র হিচাপে সন্মুখীন হোৱা সমস্যাসমূহৰ ক্ষেত্রত নিজকে বিচাৰ কৰি তলৰ বিষয়কেইটাৰ প্রতি সহজেই অনুধাবন কৰিব পাৰিব ঃ-

- **শিক্ষকৰ লগত মুখামুখী আলোচনাৰ অভাৱ (Lack face to face interaction with teacher)**

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষকৰ লগত ছাত্র-ছাত্রীৰ পোণপটীয়া আলোচনাৰ অভাৱ এটা মূল বৈশিষ্ট্য। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত আপুনি বুজি নোপোৱা বা আসোঁৱাহ থকা বিষয়টোত লগে লগে সমাধান পাব পাৰে। কিন্তু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত সেইটো সম্ভৱ নহয়। সেয়েহে এজন শিক্ষকৰ অনুপস্থিতিত, কিদৰে এটা প্রশ্নৰ সমাধান কৰিব পৰা যাব? এনে ক্ষেত্রত শিক্ষার্থীৰ সহায়কাৰী সমল সেৱাৰ যথেষ্ট প্রয়োজন। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত আমি সপ্তাহত এদিনকৈ হলেওঁ পৰামর্শমূলক আলোচনাৰ (Counselling session)আয়োজন কৰো। যাৰ জৰিয়তে আপুনি আপোনাৰ প্রশ্ন বা বিষয়টোৰ সমাধান পাব পাৰে। এই আলোচনাৰ উপৰিও আন কিছুমান সুবিধা যেনে-শ্রব্যকেছেট (Audio -CDs), দৃশ্য শ্রব্য কছেট (Audio-Visual CDs/DVDs), টেলিভিছনৰ অনুষ্ঠান (Telecast of T.V, Programmes) ৰেডিঅ' অনুষ্ঠান, ফোন-ইন অনুষ্ঠান (Phone-in- Programmes), ইন্টাৰনেট সেৱা আদিৰ যোগান ধৰা হয়। যাতে শিক্ষকৰ লগত পোণপটীয়া আলোচনাৰ অভাৱ থকা বাবে এই সেৱাসমূহৰ জৰিয়তে ছাত্র ছাত্রীয়ে নিজৰ প্রশ্নৰ সমাধান পায়

- **সহপাঠীসকলৰ লগত কথোপকথনৰ অভাৱ (lack of Interaction with fellow learner)**

আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত আপুনি আপোনাৰ সহপাঠীসকলৰ লগত বিভিন্ন বিষয়ৰ বিষয়ে আলোচনা কৰিব পাৰে। সিয়ে আপোনাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। আপুনি আপোনাৰ আসোঁৱাহ বা অন্যান্য প্রশ্নসমূহ অৱতৰণ কৰা বা আলোচনা কৰাৰ সুযোগ লাভ কৰে। কিন্তু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত এনে গোট বা একেলগ হোৱাটো কঠিন। কেতিয়াবা আনকি একেটা কেন্দ্রৰে, একেটা বিষয়ৰে শিক্ষার্থীসকলে ইজনে আনজনক চিনি নাপায়। গতিকে দেখা যায় যে অকলশৰীয়া শিক্ষাতকৈ একগোট বা সহপাঠীৰ লগত আলোচনাৰ মাধ্যমে জ্ঞানৰ পৰিসৰ যথেষ্ট বৃদ্ধি কৰে।

- **শিক্ষার্থীৰ স্বতন্ত্রতা বনাম অনুপ্রেৰিত অভাৱ (Learner's Autonomy Versus lack of Motivation)**

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থীসকলে যথেষ্ট স্বাধীনতা লাভ কৰে। আনুষ্ঠানিক শিক্ষা

ব্যৱস্থাত আপুনি শ্রেণী কক্ষত নিয়মিত উপস্থিত থকা, হোমৱর্ক কৰা, প্রকল্প জমা দিয়া আদি সকলোবোৰ কঠোৰ নিয়মৰ মাজেৰে কৰিব লগা হয়। কিন্তু দূ�ৰৱর্ত্তী শিক্ষাত আপুনি তেনেবোৰ নিয়ম নীতিৰ পৰা মুক্ত। তথাপি কেতিয়াবা এই সুবিধাখিনিয়ে শিক্ষার্থীৰ কাৰণে অসুবিধা হিচাপে দেখা দিব পাৰে। কাৰণ শিক্ষকৰ লগত মুখামুখি আলোচনাৰ অভাৱ বা শিক্ষকৰ কঠোৰ পৰামর্শৰ পৰা বঞ্চিত হোৱা বাবে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত নিজাকৈ নিয়মিত ভাৱে অধ্যয়ন আগবঢ়াই লৈ যোৱাত অসুবিধাৰ সৃষ্টি হয়। সেয়েহে শিক্ষার্থীসকলে কেৱল মাত্র পৰীক্ষাৰ আগমূহুর্ততহে অধ্যয়ন কৰে।

গতিকে এনেবোৰ সমস্যা আঁতৰোৱাৰ বাবে শিক্ষার্থীৰ সহায়কাৰী সমলৰ অতি প্রয়োজন। শিক্ষার্থীসকলে নিজে অধ্যয়ন কৰি এক নির্দ্দিষ্ট সময়ৰ ভিতৰত প্রদত্ত কর্মসমূহ জমা দিব লাগে। ঠিক তেনেদৰে ৰেডিঅ' (FM)ৰ অনুষ্ঠানসমূহে শিক্ষার্থীসকলৰ তেওঁলোকৰ অধ্যয়নত সহায় কৰে। তাৰোপৰি তেওঁলোকৰ প্রশ্ন বা সমস্যাসমূহ পৰামর্শমূলক আলোচনাৰ (Counselling session) যোগেদি সমাধান দিয়াৰ লগতে আত্ম-অধ্যয়নৰ বাবেওঁ অনুপ্রেৰিত কৰা হয়।

- **সহজলভ্য শিক্ষণ সামগ্রীসমূহৰ অভাৱ (Lack of easy access to resources)**

দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত থকা অন্য সা-সুবিধাসমূহৰ অভাৱ দেখা যায়। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত ছাত্র-ছাত্রীসকলে বিভাগীয় গ্রন্থাগাৰ, কেন্দ্রীয় গ্রন্থাগাৰ বা অন্যান্য সামগ্রী যেনে ই আলোচনী, আলোচনী আদিবোৰ লাভ কৰে। কিন্তু দূৰবর্ত্তী শিক্ষা ব্যৱস্থাত এই সুবিধাবোৰ সহজে উপলব্ধ নহয়। সেয়েহে দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থীৰ সহায়কাৰী সমল ব্যৱস্থা প্রয়োজনীয়। ই ওপৰত উল্লেখিত অভাৱসমূহ পূৰণ কৰে।

- **অধ্যয়ন আৰু কর্মজীৱনৰ মাজৰ ভাৱসম্যতা (Striking a balance between work and study)**

এই বিষয়টো আমি এটা উদাহৰণৰ সৈতে আলোচনা কৰিম। অনিল বৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ন হোৱাৰ পাছত ভাৰতীয় ৰেলসেৱাত ১৯৯৫চনত কেৰানী হিচাপে যোগদান কৰে। শেষৰ ১৫ বছৰত জ্যেষ্ঠ হিচাপে তেওঁ ভালেবাৰ (প্রমোচন) পদোন্নতি পালে। যদিও পিছৰ পর্য্যায়ত তেওঁৰ উপযুক্ত ডিগ্রী B.A. বা B.Sc নথকা বাবে প্রমোচন নাপালে। কিন্তু তেওঁ মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ পৰা এই ডিগ্রী অর্জন কৰি প্রমোচনৰ সৈতে বর্তমানেও কর্মজীৱন চলাই আছে।

গতিকে দেখা যায় যে দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাই ব্যক্তিক নিয়মিত কর্মজীৱনৰ লগতে অধ্যয়নৰ সুবিধা প্রদান কৰে। তাৰোপৰি তেওঁক পদোন্নতিৰ বাবে প্রয়োজনীয় অর্হতাও প্রদান কৰে। তাৰ বাবে তেওঁ কর্ম জীৱন বা বৃত্তিটো ত্যাগ কৰিব লগা নহয়। এই ক্ষেত্রত তেওঁক শিক্ষার্থীৰ সহায়কাৰী সমলে বিশেষভাবে সহায় কৰে। শিক্ষার্থীৰ সহায়কাৰী সমলে

তেওঁক মুকলি সময়ত অধ্যয়নৰ বাবে আত্ম শিকণ সঁজুলি (Study Material) যোগান ধৰে, যিয়ে তেওঁৰ লক্ষ্য তথা উদ্দেশ্য উপনীত হোৱাত সহায় কৰে। যিটো ব্যৱস্থা আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত সম্ভৱ নহয়।

- **শিক্ষানুষ্ঠানৰ অৱস্থিতিৰ প্ৰতিবন্ধকতাৰ পৰা মুক্ত (Locational impediments may be overcome)**

শিক্ষানুষ্ঠানসমূহৰ অৱস্থিতিয়েও ছাত্ৰ ছাত্ৰীৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ অৱস্থিতিৰ অসুবিধাৰ বাবে নামভৰ্ত্তিকৰণৰ পৰা বহু ছাত্ৰ ছাত্ৰী বঞ্চিত হয়। আনহাতে দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত এনেধৰণৰ বাধ্য বাধকতাবোৰ নাথাকে। ছাত্ৰ ছাত্ৰীয়ে নিজৰ সুবিধা অসুবিধা অনুসৰি ইয়াৰ বিভিন্ন কেন্দ্ৰসমূহত নামভৰ্ত্তি কৰাব পাৰে আৰু শিক্ষার্থীৰ সহায়কাৰী সমল সেৱাৰ জৰিয়তে নিজৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পাৰে। উদাহৰণ স্বৰূপে আমি আগতে উল্লেখ কৰি অহা FM ৰেডিঅ', টেলিভিছন অনুষ্ঠানৰ কথা উল্লেখ কৰিব পাৰো। যিহেতু এই কাৰ্যসূচীবোৰ দূ�ৰৱৰ্ত্তী অঞ্চললৈকে প্ৰসাৰিত হয়, যিয়ে ছাত্ৰ ছাত্ৰীসকলক বিশেষ ভাৱে সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ঃ এজন কর্মৰত ব্যক্তিয়ে কিদৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ দ্বাৰা লাভান্বিত হয় লিখক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ২ঃ আপুনি শিকণ আহিলাসমূহক শিক্ষার্থীৰ সহায়কাৰী সমলৰ অন্তভূৰ্ক্ত হোৱাটো বিচাৰেনে? যুক্তি দৰ্শাওক (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

২.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত অধ্যয়ন কেন্দ্ৰৰ ভূমিকা (ROLE OF STUDY CENTRES IN ODL)

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অধ্যয়ন কেন্দ্ৰসমূহে বিশেষ ভূমিকা পালন কৰে। অধ্যয়ন কেন্দ্ৰসমূহে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয় আৰু ছাত্ৰ ছাত্ৰীৰ মাজত

সম্পর্ক স্থাপন কৰে। এই অধ্যয়ন কেন্দ্রসমূহে তলত উল্লেখ কৰা সেৱাসমূহৰ যোগান ধৰে-

- **পাঠ্যক্রমত নামভর্ত্তিকৰণ (Getting admitted to a programme)**

সাধাৰণতে এজন ব্যক্তিয়ে মুক্ত বিশ্ববিদ্যালয় বা দূৰৱর্ত্তী শিক্ষা প্রতিষ্ঠানত এই অধ্যয়ন কেন্দ্রসমূহৰ জৰিয়তে নামভর্ত্তি কৰে। ছাত্রজনে অধ্যয়ন কেন্দ্রৰ পৰা পুস্তিকা (Prospectus) সংগ্রহ কৰিব পাৰিব উপযুক্ত মাছুল জমা কৰি বিশ্ববিদ্যালয় বা প্রতিষ্ঠানৰ নামত এই অধ্যয়ন কেন্দ্রৰ যোগেদি। বর্তমান মুক্ত আৰু দূৰবর্ত্তি শিক্ষা প্রতিষ্ঠানে ছাত্র ছাত্রীসকলৰ বেৱছাইটৰ পৰা (Prospectus) বা নামভর্ত্তিকৰণ পত্র ডাউনলোড (down-load) কৰাৰ সুবিধা প্রদান কৰিছে। তাৰ পিছত ছাত্র সকলে নামভত্তিকৰণৰ পত্র পূৰণ কৰি নিজ পছন্দ অনুসৰি যিকোনো অধ্যয়ন কেন্দ্রত জমা দিব পাৰে। তাৰোপৰি ছাত্র ছাত্রীসকলে বিশ্ববিদ্যালয়ৰ উপযুক্ত মাছুল অধ্যয়ন কেন্দ্রত পোনপটীয়াকৈ নিদি ডিমাণ্ড ড্রাফ্ট যোগেও আদায় দিব পাৰে।

- **সংযোগ কেন্দ্র (Acts as a Connecting Point)**

অধ্যয়ন কেন্দ্রসমূহে বিশ্ববিদ্যালয় আৰু ছাত্রৰ মাজত সংযোগ কেন্দ্র হিচাপে কাম কৰে। ছাত্র ছাত্রীয়ে তেওঁলোকৰ শিকণ সামগ্রী (study material) বোৰ এই অধ্যয়ন কেন্দ্রৰ পৰা সংগ্রহ কৰিব লাগে। ঠিক তেনেদৰে অধ্যয়ন কেন্দ্রসমূহেওঁ ছাত্রসকলৰ হৈ বিভিন্ন প্রশাসনিক কামসমূহ সম্পন্ন কৰিব লগা হয়। ছাত্র এজনে নামভর্ত্তিকৰণৰ পৰা মার্কচিট আৰু অর্হতাৰ প্রমাণ পত্র সংগ্রহ কৰাৰ পৰা সকলোখিনি কাম অধ্যয়ন কেন্দ্রসমূহৰ জৰিয়তে কৰিব পাৰে।

- **পৰামর্শমূলক কার্যসূচীৰ আঁচনি (Conduct of counselling sessions)**

অধ্যয়ন কেন্দ্রসমূহে সপ্তাহৰ শেষৰফালে অর্থাৎ শনি/ৰবি বাৰে পৰামর্শমূলক কার্যসূচী (counselling session) আয়োজন কৰে। যাৰ জৰিয়তে ছাত্রসকলৰ কোনো আসোঁৱাহ বা প্রশ্নসমূহৰ সমাধানৰ লগতে পৰামর্শ দিয়া হয়। গতিকে দেখা যায় যে শিক্ষা ব্যৱস্থাত পৰামর্শমূলক কার্যসূচীয়ে (counselling session) গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আমি পিছৰ পর্যায়ত এই বিষয়ে বিষদভাৱে আলোচনা কৰিম।

- **অবিৰত মূল্যায়ন (Continuous evaluation)**

পৰামর্শমূলক আঁচনিৰ উপৰিও অধ্যয়ন কেন্দ্রসমূহে অবিৰতভাৱে মূল্যাংকনৰো ব্যৱস্থা কৰে। এইটো উল্লেখযোগ্য যে দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত অবিৰত মূল্যাংকনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম অনুসৰি ছাত্রজনে কিছুমান প্রদত্ত কর্ম (Assignment) অধ্যয়ন কেন্দ্রত জমা দিব লগা হয়। এই প্রদত্ত কর্মবোৰ অধ্যয়ন কেন্দ্রত মূল্যায়ণ কৰি উপযুক্ত পৰামর্শ বা মতামত দি পুনৰ ছাত্রসকলক ঘুৰাই দিয়া হয়। যাৰ বাবে ছাত্রজনে বা ছাত্রীজনে পৰীক্ষাত ভাল ফল দেখুৱাবলৈ সক্ষম হয়।

- **গ্রন্থাগাৰ সেৱা (Library Sevices)**

অধ্যয়ন কেন্দ্রসমূহে অধ্যয়ন কেন্দ্রৰ ছাত্র ছাত্রীসকলক গ্রন্থাগাৰৰো যোগান ধৰে। এইটো উল্লেখযোগ্য মুক্ত বিশ্ববিদ্যালয় বা দূ�ৰৱর্ত্তী শিক্ষা প্রতিষ্ঠানৰ সৰহ সংখ্যক অধ্যয়ন কেন্দ্র আনুষ্ঠানিক শিক্ষানুষ্ঠানতে থকা দেখা যায়। যাৰ ফলত মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ ছাত্র ছাত্রীসকলে ইয়াৰ গ্রন্থাগাৰ ব্যৱহাৰ কৰিব পাৰে। ইয়াৰোপৰি এই কেন্দ্রসমূহে মুক্ত বিশ্ববিদ্যালয় বা প্রতিষ্ঠানৰ সহায় নোলোৱাকৈ আন কিছুমান সুবিধা ছাত্র ছাত্রীসকলক প্রদান কৰে।

- **পৰীক্ষাবোৰ পৰিচালনা কৰা (Conduct of Examination)**

কিছুমান অধ্যয়ন কেন্দ্রত পাঠ্যক্রমৰ অন্তত পৰীক্ষাওঁ অনুষ্ঠিত হয়। যদিওঁ ইয়াৰ কোনো ধৰা বন্ধা নিয়ম নাই যে প্রতিটো কেন্দ্রই পৰীক্ষা অনুষ্ঠিত কৰিব লাগিব। যদি তাত ছাত্র ছাত্রীৰ সংখ্যা বেছি, সুচল যোগাযোগ ব্যৱস্থা বা অন্যান্য লাগতিয়াল সুবিধাসমূহ উপলব্ধ তেতিয়া ইয়াক পৰীক্ষাৰ কেন্দ্র হিচাপে চিহ্নিত কৰা হয়।

- **শিক্ষার্থীসকলৰ কার্যক্ষম কেন্দ্র (An activity centre of its learners)**

এই অধ্যয়ন কেন্দ্রসমূহ ছাত্র ছাত্রীসকলৰ বাবে এক কার্যক্ষম কেন্দ্র হিচাপে কাম কৰে। অধ্যয়ন কেন্দ্রলৈ আহি ছাত্র ছাত্রীসকলে তেওঁলোকৰ সহপাঠীৰ লগত দল বনাই বিভিন্ন আলোচনা কৰিব পাৰে। যিয়ে ছাত্র ছাত্রীসকলৰ আসোঁৱাহ দূৰ কৰে বা জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। গতিকে দেখা যায় যে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ দৰে ইয়াতো দলীয় ব্যৱস্থা আছে যদিহে ছাত্র ছাত্রীসকলে ব্যৱহাৰ কৰে।

- **ব্যক্তিত্বৰ অন্তবিকাশ (Grooming of personalities)**

আমি সকলোৱে জানো যে এটা চাকৰি পাবলৈ হ'লে অর্হতা, ভাল লিখনি, ভাল কথোপকথনৰ দক্ষতা ব্যক্তিত্ব আদিৰ প্রয়োজন। এনেবোৰ বিষয় ছাত্র বা ছাত্রীজনে অধ্যয়ন কেন্দ্রসমূহৰ জৰিয়তে লাভ কৰিব পাৰে। কেতিয়াবা কেতিয়াবা এই বিষয়বোৰ পাঠ্যক্রমৰ অন্তভূক্ত কৰা হয়। তাৰোপৰি ছাত্র ছাত্রীসকলৰ ব্যক্তিত্বৰ প্রতি লক্ষ্য ৰাখি অধ্যয়ন কেন্দ্রসমূহে নিজাকৈয়ো আন কিছুমান প্রশিক্ষন কার্যসূচীৰো আয়োজন কৰে।

- **নিযুক্তিকৰণ সেৱাৰ যোগান (Placement services)**

এইটো সত্য যে শিক্ষা এক জীৱনযোৱা প্রক্রিয়া। এক নির্দিষ্ট পাঠ্যক্রমত অর্হতা লাভ কৰাৰ পাছত চাকৰি লাভ কৰাতো ছাত্র ছাত্রীৰ মূল লক্ষ্য হোৱাটো উচিত নহয়। যদি আমি জ্বলন্ত নিবনুৱা সমস্যাটো লক্ষ্য কৰো তেন্তে দেখিম যে সকলোৱে পাঠ্যক্রমৰ অন্তত এটি চাকৰিৰ অপেক্ষাত ব্রত। মুক্ত বিশ্ববিদ্যালয় বা প্রতিষ্ঠানৰ এই অধ্যয়ন কেন্দ্রসমূহত তাৰ ছাত্র ছাত্রীসকলক নিযুক্তি কৰণৰ ব্যৱস্থাও কৰা হয়। কেতিয়াবা আকৌ বিশ্ববিদ্যালয় বা প্রতিষ্ঠানে নিজাকৈ কেন্দ্রীয়ভাৱে এই ব্যৱস্থাৰ আয়োজন কৰে।

- **অন্যান্য কার্যৱলী (Other Activities)**

অধ্যয়ন কেন্দ্রসমূহে পাঠ্যক্রমৰ বাহিৰতো আন কিছুমান কার্য্যাৱলী আৰম্ভ কৰে। যিবোৰ অৱশ্যে পাঠ্যপুথিৰ লগত জড়িত। উদাহৰণস্বৰূপে যেনে কর্মশালা (Workshop),

বক্তৃতানুষ্ঠান (lecture, seminar) আদি। এই অনুষ্ঠানবোৰ বিশেষকৈ মুক্ত আৰু দূৰৱৰ্ত্তী ব্যৱস্থা বা আন সামাজিক বা সাধাৰণ বিষয়ৰ ওপৰত আয়োজন কৰা হয়। যিয়ে ছাত্ৰ ছাত্ৰীসকলক জ্ঞানী আৰু কার্যক্ষম কৰি তোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক ঃ

(ক) দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত অধ্যয়ন কেন্দ্ৰসমূহতে পৰীক্ষা অনুষ্ঠিত কৰাটো প্ৰয়োজন।

(খ) নিযুক্তিকৰণ সেৱা (placement services) দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ এক মূল অংগ।

প্ৰশ্ন নং ৪ঃ অবিৰত মূল্যাংকণ বুলিলে আপুনি কি বুজে? ইয়াৰ প্ৰয়োজন আছেনে? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

২.৫ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত পৰামৰ্শদান (COUNSELLING IN ODL)

শিক্ষকজন একেৰাহে উপস্থিত থাকিব নোৱাৰা বা শিক্ষার্থীৰ লগত মুখামুখিভাৱে জড়িত নথকাটো দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ এটা প্ৰধান বৈশিষ্ট্য, যিয়ে শিক্ষার্থীক শিক্ষণৰ কেন্দ্ৰবিন্দুত উপস্থাপন কৰে। গতানুগতিক শিক্ষা পদ্ধতিৰ এজন নিয়মিত শিক্ষাথীৰ দৰে মুক্ত আৰু দূৰৱৰ্ত্তী ব্যৱস্থাত শিক্ষার্থী এজনে শিক্ষকৰ সৈতে মুখামুখি শিক্ষণৰ সুবিধা নাপায়। শিক্ষার্থীজনে নিজৰ কোনো এটা বিষয়ত উদ্ভৱ হোৱা প্ৰশ্ন, সন্দেহ আদি আলোচনা কৰিবলৈ সক্ষম নহয়। সেয়ে শিক্ষকৰ পৰামৰ্শ অবিহনে, এটা খালী ঠাইৰ সৃষ্টি হয়। এই খালী ঠাইতোৰ পৰা মুক্ত হ'বলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিত পৰামৰ্শ আৰু উপদেশ (Counselling and Guidance Session) পদ্ধতিৰ ব্যৱস্থা কৰা হৈছে। এতিয়া আমি পৰামৰ্শ আৰু উপদেশ উপবেশনৰ বিভিন্ন স্থিতি আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত পৰামৰ্শদাতায়ে পালন কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰিম।

পৰামৰ্শমূলক উপবেশন (Counselling Session) ক এটা বৃত্তিগত কৌশলৰ ভিতৰত এটা কার্য বুলি অভিহিত কৰা হয়। যিয়ে এটা শিক্ষানুষ্ঠানৰ অন্তর্ভূক্ত শিক্ষার্থী

এজনৰ মনত উদ্ভৱ হোৱা প্ৰশ্ন বা সন্দেহ স্পষ্ট কৰিবলৈ চেষ্টা কৰে। সেয়েহে এইটোও কোৱা হয় যে পৰামৰ্শদাতায়ে শিক্ষার্থীজনক সকলো দিশতে পথ প্ৰদৰ্শন (Guidance) কৰে।

ওপৰোক্ত আলোচনাত এইটো স্পষ্ট যে পৰামৰ্শমূলক উপৰেশন (Counselling Session) আৰু পৰামৰ্শদাতা (Counsellor) ওতঃপ্ৰোত ভাৱে জড়িত। যেতিয়া পৰামৰ্শমূলক উপবেশন এটা কাৰ্য হয়, তেতিয়া পৰামৰ্শদাতাসকল ইয়াৰ মূল নায়ক। তলত ইয়াৰ ভূমিকা সম্পৰ্কে বিষদভাৱে আলোচনা কৰা হ'ল।

- **দূ�ৰৱৰ্ত্তী শিক্ষণত পৰামৰ্শমূলক উপৰেশনৰ ভূমিকা (Role of counselling session in distance education)**

দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত প্ৰধান ধৰ্ম হ'ল ই শিক্ষার্থীসকলক শিক্ষাৰ উৎসৰ ৰূপ হিচাপে নিজৰ শিক্ষণীয় সজুলিবোৰৰ যোগান ধৰা (self learning Material)। স্ব শিকণ সামগ্ৰীবোৰ ৰূপাংকন কৰাৰ এটা প্ৰধান দৰ্শন হ'ল ই শিক্ষার্থীসকলৰ অধ্যয়ন বহু সহজ কৰি তোলে। এইটো আশা কৰা হয় যে শিক্ষার্থীসকলে ইয়াৰ জৰিয়তে কোনো আসোঁৱাহ নোহোৱাকৈ শিকিব পাৰে। অৱশ্যে কেতিয়াবা সন্দেহৰ উদ্ৰেক হোৱাটো স্বাভাৱিক। সেয়েহে পৰামৰ্শমূলক ব্যৱস্থা (counselling session) বা ব্যক্তিগত সংস্পৰ্শ কার্যসূচী (Personal Contact Programme) অধ্যয়ন কেন্দ্ৰসমূহত বা বিশ্ববিদ্যালয়ত লোৱা হয়। এই কার্যসূচীবোৰে শিক্ষার্থীসকলে অধ্যয়ন কৰা সময়ত লাভ কৰা সন্দেহ বা প্ৰশ্নবোৰৰ সমাধানৰ ব্যৱস্থা কৰে।

পৰামৰ্শমূলক ব্যৱস্থাৰ অৱশ্যে কিছু কিছু ক্ষেত্ৰত সময়সীমা বৰ সীমিত। সাধাৰণতে এই পৰামৰ্শমূলক কার্যসূচী এদিন বা দুদিন বা কেতিয়াবা এসপ্তাহ হয়। যাৰ বাবে পৰামৰ্শদাতাই কম সময়ৰ ভিতৰতে সকলোখিনি সীমিত ৰূপত কৰিবলৈ বাধ্য হয়। সেয়েহে পৰামৰ্শদাতাই শিক্ষার্থীসকলৰ প্ৰশ্নসমূহৰ সমাধান দি তেওঁলোকৰ অধ্যয়নত মার্গ প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰে।

আকৌ পৰামৰ্শমূলক কার্যসূচীৰ আন এটা স্থিতি (aspects) হ'ল যে বহুসময়ত পৰামৰ্শমূলক সময়ত (counselling session) উপস্থিত থকাটো বাধ্যতামূলক নোহোৱা। এইটো পৰম্পৰাগত শিক্ষা ব্যৱস্থাতকৈ পৃথক, য'ত শিক্ষার্থীসকল শ্ৰেণীকক্ষত উপস্থিত থকাটো বাধ্যতামূলক। সি যি কি নহওক, মুক্ত আৰু দূৰৱৰ্ত্তী শিকণত কার্যত্তম শ্ৰেণী বা Lab classes বোৰত উপস্থিত থকাটো বাধ্যতামূলক কৰিব লাগে যদিহে পাঠ্যক্ৰমত তেনে বিষয় আছে।

● পৰামৰ্শদাতাসকলৰ ভূমিকা (Role played by the Counsellors)

'পৰামৰ্শদাতা' শব্দটোৱে দূ�ৰৱৰ্ত্তী শিক্ষণত এক পৃথক ধৰণৰ গুণ বা অৰ্থ প্ৰকাশ কৰিছে। আমি ইতিমধ্যে আলোচনা কৰি আহিছো এজন দূ�ৰবৰ্ত্তী শিক্ষাৰ শিক্ষার্থীৰ শিক্ষণ পৰিৱেশ, আৰু যদি আপুনি নিজকে দূৰৱৰ্ত্তী শিক্ষণত জড়িত কৰে, তেতিয়া ধৰি লম যে আপুনি সেই ব্যৱস্থাৰ প্ৰতি সন্মত। দূৰৱৰ্ত্তী শিক্ষণৰ পৰামৰ্শদাতা এজন পৰাম্পৰাগত শিক্ষক এজনতকৈ বহু পৃথক। তেওঁলোকে শিক্ষার্থীসকলৰ শিক্ষন প্ৰক্ৰিয়াটো সহজ কৰি দিয়ে। এজন শিক্ষকৰ নিয়মিত মাৰ্গ প্ৰদৰ্শন আৰু নিয়মিত অধ্যয়নৰ অভাৱৰ কাৰণে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষনত এজন শিক্ষার্থী সহনশীল শিক্ষার্থীলৈ পৰিৱৰ্তিত হয়। সেয়েহে পৰামৰ্শদাতাজনে শিক্ষাথীসকল নিজা অধ্যয়নৰ পাঠ্যক্ৰমৰ মাজেদি প্ৰশ্ন উত্থাপন কৰিবলৈ উৎসাহিত কৰা উচিত, যদি তেওঁলোকৰ কিবা খোকোজা থাকে।

আকৌ পৰম্পৰাগত শিক্ষণৰ নিচিনাকৈ এজন পৰামৰ্শদাতাই নিজৰ পাঠ্যক্ৰম শেষ কৰা লক্ষ্য নহয়। যিহেতু কিছুসংখ্যক পৰামৰ্শদানৰ সময়সীমা বহু সীমিত, লগতে পৰামৰ্শদাতা জনৰ মতে ই এক নিৰ্দিষ্ট পাঠ্যক্ৰম নহয় যে এক সীমিত সময়ৰ ভিতৰত শেষ কৰিব পাৰিব। সেয়ে এজন পৰামৰ্শদাতাৰ প্ৰধান লক্ষ্য হ'ল শিক্ষার্থীসকলক সিহঁতৰ নিজা অধ্যয়নত মাৰ্গ প্ৰদৰ্শন কৰাৰ লগতে উত্থাপিত প্ৰশ্নবোৰ ব্যাখ্যা কৰা।

ব্যক্তিগত সংস্পৰ্শ কাৰ্যসূচীৰ আন এটা বৈশিষ্ট্য হ'ল যে ই শিক্ষার্থীসকলক নিজৰ মাজতে সমনীয়াৰ দল এটাৰ ৰূপ দিবলৈ চেষ্টা কৰে। এনে এটা সমনীয়াৰ দলে শিক্ষার্থীসকলক তেওঁলোকৰ সমস্যা বা প্ৰশ্নবোৰ ব্যাখ্যা কৰাত সহায় কৰে। বহু অধ্যয়নত দেখা গৈছে যে দূৰৱৰ্ত্তী শিক্ষণত ছাত্ৰ ছাত্ৰীসকলে অকলশৰীয়াকৈ শিকাতকৈ সমনীয়া দলত অধিক পৰিমাণে শিকিব পাৰে। সেয়েহে পৰামৰ্শদাতাই ব্যক্তিগত সংস্পৰ্শ কাৰ্য্যসূচীৰ জৰিয়তে শিক্ষার্থীসকলৰ মাজত সমনীয়া দল গঠন কৰাত গুৰুত্ব দি কিছুমান দলীয় কাৰ্য্যহে কৰিব দিব লাগে।

শিক্ষার্থীসকলে উচ্চ শিক্ষা বা কেৰিয়াৰৰ লগত জড়িত কিছু সংকেত বা পৰামৰ্শ পাবলৈ মনোগ্ৰাহী হয়। কিছু ক্ষেত্ৰত শিক্ষার্থীসকলক সিহঁতৰ প্ৰশ্ন বা সন্দেহবোৰ খোলোচা কৰাতো পৰামৰ্শদাতাসকলৰ কৰ্তব্য হয়। সেয়েহে এজন পৰামৰ্শদাতা শিক্ষক, পৰামৰ্শদাতা হোৱাতকৈ এজন মাৰ্গ প্ৰদৰ্শনকাৰী বা সু-উপদেশক হিচাপেহে পৰিচিত হোৱাটো বাঞ্ছনীয়।



চিন্তা চৰ্চা কৰক ২.১

ওপৰৰ আলোচনাৰ পৰা আপুনি বিবেচনা কৰক যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ পৰামৰ্শদানটো পৰম্পৰাগত শিক্ষাৰ পৰা পৃথক হয়? যদি হয় আপুনি দুয়োটাৰ মাজত থকা পাৰ্থক্যসমূহ বাছি উলিয়াওক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক

(ক) দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত পৰামর্শদাতা পূর্বতে লাভ কৰা পাঠ্যক্রমখিনি তেওঁৰ শ্রেণীসমূহত সম্পূর্ণ বা শেষ কৰিব লাগে।

(খ) পৰামর্শমূলক উপৰেশন (counselling session)ত শিক্ষার্থীসকল উপস্থিত থকাটো বাধ্যতামূলক নহয়।

(গ) মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত কেতিয়াও কার্যত্তম শ্রেণী বা লেৱ (Laboratory) নাথাকে যাৰ বাবে বিষয়বোৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ মাজেৰে শিকা নাযায়।

প্রশ্ন নং ৬ঃ পৰামর্শমূলক সময়ৰ (counselling session) সংজ্ঞা নিৰূপণ কৰক (৪০ টা শব্দৰ ভিতৰত লিখক)।

.....

.....

.....

২.৬ শিক্ষার্থীৰ সহায়কাৰী সমলৰ বিভিন্ন মাধ্যম (DIFFERENT MEDIUMS OF LEARNER SUPPORT SERVICES)

আমি ইতিমধ্যে উল্লেখ কৰিছো যে শিক্ষার্থীৰ সহায়কাৰী সমল এটা ছাতিৰ দৰে। এইটো ভাগত আমি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত ব্যৱহৃত মূল্য সেৱা বা উৎপাদনৰ তিনিটা মূল সেৱা- দৃশ্য-শ্রব্য বা শ্রৱণ দর্শনৰ সহায়, বৈদ্যুতিক সেৱা, আৰু অন্যান্য সেৱাবোৰৰ বিষয়ে আলোচনা কৰিম।

২.৬.১ শ্রৱণ-দর্শনৰ সহায় (Audio visual Aids)

দৃশ্য-শ্রব্য মাধ্যমৰ ব্যৱহাৰ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বিভিন্ন ধৰণৰ দৃশ্য-শ্রব্য মাধ্যমৰ ব্যৱহাৰ এক সাধাৰণ কথা। ইয়াৰ ভিতৰত অডিঅ' টেপ, অডিঅ' চিডি, ভিডিঅ' টেপ, ভিডিঅ' চিডি, ডি.ভি.দি, এনিমেচন ছবি, ডকুমেনটাৰি আদি। এই মাধ্যমবোৰ বৰ খবৰযুক্ত, সংশোধিত আৰু শিক্ষার্থীৰ সুবিধার্থে বা বুজি পোৱাকৈ সহজভাৱে ব্যৱহাৰ কৰা হয়।

দৃশ্য-শ্রব্য মাধ্যম বহুক্ষেত্রত ইয়াৰ মূল্য বা অন্য কাৰণতো শিক্ষার্থীসকলৰ বাবে বোজাস্বৰূপ হৈ পৰে। তথাপি পৰামর্শমূলক সময়ত অধ্যয়ন কেন্দ্রসমূহত ইয়াত ব্যৱহাৰ কৰা হয় আৰু লগতে পুথিভড়ালৰ সামগ্রী হিচাপেও ব্যৱহাৰ কৰা হয়।

- **ৰেডিঅ'ৰ ব্যৱহাৰ (Use of Radio)**

  দূৰৱর্ত্তী শিক্ষণ পদ্ধতিৰ বাবে ৰেডিঅ'ৰ ব্যৱহাৰো বৰ ফলদায়ক। ৰেডিঅ' সেৱা বিশেষকৈ FM ৰেডিঅ' সেৱাৰ যথেষ্ট গুৰুত্ব আছে আৰু এইবোৰ ব্যৱহাৰৰ মাজেৰে শিক্ষার্থীয়ে আনৰ লগত যোগাযোগ কৰিব পাৰে।

  IGNOU (Indira Gandhi National Open University) ই ২০০১ চনত "জ্ঞানবাণী' নামৰ এটা FM ৰেডিঅ' ষ্টেছন উদ্ভাৱন কৰিছিল। বর্তমান IGNOU ই আমাৰ দেশত ৩১টা FM ষ্টেছন স্থাপন কৰিছে। অসমত ২০১০ চনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে "জ্ঞান তৰংগ" (৯০.৪ মেগাহার্টজ) নামৰ এটা FM ষ্টেছন উদ্ভাৱন কৰে। দৰাচলতে এইটো আছিল উত্তৰ পূর্বাঞ্চলৰ প্রথম শিক্ষামূলক FM ষ্টেছন। গুৱাহাটী বিশ্ববিদ্যালৰ IDOL (Institute of Open and Distance Learning) য়েওঁ ২০১০ বর্ষতে অসমত "ৰেডিঅ' লুইত" (৯০.৮ মেগাহার্টজ) নামৰ এটা শিক্ষামূলক FM ৰেডিঅ' ষ্টেছন উদ্ভাৱন কৰিছিল।

- **দূৰদর্শনৰ ব্যৱহাৰ (Use of T.V)**

  দূৰদর্শনৰ ব্যবহাৰ দূৰৱর্ত্তী শিক্ষাৰ শিক্ষার্থীসকলৰ আন এটি ফলদায়ক সঁজুলি। দূৰত্ব শিক্ষা প্রদান কৰোতাসকলে শিক্ষামূলক কার্যসূচীবোৰ দেখুৱাবৰ কাৰণে দূৰদর্শন ব্যৱহাৰ কৰে যাৰ ফলত এক বৃহৎ সংখ্যক ছাত্র-ছাত্রীৰ মাজলৈকে কার্যসূচীবোৰ প্রসাৰিত হয় আৰু লগতে সমাজৰ আন সচেতন ব্যক্তিয়েও ইয়াৰ পৰা ফলৱতী হয়।

  নতুন দিল্লীৰ IGNOU আৰু UGC (University Grants Commission) য়ে লগহৈ কিছুমান কার্যসূচী "জ্ঞান দর্শন"ৰ যোগেৰে প্রচাৰ কৰে।

২.৬.২ বৈদুতিক সঁজুলিবোৰ (Electronic Devices)

- **ইন্টাৰনেট প্রযুক্তিৰ ব্যৱহাৰ** (Use of Internate Technology)

  তথ্য আৰু প্রযুক্তিবিদ্যাৰ (Information and Communication Technology) খৰটকীয়া অগ্রগতিয়ে দূৰশিক্ষণ পদ্ধতিক অশেষ পৰিমাণে সহায় কৰিছে। এইটোয়ে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষণৰ পথাৰত এটা পৰিবর্তনৰ ধাৰা কঢ়িয়াই আনিছে। এতিয়া কোনো এখন অধ্যয়ন কেন্দ্র বা বিশ্ববিদ্যালয় দেখা নকৰাকৈয়ে এজন শিক্ষার্থীয়ে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষণ কার্যসূচীত নামভর্ত্তিৰ কাৰণে চকু ফুৰাব পাৰে। তেওঁ বিশ্ববিদ্যালয় ৱেবছাইটৰ পৰা স্ব-শিক্ষণ সামগ্রী (SLM) বোৰ সংগ্রহ বা ডাউনলোড কৰি ল'ব পাৰে, অন লাইনৰ যোগেদি নিদের্শপত্র পূৰণ বা ভর্ত্তি কৰিব পাৰে, বা অনলাইনৰ যোগেদি সকলো সন্দেহ বা প্রশ্নৰ

খোলোচা কৰিব পাৰে, আৰু সহপাঠীসকল বা পৰামৰ্শদাতাৰ লগত আলোচনাৰ বাবে যোগাযোগ কৰিব পাৰে। আনকি এবাৰো বিশ্ববিদ্যালয়খন বা প্ৰতিষ্ঠানখন দেখা নকৰাকৈ অনলাইনৰ যোগেদি পৰীক্ষাত বহি শিক্ষার্থীজনে প্ৰমাণ পত্ৰও পাব পাৰে। এই ধাৰণাটোক প্ৰতীকি বিশ্ববিদ্যালয় (Virtual University)বুলি কোৱা হয়।

যিয়ে নহওঁক বিশ্ববিদ্যালয়ৰ এই ধাৰণাটোৰ বৃদ্ধি এখন আগৰণুৱা দেশত (advanced countries) বহুত দেখা যায়। কিন্তু ইয়াৰ সীমিত প্ৰভাৱ দেখা যায় উন্নয়নশীল ৰাষ্ট্ৰবোৰত। বিশেষকৈ আমাৰ দেশত প্ৰতীকি বিশ্ববিদ্যালয়ৰ ধাৰণাই বৰ বেছি প্ৰভাৱ পেলাব পৰা নাই। যি কি নহওক ইয়াৰ অৰ্থ এইটো নহয় যে ইণ্টাৰনেট সেৱাৰ ব্যৱহাৰ ভাৰতত সীমিত। ভাৰতবৰ্ষৰ বহুসংখ্যক মহাবিদ্যালয় /প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয়ে ইণ্টাৰনেট সেৱা ভিন ভিন ক্ৰমত ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষণৰ ৰচনা প্ৰসংগ উল্লেখ কৰিবলৈ IGNOU য়ে বিস্তাৰিত ৰূপত ইণ্টাৰনেট সেৱা আগবঢ়াইছে। IGNOU ৰ ছাত্ৰ ছাত্ৰীসকলে তাৰ বেৱছাইট e-Gyankosh ৰ যোগেদি নিজৰ প্ৰয়োজনীয় সা-সামগ্ৰী (material) আৰু কার্যসূচী সংগ্ৰহ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে এই ৱেৱছাইটবোৰ সকলো ধৰণৰ বিদ্যায়তনিক আৰু অবিদ্যায়তনিক জ্ঞানৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে।

অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU)য়ে শিক্ষার্থীসকলৰ কাৰণে www.kkhsou.in নামৰ ৱেৱছাইটতো ৰূপাংকণ কৰিছে লগতে 'e-vidya' নামৰ এক বিশেষ সেৱাৰ ব্যৱস্থা কৰিছে । গুৱাহাটী বিশ্ববিদ্যালয়ৰ IDOL য়ে ইণ্টাৰনেট শিক্ষনৰ দুৱাৰ হিচাপে ই 'বধিদ্রুম'-ৰ উদ্ভাৱন কৰিছে (www.idolgu.org আৰু www.bodhidrum.idolgu.org)।

- **মোবাইল প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ (Use of Mobile Technology)**

সকলো বয়সৰ মানুহৰ মাজত মোবাইল ফোনৰ ব্যৱহাৰ নিচেই সাধাৰণ কথা। সেয়ে শিক্ষামূলক প্ৰতিষ্ঠানবোৰ বিশেষকৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয়বোৰে মোবাইল ফোন শিক্ষাৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে, যদি আপুনি SNKKHSOU লিখি ৯৮৭০৮০৭০৭০ নম্বৰলৈ পঠাই, তেতিয়া আপুনি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সকলো নতুন গুৰুত্বপূৰ্ণ খবৰ বা তথ্য লাভ কৰিব। এনে তথ্যবোৰত সংলগ্ন থাকে নামভর্ত্তিৰ ঘোষণা, পৰীক্ষাৰ ফলাফল আদি। ঠিক তেনেদৰে IODL- গুৱাহাটী বিশ্ববিদ্যালয়েওঁ একে সেৱা উদ্ভাৱন কৰিছে, যাৰদ্বাৰা এজন শিক্ষার্থীয়ে ৫৬০৭০ লৈ এছ.এম.এছ পঠাই নামভর্ত্তীকৰণ সম্পর্কীয়, পৰীক্ষাৰ ফলাফল আদি জানিব পাৰে। এই বিষয়ে অধিক জানিবৰ বাবে আপুনি www.idolgu.org/sms pdf অ'ত লগ অ'ন (log on)কৰি চাব পাৰে।

২.৬.৩ শিক্ষার্থীৰ সহায়কাৰী সমল প্রদানৰ বেলেগ বেলেগ মাধ্যমবোৰ (Other Medium of LSS)

- **নিজা শিকন সঁজুলিৰ ছপা ৰূপ (SLMs in Printform)**

  আধুনিক সময়ত শিক্ষার্থী সেৱা প্রদান (LSS) ৰ সহযোগীকৈ ভালেমান আহিলা ব্যৱহাৰ কৰা হৈছে। ইয়াৰ প্রধান সহযোগী হৈছে নিজা শিকন সঁজুলি বা স্ব-শিকণ সঁজুলি এখন ছপা কৰা কিতাপ আৰু নিজা শিকণ সঁজুলিৰ মাজত প্রধান পার্থক্য হ'ল যে স্ব-শিকণ সামগ্রীবোৰ ছাত্র-ছাত্রীৰ সহজে বোধগম্য হোৱাকৈ ব্যাখ্যা কৰা হয় আৰু এইবোৰ সহজে অনুসৰণ কৰিবলৈ শিক্ষার্থীৰ সঁজুলি হয়। স্ব-শিকণ সামগ্রীৰ মূল বৈশিষ্ট হ'ল যে শিক্ষার্থীসকলৰ শিক্ষনৰ পৰিৱেশ বিচাৰ কৰে। ইয়াৰ জৰিয়তে এনেকুৱা এটা পৰিৱেশৰ চেষ্টা কৰা হয় যাতে শিক্ষার্থীসকলে নিজে নিজে অধ্যয়ন কৰি শিকিব পাৰে। মুক্ত বিশ্ববিদ্যালয় বা প্রতিষ্ঠানবোৰে স্ব-শিকণ সামগ্রীবোৰ ঘৰুৱা আর্হিত (নিজা নিজা) পৃথকভাৱে ৰূপায়ন কৰে, যিবোৰ দেখাৰ লগে লগে চিনিব পাৰি বা শিক্ষার্থীসকলেও অনুসৰণ কৰাত সহায় হয়।

- **উপদেশ অথবা পৰামর্শদান শ্রেণী (Advice or Counselling session)**

  শিক্ষার্থীসকলে তেওঁলোকৰ অধ্যয়নত সৃষ্টি হোৱা প্রশ্নসমূহ সমাধান পাবৰ বাবে অধ্যয়ন কেন্দ্র, প্রতিষ্ঠান বা মুক্ত বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰিব পাৰে। ইয়াৰ বাবে শিক্ষার্থীজনে উল্লেখিত অনুষ্ঠানৰ লগত ফোন কৰি অথবা ব্যক্তিগতভাৱে দেখা কৰিব পাৰে। উদাহৰণ স্বৰূপে নামভর্ত্তিকৰণ, মাছুল, গুৰুত্বপূর্ণ তাৰিখ, কার্যসূচী, সময়সীমা, ওচৰৰ অধ্যয়ন কেন্দ্রই আগবঢ়োৱা পাঠ্যক্রম ইত্যাদিৰ সবিশেষ জানিবলৈ আপুনি অধ্যয়ন কেন্দ্র বা বিশ্ববিদ্যালয়লৈ ফোন কৰিব পাৰে। তাৰোপৰি অধ্যয়নত উদ্ভৱ হোৱা বিভিন্ন প্রশ্নসমূহৰ সমাধানৰ বাবে অধ্যয়ন কেন্দ্রসমূহে পৰামর্শমূলক শ্রেণীৰ আয়োজন কৰে, য'ত অভিজ্ঞ পৰামর্শদাতাসকলে শিক্ষার্থীসকলৰ মনৰ খোকোজা আৰু প্রশ্নসমূহৰ সমাধান দিয়ে।

- **সমনীয়া দলৰ সমর্থন (Peer Group Support)**

  এজন শিক্ষার্থীৰ শিক্ষন কৌশল বা জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ সমনীয়া বা সহপাঠীসকলৰ গোট গঠন কৰাতো জৰুৰী। যিহেতু ই শিক্ষার্থীসকলক যথেষ্ট সহায় কৰে। গতিকে দেখা যায় যে দূ�ৰৱর্ত্তী শিক্ষনৰ যোগান ধৰোতাই শিক্ষক, পৰামর্শদাতা আৰু শিক্ষার্থীসকলৰ মাজত যোগাযোগৰ মাধ্যম হিচাবে এটুকুৱা ঠাইৰ যোগান ধৰে। শিক্ষার্থীসকলে মোবাইল ফোনেৰে যোগাযোগ সম্পন্ন কৰিব পাৰে যদিওঁ তেনে যোগাযোগ ব্যৱস্থাত শিক্ষক আৰু পৰামর্শ দাতাৰ অনুপস্থিতিৰ কাৰণে বৰ সীমিত গুণবিশিষ্ট হয়। সেয়েহে দূৰৱর্ত্তী শিক্ষনো শিক্ষার্থীসকলক এটুকুৱা ঠাই প্রদান কৰে সকলোৰে বোধগম্য হোৱাকৈ। এই ক্ষেত্রত ইন্টাৰনেট প্রযুক্তিবিদ্যাৰ কথা উল্লেখ কৰিব পাৰি। তাৰোপৰি ছছিয়েল

নেটৱর্ক(social network), ব্লগ (blogs), আলোচনাৰ বিচৰালয়ৰ (discussion forum)দৰে সঁজুলি এক উন্নত মানৰ প্রযুক্তি বিদ্যা বা আহিলা। যি শিক্ষার্থীসকল বিশেষধৰণে সহায় কৰে বা শিক্ষার্থীসকলৰ মাজত এক যোগাযোগ স্থাপন কৰে। সেয়েহে পৰামর্শমূলক শ্রেণীত শিক্ষার্থীসকল শাৰীৰিকভাৱে উপস্থিত থাকিব লাগে।

- **অগ্রগতি আৰু মূল্যাংকন সম্পর্কে আলোচনা বা মতামত (Feedback concerning Assesment and Progress)**

দূ�ৰৱর্ত্তী শিক্ষা পদ্ধতিত এজন শিক্ষার্থীৰ অধ্যয়নৰ অগ্রগতি আৰু মূল্যাংকন সম্পর্কে উপদেশ বা মতামত দিয়াটো জৰুৰী। ইয়াৰ বাবে বিভিন্ন ধৰণৰ মূল্যায়ন ব্যৱস্থা গ্রহণ কৰা হয়। নিজা শিকণ সঁজুলিৰ জৰিয়তে শিক্ষার্থীসকলক মাজে মাজে অগ্রগতিৰ খতিয়ান শীর্ষক প্রশ্নৰ অৱতাৰণা কৰি তেওঁলোকৰ মূল্যায়নৰ ব্যৱস্থা কৰা হয়। এই ক্ষেত্রত নিশ্চিত কিছুমান সৰু সৰু প্রশ্ন আৰু বস্তুনিষ্ঠ ধৰণৰ প্রশ্ন অন্তর্ভূক্ত কৰা হয়, বহুক্ষেত্রত অধ্যয়ন বা গোটটোৰ শেষত এই প্রশ্নবোৰৰ উত্তৰ অন্তর্ভূক্ত কৰা হয়। সালসলনিকৈ প্রশ্নবোৰৰ উত্তৰৰ ইংগিতো দিয়া হয়।

মূল্যাংকনৰ আন এটা কৌশল হ'ল - শিক্ষার্থীসকলক কৰিব দিয়া প্রদত্ত কর্ম (Home Assignment)। এই শিক্ষার্থীসকলে নিজা শিকণ সঁজুলি (SLM)বোৰ ভালদৰে অধ্যয়ন কৰি কেইটামান বিশেষ প্রশ্নৰ উত্তৰ প্রদত্ত কর্মৰ (Home Assignment) যোগেৰে জমা দিব লাগে। গতিকে শিক্ষার্থীজনে শিক্ষকৰ পৰা তেওঁৰ লিখনিৰ মতামত পাবলৈ হ'লে এইবোৰ প্রয়োজনীয়। যিয়ে শিক্ষার্থীসকলক চুড়ান্ত পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ সহায় কৰে।

- **পুথিভড়াল সেৱা (Library Service)**

পুথিভড়াল সেৱা শিক্ষার্থীৰ সহায়কাৰী সমল সেৱাৰ আন এক গুৰুত্বপূর্ণ উপাদান। দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত স্ব-শিকণ সামগ্রীবোৰ যোগান ধৰাটো লক্ষ্য হিচাপে লোৱা হৈছে, যিবোৰ হ'ল স্ব-শিকণ (Self learning) আৰু স্ব-সম্পূর্ণ (Self-contained)। সেয়েহে স্ব-শিকণ সামগ্রীবোৰ এনেদৰে ৰূপায়ন কৰা হৈছে যে শিক্ষার্থীসকলে এটা অধ্যায় বা বিষয়ত সিমানখিনি জনাৰ প্রয়োজন বা যিখিনি তেওঁলোকে জানিব বিচাৰে সেই আটাইখিনি পাব পাৰে। যাৰ বাবে শিক্ষার্থীসকলে কার্যকৰণত (Performence) বিশেষ উন্নতি লাভ কৰে। বিশেষকৈ স্নাতকোত্তৰ, বৃত্তিগত আৰু গৱেষণা অধ্যয়নৰ বাবে পুথিভড়াল সেৱা নিতান্তই প্রয়োজন। অধ্যয়ন কেন্দ্রসমূহে এনে পুথিভড়াল সেৱাৰ যোগান ধৰে বা আগবঢ়ায়। বহুক্ষেত্রত অধ্যয়ন কেন্দ্রবোৰ মহাবিদ্যালয় বা চলিত কোনো প্রতিষ্ঠানত থাকে। তাৰ বাবে দূৰৱর্ত্তী শিক্ষা ব্যৱস্থা যোগান ধৰোতাই এই অধ্যয়ন কেন্দ্রসমূহ আৰু উক্ত প্রতিষ্ঠানৰ লগত এক যোগাযোগ ৰক্ষা কৰি তাৰ গ্রন্থাগাৰ শিক্ষার্থীসকলে ব্যৱহাৰৰ ব্যৱস্থা কৰে। তেনে নহ'লে অৱশ্যে দূৰৱর্ত্তী শিক্ষণৰ শিক্ষার্থীসকলৰ বাবে অধ্যয়ন কেন্দ্রতে পুথিভড়ালৰ ব্যৱস্থা কৰা হয়।

এই ক্ষেত্রত দুৰৱৰ্ত্তী শিক্ষণৰ ব্যৱস্থাৰ আন এক আঁচনি হ'ল "পুথিভড়াল মোনা"ৰ (Library bag) যোগান। এই সেৱাত শিক্ষার্থীসকলৰ বাবে উপযুক্ত সহায়কাৰী কিতাপসমূহৰ এটা মোনা তৈয়াৰ কৰি যোগান ধৰা হয়। শিক্ষার্থীয়ে নির্দ্ধাৰিত পাঠ্যক্রমৰ অন্তত সেইবোৰ ঘু�ৰাই দিব লাগে। সেই একেই কিতাপবোৰ পুনৰ সেই একে পাঠ্যক্রমৰ শিক্ষার্থীক যোগান ধৰা হয়। শিক্ষার্থীসকলৰ পৰা এই কিতাপবোৰ সুৰক্ষিতভাৱে ঘুৰাই পোৱাৰ বাবে এক মাছুল পুনৰ ঘুৰাই দিয়া হয়।

➢ কৌশল লাভ কৰা (Acquiring Skill)

আমি সকলোৱে জানো যে শিক্ষা হৈছে জীৱন ব্যাপি চলা এটা প্রক্রিয়া আৰু শিক্ষাৰ এটা বস্তুনিষ্ঠ বিষয় হ'ল কৌশল আয়ত্ব কৰা। দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিওঁ ইয়াৰ বাহিৰত নহয়। কৌশল বৃদ্ধি কৰাতো দূৰৱৰ্ত্তী শিক্ষনৰ এটা লক্ষ্য। আনকি দুৰ ঠাইত বাস কৰা শিক্ষার্থীসকলেও নিশ্চিত কৌশল লাভ কৰাতো প্রয়োজনীয়। পৰামর্শদান শ্রেণী আৰু ব্যক্তিগত যোগাযোগ কার্যসূচীয়ে শিক্ষার্থীসকলক নতুন কৌশল আয়ত্ত কৰাত সহায় কৰে। উদাহৰণস্বৰূপে শিক্ষন নিবেদন কৌশল আৰু ফলপ্রসু যোগাযোগ কৌশল এজন শিক্ষার্থীৰ বাবে বজাৰত এটা ভাল সংস্থাপন পাবলৈ বৰ লাগতীয়াল হৈ উঠিছে।

মুক্ত বিশ্ববিদ্যালয়, প্রতিষ্ঠানসমূহে শিক্ষার্থীসকলক কৌশল বুজাবলৈ দৃশ্য-শ্রব্য সজুলিৰ সহায় ল'ব পাৰে। আজিওঁ প্রকল্প বা আন কৌশল কিছুমানে শিক্ষনৰ ক্ষেত্রত ব্যৱহাৰ কৰিব পাৰে।

➢ কেৰিয়াৰৰ মার্গ প্রদর্শন (Career Guidance)

মুক্ত আৰু দুৰৱৰ্ত্তী শিক্ষণৰ আন এটা দৰকাৰী সহযোগী হ'ল কেৰিয়াৰ মার্গ প্রদর্শন। এটা সংস্থাপন পাবলৈ হ'লে এজন শিক্ষার্থীৰ নিশ্চিত কৌশল যেনে সংক্ষিপ্ত বিৱৰণ লিখনি(Biodata), সাক্ষাৎকাৰৰ মুখামুখি হোৱা, নিবেদন কৌশল আদিৰ আৱশ্যক হয়। অধ্যয়নবোৰে নিযুক্তিদাতা সংস্থাবোৰক আকর্ষণ কৰিবলৈ ছাউনী সাক্ষাৎকাৰৰ(Campus interview) আয়োজন কৰি শিক্ষার্থীসকলক এটা নতুন জীৱনৰ পাতনি মেলাত সহায় কৰিব পাৰে।

বহুতো মুক্ত বিশ্ববিদ্যালয় আৰু প্রতিষ্ঠানে কেৰিয়াৰ পৰামর্শমূলক কোঠা খুলিছে বিশ্ববিদ্যালয়ৰ সমপর্যায়কৈ, যাৰ জৰিয়তে শিক্ষার্থীসকলক তেওঁলোকৰ কেৰিয়াৰ আৰু ভৱিষ্যত উন্নতিৰ পৰামর্শ দিয়া হয়।

➢ প্রশাসনীয় সমস্যাৰ সমাধান (Administrative Problem Solving)

অধ্যয়নৰ নির্দ্ধাৰিত পাঠ্যত নামভর্ত্তিকৰণৰ আগৰ পৰা আৰম্ভ কৰি পাছ হৈ ওলোৱালৈকে ছাত্র এজনে ভালেমান সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে মুক্ত বিশ্ববিদ্যালয় বা প্রতিষ্ঠানে এই সমস্যাসমূহ সমাধান কৰাতো উচিত।

কিছু কিছু ক্ষেত্রত বিশ্ববিদ্যালয় বা প্রতিষ্ঠানসমূহে শিক্ষার্থীসকলৰ বাবে শুল্কবিহীন সংখ্যা (Toll free number) আগবঢ়াইছে, যাৰ জৰিয়তে শিক্ষার্থীসকলে কোনো টকা খৰছ নকৰাকৈয়ে ফোন কৰি নিজৰ প্রশ্নৰ সমাধান পাব পাৰে। তাৰোপৰি মনোগ্রাহী কণ্ঠ ধ্বনি পদ্ধতি (Interactive voice Response Service) ওঁ বর্তমান বিশ্ববিদ্যালয় বা প্রতিষ্ঠানে ব্যৱহাৰ কৰিছে। গতিকে শিক্ষার্থীসকলে এই কণ্ঠধ্বনি ব্যৱস্থাৰ প্রতি উপযুক্ত সহাৰি দি নিজৰ সমাধান পাব পাৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষার্থী হিচাপে আপুনি কিবা সমস্যাৰ সন্মুখীন হ'লে বিশ্ববিদ্যালয়ৰ শুল্ক বিহীন সংখ্যা ১৮০০-৩৪৫-৩৬১৩লৈ ফোন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ ব্যাখ্যা কৰক ঃ

(ক) 'জ্ঞানদর্শন' IGNOU আৰু UGC ৰ যুটীয়া কার্যসূচী।

(খ) IGNOU আমাৰ দেশত ১০০টাতকৈয়ো অধিক FM ষ্টেছন স্থাপন কৰিছে।

প্রশ্ন নং ৮ঃ তলত দিয়া 'ক' অংশৰ লগত 'খ' অংশ মিলাওকঁ।

'ক' অংশ	**'খ' অংশ**
(a) জ্ঞান তৰংগ	(i) ইলেকট্রনিক শিক্ষণৰ পৰটেল হ'ল IDOL,GU
(b) ৰেডিঅ লুইট	(ii) KKHSOU ৰ FM কেন্দ্র
(c) ই জ্ঞানকোশ	(iii) IDOL,GU ৰ FM কেন্দ্র
(d) ই বিদ্যা	(iv) IGNOUৰ ইলেকট্রনিক শিক্ষণৰ পৰটেল
(e) ই বধিদ্রম	(v) KKHSOU ৰ ইলেকট্রনিক শিক্ষণৰ প'ৰটেল।

প্রশ্ন নং ৯ ঃ 'পুথিভৰাল মোনা' সেৱা কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১০ ঃ কেৰিয়াৰ মার্গ প্রদর্শন কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

২.৭ একবিংশ শতিকাৰ শিক্ষার্থীসকলৰ পৰিৱর্তিত বৈশিষ্ট্য

একবিংশ শতিকাৰ শিক্ষার্থীসকল মূলতঃ দুটা প্রজন্মৰ- যেনে, জেনেৰেচন জেড (১৯৯৫ চনৰ পৰা ২০০৯ চনৰ ভিতৰত জন্ম) আৰু জেনেৰেচন আলফা (২০১০ চনৰ পৰা জন্ম)। জেনেৰেচন জেডৰ বৈশিষ্ট্য আছিল। বেছিভাগেই ইণ্টাৰনেট অবিহনে জীৱনটো মনত নাৰাখে, আৰু তেওঁলোকৰ স্কুলীয়া শিক্ষাৰ বেছিভাগ সময়তে স্মার্টফোন, আইপেড, স্মার্টবর্ড আৰু অন্যান্য ডিভাইচৰ দৰে প্রযুক্তি উপলব্ধ। আনহাতে জেনেৰেচন আলফাৰ বৈশিষ্ট্য যেনে: স্মার্টফোনতকৈ কম বয়সীয়া, আইপেড, 3D টেলিভিছন, ইনষ্টাগ্রাম, আৰু স্পটিফাইৰ দৰে সংগীত ষ্ট্রীমিং এপ। এইটোৱেই হৈছে প্রথম প্রজন্ম (জেনেৰেচন আলফা) পৰৱর্তী শতিকাটো দেখাৰ সম্ভাৱনা।

দৈনন্দিন প্রয়োজনীয়তা হিচাপে প্রযুক্তিৰ এনে স্তৰেও তেওঁলোকক এনে পৰিস্থিতিত পেলায় যে তেওঁলোকৰ হাতৰ মুঠিত সম্পূর্ণ অভূতপূর্ব পৰিমাণৰ তথ্য থাকে। আজিৰ টেক-চেভি শিক্ষার্থীসকলে নিজৰ প্রশ্নৰ উত্তৰ পাবলৈ কেতিয়াও কেইছেকেণ্ডতকৈ বেছি অপেক্ষা কৰিব নালাগে; সকলোবোৰ মাত্র দ্রুত অনুসন্ধানৰ দূৰত্বত। আজি তেওঁলোকে শোৱা কোঠাৰ পৰাও ওলাই নোযোৱাকৈ নিজৰ আগ্রহৰ যিকোনো বিষয়ৰ ওপৰত নিজকে শিকাবলৈ সক্ষম হৈছে।

২.৭.১ একবিংশ শতিকাৰ শিক্ষার্থীৰ বাবে প্রয়োজনীয় দক্ষতা

এপ্লাইড এডুকেচনেল চিষ্টেমে একবিংশ শতিকাৰ এজন শিক্ষার্থীৰ বাবে ১২টা শৈক্ষিক দক্ষতাৰ তালিকা প্রস্তুত কৰিছিল। এই দক্ষতাসমূহক তিনিটা প্রধান মূৰব্বীত ভাগ কৰা হৈছে, যেনে— শিক্ষণ দক্ষতা, সাক্ষৰতা দক্ষতা আৰু জীৱন দক্ষতা। শিক্ষণ দক্ষতাই ছাত্র-ছাত্রীসকলক আধুনিক কর্ম পৰিৱেশত খাপ খুৱাবলৈ আৰু উন্নতি কৰিবলৈ প্রয়োজনীয় মানসিক প্রক্রিয়াৰ বিষয়ে শিকায়। সাক্ষৰতা দক্ষতাই ছাত্র-ছাত্রীসকলে তথ্য, প্রকাশন আউটলেট, আৰু ইয়াৰ আঁৰৰ প্রযুক্তি কেনেকৈ বিবেচনা কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইণ্টাৰনেটত বানপানী হোৱা ভুল তথ্যৰ পৰা পৃথক কৰিবলৈ বিশ্বাসযোগ্য উৎস আৰু বাস্তৱিক তথ্য নির্ণয় কৰাত তীব্র গুৰুত্ব দিয়া হৈছে। শেষত জীৱন দক্ষতাই এজন ছাত্রৰ দৈনন্দিন জীৱনৰ অস্পষ্ট উপাদানসমূহৰ ওপৰত চকু ফুৰালে। এই অস্পষ্ট বস্তুবোৰে ব্যক্তিগত আৰু পেছাদাৰী দুয়োটা গুণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একবিংশ শতিকাৰ শিক্ষার্থীৰ ডিজিটেল পৰিৱেশক কেন্দ্র কৰি নির্মিত এই ১২টা দক্ষতা একবিংশ শতিকাৰ শিক্ষার্থীৰ বাবে বিশেষভাৱে গুৰুত্বপূর্ণ। এই তিনিটা বহল শ্রেণীৰ দক্ষতাৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওক।

- **শিক্ষণ দক্ষতা ঃ** শিক্ষণ দক্ষতা ৪টা C ৰে গঠিত, অর্থাৎ সমালোচনাত্মক চিন্তাধাৰা, সৃষ্টিশীলতা, সহযোগিতা আৰু যোগাযোগ।
  - **সমালোচনাত্মক চিন্তাধাৰা ঃ** সমস্যাৰ সমাধান বিচাৰি উলিওৱা। ইয়েই ছাত্র-ছাত্রীসকলক নিজৰ বাবে বিভিন্ন বিকল্প সমাধান উলিয়াবলৈ সহায়

কৰে যেতিয়া তেওঁলোকৰ হাতত শিক্ষক নাথাকে।

- **সৃষ্টিশীলতা ঃ** বাকচৰ বাহিৰত চিন্তা কৰা। এই দক্ষতাই ছাত্ৰ-ছাত্ৰীসকলক ধাৰণাসমূহক এক বেলেগ পোহৰত চাবলৈ সক্ষম কৰে, যাৰ ফলত উদ্ভাৱনৰ সূচনা হয়। যিকোনো ক্ষেত্ৰতে উদ্ভাৱনেই হৈছে অভিযোজন ক্ষমতা আৰু সামগ্ৰিক সফলতাৰ মূল চাবিকাঠি।
- **সহযোগিতা ঃ** আনৰ সৈতে কাম কৰা। ইয়াৰ অৰ্থ হ'ল ছাত্ৰ-ছাত্ৰীসকলক একেলগে কাম কৰা, আপোচ কৰা, আৰু কোনো সমস্যা সমাধানৰ পৰা সম্ভৱপৰ উত্তম ফলাফল পোৱা।
- **যোগাযোগ ঃ** আনৰ লগত কথা পতা। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ ব্যক্তিত্বৰ মাজত ধাৰণাসমূহ কেনেকৈ ফলপ্ৰসূভাৱে প্ৰকাশ কৰিব পাৰি সেই বিষয়ে শিকিব পৰাটো অতি গুৰুত্বপূৰ্ণ। সঠিক যোগাযোগ বুজি নাপালে একবিংশ শতিকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কেৰিয়াৰ আগুৱাই নিবলৈ এক গুৰুত্বপূৰ্ণ দক্ষতাৰ অভাৱ হ'ব।

➢ **সাক্ষৰতা দক্ষতা ঃ** সাক্ষৰতা দক্ষতাক আইএমটি দক্ষতা বুলিও কোৱা হয়, আৰু ইয়াৰ প্ৰত্যেকেই ডিজিটেল বুজাবুজিৰ এটা বেলেগ উপাদানৰ সৈতে জড়িত। আইএমটিৰ অৰ্থ হৈছে তথ্য সাক্ষৰতা, সংবাদ মাধ্যমৰ সাক্ষৰতা আৰু প্ৰযুক্তি সাক্ষৰতা।

- **তথ্য সাক্ষৰতা ঃ** তথ্য সাক্ষৰতা হৈছে মূল দক্ষতা। ই ছাত্ৰ-ছাত্ৰীসকলক তথ্যসমূহ বুজিবলৈ সহায় কৰে, বিশেষকৈ তেওঁলোকে অনলাইনত সন্মুখীন হ'বলগীয়া ডাটা পইণ্টসমূহ। তাতোকৈ ডাঙৰ কথাটো হ'ল ই তেওঁলোকক কল্পকাহিনীৰ পৰা তথ্যক কেনেকৈ পৃথক কৰিব লাগে সেই বিষয়ে শিকাইছে। দীৰ্ঘদিনীয়া ভুল তথ্যৰ যুগত অনলাইনত সত্য বিচাৰি উলিওৱাটো নিজাববীয়াকৈ এটা কাম হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ সততাক চিনাক্ত কৰিব পৰাটো অতি গুৰুত্বপূৰ্ণ। অন্যথা তেওঁলোকে মিথ, ভুল ধাৰণা আৰু সম্পূৰ্ণ মিছাৰ বলি হ'ব পাৰে।
- **সংবাদ মাধ্যমৰ সাক্ষৰতা ঃ** সংবাদ মাধ্যমৰ সাক্ষৰতা হৈছে প্ৰকাশন পদ্ধতি, আউটলেট আৰু উৎস চিনাক্ত কৰাৰ লগতে বিশ্বাসযোগ্য আৰু বিশ্বাসযোগ্য নহয় বুলি কোৱা পদ্ধতি । পূৰ্বৰ দক্ষতাৰ দৰেই তথ্যৰে পৰিপূৰ্ণ পৃথিৱীখনত সত্য বিচাৰি উলিওৱাৰ বাবে সংবাদ মাধ্যমৰ সাক্ষৰতাই সহায়ক। এইদৰেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱনত তথ্যৰ বিশ্বাসযোগ্য উৎস বিচাৰি পায়। ইয়াৰ অবিহনে বিশ্বাসযোগ্য যেন লগা যিকোনো বস্তুৱেই বিশ্বাসযোগ্য হৈ পৰে।
- **প্ৰযুক্তি সাক্ষৰতা ঃ** প্ৰযুক্তি সাক্ষৰতাই আৰু এখোজ আগুৱাই গৈ ছাত্ৰ-ছাত্ৰীসকলক তথ্য যুগৰ লগত জড়িত যন্ত্ৰসমূহৰ বিষয়ে শিকায়। প্ৰযুক্তি

সাক্ষৰতাই ছাত্ৰ-ছাত্ৰীসকলক কি গেজেটে কি কাম কৰে আৰু কিয় কৰে সেই কথা বুজিবলৈ প্ৰয়োজনীয় মৌলিক তথ্য দিয়ে।

- **জীৱন দক্ষতা ঃ** জীৱন দক্ষতাক FLIPS বুলিও কোৱা হয়, এই দক্ষতাসমূহ সকলো কাৰোবাৰ ব্যক্তিগত জীৱনৰ সৈতে জড়িত, কিন্তু ই পেছাদাৰী পৰিৱেশলৈও তেজ ওলায়। FLIPS ৰ অর্থ হ'ল নমনীয়তা, নেতৃত্ব, পদক্ষেপ, উৎপাদনশীলতা আৰু সামাজিক দক্ষতা।
  - **নমনীয়তা ঃ** নমনীয়তা মানে কোনোবাই পৰিৱর্তিত পৰিস্থিতিৰ লগত খাপ খুৱাব পৰা ক্ষমতা। ছাত্ৰ-ছাত্ৰীৰ বাবে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰাটো অন্যতম প্ৰত্যাহ্বানজনক গুণ কাৰণ ই দুটা অস্বস্তিকৰ বাস্তৱৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। প্ৰথমতে, ছাত্ৰজনে মানি ল'ব লাগিব যে কোনো এটা পৰিস্থিতিত তেওঁ যি ধৰণেৰে মোকাবিলা কৰি আছে সেয়া সদায় সর্বোত্তম উপায় নহয়। আচলতে সকলোতে উন্নতিৰ স্থান আছে। দ্বিতীয়তে, ভুল হ'লে স্বীকাৰ কৰিব লাগিব। বহু ছাত্ৰ-ছাত্ৰীৰ বাবে নিজৰ ভুল গ্ৰহণ কৰাটো এক প্ৰকৃত সংগ্ৰাম, বিশেষকৈ আজিৰ যুগত যেতিয়া টুপীৰ টোপালতে যিকোনো তথ্য জানিব পৰা যায়।
  - **নেতৃত্ব ঃ** নেতৃত্বৰ অর্থ হ'ল এটা দলক এটা লক্ষ্যত উপনীত হ'বলৈ প্ৰেৰণা দিয়া। নেতৃত্ব হ'ল কাৰোবাৰ লক্ষ্য নির্ধাৰণৰ প্ৰতি থকা, এটা দলক প্ৰয়োজনীয় পদক্ষেপসমূহৰ মাজেৰে আগুৱাই নিয়া আৰু সেই লক্ষ্যসমূহ সহযোগিতামূলকভাৱে লাভ কৰাৰ প্ৰৱণতাও।
  - **পদক্ষেপ ঃ** ইয়াৰ অর্থ হ'ল প্ৰকল্প, কৌশল, আৰু পৰিকল্পনা আৰম্ভ কৰিবলৈ নিজৰ ধাৰণা লৈ অহা। মাত্ৰ এমুঠিমান মানুহেহে উদ্যোগ লোৱাৰ কথা ভাবিব পাৰে। ফলত ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সম্পূর্ণৰূপে সফল হ'বলৈ ইয়াক শিকিব লাগিব।
  - **উৎপাদনশীলতা ঃ** ইয়াৰ অর্থ হ'ল বিক্ষিপ্ততাৰ যুগত দক্ষতা বজাই ৰখা। ই কোনো এটা কাম সময়মতে সম্পূর্ণ কৰাৰ ক্ষমতাক বুজায়।
  - **সামাজিক দক্ষতা ঃ** আইচিটিৰ বর্তমানৰ উন্নতিৰ আটাইতকৈ পুৰস্কাৰজনক বৈশিষ্ট্য হ'ল পাৰস্পৰিক লাভৰ বাবে আনৰ সৈতে সাক্ষাৎ আৰু নেটৱর্কিং। আই টি চিৰ উন্নতিৰ বাবে আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিক দক্ষতাৰ বিস্তৃত পৰিসৰ আছে। অধ্যয়নত দেখা গৈছে যে কিছুমানে আনতকৈ সামাজিকভাৱে অধিক খাপ খাই পৰে। কিছুমান সমনীয়াৰ পৰা বহু পিছ পৰি আছে। আৰু কিছুমান ভাগ্যৱান কেইজনমান হয়তো বহু আগবাঢ়ি যাব, কিয়নো সামাজিকভাৱে মিলিত হোৱাটো তেওঁলোকৰ বাবে স্বাভাৱিকতে আহে। কিন্তু বেছিভাগ ছাত্ৰ-ছাত্ৰীকে অন্ততঃ সামাজিক দক্ষতাৰ ক্ৰেচ কোর্চৰ প্ৰয়োজন। শিষ্টাচাৰ, আচাৰ-ব্যৱহাৰ, ভদ্ৰতা, সৰু সৰু

কথাবোৰে আজিও আজিৰ পৃথিৱীত মুখ্য ভূমিকা পালন কৰে। অর্থাৎ কিছুমান ছাত্র-ছাত্রীয়ে সামাজিক পৰিৱেশৰ পৰিৱর্তে শৈক্ষিক পৰিৱেশত সেইবোৰ শিকিব লাগিব।

পৰৱর্তী খণ্ড ২.৮ত আমি আলোচনা কৰিম যে শেহতীয়াকৈ বিভিন্ন আইচিটি সঁজুলিৰ ব্যৱহাৰে মুকলি আৰু দূৰ শিক্ষাৰ ওপৰত প্রাথমিকভাৱে গুৰুত্ব দি একবিংশ শতিকাৰ শিক্ষার্থীসকলৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰাত কেনেদৰে সহায় কৰিছে।

২.৮ এল এছ এছত শেহতীয়াকৈ হোৱা উন্নতি

যোৱা দুটা দশকত এল এছ এছত শেহতীয়াকৈ বিশিষ্ট স্থান দখল কৰা কিছুমান পদ্ধতিৰ ভিতৰত তলত উল্লেখ কৰা হৈছে —

- **শিক্ষণ ব্যৱস্থাপনা ব্যৱস্থা (LMS) ঃ** শিক্ষণ ব্যৱস্থাপনা ব্যৱস্থা (LMS) হৈছে এটা নির্দিষ্ট শিক্ষণ প্রক্রিয়াৰ পৰিকল্পনা, ৰূপায়ণ আৰু মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা চফ্‌টৱেৰ এপ্লিকেচন বা ৱেব-ভিত্তিক প্রযুক্তি। আদর্শগতভাৱে, এটা শিক্ষণ ব্যৱস্থাপনা ব্যৱস্থাই এজন প্রশিক্ষকক বিষয়বস্তু সৃষ্টি আৰু প্রদান কৰাৰ উপায় প্রদান কৰে, ছাত্রৰ অংশগ্রহণ নিৰীক্ষণ কৰে আৰু ছাত্রৰ কর্মক্ষমতা মূল্যায়ন কৰে।

  যদিও প্রথম অৱস্থাত ১৯৯০ চনত বিকশিত কৰা হৈছিল, এল এম এছ ডাঙৰ কর্পৰেট হাউছৰ লগতে বহুতো মুকলি আৰু দূৰৈৰ শিক্ষণ প্রতিষ্ঠানে পাঠ্যক্রম সংৰক্ষণ, আয়োজন আৰু বিতৰণৰ বাবে বিশিষ্টভাৱে ব্যৱহাৰ কৰিছে প্রয়োজন অনুসৰি কর্মচাৰী/শিক্ষকসকলক। কর্মচাৰী/শিক্ষকসকলে পাঠ্যক্রম গ্রহণ কৰে আৰু এলএমএছ আন্তঃপৃষ্ঠ ব্যৱহাৰ কৰি মতামত জমা দিয়ে। এটা ভাল এল এম এছে প্রশাসকসকলক কর্মচাৰী/শিক্ষকৰ অগ্রগতি নিৰীক্ষণ কৰিবলৈ, বিশ্লেষণ চাবলৈ, আৰু সর্বাধিক প্রভাৱৰ বাবে তেওঁলোকৰ শিক্ষণ কার্যক্রমসমূহ পুনৰ মানাংকন কৰিবলৈ দিয়ে।

  'কে কে এইচ এছ অ'ইও ইয়াৰ এল এম এছ বিকশিত কৰা হৈছে যিয়ে ইয়াৰ ছাত্র-ছাত্রীসকলক অধিক সক্রিয়ভাৱে শিকিবলৈ সুবিধা প্রদান কৰিব।

- **মুক্ত শৈক্ষিক সম্পদ ঃ** মুক্ত শৈক্ষিক সম্পদ (OER) হৈছে যিকোনো মাধ্যমৰ পাঠদান, শিক্ষণ আৰু গৱেষণামূলক সামগ্রী - ডিজিটেল বা অন্যথা - যিবোৰ ৰাজহুৱা ডমেইনত থাকে বা মুক্ত অনুজ্ঞাপত্রৰ অধীনত মুকলি কৰা হৈছে যিয়ে বিনামূলীয়াকৈ প্রৱেশ, ব্যৱহাৰ, অভিযোজনৰ অনুমতি দিয়ে আৰু কোনো বা সীমিত বাধা নোহোৱাকৈ আনৰ দ্বাৰা পুনৰ বিতৰণ কৰা। OERৰ প্রধান প্রকাৰসমূহৰ ভিতৰত আছে (কিন্তু ইয়াৰ মাজতে সীমাবদ্ধ নহয়) পাঠ্যক্রম, পাঠ পৰিকল্পনা, শিক্ষণ মডিউল, লেব পৰীক্ষা, চিমুলেচন, পাঠ্যক্রমৰ ভিডিঅ', আলোচনাৰ প্রমপ্ট, নিযুক্তি, মূল্যায়ন, লাইব্রেৰী গাইড, আৰু পাঠ্যক্রমৰ ডিজাইন টেমপ্লেট।

  মেছাচুচেটছ ইনষ্টিটিউট অৱ টেকন'লজি (এম আই'টি) অ'পেনকোর্চৰেৰ হৈছে

অ'ইআৰৰ অন্যতম বিশিষ্ট পদক্ষেপ। ইউএছএছকোৱেও অ'ইআৰৰ প্ৰচাৰত অগ্ৰণী ভূমিকা পালন কৰি আছে। ভাৰতত আই আই টি মাদ্ৰাজে ১৯৯৯ চনত এন পি টি ই এল (National Programme on Technology Enhanced Learning) নামৰ এটা পদক্ষেপ লৈছিল।এই পদক্ষেপৰ মূল লক্ষ্য আছিল ভাৰতৰ উচ্চ শিক্ষাৰ মান উন্নত কৰা। এই পদক্ষেপ অনুসৰি আই আই এছ চি বাংগালুৰুৰ লগতে সকলো আই আই টিয়ে অভিযান্ত্ৰিকতাৰ সকলো ধাৰাত ভিডিঅ' বক্তৃতা ভিত্তিক পাঠ্যক্ৰমৰ ধাৰাবাহিকতা আনিব। এই পদক্ষেপে ভাৰতত ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে আৰু এই বক্তৃতাসমূহ সমগ্ৰ ভাৰতৰ কেইবাজনো অভিযান্ত্ৰিক ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰি আছে ।

- **বৃহৎ মুক্ত অনলাইন পাঠ্যক্ৰম (MOOCs) ঃ** জ্ঞানক মুক্ত আৰু OER শাৰীত থকা সকলোৰে বাবে সুলভ কৰি তোলাৰ উন্নতিৰ আন এটা অনুৰূপ পদক্ষেপ হৈছে MOOCs। Massive Open Online Courses (MOOCs) হৈছে যিকোনো ব্যক্তিয়ে নামভৰ্তি কৰিব পৰাকৈ বিনামূলীয়া অনলাইন পাঠ্যক্ৰম। MOOC সমূহে নতুন দক্ষতা শিকিবলৈ, আপোনাৰ কেৰিয়াৰ আগুৱাই নিবলৈ আৰু স্কেলত মানসম্পন্ন শৈক্ষিক অভিজ্ঞতা প্ৰদান কৰিবলৈ এক সুলভ আৰু নমনীয় উপায় প্ৰদান কৰে।

  বিশ্বৰ লাখ লাখ লোকে বিভিন্ন কাৰণত শিকিবলৈ MOOC ব্যৱহাৰ কৰে, য'ত আছে ঃ কেৰিয়াৰ বিকাশ, কেৰিয়াৰ সলনি কৰা, কলেজৰ প্ৰস্তুতি, পৰিপূৰক শিক্ষণ, আজীৱন শিক্ষণ, কৰ্পৰেট ই-লাৰ্নিং আৰু প্ৰশিক্ষণ, আৰু অধিক। ভাৰতত ভাৰত চৰকাৰে শেহতীয়াকৈ SWAYAM (SWAYAM : Study Webs of Active-Learning for Young Aspiring Minds) প্লেটফৰ্ম মুকলি কৰিছে যিয়ে নৱম শ্ৰেণীৰ পৰা স্নাতকোত্তৰলৈকে শ্ৰেণীকোঠাত শিকোৱা সকলো পাঠ্যক্ৰমৰ আয়োজনৰ সুবিধা প্ৰদান কৰে যাতে যিকোনো ব্যক্তিয়ে প্ৰৱেশ কৰিব পাৰে, যিকোনো ঠাইত যিকোনো সময়তে। সকলো পাঠ্যক্ৰম ইণ্টাৰেক্টিভ, দেশৰ শ্ৰেষ্ঠ শিক্ষকসকলে প্ৰস্তুত কৰা আৰু উপলব্ধ, যিকোনো শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া। এই পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ১০০০ৰো অধিক বিশেষভাৱে নিৰ্বাচিত অধ্যাপক আৰু শিক্ষকে অংশগ্ৰহণ কৰিছে।

  SWAYAM ত আয়োজিত পাঠ্যক্ৰমসমূহ ৪টা চতুৰ্থাংশত - (১) ভিডিঅ' বক্তৃতা, (২) ডাউনলোডঙ্গপ্ৰিণ্ট কৰিব পৰা বিশেষভাৱে প্ৰস্তুত কৰা পঠন সামগ্ৰী (৩) পৰীক্ষা আৰু কুইজৰ জৰিয়তে আত্মমূল্যায়ন পৰীক্ষা আৰু (৪) ক্লিয়াৰিঙৰ বাবে অনলাইন আলোচনা মঞ্চ সন্দেহবোৰ। অডিঅ'-ভিডিঅ' আৰু মাল্টি-মিডিয়া আৰু অত্যাধুনিক শিক্ষাবিজ্ঞান/প্ৰযুক্তি ব্যৱহাৰ কৰি শিক্ষণ অভিজ্ঞতাক সমৃদ্ধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে ।

  নিৰ্দিষ্ট তাৰিখত নিৰ্দিষ্ট কেন্দ্ৰত ব্যক্তিগতভাৱে উপস্থিত থাকিব লাগে।

২.৮.১ Covid-19 আৰু LSS

সামাজিক নেটৱৰ্কিং প্লেটফৰ্ম অৰ্থাৎ ফেচবুক, হোৱাটছএপ আদিৰ ব্যৱহাৰৰ জৰিয়তে অনলাইন ক্লাছৰ লগতে অন্যান্য কাউন্সেলিং সেৱা আগবঢ়াব লগা হৈছিল।

এনে মহামাৰী পৰিস্থিতিত কেকেচচাউ, অসমকে ধৰি মুকলি বিশ্ববিদ্যালয়সমূহে ইয়াৰ শিক্ষার্থীসকলৰ কায চাপিবলৈ কেইবাটাও আইচিটি ভিত্তিক সেৱা ব্যৱহাৰ কৰিছিল। ইয়াৰ ভিতৰত আছে —

- **ই-মেণ্টৰিং ঃ** শিক্ষার্থীসকলৰ সৈতে অহৰহ যোগাযোগ ৰাখিবলৈ অনুশাসন আৰু ছেমিষ্টাৰ অনুসৰি মেণ্টৰিং গোট গঠন কৰা হৈছিল। হোৱাটছএপ আৰু টেলিগ্ৰাম দুয়োটা ব্যৱহাৰ কৰি শিক্ষার্থীসকলৰ ওচৰলৈ গৈছিল।

  এই গোটসমূহৰ জৰিয়তে সন্দেহ দূৰীকৰণ, পৰামৰ্শদাতা অধিবেশনৰ সময়সূচী, পৰীক্ষাৰ সময়সূচী আৰু অন্যান্য সকলো প্ৰাসংগিক গুৰুত্বপূৰ্ণ চৰকাৰী বিষয়ৰ সম্পৰ্কে যোগাযোগ কৰা হৈছিল। অনলাইন এম চি কিউ টেষ্ট, মুক্ত কিতাপ পৰীক্ষা আদিৰ সময়ত শিক্ষার্থীসকলেও এনে গোটৰ জৰিয়তে বাস্তৱ সময়ৰ সহায় লাভ কৰে। বিশ্ববিদ্যালয়ৰ অধ্যাপক সদস্যসকলে এই মেণ্টৰিং গোটসমূহত গুৰু হিচাপে কাম কৰে।
- **অনলাইন পৰামৰ্শ অধিবেশন ঃ** শিক্ষার্থীসকলৰ ওচৰলৈ যাবলৈ গুগল ক্লাছৰুম, ৰেবএক্স, জুমৰ জৰিয়তে অনলাইন পৰামৰ্শ অধিবেশন অনুষ্ঠিত কৰা হৈছিল। ইয়াত পৰামৰ্শদাতাই দিয়া লিংকৰ জৰিয়তে শিক্ষার্থীসকলে নিজৰ মোবাইল/লেপটপ/ব্যক্তিগত কম্পিউটাৰত লগ ইন কৰিব পাৰিব। পৰামৰ্শদাতা অধিবেশনৰ বিষয়ে পূৰ্বৰ তথ্য মেণ্টৰিং গোটসমূহত দিয়া হয়।
- **ছ'চিয়েল মিডিয়া লাইভ ঃ** ফেচবুক লাইভৰ দৰে ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষার্থীসকলৰ ওচৰলৈ যাবলৈ পৰামৰ্শৰ অধিবেশনও অনুষ্ঠিত কৰা হয়। পৰামৰ্শদাতা অধিবেশনৰ বিষয়ে পূৰ্বৰ তথ্য মেণ্টৰিং গোটসমূহত দিয়া হয়।
- **ৰাক-ইন-কাউন্সেলিং ঃ** ৰাক-ইন-কাউন্সেলিঙে শিক্ষার্থীসকলক বিশ্ববিদ্যালয়/অধ্যয়ন কেন্দ্রলৈ পোনপটীয়াকৈ ৰাক-ইন কৰিবলৈ আৰু শৈক্ষিক আৰু অশৈক্ষিক বিষয়ত তেওঁলোকৰ সন্দেহ স্পষ্ট কৰিবলৈ সুবিধা প্ৰদান কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ একবিংশ শতিকাৰ শিক্ষণ দক্ষতাৰ কথা উল্লেখ কৰা । (প্ৰায় ২০টা শব্দৰে উত্তৰ দিয়া।

.....

.....

প্ৰশ্ন নং ১২ ঃ মুক্ত শৈক্ষিক সম্পদ বুলিলে কি বুজোৱা হয়? (প্ৰায় ৫০টা শব্দৰে উত্তৰ দিয়া)

.....

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষার্থীৰ সহায়কাৰী সমলে দৰকাৰী ভূমিকা পালন কৰে।
- শিক্ষার্থীৰ সহায়কাৰী সমলে দুৰবৰ্ত্তী শিক্ষা পদ্ধতিত এজন শিক্ষার্থীক কেৱলমাত্ৰ পৰম্পৰাগত শিক্ষা পদ্ধতিত শিক্ষার্থী এজনে পোৱা শিক্ষনীয় সা-সুবিধাখিনিকে প্ৰদান নকৰে, লগতে ই দূৰৱৰ্ত্তী পদ্ধতিৰ শিক্ষার্থীক স্ব-শিকণৰ পৰিবেশ গঢ়াত সহায় কৰে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত শিক্ষার্থী সহায়কাৰী সমলক আটাইতকৈ বেছি প্ৰসংশা কৰা হয় যদিহে এই ব্যৱস্থাই দূৰৱৰ্ত্তী শিক্ষার্থীৰ শিকণীয় পৰিৱেশ গঢ়ি তুলিব পাৰে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত এটা অধ্যয়ন কেন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধ্যয়ন কেন্দ্ৰই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয়ৰ আৰু ইয়াৰ শিক্ষার্থী সকলৰ মাজত যোগাযোগ স্থাপন কৰে।
- শিক্ষকজন একেৰাহে উপস্থিত থাকিব নোৱাৰা বা শিক্ষার্থীৰ লগত প্ৰত্যক্ষ সংযোগৰ অভাৱ দূৰৱৰ্ত্তী শিক্ষাৰ এটা প্ৰধান বৈশিষ্ট্য। গতিকে একেৰাহে উপস্থিত থাকিব পৰা শিক্ষকৰ অভাৱে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত কেতিয়াবা শিক্ষণত সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে এনে সমস্যাৰ পৰা মুক্ত হ'বলৈ হ'লে পৰামৰ্শদানৰ নিচিনা শিক্ষণীয় কার্যসূচী মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত চামিল কৰিব লাগে।
- একবিংশ শতিকাৰ শিক্ষণ হত্যাক তিনিটা প্ৰধান মূৰত ভাগ কৰা হৈছে, যেনে- শিক্ষণ দক্ষতা, সাক্ষৰতা দক্ষতা আৰু জীৱন দক্ষতা।
- যোৱা দুটা দশকত অভিজ্ঞতা লাভ কৰা এল এছ এছত শেহতীয়াকৈ কৰা কিছুমান পদ্ধতিৰ ভিতৰত তলত উল্লেখ কৰা হৈছে - লার্নিং মেনেজমেণ্ট চিষ্টেম (এল এম এছ), মুক্ত শৈক্ষিক সম্পদ আৰু বৃহৎ মুক্ত অনলাইন পাঠ্যক্ৰম (এম অ' চি)।



২.১০ অধিক জানিবলৈ

1) V P Mathes Waran (2005): Distance Education: Student Support Services, Anmol Publication, New Delhi.



২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই কামত নিয়োজিত অৱস্থাতো শিক্ষার্থীসকলক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰে। আনকি আটাইতকৈ দৰকাৰী কথাটো হ'ল যে এই ব্যৱস্থাই শিক্ষার্থীসকলক নিজৰ কর্ম জীৱনৰ পদোন্নতিতো সহায় কৰে।

২ নং প্রশ্ন উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষণ পদ্ধতিত শিক্ষার্থীৰ সহায়কাৰী সমলসমূহে উন্নত ধৰণৰ যোগাযোগ ব্যৱস্থা গ্রহণ কৰে, যেনে - ইণ্টাৰনেট, ম'বাইল ইত্যাদি। এইসমূহৰ জৰিয়তে শিক্ষার্থী এজনে নিজেই অধ্যয়ন কৰাৰ উপৰিও প্রতীকি দল গঠন কৰিব পাৰে। এইদৰে শিক্ষার্থীৰ সহায়কাৰী সমলসমূহে স্ব-শিক্ষণত সহায় কৰে।

৩ নং প্রশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪ নং প্রশ্ন উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যক্রমৰ অংশ হিচাপে এজন শিক্ষার্থীয়ে কিছুমান প্রদত্ত কর্ম জমা দিয়াটো জৰুৰী। শিক্ষার্থীয়ে তেনে প্রদত্ত কর্ম অধ্যয়ন কেন্দ্রত দাখিল কৰে। ইয়াকে অবিৰত মূল্যাংকণ বুলি কোৱা হয়।

প্রদত্ত কর্মসমূহ মূল্যাংকণ কৰাৰ পিছত, সেইবোৰ মন্তব্যৰ সৈতে শিক্ষার্থীলৈ ঘূৰাই দিয়া হয়। এইবোৰে নির্দ্ধাৰিত সময়ৰ শেষত হোৱা পৰীক্ষাত শিক্ষার্থীসকলক ভাল ফল দেখুৱাত সহায় কৰে।

৫ নং প্রশ্ন উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ

৬ নং প্রশ্ন উত্তৰ ঃ পৰামর্শমূলক শ্রেণীৰ কার্যসূচীসমূহ সুদক্ষ তথা প্রশিক্ষণপ্রাপ্ত ব্যক্তিৰ দ্বাৰা কৰা কিছুমান শ্রেণী, য'ত শিক্ষার্থীসকলে পাঠ্যক্রম সম্বন্ধীয় প্রশ্ন বা সন্দেহ খোলোচা কৰা হয় আৰু লগতে শিক্ষার্থীসকলক সকলো ধৰণৰ পৰামর্শ প্রদান কৰা হয়।

৭ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৮ নং প্রশ্ন উত্তৰ ঃ

'ক' অংশ	'খ' অংশ
(a) জ্ঞান তৰংগ	(i) KKHSOU ৰ FM কেন্দ্র
(b) ৰেডিঅ' লুইট	(ii) IDOL,GU ৰ FM কেন্দ্র
(c) ই জ্ঞান কোষ	(iii) IGNOU ৰ ই-শিক্ষণৰ পৰটেল
(d) ই বিদ্যা	(iv) KKHSOU ৰ ই শিক্ষণৰ পৰটেল
(e) ই বধিদ্রুম	(v) IDOL,GU ই শিক্ষণৰ পৰটেল

৯নং প্রশ্ন উত্তৰ ঃ 'পুথিভৰা মোনা' সেৱা হ'ল শিক্ষার্থীৰ সহায়কাৰী সমল সেৱাৰ ভিতৰত এটা। এই ধৰণৰ সেৱাত, নির্বাচিত এটা কিতাপৰ টোপোলা শিক্ষার্থীলৈ প্রেৰণ কৰা হয়। নির্দিষ্ট পাঠ্যক্রমৰ শেষত এই একেখিনি কিতাপ শিক্ষার্থীয়ে ঘূৰাই দিয়াটো প্রয়োজন। শিক্ষার্থীসকলৰ পৰা এই কিতাপবোৰ ঘূৰাই পোৱাৰ বাবে এক মাচুল ঘূৰাই দিয়া হয়।

১০নং প্রশ্ন উত্তৰ ঃ এটা সংস্থাপন পাবলৈ হ'লে, শিক্ষার্থীসকলে বৃত্তিমুখী কৌশল আয়ত্ব কৰিব লাগিব, যেনে- কর্ম পঞ্জী লিখন, সাক্ষাৎকাৰ সম্মুখীন হোৱা কৌশল, উপস্থাপন কৌশল আদি। আকৌ শিক্ষার্থীসকলে সংস্থাপন পাবলৈ মুক্ত আৰু দুৰবৰ্ত্তী শিক্ষানুষ্ঠানসমুহে ছাউনী সাক্ষাৎকাৰ আয়োজন কৰি শিক্ষার্থীসকলক এটা নতুন জীৱনৰ পাতনি মেলাত সহায় কৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ একবিংশ শতিকাৰ শিক্ষণ হত্যাক তিনিটা প্রধান মূৰত ভাগ কৰা হৈছে, যেনে, শিক্ষণ দক্ষতা, সাক্ষৰতা দক্ষতা আৰু জীৱন দক্ষতা।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত শৈক্ষিক সম্পদ (OER) হৈছে যিকোনো মাধ্যমৰ পাঠদান, শিক্ষণ আৰু গৱেষণা সামগ্ৰী - ডিজিটেল বা অন্যথা - যিবোৰ ৰাজহুৱা ডমেইনত থাকে বা মুক্ত অনুজ্ঞাপত্ৰৰ অধীনত মুকলি কৰা হৈছে যিয়ে বিনামূলীয়াকৈ প্ৰৱেশ, ব্যৱহাৰৰ অনুমতি দিয়ে , কোনো বা সীমিত বাধা নোহোৱাকৈ আনৰ দ্বাৰা অভিযোজন আৰু পুনৰ বিতৰণ



২.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পৰামৰ্শদান কি?

প্ৰশ্ন ২ ঃ শিক্ষার্থী সহায়কাৰী সমল বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ৩ ঃ "পুথিভৰাল মোনা সেৱা"ৰ অৰ্থ কি?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষার্থীৰ সহায়কাৰী সমলৰ অৰ্থ আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষণ পদ্ধতিত শিক্ষার্থী সহায়কাৰী সমল সেৱাৰ ভূমিকাৰ বিষয়ে মূল্যায়ন কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ এজন শিক্ষার্থীৰ শিক্ষনীয় পৰিবেশৰ বিষয়ে আলোচনা কৰক। শিক্ষার্থীৰ সহায়কাৰী সমল সেৱাৰ বিভিন্ন উপাদানবোৰে এজন শিক্ষার্থীয়ে সন্মুখীন হোৱা বিভিন্ন বাধাবোৰ কেনেকৈ অতিক্ৰম কৰাত সহায় কৰে?

প্ৰশ্ন ২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত অধ্যয়ন কেন্দ্ৰই পালন কৰা ভূমিকাৰ বিষয়ে মূল্যায়ন কৰক।

প্ৰশ্ন ৩ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ শিক্ষার্থীৰ শিক্ষণ পৰিবেশৰ বিষয়ে বিশ্লেষণ কৰক। কেন্দ্ৰসমূহে শিক্ষার্থীজনৰ কৰ্মসংস্থাপনত কিদৰে সহায় সহযোগ আগবঢ়ায় বুজাই লিখক।

প্ৰশ্ন ৪ ঃ এল এছ এছৰ শেহতীয়া উন্নয়নৰ বিষয়ে চমুকৈ আলোচনা কৰা।

*** ***** ***

অধ্যায় ৩ ঃ স্ব-শিকন সামগ্রী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ স্ব-শিকন সামগ্রীৰ ধাৰণা আৰু প্রকৃতি

৩.৩.১ স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিৰ প্রভেদ

৩.৩.২ স্ব-শিকন সামগ্রীৰ বৈশিষ্ট্য

৩.৪ স্ব-শিকন সামগ্রীৰ পৰিকল্পনা আৰু গাঁথনি

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্ব-শিকন সামগ্রীৰ ধাৰণা, প্রয়োজনীয়তা আৰু গুৰুত্বৰ সংজ্ঞা আগবঢ়াব পাৰিব
- স্ব-শিকন সামগ্রীৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰিব পাৰিব
- স্ব-শিকন সামগ্রীৰ পৰিকল্পনা আৰু গাঁথনিভিত্তিক বিন্যাস আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি বিশেষকৈ ভাৰতৰ দৰে দেশ এখনৰ পটভূমিত মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ প্রয়োজনীয়তা তথা তাৎপর্য আলোচনা কৰিছোঁ। সেই অধ্যায়টোতেই দূ�ৰৱৰ্ত্তীণিবটীয়া তথা দূর্গম অঞ্চলৰ শিক্ষার্থীক শিক্ষা লাভত সহায় কৰিব পৰা বিভিন্ন শিক্ষার্থী সমর্থন সেৱাৰ বিষয়েও আলোচনা কৰা হৈছে। এই অধ্যায়ত আমি দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ সমগ্র শিক্ষণ-শিকন প্রক্রিয়াটো আগবঢ়াই নিয়া এটা সবাতোকৈ গুৰুত্বপূর্ণ দিশ/উপাদানৰ বিষয়ে আলোচনা কৰিম। স্ব-শিকন সামগ্রী (Self Learning Material) হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ সৈতে জড়িত শিক্ষার্থী সহায়কাৰী সেৱাৰ এটা গুৰুত্বপূর্ণ উপাদান।

স্ব-শিকন সামগ্রীবোৰ মূলতঃ শিক্ষার্থীকেন্দ্রিক সামগ্রী। ইয়াৰ প্রকৃতি অতি নমনীয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষাগ্রহণ কৰি থকাসকল সাধাৰণতে এনে স্ব-শিকন সামগ্রীৰ ওপৰত নির্ভৰশীল। কাৰণ, এই শিক্ষার্থীসকলে নিজৰ সময়মতে, নিজস্ব গতিৰে আৰু নিজে পছন্দ কৰা স্থানত নিজাববীয়াকৈ অধ্যয়ন কৰিব লাগে। স্ব-শিকন সামগ্রীবোৰৰ সহায়ত

মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটোৱে শিক্ষকে যথাসম্ভৱ সকলোৰে বাবে সুলভ কৰি তুলিছে। ইয়াৰ উপৰি এই উপাদানবিধৰ বাবেই মূল সুঁতিৰ শিক্ষানুষ্ঠানত পৰম্পৰাগত পদ্ধতিৰে শিক্ষাগ্ৰহণৰ সুযোগ নোপোৱাসকলৰ পদূলিমুখলৈকে শিক্ষাক ফলপ্ৰসুভাৱে আগবঢ়াই নিব পৰা গৈছে। এই পদ্ধতিটোৱে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত লাখ লাখ শিক্ষার্থীক শিক্ষালাভৰ সুযোগ দিছে। এইসকল শিক্ষার্থীৰ ভিতৰত বিভিন্ন জীৱিকাত স্ব-নিয়োজিত হৈ থকাসকলৰ লগতে এক প্ৰবুদ্ধ তথা সৃষ্টিশীল জীৱনপথেৰে আগবাঢ়ি যাব খোজা গৃহিনীও আছে।

৩.৩ স্ব-শিকন সামগ্রীৰ ধাৰণা আৰু প্রকৃতি

স্ব-শিকন সামগ্রী (SLM) বুলিলে সেইবোৰ পঠন সামগ্রীৰ কথা বুজোৱা হয় যিবোৰত সন্নিৱিষ্ট বিষয়সূচীবোৰৰ আৰ্হি বিশেষ ধৰণে প্রস্তুত কৰা হয় আৰু শিক্ষার্থীয়ে শিক্ষকৰ বেছি সহায় নোলোৱাকৈয়ে এই বিষয়বোৰ সহজে বুজি পায় তথা আয়ত্ত্ব কৰিব পাৰে। যেতিয়া এগৰাকী শিক্ষার্থীয়ে এই সামগ্রীবোৰ পঢ়ে তেতিয়া তেওঁৰ মনলৈ এনে এটা ভাৱ আহে যে কোনোবাই তেওঁক ব্যক্তিগত শৈক্ষিক উদ্দেশ্য পূৰণ কৰাত সহায় কৰিবলৈ তেওঁৰ সৈতে কথা পাতিছে অথবা দিক্‌নির্দেশনা প্রদান কৰিছে। অধ্যয়ন সামগ্রীবোৰত এগৰাকী শিক্ষকৰ কার্যকলাপ আৰু কার্যসম্পাদন পদ্ধতি অন্তর্নিহিত হৈ থকা যেন লাগে। এনে লাগে যেন এগৰাকী শিক্ষকে শ্রেণীকোঠাত পাঠদান কৰি আছে আৰু শিক্ষার্থীজনে/জনীয়ে শ্রেণীত বহি সেই পাঠদান শুনি আছে। স্ব-শিকন সামগ্রীবোৰত তেনে সকলোবোৰ পঠনযোগ্য সামগ্রী অন্তর্ভুক্ত কৰা হয় যিবোৰে স্বতন্ত্র অধ্যয়ন নাইবা শিকনক উৎসাহিত কৰিব পৰাকৈ প্রস্তুত কৰা হয়। এই পদ্ধতিত শিক্ষাগ্রহণ কৰা শিক্ষার্থীসকলে পৰম্পৰাগত পদ্ধতিৰে শিক্ষালাভ কৰা শিক্ষার্থীৰ দৰে শিক্ষকক নাইবা ব্যক্তিগতভাৱে শিক্ষাদান কৰোঁতাক নিয়মীয়াকৈ লগ নাপায়। সেয়েহে তেওঁলোকে এই বিশেষভাৱে যুগুত কৰা শিক্ষণ সামগ্রীবোৰৰ ওপৰত সম্পূর্ণ নির্ভৰশীল। এনে সামগ্রীবোৰৰ বেছিভাগেই পূর্ব-পৰিকল্পিত, পূর্ব-প্রস্তুত আৰু পূর্বৰে পৰা যোগানৰ বাবে সাজু কৰি ৰখা হয়। শৈক্ষিক কার্যসূচীবোৰ সুচাৰুৰূপে আগবঢ়াই নিব পৰাকৈ স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি যুগুত কৰা হয়। প্রতিটো কার্যসূচীৰ বাবে স্ব-শিকন সামগ্রীবোৰত বেলেগ বেলেগ বিষয়সূচী অন্তর্ভুক্ত কৰা হয়। স্ব-শিকন সামগ্রীবোৰত শিক্ষার্থীয়ে বিষয় এটা কিমান ভালদৰে বুজি পালে সেয়া জনাব পৰাকৈ উপযুক্ত ব্যৱস্থা সংলগ্ন কৰা থাকে। এনে সামগ্রীবোৰৰ সময়ে সময়ে পুনৰ সংশোধন ঘটোৱা উচিত। ইয়াৰ দ্বাৰা সামগ্রীবোৰৰ গুণগত মান উন্নত হ'ব আৰু পৰিস্থিতিৰ প্রয়োজনীয়তাবোৰ পূৰণ কৰিব পৰা যাব। স্ব-শিকন সামগ্রীবোৰে বর্তমানৰ প্রেক্ষাপটত শিক্ষার্থীক উপযুক্ত তথ্য আগবঢ়াই সিহঁতৰ জ্ঞান বঢ়াব লাগিব।

স্ব-শিকন সামগ্রী ছপা আৰু ছপাৰ বাহিৰে অন্য বহুতো ৰূপত পোৱা যায়। এই সামগ্রীবোৰক তলৰ শিতানকেইটাত ভগাব পাৰি ঃ

- কিতাপ (Books)
- কার্যপুথি (Workbooks)

- কার্যকাকত (Worksheets)
- দৃশ-শ্রাব্য সামগ্রী (Audio-Visual Materials)
- অনলাইনযোগে উপলব্ধ সামগ্রী (Online Materials)
- একাধিক বিষয়ত কম্পিউটাৰ ভিত্তিক প্রশিক্ষণৰ সুবিধা (Computer Based Training/ CBT Packages)
- মাল্টিমিডিয়া (Multimedia) ইত্যাদি।

দূৰৱৰ্ত্তী শিক্ষা পৰিষদ (বৰ্তমান দূৰৱৰ্ত্তী শিক্ষা ব্যুৰ'ৰূপে জনাজাত)এ আগবঢ়োৱা পৰামর্শ অনুসৰি স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি প্রস্তুত কৰোঁতে তলৰ কথাবোৰ মনত ৰাখিব লাগে।

- স্ব-শিকন সামগ্রীবোৰৰ কিছুমান স্পষ্টভাৱে উল্লেখ কৰা উদ্দেশ্য থাকিব লাগে।
- স্ব-শিকন সামগ্রীবোৰ ব্যৱহাৰকাৰীৰ অনুকূল হ'ব লাগে।
- স্ব-শিকন সামগ্রী লিখাৰ সময়ত সৰল ভাষা ব্যৱহাৰ কৰিব লাগে।
- শিক্ষার্থীয়ে চুটি, নিজে নিয়ন্ত্রণ কৰিব পৰাবিধৰ শিকন খণ্ড অধ্যয়ন কৰিবলৈ পোৱা উচিত।
- এনে সামগ্রীত শিক্ষার্থীৰ সহায়ক হ'ব পৰাকৈ প্রচুৰ পৰিমাণৰ উদাহৰণ সন্নিৰিষ্ট কৰিব লাগে।
- এনে সামগ্রীত শিক্ষার্থীৰ পূর্বৰ অভিজ্ঞতাৰ উল্লেখ টানি আনিব লাগে।
- যিবোৰ স্থানত শব্দতকৈ চিত্রই অধিক ভালদৰে বুজাত সহায় কৰে তাত চিত্র সংলগ্ন কৰিব লাগে।
- শিক্ষার্থীয়ে বিচৰা অংশটো সহজতে পোৱাকৈ শিতানবোৰত শিৰোনাম ব্যৱহাৰ কৰিব লাগে।
- উপযুক্ত স্থানত অন্য মাধ্যমৰ সৈতে সংযোগ স্থাপন কৰি দিব লাগে।
- বিভিন্ন শিক্ষার্থীৰ ভিন ভিন প্রয়োজনীয়তা সম্পর্কে স্ব-শিকন সামগ্রী লিখোতা সজাগ হ'ব লাগে।
- শিক্ষার্থীক স্ব-শিকন সামগ্রীবোৰ ব্যৱহাৰত সহায় কৰিবলৈ সামগ্রীবোৰত নানা ধৰণৰ অনুশীলনী আৰু কার্যকলাপ সন্নিৰিষ্ট কৰিব লাগে।
- শিক্ষার্থীয়ে নিজৰ ধাৰণা লিখি ৰাখিব পৰাকৈ সামগ্রীবোৰত পর্যাপ্ত স্থান থকা উচিত।
- শিক্ষার্থীক নিজ অগ্রগতি পৰীক্ষা কৰি চাব পৰাকৈ সামগ্রীবোৰত সহাঁৰি নাইবা উত্তৰ থকা উচিত।
- সামগ্রীবোৰত প্রয়োজন সাপেক্ষে অন্য লোকৰ সহায় ল'বলৈ শিক্ষার্থীৰ প্রতি পৰামর্শ থকা উচিত।
- স্ব-শিকন সামগ্রীবোৰত ব্যৱহৃত শব্দৰ সংজ্ঞা (Glossary) আৰু আলোচিত বিষয়ৰ সাৰাংশও থকা উচিত।

২০১৭ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে যুগুত কৰা দূৰৱৰ্ত্তী শিক্ষাৰ শেহতীয়া নীতিত স্ব-শিকন সামগ্রীবোৰ ছপা ৰূপত, দৃশ্য-শ্রব্য সামগ্রীৰ ৰূপত, অনলাইনত উপলব্ধ সামগ্রীৰ ৰূপত আৰু কম্পিউটাৰভিত্তিক সামগ্রীৰ ৰূপত প্রস্তুত কৰাৰ পৰামর্শ দিয়া হৈছে (আপুনি বিশ্ববিদ্যালয় অনুদান আয়োগৰ নির্দেশাৱলী বিতংকৈ পঢ়ি চাবলৈ www.ugc.ac.in ৱেবচাইটটো খুলি চাব পাৰে)।

ছপা স্ব-শিকন সামগ্রীসমূহ স্ব-ব্যাখ্যাকাৰী, স্বয়ং সম্পূর্ণ, স্ব-নির্দেশাত্মক, স্ব-উদ্বুদ্ধকাৰী আৰু স্ব-মূল্যাংকন পদ্ধতি সংলগ্ন কৰি প্রস্তুত কৰা উচিত। ছপা সামগ্রীবোৰৰ গুণমান অক্ষুণ্ণ ৰাখিবলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ দূৰৱৰ্ত্তী শিক্ষা বিষয়ক নতুন নীতিত তলত দিয়া পৰামর্শবোৰ আগবঢ়োৱা হৈছে ঃ

- স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থী আৰু বিষয়বস্তুৰ মাজত দ্বিমুখী সংযোগ স্থাপনৰ উপায় ৰূপে বিকশাই তুলিব লাগিব।
- স্ব-শিকন সামগ্রীবোৰে বিভিন্ন অভিজ্ঞতাকেন্দ্রিক কার্যকলাপ তথা প্রদত্ত কার্যৰ জৰিয়তে শিক্ষার্থীসকলক অধ্যয়নৰ সৈতে সক্রিয়ভাৱে জড়িত কৰি ৰাখিব লাগিব।
- শিক্ষার্থীয়ে স্ব-শিকন সামগ্রীবোৰৰ পৰা অধ্যয়নৰ বাবে বাচি লোৱা শৈক্ষিক কার্যসূচী আৰু পাঠ্যবিষয়ৰ গাঁথনিটো সম্পর্কে স্পষ্ট তথ্য পাব লাগিব।
- শিক্ষার্থীয়ে নিজেই যাতে অধ্যয়ন সম্পূর্ণ কৰিব পাৰে তাৰ বাবে স্ব-নির্দেশনাৰে আগবাঢ়ি যাব পৰাকৈ স্ব-শিকন সামগ্রীবোৰত বিস্তৃত শিকন নক্সা থাকিব লাগিব।
- স্ব-শিকন সামগ্রীবোৰত আন্তঃকার্য সম্পাদনৰ অনুভৱ সৃষ্টি কৰাৰ উদ্দেশ্য আগত ৰাখি সামগ্রীবোৰত সন্নিৱিষ্ট অধ্যয়নৰ বিষয়বোৰ 'কথোপকথন আৰু লিখন পদ্ধতিৰ ব্যক্তিগত ব্যৱস্থা'ৰে সৈতে বিকশাই তুলিব লাগিব।
- স্ব-শিকন সামগ্রীবোৰে শিক্ষার্থীক নতুন জ্ঞান আৰু দক্ষতা প্রয়োগ কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- স্ব-শিকন সামগ্রীবোৰত শৈক্ষিক উদ্দেশ্য আৰু ফলাফলৰ স্পষ্ট সংজ্ঞা থাকিব লাগিব।
- ফলপ্রসূ শিকনৰ বাবে অধ্যয়নৰ বিষয়সূচীবোৰক সৰু সৰু শাখা (খণ্ড/Block) আৰু উপশাখা (অধ্যায় আৰু উপ-অধ্যায়)ত ভাগ কৰি ল'ব লাগিব।
- স্ব-মূল্যায়নৰ বাবে প্রতিটো শৈক্ষিক উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি একোটা প্রদত্ত কার্য থাকিব লাগিব।
- পাঠ্যবিষয়ৰ প্রকৃতি অনুসৰি প্রযোজ্য হোৱাকৈ সন্নিৱিষ্ট সমস্যা সমাধান কার্যকলাপৰ জৰিয়তে শিক্ষার্থীয়ে অধ্যয়নৰ নির্দেশনা লাভ কৰিব লাগিব।
- স্ব-শিকন সামগ্রীবোৰ তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰৰ সৈতে সংজ্ঞাবদ্ধ আর্হিত বিকশাই তুলিব লাগিব ঃ
  - ধাৰাবাহিকতা অক্ষুণ্ণ থকা লে'আউট আৰু ফৰমেট (আর্হি)
  - বিষয়সূচীৰ অৱলোকন সন্নিৱিষ্টকৰণ

- প্রতিটো অধ্যায়ৰ আৰম্ভণিতে অধ্যায় গাঁথনিৰ উল্লেখ
- প্রচুৰ উদাহৰণ
- পূর্বতে শিকা কথাৰ পুনৰ উল্লেখ
- ৰাষ্ট্রীয় নাইবা আন্তঃৰাষ্ট্রীয় ঘটনা আৰু ঘটনা অধ্যয়ন সন্নিৱিষ্টকৰণ
- শিকন উদ্দেশ্য আৰু ফলাফলৰ সৈতে সামঞ্জস্য থকাকৈ বিষয়সূচীক বিভিন্ন ক্ষুদ্র খণ্ডত বিভক্তকৰণ
- স্ব-শিকন সামগ্রীৰ বিষয়সূচীৰ উল্লেখ থকা অংশত ব্যৱহৃত আর্হি/প্রতীকবোৰৰ ব্যাখ্যা
- লিখিত পাঠবোৰ উপযুক্ত ক্রমত সজ্জিত কৰা
- শব্দটোকা/শব্দ অর্থ শিতানত কাৰিকৰী, নতুন আৰু জটিল অভিধাবোৰৰ ব্যাখ্যা
- পঢ়িবলগীয়া সামগ্রীৰ পর্যাপ্ত পৰামর্শ সন্নিৱিষ্টকৰণ (ছপা সামগ্রী আৰু অনলাইন সামগ্রী দুয়োটা)

গুণগত মান উন্নত কৰি ৰাখিবলৈ দৃশ্য-শ্রাব্য শিকন সামগ্রী প্রস্তুত কৰাৰ সময়ত বিশ্ববিদ্যালয় অনুদায় আয়োগৰ পৰামর্শ অনুসৰি যুগুতোৱা দূ�ৰৱর্ত্তী শিক্ষাৰ নতুন নীতি মানি চলিবলগীয়া হয়। নীতিবোৰৰ মতে—

- এনে স্ব-শিকন সামগ্রী প্রস্তুত কৰাৰ সময়ত শিক্ষার্থীৰ পূর্বৰ জ্ঞান, দক্ষতা আৰু মনোভাৰ উপযুক্তভাৱে বিবেচনা কৰি চাব লাগিব।
- সামগ্রীবোৰত ব্যৱহৃত ভাষাৰ স্তৰ আৰু ভাষা প্রয়োগ শৈলী শিক্ষার্থীৰ উপযুক্ত হ'ব লাগিব।
- শিক্ষার্থীৰ বাবে সহায়ক সামগ্রীৰ প্রকাৰ আৰু অধ্যয়নৰ সৈতে জড়িত কার্যকলাপ সম্পর্কে স্পষ্ট তথ্য থাকিব লাগিব।
- এনে সামগ্রী স্পষ্ট আৰু অদ্ব্যর্থ হ'ব লাগিব। লগতে এনে সামগ্রী সকলো ধৰণৰ শৈক্ষিক জার্গন (বাগড়ম্বৰপূর্ণ অভিধা)ৰ পৰা মুক্ত হোৱা উচিত।
- দৃশ্য-শ্রাব্য সামগ্রীৰ লক্ষ্য, উদ্দেশ্য তথা লক্ষ্য প্রেক্ষক শ্রেণীটোৰ (target audience) স্পষ্ট সংজ্ঞা থকা উচিত।
- শিকন ফলাফলৰ সৈতে ৰজিতা খোৱাকৈ শিকনৰ মূল্যায়ন কৰিব পৰাকৈ এনে সামগ্রী সমর্থ হ'ব লাগিব।
- শ্রাব্য নাইবা দৃশ্য সামগ্রীৰ লগতে পাঠ্যবিষয় এটাৰ সৈতে জড়িত অন্য অধ্যয়ন বিষয়ৰ প্রয়োগ সম্পর্কে স্পষ্ট দিক্‌নির্দেশনা থাকিব লাগিব।
- শিক্ষার্থীয়ে সহজে সংগ্রহ কৰিব পৰা ৰূপ আৰু আর্হিত দৃশ্য শ্রাব্য শিকন সামগ্রীসমূহ বিকশাই তুলিব লাগিব।
- অধ্যয়নৰ সময়ত দৃশ্যশ্রাব্য শিকন সামগ্রীসমূহ কেনেদৰে ব্যৱহাৰ কৰিব লাগে তাৰ দিক্‌নির্দেশনা সম্বলিত পৃথক হাতপুথি থকা উচিত।

- দৃশ্য-শ্রাব্য সামগ্রীবোৰৰ ধ্বনি আৰু প্ৰতিচ্ছবিবোৰৰ মাজত কালসংগতি থাকিব লাগিব।
- পাঠ্যবিষয়ৰ অন্তৰ্গত পাঠবোৰৰ ক্ষেত্ৰত প্ৰাসংগিক গ্ৰাফিকচ্ আৰু এনিমেশ্বন থাকিব লাগিব।

'অনলাইন' ৰূপত উপলব্ধ শিকন সামগ্রীবোৰ বিকশাই তোলাৰ ক্ষেত্ৰত দূ�ৰৱৰ্ত্তী শিক্ষা বিষয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ শেহতীয়া নীতি-নির্দেশনাত তলৰ পৰামর্শাৱলী সন্নিৱিষ্ট কৰা হৈছে।

- অধ্যয়নৰ বাবে বাচনি কৰা বিষয়সূচীয়ে শিক্ষার্থীক উচ্চ স্তৰৰ চিন্তাৰ খোৰাক যোগাব, গভীৰভাৱে চালি-জাৰি চাই যুক্তিসংগত কার্যকলাপ কৰিবলৈ শিকাব আৰু জটিল ধৰণে কথাবোৰ চিন্তা কৰাৰ অৱকাশ দিব লাগিব।
- অনলাইন পাঠ্যক্ৰমবোৰত উপযুক্ত পঠনসাধ্যতা স্তৰ, লিখিত ভাষাৰ প্ৰদত্ত কর্ম আৰু গাণিতিক প্ৰয়োজনীয়তা থাকিব লাগিব।
- বিষয়সূচীত শিকন প্ৰক্ৰিয়া সম্পর্কে সময়ে সময়ে সহাঁৰি জনাব পৰা সুবিধা থাকিব লাগিব।
- পাঠ্যবিষয়বোৰ সহজে বিচাৰি চাব পৰা হ'ব লাগিব।
- পাঠ্যবিষয় সম্পূর্ণ কৰিবলৈ প্ৰয়োজনসাপেক্ষে অতিৰিক্ত পাঠ্যপুথি, ক'ৰ্চৰেৰ আৰু অনলাইন সমলৰ উল্লেখ থকাটো প্ৰয়োজনীয়।
- বিষয়সূচীবোৰ বিভিন্ন যতনৰ দ্বাৰা বিচাৰি পোৱাবিধৰ হ'ব লাগিব।
- অনলাইন সামগ্রীবোৰে বিশেষ ধৰণে সক্ষম শিক্ষার্থীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব লাগিব।

কম্পিউটাৰ ভিত্তিক স্ব-শিকন সামগ্রীবোৰৰ গুণগত মান বর্তাই ৰাখিবলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২০১৭ চনৰ নির্দেশনাত তলৰ পৰামর্শৱলী সন্নিৱিষ্ট কৰা হৈছে।

- কম্পিউটাৰ ভিত্তিক শিকন সামগ্রীবোৰে শিক্ষার্থীক নিজৰ গতিত আৰু নিজস্ব সময়মতে পাঠ অনুশীলন কৰিব পৰা পৰিৱেশ সৃষ্টি কৰি দিব লাগে।
- কম্পিউটাৰ ভিত্তিক শিকন সামগ্রীবোৰে শিক্ষার্থীক স্ব-মূল্যায়ন কৰিব পৰা পৰিৱেশ এটা সৃষ্টি কৰি দিব লাগে; শিকন সামগ্রীবোৰত লুকাই থকা নীতি আৰু ধাৰণাবোৰ আৱিষ্কাৰ কৰিব পৰাকৈ শিক্ষার্থীৰ বিশ্লেষণাত্মক আৰু সিদ্ধান্ত গ্ৰহণ দক্ষতা বিকশাই তুলিব লাগে।
- শিক্ষার্থীক সক্ৰিয় শিকন প্ৰক্ৰিয়াৰে ব্যস্ত ৰাখিব পৰাকৈ এনে সামগ্রীত একাধিক শিকন পথ (learning path) থকা উচিত।
- অধ্যয়নৰ বাবে বাচনি কৰা বিষয়সূচীয়ে শিক্ষার্থীক উচ্চ স্তৰৰ চিন্তাৰ খোৰাক যোগাব, গভীৰভাৱে চালি-জাৰি চাই যুক্তিসংগত কার্যকলাপ কৰিবলৈ শিকাব আৰু জটিল ধৰণে কথাবোৰ চিন্তা কৰাৰ অৱকাশ দিব লাগিব।
- এনে পাঠ্যক্ৰমবোৰত উপযুক্ত পঠনসাধ্যতা স্তৰ, লিখিত ভাষাৰ প্ৰদত্ত কর্ম আৰু গাণিতিক

প্রয়োজনীয়তা থাকিব লাগিব। পাঠ্যক্রমবোৰে বিশেষভাৱে সক্ষম শিক্ষার্থীৰ প্রয়োজনীয়তা পূৰণ কৰিব পাৰিব লাগিব।

ওপৰৰ আলোচনাৰ পৰা এয়া স্পষ্টকৈ গম পোৱা গ'ল যে স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি এনেদৰে প্রস্তুত কৰিব লাগে যাতে শিক্ষার্থীয়ে বাহিৰা সহায় আৰু সমর্থন অবিহনেই এইবোৰ সহজে বুজি পায়। লগতে লেখকসকলে স্ব-শিকন সামগ্রীবোৰৰ প্রতিটো অধ্যায়ৰ সৈতে উল্লেখ কৰা প্রসংগ পুথি নাইবা অধিক পঠন সামগ্রীৰ লিংক আদিয়ে দিক্‌নির্দেশনাৰ কাম কৰে। এইবোৰৰ সহায়ত শিক্ষার্থীয়ে বিষয়সূচীবোৰ বহলাই শিকিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ স্ব-শিকন সামগ্রী (SLM) বুলিলে কি বুজে?

.....

.....

প্রশ্ন ২ ঃ স্ব-শিকন সামগ্রীৰ প্রকাৰবোৰ কি কি?

.....

.....

প্রশ্ন ৩ ঃ স্ব-শিকন সামগ্রীবোৰৰ কেইটামান উমৈহতীয়া বৈশিষ্ট্য চিনাক্ত কৰক।

.....

.....

৩.৩.১ স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিৰ প্রভেদ

স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিবোৰ হ'ল এক নির্দিষ্ট সময়ৰ বাবে কোনো এটা পাঠ্যক্রম চলাই নিয়াত সহায় কৰা প্রধান সমল। শিক্ষার্থীৰ মানসিক স্তৰ, পৰিস্থিতিৰ প্রয়োজনীয়তা আৰু চাহিদাৰ কথা বিবেচনা কৰি শিক্ষণৰ বাবে বিষয়সূচী তথা পাঠ্যক্রম প্রস্তুত কৰা হয়। পৰম্পৰাগত শিক্ষা ব্যৱস্থাত পাঠ্যক্রমৰ প্রয়োজনীয়তা অনুসৰি সাধাৰণতে পাঠ্যপুথিবোৰ যুগুত কৰা হয়। আনহাতে, স্ব-শিকন সামগ্রীবোৰ হ'ল বিশেষ ধৰণৰ পঠন সামগ্রী। মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ অধীনত পঢ়ি থকা শিক্ষার্থীৰ বাবে এনে সামগ্রীবোৰ এক বিশেষ আৰ্হিত প্রস্তুত কৰা হয়। স্ব-শিকন সামগ্রীৰ বিষয়সূচী আৰু পাঠ্যক্রমক বিভিন্ন অধ্যায় (unit)ত ভগোৱা হয়। প্রতিটো অধ্যায় শিক্ষার্থীৰ অনুকূলকৈ প্রস্তুত কৰা হয়। কাৰণ, মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ প্রতিটো পাঠ্যবিষয় নাইবা শৈক্ষিক কার্যসূচীৰ বাবে শিক্ষার্থী এই সামগ্রীবোৰৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰশীল।

স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিৰ মাজত কেইটামান প্রভেদ আছে। যেনে—

- পাঠ্যপুথিবোৰে শিক্ষার্থীৰ আগ্রহ বৃদ্ধি কৰিব বুলি 'ধৰি লোৱা' হয়। স্ব-শিকন

সামগ্রীবোৰে লক্ষ্য হিচাপে বান্ধি লোৱা শিক্ষার্থীচামৰ আগ্রহ বৃদ্ধি কৰিবই লাগিব।

- পাঠ্যপুথিবোৰ 'শিক্ষকৰ ব্যৱহাৰৰ উদ্দেশ্য পূৰণৰ অর্থে' লিখা হয়। আনহাতে, স্ব-শিকন সামগ্রীবোৰ প্রধানতঃ শিক্ষার্থীয়ে নিজে ব্যৱহাৰ কৰিব পৰাকৈ প্রস্তুত কৰা হয়।
- পাঠ্যপুথিত অধ্যয়নৰ বাবে সময় ধৰি দিয়া নাথাকে। কিন্তু স্ব-শিকন সামগ্রীত আনুমানিক অধ্যয়ন কাল উল্লেখ কৰা থাকে।
- পাঠ্যপুথিত সাধাৰণতে শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্যৰ উল্লেখ নাথাকে। স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায়তে শৈক্ষিক লক্ষ্য তথা উদ্দেশ্যৰ স্পষ্ট উল্লেখ থাকে।
- এখন বহল বজাৰ দখল কৰাৰ স্বার্থত পাঠ্যপুথিবোৰ লিখা হয়। স্ব-শিকন সামগ্রীবোৰ এক নির্দিষ্ট শিক্ষার্থী গোটৰ বাবে লিখা অথবা এনে সামগ্রীৰ আৰ্হি তৈয়াৰ কৰা হয়।
- পাঠ্যপুথিবোৰ শিক্ষক তথা বিশেষজ্ঞৰ সহায় হ'ব পৰাকৈ প্রস্তুত কৰা হয়। স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীৰ প্রয়োজনীয়তা অনুসৰি প্রস্তুত কৰা হয়।
- পাঠ্যপুথিত স্ব-মূল্যায়নৰ সুবিধা নিচেই কম থাকে নাইবা একেবাৰেই নাথাকে। কিন্তু স্ব-শিকন সামগ্রীবোৰত স্ব-মূল্যায়নক যথেষ্ট গুৰুত্ব দিয়া হয়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে পাঠ্যপুথি আৰু স্ব-শিকন সামগ্রী দুয়োবিধকে শিক্ষার্থীৰ শৈক্ষিক উদ্দেশ্য পূৰণৰ বাবে প্রস্তুত কৰা হয় যদিও দুয়োটাৰে মাজত উপযোগিতাৰ দিশৰ পৰা কিছু পার্থক্য আছে। কিন্তু সকলো ধৰণৰ শৈক্ষিক সামগ্রীয়েই শিক্ষার্থীৰ শৈক্ষিক উদ্দেশ্য আৰু আগ্রহ পূৰাব লাগে। শিক্ষণ-শিকন প্রক্রিয়াত শৈক্ষিক উদ্দেশ্য তথা আগ্রহে মূলতঃ শিক্ষার্থীৰ তিনিটা দিশৰ বিকাশ সাধন কৰাৰ চেষ্টা কৰে। দিশ তিনিটা হ'ল— প্রজ্ঞাত্মক (cegnitive), আবেগিক (affective) আৰু মনো-অংগসঞ্চালন (psycho-motor)। প্রজ্ঞাত্মক দিশে শৈক্ষিক উদ্দেশ্যৰ বৌদ্ধিক উপাদানবোৰৰ কথা বুজায়। ইয়াৰ দ্বাৰা শিক্ষার্থীৰ মনত ৰখাৰ শক্তি, চিন্তা কৰাৰ শক্তি, বিশ্লেষণ কৰাৰ শক্তি, সমস্যা সমাধান কৰাৰ শক্তি আদিৰ দৰে মানসিক প্রক্রিয়াবোৰৰ বিকাশ ঘটে। আবেগিক দিশে শিক্ষার্থীৰ আবেগিক আৰু আচৰণমূলক উপাদানবোৰ প্রতিফলিত কৰে। ইয়াৰ দ্বাৰা শিক্ষার্থীৰ আগ্রহ, মনোভাৱ, কিছুমান ধাৰণা আৰু কার্যকলাপৰ প্রতি সিহঁতৰ মনত গঢ় লোৱা প্রমূল্য আদিক বুজোৱা হয়। মনোঅংগসঞ্চালনৰ দিশটোৰে শিক্ষার্থীৰ দেহ সঞ্চালনৰ উদ্দেশ্যটোৰ কথা বুজায়। দিশটোৰ সৈতে জড়িত ব্যৱহাৰিক দক্ষতা কেইটামান হ'ল— বিভিন্ন আহিলা/যন্ত্রপাতি হাতেৰে উঠাব জনা হোৱা, বিভিন্ন পৰীক্ষা কৰিব জনা হোৱা, ব্লক নির্মাণৰ কামত জড়িত হৈ থকা ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ পাঠ্যপুথি আৰু স্ব-শিকন সামগ্রীৰ মাজত কি পার্থক্য আছে?

.....

.....

৩.৩.২ স্ব-শিকন সামগ্রীৰ বৈশিষ্ট্য

স্ব-শিকন সামগ্রীবোৰ হ'ল শিকন আহিলা। লক্ষ্যৰূপে বান্ধি লোৱা শিক্ষার্থী গোটবোৰে সহজে বুজি পোৱাকৈ এই সামগ্রীবোৰ প্রস্তুত কৰা হয়। এনে সামগ্রীবোৰ বুজিবলৈ শিক্ষার্থীক বাহিৰা উৎসৰ পৰা বেছি সহায়ৰ প্রয়োজন নহয়। তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ বিবেচনা কৰি প্রথমে স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি আৰু পৰৱর্তী পর্যায়ত সামগ্রীবোৰ প্রস্তুত কৰি উলিওৱা হয়।

- *স্ব-ব্যাখ্যাকৰী ঃ* শিক্ষার্থীয়ে বাহিৰা সহায় নোলোৱাকৈ নিজে নিজে বুজি পোৱা ধৰণে স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি প্রস্তুত কৰিব লাগে। এনে সামগ্রীত সন্নিৱিষ্ট কৰা বিষয়বোৰ স্ব-ব্যাখ্যাকাৰী আৰু ধাৰণাবোৰৰ দিশেৰে স্পষ্ট হোৱা উচিত। লগতে বিষয়সূচী নাইবা অধ্যায় গাঁথনিটো এক প্রণালীবদ্ধ ৰূপত যুক্তিসংগত বিশ্লেষণৰ দ্বাৰা স্থিৰ কৰি লোৱা উচিত। বিষয়সূচীত অন্তর্ভুক্ত বিষয়বোৰ বহলাই লিখাৰ শৈলীটোত ধাৰাবাহিকতা আৰু সুসামঞ্জস্যতা বর্তি থাকিব লাগিব। স্ব-শিকন সামগ্রীবোৰে শিক্ষার্থীক নিজে বুজি পঢ়িবলৈ অনুপ্রাণিত কৰে।
- *স্বয়ং সম্পূর্ণ ঃ* স্ব-শিকন সামগ্রীবোৰৰ প্রকৃতি স্বয়ং সম্পূর্ণ হোৱা উচিত। এনে সামগ্রী অধ্যয়ন কৰা শিক্ষার্থীসকলে কোনো এক নির্দিষ্ট বিষয় সম্পর্কে স্পষ্ট ধাৰণাৰ গৰাকী হ'বলৈ অতিৰিক্ত পঠন উৎসৰ প্রয়োজনীয়তা অনুভৱ কৰিব নালাগে। মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাত ভৌগোলিক, শাৰীৰিক আৰু মনোবৈজ্ঞানিক বিচ্ছিন্নতাৰ বাবে শিক্ষার্থীয়ে শিক্ষকক শাৰীৰিকভাৱে সদায় লগ নাপাবও পাৰে। এনে পৰিস্থিতিত স্ব-শিকন সামগ্রীবোৰ হ'ল শিক্ষার্থীক দিক্‌নির্দেশনা প্রদান কৰিব পৰা একমাত্র পথ। এইবাবেই স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায় আগতীয়াকৈ পৰিকল্পনা কৰি ল'ব লাগে যাতে ইয়াত শিক্ষার্থীয়ে শিকন কালত সকলোবোৰ প্রয়োজনীয় তথ্য পর্যাপ্ত পৰিমাণে পঢ়িবলৈ পায়।
- *স্ব-নির্দেশাত্মক ঃ* অধ্যয়ন সামগ্রীবোৰৰ লক্ষ্য হ'ল শিকনৰ প্রতিটো স্তৰতে শিক্ষার্থীক প্রয়োজনীয় দিক্‌নির্দেশনা, ইংগিত আৰু পৰামর্শ আগবঢ়োৱা। স্ব-শিকন সামগ্রীবোৰক স্বনির্দেশাত্মক শিকন সামগ্রীত পৰিণত কৰিবলৈ ইয়াত কিছুমান মৌলিক উপাদান যোগ কৰা উচিত। যেনে- সহজ ব্যাখ্যা, ক্রমিক

বিকাশ, চিত্রৰ সহায়ত ব্যাখ্যা, শৈক্ষিক কার্যকলাপ, অগ্রগতি নিৰীক্ষণৰ সুযোগ ইত্যাদি। স্ব-শিকন সামগ্রীবোৰে দিক্‌নির্দেশনা প্রদান কৰা, নির্দেশ দিয়া, সহজে বুজাত সহায় কৰা আৰু এক শ্রেণীকোঠাভিত্তিক পৰিস্থিতি শিকন প্রক্রিয়াটো নিয়ন্ত্রণ কৰা শিক্ষকৰ ভূমিকা পালন কৰে।

- *স্বয়ং উদ্বুদ্ধকাৰী ঃ* মুক্ত আৰু দূৰৱর্ত্তী শিকন ব্যৱস্থাত শিক্ষার্থীসকল প্রধানতঃ স্ব-শিকন সামগ্রীৰ ওপৰত নির্ভৰশীল। তেওঁলোকে শিক্ষকৰ সৈতে মুখামুখি হোৱাৰ সুযোগ নাপায় বুলিয়েই ক'ব পাৰি। সেয়েহে স্ব-শিকন সামগ্রীবোৰেই তেওঁলোকৰ বাবে জীৱন্ত শিক্ষকৰ কাম কৰে। এইটো কাৰণতে সামগ্রীবোৰ শিক্ষার্থীৰ বাবে অতি অনুপ্রেৰণাদায়ী হোৱা উচিত। এই সামগ্রীবোৰে শিক্ষার্থীৰ মনত শিকাৰ প্রতি আগ্রহৰ সৃষ্টি কৰিব লাগে। শিক্ষার্থীক শিকাৰ প্রতি আগ্রহী কৰি তোলাৰ কৃতিত্ব পাঠ্যবিষয় লেখকসকলে দাবী কৰিব পাৰে। তেওঁলোকৰ দক্ষতাই স্ব-শিকন সামগ্রীবোৰ অর্থবহ আৰু সুফলদায়ক কৰি তোলে। শিকন আৰু শিকা কথাবোৰ মনত ৰখাৰ প্রতিটো পর্যায়তে জ্ঞান পুনৰ দৃঢ়কৰণৰ বোধটো শক্তিশালী কৰি তুলিব লাগে।
- *স্ব-মূল্যায়নসাধ্যতা ঃ* শিকন প্রক্রিয়াটো ফলপ্রসূ কৰি তুলিবলৈ শিক্ষার্থীৰ পৰা সহাঁৰি সংগ্রহ কৰাৰ সুবিধা থাকিব লাগে। এনে সহাঁৰিত শিক্ষার্থীয়ে অধ্যয়ন সামগ্রীবোৰ বুজিব পাৰিছেনে নাই, সামগ্রীবোৰ পঢ়ি যাওঁতে কি কি সমস্যাৰ মুখামুখি হৈছে আদি কথা উল্লেখ কৰিব পাৰে। স্ব-মূল্যায়ন বুলি কওঁতে প্রশ্নৰ উত্তৰ নিজে পৰীক্ষা কৰি চাব পৰা সুযোগবোৰৰ কথা বুজোৱা হয়। 'অগ্রগতি নিৰীক্ষণ', 'অনুশীলন', আদি শিতানৰ দ্বাৰা শিক্ষার্থীক তেওঁলোকৰ অগ্রগতিৰ আভাস দিয়া হয়, শিকনৰ আগ্রহ পুনৰদৃঢ় কৰি তোলা হয় আৰু প্রয়োজনীয় উদ্‌গনি যোগোৱা হয়। স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায়তে 'অগ্রগতি নিৰীক্ষণ'কে ধৰি নানা অনুশীলন সন্নিৱিষ্ট থাকে। ইয়াৰ উপৰি স্ব-শিকন সামগ্রীবোৰৰ প্রতিটো অধ্যায়ৰ শেষত কিছুমান আৰ্হিমূলক নাইবা সম্ভাব্য প্রশ্ন তুলি দিব লাগে। মুক্ত আৰু দূৰৱর্ত্তী শিকন ব্যৱস্থাৰে কোনো পাঠ্যক্রম শিকি থকা শিক্ষার্থীয়ে এই শিতানবোৰৰ পৰা নিজৰ অগ্রগতি সম্পর্কীয় সহাঁৰি লাভ কৰিব।
- *স্ব-শিকন ঃ* স্ব-শিকন সামগ্রীবোৰ নিজে নিজে শিকা নীতিটোৰ ওপৰত ভিত্তি কৰি প্রস্তুত কৰা হয়। শিক্ষার্থীয়ে বাহিৰা উৎসৰ পৰা বেছি সহায় নোলোৱাকৈ এই সামগ্রীবোৰ নিজে পঢ়ি শিকে। সেয়েহে এই সামগ্রীবোৰৰ প্রতিটো অধ্যায়ত অধ্যয়নৰ দিক্‌নির্দেশনা, নির্দেশ, ইংগিত, উল্লেখ, ৰেখাচিত্রৰ ব্যৱহাৰ, কার্যকলাপ, অগ্রগতি নিৰীক্ষণ, অনুশীলন, আৰ্হি প্রশ্ন অথবা সম্ভাব্য প্রশ্ন থাকিব লাগে। স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীয়ে নিজে শিকিব পৰাকৈ বিস্তৃত হ'ব লাগে। সেয়েহে স্ব-শিকন সামগ্রীবোৰ আন্তঃক্রিয়াশীল প্রকৃতিৰ হোৱা উচিত।

স্ব-শিকন সামগ্রীবোৰক স্বতন্ত্ৰ শিকন সামগ্রীৰূপে বিকশাই আৰু প্রস্তুত কৰি তুলিবলৈ ওপৰত উল্লেখ কৰা নীতিবোৰ মানি চলিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ স্ব-শিকন সামগ্রীৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য ব্যাখ্যা কৰক।

.....

.....

৩.৪ স্ব-শিকন সামগ্রীৰ পৰিকল্পনা আৰু গাঁথনি

স্ব-শিকন সামগ্রী প্রস্তুতকৰণ প্রক্রিয়াটো তিনিটা পর্যায় অথবা নীতিৰ ওপৰত আধাৰিত। প্রথম পর্যায়টো হ'ল পাঠ্যবিষয়ৰ প্রস্তুতি নাইবা পৰিকল্পনা (পাঠ্যবিষয়টোক লৈ চিন্তা-চর্চা), দ্বিতীয় পর্যায়টো হ'ল পাঠ্যবিষয়ৰ বিকাশ (বিষয়সূচী লিখা কার্য) আৰু অন্তিম পর্যায়টো হ'ল পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা বিষয়সূচীবোৰক স্ব-শিকন সামগ্রীৰ ৰূপ দিয়া। এই পর্যায়টোৰ সৈতে সম্পাদনা, পুনৰীক্ষণ, লে আউট তৈয়াৰ কৰা আৰু অৱশেষত সামগ্রীবোৰ ছপাশালত দিয়া আদি কামবোৰ জড়িত হৈ থাকে।

স্ব-শিকন সামগ্রীবোৰৰ পাঠ্যবিষয়ৰ অন্তর্গত বিষয়সূচীবোৰৰ আৰ্হি মুক্ত আৰু দূ�ৰৱর্ত্তী শিকনৰ সুযোগ আগবঢ়োৱা শিক্ষানুষ্ঠান এখনৰ শৈক্ষিক কার্যসূচীবোৰ সুচাৰুৰূপে আগবঢ়াই নিব পৰাকৈ প্রস্তুত কৰা হয়। শৈক্ষিক কার্যসূচী (Programme), পাঠ্যবিষয় (Course), খণ্ড (Block), অধ্যায় (Unit), শিতান (Section), উপ-শিতান (Sub-Section) আদি বিভিন্ন ভাগত ভগাই লৈ স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি তৈয়াৰ কৰা হয়। তলত ভাগবোৰ কিছু বহলাই আলোচনা কৰা হ'ল ঃ

- **শৈক্ষিক কার্যসূচী ঃ** কোনো এক নির্দিষ্ট অধ্যয়ন ক্ষেত্রত সৈতে জড়িত পাঠ্যক্রম নাইবা একাধিক পাঠ্যবিষয়ৰ সংমিশ্রণক একোটা শৈক্ষিক কার্যসূচীৰে সামৰি লোৱা হয়। যেনে— প্রাক্-স্নাতক পর্যায়ৰ শৈক্ষিক কার্যসূচী (Undergraduate Programmes), শিক্ষা বিষয়ত স্নাতকোত্তৰ কার্যসূচী (M.A. in Education), গণসংযোগ বিষয়ত ডিপ্লমা কার্যসূচী (Diploma in Mass Communication), দূৰৱর্ত্তী শিক্ষা বিষয়ত স্নাতকোত্তৰ ডিপ্লমা কার্যসূচী (Post-Graduate Diploma Programme in Distance Education) ইত্যাদি।
- **পাঠ্যবিষয় ঃ** শৈক্ষিক কার্যসূচী এটাক পাঠ্যবিষয়ত ভগাই লোৱা হয়। পৰম্পৰাগত শিক্ষা ব্যৱস্থাত পাঠ্যবিষয় মানে মাত্র এটা বিষয়ৰ কথা বুজোৱা হয়। যেনে— পদার্থ বিজ্ঞানৰ স্নাতকোত্তৰ, প্রাক্-স্নাতক পর্যায়ৰ ৰসায়ন বিজ্ঞান, প্রাথমিক পর্যায়ৰ গণিত ইত্যাদি। কিন্তু মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত পাঠ্যবিষয় বুলিলে অধ্যয়নৰ সৈতে

জড়িত শিক্ষা আৰু অন্য উপাদানবোৰৰ কথা বুজোৱা হয়। এই ব্যৱস্থাত পাঠ্যবিষয় বুলিলে স্ব-শিকন সামগ্রীৰ সংখ্যা, স্ব-শিকন সামগ্রীৰ বিকাশ আৰু ছপা সামগ্রীৰ পুনৰ পৰীক্ষণ, দৃশ্য-শ্রাব্য সামগ্রী, অনলাইন সামগ্রী আৰু কম্পিউটাৰ ভিত্তিক সামগ্রীবোৰক সামৰি লোৱা হয়। ইয়াৰ উপৰি মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাত পৰামর্শদান আৰু যোগাযোগ স্থাপনৰ সময়, প্রদত্ত কার্য, পুথিভঁৰালকেন্দ্রিক কার্য, পৰীক্ষাগাৰকেন্দ্রিক কার্য, প্রকল্প কার্য আদিও পাঠ্যবিষয়ৰ অন্তর্ভুক্ত।

- **খণ্ড ঃ** এটা পাঠ্যবিষয়ক একাধিক খণ্ডত ভগোৱা হয়। স্ব-শিকন সামগ্রীবোৰৰ বাবে স্বীকৃত আকৃতিৰ খণ্ড এটাত প্রায় ৬০-৮০টা ছপা পৃষ্ঠা থাকিব পাৰে। প্রতিটো খণ্ডৰে একোটা বিষয়বস্তুকেন্দ্রিক ধাৰণা থাকিব লাগিব। ছপা কৰা স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীলৈ প্রেৰণা কৰা হয়। যদিও শিক্ষার্থীসকলে শিক্ষানুষ্ঠান পৰিসৰৰ পৰা আঁতৰত থাকি অধ্যয়ন কৰে তথাপিও এনে সামগ্রীবোৰৰ জৰিয়তে তেওঁলোকৰ মনত শিক্ষানুষ্ঠানৰ সৈতে এটা একাত্মবোধ গঢ়ি তোলাৰ আৰু সংযোগ স্থাপনৰ প্রয়াস কৰা হয়। শিক্ষার্থীয়ে একোটা খণ্ড অধ্যয়ন কৰি উঠাৰ পাচত সফলতাৰ অনুভৱো কৰিব পাৰে। শৈক্ষিক দৃষ্টিৰে মাত্র এখন বৃহৎ কলেৱৰৰ কিতাপ পঢ়াতকৈ পাঠ্যবিষয় এটা সৰু সৰু খণ্ডত ভগাই লৈ পঢ়িলে পাঠ্যবিষয়টো সম্পূর্ণ কৰাটো সহজ হৈ পৰে।
- **অধ্যায় ঃ** স্ব-শিকন সামগ্রীৰ খণ্ডবোৰ আকৌ কিছুমান অধ্যায়ত বিভক্ত। প্রতিটো অধ্যায়ৰে একোটা গাঁথনিভিত্তিক লিখনশৈলী থাকে। প্রতিটো অধ্যায়ে শিক্ষার্থীৰ সুবিধা হোৱাকৈ পাঠ্যবিষয়ৰ একোটা নির্দিষ্ট বিষয়সূচীৰ আলোচনা সামৰি লয়। শিক্ষার্থীয়ে অধ্যায়বোৰ পঢ়ি পাঠ্যবিষয় এটাৰ প্রদত্ত পাঠ্যক্রমত থকা একোটা নির্দিষ্ট বিষয়ৰ তথ্য আৰু জ্ঞান আহৰণ কৰিব পাৰে। সেয়েহে অধ্যায়বোৰক এটা খণ্ডৰ স্বয়ং সম্পূর্ণ অংশ বুলি ক'ব পাৰি। একোটা অধ্যায়ত এটা নাইবা একাধিক আন্তঃসম্পর্ক থকা ধাৰণা আলোচনা কৰা হ'ব পাৰে। প্রতিটো অধ্যায়কে বিভিন্ন শিতান আৰু উপ-শিতানত ভাগ কৰি ধাৰণা, তথ্য, ৰেখাচিত্র আদিক অধিক প্রাঞ্জল ৰূপত উপস্থাপন কৰা হয়।

মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে অধ্যায় লিখাৰ বাবে একোটা সুনির্দিষ্ট গাঁথনি বিকশিত কৰে। প্রতিখন শিক্ষানুষ্ঠানেই নিজ নিজ ধৰণে গাঁথনিৰ আৰ্হি প্রস্তুত কৰি ল'ব পাৰে। স্ব-শিকন সামগ্রীৰ প্রতিটো খণ্ডৰে একোখন বেটুপাত (Cover Page) থাকে। পাঠ্যবিষয় সমন্বয়ৰক্ষীয়ে শিক্ষানুষ্ঠানৰ শিক্ষায়তনিক দিশৰ মুৰব্বী (dean, academic)ৰ সৈতে নাইবা পাঠ্যবিষয়টোৰ বাবে থকা যিকোনো উর্দ্ধতন শৈক্ষিক অভিকৰ্ণৰ সৈতে আলোচনা কৰি বেটুপাতৰ আৰ্হি প্রস্তুত কৰে। প্রতিটো খণ্ডৰে প্রতিটো অধ্যায়ৰে একোটা স্পষ্ট শিৰোনাম থাকিব লাগে। শিক্ষার্থীয়ে শিৰোনাম পঢ়িয়েই অধ্যায়টোৰ আলোচ্য বিষয়বোৰ গম পাব লাগে। অধ্যায়ৰ শিতান আৰু উপ-শিতানবোৰক বিষয়সূচী উপস্থাপনৰ ক্রম অনুসৰি শৃংখলাবদ্ধভাৱে সজাব লাগে। এনে গাঁথনিয়ে শিক্ষার্থীক বিষয়টোৰ প্রতি আকর্ষিত কৰি তোলে।

একোটা অধ্যায়ৰ সৈতে লে' আউট আৰু ফর্মেটৰ লগতে অধ্যায়টোৰ শৈক্ষিক

উদ্দেশ্যও জড়িত হৈ থাকে। এই সমস্ত কথা উপাদানবোৰৰ প্ৰকৃতি অনুসৰি স্পষ্ট অভিধাৰে উল্লেখ কৰিব লাগে। শিক্ষার্থীয়ে সহজে বুজি পোৱাকৈ অধ্যায়বোৰক বিভিন্ন শিতান আৰু উপ-শিতানত ভগোৱা হয়। অধ্যায়ত উল্লেখ কৰা জটিল শব্দ/খণ্ডবাক্যবোৰ 'ব'ল্ড টাউপফেচ'ত (ডাঠ আখৰেৰে) লিখিব লাগে আৰু অধ্যায়ৰ উকা হৈ থকা মার্জিন অংশত ইয়াৰ অর্থ ব্যাখ্যা কৰিব লাগে। শিক্ষার্থীৰ মনত বিষয়বস্তুৰ স্পষ্ট ধাৰণা গঢ়িবলৈ নাইবা কিমান বুজি পাইছে সেয়া পৰীক্ষা কৰিবলৈ কিছুমান শিতান আৰু উপ-শিতানৰ শেষত 'অগ্রগতি নিৰীক্ষণ' অংশত কিছুমান প্রশ্ন সুধিব পাৰে। শিক্ষার্থীয়ে নিজে অধ্যয়নৰ অগ্রগতি পৰীক্ষা কৰি চাব পৰাকৈ এই অংশটোৰ আৰ্হি প্রস্তুত কৰা হৈছে। অধ্যায়ৰ শিতানবোৰ পঢ়ি উঠাৰ লগে লগে যদি শিক্ষার্থীয়ে এই প্রশ্নবোৰৰ নিজে উত্তৰ দিয়াৰ চেষ্টা কৰে তেন্তে তেওঁলোক অধিক উপকৃত হ'ব। তাৰপাছত তেওঁলোকে অধ্যায়টিৰ সামৰণি অংশত থকা 'অগ্রগতিৰ খতিয়ান' অংশত দিয়া উত্তৰবোৰৰ সৈতে নিজৰ উত্তৰ মিলাই চাব পাৰিব। শিক্ষার্থীৰ সমালোচনাত্মক দৃষ্টিভংগীৰে চিন্তা কৰাৰ সামর্থ আৰু লিখন দক্ষতা বৃদ্ধি কৰিবলৈ অধ্যায় লেখকে কেতিয়াবা অধ্যায়বোৰত কিছুমান 'অনুশীলনী' যোগ দিয়ে। এই অনুশীলনীবোৰে শিক্ষার্থীক শিকন পটভূমিৰ সৈতে জড়িত কৰি ৰাখে। এইবোৰৰ উপৰি অধ্যায়বোৰত 'জানি থোৱা ভাল' শিতান একোটা থাকে। তাত অতিৰিক্ত তথ্য সংযোগ কৰা হয়। ফলত অধ্যায় এটাৰ প্রকৃতি অধিক আন্তঃক্রিয়াশীল হৈ পৰে। প্রতিটো অধ্যায়ৰ শেষৰ ফালে 'অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ' অংশটো থাকে। ইয়াত বহলকৈ আলোচনা কৰা বিষয়বোৰ চমুকৈ স্মৰণ কৰা হয়। সামৰণি অংশতেই 'অধিক জানিবলৈ' শিতানটোও থাকে। তাত প্রসংগ পুথি আৰু সহায়ক লিংকবোৰৰ উল্লেখ থাকে। কোনো বিষয় গভীৰভাৱে অধ্যয়ন কৰাত আগ্রহী শিক্ষার্থীয়ে এনে কিতাপ আৰু লিংকবোৰ চাব পাৰে। প্রতিটো অধ্যায়ৰ অন্তিম শিতান 'আৰ্হি প্রশ্ন'ত কেইটামান সম্ভাব্য প্রশ্ন দিয়া হয়। এই প্রশ্নকেইটাৰ উত্তৰ লিখি উলিয়াই অধ্যয়ন কৰি শিক্ষার্থীসকলে বছৰেকীয়া/ষান্মাসিক সমাপ্তিত পতা পৰীক্ষাবোৰৰ বাবে প্রস্তুতি চলাব পাৰে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে এটা শৈক্ষিক কার্যসূচীৰ আটাইবোৰ অধ্যায়, খণ্ড আৰু পাঠ্যবিষয়ৰ মাজত আন্তঃসম্পর্ক থাকে। কিন্তু এই আটাইবোৰ উপাদানৰ মাজত একধৰণৰ সমৰূপতা থাকিব লাগে। এই সমৰূপতাৰ আধাৰত অধ্যায়বোৰৰ আকাৰ আৰু সর্বাধিক শব্দৰ পৰিমাণ স্থিৰ কৰিব পৰা যায়। প্রতিখন মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা অনুষ্ঠানেই পাঠ্যবিষয় লিখোতাসকলক একেধৰণৰ মাননি দিয়াৰ নীতি গ্রহণ কৰিব লাগে। প্রতিটো শৈক্ষিক কার্যসূচীৰ বাবে একোখন কার্যসূচী নির্দেশনা থাকিব লাগে। এনে নির্দেশনাত পাঠ্যবিষয়টো কেনেকৈ অধ্যয়ন কৰিব, কি অধ্যয়ন কৰিব, কেতিয়া অধ্যয়ন কৰিব এই সকলোবোৰ কথা শিক্ষার্থীৰ সুবিধার্থে উল্লেখ কৰা উচিত। এইবোৰৰ লগতে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে নিজ নিজ শৈক্ষিক কার্যসূচীবোৰ চলাই নিবলৈ স্ব-শিকন সামগ্রী প্রস্তুত কৰাৰ বাবে যিবোৰ দিক্‌নির্দেশনা গ্রহণ কৰিছে সেইবোৰ সাৱধানে মানি চলিব লাগে। কেৱল শিক্ষার্থীৰ বাবে প্রস্তুত কৰা স্ব-শিকন সামগ্রীবোৰৰ গুণগত বৈশিষ্ট্য অটুট ৰাখিবলৈ নিয়মীয়াকৈ পাঠ্যক্রম শেহতীয়াকৰণ,

বিষয়সূচী শেহতীয়াকৰণ, সামগ্রীবোৰৰ পুনৰীক্ষণ, তথ্য শেহতীয়াকৰণ, শিক্ষার্থী-পৰামর্শদাতা-শৈক্ষিক দিশত জড়িত লোক-পুনৰীক্ষণকাৰী আদিৰ দৰে বিভিন্ন উৎসৰ পৰা লাভ কৰা সহাঁৰি/মতামতৰ আধাৰত স্ব-শিকন সামগ্রীৰ বিষয়সূচী নাইবা অধ্যায়বোৰত সৰু-সুৰা শুধৰণি কৰা ইত্যাদি কাম কৰা উচিত। শিক্ষণ-শিকন প্রক্রিয়াটো অধিক ফলপ্রসূ আৰু দক্ষ কৰি তুলিবলৈ ছপা সামগ্রীবোৰৰ লগতে মাল্টিমিডিয়া স্ব-শিকন সামগ্রী, প্রদত্ত কার্য, হাতপুথি, টেলি-কনফাৰেন্সিং, আন্তঃক্রিয়াশীল ৱেডিঅ' পৰামর্শদান, গৱেষণাগাৰ, হাতে-কামে লাভ কৰা অভিজ্ঞতা তথা শিক্ষার্থীৰ সমর্থন কার্যসূচী আৰু স্ব-শিকন সামগ্রী সঠিক স্থানত যোগান ধৰা কার্যৰ সৈতে জড়িত সকলোবোৰ কামেই পুনৰীক্ষণ কৰিব লাগে, প্রয়োজন সাপেক্ষে পুনৰ আৰ্হি প্রস্তুত কৰিব লাগে আৰু শেহতীয়াকৰণ কৰিব লাগে।

- **ক্রেডিট ব্যৱস্থা ঃ** স্ব-শিকন সামগ্রীবোৰ বিভিন্ন ৰূপত প্রস্তুত কৰা হয় বুলি আফুনি ইতিমধ্যে জানিব পাৰিলে। প্রতিটো অধ্যায়কে কিছুমান ক্রেডিটৰ সহায়ত জোখা হয়। এটা পাঠ্যবিষয়ৰ প্রতিটো ম'ডিউল নাইবা অধ্যায়ৰ ক্রেডিট মূল্যৰ বিৱৰণ দিয়া থাকে। ক্রেডিট হ'ল এক স্বীকৃত আৰু স্বচ্ছ ব্যৱস্থা। এক নির্দিষ্ট সময়ৰ ভিতৰত সামৰিবলগীয়া শৈক্ষিক প্রক্রিয়াবোৰ সুচাৰুৰূপে আগবঢ়াই নিয়াত ক্রেডিট ব্যৱস্থাই সহায় কৰে। ইয়াক কোনো এটা অধ্যায় শিক্ষার্থীয়ে কিমান সময় অধ্যয়ন কৰিব সেয়া নির্ধাৰণৰ কামত ব্যৱহাৰ কৰা হয়।
  - এক স্বীকৃত হিচাপ মতে প্রতিটো ক্রেডিটৰ বিপৰীতে ৩০-৩২ ঘণ্টা অধ্যয়নৰ প্রয়োজন।
  - এটা শৈক্ষিক কার্যসূচীত যদি এটা ৪ ক্রেডিটৰ পাঠ্যবিষয় থাকে, তেন্তে শিক্ষার্থীয়ে মুঠ ১২০ ঘণ্টা অধ্যয়ন কৰিব লাগিব। এই ১২০ ঘণ্টাৰ ভিতৰত ১২ ঘণ্টা পৰামর্শদান শ্রেণীবোৰৰ বাবে স্থিৰ কৰা থাকে। অর্থাৎ মুঠ অধ্যয়ন কালৰ ১০% পৰামর্শদান শ্রেণীবোৰৰ বাবে ৰখা হয়।
  - এটা শৈক্ষিক কার্যসূচীত যদি এটা ৬ ক্রেডিটৰ পাঠ্যবিষয় থাকে, তেন্তে শিক্ষার্থীয়ে মুঠ ১৮০ ঘণ্টা অধ্যয়ন কৰিব লাগিব। ইয়াৰে ১০% সময়, অর্থাৎ ১৮ ঘণ্টা শিক্ষার্থীয়ে অধ্যয়ন কেন্দ্রবোৰত হোৱা পৰামর্শদান শ্রেণীত উপস্থিত থাকিব লাগিব।

জানি থোৱা ভাল



বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২০১৭ চনৰ দূ�ৰৱর্ত্তী শিক্ষা বিষয়ক নতুন শিক্ষা নীতিত স্পষ্টকৈ কোৱা হৈছে যে স্ব-শিকন সামগ্রীৰ বাবে ধার্য কৰা ক্রেডিট সম্পর্কে অতি স্পষ্টকৈ উল্লেখ কৰিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগে ক্রেডিট, এটা স্ব-শিকন

সামগ্রী গোটত থাকিবলগীয়া অধ্যায়ৰ সংখ্যা, পৰামৰ্শদানৰ সময়, মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষাগ্রহণ কৰি থকা শিক্ষার্থীক ঘৰত কৰিবলৈ দিয়া কার্যৰ সংখ্যা আদি বিষয়ত মাধৱ মেনন কমিটিৰ পৰামৰ্শৱলী মানি লৈছে। তলত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে মানি চলিবলগীয়া ক্রেডিট ব্যৱস্থা সম্পর্কীয় বিশ্ববিদ্যালয় অনুদান আয়োগৰ দিক্‌নির্দেশনাসূচক তালিকা কেইখনমান তুলি দিয়া হ'ল।

তালিকা ৩.১ ঃ ক্রেডিট ব্যৱস্থাৰ আধাৰত দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ জৰিয়তে আগবঢ়োৱা শৈক্ষিক কার্যসূচীবোৰৰ বাবে ধার্য কৰা স্বীকৃত বিধিসমূহ

কার্য্যসূচীৰ সময় (Duration of the Programme)	ক্রেডিট (Credits)	কার্য্যসূচীৰ স্তৰ (Level of the Programme)
৩ বছৰ	৯৬-১০০	স্নাতক পর্য্যায়ৰ
২ বছৰ	৬৪-৭২	স্নাতকোত্তৰ পর্য্যায়ৰ

তালিকা ৩.২ ঃ দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ জৰিয়তে পাঠ্যবিষয় শিক্ষার্থীৰ হাত তুলি দিয়াৰ স্বীকৃত বিধি

প্রদত্ত কর্মৰ সংখ্যা (No. of Assign-ments)	অভীক্ষাৰ সময় (Practical Sessions)	পৰামর্শ দানৰ সময়ৰ সংখ্যা (No. of Counselling Sessions) তত্ত্ব (Theory) (সর্বমুঠ অধ্যয়নৰ ১০% সময়)	স্ব-শিকন সামগ্রীৰ সংখ্যা (অধ্যায়, খণ্ড হিচাপত) (Size of the SLMs) (in terms of Units, to be divided into blocks)	অধ্যয়নৰ মুঠ সময় (Study input)	কার্য্যসূচীৰ ক্রেডিট (Credit value of the Course)
১	৬০ ঘণ্টা	৬ ঘণ্টা	৬-৮ অধ্যায়	৬০ ঘণ্টা	২ ক্রেডিট
২	১২০ ঘণ্টা	১২ ঘণ্টা	১৪-১৬ অধ্যায়	১২০ ঘণ্টা	৪ ক্রেডিট
৩	১৮০ ঘণ্টা	১৮ ঘণ্টা	২০-২৪ অধ্যায়	১৮০ ঘণ্টা	৬ ক্রেডিট
৪	২৪০ ঘণ্টা	২৪ ঘণ্টা	৩০-৩৪ অধ্যায়	২৪০ ঘণ্টা	৮ ক্রেডিট

তালিকা ৩.৩ ঃ ছপাৰ বাহিৰে অন্য ৰূপত স্ব-শিকন সামগ্রী বিকশাই তোলোতে পালন কৰিবলগীয়া ক্রেডিট গাঁথনি সম্পর্কীয় স্বীকৃত বিধি

মুঠ পৰামর্শদানৰ সময়ৰ সংখ্যা (No.of Counseling Sessions) তত্ত্ব (Theory)					
সমকালীন আলাপ (Sny. Chat) ৫%	অসমকালীন (Asy**) আলোচনা মঞ্চ (Discussion Forum) আলোচনা মঞ্চ (Comp)	সমকালীন (Syn*) (মুখামুখী) (f2f)# (ঐচ্ছিক ১) (opt1) ১০%	ই-বিষয়বস্তুৰ আকাৰ (Size of E-Content) অধ্যায়ৰ ক্ষেত্রত (in terms of Units)	অধ্যয়নৰ মুঠ সময় (Study inputs)	কার্য্যসূচীৰ ক্রেডিট (Credit Value of the Course)
৩ ঘণ্টা	প্রতিটো বিষয়ত	৬ ঘণ্টা	৬-৮ অধ্যায়	৬০ ঘণ্টা	২ ক্রেডিট

	২-১০ টা বিষয়বস্তু				
৬ ঘণ্টা	প্রতিটো বিষয়ত ২-১০ টা বিষয়বস্তু	১২ ঘণ্টা	১৪-১৬ অধ্যায়	১২০ ঘণ্টা	৮ ক্রেডিট
৯ ঘণ্টা	প্রতিটো বিষয়ত ২-১০ টা বিষয়বস্তু	১৮ ঘণ্টা	২০-২৪ অধ্যায়	১৮০ ঘণ্টা	৬ ক্রেডিট
	প্রতিটো বিষয়ত ২-১০ টা বিষয়বস্তু	২৪ ঘণ্টা	৩০-৩৪ অধ্যায়	২৪০ ঘণ্টা	৮ ক্রেডিট

* Syn : Synchronous (সমকালীন)

**Asyn : Asynchronous (অসমকালীন)

f2f : face-to-face (মুখামুখী)

স্ব-শিকন সামগ্রী প্রস্তুত কৰাৰ সময়ত মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে ওপৰৰ তালিকাকেইখনত উল্লেখ থকা শিতানবোৰৰ মতে সামগ্রীবোৰৰ আকাৰ, ক্রেডিট মূল্য, প্রদত্ত কার্য, অধ্যয়নৰ সময়, পৰামর্শদান শ্রেণী আদি স্থিৰ কৰি ল'ব পাৰে। তালিকা কেইখন দূৰৱৰ্ত্তী শিক্ষা বিষয়ত বিশ্ববিদ্যালয় অনুদান আয়োগে ২০১৭ চনত গৃহিত কৰা নতুন নির্দেশনাত সন্নিৱিষ্ট কৰা হৈছে।



চিন্তা চর্চা কৰক — ৩.১

অনুগ্রহ কৰি অধ্যায়টোৰ ৩.৪নং শিতানটো মনোযোগ দি পঢ়ক। শিতানটোত এটা অধ্যায় প্রস্তুত কৰাৰ গাঁথনি সম্পর্কে আলোচনা কৰা হৈছে। তাৰপাচত আপুনি নিজে পচন্দ কৰা বিষয় এটা লৈ অধ্যায় গাঁথনি এটাৰ আৰ্হি প্রস্তুত কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ স্ব-শিকন সামগ্রীৰ শৈক্ষিক কার্যসূচী, পাঠ্যবিষয় আৰু খণ্ড মানে কি?

.....

.....

প্রশ্ন ৭ ঃ ক্রেডিটৰ সংজ্ঞা দিয়ক।

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সেইবোৰ সামগ্রীকেই স্ব-শিকন সামগ্রী বুলি কোৱা হয় যিবোৰৰ বিষয়সূচীৰ আৰ্হি শিক্ষকৰ সহায় নোলোৱাকৈয়ে শিক্ষার্থীয়ে সহজে বুজি পোৱা আৰু আয়ত্ত কৰিব পৰা ধৰণে প্রস্তুত কৰা হয়।
- স্ব-শিকন সামগ্রীবোৰ বিভিন্ন ৰূপত প্রস্তুত কৰা হয়। যেনে- ছপা সামগ্রী, দৃশ্য-শ্রাব্য সামগ্রী, অনলাইন সামগ্রী আৰু কম্পিউটাৰ ভিত্তিক সামগ্রী।
- স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিবোৰ এক নির্দিষ্ট সময়ৰ বাবে চলাবলগীয়া পাঠ্যবিষয় একোটাৰ বাবে প্রস্তুত কৰা হয়। স্ব-শিকন সামগ্রী আৰু পৰম্পৰাগত পদ্ধতিৰ পাঠ্যপুথিৰ মাজত কিছুমান প্রভেদ আছে।
- স্ব-শিকন সামগ্রীৰ কেইটামান মৌলিক বৈশিষ্ট্য হ'ল ইয়াৰ স্ব-ব্যাখ্যাকাৰী, স্বয়ং সম্পূর্ণ, স্বয়ং উদ্বুদ্ধকাৰী, স্ব-মূল্যায়নসাধ্য আৰু স্ব-শিকনসাধ্য প্রকৃতিবোৰ। এই বৈশিষ্ট্যবোৰে স্ব-শিকন সামগ্রীবোৰক অধিক ফলপ্রসূ আৰু আন্তঃক্রিয়াশীল কৰি তোলে।
- স্ব-শিকন সামগ্রীবোৰক বিভিন্ন আৰ্হিৰে প্রস্তুত কৰা হয়। যেনে, শৈক্ষিক কার্যসূচী, পাঠ্যবিষয়, খণ্ড, অধ্যায়, শিতান, উপ-শিতান ইত্যাদি।
- কোনো এটা শৈক্ষিক কার্যসূচী আগবঢ়াই নিবলৈ স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি প্রস্তুত কৰা হয়। শৈক্ষিক কার্যসূচী মানে হ'ল কোনো এক নির্দিষ্ট অধ্যয়ন ক্ষেত্রৰ বাবে নির্ধাৰিত পাঠ্যক্রম নাইবা একাধিক পাঠ্যবিষয়ৰ সংমিশ্রণ।
- মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাত এটা পাঠ্যবিষয়ত স্ব-শিকন সামগ্রী বিকাশৰ একাধিক পুস্তিকা থাকে। এনে ব্যৱস্থাত ছপা সামগ্রী, দৃশ্য-শ্রাব্য সামগ্রী, অনলাইন সামগ্রী আৰু কম্পিউটাৰ ভিত্তিক সামগ্রীৰূপে স্ব-শিকন সামগ্রীবোৰৰ পুনৰীক্ষণ কৰা হয়। ইয়াৰ লগতে মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয়বোৰত পৰামর্শদান আৰু যোগাযোগ স্থাপন কাল, প্রদত্ত কার্য, পুথিভঁৰাল কার্য, পৰীক্ষাগাৰ কার্য, প্রকল্প কার্যও সংযোজিত হৈ থাকে।
- এটা পাঠ্যবিষয়ক খণ্ডত ভাগ কৰা হয়। এটা স্বীকৃত আকৃতিৰ খণ্ডত প্রায় ৬০-৮০টা ছপা পৃষ্ঠা থাকিব পাৰে। প্রতিটো খণ্ডৰে একোটা বিষয়কেন্দ্রিক ধাৰণা থাকিব লাগে।
- স্ব-শিকন সামগ্রীৰ খণ্ড এটাত একাধিক অধ্যায় সন্নিৱিষ্ট কৰা হয়। অধ্যায় এটাক খণ্ড এটাৰ স্বয়ং সম্পূর্ণ অংশ বুলি ক'ব পাৰি। ইয়াত এটা নাইবা পৰস্পৰৰ সৈতে সম্পর্ক থকা একাধিক শিকনযোগ্য ধাৰণাৰ বিষয়ে আলোচনা কৰা হয়। ধাৰণা, তথ্য আৰু চিত্রবোৰৰ স্পষ্ট উপস্থাপনত সহায়ক হোৱাকৈ প্রতিটো অধ্যায়কে শিতান তথা উপ-শিতানত ভাগ কৰা হয়।

- স্ব-শিকন সামগ্রীবোৰক বিভিন্ন ৰূপত প্রস্তুত কৰা হয়। প্রতিটো অধ্যায়ৰে মূল্য ক্রেডিট মূল্যৰ স্পষ্ট বর্ণনা থকা উচিত।
- ক্রেডিট হ'ল এটা স্বীকৃত আৰু স্বচ্ছ ব্যৱস্থা। এক নির্দিষ্ট সময়ৰ ভিতৰত সামৰিবলগীয়া শৈক্ষিক প্রক্রিয়াবোৰ সুচাৰুৰূপে আগবঢ়াই নিয়াত ক্রেডিট ব্যৱস্থাই সহায় কৰে। ইয়াক অধ্যয়নৰ সময় নির্ধাৰণৰ কামত ব্যৱস্থাৰ কৰা হয়।



৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) *Self Learning Materials*, STRIDE, IGNOU.



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্ব-শিকন সামগ্রী বুলিলে সেইবোৰ পঠন সামগ্রীৰ কথা বুজোৱা হয় যিবোৰত সন্নিৱিষ্ট বিষয়সূচীবোৰৰ আৰ্হি বিশেষ ধৰণে প্রস্তুত কৰা হয় আৰু শিক্ষার্থীয়ে শিক্ষকৰ বেছি সহায় নোলোৱাকৈয়ে এই বিষয়বোৰ সহজে বুজি পায় তথা আয়ত্ত কৰিব পাৰে। স্ব-শিকন সামগ্রীবোৰ এনেদৰে প্রস্তুত কৰিব লাগে যাতে ই শিক্ষার্থীক প্রয়োজনীয় দিক্‌নির্দেশনা প্রদান কৰাৰ লগতে তেওঁৰ শৈক্ষিক উদ্দেশ্যবোৰ ফলৱতী কৰাত সহায় কৰিব পাৰে। অধ্যয়ন সামগ্রীবোৰত শিক্ষকৰ কার্যকলাপ আৰু কার্যসম্পাদন পদ্ধতি অন্তর্নিহিত হৈ থাকে। এনে সামগ্রীবোৰে শ্রেণীকোঠাত শিক্ষকে পাঠদান কৰি থকা আৰু শিক্ষার্থীয়ে শুনি থকাৰ অনুভৱ প্রদান কৰে। স্ব-শিকন সামগ্রীত স্বতন্ত্র অধ্যয়ন নাইবা শিকনক উদগনি যোগাব পৰা সকলোবোৰ উপাদান থাকিব লাগে যাতে ই শিক্ষার্থীৰ প্রজ্ঞাত্মক, আৱেগিক আৰু মনো-অংগ সঞ্চালনকেন্দ্রিক বিকাশ সাধন কৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ স্ব-শিকন সামগ্রীৰ প্রকাৰবোৰ হ'ল—

- কিতাপ
- কার্যপুথি
- কার্যকাকত
- দৃশ্য-শ্রাব্য সামগ্রী
- অন্‌লাইনযোগে উপলব্ধ সামগ্রী

- একাধিক বিষয়ত কম্পিউটাৰ ভিত্তিক প্ৰশিক্ষণৰ সুবিধা
- মাল্টিমিডিয়া ইত্যাদি

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষা পৰিষদে আগবঢ়োৱা পৰামৰ্শ অনুসৰি স্ব-শিকন সামগ্ৰীবোৰৰ আৰ্হি প্ৰস্তুত কৰোঁতে তলৰ কথাবোৰ মনত ৰাখিব লাগে—

- স্ব-শিকন সামগ্ৰীবোৰৰ কিছুমান স্পষ্টভাৱে উল্লেখ কৰা উদ্দেশ্য থাকিব লাগে।
- স্ব-শিকন সামগ্ৰীবোৰ ব্যৱহাৰকাৰীৰ অনুকূল হ'ব লাগে।
- স্ব-শিকন সামগ্ৰী লিখাৰ সময়ত সৰল ভাষা ব্যৱহাৰ কৰিব লাগে।
- শিক্ষাৰ্থীয়ে চুটি, নিজে নিয়ন্ত্ৰণ কৰিব পৰাবিধৰ শিকন খণ্ড অধ্যয়ন কৰিবলৈ পোৱা উচিত।
- এনে সামগ্ৰীত শিক্ষাৰ্থীৰ সহায়ক হ'ব পৰাকৈ প্ৰচুৰ পৰিমাণৰ উদাহৰণ সন্নিৱিষ্ট কৰিব লাগে।
- এনে সামগ্ৰীত শিক্ষাৰ্থীৰ পূৰ্বৰ অভিজ্ঞতাৰ উল্লেখ টানি আনিব লাগে।
- যিবোৰ স্থানত শব্দতকৈ চিত্ৰই অধিক ভালদৰে বুজাত সহায় কৰে তাত চিত্ৰ সংলগ্ন কৰিব লাগে।
- শিক্ষাৰ্থীয়ে বিচৰা অংশটো সহজতে পোৱাকৈ শিতানবোৰত শিৰোনাম ব্যৱহাৰ কৰিব লাগে।
- উপযুক্ত স্থানত অন্য মাধ্যমৰ সৈতে সংযোগ স্থাপন কৰি দিব লাগে।
- বিভিন্ন শিক্ষাৰ্থীৰ ভিন ভিন প্ৰয়োজনীয়তা সম্পৰ্কে স্ব-শিকন সামগ্ৰী লিখোতা সজাগ হ'ব লাগে।
- শিক্ষাৰ্থীক স্ব-শিকন সামগ্ৰীবোৰ ব্যৱহাৰত সহায় কৰিবলৈ সামগ্ৰীবোৰত নানা ধৰণৰ অনুশীলনী আৰু কাৰ্যকলাপ সন্নিৱিষ্ট কৰিব লাগে।
- শিক্ষাৰ্থীয়ে নিজৰ ধাৰণা লিখি ৰাখিব পৰাকৈ সামগ্ৰীবোৰত পৰ্যাপ্ত স্থান থকা উচিত।
- শিক্ষাৰ্থীক নিজ অগ্ৰগতি পৰীক্ষা কৰি চাব পৰাকৈ সামগ্ৰীবোৰত সহাঁৰি নাইবা উত্তৰ থকা উচিত।
- সামগ্ৰীবোৰত প্ৰয়োজন সাপেক্ষে অন্য লোকৰ সহায় ল'বলৈ শিক্ষাৰ্থীৰ প্ৰতি পৰামৰ্শ থকা উচিত।
- স্ব-শিকন সামগ্ৰীবোৰত ব্যৱহৃত শব্দৰ সংজ্ঞা (Glossary) আৰু আলোচিত বিষয়ৰ সাৰাংশও থকা উচিত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যপুথি আৰু স্ব-শিকন সামগ্ৰীবোৰৰ মাজত থকা পাৰ্থক্যবোৰ হ'ল—

- পাঠ্যপুথিবোৰে শিক্ষাৰ্থীৰ আগ্ৰহ বৃদ্ধি কৰিব বুলি 'ধৰি লোৱা' হয়। স্ব-শিকন সামগ্ৰীবোৰে লক্ষ্য হিচাপে বান্ধি লোৱা শিক্ষাৰ্থীচামৰ আগ্ৰহ বৃদ্ধি কৰিবই লাগিব।

- পাঠ্যপুথিবোৰ 'শিক্ষকৰ ব্যৱহাৰৰ উদ্দেশ্য পূৰণৰ অর্থে' লিখা হয়। আনহাতে, স্ব-শিকন সামগ্রীবোৰ প্রধানতঃ শিক্ষার্থীয়ে নিজে ব্যৱহাৰ কৰিব পৰাকৈ প্রস্তুত কৰা হয়।
- পাঠ্যপুথিত অধ্যয়নৰ বাবে সময় ধৰি দিয়া নাথাকে। কিন্তু স্ব-শিকন সামগ্রীত আনুমানিক অধ্যয়ন কাল উল্লেখ কৰা থাকে।
- পাঠ্যপুথিত সাধাৰণতে শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্যৰ উল্লেখ নাথাকে। স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায়তে শৈক্ষিক লক্ষ্য তথা উদ্দেশ্যৰ স্পষ্ট উল্লেখ থাকে।
- এখন বহল বজাৰ দখল কৰাৰ স্বার্থত পাঠ্যপুথিবোৰ লিখা হয়। স্ব-শিকন সামগ্রীবোৰ এক নির্দিষ্ট শিক্ষার্থী গোটৰ বাবে লিখা অথবা এনে সামগ্রীৰ আর্হি তৈয়াৰ কৰা হয়।
- পাঠ্যপুথিবোৰ শিক্ষক তথা বিশেষজ্ঞৰ সহায় হ'ব পৰাকৈ প্রস্তুত কৰা হয়। স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীৰ প্রয়োজনীয়তা অনুসৰি প্রস্তুত কৰা হয়।
- পাঠ্যপুথিত স্ব-মূল্যায়নৰ সুবিধা নিচেই কম থাকে নাইবা একেবাৰেই নাথাকে। কিন্তু স্ব-শিকন সামগ্রীবোৰত স্ব-মূল্যায়নক যথেষ্ট গুৰুত্ব দিয়া হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ স্ব-শিকন সামগ্রীৰ উল্লেখযোগ্য বৈশিষ্ট্য কেইটামান হ'ল—

- **স্ব-ব্যাখ্যাকৰী ঃ** শিক্ষার্থীয়ে বাহিৰা সহায় নোলোৱাকৈ নিজে নিজে বুজি পোৱা ধৰণে স্ব-শিকন সামগ্রীবোৰৰ আর্হি প্রস্তুত কৰিব লাগে। এনে সামগ্রীত সন্নিৰিষ্ট কৰা বিষয়বোৰ স্ব-ব্যাখ্যাকাৰী আৰু ধাৰণাবোৰৰ দিশেৰে স্পষ্ট হোৱা উচিত। লগতে বিষয়সূচী নাইবা অধ্যায় গাঁথনিটো এক প্রণালীবদ্ধ ৰূপত যুক্তিসংগত বিশ্লেষণৰ দ্বাৰা স্থিৰ কৰি লোৱা উচিত। বিষয়সূচীত অন্তর্ভুক্ত বিষয়বোৰ বহলাই লিখাৰ শৈলীটোত ধাৰাবাহিকতা আৰু সুসামঞ্জস্যতা বর্তি থাকিব লাগিব। স্ব-শিকন সামগ্রীবোৰে শিক্ষার্থীক নিজে বুজি পঢ়িবলৈ অনুপ্রাণিত কৰে।
- **স্বয়ং সম্পূর্ণ ঃ** স্ব-শিকন সামগ্রীবোৰৰ প্রকৃতি স্বয়ং সম্পূর্ণ হোৱা উচিত। এনে সামগ্রী অধ্যয়ন কৰা শিক্ষার্থীসকলে কোনো এক নির্দিষ্ট বিষয় সম্পর্কে স্পষ্ট ধাৰণাৰ গৰাকী হ'বলৈ অতিৰিক্ত পঠন উৎসৰ প্রয়োজনীয়তা অনুভৱ কৰিব নালাগে। মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাত ভৌগোলিক, শাৰীৰিক আৰু মনোবৈজ্ঞানিক বিচ্ছিন্নতাৰ বাবে শিক্ষার্থীয়ে শিক্ষকক শাৰীৰিকভাৱে সদায় লগ নাপাবও পাৰে। এনে পৰিস্থিতিত স্ব-শিকন সামগ্রীবোৰ হ'ল শিক্ষার্থীক দিক্‌নির্দেশনা প্রদান কৰিব পৰা একমাত্র পথ। এইবাবেই স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায় আগতীয়াকৈ পৰিকল্পনা কৰি ল'ব লাগে যাতে ইয়াত শিক্ষার্থীয়ে শিকন কালত সকলোবোৰ প্রয়োজনীয় তথ্য পর্যাপ্ত পৰিমাণে পঢ়িবলৈ পায়।

- **স্ব-নির্দেশাত্মক ঃ** অধ্যয়ন সামগ্রীবোৰৰ লক্ষ্য হ'ল শিকনৰ প্রতিটো স্তৰতে শিক্ষার্থীক প্রয়োজনীয় দিক্‌নির্দেশনা, ইংগিত আৰু পৰামর্শ আগবঢ়োৱা। স্ব-শিকন সামগ্রীবোৰক স্বনির্দেশাত্মক শিকন সামগ্রীত পৰিণত কৰিবলৈ ইয়াত কিছুমান মৌলিক উপাদান যোগ কৰা উচিত। যেনে- সহজ ব্যাখ্যা, ক্রমিক বিকাশ, চিত্রৰ সহায়ত ব্যাখ্যা, শৈক্ষিক কার্যকলাপ, অগ্রগতি নিৰীক্ষণৰ সুযোগ ইত্যাদি। স্ব-শিকন সামগ্রীবোৰে দিক্‌নির্দেশনা প্রদান কৰা, নির্দেশ দিয়া, সহজে বুজাত সহায় কৰা আৰু এক শ্রেণীকোঠাভিত্তিক পৰিস্থিতি শিকন প্রক্রিয়াটো নিয়ন্ত্রণ কৰা শিক্ষকৰ ভূমিকা পালন কৰে।
- **স্বয়ং উদ্বুদ্ধকাৰী ঃ** মুক্ত আৰু দূ�ৰৱর্ত্তী শিকন ব্যৱস্থাত শিক্ষার্থীসকল প্রধানতঃ স্ব-শিকন সামগ্রীৰ ওপৰত নির্ভৰশীল। তেওঁলোকে শিক্ষকৰ সৈতে মুখামুখি হোৱাৰ সুযোগ নাপায় বুলিয়েই ক'ব পাৰি। সেয়েহে স্ব-শিকন সামগ্রীবোৰেই তেওঁলোকৰ বাবে জীৱন্ত শিক্ষকৰ কাম কৰে। এইটো কাৰণতে সামগ্রীবোৰ শিক্ষার্থীৰ বাবে অতি অনুপ্রেৰণাদায়ী হোৱা উচিত। এই সামগ্রীবোৰে শিক্ষার্থীৰ মনত শিকাৰ প্রতি আগ্রহৰ সৃষ্টি কৰিব লাগে। শিক্ষার্থীক শিকাৰ প্রতি আগ্রহী কৰি তোলাৰ কৃতিত্ব পাঠ্যবিষয় লেখকসকলে দাবী কৰিব পাৰে। তেওঁলোকৰ দক্ষতাই স্ব-শিকন সামগ্রীবোৰ অর্থবহ আৰু সুফলদায়ক কৰি তোলে। শিকন আৰু শিকা কথাবোৰ মনত ৰখাৰ প্রতিটো পর্যায়তে জ্ঞান পুনৰ দৃঢ়কৰণৰ বোধটো শক্তিশালী কৰি তুলিব লাগে।
- **স্ব-মূল্যায়নসাধ্যতা ঃ** শিকন প্রক্রিয়াটো ফলপ্রসূ কৰি তুলিবলৈ শিক্ষার্থীৰ পৰা সহাঁৰি সংগ্রহ কৰাৰ সুবিধা থাকিব লাগে। এনে সহাঁৰিত শিক্ষার্থীয়ে অধ্যয়ন সামগ্রীবোৰ বুজিব পাৰিছেনে নাই, সামগ্রীবোৰ পঢ়ি যাওঁতে কি কি সমস্যাৰ মুখামুখি হৈছে আদি কথা উল্লেখ কৰিব পাৰে। স্ব-মূল্যায়ন বুলি কওঁতে প্রশ্নৰ উত্তৰ নিজে পৰীক্ষা কৰি চাব পৰা সুযোগবোৰৰ কথা বুজোৱা হয়। 'অগ্রগতি নিৰীক্ষণ', 'অনুশীলন', আদি শিতানৰ দ্বাৰা শিক্ষার্থীক তেওঁলোকৰ অগ্রগতিৰ আভাস দিয়া হয়, শিকনৰ আগ্রহ পুনৰদৃঢ় কৰি তোলা হয় আৰু প্রয়োজনীয় উদ্‌গনি যোগোৱা হয়। স্ব-শিকন সামগ্রীৰ প্রতিটো অধ্যায়তে 'অগ্রগতি নিৰীক্ষণ'কে ধৰি নানা অনুশীলন সন্নিৱিষ্ট থাকে। ইয়াৰ উপৰি স্ব-শিকন সামগ্রীবোৰৰ প্রতিটো অধ্যায়ৰ শেষত কিছুমান আর্হিমূলক নাইবা সম্ভাব্য প্রশ্ন তুলি দিব লাগে। মুক্ত আৰু দূৰৱর্ত্তী শিকন ব্যৱস্থাৰে কোনো পাঠ্যক্রম শিকি থকা শিক্ষার্থীয়ে এই শিতানবোৰৰ পৰা নিজৰ অগ্রগতি সম্পর্কীয় সহাঁৰি লাভ কৰিব।
- **স্ব-শিকন ঃ** স্ব-শিকন সামগ্রীবোৰ নিজে নিজে শিকা নীতিটোৰ ওপৰত ভিত্তি কৰি প্রস্তুত কৰা হয়। শিক্ষার্থীয়ে বাহিৰা উৎসৰ পৰা বেছি সহায় নোলোৱাকৈ

এই সামগ্রীবোৰ নিজে পঢ়ি শিকে। সেয়েহে এই সামগ্রীবোৰৰ প্রতিটো অধ্যায়ত অধ্যয়নৰ দিক্‌নির্দেশনা, নির্দেশ, ইংগিত, উল্লেখ, ৰেখাচিত্রৰ ব্যৱহাৰ, কার্যকলাপ, অগ্রগতি নিৰীক্ষণ, অনুশীলন, আৰ্হি প্রশ্ন অথবা সম্ভাব্য প্রশ্ন থাকিব লাগে। স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীয়ে নিজে শিকিব পৰাকৈ বিস্তৃত হ'ব লাগে। সেয়েহে স্ব-শিকন সামগ্রীবোৰ আন্তঃক্রিয়াশীল প্রকৃতিৰ হোৱা উচিত।

স্ব-শিকন সামগ্রীবোৰক স্বতন্ত্র শিকন সামগ্রীৰূপে বিকশাই আৰু প্রস্তুত কৰি তুলিবলৈ ওপৰত উল্লেখ কৰা নীতিবোৰ মানি চলিব লাগে।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্ব-শিকন সামগ্রীবোৰৰ পাঠ্যবিষয়ৰ অন্তর্গত বিষয়সূচীবোৰৰ আৰ্হি মুক্ত আৰু দূ�ৰৱর্ত্তী শিকনৰ সুযোগ আগবঢ়োৱা শিক্ষানুষ্ঠান এখনৰ শৈক্ষিক কার্যসূচীবোৰ সুচাৰুৰূপে আগবঢ়াই নিব পৰাকৈ প্রস্তুত কৰা হয়। শৈক্ষিক কার্যসূচী (Programme), পাঠ্যবিষয় (Course), খণ্ড (Block), অধ্যায় (Unit), শিতান (Section), উপ-শিতান (Sub-Section) আদি বিভিন্ন ভাগত ভগাই লৈ স্ব-শিকন সামগ্রীবোৰৰ আৰ্হি তৈয়াৰ কৰা হয়। তলত ভাগবোৰ কিছু বহলাই আলোচনা কৰা হ'ল ঃ

- **শৈক্ষিক কার্যসূচী ঃ** কোনো এক নির্দিষ্ট অধ্যয়ন ক্ষেত্রত সৈতে জড়িত পাঠ্যক্রম নাইবা একাধিক পাঠ্যবিষয়ৰ সংমিশ্রণক একোটা শৈক্ষিক কার্যসূচীৰে সামৰি লোৱা হয়। যেনে ঃ প্রাক্‌-স্নাতক পর্যায়ৰ শৈক্ষিক কার্যসূচী (Undergraduate Programmes), শিক্ষা বিষয়ত স্নাতকোত্তৰ কার্যসূচী (M.A. in Education), গণসংযোগ বিষয়ত ডিপ্লা'মা কার্যসূচী (Diploma in Mass Communication), দূৰৱর্ত্তী শিক্ষা বিষয়ত স্নাতকোত্তৰ ডিপ্লা'মা কার্যসূচী (Post-Graduate Diploma Programme in Distance Education) ইত্যাদি।
- **পাঠ্যবিষয় ঃ** শৈক্ষিক কার্যসূচী এটাক পাঠ্যবিষয়ত ভগাই লোৱা হয়। পৰম্পৰাগত শিক্ষা ব্যৱস্থাত পাঠ্যবিষয় মানে মাত্র এটা বিষয়ৰ কথা বুজোৱা হয়। যেনে— পদার্থ বিজ্ঞানৰ স্নাতকোত্তৰ, প্রাক্‌-স্নাতক পর্যায়ৰ ৰসায়ন বিজ্ঞান, প্রাথমিক পর্যায়ৰ গণিত ইত্যাদি। কিন্তু মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত পাঠ্যবিষয় বুলিলে অধ্যয়নৰ সৈতে জড়িত শিক্ষা আৰু অন্য উপাদানবোৰৰ কথা বুজোৱা হয়। এই ব্যৱস্থাত পাঠ্যবিষয় বুলিলে স্ব-শিকন সামগ্রীৰ সংখ্যা, স্ব-শিকন সামগ্রীৰ বিকাশ আৰু ছপা সামগ্রীৰ পুনৰ পৰীক্ষণ, দৃশ্য-শ্রাব্য সামগ্রী, অনলাইন সামগ্রী আৰু কম্পিউটাৰ ভিত্তিক সামগ্রীবোৰক সামৰি লোৱা হয়। ইয়াৰ উপৰি মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থাত পৰামর্শদান আৰু যোগাযোগ স্থাপনৰ সময়, প্রদত্ত কার্য, পুথিভঁৰালকেন্দ্রিক কার্য, পৰীক্ষাগাৰকেন্দ্রিক কার্য, প্রকল্প কার্য আদিও পাঠ্যবিষয়ৰ অন্তর্ভুক্ত।
- **খণ্ড ঃ** এটা পাঠ্যবিষয়ক একাধিক খণ্ডত ভগোৱা হয়। স্ব-শিকন সামগ্রীবোৰৰ

বাবে স্বীকৃত আকৃতিৰ খণ্ড এটাত প্রায় ৬০-৮০টা ছপা পৃষ্ঠা থাকিব পাৰে। প্রতিটো খণ্ডৰে একোটা বিষয়বস্তুকেন্দ্রিক ধাৰণা থাকিব লাগিব। ছপা কৰা স্ব-শিকন সামগ্রীবোৰ শিক্ষার্থীলৈ প্রেৰণা কৰা হয়। যদিও শিক্ষার্থীসকলে শিক্ষানুষ্ঠান পৰিসৰৰ পৰা আঁতৰত থাকি অধ্যয়ন কৰে তথাপিও এনে সামগ্রীবোৰৰ জৰিয়তে তেওঁলোকৰ মনত শিক্ষানুষ্ঠানৰ সৈতে এটা একাত্মবোধ গঢ়ি তোলাৰ আৰু সংযোগ স্থাপনৰ প্রয়াস কৰা হয়। শিক্ষার্থীয়ে একোটা খণ্ড অধ্যয়ন কৰি উঠাৰ পাচত সফলতাৰ অনুভৱো কৰিব পাৰে। শৈক্ষিক দৃষ্টিৰে মাত্র এখন বৃহৎ কলেৱৰৰ কিতাপ পঢ়াতকৈ পাঠ্যবিষয় এটা সৰু সৰু খণ্ডত ভগাই লৈ পঢ়িলে পাঠ্যবিষয়টো সম্পূর্ণ কৰাটো সহজ হৈ পৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ ক্রেডিট ব্যৱস্থা ঃ স্ব-শিকন সামগ্রীবোৰ বিভিন্ন ৰূপত প্রস্তুত কৰা হয় বুলি আফুনি ইতিমধ্যে জানিব পাৰিলে। প্রতিটো অধ্যায়কে কিছুমান ক্রেডিটৰ সহায়ত জোখা হয়। এটা পাঠ্যবিষয়ৰ প্রতিটো ম'ডিউল নাইবা অধ্যায়ৰ ক্রেডিট মূল্যৰ বিৰৰণ দিয়া থাকে। ক্রেডিট হ'ল এক স্বীকৃত আৰু স্বচ্ছ ব্যৱস্থা। এক নির্দিষ্ট সময়ৰ ভিতৰত সামৰিবলগীয়া শৈক্ষিক প্রক্রিয়াবোৰ সুচাৰুৰূপে আগবঢ়াই নিয়াত ক্রেডিট ব্যৱস্থাই সহায় কৰে। ইয়াক কোনো এটা অধ্যায় শিক্ষার্থীয়ে কিমান সময় অধ্যয়ন কৰিব সেয়া নির্ধাৰণৰ কামত ব্যৱহাৰ কৰা হয়।

- এক স্বীকৃত হিচাপ মতে প্রতিটো ক্রেডিটৰ বিপৰীতে ৩০-৩২ ঘণ্টা অধ্যয়নৰ প্রয়োজন।
- এটা শৈক্ষিক কার্যসূচীত যদি এটা ৪ ক্রেডিটৰ পাঠ্যবিষয় থাকে, তেন্তে শিক্ষার্থীয়ে মুঠ ১২০ ঘণ্টা অধ্যয়ন কৰিব লাগিব। এই ১২০ ঘণ্টাৰ ভিতৰত ১২ ঘণ্টা পৰামর্শদান শ্রেণীবোৰৰ বাবে স্থিৰ কৰা থাকে। অর্থাৎ মুঠ অধ্যয়ন কালৰ ১০% পৰামর্শদান শ্রেণীবোৰৰ বাবে ৰখা হয়।
- এটা শৈক্ষিক কার্যসূচীত যদি এটা ৬ ক্রেডিটৰ পাঠ্যবিষয় থাকে, তেন্তে শিক্ষার্থীয়ে মুঠ ১৮০ ঘণ্টা অধ্যয়ন কৰিব লাগিব। ইয়াৰে ১০% সময়, অর্থাৎ ১৮ ঘণ্টা শিক্ষার্থীয়ে অধ্যয়ন কেন্দ্রবোৰত হোৱা পৰামর্শদান শ্রেণীত উপস্থিত থাকিব লাগিব।



৩.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্ব-শিকন সামগ্রী (SLM) মানে কি?

প্রশ্ন ২ ঃ এটা মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষাৰ অনুষ্ঠানে আৰম্ভ কৰা শৈক্ষিক কার্যসূচী এটা আগবঢ়াই নিয়াত স্ব-শিকন সামগ্রী কিয় প্রয়োজনীয়?

প্রশ্ন ৩ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত 'কার্যসূচী' বুলিলে কি বুজায়?

প্রশ্ন ৪ ঃ স্ব-শিকন সামগ্রীৰ 'খণ্ড' বোলা ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৫ ঃ স্ব-শিকন সামগ্রীৰ 'অধ্যায়' এটাৰ প্রয়োজনীয়তা বর্ণনা কৰক।

প্রশ্ন ৬ ঃ ক্রেডিট মানে কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্ব-শিকন সামগ্রীৰ কেইটামান প্রকৃতি/বৈশিষ্ট্য ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ স্ব-শিকন সামগ্রী আৰু পাঠ্যপুথিৰ মাজৰ প্রভেদ নির্ণয় কৰক।

প্রশ্ন ৩ ঃ স্ব-শিকন সামগ্রীৰ মৌলিক বৈশিষ্ট্য কেইটামান উল্লেখ কৰক।

প্রশ্ন ৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত থকা ক্রেডিট পদ্ধতিটো ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্ব-শিকন সামগ্রীৰ প্রকাৰবোৰ কি কি? বিভিন্ন প্রকাৰৰ স্ব-শিকন সামগ্রীৰ প্রকৃতি ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ স্ব-শিকন সামগ্রীৰ প্রয়োজনীয়তা আৰু বৈশিষ্ট্য আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'স্ব-শিকন সামগ্রীৰ অধ্যায় এটাৰ বিকাশৰ বাবে এটা সুনির্দিষ্ট গাঁথনি আৰু আর্হি আছে' —স্ব-শিকন সামগ্রীৰ অধ্যায় এটাৰ আর্হি আৰু গাঁথনি সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ অধ্যয়নৰ কৌশলসমূহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অধ্যয়নৰ কৌশলবোৰৰ অর্থ আৰু গুৰুত্ব
৪.৪ ফলপ্রসু অধ্যয়ন কৌশলৰ বিকাশ
৪.৫ অধ্যয়ন কৌশলসমূহৰ বিকাশৰ পৰিকল্পনা
৪.৫.১ ফলপ্রসু শ্রৱণ
৪.৫.২ ফলপ্রসু পঢ়ন
৪.৫.৩ ফলপ্রসু লিখন
৪.৫.৪ যোগাযোগৰ কৌশলসমূহ
৪.৫.৫ সময় পৰিচালনা
৪.৬ অধ্যয়নৰ কৌশলসমূহ আৰু দূৰৱৰ্ত্তী শিকন
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 'অধ্যয়ন কৌশলসমূহ'ৰ সংজ্ঞা দিব পাৰিব
- শিকনত অধ্যয়ন কৌশলবোৰৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- শিকনৰ ফলপ্রসু অধ্যয়ন কৌশলসমূহ বিকাশ কৰাৰ দিশবোৰ বর্ণনা কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিকনৰ অধ্যয়ন কৌশলবোৰৰ গুৰুত্ব চিনাক্ত কৰিব পাৰিব।

৪.২ পৰিচয়

যিকোনো শিক্ষণ-শিকন প্রক্রিয়াত, কিছুমান পদ্ধতি থাকে, যিবোৰে ব্যৱস্থাগতভাৱে শিক্ষার্থীৰ শিকন ফলাফল ধৰি ৰখাত সহায় কৰে। দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী যাক মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ স্বতন্ত্র শিক্ষার্থী স্বৰূপে জনা যায়, তেওঁলোকে নিজ পাঠ্যক্রমত নিজস্ব গতিৰে আগবাঢ়ি যাবলৈ কিছুমান মৌলিক কৌশল জনা দৰকাৰ। এই অধ্যায়টোৰ শিক্ষার্থীসকলৰ শিকন প্রক্রিয়াৰ উন্নতিকৰণৰ বিভিন্ন দিশবোৰৰ বিষয়ে দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

তাৰোপৰি, এই অধ্যায়টিয়ে শিক্ষার্থীসকলক শিকনৰ বিভিন্ন পদ্ধতি আৰু কৌশলবোৰৰ বিষয়ে অৱগত কৰাব, যিবোৰ শিকনৰ জ্ঞান আৰু তথ্য আহৰণত সহায় কৰিব। তাৰোপৰি অন্যান্য কিছুমান সম্পর্কিত বিষয় যেনে শ্ৰৱণ কৌশল, পঢ়ন কৌশল, ফলপ্রসু যোগাযোগ, লিখন কৌশল আৰু সময় পৰিচালনা আদিৰ বিষয়ে এই অধ্যায়টিত আলোচনা কৰা হ'ব। প্রকৃততে, দূৰৱৰ্ত্তী শিক্ষাৰ শিকন কৌশলবোৰৰ প্রয়োজনীয়তা সম্পর্কে জানিব পাৰিব।

৪.৩ অধ্যয়নৰ কৌশলসমূহৰ অর্থ আৰু গুৰুত্ব

আপোনালোকে জানে যে বিদ্যায়তনিক দিশৰ বাবে আমাক সংজ্ঞানাত্মক কৌশলসমূহ যেনে সাহিত্য আৰু সাংখ্যিক কৌশলৰ প্রয়োজন, ঠিক তেনেদৰে শিকন প্রক্রিয়াৰ কঠিন ব্যৱস্থাৰ বাবে সময় পৰিচালনা আৰু সাংগঠনিক কৌশলসমূহ জনা প্রয়োজনীয়। সেইবাবে অধ্যয়ন কৌশলক বহুলভাৱে এনেদৰে সংজ্ঞা দিয়া হয় যে ই হৈছে পাঠ্যক্রমৰ অন্তর্গত নোহোৱা বিশেষ কৌশল যাক শিক্ষার্থীয়ে দূৰৱৰ্ত্তী শিক্ষাৰ উপযুক্ত শিক্ষার্থী হ'বৰ বাবে বিকাশ কৰিব লাগে।

লে'মেনৰ ভাষাত (Layman) অধ্যয়ন কৌশলবোৰ হৈছে বিভিন্ন অভিক্ষমতা, যিবোৰ শিক্ষার্থীৰ শিকন সমর্থৰ উন্নতিৰ বাবে বিকাশ কৰা হয়। দূৰৱৰ্ত্তী শিকন হৈছে প্রকৃততে আত্ম শিকন। সেইবাবে, এই কৌশলসমূহৰ উপযুক্ত ব্যৱহাৰে ফলপ্রসু শিক্ষার্থী গঢ়ি তোলে।

এতিয়া প্রশ্ন হয় যে আপোনালোকে অধ্যয়নৰ কৌশলসমূহ কিয় জানিব লাগে? অধ্যয়নৰ কৌশলসমূহৰ জ্ঞানে আপোনালোকক নিজ প্রচেষ্টাৰ দ্বাৰা বোধ আৰু জ্ঞান অর্জনত সহায় কৰিব আৰু শিক্ষনৰ স্বতন্ত্র ভংগিমা বিকাশ কৰাৰ ক্ষেত্রত অভিৰোচিত কৰিব। এনেবোৰ কৌশলে আপোনালোকৰ অধ্যয়ন কৌশলৰ দুর্বলতাবোৰ আঁতৰ কৰাত সহায় কৰিব আৰু আপোনালোকৰ অধ্যয়ন সঠিক পথেৰে আগবাঢ়ি যোৱাত সহায় কৰিব। এইবোৰৰ উপৰিও, এনেবোৰ কৌশলে আপোনালোকক কম সময়ত বেছি শিকাৰ বাবে সহায় কৰিব আৰু মুখস্থতকৈ সক্রিয় অধ্যয়নত আপোনালোকক বেছি জড়িত কৰি তুলিব।

৪.৪ ফলপ্রসু অধ্যয়ন কৌশলৰ বিকাশ

আপোনালোক নিশ্চয় মন কৰিছে যে একে পদ্ধতিৰে দুজন ব্যক্তিয়ে অধ্যয়ন নকৰে। আপোনাৰ বন্ধু বা অন্যই অধ্যয়নৰ ক্ষেত্রত ব্যৱহাৰ কৰা পদ্ধতিবোৰ একে নহ'বও পাৰে। বিষয়বস্তু নির্বাচন আৰু সমর্থৰ ক্ষেত্রত প্রত্যেক ব্যক্তিয়ে এজনৰ পৰা আনজন পৃথক। ধৰা হ'ল আপুনি 'X' বিষয়টো ভাল পায়, সেইবাবে এই বিষয়টো অধ্যয়নৰ ক্ষেত্রত আপুনি বিশেষ চেষ্টা কৰিব নোলাগে। যিহেতু বিষয়টো আপুনি ভাল পায় সেইবাবে বিষয়টো অধ্যয়ন কৰি আপুনি ভাল পাব। কিন্তু এই একেখিনি বিষয় আপোনাৰ বন্ধুৰ ক্ষেত্রত নহ'বও পাৰে যদিহে তেওঁৰ 'X' বিষয়টোৰ প্রতি আগ্রহ নোথাকে। সেইবাবে 'X' বিষয়টো পঢ়াৰ বাবে তেওঁ বিশেষ চেষ্টা হাতত ল'ব লাগিব। শিক্ষার্থী হিচাবে আপোনাৰ শিকন ফলপ্রসু আৰু উপযুক্তভাৱে অধ্যয়নৰ

সমৰ্থৰ ওপৰত নিৰ্ভৰ কৰিব। এনে কৰাৰ ক্ষেত্ৰত অধ্যয়ন কৌশলবোৰ সহায়ক হ'ব। ইয়াত, এটা কথা স্পষ্ট যে অধ্যয়ন কৌশলৰ বিষয়ে কেৱল মাত্ৰ ভাবিলে আপোনাৰ ক্ষেত্ৰত সহায়ক নহ'ব। ফলপ্ৰসু অধ্যয়নৰ কৌশল বিকাশৰ বাবে তলৰ দিশবোৰ আপোনালোকে মনত ৰাখিব লাগিব।

- **অধ্যয়নৰ এক পৰিকল্পনা ঃ** এইটো কোৱা হয় যে কোনো এটা কামৰ বাবে যেতিয়া পৰিকল্পনা কৰা হয় তেতিয়া ইয়াৰ দ্বাৰা কামটো আধা কাৰ্যকৰী হোৱা বুজায়। সেইবাবে, ফলপ্ৰসু অধ্যয়নৰ ক্ষেত্ৰত প্ৰথম আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে অধ্যয়নসূচীৰ পৰিকল্পনা। আপুনি আপোনাৰ অধ্যয়নৰ পৰিকল্পনা দৈনন্দিন বা সাপ্তাহিক বা মাহিলিভিত্তিকভাৱে প্ৰস্তুত কৰিব পাৰে। এনে পৰিকল্পনাই আপোনাৰ সময় উপযুক্তভাৱে নিৰ্ধাৰণ কৰা আৰু বিভিন্ন বিষয়ত সময় দিয়াৰ ক্ষেত্ৰত সহায় কৰিব। কিন্তু আপুনি এটা কথা মনত ৰাখিব লাগিব যে ভাল পৰিকল্পনাও বিফল হ'ব পাৰে যদিহে ইয়াত উপযুক্তভাৱে আৰু একাগ্ৰতাৰে প্ৰয়োগ কৰা নহয়। সেইবাবে, এইটো গুৰুত্বপূৰ্ণ যে যেতিয়া পৰিকল্পনা কৰা হয় তেতিয়া তাক প্ৰয়োগ কৰিব লাগে।
- **অধ্যয়নৰ সময় ঃ** অধ্যয়নৰ সময় নিৰ্ধাৰিতভাৱে ধৰি ল'ব নেলাগে। অধ্যয়নৰ উপযুক্ত সময় চিনাক্তকৰণৰ ক্ষেত্ৰত বহু শিক্ষাৰ্থীয়ে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। বেছিভাগেই কেতিয়া অধ্যয়ন কৰিব লাগিব তাক স্থিৰ কৰিব নোৱাৰে। কিন্তু উপযুক্ত অধ্যয়নৰ বাবে শিক্ষাৰ্থীয়ে কেতিয়া অধ্যয়ন কৰিব সেইক্ষেত্ৰত সঠিক সিদ্ধান্ত ল'ব লাগে। এইটো কোৱা হয় যে যেতিয়া শিক্ষাৰ্থী এগৰাকী শাৰিৰীক আৰু মানসিকভাৱে শিকনৰ বাবে প্ৰস্তুত থাকে আৰু যিকোনো উদ্বিগ্নতা বা উত্তেজনাৰ পৰা মুক্ত থাকে সেইটোৱে অধ্যয়নৰ উপযুক্ত সময়। সেইবাবে যেতিয়া আপুনি স্বস্তি আৰু মুক্ত অনুভৱ কৰে তেতিয়া অধ্যয়ন কৰিব লাগে।
- **অধ্যয়নৰ ঠাই ঃ** অধ্যয়নৰ উপযুক্ত সময় জনাৰ পিছত আপুনি কোন ঠাইত পঢ়িব সেই বিষয়ে জানিব লাগিব। আপোনালোকৰ বেছি ভাগেই ভাবিব নিশ্চয় যে অধ্যয়নৰ বাবে উপযুক্ত সা-সুবিধা থকা ধুনীয়া কোঠাৰ প্ৰয়োজন। কিন্তু প্ৰকৃততে যিকোনো ঠাইত ফলপ্ৰসু অধ্যয়ন সম্ভৱ। এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিশটো হৈছে অধ্যয়নৰ বাবে নিৰ্বাচিত ঠাই আপোনাৰ বাবে উপযুক্ত হয় আৰু যিকোনো ধৰণৰ অসুবিধাৰ পৰা যেন মুক্ত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ 'অধ্যয়ন কৌশলসমূহ'ৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন ২ ঃ ফলপ্ৰসু অধ্যয়ন কৌশলৰ বিকাশৰ প্ৰয়োজনীয় দিশবোৰ লিখক।

.....

৪.৫ অধ্যয়ন কৌশলসমূহৰ বিকাশৰ পৰিকল্পনা

আপোনাৰ অধ্যয়ন কৌশলসমূহৰ বিকাশৰ বাবে আপুনি বিভিন্ন ধৰণে আগবাঢ়িব পাৰে, যিবোৰে আপোনাৰ ফলপ্রসু শিকন প্রচেষ্টা সফল কৰি তুলিব। বিভিন্ন ধৰণৰ পৰিকল্পনাসমূহৰ ভিতৰত চিন্তন কৌশল, টোকা গ্রহণ কৌশল, পাঠ্যপুথি, টোকা লিকা কৌশল আদিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিম।

- **আপোনাৰ চিন্তন কৌশলৰ উদ্দেশ্যপূর্ণ ব্যৱহাৰ ঃ** আমাৰ সকলোৰে চিন্তা কৰিব পৰা ক্ষমতা আছে। একে সময়তে আমি বিভিন্ন বস্তুৰ বিষয়ে চিন্তা কৰিব পাৰো। আপোনাৰো চিন্তা কৰাৰ সমর্থ আছে আৰু আপুনি বহুত বস্তুৰ বিষয়ে চিন্তা কৰিব পাৰে। কিন্তু আপুনি সদায় আপোনাৰ চিন্তন কৌশল উদ্দেশ্যপূর্ণভাৱে ব্যৱহাৰ কৰেনে? আপোনাৰ উত্তৰ নিশ্চয় নেতিবাচক হ'ব। কিন্তু শিকনৰ বাবে আপোনাৰ চিন্তন কৌশলক ফলপ্রসুভাৱে ব্যৱহাৰ কৰা গুৰুত্বপূর্ণ। ই আপোনাৰ উপযুক্ত অধ্যয়ন কৌশলৰ বিকাশত সহায় কৰিব। সেইবাবে, আমি চিন্তন কৌশলৰ ক্রমান্বয়ে বিকাশ কৰিব লাগে আৰু শিকন উদ্দেশ্যত ব্যৱহাৰ কৰিব লাগে।
- **SQ3R পদ্ধতি ঃ** SQ3Rৰ অন্তর্গত দিশবোৰ হ'ল জৰীপকৰণ, প্রশ্ন, পঢ়া, আকৃতি আৰু পুনৰীক্ষণ। এই পঞ্চ স্তৰে শিক্ষার্থীক অধ্যয়ন সামগ্রী পঢ়াৰ ক্ষেত্রত আত্মবিশ্বাসী কৰি তুলিব। আমি SQ3Rৰ বিষয়ে পঢ়ন কৌশলৰ শাখাত বিস্তৃতভাৱে আলোচনা কৰিম।
- **আপোনাৰ টোকা শুদ্ধ আৰু সহজে পঢ়িব পৰা হ'ব লাগে ঃ** টোকা গ্রহণ হৈছে অধ্যয়ন কৌশলৰ সৈতে সম্পর্কিত এক গুৰুত্বপূর্ণ কৌশল। অধ্যয়নৰ ক্ষেত্রত শুদ্ধভাৱে আৰু পঢ়িব পৰা ধৰণে টোকা গ্রহণ প্রয়োজনীয় দিশ, নহ'লে টোকা লিখাৰ পিছত পঢ়াৰ সময়ত নিজৰ হাতৰ আখৰ চিনাত অসুবিধা হয়। আপোনাৰ টোকাখিনি যদি পিছত ভালদৰে ব্যৱহাৰ কৰিব নোৱাৰে ই একো কামত নাহিব।
- **পাঠ্য সামগ্রী দিশ দাঙি ধৰা ঃ** এইটো লক্ষ্য কৰা হৈছে যে যিবোৰ কথা স্পষ্টভাৱে দেখুওৱা থাকে তেনেবোৰ কথা শিক্ষার্থীয়ে সহজে আয়ত্ব কৰিব পাৰে। সেইবাবে যেতিয়া আপুনি পঢ়ে তেতিয়া গুৰুত্বপূর্ণ দিশবোৰ চিনাক্ত কৰিব লাগে।

৪.৫.১ ফলপ্রসু শ্রৱণ

দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী হিচাবে আপুনি মুখা-মুখি আভাষ প্রদান, বিদ্যায়তনিক পৰামর্শ দান, দূৰৱৰ্ত্তীভাষ আলোচনা কিছুমান কার্যসূচী শুনা ইত্যাদিবোৰৰ সৈতে জড়িত হ'ব লাগে। এই সকলো ক্ষেত্রতে ফলপ্রসু যোগাযোগৰ বাবে আপোনাৰ শ্রৱণ অতি গুৰুত্বপূর্ণ। যদি আপুনি ভালদৰে নুশুনে তেতিয়া ফলপ্রসুভাৱে শিকিব বা নিজকে প্রকাশ কৰিব নোৱাৰিব। ইয়াৰ দ্বাৰা উপযুক্ত যোগাযোগৰ কৌশলসমূহৰ বিকাশ ঘটে। আমি মনত ৰাখিব লাগে যে শুনা আৰু শ্রৱণ দুয়োটা একে বস্তু নহয়।

দুয়োটা সম্পূর্ণ পৃথক। শুনাটো হৈছে যেতিয়া আপোনাৰ কাণে শব্দৰ ঢৌ আৰু কোলাহলৰ (Noise) অভিজ্ঞতা লাভ কৰে, কিন্তু শ্ৰৱণ হৈছে যেতিয়া আপুনি শব্দৰ ঢৌ গ্ৰহণ কৰে আৰু বক্তাই কোৱা শব্দ আৰু বাক্যবোৰ মনোযোগ দিয়ে। শ্ৰৱণৰ উন্নতিৰ বাবে আপুনি প্ৰচেষ্টা হাতত ল'ব পাৰে। তলত উল্লেখ কৰা দিশবোৰৰ জৰিয়তে আপুনি শ্ৰৱণ সমৰ্থৰ উন্নতি সাধন কৰিব পাৰে।

- *অৰ্থ উলিয়াবলৈ চেষ্টা কৰা* ঃ শিক্ষাৰ্থী হিচাবে আপুনি যেতিয়া পৰামৰ্শ দান শ্ৰেণী বা অন্য কোনো ধৰণৰ কাৰ্যসূচীত উপস্থিত থাকে, তেতিয়া কেৱল বক্তাৰ কথা শুনিলেই নহয় তাৰ ওপৰত চিন্তা কৰাৰ প্ৰয়াস কৰিব। এইখিনি কৰি আপুনি প্ৰধান ধাৰণা উলিয়াব চেষ্টা কৰিব আৰু পৰামৰ্শ দানকাৰীয়ে দাঙি ধৰা দিশবোৰ উলিয়াবলৈ যত্ন কৰিব। তাৰোপৰি বক্তা বা পৰামৰ্শ দাতাই দাঙি ধৰা উদাহৰণ আৰু বৰ্ণনা মনোযোগেৰে শুনিব। ইয়াৰ দ্বাৰা আপুনি বক্তাই কোৱা প্ৰতিটো শব্দৰে ব্যাখ্যা উলিয়াব পাৰিব।
- *গুৰুত্বপূৰ্ণ আৰু সংগতি থকা দিশবোৰ টুকি লোৱা* ঃ যেতিয়া আপুনি পৰামৰ্শদান শ্ৰেণীত মনোযোগ দিয়ে যেতিয়া তাৰ গুৰুত্বপূৰ্ণ দিশবোৰ টুকি ৰাখিব লাগে। পাছত যেতিয়া এনে টুকি ৰখা গুৰুত্বপূৰ্ণ দিশবোৰ একেলগে গোটাই ল'ব, ই আপোনাক বিষয়বস্তু আয়ত্ব কৰাত সহায় কৰিব। টোকা প্ৰস্তুতিৰ ক্ষেত্ৰত, সংগতি থকা দিশবোৰহে কেৱল টুকি ৰাখিব লাগে। যদি আপুনি দীঘলীয়াভাৱে টোকা প্ৰস্তুত কৰিব যায় তেতিয়া শিক্ষকে কোৱা বহু গুৰুত্বপূৰ্ণ দিশ বাদ পৰি যাব। যেতিয়া শিক্ষকে কোৱা সকলোখিনিৰ টোকা প্ৰস্তুত কৰিব যায় তেতিয়া এনেধৰণৰ অসুবিধাই দেখা দিয়ে।
- *একাগ্ৰতাৰে শিকা* ঃ শিক্ষণৰ হাৰ আপোনাৰ একাগ্ৰতাই নিৰ্ধাৰণ কৰিব। শিক্ষকে কোৱা কথাবোৰ শুনিলেই শিক্ষণ সম্ভৱ নহয়। ফলপ্ৰসু শিক্ষণৰ বাবে শিক্ষকে দাঙি ধৰা তথ্যক প্ৰক্ৰিয়ালৈ পৰিবৰ্তন কৰিব লাগিব। ইয়াৰ বাবে শ্ৰেণীত আপোনাৰ একাগ্ৰতাৰ স্তৰ অতি গুৰুত্বপূৰ্ণ। ফলপ্ৰসু শ্ৰৱণৰ বাবে শিক্ষকে বক্তৃতাত দাঙি ধৰা কথাবোৰ একাগ্ৰতাৰে গ্ৰহণ কৰিব লাগিব।
- *আগতীয়াকৈ শ্ৰেণীৰ বাবে প্ৰস্তুতি* ঃ শ্ৰেণীকোঠাত আপোনাৰ মনোযোগেৰে শ্ৰৱণ নিৰ্ভৰ কৰে শ্ৰেণীৰ পূৰ্ব প্ৰস্তুতিৰ ওপৰত। ইতিমধ্যে শ্ৰেণীত শিকোৱা আৰু পৰৱৰ্তী সময়ত শিকাবলগীয়া দুয়ো ধৰণৰ পাঠ পঢ়ি থ'লে ই আপোনাৰ বাবে সহায়কাৰী হ'ব। এনেধৰণৰ প্ৰস্তুতিৰে শ্ৰেণীকোঠালৈ আহিলে ভালকৈ বুজাৰ উপৰিও শ্ৰেণীত সক্ৰিয়ভাৱে অংশগ্ৰহণ সম্ভৱ হয়।
- *শ্ৰেণীৰ প্ৰতি আগ্ৰহ বৃদ্ধি* ঃ যেতিয়া আপুনি শ্ৰেণীত উপস্থিত থাকে সেই সময়ত শিকোৱা পাঠ্যৰ প্ৰতি সচেতনভাৱে আগ্ৰহ দেখুৱাব লাগে। অন্যথা, শিক্ষকে শিকোৱা কথা আপোনাৰ বাবে বুজাটো কঠিন হ'ব। সেইবাবে এগৰাকী

শিক্ষার্থী হিচাবে যেতিয়া আপুনি শ্রেণীলৈ আহে মনত এক বদ্ধমূলক পৰিকল্পনা ৰাখিব লাগে যে শিক্ষকে শিকোৱা বস্তুৰ প্রতি আপোনাৰ যথেষ্ট আগ্রহ আছে। উপযুক্তভাৱে আগ্রহেৰে শুনাটো আপোনাৰ বাবে যথেষ্ট প্রয়োজনীয়।

- *আপোনাৰ বক্তাক সূক্ষ্মভাৱে নিৰীক্ষণ বা মানি চলা* ঃ শিক্ষকৰ বক্তৃতাত ভালদৰে মনোযোগ দিবলৈ হ'লে তেওঁ সুক্ষ্মভাৱে নিৰীক্ষণ কৰিব লাগিব। যেতিয়া শিক্ষকে বক্তৃতা দিয়ে তেতিয়া তেওঁৰ অশাব্দিত ইংগিতবোৰ লক্ষ্য কৰিব লাগে।
- *ইতিবাচক মনোভাৱেৰে শ্রেণীত প্রৱেশ* ঃ শিক্ষকৰ প্রতি আৰু শ্রেণীত আলোচনা কৰিবলগীয়া বিষয়ৰ প্রতি এটা স্থিৰ সিদ্ধান্ত লৈ শ্রেণীত প্রৱেশ কৰিব নোলাগে। আপোনাৰ শিক্ষকে কি কয় তাক ইতিবাচক মনোভাৱেৰে শুনিব। যদি আপুনি শিক্ষক আৰু শিকিবলগীয়া বিষয়ৰ ক্ষেত্রত এক বদ্ধমূলক ধাৰণা লৈ থাকে তেন্তে আপুনি ভবামতে শ্রেণীৰ পৰিৱেশ নিমিলিলে সকলো দিশতে অসুবিদাই দেখা দিয়ে।
- *শ্রেণীকোঠাত আপোনাৰ আকাংক্ষাবোৰ উল্লেখ কৰক* ঃ যদি শ্রেণীৰ পৰা আপোনাৰ একো আশা-আকাংক্ষা নেথাকে তেন্তে আপুনি নিশ্চিতভাৱে শ্রেণীত মনোযোগেৰে শুনিব নোৱাৰিব। সেইবাবে শ্রেণীত প্রৱেশ কৰাৰ পূর্বে নিজক আকাংক্ষা স্থিৰ কৰি লওক। নিজে চিনাক্ত কৰি উলিওৱা দিশবোৰৰ বিষয়ে শিক্ষকৰ পৰা ভালদৰে শুনক। এনে প্রক্রিয়াই আপোনাক ফলপ্রসু আৰু উদ্দেশ্যপূর্ণভাৱে শ্রৱণত সহায় কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ শিকনৰ ক্ষেত্রত টোকা লিখা কিয় প্রয়োজনীয়?

.....

.....

৪.৫.২ ফলপ্রসু পঢ়ন

ওপৰত উল্লেখ কৰা ধৰণে SQ3R পদ্ধতিয়ে অধ্যয়ন কৌশল উন্নতি কৰাৰ এক উপযুক্ত পথ। এইটো হৈছে এক অধ্যয়ন পদ্ধতি, যাক ১৯৬১ চনত ৰবিনচনে (Robinson) দাঙি ধৰিছিল। এই পদ্ধতিটোক থমাচ (Thomas) আৰু ৰবিনচন (Robinson) ১৯৭২ চনত (গ্লেন (Glyn) আৰু মুটথ্ (Muth), ১৯৯৪) সংশোধিত কৰি SQ4R স্বৰূপে নামাকৰণ কৰে। পৰৱর্তী সময়ত, অন্য গৱেষকসকলে ইয়াক সংশোধিত কৰি SQ5R, SQ5WR ইত্যাদি স্বৰূপে অভিহিত কৰে। আমি সেইবোৰ একাদিক্রমে আলোচনা কৰিম।

- **SQ3R পদ্ধতি**
  - *জৰীপকৰণ ঃ* যেতিয়া আপুনি নিজক কোনো অধ্যয়নৰ কার্যসূচীত অন্তর্ভুক্ত কৰে তাত আপোনাক অধ্যয়ন সামগ্রী প্রদান কৰা হয়। অধ্যয়ন সামগ্রী পোৱাৰ পিছত আপুনি পাঠ্যসূচীৰ ওপৰত চকু ফুৰাব লাগে। ইয়াক জৰীপকৰণ বোলা হয়। এই জৰীপকৰণৰ যোগেদি আপুনি আপোনাৰ পাঠ্যসূচীৰ ভাগবোৰ কেনেদৰে কৰা হৈছে, তাত কিমান পাঠ্যসূচী আছে, প্রত্যেক পাঠ্যসূচীত কিমানটাকৈ শাখা আছে ইত্যাদিবোৰ জানিব পাৰিব। তাৰোপৰি, এই জৰীপকৰণে পাঠ্যসূচীৰ গঠন সম্পর্কে জনাৰ ক্ষেত্রত আপোনাক সহায় কৰিব। ইয়াৰ লগতে আপুনি নির্বাচন কৰি লোৱা পাঠ্যক্রমৰ পাঠ বা বিষয়সমূহৰ প্রতি সচেতন হোৱাত জৰীপকৰণে সহায় কৰে। এনেদৰে আপুনি প্রথম পদক্ষেপত আপোনাৰ পাঠ্যক্রম সম্পর্কে প্রাৰম্ভিক ধাৰণা কৰিব পাৰিব যিটোৱে পৰৱর্তী সময়ত কোনো ধৰণৰ কঠিনতা নোহোৱাকৈ আগবাঢ়ি যোৱাত আপোনাৰ সহায়ক হ'ব।
  - *প্রশ্ন ঃ* শিকন হৈছে উদ্দেশ্য প্রণোদিত কার্যাৱলী। সেইবাবে কোনো এটা পাঠ্যসূচী পঢ়াৰ ক্ষেত্রত আপোনাৰ নিশ্চয় এক উদ্দেশ্য থাকিব। যেতিয়া আপুনি আপোনাৰ পাঠ্যসূচীৰ বিশেষ এটা পাঠ পঢ়িব তেতিয়া আপুনি নিজকে পাঁচটা WSৰ দ্বাৰা প্রশ্ন কৰিব লাগিব, যেনে কি, কিয়, কোন, কেতিয়া আৰু ক'ত। ই বিশেষ বিষয়ৰ 'কেনেকৈ' টো ব্যাখ্যা কৰিব। এনেবোৰ প্রশ্নৰ উত্তৰে অধ্যয়নসূচী বুজাত সহায় কৰিব আৰু ইয়াক আপুনি সহজে মনত ৰাখিব পাৰিব কাৰণ এই প্রক্রিয়াটোৱে আপোনাক পাঠ্যক্রমৰ ওপৰত এক ধাৰণা দিব। সেইবাবে যেতিয়া আপুনি পাঠ্যক্রম অধ্যয়ন কৰিব তেতিয়া প্রশ্নবোৰ লিখি যাব আৰু পঢ়াৰ লগতে প্রশ্নবোৰৰ উত্তৰ লিখিবলৈ সংকোচ নকৰিব। স্ব-শিকনৰ ক্ষেত্রত ই আপোনাক যথেষ্ট সহায় কৰিব।
  - *পঢ়া ঃ* শিক্ষার্থী হিচাবে, পাঠ্যসূচীৰ অধ্যয়নত সক্রিয়ভাৱে অংশগ্রহণ কৰাটো আপোনাৰ বাবে প্রয়োজনীয়। বিষয়বস্তুৰ পাঠ্যসূচীৰ প্রশ্নবোৰৰ উত্তৰ কৰিব পৰাকৈ আপুনি মানসিকভাৱে প্রস্তুত থাকিব লাগে। এইবোৰৰ উপৰিও, স্ব-নির্দেশনামূলক সামগ্রীসমূহ এখন কিতাপ, আলোচনী আৰু বাতৰি কাকত ইত্যাদি পঢ়াৰ দৰে নহয়। শিক্ষকৰ সৈতে আদান-প্রদানৰ নিচিনাকৈ আপুনি অধ্যয়ন সামগ্রী পঢ়িব লাগিব। নিজৰ সুবিধা অনুযায়ী এটা গতিৰে অধ্যয়ন সামগ্রীসমূহ পঢ়িব লাগে আৰু প্রধান দিশবোৰ বাচি উলিয়াবলৈ চেষ্টা কৰিব লাগে। অধ্যয়নৰ সামগ্রীৰ অন্তর্গত সকলোবোৰ দিশ যেনে টেবুল, গ্রাফ, ছবিৰে ব্যাখ্যা ইত্যাদি সকলোবোৰ পঢ়িব লাগে, কাৰণ এইবোৰে পাঠ্যক্রমৰ বিষয়বস্তু বুজাত সহায় কৰে। পঢ়াৰ সময়ত টোকা বনোৱা বা প্রধান দিশবোৰত চিন দি যোৱাটো উচিত নহয়। পঢ়াৰ স্তৰত, আপুনি পাঠ্যক্রমৰ ধাৰণা ল'বলৈ মাত্র পঢ়ি যাব। গোটেইখিনি পঢ়াৰ পিছত আপুনি প্রধান দিশবোৰ চিন দি যাব।

- *আবৃতি ঃ* পঢ়া কার্যটো সদায় প্রত্যাভিজ্ঞাৰ সৈতে সম্পর্কিত। শিক্ষার্থী হিচাবে আপুনি পঢ়াখিনি সদায় মনত ৰাখিব লাগে। অন্যথা পঢ়ন অর্থহীন হৈ পৰে। কোনো এটা গোট বা অধ্যায় পঢ়াৰ পিছত তাক মনত পুনৰাবৃত্তিৰ বাবে চেষ্টা কৰিব বা গুৰুত্বপূর্ণ ধাৰণা আৰু তথ্যবোৰ সংগ্রহ কৰিব লাগে। ইয়াৰ দ্বাৰা আপুনি পঢ়া বস্তুবোৰ মনত ৰখাত সহজ হয়। অধ্যায়টো পঢ়াৰ পিছত, নিজৰ ভাষাৰে থূলমূলভাৱে বিষয়বস্তুখিনি বিকাশ কৰিবলৈ চেষ্টা কৰিব লাগে।
- *পুনৰীক্ষণ ঃ* পুনৰীক্ষণ হৈছে ওপৰত আলোচনা কৰা স্তৰবোৰৰ তৎকালীন পুনৰাবৃত্তি। আপুনি লিখা টোকাবোৰ পুনৰীক্ষণ কৰিব লাগে ইয়াৰ দ্বাৰা কঠিন অনুভৱ কৰা দিশবোৰ বুজাত সহায় হয়। পুনৰীক্ষণৰ বাবে উপযুক্ত সময় হৈছে সমগ্র বিষয়বস্তু অধ্যয়ন সমাপ্তিৰ পিছত।

- **SQ4R পদ্ধতি ঃ** এই পদ্ধতি অনুযায়ী অধ্যয়নৰ সময়ত ছয়টা পদক্ষেপ মানি চলিব লাগে। এইবোৰ হৈছে জৰীপকৰণ, প্রশ্ন, পঢ়া, প্রতিফলন, আবৃতি আৰু পুনৰীক্ষণ। আমি যিহেতু প্রতিফলনৰ বাহিৰে অন্য স্তৰবোৰ আলোচনা কৰিলো, এতিয়া প্রতিফলনৰ বিষয়ে জানো আহক।
  - *প্রতিফলন ঃ* প্রতিফলন হৈছে কোনো এটা বস্তুৰ বিষয়ে সচেতন আৰু গভীৰভাৱে চিন্তা কৰা। ইয়াৰ দ্বাৰা পাঠ্যসূচীৰ বিষয়ে অধিক ধাৰণা কৰিব পৰা যায়। পাঠ্যপুথিৰ তথ্যবোৰ মনত ৰখাৰ ক্ষেত্রত প্রতিফলন যথেষ্ট উপযোগী। সাধাৰণতে, অধ্যয়নৰ দ্বিতীয় পর্যায়ত আপুনি প্রতিফলন কার্য আৰম্ভ কৰিব পাৰে। এই স্তৰত আপুনি কি পঢ়িলে আৰু ইতিমধ্যে কি জানি আহিছে দুয়োটাৰ মাজত সম্পর্ক উলিয়াবলৈ চেষ্টা কৰিব লাগে। ই কেৱল পূর্ববর্তী জ্ঞানক মনত ৰখাই নহয় অর্থপূর্ণ তথাবোৰো মনত ৰখাত সহায় কৰিব।
- **SQ5R পদ্ধতি ঃ** SQ5R পদ্ধতিৰে অধ্যয়ন কৰাৰ বাবে সাতটা পদক্ষেপ আছে সেইকেইটা হৈছে জৰীপকৰণ, প্রশ্ন, পঢ়া, প্রতিফলন, তথ্য ৰক্ষা, আবৃতি আৰু পুনৰীক্ষণ। ইয়াত থতা ৰখা মানে কি আমি তাক জনা উচিত। তথ্য ৰখাৰ বাহিৰে আন সকলো স্তৰকে আগতে আলোচনা কৰা হৈছে, এতিয়া আমি তথ্য ৰখাৰ সম্পর্কে আলচেনা কৰিম।
  - *তথ্য ৰখা ঃ* এইটো সাধাৰণ কথা যে যেতিয়া আপুনি পঢ়িব তেতিয়া কিছুমান কঠিন বাক্য বা অর্থ নজনা শব্দ পোৱা যায়। এনে ক্ষেত্রত, আপুনি কঠিন শব্দবোৰ বা বাক্যবোৰ টুকি ৰাখি তাক স্পষ্ট কৰিবলৈ প্রসংগ পুথি চাব।
- **SQW5R পদ্ধতি ঃ** SQW5R পদ্ধতিত ৮টা স্তৰ থাকে, সেইবোৰ হৈছে জৰীপকৰণ, প্রশ্ন, লিখা, পঢ়া, প্রতিফলন, তথ্য ৰখা, আবৃতি আৰু পুনৰীক্ষণ। আহকচোন আমি লিখাৰ অর্থ বুজো।
  - *লিখা ঃ* আপুনি যেতিয়া পাঠ্যসূচীৰ জৰীপকৰণ কৰে, তেতিয়া পাঠ্যক্রম সম্পর্কে কিছুমান প্রশ্ন আপুনি নিজকে সুধিবলগীয়া হয়। আৰম্ভণিৰ স্তৰত, আপুনি প্রশ্নবোৰৰ

উত্তৰ কৰিব নোৱাৰিব পাৰে, সেইবাবে প্ৰশ্নবোৰ লিখি ৰাখিলে পিছত সুবিধা হয়। আপুনি যেতিয়া পাঠ্যপুথিখন পঢ়িব, এবাৰ, দুবাৰ বা তিনিবাৰ তেতিয়া আপুনি নিজেই প্ৰশ্নসমূহৰ উত্তৰ কৰিব পাৰিব। তেতিয়াও যদি আপোনাৰ কিবা সন্দেহ থাকিব যায় তেতিয়া আপুনি বিদ্যায়তনিক পৰামৰ্শদাতাক লগত প্ৰশ্নসমূহ আলোচনা কৰি ঠিক কৰি ল'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ আপোনাৰ নিজৰ ভাষাৰে SQ3R পদ্ধতিটো ব্যাখ্যা কৰক।

.....

.....

৪.৫.৩ ফলপ্ৰসু লিখন

দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থী হিচাবে গৃহকাৰ্য, প্ৰতিবেদন বা পৰীক্ষাত প্ৰশ্ন লিখা বা শিক্ষকৰ সৈতে যোগাযোগ ৰখাৰ ক্ষেত্ৰত আপোনাৰ লিখন কৌশল অতি গুৰুত্বপূৰ্ণ। ভালকৈ লিখাৰ সমৰ্থ হৈছে আপোনাৰ অন্য এক গুণ। আপুনি যিমানে ভালকৈ লিখিব সিমানে শিক্ষকৰ সৈতে উপযুক্তভাৱে যোগাযোগ ৰাখিব পাৰিব। আপুনি যদি নিজৰ লিখনৰ উন্নতি কৰিব বিচাৰে, প্ৰথমতে চাই ল'ব যে কাক উদ্দেশ্য কৰা হৈছে, শিক্ষকক নে অন্য কাৰোবাক যেতিয়া আপুনি এইটো ঠিক কৰিব তাৰ পিছত লিখিব আৰম্ভ কৰিব। লিখিব খোজা কথাখিনি প্ৰধান শাৰী কেইটা ঠিক কৰি ল'ব। উদাহৰণ স্বৰূপে, যদি প্ৰতিবেদন লিখে, প্ৰথমতে তাৰ প্ৰধান শাৰী কেইটা বনাই ল'ব। ইয়াৰ দ্বাৰা আপুনি লিখিবলগা বিষয়বস্তুখিনি পদ্ধতিগতভাৱে উপস্থাপন কৰিব পাৰিব। আপোনাৰ লিখনি 'পঠন উপযুক্ত' কৰিবলৈ নামাকৰণ, উপশাখা, প্ৰধান দিশৰ চিনাক্তকৰণ, য'ত সম্ভৱ হয় নম্বৰ দি ল'ব। ব্যাকৰণগত ভুলবোৰ আওঁৰাব চেষ্টা কৰিব অন্যথা আপোনাৰ লিখনিৰ আচল উদ্দেশ্য প্ৰকাশ নেপাব। আপুনি সদায় লিখাৰ পিচত দুবাৰ পুনৰাই শুদ্ধ হৈছে নে চাব, এবাৰ ব্যাকৰণ আৰু বানান শুদ্ধ হৈছে নে আৰু আন এবাৰ লিখা পাঠ শুদ্ধ হৈছে যাব। কেতিয়াবা এগৰাকী পাৰ্গত সঠিকভাৱে চোৱা ব্যক্তিক দেখুৱাব পাৰে।

৪.৫.৪ যোগাযোগৰ কৌশলসমূহ

যেতিয়া আপুনি সৈতে নিজৰ সমস্যা আলোচনা কৰে বা পাঠ্যপুথিৰ ক্ষেত্ৰত থকা সন্দেহবোৰ দূৰৱৰ্ত্তী কৰিব চেষ্টা কৰে তেনে ক্ষেত্ৰত আপোনাৰ ফলপ্ৰসু যোগাযোগৰ

সমৰ্থ অতি প্ৰয়োজনীয়। আপোনাৰ পঢ়ন বা লিখন কৌশল তেতিয়াহে ফলপ্ৰসু হ'ব যেতিয়া আপোনাৰ ফলপ্ৰসু যোগাযোগৰ সমৰ্থ থাকিব। সেইবাবে ভাল যোগাযোগকাৰী হ'বলৈ চেষ্টা কৰিব লাগে। ভাল যোগাযোগ কৌশলসমূহ আয়ত্ব কৰাৰ কোনো স্থিৰ পথ নাই। তলত কিছুমান দিশ উল্লেখ কৰা হৈছে যিবোৰে ভাল যোগাযোগৰ কৌশলৰ বিকাশ কৰিব পাৰে।

- অন্যৰ কথা মনোযোগেৰে শুনিব লাগে
- পঠনৰ অভ্যাস বিকাশ কৰিব লাগে
- যেতিয়া আপুনি আন এজন ব্যক্তিৰ সৈতে কথোপকথন কৰে তেতিয়া চকুৰ যোগাযোগ ৰাখিব লাগে।
- আপোনাৰ যোগাযোগ চুটি ভাষাৰে আৰম্ভ কৰিব লাগে।
- সামঞ্জস্য থকা প্ৰশ্ন সুধিবলৈ সংকোচ কৰিব নেলাগে।
- শ্ৰোতায়ে শুনিব পৰাকৈ স্পষ্টকৈ ক'ব লাগে।

৪.৫.৫ সময় পৰিচালনা

দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থীৰ বাবে ব্যক্তিগত সময় পৰিচালনা এক গুৰুত্বপূৰ্ণ দিশ। আপুনি কৰ্মচাৰী বা অনাকৰ্মচাৰী বা গৃহকৰ্তা বা শিক্ষাৰ্থী যিয়েই নহওক যদিহে উপযুক্তভাৱে সময়ৰ ব্যৱহাৰ নকৰে তেতিয়া কেতিয়াও শিকন উদ্দেশ্যত উপনীত হ'ব নোৱাৰিব। সময়ৰ সৎ ব্যৱহাৰৰ বাবে তলত উল্লেখ কৰা পদ্ধতিবোৰ মানি চলিব লাগিব।

- আপোনাৰ কাৰ্যৰ বাবে সদায় এটা লক্ষ্য নিৰ্ধাৰণ কৰি ল'ব।
- কাৰ্যৰ গুৰুত্ব অনুযায়ী অতি গুৰুত্বপূৰ্ণ। কাৰ্যৰ পৰা কম গুৰুত্বপূৰ্ণ কাৰ্যলৈ ভাগ কৰি ল'ব।
- অধ্যয়নৰ বাবে সময় স্থিৰ কৰি ল'ব।
- কামৰ পৰা বিৰত নেথাকিব, নিজৰ কাম সদায় স্থিৰ কৰি ৰাখিব।
- সময় তালিকা প্ৰস্তুত কৰিব।
- আপোনাৰ পৰিকল্পনা সঠিকভাৱে ৰাখিবলৈ আনক 'হয়' বা 'নহয়' ক'বলৈ শিকক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থী হিচাবে লিখন সমৰ্থ হৈছে আপোনাৰ গুণ। ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন ৬ ঃ অধ্যয়নৰ সময় কিদৰে উপযুক্তভাৱে পৰিচালনা কৰিব লিখক।

.....

.....



চিন্তা চৰ্চা কৰক — ৪.১

শিক্ষণ কৌশলৰ বিভিন্ন স্তৰবোৰ জনাৰ পিছত আপুনি এনেকুৱা অনুভৱ কৰে নে যে এইবোৰে আপোনাৰ জীৱনৰ পৰৱৰ্তী সময়ত বিদ্যায়তনিক দিশত সহায়ক হ'ব?

.....

.....

৪.৬ অধ্যয়নৰ কৌশলসমূহ আৰু দূৰৱৰ্ত্তী শিকন

দূৰৱৰ্ত্তী শিক্ষার্থীসকলৰ বাবে অধ্যয়ন কৌশলবোৰ যথেষ্ট প্ৰয়োজনীয়। দূৰৱৰ্ত্তী শিক্ষাত স্ব-শিকন সজুঁলিসমূহে শিক্ষকৰ প্ৰয়োজনীয়তা পূৰ কৰে যিবোৰ প্ৰকৃতি হৈছে আন্তঃযোগাযোগ সম্পন্ন। দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী হিচাবে, আপোনাৰ শিকন নির্ভৰ কৰে কিদৰে বা কেনে ফলপ্ৰসুভাৱে আপুনি অধ্যয়ন সামগ্ৰীৰ সৈতে একাত্ম হ'ব পাৰে। সেইবাবে, অধ্যয়নৰ ধাৰা বা পদ্ধতিসমূহে দূৰৱৰ্ত্তী শিকনত গুৰুত্বপূৰ্ণ ভূমিকা লয়। যদি আপোনাৰ অধ্যয়নৰ কৌশলসমূহৰ উপযুক্ত বিকাশ নহয়, তেতিয়া আপুনি ফলপ্ৰসুভাৱে স্ব-নির্দেশনামূলক সজুঁলিৰ যোগেদি আগবাঢ়িব নোৱাৰিব। তাৰোপৰি, দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী হিচাবে আপোনালোক শ্ৰৱণ-দর্শন সজুঁলিৰ সৈতেও জড়িত হ'ব লাগে। ইয়াত পাঠ্যক্ৰমৰ উপযুক্ত অর্থ জানিবলৈ আপুনি অধ্যয়ন কৌশলৰ ওপৰত প্ৰধানকৈ নির্ভৰশীল হ'ব লাগিব।

আপুনি নিশ্চয় ভাবিছে যে কেনেকৈ আপুনি অধ্যয়ন কৌশলৰ বিকাশ কৰিব আৰু এইক্ষেত্ৰত আপোনাক কোনে সহায় কৰিব? এই প্ৰশ্নবোৰৰ উত্তৰ দূৰৱৰ্ত্তী শিকনৰ অধ্যয়ন সামগ্ৰীৰ ভিতৰতে আছে। আপোনালোকক আগতে কোৱা ধৰণে, দূৰৱৰ্ত্তী শিকনৰ সামগ্ৰীসমূহ স্ব-নির্দেশনামূলক প্ৰকৃতিৰ। পাঠ্যসূচীৰ নক্সাই আপোনাৰ অধ্যয়ন কৌশল আয়ত্ব কৰাত সহায় কৰিব। যেতিয়া আপুনি অধ্যয়ন সামগ্ৰী অধ্যয়ন কৰে তেতিয়া কিছুমান উপভাগ 'অগ্ৰগতি নিৰীক্ষণ' বা পাঠ্যক্ৰমৰ সৈতে সম্পর্কিত কিছুমান কার্যাৱলী কৰিবলৈ পায়। ইয়াত পঠনীয় বিষয়বস্তু বা অধ্যায়ৰ ওপৰত কিছুমান প্ৰশ্ন সোধা হ'ব। যদি আপুনি এনেবোৰ প্ৰশ্নৰ উত্তৰ ভালদৰে কৰিব পাৰে তেতিয়া ই কেৱল পাঠ্যপুথি বুজাতেই সহায় নকৰে আপোনাৰ অধ্যয়ন কৌশলবোৰৰ বিশ্লেষণতো সহায় কৰিব। তাৰোপৰি ই গুৰুত্বপূৰ্ণ দিশবোৰ টুকি ৰখাত সহায় কৰিব আৰু অগ্ৰগতি নিৰীক্ষণ বা কার্যৰ সমস্যা সমাধানৰ পথ দেখুৱাব। ইয়াত আপোনালোকে আন এটা উপ-ভাগ "অধিক জানিবলৈ" পাই আহিছে, য'ত শিক্ষার্থীক বিভিন্ন কিতাপ, আলোচনী, ৱেবচাইট ইত্যাদি দিয়া হয়, যিবোৰ পাঠ্যসূচী লিখাৰ সময়ত ব্যৱহৃত হৈছে।

পাঠ্যসূচীৰ ওপৰত উপযুক্তবোধ অনাৰ বাবে আপুনি এনেবোৰ উৎসৰ সৈতে জড়িত হ'ব পাৰে। আপোনালোকে ইতিমধ্যে জানি আহিছে যে দূৰৱৰ্ত্তীত্ব শিক্ষাৰ সামগ্ৰীসমূহ কিছুমান শাখাত বিভক্ত কৰা থাকে। প্ৰত্যেকটো শাখাক কিছুমান গোটত ভাগ কৰা হয় আৰু এইবোৰক কিছুমান উপভাগত ভাগ কৰা হয়। তাৰোপৰি পাঠ্যপুথিৰ শিক্ষার্থীয়ে পঢ়িবলগা দিশৰ চমু বিৱৰণ থাকে। প্ৰত্যেক অধ্যায়ৰ শেষত 'জানি থোৱা ভাল' দিয়া থাকে য'ত শিক্ষার্থীয়ে ইতিমধ্যে পঢ়া বস্তুবোৰৰ চমুকৈ দাঙি ধৰা হয়। তাৰোপৰি 'জানি থোৱা ভাল'ৰ যোগেদি অধ্যায়ৰ গুৰুত্বপূৰ্ণ দিশবোৰ আঙুলিয়াই দিয়া হয় আৰু শিক্ষার্থীয়ে থূলমূলকৈ অধ্যায়টোৰ বিষয়ে জ্ঞান পাব পাৰে। সেইবাবে, যদি আপুনি ওপৰত আলোচনা কৰা বৈশিষ্ট্যবোৰ আপোনাৰ অধ্যয়নৰ অভ্যাসত জড়িত কৰে তেতিয়া আপুনি অধ্যয়ন কৌশলবোৰৰ বিকাশ কৰিব পাৰিব। অৱশ্যে আপোনাৰ অধ্যয়ন কৌশলৰ বিকাশ ঘটাবলৈ আপোনাৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ প্ৰচেষ্টা হাতত ল'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ প্ৰত্যেক অধ্যায়ৰ শেষত থকা 'জানি থোৱা ভাল' কেনেকৈ দূৰৱৰ্ত্তীত্ব শিক্ষাৰ শিক্ষার্থীক সহায় কৰে?

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ফলপ্ৰসু স্বাধীন দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী হ'বলৈ শিক্ষার্থীয়ে বিশেষ কিছুমান কৌশলৰ বৈশিষ্ট্যবোৰ জানিব লাগিব।
- দূৰৱৰ্ত্তী শিকন প্ৰধানকৈ আত্ম শিকন। শিক্ষার্থী হিচাবে আপোনাৰ শিকন আপোনাৰ অধ্যয়নৰ সমৰ্থৰ ওপৰত নিৰ্ভৰ কৰে।
- ফলপ্ৰসু অধ্যয়নৰ বাবে অধ্যয়নসূচীৰ প্ৰস্তুতি হৈছে প্ৰথম আৰু প্ৰধান কার্য।
- যেতিয়া এগৰাকী ব্যক্তি মানসিক আৰু শাৰীৰিকভাৱে প্ৰস্তুত থাকে আৰু সকলো ধৰণৰ উৎকণ্ঠা বা উত্তেজনাৰ পৰা বিৰত থাকে তেনে সময় অধ্যয়নৰ বাবে উপযুক্ত।
- অধ্যয়ন কৌশলসমূহৰ বিকাশৰ বাবে ব্যৱহৃত বিভিন্ন প্ৰণালীবোৰ হৈছে— চিন্তাৰ কৌশল, SQ3R পদ্ধতি, টোকা বনোৱা কৌশল আৰু প্ৰধান দিশবোৰ উল্লেখ কৰা ইত্যাদি।
- ভালদৰে শিকিবৰ বাবে ভালদৰে শুনিবও লাগে। ই উপযুক্ত যোগাযোগৰ কৌশল বিকাশত সহায় কৰে।

- টোকা বনোৱাৰ ক্ষেত্ৰত সদায় সম্পৰ্কিত বিষয়ৰ ওপৰত বনাব লাগে।
- ফলপ্ৰসু শিকনৰ গুৰুত্বপূৰ্ণ উপাদান হৈছে শিক্ষাৰ্থীৰ মনোযোগৰ স্তৰ, শ্ৰেণীৰ পূৰ্ববৰ্তী প্ৰস্তুতি আৰু মনোযোগৰ স্তৰ।
- ১৯৬১ চনত ৰবিনচনে SQ3R পদ্ধতিৰ বিষয়ে আলোচনা কৰিছিল। এই পদ্ধতিটো ১৯৭২ চনত ৰবিনচন (Robinson) আৰু থমাছে (Thomas) সংশোধিত কৰি SQ4R স্বৰূপে নামাকৰণ কৰিছিল (গ্লেন (Glyn) আৰু মুটথ (Muth)) ১৯৯৪) পৰবৰ্তী সময়ত, গৱেষকসকলে ইয়াক পুনৰ সংশোধিত কৰি SQ5R, SQ5WR ইত্যাদি স্বৰূপে নামাকৰণ কৰিছিল।
- SQ3Rৰ অন্তৰ্ভুক্ত পঞ্চস্তৰ হৈছে জৰীপকৰণ, প্ৰশ্ন, পঠন, আবৃতি আৰু পুনৰীক্ষণ।
- SQ4R অন্তৰ্ভুক্ত ষষ্ঠ স্তৰ হৈছে জৰীপকৰণ, প্ৰশ্ন, পঠন, প্ৰতিফলন, আবৃতি আৰু পুনৰীক্ষণ।
- SQ5R অন্তৰ্গত সপ্ত স্তৰ হৈছে জৰীপকৰণ, প্ৰশ্ন, পঠন, প্ৰতিফলন, তথ্য সংৰক্ষণ, আবৃতি আৰু পুনৰীক্ষণ।
- SQ5WRৰ অষ্টম স্তৰসমূহ হৈছে— জৰীপকৰণ, প্ৰশ্ন, লিখন, পঠন, প্ৰতিফলন, তথ্য সংৰক্ষণ, আবৃতি আৰু পুনৰীক্ষণ।
- দূৰৱৰ্ত্তী শিকনত শিক্ষাৰ্থীৰ উপযুক্ত লিখন সক্ষমতাক অতিৰিক্ত জ্ঞান হিচাবে বিবেচনা কৰা হয়।
- যদি শিক্ষাৰ্থীৰ উপযুক্ত যোগাযোগৰ কৌশল থাকে তেন্তে পঠন বা শ্ৰৱণ কৌশল ফলপ্ৰসু হয়।
- দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থীৰ বাবে ব্যক্তিগত সময় পৰিচালনা এক গুৰুত্বপূৰ্ণ দিশ।
- দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থীৰ শিকন নিৰ্ভৰ কৰে কেনেদৰে তেওঁলোকে অধ্যয়ন সামগ্ৰীৰ আদান-প্ৰাদন কৰে।
- দূৰৱৰ্ত্তী শিক্ষাৰ অধ্যয়ন সামগ্ৰীবোৰ স্ব-নিৰ্দেশত্ব প্ৰকৃতিৰ। এই সামগ্ৰীসমূহে শিক্ষাৰ্থীক উপযুক্ত পথেৰে আগবাঢ়ি যোৱাত সহায় কৰে।
- 'জানি থোৱা ভাল'ৰ দ্বাৰা শিক্ষাৰ্থীয়ে অধ্যায়টিৰ বিষয়ে চকুৰ পচাৰতে ধাৰণা কৰি ল'ব পাৰে।



৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Biswas, P. (2008). *Study Skills and Psychological Skills for Better Performance: A Handbook for the Learner Workshop*, IGNOU, New Delhi.



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বহল অর্থত অধ্যয়ন কৌশল হ'ল পাঠ্যক্রমৰ অন্তর্গত নোহোৱা বিশেষ কৌশল যাক শিক্ষার্থীয়ে দূৰৱৰ্ত্তী শিক্ষাৰ স্ব-নির্ভৰশীল শিক্ষার্থী হ'বলৈ কিছুমান বিশেষ দিশৰ বিকাশ কৰিব লাগে।

২ নং প্রশ্নৰ উত্তৰ ঃ ফলপ্রসু অধ্যয়ন কৌশলৰ বিকাশৰ বাবে শিক্ষার্থীৰ পূর্ববর্তী অধ্যয়ন পৰিকল্পনা, অধ্যয়নৰ উপযুক্ত সময় নির্বাচন আৰু অধ্যয়নৰ বাবে উপযুক্ত ঠাইৰ নির্বাচন কৰিব লাগে।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰামর্শ গ্রহণ কৰা অৱস্থাত গুৰুত্বপূর্ণ আৰু সামঞ্জস্য থকা দিশবোৰ টুকি ৰাখিলে ই শিক্ষার্থীক পৰবর্তী সময়ত সহায় কৰে আৰু পৰামর্শ গ্রহণ কৰাৰ সময়ত অধ্যয়নৰ বিষয়বস্তুৰ ভালদৰে বুজাত শিক্ষার্থীক সহায় কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ SQ3R পদ্ধতিটো পঢ়ন কৌশলৰ সৈতে জড়িত। SQ3Rৰ পদ্ধতিটো পঢ়ন কৌশলৰ সৈতে জড়িত। SQ3Rৰ জ্ঞানে বিষয়টোৰ সৈতে শিক্ষার্থীক পৰিচয় কৰাই দিয়ে আৰু শিকন প্রক্রিয়াত শিক্ষার্থীক সহায় কৰে। SQ3R হৈছে জৰীপকৰণ, প্রশ্ন, পঢ়া, আবৃতি কৰা আৰু পুনৰীক্ষণ কৰা। এনে স্তৰবোৰৰ যোগেদি শিক্ষার্থীয়ে অধ্যয়নৰ ক্ষেত্রত ফলপ্রসুভাৱে আগবাঢ়িব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ দূৰৱৰ্ত্তী শিকনত শিক্ষার্থীসকল সাধাৰণতে শিক্ষকৰ পৰা দূৰৱৰ্ত্তীত থাকে। তেওঁলোকৰ গৃহকার্য লিখন, প্রতিবেদন প্রস্তুতকৰণ বা পৰীক্ষাত প্রশ্নৰ উত্তৰকৰণৰ দ্বাৰাহে শিক্ষকৰ লগত যোগাযোগ ঘটে। সেইবাবে, শিক্ষার্থীসকলে ভালকৈ লিখিলে শিক্ষকৰ সৈতে যোগাযোগ সম্ভৱ হৈ উঠে।

৬ নং প্রশ্নৰ উত্তৰ ঃ উপযুক্ত অধ্যয়নৰ সময় পৰিচালনাৰ বাবে শিক্ষার্থীয়ে সদায় নিজৰ লক্ষ্য নির্ধাৰণ কৰি ল'ব লাগে আৰু লাগতিয়াল দিশবোৰক অগ্রাধিকাৰৰ ভিত্তিত সজাই ল'ব লাগে। শিক্ষার্থীসকলে অধ্যয়নৰ স্থিৰ সময় প্রস্তুত কৰি ল'ব লাগে আৰু সদায় পৰিকল্পনা অনুযায়ী সময়ৰ ব্যৱহাৰ কৰিব লাগে। ফলপ্রসুভাৱে সময় ব্যৱহাৰৰ বাবে সময় তালিকা বনাই ল'ব লাগে।

৭ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেক অধ্যায়ৰ শেষত থকা 'জানি থোৱা ভাল' ভাগটোৰ ব্যৱহাৰে ইতিমধ্যে শিকি অহা কথাবোৰ জনাত শিক্ষার্থীক সহায় কৰে। তাৰোপৰি ই অধ্যায়টোত সন্নিৱিষ্ট প্রধান দিশবোৰ শিক্ষার্থীৰ আগত উপযুক্তভাৱে দাঙি ধৰে।



৪.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দূৰৱৰ্ত্তী শিকনৰ ক্ষেত্ৰত অধ্যয়ন কৌশলৰ গুৰুত্ব সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থীসকলৰ বাবে পাঠ্যবিষয় দাঙি ধৰা কিয় প্ৰয়োজনীয়?

প্ৰশ্ন ৩ ঃ সময় পৰিচালনা কৌশল কাক বোলে?

প্ৰশ্ন ৪ ঃ ফলপ্ৰসু লিখন কেনেদৰে সম্ভৱ? চমুকৈ লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'ফলপ্ৰসু শিকনৰ বাবে ফলপ্ৰসু শ্ৰৱণ প্ৰয়োজনীয়।' ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ SQW5R পদ্ধতিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ কেনেকৈ আপুনি আপোনাৰ যোগাযোগৰ কৌশলৰ বিকাশ কৰিব? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যক্ৰমে শিক্ষাৰ্থীক স্ব-শিকন কৌশল বিকাশৰ ক্ষেত্ৰত সহায় কৰে। স্ব-শিকন পাঠ্যক্ৰমে শিক্ষাৰ্থীৰ অধ্যয়নত কেনেদৰে সহায় কৰে?

প্ৰশ্ন ৫ ঃ ফলপ্ৰসু শিক্ষণ-শিকনৰ কৌশলৰ বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়া

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পাঠ্যবিষয়ৰ ধাৰণা

৫.৪ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়া

৫.৫ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীসমূহ

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- পাঠ্যবিষয় (curriculum)ৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ কৰাৰ বিভিন্ন প্ৰক্ৰিয়াৰ তালিকা প্ৰস্তুত কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীসমূহ বৰ্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

শিক্ষাৰ এক গুৰুত্বপূৰ্ণ লক্ষ্য হ'ল ব্যক্তিৰ সামঞ্জস্যপূৰ্ণ তথা সৰ্বাংগীন বিকাশ সাধন কৰা। এই লক্ষ্যত উপনীত হ'বলৈ শৈক্ষিক প্ৰতিষ্ঠানবোৰে শিক্ষাৰ্থীক শৈক্ষিক অভিজ্ঞতা প্ৰদান কৰিব পৰা বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ আয়োজন কৰে। এই কাৰ্যকলাপবোৰক একেলগে 'পাঠ্যবিষয়' বোলা হয়। অৰ্থাৎ, 'পাঠ্যবিষয়' হ'ল শিক্ষাৰ বিষয়সূচী সম্পৰ্কে বুজাবলৈ ব্যৱহাৰ কৰা এটা বহল অভিধা। এখন শিক্ষানুষ্ঠানে শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিকাশ ঘটাবলৈ হাতত লোৱা সকলো আনুষ্ঠানিক নাইবা অনানুষ্ঠানিক কাৰ্যকলাপকে 'পাঠ্যবিষয়'এ সামৰি লয়। পাঠ্যবিষয় হ'ল শৈক্ষিক প্ৰক্ৰিয়াৰ এটা গুৰুত্বপূৰ্ণ অংশ। 'পাঠ্যবিষয়'-এ শিক্ষাৰ্থীৰ ভৱিষ্যৎ গঢ়াৰ বাবে শ্ৰেণীকোঠাৰ ভিতৰ আৰু বাহিৰত আয়োজন কৰা বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ কথা বুজায়। আনুষ্ঠানিক শিক্ষাৰ উপৰি দূৰৱৰ্ত্তী শিক্ষাব্যৱস্থাৰো পাঠ্যবিষয় এটা অবিচ্ছেদ্য উপাদান। এই অধ্যায়টি পঢ়ি আপুনি পাঠ্যবিষয়ৰ ধাৰণা, পাঠ্যবিষয় বিকাশৰ প্ৰক্ৰিয়া আৰু দূৰৱৰ্ত্তী শিক্ষা ক্ষেত্ৰখনত থকা পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীবোৰৰ বিষয়ে জানিব পাৰিব।

৫.৩ পাঠ্যবিষয়ৰ ধাৰণা

'পাঠ্যবিষয়' বুজোৱা ইংৰাজী শব্দ 'curriculum'ৰ মূল হ'ল লেটিন শব্দ 'currere'—যাৰ অর্থ হ'ল 'দৌৰ' (run)। ই এটা 'ধাৱন পথ' (run-way) নাইবা 'এটা গতি' (a course)ৰ বিষয়ে বুজায়, যিটো পথ নাইবা গতিৰ উদ্দেশ্য হ'ল কোনো লক্ষ্যত উপনীত হোৱা। অর্থাৎ, 'পাঠ্যবিষয়' হ'ল কোনো এক নির্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ লক্ষ্যৰে কৰা এক গতি। পাঠ্যবিষয়ত শিক্ষাৰ বিষয়বস্তু (subject matter) নাইবা বিষয়সূচী (content) সন্নিৱিষ্ট থাকে। শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ শিক্ষানুষ্ঠানবোৰে আয়োজন কৰা সকলো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কার্যকলাপকে পাঠ্যবিষয়ে সামৰি লয়। ই শিক্ষা প্ৰক্ৰিয়াৰ এক গুৰুত্বপূর্ণ দিশ। কোনো এক শিক্ষানুষ্ঠানে ইয়াৰ শিক্ষার্থীসকলৰ বাবে উপযুক্ত পৰিকল্পনাৰে প্ৰস্তুত কৰা সকলো কার্যকলাপ তথা শৈক্ষিক অভিজ্ঞতাৰ কথা বুজাবলৈ 'পাঠ্যবিষয়' বোলা অভিধাটো ব্যৱহাৰ কৰা হয়। ইয়াত পাঠ্যক্ৰমভিত্তিক আৰু অনা-পাঠ্যক্ৰমভিত্তিক উভয় ধৰণৰ কার্যকলাপকে স্থান দিয়া হয়। পাঠ্যবিষয় বুলিলে এখন শিক্ষানুষ্ঠানে শ্ৰেণীকোঠাৰ বাহিৰ আৰু ভিতৰত শিক্ষার্থীৰ বাবে প্ৰস্তুত কৰা এক সম্পূর্ণ শৈক্ষিক কার্যসূচীৰ কথা বুজোৱা হয়। শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ যাওঁতে শিক্ষার্থীয়ে আহৰণ কৰিবলগীয়া সর্বমুঠ সুশিক্ষাভিত্তিক অভিজ্ঞতাই হ'ল একোটা পাঠ্যবিষয়। এখন দেশৰ শৈক্ষিক নীতি অনুসৰি পাঠ্যবিষয়বোৰ যুগুত কৰা হয়। কেতিয়াবা 'পাঠ্যবিষয়' (curriculum) আৰু পাঠ্যতালিকা (syllabus) শব্দ দুটা একেটা অর্থতে ব্যৱহাৰ কৰা হয়। কিন্তু এনে নকৰাই শ্ৰেয়। কাৰণ, 'পাঠ্যবিষয়' হ'ল এটা বহল অভিধা। ইয়াৰ জৰিয়তে শিক্ষানুষ্ঠান এখনে আয়োজন কৰা সকলো ধৰণৰ শৈক্ষিক কার্যকলাপৰ কথা বুজোৱা হয়। ইয়াৰ তুলনাত 'পাঠ্যতালিকা'ৰ অর্থ সংকীর্ণ। পাঠ্যতালিকা এখনত বছৰেকীয়া পৰীক্ষাৰ কথা আগত ৰাখি প্ৰস্তুত কৰা পঠনীয় বিষয়বস্তুবোৰ সন্নিৱিষ্ট কৰা হয়। পাঠ্যতালিকা মানে হ'ল কোনো এক নির্দিষ্ট বিষয়ৰ বাবে পঢ়িবলগীয়া নির্দিষ্ট পাঠৰ তালিকা আৰু বিষয়টোৰ অধ্যয়নৰ সময়ত বর্তাই ৰাখিবলগীয়া নির্দিষ্ট মান বিষয়ক নির্দেশনাৰ সমষ্টি। পাঠ্যতালিকা মানে পাঠ্যবিষয় নহয়। ই পাঠ্যবিষয়ৰ এক অংশহে। পাঠ্যতালিকাই প্ৰধানতঃ শ্ৰেণীকোঠাৰ ভিতৰত আয়োজিত কার্যকলাপৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি তলত দিয়া ধৰণে পাঠ্যবিষয়ৰ সংজ্ঞা বাহিৰ কৰিব পাৰোঁ—

- পাঠ্যবিষয় হ'ল এখন বিদ্যালয়ৰ অধ্যয়নকেন্দ্রিক লিখিত ক্ৰম আৰু অন্য পাঠ্যবিষয়ভিত্তিক সামগ্রীৰ সমষ্টি।
- পাঠ্যবিষয় হ'ল শিক্ষার্থীক শিকাবলগীয়া বিষয়বস্তুৰ সূচী।
- পাঠ্যবিষয় হ'ল এখন বিদ্যালয়ে আগবঢ়োৱা শৈক্ষিক কার্যসূচী।
- পাঠ্যবিষয় হ'ল এখন বিদ্যালয়ে শিক্ষার্থীক আগবঢ়োৱা সর্বমুঠ পৰিকল্পিত শিকন অভিজ্ঞতা।

পাঠ্যবিষয়ৰ ধাৰণাটোক লৈ বিভিন্ন খ্যাতনামা শিক্ষাবিদ আৰু শৈক্ষিক আয়োগে নিজ

নিজ মত আগবঢ়াই আহিছে। তলত এনে কেইটামান মত উল্লেখ কৰা হ'ল ঃ

- ইউনিভাৰ্চিটি অৱ লণ্ডনৰ অধীনৰ গ'ল্ডস্মিথ কলেজৰ কাৰিকুলাম ষ্টাডি বিষয়ৰ অধ্যাপক এ.ভি. কেলী'ৰ (A. V. Kelly) মতে, "এখন শিক্ষানুষ্ঠানৰ সমগ্ৰ শৈক্ষিক কাৰ্যসূচীয়েই হ'ল পাঠ্যবিষয়।"
- মুনৰোৰ (Munroe) ভাষাত, "শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ বিদ্যালয়ে ব্যৱহাৰ কৰা সকলো শৈক্ষিক অভিজ্ঞতাকে পাঠ্যবিষয়ৰ দ্বাৰা সামৰি লোৱা হয়।"
- কানিংহামৰ (Cunningham) মতে, "শিল্পী (artist/teacher)এ নিজৰ শিল্পশালা (studio/school)ত নিজ আদৰ্শ (ideal/objective) অনুসৰি তেওঁৰ হাতত থকা কেঁচামাল (material/pupils) গঢ়ি-পিতি ল'বলৈ ব্যৱহাৰ কৰা এবিধ আহিলাৰ নাম হ'ল পাঠ্যবিষয়।"
- ড° জাকিৰ হুছেইনৰ (Dr. Zakir Hussain) ভাষাত, "পাঠ্যবিষয় বুলিলে ভাষা, বিজ্ঞান, প্ৰযুক্তি, সমাজ বিজ্ঞান, কলা, হস্তশিল্প, সংগীত আৰু শাৰীৰিক শিক্ষাৰ অধ্যয়নৰ কথা বুজোৱা হয়। এটা পাঠ্যবিষয়ত বিভিন্ন শৈক্ষিক কাৰ্যসূচী, কাৰ্যকলাপ, কৰ্মঅভিজ্ঞতা আদিৰ লগতে শিক্ষানুষ্ঠান এখনৰ সম্পূৰ্ণ পৰিৱেশ জড়িত হৈ থাকে।"
- ক্ৰ' আৰু ক্ৰ'ৰ (Crow and Crow) মতে, "এগৰাকী শিক্ষাৰ্থীৰ মানসিক, শাৰীৰিক, আৱেগিক, সামাজিক, আধ্যাত্মিক তথা নৈতিক বিকাশত সহায়ক হ'ব পৰাকৈ বিকশাই তোলা তথা বিদ্যালয়ৰ বাহিৰ নাইবা ভিতৰৰ পৰিৱেশত আহৰণ কৰিব পৰা সকলোবোৰ শৈক্ষিক অভিজ্ঞতা প্ৰদানকাৰী শৈক্ষিক কাৰ্যসূচীখনকেই পাঠ্যবিষয় বোলা হয়।"
- ৰুদয়ার্ড আৰু ক'ৰ্নেনবাৰ্গৰ (Rudyard and Kornenberg) ভাষাত, "একেবাৰে বহল অৰ্থত পাঠ্যবিষয় মানে হ'ল বিদ্যালয়ত শিক্ষাৰ্থীলৈ আগবঢ়োৱা সকলোবোৰ শৈক্ষিক পাঠ্যক্ৰম, কাৰ্যকলাপ, পঠনকাৰ্য আৰু আনুষংগিক কাৰ্য জড়িত থকা সম্পূৰ্ণ বিদ্যালয়কেন্দ্ৰিক পৰিৱেশ।"
- পাইনেৰ (Pyne) সংজ্ঞা মতে, "শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিকাশ ঘটাবলৈ আৰু সিহঁতৰ আচৰণ সলনি কৰিবলৈ বিদ্যালয়ে বাচনি তথা সচেতনভাৱে সজাই লোৱা আটাইবোৰ পৰিস্থিতিকে একেলগে পাঠ্যবিষয় বোলা হয়।"
- ফ্ৰ'বেলৰ (Froebel) ভাষাত, "মানৱ জাতিৰ জ্ঞান তথা অভিজ্ঞতাৰ সৰ্বাত্মক ৰূপটোৰ শ্ৰেষ্ঠ আৰ্হিৰূপে পাঠ্যবিষয়ৰ ধাৰণাটো বিবেচনা কৰি চোৱা উচিত।"
- ৰিছম'ণ্ডৰ (Richmond) মতে, "দৰাচলতে পাঠ্যবিষয় হ'ল বিদ্যালয় এখনৰ কাম-কাজ সামৰি লোৱা এখন সম্পূৰ্ণ কাৰ্যসূচী। ই শিক্ষাৰ এটা প্ৰয়োজনীয় মাধ্যম। ই হ'ল বিদ্যালয়ত শিক্ষক তথা শিক্ষাৰ্থীয়ে সম্পাদন কৰা সকলোবোৰ কামৰ সমষ্টি। ইয়াৰ প্ৰকৃতি দ্বিমুখী। কাৰ্যকলাপ, সম্পাদিত কাৰ্য, কাৰ্যত ব্যৱহৃত

সামগ্রী/আহিলা আদিৰ দ্বাৰা পাঠ্যবিষয় এটা প্রস্তুত কৰা হয়।"

- মাধ্যমিক শিক্ষা আয়োগ (Secondary Education Commission) (১৯৫২-৫৩)ৰ প্রতিবেদনত উল্লেখ থকা পাঠ্যবিষয়ৰ সংজ্ঞা অনুসৰি ঃ "পাঠ্যবিষয়ে কেৱল বিদ্যালয়বোৰত পৰম্পৰাগতভাৱে শিকাই থকা শৈক্ষিক বিষয়বোৰৰ কথাকে নুবুজায়। ই শ্রেণীকোঠা, পুথিভঁৰাল, গৱেষণাগাৰ, কর্মশালা, খেলপথাৰ আৰু শিক্ষক-শিক্ষার্থীৰ মাজত চলা অগণন অনানুষ্ঠানিক আন্তঃক্রিয়া আদিৰ দৰে বিদ্যালয়ত চলা বহুধা বিভক্ত কার্যকলাপৰ যোগেদি শিক্ষার্থীয়ে লাভ কৰা সমস্ত অভিজ্ঞতাৰ কথা বুজায়। এই দিশেৰে চাবলৈ গ'লে বিদ্যালয়ত কটোৱা জীৱনৰ গোটেইখিনি সময়েই 'পাঠ্যবিষয়'ৰ অন্তর্গত। এই সময়ছোৱাই সকলো মুহূর্ততে শিক্ষার্থীৰ জীৱন চুই থাকে আৰু সিহঁতৰ সমতাপূর্ণ ব্যক্তিত্বৰ ক্রমবিকাশত সহায় কৰে।"

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয়ে শিক্ষণ সামগ্রী তথা অধ্যয়নৰ আনবোৰ উপাদানৰ কথা বুজায়। এখন পৰম্পৰাগত মুক্ত বিশ্ববিদ্যালয় পাঠ্যবিষয়ৰ তালিকাত লিখিত পাঠ (সাধাৰণতে 'অধ্যায়' বুলি কোৱা হয়), দৃশ্য-শ্রাব্য সামগ্রী, পৰামর্শদান, প্রদত্ত কার্য, পত্রৰ দ্বাৰা আগবঢ়োৱা শিক্ষণ, পুথিভঁৰাল কার্য, গৱেষণাগাৰ কার্য, প্রকল্প কার্য আদিক স্থান দিয়া হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ পাঠ্যবিষয় বুলিলে কি বুজে?

.....

.....

প্রশ্ন ২ ঃ পাঠ্যবিষয়ৰ এটা বহল সংজ্ঞা দিয়ক।

.....

.....

৫.৪ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্রক্রিয়া

পৰম্পৰাগত শিক্ষা আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্রক্রিয়া দুটা একে নহয়। পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষকে পাঠ্যতালিকা, সহজতে পোৱা পাঠ্যপুথি, আৰ্হি প্রশ্নকাকত আদিৰ দৰে আহিলাৰ সহায় লৈ শ্রেণীকোঠাত শিক্ষার্থীক পঢ়ায়। শ্রেণীকোঠাত শিক্ষকে কৰা পাঠদান আৰু ঘৰুৱা শিক্ষকৰ শিক্ষণৰ ওপৰত ভিত্তি কৰি শিক্ষার্থীয়ে পাঠবোৰ আয়ত্ব কৰে আৰু বছৰ/ষান্মাসিকৰ শেষত পৰীক্ষাত বহে। এই ব্যৱস্থাৰে শিক্ষালাভ কৰা শিক্ষার্থীয়ে শিক্ষকৰ সান্নিধ্য লাভ কৰে, শিক্ষকৰ সৈতে নিজৰ শৈক্ষিক সমস্যাবোৰ আলোচনা কৰে আৰু বহুতো আনুষ্ঠানিক-অনানুষ্ঠানিক পন্থাৰে নিজৰ পাৰদর্শিতাৰ মূল্যাংকন কৰোৱাৰ

সুযোগ পায়। কিন্তু দূৰৱৰ্ত্তী শিক্ষাৰ সমগ্ৰ ব্যৱস্থাটোৱেই হ'ল এক ব্যতিক্ৰম। সেয়েহে এই শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়াটোও অন্যতকৈ পৃথক। কেইটামান দশক পূৰ্বে শিক্ষাজগতত উত্থান ঘটা দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৱে ইতিমধ্যে কিছুমান পৰিবৰ্তনৰ মাজেৰে পাৰ হৈ আহি বৰ্তমানৰ ৰূপ ধাৰণ কৰিছে। প্ৰথম অৱস্থাত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াটো কেৱল ছপা মাধ্যমৰ মাজেদি সম্পন্ন হৈছিল। কিন্তু বৰ্তমান মাল্টিমিডিয়াৰ পৰিপূৰক সমৰ্থনৰ সহায়ত এই মাধ্যমটোৱে 'অনলাইন' শিকন পদ্ধতিৰ ৰূপ লৈছে। নমনীয় প্ৰযুক্তিগত আহিলা সহজলভ্য হৈ পৰাৰ লগে লগে দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশৰ কামটো জটিলতৰ হৈ পৰিছে।

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশৰ উদ্দেশ্য হ'ল শিক্ষার্থীসকলক এক ফলপ্ৰসূ আৰু অবিৰত শিকন পৰিৱেশত শিক্ষাৰ ঈপ্সিত ফলাফল লাভৰ দিক্‌নির্দেশনা প্ৰদান কৰা। পাঠ্যবিষয় বিকাশৰ সময়ত আৰ্হিকাৰসকলে পৰম্পৰাগত মুখামুখি শিকন আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ প্ৰভেদ সম্পৰ্কে সচেতন হৈ থাকিব লাগে। সমালোচকসকলে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত দেখা দিব পৰা কেইটামান বিসংগতি আঙুলিয়াই দেখুৱাইছে—

- আন্তঃক্ৰিয়াৰ অভাৱ
- শিক্ষার্থীয়ে লাভ কৰা দুৰ্বল দিক্‌নির্দেশনা
- অনুপ্ৰেৰণাৰ অভাৱ
- অংগ সঞ্চালন দক্ষতা বিকাশৰ পোষকতা কৰাৰ অসমৰ্থতা
- সু মনোভাৱ গঢ়াৰ পোষকতা কৰাৰ অসমৰ্থতা
- শিক্ষক-শিক্ষার্থীৰ মাজৰ সম্পৰ্কৰ অনুপস্থিতি
- মৌখিক (কথন) দক্ষতা বিকাশত ব্যৰ্থতা
- অনুপযুক্ত সহাঁৰি/উত্তৰ সংগ্ৰহ ব্যৱস্থা ইত্যাদি

শিক্ষার্থীসকল শিক্ষানুষ্ঠানৰ পৰা আঁতৰত থকাৰ ফলত উদ্ভৱ হ'ব পৰা নেতিবাচক প্ৰভাৱৰ মাত্ৰা কম কৰিব পৰাকৈ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয়বোৰ বিকশাই তোলা উচিত। এই কামত সফলতা লাভ কৰিবলৈ তলত উল্লেখ কৰা আৰ্হি প্ৰস্তুতকাৰী কৌশলবোৰ প্ৰয়োগ কৰিব পৰা যায়।

- লক্ষ্য শিক্ষার্থী (target learner)ৰ গোটটো চিনাক্ত কৰি উলিয়াব লাগে। এনে শিক্ষার্থীৰ শিকন শৈলী, আগতীয়া জ্ঞান, অনুপ্ৰেৰণা যোগোৱা কাৰকসমূহ, পাঠ্যবিষয় এটাত নামভর্তি কৰাৰ অভিপ্ৰায়, শিকা কথাবোৰ কার্যত প্ৰয়োগ কৰিব পৰা সামর্থ আদিৰ দৰে বৈশিষ্ট্যবোৰ উপযুক্তভাৱে বিশ্লেষণ কৰি চাব লাগে।
- কোনো এটা শৈক্ষিক পাঠ্যক্ৰমৰ শিকন ফলাফলবোৰ চিনাক্ত কৰিব লাগে। লক্ষ্য শিক্ষার্থীৰ বৈশিষ্ট্যবোৰৰ ভিত্তিত এনে পাঠ্যক্ৰমৰ শৈক্ষিক উদ্দেশ্য বিকশাই তুলিব লাগে। ঈপ্সিত ফলাফল লাভৰ বাবে এই উদ্দেশ্যসমূহ বাস্তৱিক আৰু জোখ-মাখ সাধ্য হ'ব লাগে।

- কাংক্ষিত উদ্দেশ্যত উপনীত হোৱাৰ প্ৰক্ৰিয়াটোত ব্যৱহাৰ কৰিব পৰা ধৰণৰ বিষয়সূচী জমা কৰিব লাগে।
- এটা প্ৰস্তাৱিত দূৰৱৰ্ত্তী শিকন প্ৰক্ৰিয়াত নিৰ্দেশনামূলক বিষয়সূচীবোৰ শিক্ষাৰ্থীৰ কাষ চপাব পৰা উপযুক্ত পন্থা চিনাক্ত কৰি উলিয়াব লাগে।
- শিক্ষাৰ্থীৰ হাতত বিষয়সূচী অৰ্পণ কৰাৰ নিৰ্বাচিত পন্থাটোৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পৰা দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষণ আহিলাবোৰ চিনাক্ত কৰিব লাগে। এনে আহিলাবোৰ বিভিন্ন ধৰণৰ উপস্থাপন, দৃশ্য-শ্ৰাব্য কাৰ্যসূচী, প'ডকাষ্ট, পিডিএফ ফাইল, অনলাইন পৰিৱেশত লব্ধ বিভিন্ন আলোকচিত্ৰ আদি হ'ব পাৰে।
- ঈপ্সিত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে সম্পাদন কৰিব পৰা আন্তঃক্ৰিয়া পদ্ধতিবোৰ চিনাক্ত কৰিব লাগে। অনলাইন পৰিৱেশ এটাত 'ডিচকাশ্যন বোৰ্ড' আৰু 'ছাট এৰিয়া'বোৰ আন্তঃক্ৰিয়া সম্পাদন কৰাৰ পথ হ'ব পাৰে।
- সহজলভ্য বিকল্প, লক্ষ্য শিক্ষাৰ্থী গোটৰ বৈশিষ্ট্য, শিকন উদ্দেশ্য আৰু ব্যয় ফলপ্ৰসূতা আদিৰ দৰে দিশবোৰ বিবেচনা কৰি নিৰ্দেশনামূলক সামগ্ৰীবোৰ বিকশাই তুলিব লাগে।
- নিৰ্দেশনামূলক পাঠ্যবিষয়সূচীবোৰ পৰ্যাপ্ত দিক্‌নিৰ্দেশনাৰে সৈতে এটা ব্যৱহাৰিক দিশেৰে যুক্তিসংগত নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্বাচিত কৌশলেৰে শিক্ষাৰ্থীৰ আগত উপস্থাপন কৰিব লাগে। শৈক্ষিক কাৰ্যসূচী এখনত শিক্ষাৰ্থীক নিয়মানুৱৰ্তী কৰি তোলাৰ লগতে পৰ্যাপ্ত অনুপ্ৰেৰণা যোগাব পৰা অৱকাশ থকা উচিত।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন সামগ্ৰীবোৰ শিকন তত্ত্ব নীতিৰ ওপৰত আধাৰিত। ই ফলপ্ৰসূ স্ব-শিকন সম্ভৱপৰ কৰি তুলিব পৰা অনুকূল পৰিৱেশ গঢ়ি তোলে। ফলপ্ৰসূ স্ব-শিকন মানে হ'ল শিক্ষাৰ্থীয়ে পাঠ্যবিষয় এটাৰ উদ্দেশ্য বুজি পোৱা, বিষয়সূচীবোৰ পৰ্যায়ক্ৰমে অনুসৰণ কৰা, শিকন প্ৰক্ৰিয়াত শিক্ষাৰ্থীক সক্ৰিয়ভাৱে জড়িত কৰোৱা ইত্যাদি। দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত অধ্যয়ন কৰিবলগীয়া পাঠবোৰ একোটা 'ক্ষুদ্ৰ একক আৰ্হি' (modular format)ত লিখা হয়। ইয়াৰ উদ্দেশ্য হ'ল ঘৰতে থাকি পঢ়া শিক্ষাৰ্থীক ফলপ্ৰসূভাৱে পাঠবোৰ বুজি পোৱাত সহায় কৰা। পাঠ্যবিষয়ৰ সামগ্ৰী বিকাশ কৰা প্ৰক্ৰিয়াটোৱে মূলতঃ চাৰিটা স্তৰৰ মাজেৰে গতি কৰে— প্ৰাক্‌-পৰিকল্পনা স্তৰ, পৰিকল্পনা স্তৰ, ৰচনা স্তৰ আৰু উৎপাদন স্তৰ।

প্ৰাক্‌-পৰিকল্পনা স্তৰ (Pre-Planning Stage)

এই স্তৰত তলৰ কামবোৰ কৰা হয় ঃ

- শৈক্ষিক পাঠ্যক্ৰম এটাৰ খচৰা পাঠ্যতালিকা প্ৰস্তুত কৰা হয়।
- কৰ্মশালা আৰু পাঠ্যবিষয় বিকাশ কমিটিত হোৱা আলোচনা অনুসৰি পাঠ্যতালিকাৰ চূড়ান্ত ৰূপ দিয়া হয়,
- সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিষদৰ পৰা অনুমোদন আহৰণ কৰ হয়।
- লেখক আৰু সম্পাদকবৃন্দৰ বাবে কৰ্মশালা পতা হয়।

- ক্ষুদ্ৰ এককৰ আৰ্হি প্ৰস্তুত কৰা হয় আৰু
- লেখক তথা সম্পাদকসকলক বাচনি কৰা হয়।

পৰিকল্পনা স্তৰ (Planning Stage)

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় এটা পৰিকল্পনা কৰাৰ সময়ত তলৰ প্ৰশ্নবোৰ বিবেচনা কৰি চোৱা হয় ঃ

- পাঠ্যবিষয়টোৰ বিষয়বস্তু আৰু বিষয়সূচী কি?
- পাঠ্যবিষয়টোৰ লক্ষ্য আৰু উদ্দেশ্য কি?
- পাঠ্যবিষয়টো সম্পূৰ্ণ কৰিবলৈ (অধ্যয়ন আৰু মূল্যাংকন) শিক্ষাৰ্থীক কিমান সময় লাগিব?
- লক্ষ্য শিক্ষাৰ্থী গোটত কোন আছে (তেওঁলোকৰ আনুষ্ঠানিক শিক্ষাৰ স্তৰ, কৰ্মসংস্থাপন প্ৰস্থিতি)?
- পাঠ্যপুথিৰ লগতে আৰু কি ধৰণৰ সমল আগবঢ়োৱা হ'ব?
- পাঠ্যবিষয়টোৰ মূল্যাংকন কেনেদৰে কৰা হ'ব?
- পাঠ্যবিষয়টো কিমান দীঘলীয়া হ'ব (আনুমানিক ক্ৰেডিট নম্বৰৰ পৰিমাণ)?

ৰচনা স্তৰ (Authoring Stage)

এই স্তৰত তলৰ কামবোৰ কৰা হয় ঃ

- পাণ্ডুলিপি ৰচনা
- লেখকৰ পৰা পাণ্ডুলিপি সংগ্ৰহ
- বিশেষজ্ঞলৈ পাণ্ডুলিপি প্ৰেৰণ
- পাণ্ডুলিপি সম্পাদনা
- কপিৰাইট অনুমতি আহৰণ

উৎপাদন স্তৰ (Production Stage)

এই স্তৰত কৰা কামবোৰ হ'ল ঃ

- ৱৰ্ড প্ৰচেছিং আৰু টাইপচেট
- স্ব-শিকন সামগ্ৰীৰ শৈলী সম্পাদনা
- প্ৰথমবাৰ আৰ্হি কাকত পৰীক্ষণ
- দলীয় বৈঠক
- শুধৰণি/চিত্ৰ সংযোজন
- শৈলী আৰু সজ্জাৰ দ্বিতীয় পৰীক্ষণ
- দ্বিতীয়বাৰ আৰ্হি কাকত পৰীক্ষণ
- শুধৰণি
- লেখক আৰু নিৰ্দেশনা আৰ্হিকাৰৰ দ্বাৰা চূড়ান্ত পৰীক্ষা
- ছপা

ওপৰত উল্লেখ কৰা কাৰিকৰী দিশ আৰু উপাদানৰ লগতে শিক্ষাৰ্থীৰ বাবে পাঠ্যবিষয় বিকাশ কৰাৰ সময়ত মনত ৰাখিবলগীয়া সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এখন পাঠ্যবিষয়ৰ মৌলিক প্ৰকাৰ্যটো হ'ল যুৱাপ্ৰজন্মক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰা। সেয়েহে পাঠ্যবিষয়ৰ আৰ্হি প্ৰস্তুত আৰু পৰিকল্পনাৰ সৈতে জড়িত কৰ্তৃপক্ষ শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা আৰু পৰিস্থিতি বুজি পৰিবৰ্তিত সময়ৰ কথা মনত ৰাখি আগবাঢ়িব লাগিব। শৈক্ষিক দিশৰ যিকোনো স্তৰতে পাঠ্যবিষয় বিকশাই তোলাৰ আগতে বিবেচনা কৰি চাবলগীয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন কেইটামান আছে।

প্ৰশ্নকেইটা তলত দিয়া ধৰণে সজাই লোৱা হয়—

- আমাৰ সমাজত শিক্ষাৰ ভূমিকা কি?
- শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰত প্ৰচলিত পাঠ্যবিষয়ৰ আৰ্হিবোৰৰ দ্বাৰা আমাৰ সমাজৰ ভৱিষ্যৎ প্ৰজন্ম প্ৰভাৱিত হ'বনে?
- আমাৰ সমাজৰ ভৱিষ্যৎ কল্যাণৰ বাবে পাঠ্যবিষয়ৰ পৰিকল্পনাত অন্য লোকক আমি কেনেকৈ ফলপ্ৰসূভাৱে জড়িত কৰাব পাৰোঁ?

ওপৰত উল্লেখ কৰা প্ৰশ্নবোৰৰ উপৰি ভৱিষ্যতে পাঠ্যবিষয়ক প্ৰভাৱিত কৰিব পৰা অন্য কিছুমান দিশ আৰু পৰিঘটনাৰ উত্থান ঘটিব পাৰে। সেইবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

- লিংগ, বয়সৰ আৰ্হি, যুৱা জনসংখ্যা আদিৰ দৰে জনগাঁথনিমূলক পৰিবৰ্তন।
- যন্ত্ৰৰ ব্যৱহাৰ আৰু উৎপাদনশীলতা বৃদ্ধিৰ দৰে প্ৰযুক্তিগত উদ্ভাৱন।
- শিক্ষাৰ নতুন ব্যৱস্থা প্ৰচলন অনিবাৰ্য কৰি তোলা সামাজিক উদ্ভাৱন।
- ধাৰণাৰ সাল-সলনি, ভ্ৰমণ-বাণিজ্য-কৰ্মসংস্থাপন-প্ৰচাৰ মাধ্যম আদিৰ বৃদ্ধি তথা বিকাশ আদিৰ ফলত হোৱা সাংস্কৃতিক সংমিশ্ৰণ।
- বিশ্বজনীন শিকন, শিক্ষাৰ আন্তৰ্জাতিকীকৰণ আদিৰ দৰে শিক্ষাৰ নতুন বিশ্বজনীন ধাৰা।
- আন্তঃশাখাকেন্দ্ৰিক শৈক্ষিক দৃষ্টিভংগীৰ উত্থান— বিভিন্ন শাখাৰ বিষয়ে জ্ঞান আহৰণৰ প্ৰয়োজনীয়তা ইত্যাদি।

মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ শিক্ষাৰ্থীসকলৰ বাবে আন্তঃক্ৰিয়াশীল প্ৰকৃতিৰ পাঠ্যবিষয় যুগুত কৰা উচিত। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত পাঠ্যবিষয়ক স্ব-শিকন সামগ্ৰী (Self Learning Materials/SLMs) বোলা হয়। এনে সামগ্ৰীবোৰৰ সহায়ত শিক্ষাৰ্থীয়ে অতিৰিক্ত সহায় তথা সমৰ্থন নোলোৱাকৈ নিজাববীয়াকৈ অধ্যয়ন কৰিব পাৰে। পঢ়িবলগীয়া বিষয়সূচীবোৰৰ তাৎপৰ্য মৌলিক ধাৰণা আৰু বিষয়ভিত্তিক ধাৰণাৰ লগতে শিক্ষাৰ্থীৰ শিকন সামৰ্থৰ সৈতে বিশেষভাৱে খাপ খাই পৰা বিধৰ হ'ব লাগে। কোনো এক পাঠ্যবিষয়ৰ সৈতে সংলগ্ন বিষয়সূচীবোৰৰ উপকাৰিতাৰ ওপৰত পাঠ্যবিষয়টোৰ উপযোগিতা নিৰ্ভৰশীল। পাঠ্যবিষয় পৰিকল্পনাকাৰী নাইবা স্ব-শিকন সামগ্ৰীৰ আৰ্হিকাৰসকলে মনত ৰাখিবলগীয়া আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল পাঠ্যবিষয়ৰ ফলপ্ৰসূতা। শিক্ষাৰ্থীৰ হাতত থকা অধ্যয়নৰ সময় আৰু সমল,

অধ্যয়নৰ নামত হ'ব পৰা ব্যয়, সমসাময়িক সমাজ-ৰাজনৈতিক পৰিৱেশ আদি দিশ বিবেচনা কৰি আৰ্হি প্রস্তুতকাৰকসকলে পাঠ্যবিষয় একোটাত সন্নিৱিষ্ট বিষয়সূচী বিশ্লেষণ তথা পৰীক্ষা কৰিব লাগে। স্ব-শিকন সামগ্রীবোৰ সদায় শেহতীয়া, সময়মতে প্রকাশিত তথা সময়ে সময়ে প্রয়োজনীয় শুধৰণি সংযোজিত হ'ব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ এটা অসুবিধাৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন ৪ ঃ পাঠ্যবিষয় বিকাশৰ কেইটামান কৌশল উল্লেখ কৰক।

.....

.....

৫.৫ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পর্কীয় মূল দৃষ্টিভংগীসমূহ

পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগীয়ে ব্যক্তিবিশেষৰ পৃথিৱী সম্পর্কীয় দৃষ্টিকোণক প্রতিফলিত কৰে। এই দৃষ্টিকোণে এগৰাকী ব্যক্তিৰ বাস্তৱ সম্পর্কে থকা ধাৰণা/অনুমান, তেওঁ গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা প্রমূল্য আৰু তেওঁৰ জ্ঞানৰ পৰিমাণক সামৰি লয়। এটা পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগীয়ে প্রতিফলিত কৰা প্রধান দিশবোৰ হ'ল— পাঠ্যবিষয়ৰ ভিত্তি (পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগীৰ গৰাকী ব্যক্তিৰ দর্শন নাইবা সামাজিক সমস্যাবোৰৰ প্রতি থকা তেওঁৰ দৃষ্টিকোণ) সামৰি প্রতিফলিত হোৱা অধি-দিক্‌বিন্যাস (meta-orientation), পাঠ্যবিষয়ত অন্তর্গত বিভিন্ন শিতান (এটা নির্দিষ্ট অধ্যয়ন ক্ষেত্রৰ ভিতৰত ধৰা উমৈহতীয়া তথা গুৰুত্বপূর্ণ জ্ঞান) আৰু পাঠ্যবিষয়ৰ তাত্ত্বিক তথা ব্যৱহাৰিক নীতিসমূহ।

শিক্ষক আৰু পাঠ্যবিষয় প্রস্তুতকাৰীসকলে বিভিন্ন দৃষ্টিভংগী চালি-জাৰি চাই তিনিটা প্রধান পাঠ্যবিষয় প্রস্তুতকৰণ আৰ্হি গ্রহণ আৰু প্রয়োগ কৰিছে। এই আৰ্হিকেইটাৰ ব্যৱহাৰৰ ধৰণ-কৰণেই হ'ল পাঠ্যবিষয় এটা প্রস্তুত কৰাৰ দৃষ্টিভংগী। কোনো এটা বিশেষ পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগী নাইবা আৰ্হি বাচনি কৰাৰ আঁৰত তলৰ কাৰকবোৰে ক্রিয়া কৰে—

- কোনো এক শৈক্ষিক কার্যসূচীৰ দ্বাৰা শিক্ষার্থীক দিব খোজা অভিজ্ঞতাৰ প্রকাৰ সন্দর্ভত লোৱা সিদ্ধান্তবোৰৰ ভিত্তি
- পাঠ্যবিষয় পৰিকল্পনা প্রক্রিয়াত শিক্ষক, শিক্ষার্থী আৰু অন্য অভিকৰণসমূহৰ ভূমিকা
- বিদ্যালয় নাইবা শিক্ষানুষ্ঠান এখনে আগবঢ়োৱা শৈক্ষিক অভিজ্ঞতাৰ বাচনি তথা সুসজ্জিতকৰণৰ উপায় নির্ণয় কৰাৰ পদ্ধতি পচন্দকৰণ
- শৈক্ষিক উদ্দেশ্য বাচনিত প্রভাৱ পেলোৱা কাৰকসমূহ

- বিষয়বস্তু নাইবা বিষয়সূচীৰ প্ৰয়োগসাধ্যতা ইত্যাদি।

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় প্ৰস্তুতকৰণৰ কামত সহায় কৰা প্ৰধান দৃষ্টিভংগীকেইটা তলত আলোচনা কৰা হ'ল ঃ

শিক্ষার্থীকেন্দ্রিক দৃষ্টিভংগী (Learner-Centred Approach)

পাঠ্যবিষয়ৰ আৰ্হি প্ৰস্তুত কৰাত সহায়কাৰী এই দৃষ্টিভংগীটোৰ আধাৰ হ'ল দৃষ্টিভংগীটোত নিহিত থকা এক দৰ্শন। এই দৰ্শন অনুসৰি শিক্ষার্থীয়েই হ'ল শৈক্ষিক প্ৰক্ৰিয়াৰ মূল। সেয়েহে শিক্ষার্থীৰ প্ৰয়োজনীয়তা, আগ্ৰহ, উদ্দেশ্য আৰু সামৰ্থ অনুসৰি পাঠ্যবিষয় প্ৰস্তুত কৰা উচিত। এই দৃষ্টিভংগী অনুসৰি শিক্ষার্থীৰ জ্ঞান, দক্ষতা, শিকন তথা সম্ভাৱনীয়তাৰ আধাৰতো একোটা পাঠ্যবিষয় প্ৰস্তুত কৰা হয়।

এই দৃষ্টিভংগীত তলৰকথাবোৰ বিবেচনা কৰি চোৱা হয় ঃ

- শিক্ষার্থীৰ প্ৰতি এক নতুন ধৰণৰ সন্মান সৃষ্টি কৰাটো হ'ল এটা মৌলিক প্ৰয়োজনীয়তা
- পাঠ্যবিষয়ৰ জৰিয়তে কার্য সম্পাদনৰ এক নতুন স্বতন্ত্ৰতা প্ৰদান কৰিব লাগিব
- সমগ্ৰ শৈক্ষিক কার্যকলাপকে কার্যএকক (units of work)ত ভগাই ল'ব লাগিব
- শিক্ষার্থীক স্ব-আৱিষ্কাৰ আৰু স্ব-নির্দেশনা দিব পৰাকৈ সমৰ্থ কৰি তুলিব পৰা অন্য মাধ্যম ব্যৱহাৰ তথা অন্বেষণৰ প্ৰয়োজনীয়তা চিনাক্ত কৰাৰ সুবিধা অন্তর্ভুক্ত কৰিব লাগিব।

দূৰৱৰ্ত্তী শিক্ষাৰ বাবে পাঠ্যবিষয় বিকাশ কৰাৰ সময়ত তলত উল্লেখ কৰা প্ৰশ্নবোৰ মনত ৰখা হয়—

- শিক্ষার্থীসকলৰ কেনেধৰণৰ শৈক্ষিক অৰ্হতা আছে?
- শিক্ষার্থীসকলে একে মানৰ জ্ঞান লাভ কৰিছেনে তেওঁলোকৰ জ্ঞান আহৰণৰ স্তৰ বেলেগ বেলেগ?
- ইতিপূৰ্বে সমাপ্ত কৰা অধ্যয়নকালত শিক্ষার্থীয়ে কি ভাষা ব্যৱহাৰ কৰিছিল?
- প্ৰস্তাৱিত শৈক্ষিক কার্যসূচীৰ বাবে যদি শিক্ষার্থীয়ে অন্য ভাষা ব্যৱহাৰ কৰিবলগীয়া হয় তেন্তে তেওঁলোকৰ পৰা ভাষাৰ দিশত আমি কেনে মানৰ পাৰদর্শিতা আশা কৰিম?
- শিক্ষার্থীয়ে কি কথা শিকিব বিচাৰে নাইবা শিকাটো প্ৰয়োজনীয়?

পাঠ্যবিষয় বিকাশৰ শিক্ষার্থীকেন্দ্রিক দৃষ্টিভংগীৰ সৈতে কেইটামান উপ-দৃষ্টিভংগী জড়িত হৈ আছে। দৃষ্টিভংগীকেইটা হ'ল—

একক আলোচ্য বিষয় দৃষ্টিভংগী (Topic-by-Topic Approach) ঃ

এই দৃষ্টিভংগীত আলোচ্য বিষয়বোৰৰ মাজত কোনো ধৰা-বন্ধা সম্পর্ক নাথাকে। সেয়েহে এনে দৃষ্টিভংগীৰ আধাৰত প্ৰস্তুত পাঠ্যবিষয়ত পাঠবোৰৰ মাজত ক্ৰম থকাটো অত্যাৱশ্যকীয় বুলি গণ্য কৰা নহয়।

সময় ক্ৰমভিত্তিক নাইবা ঐতিহাসিক দৃষ্টিভংগী (Chronological Sequence or Historical Approach) ঃ

অতীতৰ পৰা বৰ্তমানলৈ গতি কৰা পাঠ ক্ৰমটো হ'ল পাঠ্যবিষয় প্ৰস্তুতৰ সময়ত মানি চলা এটা সাধাৰণ নিয়ম। এই পদ্ধতিত পাঠবোৰ সজাই লোৱাৰ সাংগঠনিক আৰ্হি প্ৰয়োগ কৰিবলৈ সহজ।

কুণ্ডলিত দৃষ্টিভংগী (Spiral Approach) ঃ

এই দৃষ্টিভংগীত পাঠ্যবিষয়ৰ অন্তৰ্গত প্ৰধান আলোচ্য বিষয় নাইবা ধাৰণাবোৰ পাঠ্যক্ৰমৰ বিভিন্ন স্তৰত পুনঃস্মৰণ/পুনঃউল্লেখ কৰা হয়। প্ৰতিবাৰেই বিষয় নাইবা ধাৰণাবোৰৰ সৈতে নতুন তথ্য নাইবা নতুনকৈ বিকাশ ঘটনা আকলন যোগ দিয়া হয়।

বিষয়কেন্দ্ৰিক দৃষ্টিভংগী (Subject-Centred Approach) ঃ

পাঠ্যবিষয় প্ৰস্তুতৰ আৰ্হিস্বৰূপে এই দৃষ্টিভংগীয়ে এক বহল ক্ষেত্ৰত বিভিন্ন তথা পৃথক বিষয় সামৰি লোৱাৰ পোষকতা কৰে। এই দৃষ্টিভংগীত তলৰ কথাবোৰ বিবেচনা কৰি চোৱা হয় ঃ

- বিষয়বস্তুৰ ওপৰত প্ৰধানকৈ মনোনিৱেশ কৰিব লাগিব
- তথ্যৰ খণ্ড/ক্ষুদ্ৰ অংশ সংযোজনৰ ওপৰত জোৰ দিব লাগিব। এনে তথ্য জীৱনৰ পৰা বিচ্ছিন্ন হ'ব লাগিব।
- বিদ্যালয়ৰ বাহিৰত চলিব পৰা জ্ঞান অন্বেষণৰ অবিৰত প্ৰক্ৰিয়াৰ ওপৰত জোৰ দিয়া নহয়। শিকন কেৱল শ্ৰেণীকোঠাৰ ভিতৰতহে সংঘটিত হোৱা উচিত বুলি মত পোষণ কৰে।
- বিষয়বস্তুবোৰে জীৱন-যাপনৰ সমস্যা চিনাক্তকৰণৰ এক উপায় ৰূপে নিজ ভূমিকা পালন কৰিব।

সমস্যাকেন্দ্ৰিক দৃষ্টিভংগী (Problem-Centred Approach) ঃ

জীৱন যাপন প্ৰক্ৰিয়াৰ মাজেৰে যাওঁতে শিক্ষাৰ্থীয়ে সমস্যাৰ সন্মুখীন হয় বুলি ধৰি লোৱা পাঠ্যবিষয় প্ৰস্তুতকৰণ আৰ্হিটোৰ ওপৰত এই দৃষ্টিভংগী আধাৰিত। শিক্ষাৰ্থীৰ সমস্যা সমাধান কৰিব পৰা সামৰ্থই তেওঁলোকৰ ব্যক্তি হিচাপে সম্পূৰ্ণ নাইবা সৰ্বমুঠ বিকাশ ঘটাব পৰাকৈও সমৰ্থ কৰি তোলে।

তলত উল্লেখ কৰা দৃষ্টিকোণ আৰু বিশ্বাসবোৰ হ'ল সমস্যাকেন্দ্ৰিক দৃষ্টিভংগীৰ মূল বৈশিষ্ট্য ঃ

- শিক্ষাৰ্থীসকলে নিজে নিজক সমস্যা সমাধানৰ নিৰ্দেশনা আৰু দিক্‌নিৰ্দেশনা প্ৰদান কৰিবলৈ সামৰ্থ আৰু এনেকৈয়ে তেওঁলোক স্বতন্ত্ৰ শিক্ষাৰ্থীত পৰিণত হ'ব।
- বিভিন্ন শৈক্ষিক কাৰ্যকলাপত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলে নিজৰ পৌৰ/নাগৰিক দায়িত্ব পালন কৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰিব পাৰিব।
- এই পাঠ্যবিষয়ে শিক্ষাৰ্থীক উদ্বেগৰ কাৰণ আৰু সমস্যা চিনাক্তকৰণত সহায় কৰাৰ লগতে সমাধানৰ অন্বেষণ কৰিবলৈ শিকায়। শিক্ষাৰ্থীসকলক সেয়েহে সমস্যা সমাধানকাৰী বুলি গণ্য কৰা হয়।

মানৱীয় সম্পৰ্ককেন্দ্ৰিক দৃষ্টিভংগী (Human Relation Centred Approach) ঃ

পৰিকল্পনা স্তৰত একোটা পাঠ্যবিষয় নাইবা পাঠ্যক্ৰম অন্তৰ্গত বিষয়সূচীবোৰ মানুহৰ মাজত ফলপ্ৰসূ সামাজিক তথা অন্তৰ্ব্যক্তিক সম্পৰ্ক গঢ়ি তুলিব পৰাকৈ প্ৰস্তুত কৰিব লাগে বুলি বিবেচনা কৰা হয়। মানৱীয় সম্পৰ্ককেন্দ্ৰিক দৃষ্টিভংগী অনুসৰি শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলে তাৎক্ষণিক পৰিৱেশত থকা সম্প্ৰদায় এটাৰ সদস্য/সদস্যাৰূপে সন্মুখীন হোৱা দৈনন্দিন সমস্যাবোৰৰ লগতে ৰাজ্য, অঞ্চল আৰু গোটেই পৃথিৱীখনৰ সমস্যাবোৰ বিবেচনা কৰি চাব লাগে। পাঠ্যবিষয়ৰ মানৱীয় দৃষ্টিভংগীৰ উপকাৰিতাই মনোনিৱেশ কৰা মূল বিষয়টো হ'ল এক সুনিৰ্দিষ্ট সামাজিক গোটৰ সদস্য/সদস্যাৰূপে জীৱন-যাপন কৰা ল'ৰা-ছোৱালীখিনিৰ প্ৰয়োজনীয়তা। দৃষ্টিভংগীটোৱে এই কথা বিশ্বাস কৰে যে ল'ৰা-ছোৱালীয়ে শিকাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলেহে উৎকৃষ্ট ধৰণে শিকিব পাৰে। পাঠ্যবিষয়ৰ নিৰ্দিষ্ট দৃষ্টিভংগী একোটাই ল'ৰা-ছোৱালীৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব লাগে। এই দৃষ্টিভংগীৰ সহায়ত পৰিৱেশজনিত সমস্যা, জৈৱ-বৈচিত্ৰ্য, অবিৰত উন্নয়ন, ৰাষ্ট্ৰীয়-আন্তৰ্জাতিক বুজাপৰা, জাতিভেদ প্ৰথা, জনসংখ্যা, সংযোগ-প্ৰযুক্তি ইত্যাদি দিশ সামৰি পাঠ্যবিষয় যুগুত কৰা হ'ব পাৰে।

মানৱীয় সম্পৰ্ককেন্দ্ৰিক দৃষ্টিভংগীৰ বৈশিষ্ট্যবোৰ হ'ল—

- মানুহৰ বৃদ্ধি, বিকাশ আৰু শিকন পন্থাক লৈ আহৰণ কৰা বৃত্তিজীৱি জ্ঞানৰ আধাৰত এই দৃষ্টিভংগী গঢ় লৈ উঠিছে।
- ই দলীয় জীৱনৰ ব্যৱহাৰিকতাক স্বীকৃতি দিয়ে।
- ই দলৰ সাধাৰণ সমস্যাবোৰ সমাধান কৰাৰ সুযোগ আগবঢ়ায়। এনে সমস্যাবোৰ দলৰ সদস্যসকলে গাইগুটীয়াভাৱে প্ৰকট কৰে।
- ই আধুনিক জীৱনৰ প্ৰকৃতি আৰু জটিলতালৈ অহা পৰিবৰ্তনৰ ইংগিতবোৰৰ প্ৰতি মনোযোগ দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ পাঠ্যবিষয় সম্পৰ্কীয় দৃষ্টিভংগী বুলিলে কি বুজায়?

.....

.....

প্ৰশ্ন ৬ ঃ পাঠ্যবিষয় সম্পৰ্কীয় মূল দৃষ্টিভংগীবোৰৰ নাম লিখক।

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'পাঠ্যবিষয়' বুজোৱা ইংৰাজী শব্দ 'curriculum' মূল হ'ল লেটিন শব্দ 'currence'— যাৰ অৰ্থ হ'ল 'দৌৰ'। ই এটা 'ধাৱন পথ' নাইবা 'এটা গতি'ৰ বিষয়ে বুজায়— যিটো পথ নাইবা গতিৰ উদ্দেশ্য হ'ল কোনো লক্ষ্যত উপনীত হোৱা। শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ শিক্ষানুষ্ঠানবোৰে আয়োজন কৰা সকলো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কার্যকলাপকে পাঠ্যবিষয়ে সামৰি লয়। শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ যাওঁতে শিক্ষার্থীয়ে আহৰণ কৰিবলগীয়া সর্বমুঠ সুশিক্ষাভিত্তিক অভিজ্ঞতাই হ'ল একোটা পাঠ্যবিষয়। এখন দেশৰ শৈক্ষিক নীতি অনুসৰি পাঠ্যবিষয়বোৰ যুগুত কৰা হয়।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় বিকাশৰ উদ্দেশ্য হ'ল শিক্ষার্থীসকলক এক ফলপ্রসূ আৰু অবিৰত শিকন পৰিৱেশত শিক্ষাৰ ঈপ্সিত ফলাফল লাভৰ দিক্‌নির্দেশনা প্রদান কৰা। পাঠ্যবিষয় বিকাশৰ সময়ত আৰ্হিকাৰসকলে পৰম্পৰাগত মুখামুখি শিকন আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ প্রভেদ সম্পর্কে সচেতন হৈ থাকিব লাগে।
- দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত অধ্যয়ন কৰিবলগীয়া পাঠবোৰ একোটা 'ক্ষুদ্র একক আৰ্হি'ত লিখা হয়। ইয়াৰ উদ্দেশ্য হ'ল ঘৰতে থাকি পঢ়া শিক্ষার্থীক ফলপ্রসূভাৱে পাঠবোৰ বুজি পোৱাত সহায় কৰা। পাঠ্যবিষয়ৰ সামগ্রী বিকাশ কৰা প্রক্রিয়াটোৱে মূলতঃ চাৰিটা স্তৰৰ মাজেৰে গতি কৰে— প্রাক-পৰিকল্পনা স্তৰ, পৰিকল্পনা স্তৰ, ৰচনা স্তৰ আৰু উৎপাদন স্তৰ।
- এটা পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগীয়ে প্রতিফলিত কৰা প্রধান দিশবোৰ হ'ল— পাঠ্যবিষয়ৰ ভিত্তি (পাঠ্যবিষয় সম্পর্কীয় দৃষ্টিভংগীৰ গৰাকী ব্যক্তিৰ দর্শন নাইবা সামাজিক সমস্যাবোৰৰ প্রতি থকা তেওঁৰ দৃষ্টিকোণ) সামৰি প্রতিফলিত হোৱা অধিদিক্‌বিন্যাস, পাঠ্যবিষয়ত অন্তর্গত বিভিন্ন শিতান (এটা নির্দিষ্ট অধ্যয়ন ক্ষেত্রৰ ভিতৰত ধৰা উমৈহতীয়া তথা গুৰুত্বপূর্ণ জ্ঞান) আৰু পাঠ্যবিষয়ৰ তাত্ত্বিক তথা ব্যৱহাৰিক নীতিসমূহ।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যবিষয় সম্পর্কীয় মূল দৃষ্টিভংগীসমূহ হ'ল— শিক্ষার্থীকেন্দ্রিক দৃষ্টিভংগী, বিষয়কেন্দ্রিক দৃষ্টিভংগী, সমস্যাকেন্দ্রিক দৃষ্টিভংগী আৰু মানৱীৰ সম্পর্ককেন্দ্রিক দৃষ্টিভংগী।



৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) IGNOU. (2008). *Manual for Course Writers, Staff Training and Research Institute of Distance Education*. Indira Gandhi National Open University, New Delhi, July 2008.



৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো এক শিক্ষানুষ্ঠানে ইয়াৰ শিক্ষাৰ্থীসকলৰ বাবে উপযুক্ত পৰিকল্পনাৰে প্ৰস্তুত কৰা সকলো কাৰ্যকলাপ তথা শৈক্ষিক অভিজ্ঞতাৰ কথা বুজাবলৈ 'পাঠ্যবিষয়' বোলা অভিধাটো ব্যৱহাৰ কৰা হয়। ইয়াত পাঠ্যক্ৰমভিত্তিক আৰু অনা-পাঠ্যক্ৰমভিত্তিক উভয় ধৰণৰ কাৰ্যকলাপকে স্থান দিয়া হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কানিহামৰ মতে, "শিল্পী (artist/teachet)এ নিজৰ শিল্পশালা (studio/school)ত নিজ আদৰ্শ (ideal/objective) অনুসৰি তেওঁৰ হাতত থকা কেঁচামাল (material/pupils) গঢ়ি-পিতি ল'বলৈ ব্যৱহাৰ কৰা এবিধ আহিলাৰ নাম হ'ল পাঠ্যবিষয়।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃক্ৰিয়াৰ অভাৱ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্য শিক্ষাৰ্থীৰ গোটটো চিনাক্ত কৰি উলিয়াব লাগে। এনে শিক্ষাৰ্থীৰ শিকন শৈলী, আগতীয়া জ্ঞান, অনুপ্ৰেৰণা যোগোৱা কাৰকসমূহ, পাঠ্যবিষয় এটাত নামভৰ্ত্তি কৰাৰ অভিপ্ৰায়, শিকা কথাবোৰ কাৰ্যত প্ৰয়োগ কৰিব পৰা সামৰ্থ আদিৰ দৰে বৈশিষ্ট্যবোৰ উপযুক্তভাৱে বিশ্লেষণ কৰি চাব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যবিষয় সম্পৰ্কীয় দৃষ্টিভংগীয়ে ব্যক্তিবিশেষৰ পৃথিৱী সম্পৰ্কীয় দৃষ্টিকোণৰ প্ৰতিফলিত কৰে। এই দৃষ্টিকোণে এগৰাকী ব্যক্তিৰ বাস্তৱ সম্পৰ্কে থকা ধাৰণা/অনুমান, তেওঁ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা প্ৰমূল্য আৰু তেওঁৰ জ্ঞানৰ পৰিমাণক সামৰি লয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষাৰ্থীকেন্দ্ৰিক দৃষ্টিভংগী, বিষয়কেন্দ্ৰিক দৃষ্টিভংগী, সমস্যাকেন্দ্ৰিক দৃষ্টিভংগী আৰু মানৱীয় সম্পৰ্ককেন্দ্ৰিক দৃষ্টিভংগী।



৫.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ 'পাঠ্যবিষয়'ৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ 'পাঠ্যবিষয়' আৰু 'পাঠ্যতালিকা'ৰ মাজৰ প্ৰভেদ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ পাঠ্যবিষয় বিকাশ প্ৰক্ৰিয়াৰ স্তৰকেইটা কি কি?

প্ৰশ্ন ৪ ঃ পাঠ্যবিষয় বিকাশৰ পৰিকল্পনা স্তৰৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৬ ঃ পাঠ্যবিষয় সম্পৰ্কীয় দৃষ্টিভংগীবোৰ ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ পাঠ্যবিষয় বিকাশৰ প্ৰক্ৰিয়াবোৰৰ বিষয়ে এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ পাঠ্যবিষয় সম্পৰ্কীয় দৃষ্টিভংগীবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পাঠ্যবিষয় বিকাশৰ সমস্যাকেন্দ্ৰিক দৃষ্টিভংগীটো আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পাঠ্যবিষয় বিকাশৰ শিক্ষাৰ্থীকেন্দ্ৰিক দৃষ্টিভংগীটো আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ দূৰৱৰ্ত্তী শিক্ষাত পাঠ্যসূচী মূল্যায়ন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ পাঠ্যসূচী মূল্যায়নৰ ধাৰণা

৬.৩.১ পাঠ্যসূচী মূল্যায়নৰ অর্থ

৬.৩.২ পাঠ্যসূচী মূল্যায়নৰ সংজ্ঞা

৬.৪ পৰীক্ষা, মূল্যাংকন, জোখ-মাখ আৰু মূল্যায়ন

৬.৫ পাঠ্যসূচী মূল্যায়নৰ প্রয়োজনীয়তা

৬.৫.১ পাঠ্যসূচী মূল্যায়নৰ সাধাৰণ প্রয়োজনীয়তা

৬.৫.২ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ প্রয়োজনীয়তা

৬.৬ দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যসূচী মূল্যায়নৰ বিভিন্ন দিশ

৬.৬.১ এখন পাঠ্যসূচীৰ পৰিকল্পনাৰ মূল্যায়ন

৬.৬.২ নির্দেশনামূলক সামগ্রীৰ মূল্যায়ন

৬.৬.৩ শিক্ষার্থী সমর্থন সেৱাবোৰৰ মূল্যায়ন

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাঠ্যসূচী মূল্যায়নৰ অর্থ আৰু সংজ্ঞা ব্যাখ্যা কৰিব পাৰিব
- পৰীক্ষা, মূল্যাংকন, জোখ-মাখ আৰু মূল্যায়নৰ সংজ্ঞাৰ লগতে এইবোৰৰ মাজত থকা প্রভেদবোৰ বর্ণনা কৰিব পাৰিব
- পাঠ্যসূচী মূল্যায়নৰ প্রয়োজনীয়তা বিশ্লেষণ কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিক্ষাত পাঠ্যসূচী মূল্যায়নৰ বিভিন্ন দিশ সম্পর্কে বহলাই আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি পাঠ্যসূচী আৰু পাঠ্যসূচী যুগুত কৰাৰ প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰিছে। আপুনি নিশ্চয় মনত ৰাখিছে যে বিদ্যালয়ৰ পৰিৱেশত এজন/এজনী শিক্ষাৰ্থীক অভিজ্ঞতাৰ সম্পূৰ্ণ সমষ্টি এটা প্ৰদান কৰা হয়। দূৰৱৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰতো আমি ক'ব পাৰো যে এখন মুক্ত বিশ্ববিদ্যালয় অথবা দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানে শিক্ষাৰ্থীসকলক শৈক্ষিক লেনদেনৰ লগতে শৈক্ষিক তথা অনা-শৈক্ষিক সমৰ্থনৰ সম্পূৰ্ণ সমষ্টি এটা আগবঢ়ায়। এনে বিশ্ববিদ্যালয় অথবা শিক্ষানুষ্ঠানে আগবঢ়োৱা সামগ্ৰিক শিক্ষাত বিভিন্ন বিষয়/পাঠ্যক্ৰমৰ উপৰি পৰিকল্পিত কাৰ্যকলাপৰ একোটা সমষ্টি, মাল্টিমিডিয়া প্ৰযুক্তিৰে সৈতে বিভিন্ন ধৰণৰ শিক্ষাৰ্থী সমৰ্থন সেৱা, ঈপ্সিত লক্ষ্যত উপনীত হোৱাৰ কিছুমান বিশেষ কৌশল আদি সন্নিৱিষ্ট থাকে।

তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT)ৰ দ্ৰুত বিকাশৰ বাবে উচ্চ শিক্ষা ব্যৱস্থাৰো অভূতপূৰ্ব পৰিবৰ্তন ঘটিছে। ইয়াৰ ফলস্বৰূপে শিক্ষা ক্ষেত্ৰত ডাকযোগে গ্ৰহণ কৰা শিক্ষা (correspondance education), দূৰৱৰ্ত্তী শিক্ষা (distance education), মুক্ত শিক্ষা (open education), অনলাইন শিক্ষা (online education) নাইবা ই-লার্নিং (e-learning)ৰ দৰে ব্যৱস্থাবোৰে তাৎপৰ্যপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে। পৰিবৰ্তিত পৰিস্থিতিত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষা লাভ কৰা শিক্ষাৰ্থী এগৰাকীয়ে উন্নত ফলাফল প্ৰদৰ্শন কৰিব পাৰে। এনে শিক্ষাৰ্থীৰ দক্ষতা আৰু মনোভাৱ উন্নত কৰি তুলিবলৈ কেৱল উপযুক্ত সমৰ্থন সেৱা আৰু সহায় আগবঢ়াব লাগে যাতে ইয়াৰ জৰিয়তে তেওঁলোকে উত্তম জ্ঞান আহৰণ কৰিব পাৰে। এই কথা সৰ্বজনবিদিত যে এখন দেশৰ সমুচিত বিকাশৰ বাবে ইয়াৰ শিক্ষা ব্যৱস্থাটো ফলপ্ৰসূ, সমৰ্থ আৰু উৎপাদনশীল হোৱা উচিত। এইখিনিতে কেইটামান প্ৰশ্নৰ উদয় হ'ব পাৰে ঃ আমি পাঠ্যসূচী এখনৰ সুফল আৰু দুৰ্বলতাবোৰ কেনেকৈ চিনাক্ত কৰিব পাৰিম? আমি পাঠ্যবিষয়/কাৰ্যসূচী এটাৰ ফলপ্ৰসূতা, সামৰ্থ নাইবা উৎপাদনশীলতা কেনেকৈ জুখিম (নাইবা কোনো এটা নিৰ্দিষ্ট পাঠ্যবিষয়/কাৰ্যসূচীৰ পাঠ্যসূচী কেনেকৈ মূল্যায়ন কৰিম)? শিক্ষাৰ মান আমি কেনেকৈ উন্নত/শুধৰণি কৰিম? এই আটাইবোৰ প্ৰশ্নৰ উত্তৰ বাহিৰ কৰাৰ বাবে আমি পাঠ্যসূচী মূল্যায়নৰ ধাৰণাটো জানিব লাগিব। সেয়েহে এই অধ্যায়টিত পাঠ্যসূচী মূল্যায়নৰ বিষয়টো বহলাই আলোচনা কৰা হ'ল।

৬.৩ পাঠ্যসূচী মূল্যায়নৰ ধাৰণা

পাঠ্যসূচী মূল্যায়নৰ ধাৰণাটো আলোচনা কৰাৰ পূৰ্বে আপুনি 'পাঠ্যসূচী' (curriculum) আৰু 'মূল্যায়ন' (evaluation) শব্দ দুটাৰ অৰ্থ পৃথক পৃথককৈ বুজি ল'ব লাগিব। আমি ইতিমধ্যে 'পাঠ্যসূচী' কি সেই বিষয়ে আলোচনা কৰিছোঁ। এইখিনিতে 'মূল্যায়ন'ৰ অৰ্থটো বুজি লওঁ আহক। 'মূল্যায়ন' শব্দটোৰ বিভিন্ন অৰ্থ থাকিব পাৰে। শব্দটো বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। কেতিয়াবা ইয়াৰ অৰ্থ অশুদ্ধ হ'ব পাৰে আৰু কেতিয়াবা ইয়াৰ অৰ্থ অস্পষ্ট। শব্দটোৰ

সৈতে জড়িত ক্রিয়াবাচক পদ 'মূল্যায়ন কৰ'ৰ অর্থ হ'ল কোনো বস্তুৰ মূল্য 'বিচাৰ কৰ' নাইবা 'মূল্যাংকন কৰ'। অর্থাৎ, মূল্যায়নৰ অর্থ হ'ল কোনো বস্তুৰ মূল্য বিচাৰি চোৱা কার্য। যেনে— আমি কোনো কথা সম্পর্কে কোনো সিদ্ধান্ত গ্রহণ কৰাৰ আগতে কথাটোৰ ভাল-বেয়া দুয়োটা দিশ বিচাৰ কৰি চাব লাগিব। মূল্যায়ন হ'ল এনে এক কার্য যিটোৰ সৈতে ডেটা বা তথ্য সংগ্রহ, বিশ্লেষণ, ব্যাখ্যা আৰু প্রতিবেদন দাখিলকৰণ জড়িত হৈ থাকে। পাঠ্যসূচী মূল্যায়ন আভ্যন্তৰীণ আৰু বাহ্যিক দুয়ো ধৰণৰ হ'ব পাৰে। মূল্যায়ন হ'ল শিক্ষা ব্যৱস্থাৰ বিভিন্ন গোটৰ বিভিন্ন পাঠ্যসূচীৰ সৈতে জড়িত বিভিন্ন দিশৰ ডেটা বা তথ্য সংগ্রহ, বিশ্লেষণ, ব্যাখ্যা আৰু সর্বশেষত প্রতিবেদন দাখিল কৰা এটা প্রক্রিয়া। এটা শিক্ষা ব্যৱস্থাৰ অন্তর্গত বিভিন্ন গোটে নিজ নিজ উদ্দেশ্যেৰে মূল্যায়ন সম্পাদন কৰে। শিক্ষাৰ ৰাষ্ট্রীয় মন্ত্র্যালয়সমূহ, আঞ্চলিক শিক্ষা নিকায়সমূহ, আনুষ্ঠানিক তত্ত্বাৱধান তথা প্রতিবেদন দাখিলকৰণ ব্যৱস্থা, শিক্ষা বিভাগ, বিদ্যালয় আৰু সমূদায়বোৰে শিক্ষা ব্যৱস্থা এটাৰ বিভিন্ন গোটৰূপে কাম কৰে।

৬.৩.১ পাঠ্যসূচী মূল্যায়নৰ অর্থ

পাঠ্যসূচী মূল্যায়ন মানে হ'ল এটা নির্দিষ্ট সময়সীমাৰ ভিতৰত কোনো এখন পাঠ্যসূচীৰ প্রাসংগিকতা, পাৰদর্শিতা আৰু সাফল্য প্রণালীবদ্ধ তথা বস্তুনিষ্ঠভাৱে জুখি চোৱাৰ প্রক্রিয়া। পাঠ্যসূচী এখন শিক্ষার্থীৰ বাবে কিমান উপযোগী সেই সম্পর্কে এটা সিদ্ধান্ত গ্রহণ কৰাটো প্রয়োজনীয়। লগতে পাঠ্যসূচীখনে সদৰি কৰাৰ দৰে শিক্ষার্থীসকলে শিকন উদ্দেশ্যসমূহত উপনীত হ'ব পাৰিছেনে নাই সেয়াও চিনাক্ত কৰি উলিয়াব লাগে। 'পাঠ্যসূচী' বোলা অভিধাটোৰ সংজ্ঞাৰ আধাৰত পাঠ্যসূচী মূল্যায়নৰ সময়ত প্রধানকৈ মনোনিবেশ কৰিবলগীয়া দিশ নাইবা উদ্দেশ্যবোৰ ঠিক কৰি লোৱা হয়। মূল্যায়নৰ বাবে পাঠ্যসূচীৰ আর্হি, শিকন পৰিৱেশ, নির্দেশনা জ্ঞাপনৰ প্রক্রিয়া, নির্দেশনা জ্ঞাপনৰ সময়ত ব্যৱহৃত সমল তথা সামগ্রী, প্রয়োজনীয়তাৰ মূল্যাংকন উত্তৰৰ বিপৰীতে নম্বৰ দিয়াৰ পদ্ধতি, ব্যয় ফলপ্রসূতা আদি বিষয় বাচি লোৱা হ'ব পাৰে। আপুনিও নিশ্চয় এই পাঠ্যক্রম অথবা শৈক্ষিক কার্যসূচীত নামভর্তি কৰাৰ আগতে ওপৰত উল্লেখ কৰা কথাবোৰ পুনৰীক্ষণ কৰি চাইছে! ইয়াৰ উপৰি আপুনি হয়তো বর্তমানৰ পটভূমিত এই পাঠ্যক্রম অথবা শৈক্ষিক কার্যসূচীৰ সুফল, কুফল, লাভালাভ, প্রাসংগিকতা আদি দিশ চালি-জাৰি চাইছে! ইয়াৰ অর্থ এয়াই যে আপুনি পাঠ্যক্রমটোৰ এটা মূল্যায়ন কৰিছে। অর্থাৎ, মূল্যায়ন হ'ল পাঠ্যক্রমৰ নির্ভুলতা বিচাৰ কৰি চোৱা এক ব্যৱস্থাপনা। আপোনাক পাঠ্যসূচী মূল্যায়ন সম্পর্কে ভালদৰে বুজাত সহায় কৰিবলৈ তলত ইয়াৰ অর্থ ব্যাখ্যাকাৰী সংজ্ঞা দুটামান তুলি দিয়া হ'ল—

- পাঠ্যসূচী মূল্যায়নত বিদ্যালয়কেন্দ্রিক শিক্ষাৰ সকলো দিশ সামৰি লোৱা হয়। দুটামান উল্লেখনীয় দিশ হ'ল— শৈক্ষিক উদ্দেশ্য, অধ্যয়নৰ বাবে গ্রহণ কৰা পাঠৰ সূচী (syllabus), শিক্ষণ সঁজুলি, পাঠ পৰিকল্পনা, অন্য সামগ্রী তথা

সঁজুলি শিক্ষকৰ পাৰদর্শিতা, আন্তঃগাঁথনি ইত্যাদি।

- পাঠ্যসূচী মূল্যায়ন মানে কোনো এখন শিক্ষানুষ্ঠানৰ দ্বাৰা পৰিচালিত বিভিন্ন প্ৰক্ৰিয়াৰ এক বিচাৰো হ'ব পাৰে। ইয়াৰ বাবে শিক্ষানুষ্ঠানবোৰৰ সৈতে জড়িত বিভিন্ন গোটৰ মতামত সংগ্ৰহ কৰা হয়। এনে গোটবোৰত সাধাৰণ ব্যক্তি, বিশেষজ্ঞ, সমাজ আৰু শিক্ষার্থী, শিক্ষক, অভিভাৱক, প্ৰশাসনীয় বিষয়া আদিৰ দৰে ষ্টক হোল্ডাৰবোৰ থাকে। সকলোবোৰ মতামতৰ আধাৰত এটা ৰায়ত উপনীত হোৱা যায়।
- শিক্ষানুষ্ঠান এখনত চলি থকা বিভিন্ন প্ৰক্ৰিয়া সম্পৰ্কে প্ৰাসংগিক ডেটা সংগ্ৰহ কৰিও পাঠ্যসূচী মূল্যায়ন কৰা হয়। এনে মূল্যায়নকালত পাঠ্যসূচীখনে বান্ধি লোৱা উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছেনে নাই সেয়া বিচাৰ কৰি চোৱা হয়।
- অন্য অনুষ্ঠান/প্ৰতিষ্ঠান নাইবা অভিকৰণেও পাঠ্যসূচী মূল্যায়ন কৰিব পাৰে। শিক্ষার্থীৰ অগ্ৰগতি নিৰীক্ষণ কৰি কোনো পাঠ্যসূচী নাইবা শৈক্ষিক কার্যসূচীৰ মূল্যাংকন কৰা হয়।

এইবাৰ পাঠ্যসূচী মূল্যায়নৰ সংকীর্ণ আৰু বহল অর্থ দুটা আলোচনা কৰি চাও আহক!

পাঠ্যসূচী মূল্যায়নৰ সংকীর্ণ অর্থ ঃ ইয়াৰ অর্থ হ'ল মাত্ৰ এজন/এজনী শিক্ষার্থীৰ সামগ্ৰিক পাৰদর্শিতাৰ আধাৰত তেওঁক নম্বৰ নাইবা গ্ৰেড দিয়া কার্য। শিক্ষানুষ্ঠানবোৰে প্ৰতিজন/জনী শিক্ষার্থীকে 'ৰিপ'র্ট কার্ড' প্ৰদান কৰে। এনে কার্ডত বিভিন্ন বিষয়ত শিক্ষার্থীয়ে পাৰদর্শিতাৰ ভিত্তিত লাভ কৰা গ্ৰেড, নম্বৰ নাইবা ৰেংক উল্লেখ থাকে। অন্য অর্থত পাঠ্যসূচী মূল্যায়নৰ সংকীর্ণ অর্থ মানে হ'ল ঃ

- গাইগুটীয়া শিক্ষার্থীয়ে নিজ সামর্থ অনুসৰি প্ৰদর্শন কৰা সামর্থৰ মূল্যায়ন।
- সহপাঠীৰ তুলনাত শিক্ষার্থীৰ আপেক্ষিক পাৰদর্শিতাৰ মূল্যায়ন।
- ৰাষ্ট্ৰীয় বিধি-বিধান অনুসৰি শিক্ষার্থীৰ প্ৰস্থিতিৰ মূল্যায়ন।

পাঠ্যসূচী মূল্যায়নৰ বহল অর্থ ঃ পাঠ্যসূচী মূল্যায়নৰ বহল অর্থই কেৱল শিক্ষার্থীৰ ব্যক্তিগত পাৰদর্শিতাৰ কথাকে নুবুজায়। সেয়েহে এনে মূল্যায়নে শিক্ষার্থীৰ চৰম মানত জোৰ নিদিয়ে। ইয়াৰ অর্থ হ'ল—

- শিক্ষা উদ্দেশ্যত উপনীত হোৱাৰ লক্ষ্যেৰে শিক্ষার্থীৰ আচৰণলৈ অহা পৰিবর্তন অথবা আচৰণৰ শুধৰণিৰ মূল্যায়ন।
- শিক্ষার্থীৰ আচৰণগত পৰিবর্তনৰ প্ৰমাণ সংগ্ৰহ কৰাৰ বিভিন্ন পদ্ধতি আৰু পন্থা প্ৰয়োগৰ মূল্যায়ন।
- এজন/এজনী শিক্ষার্থীয়ে অধ্যয়ন কালত শুধৰণি ঘটোৱা তেনেবোৰ আচৰণ চিনাক্তকৰণ তথা ব্যাখ্যাৰ মূল্যায়ন যিবোৰে শিক্ষার্থীজন/জনীক নিজৰ চৌপাশৰ সৈতে পূর্বতকৈ অধিক খাপ খোৱাত আৰু নিজৰ সামর্থ বঢ়োৱাত সহায় কৰে।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় পাঠ্যসূচী মূল্যায়নৰ ধাৰণাটো স্পষ্টকৈ বুজিব পাৰিলে। ধাৰণাৰ স্পষ্টতা পাঠ্যসূচী বিকাশৰ এক গুৰুত্বপূর্ণ উপাদান। এখন পাঠ্যসূচীৰ উদ্দেশ্যবোৰৰ মূল্যায়নৰ দ্বাৰা এই প্রক্রিয়া আৰম্ভ কৰা হয় আৰু এই উদ্দেশ্যবোৰৰ সফলতাৰ মূল্যাংকনেৰে ইয়াৰ সামৰণি মৰা হয়।

৬.৩.২ পাঠ্যসূচী মূল্যায়নৰ সংজ্ঞা

পূর্বৰ শিতানবোৰ অধ্যয়ন কৰি আপুনি নিশ্চয় গম পালে যে পাঠ্যসূচী মূল্যায়ন হ'ল পাঠ্যসূচী বিকাশৰ এক প্রয়োজনীয় স্তৰ। তলত পাঠ্যসূচী ক্ষেত্রখনৰ বিভিন্ন বিশেষজ্ঞই আগবঢ়োৱা সংজ্ঞা কেইটামান তুলি দিয়া হ'ল—

- *ৱ'র্থেন আৰু চেণ্ডাৰ্চ [Worthen and Sanders] (১৯৮৭)* ঃ মূল্যায়ন মানে হ'ল "কোনো কার্যসূচী, সামগ্রী, প্রকল্প, প্রক্রিয়া, উদ্দেশ্য নাইবা পাঠ্যসূচীৰ গুণমান, ফলপ্রসূতা নাইবা মূল্যৰ আনুষ্ঠানিক নির্ণয়।"
- *ওর্ণষ্টেইন আৰু হান্‌কিন্স [Ornstein and Hunkins] (১৯৯৮)* ঃ মূল্যায়ন মানে হ'ল "এনে এক প্রক্রিয়া নাইবা প্রক্রিয়া সমষ্টি যিটো মানুহে এনে কিছু ডেটা বা তথ্য সংগ্রহৰ বাবে ব্যৱহাৰ কৰে যিবোৰ ডেটাই বা তথ্যই সাধাৰণ অর্থত এখন পাঠ্যসূচী নাইবা বিশেষ অর্থত কোনো এখন শৈক্ষিক পাঠ্যপুথি গ্রহণ, পৰিবর্তন নাইবা কোনো অংশ আঁতৰোৱাৰ সিদ্ধান্ত গ্রহণত সহায় কৰে।"
- *ৰোনাল্ড ড'ল [Ronald Doll]* ঃ "স্পষ্টভাৱে নির্দ্ধাৰণ কৰি লোৱা লক্ষ্যত উপনীত হ'বলৈ প্রয়োগ কৰা পঠনীয় বিষয়সূচী আৰু অধ্যয়ন প্রক্রিয়াবোৰৰ প্রভাৱ সম্পর্কে অনুসন্ধান কৰা এক বহল আৰু অবিৰত প্রয়াসেই হ'ল মূল্যায়ন।"
- *ষ্টাফল্‌বীম [Stufflebeam]* ঃ "সিদ্ধান্ত বিকল্পবোৰ বিচাৰ কৰি চোৱাৰ বাবে তথ্য আঁতৰকৰণ, সংগ্রহ আৰু উপযোগী তথ্য আগবঢ়োৱা প্রক্রিয়াটোৱেই হ'ল মূল্যায়ন।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওঁক—

(ক) পাঠ্যসূচী এখনৰ নির্ভুলতা বিচাৰ কৰি চোৱাৰ বাবে ব্যৱহাৰ কৰা ব্যৱস্থাপনা আহিলা এবিধ হ'ল পাঠ্যসূচী মূল্যায়ন।

(খ) পাঠ্যসূচী মূল্যায়ন হ'ল সংশ্লিষ্ট শিক্ষানুষ্ঠানবোৰে চলোৱা এক সম্পূর্ণ আভ্যন্তৰীণ অনুশীলন।

প্ৰশ্ন ২ ঃ পাঠ্যসূচী মূল্যায়নৰ সংকীৰ্ণ আৰু বহল অৰ্থৰ সংজ্ঞা দিয়ক। (প্ৰায় ৪০টা শব্দত)

.....

.....

৬.৪ পৰীক্ষা, মূল্যাংকন, জোখ-মাখ আৰু মূল্যায়ন

মূল্যায়ন (evaluation)ৰ বিষয়ে আলোচনা কৰাৰ সময়ত আন দুটামান অভিধা সঘনে আৰু একে সময়তে উচ্চাৰিত হয়। অভিধাকেইটা হ'ল পৰীক্ষা (Test), জোখ-মাখ (Measurement) আৰু মূল্যাংকন (Assessment)। অভিধাকেইটাৰ অৰ্থ বেলেগ বেলেগ।

- **পৰীক্ষা (Test) ঃ** কোনো এটা বিশেষ গোটৰ পৰা জ্ঞান/দক্ষতা/মনোভাৱ/কিহবাৰ ওপৰত থকা বিশ্বাস আদিৰ বিষয়ে পৰিমাণগত ডেটা সংগ্ৰহৰ এটা আহিলা/সঁজুলি/উপায় হ'ল পৰীক্ষা। পৰীক্ষাত এটা একেৰূপী (uniform) আৰু স্বীকৃত (standard) প্ৰশ্ন সমষ্টি আগবঢ়োৱা হয়। এই প্ৰশ্নবোৰৰ উত্তৰ লিখিব লাগে নাইবা উত্তৰ হিচাপে কিছুমান কাৰ্য সম্পাদন কৰি দেখুৱাব লাগে। এগৰাকী শিক্ষকে প্ৰশ্নকাকতৰ সজ্জা যুগুত কৰাটো হ'ল পৰীক্ষা পতাৰ উদাহৰণ। লিখিত পৰীক্ষা পতা, সাক্ষাৎকাৰ গ্ৰহণ কৰা, প্ৰশ্নাৱলীৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা, সফলতা জোখা পৰীক্ষা, ৰেটিং ক্ৰম দিয়া, প্ৰকল্পৰ কাম কৰিবলৈ দিয়া আদি হ'ল পৰীক্ষাৰ আন কেইটামান উদাহৰণ।
- **জোখ-মাখ (Measurement) ঃ** জোখ-মাখ মানে হ'ল কিবা জোখা কাৰ্য। ডেটাত সাংখ্যিক সূচাংক (numerical index) যোগ কৰা কাৰ্যই হ'ল জোখ-মাখ। এনে সাংখ্যিক সূচাংক যোগ কৰিবলৈ সফলতা জোখা পৰীক্ষা (achievement test) পতা হয়, মনোভাৱৰ স্তৰ জোখা হয়, ৰেটিং স্তৰ জোখা হয়, পৰ্যবেক্ষণ কৰা হয়, প্ৰশ্নাৱলী আগবঢ়োৱা হয়, সাক্ষাৎকাৰ সূচী ব্যৱহাৰ কৰা হয় ইত্যাদি। সহজ অৰ্থত জোখ-মাখ মানে হ'ল এজন/এজনী শিক্ষাৰ্থীয়ে কিমান শিকিলে তাৰ পৰিমাণগত ডেটা বাহিৰ কৰাৰ এটা প্ৰক্ৰিয়া। এটা উদাহৰণলৈ মন কৰক। এগৰাকী শিক্ষকে বিজ্ঞান বিষয়ৰ এটা পৰীক্ষা পাতিলে। পৰীক্ষাৰ মুঠ নম্বৰ ১০০ আৰু এজন/এজনী শিক্ষাৰ্থীয়ে ৯৫/১০০ নম্বৰ লাভ কৰিলে। অৰ্থাৎ, শিক্ষকে শিক্ষাৰ্থীৰ বিজ্ঞান বিষয়ৰ জ্ঞান জোখাৰ কামটো সম্পন্ন কৰিলে।
- **মূল্যাংকন (Assessment) ঃ** শিক্ষাৰ্থীৰ শিকন, অগ্ৰগতি আৰু সাফল্য সম্পৰ্কীয় তথ্য আহৰণ কৰাৰ প্ৰক্ৰিয়াটোৱেই হ'ল মূল্যাংকন। এই প্ৰক্ৰিয়াটোৰ উদ্দেশ্য হ'ল শিক্ষাৰ্থীৰ বৰ্তমান পাৱদৰ্শিতা উন্নত কৰা। মূল্যাংকনৰ জৰিয়তে এজন/এজনী শিক্ষাৰ্থীয়ে কোনো পাঠ্যক্ৰম/শৈক্ষিক কাৰ্যসূচীৰ বিষয়সূচীবোৰ কোনটো স্তৰলৈ বুজিব পাৰিছে সেয়া বাহিৰ কৰা হয়। শিক্ষাৰ্থীৰ অগ্ৰগতি সম্পৰ্কে তথ্য আহৰণ কৰাৰ পাছত তেওঁক এটা মূল্য (value) প্ৰদান কৰা হয়। ধৰা হ'ল, সুশ্ৰুত নামৰ ল'ৰাজনে, বিজ্ঞানৰ

পৰীক্ষাত ৯৫% নম্বৰ নাইবা প্ৰকল্প কাৰ্যত 'A+ গ্ৰেড' লাভ কৰিছে।

- **মূল্যায়ন (Evaluation) ঃ** মূল্যায়ন হ'ল এক বহল আৰু সৰ্বাত্মক অভিধা। নিৰ্ধাৰিত অৰ্হতা/যোগ্যতা আৰু প্ৰমাণৰ আধাৰত (পৰীক্ষা, জোখ-মাখ তথা মূল্যাংকনৰ জৰিয়তে জমা কৰা ডেটাৰ বা তথ্যৰ ভিত্তিত) অগ্ৰগতি সম্পৰ্কে এক ৰায়ত উপনীত হোৱাৰ প্ৰক্ৰিয়াটোৱেই হ'ল মূল্যায়ন। অৰ্থাৎ, মূল্যায়নে পৰীক্ষা, জোখ-মাখ তথা মূল্যাংকন— এই তিনিওটা অভিধাকে সামৰি লয়। ই ব্যক্তিবিশেষ নাইবা বস্তুবিশেষৰ মূল্য, সংখ্যা নাইবা পাৰদৰ্শিতা সম্পৰ্কে একোটা ৰায়ত উপনীত হোৱাত মনোনিৱেশ কৰে। আমি এজন/এজনী শিক্ষাৰ্থীৰ নম্বৰ আন শিক্ষাৰ্থীৰ সৈতে তুলনা কৰোঁ। এই তুলনাৰ সহায়ত আমি সেই শিক্ষাৰ্থীজন/জনী কোনো এটা নিৰ্দিষ্ট বিষয়ত ভাল/মধ্যমীয়া নে দুৰ্বল সেই বিষয়ে বিচাৰ কৰি চাওঁ। এইটোৱেই হ'ল শিক্ষাৰ্থীগৰাকীক মূল্যায়ন কৰাৰ প্ৰক্ৰিয়া।

  মূল্যাংকনৰ প্ৰকৃতি হ'ল ৰোগ নিৰ্ণয়াত্মক। ই শিক্ষাৰ্থী এজন/এজনীয়ে কোনবোৰ ক্ষেত্ৰত উন্নতি কৰিব লাগিব সেয়া চিনাক্ত কৰে আৰু ভৱিষ্যৎ পাৰদৰ্শিতা উন্নত কৰাৰ পথ দেখুৱাই দিয়ে। আনহাতে মূল্যায়ন হ'ল বিচাৰাত্মক। ই শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ আধাৰত এটা সামগ্ৰিক গ্ৰেড (নিৰ্ণায়ক স্তৰ) প্ৰদান কৰে। ই পূৰ্বনিৰ্ধাৰিত শৈক্ষিক মান অনুসৰি শিক্ষাৰ্থীয়ে অগ্ৰগতি দেখুৱাব পাৰিছেনে নাই সেয়া প্ৰমাণ কৰি চায়। মূল্যাংকনৰ লক্ষ্য বিকাশশীল বা গঠনশীল, কাৰণ ই গুণমান উন্নত কৰাৰ প্ৰয়াস কৰে। মূল্যায়ন হ'ল গুণমানৰ বিচাৰ। সেয়েহে ইয়াৰ উদ্দেশ্য হ'ল সংক্ষেপী (summative) মূল্যায়ন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ পৰীক্ষা আৰু জোখ-মাখৰ মাজৰ প্ৰভেদ লিখক।

.....

.....

প্ৰশ্ন ৪ ঃ মূল্যাংকন আৰু মূল্যায়নৰ মাজৰ প্ৰভেদ লিখক।

.....

.....



চিন্তা চৰ্চা কৰক — ৬.১

নিম্নলিখিত ৱেবপেজটো খুলি বহলাই পঢ়ক ঃ

http://keydifferences.com/difference-between-assessment-and-evaluation.html#ixzz4oLA7BjjC

.....

.....

৬.৫ পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা

উপযুক্ত শিক্ষাই ভৱিষ্যৎ প্ৰজন্মক সমাজত উপযুক্ত ভূমিকা পালন কৰিব পৰাকৈ সমৰ্থ কৰি তোলে। সন্তুষ্টি প্ৰদান কৰিব নোৱাৰা উদ্দেশ্য, নিম্নমানৰ শৈক্ষিক লক্ষ্য, সামগ্ৰী তথা নিৰ্দেশনা পদ্ধতি আদিৰে কোনো শিক্ষানুষ্ঠানেই সামাজিক, সাংস্কৃতিক আৰু বৈজ্ঞানিক ক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় জ্ঞানী, দক্ষ তথা সক্ষম ব্যক্তিৰ সৃষ্টি কৰিব নোৱাৰে। বিভিন্ন শৈক্ষিক কাৰ্যসূচী/পাঠ্যসূচীৰ সামৰ্থ আৰু ফলপ্ৰসূতা বিচাৰ কৰি চোৱাৰ উপায় হ'ল পাঠ্যসূচী মূল্যায়ন। এনে মূল্যায়নৰ জৰিয়তে কাৰ্যসূচী/পাঠ্যসূচী এখনত থকা আসোঁৱাহ আৰু দুৰ্বলতাবোৰ চিনাক্ত কৰি সেইবোৰ নাইকিয়া কৰিবলৈ উপযুক্ত পৰিকল্পনা আৰু ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ ফলত কাৰ্যসূচী/পাঠ্যসূচী এখনৰ ফলপ্ৰসূতা বাঢ়ে। শিক্ষানুষ্ঠানভেদে পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা ভিন ভিন হ'ব পাৰে। শিক্ষানুষ্ঠানৰ প্ৰকৃতি আৰু বৈশিষ্ট্যৰ ওপৰত এনে মূল্যায়ন নিৰ্ভৰশীল হ'ব পাৰে। যেনে, প্ৰাথমিক নাইবা মাধ্যমিক পৰ্যায়ৰ পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা আৰু উচ্চ শিক্ষানুষ্ঠানৰ পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তাৰ মাজত পাৰ্থক্য আছে। একেদৰে, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী আৰু পৰম্পৰাগত মুখামুখি উপায়েৰে গ্ৰহণ কৰা শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ মাজতো প্ৰভেদ থাকিব। তলত পাঠ্যসূচী মূল্যায়নৰ বিষয়টো দুটা বহল শিতানত আলোচনা কৰা হ'ল। শিতান দুটা হ'ল— পাঠ্যসূচী মূল্যায়নৰ সাধাৰণ প্ৰয়োজনীয়তা আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা।

৬.৫.১ পাঠ্যসূচী মূল্যায়নৰ সাধাৰণ প্ৰয়োজনীয়তা

এটা ভাল পাঠ্যসূচী মূল্যায়ন প্ৰক্ৰিয়া হ'ল পাঠ্যসূচী এখনৰ পৰিকল্পনা, প্ৰস্তুতকৰণ আৰু কাৰ্যৰূপায়ণ স্তৰবোৰত সহায় কৰিব পৰা এটা সহযোগিতাপূৰ্ণ/যুটীয়া অভিযান। ক্ৰ'নবাক্ (১৯৬৩)এ মূল্যায়ন ব্যৱহাৰৰ তিনিটা অগ্ৰাধিকাৰৰ বিষয়ে উল্লেখ কৰিছে। অগ্ৰাধিকাৰকেইটা হ'ল—

- *পাঠ্যবিষয় উন্নতকৰণ (Course Improvement)*ঃ উপযুক্ত নিৰ্দেশনা সামগ্ৰী আৰু পদ্ধতি বাচনি কৰা; প্ৰয়োজনীয় পৰিবৰ্তন চিনাক্ত কৰা।
- *শিক্ষাৰ্থীৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ (Decision about individuals)*ঃ শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা চিনাক্ত কৰা, যাতে শিক্ষাৰ্থীয়ে পাঠ্যসূচীখন বাচি লয় আৰু পঢ়িব খোজা বিষয়বোৰৰ থূপ প্ৰস্তুত কৰিব পাৰে আৰু শিক্ষাৰ্থীক ব্যক্তিগত দুৰ্বলতাবোৰ বুজাত সহায় কৰিব পাৰে।
- *প্ৰশাসনিক নীতি-নিয়ম পৰীক্ষণ (Administrative regulations)*ঃ বিদ্যালয় প্ৰণালী আৰু প্ৰতিগৰাকী শিক্ষক সম্পৰ্কে বিচাৰ কৰি চোৱা।

তলত বিভিন্ন শিক্ষানুষ্ঠানে পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা অনুভৱ কৰাৰ সাধাৰণ কাৰণ কেইটামান উল্লেখ কৰা হ'ল।

- শিক্ষানুষ্ঠান এখনে যদি কোনো পাঠ্যসূচী/শৈক্ষিক কার্যসূচীৰ শক্তি আৰু দুর্বলতাবোৰ চিনাক্ত কৰিব খোজে তেন্তে পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- কোনো এখন চলি থকা নাইবা প্রস্তাৱিত পাঠ্যসূচীৰ সৈতে জড়িত কার্যৰূপায়ণ পদ্ধতি, নীতি, কৌশল নাইবা দৃষ্টিভংগী বিষয়ক কোনো দিহা-পৰামর্শ দিবলৈ/সিদ্ধান্ত ল'বলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- সিদ্ধান্ত গ্রহণকাৰীসকলৰ আগত পাঠ্যসূচী এখনৰ ভাৰসাযোগ্যতা প্রদর্শন কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ বাবে গুৰুত্বপূর্ণ আৰু ক্ষতিকাৰক দিশবোৰ/কাৰকবোৰ চিনাক্ত কৰাৰ লগতে সেইবোৰৰ কাৰণ বিচাৰি উলিয়াবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ গুণমান আৰু ব্যৱস্থাপনা পদ্ধতি প্রমাণ কৰি চাবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ সম্প্রসাৰণ, বিকাশ, পুনৰাবৃত্তি আৰু পুনঃসৃষ্টিৰ সফল কৌশল চিনাক্ত কৰি উলিয়াবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- কোনো সুফল প্রদান নকৰা কার্যকৌশল শুধৰণি তথা সংস্কাৰ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- কোনো এখন পাঠ্যসূচীৰ ষ্টেকহোল্ডাৰসকলক পাঠ্যসূচীখনত অন্তর্ভুক্ত বিষয়, পাঠ্যসূচীখন কার্যৰূপায়িত কৰাৰ প্রক্রিয়া আৰু ফলাফল সম্পর্কে মতামত আগবঢ়োৱাৰ সুবিধা দিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ ফলপ্রসূতা নির্ণয় আৰু প্রয়োজন সাপেক্ষে হস্তক্ষেপ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- ভৱিষ্যৎ পাঠ্যসূচী কার্যৰূপায়ণৰ সৈতে জড়িত কৌশলবোৰ উন্নত কৰাৰ পৰামর্শ দিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।

৬.৫.২ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ প্রয়োজনীয়তা

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থা সংৰচনাত্মক তথা কার্য ৰূপায়ণৰ দিশেৰে পৰম্পৰাগত শিক্ষা ব্যৱস্থাতকৈ পৃথক। সেয়েহে দুয়োটা শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ প্রয়োজনীয়তাও বেলেগ বেলেগ। দূৰৱৰ্ত্তী শিক্ষা হ'ল শিক্ষা ব্যৱস্থাৰ এক উদ্ভাৱনামূলক পন্থা। সেয়েহে এই ব্যৱস্থাৰে শিক্ষাৰ লক্ষ্য তথা উদ্দেশ্যবোৰ সঁচা অর্থত বাস্তৱ হৈছেনে নাই সেয়া পৰীক্ষা কৰি চোৱাটো প্রয়োজনীয়। তলত দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে কেনেধৰণৰ প্রয়োজনীয়তাৰ ভিত্তিত পাঠ্যসূচী মূল্যায়ন কৰে তাৰ এখন তালিকা উল্লেখ কৰা হ'ল—

- কোনো এখন পাঠ্যসূচীৰ সামগ্রিক লক্ষ্য আৰু উদ্দেশ্যসমূহ পূৰণ হৈছেনে নাই

সেয়া বিচাৰ কৰি চোৱাৰ বাবে পাঠ্যসূচী মূল্যায়ন কৰা হয়।

- পাঠ্যবিষয়বোৰৰ বিপৰীতে আগবঢ়োৱা পঠন সামগ্ৰীবোৰৰ ফলপ্ৰসূতা বিচাৰ কৰি চাবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনত অন্তৰ্ভুক্ত বিষয়/পাঠ, শিক্ষানুষ্ঠান এখনৰ কৰ্মচাৰীৰ সংখ্যা, মাচুলৰ দৰে বিত্ত বিষয়ক বিভিন্ন দিশ, প্ৰয়োজন হোৱা অধ্যয়ন কাল, নামভৰ্তি কৰা শিক্ষাৰ্থীৰ সংখ্যা, পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰে পৰিচালিত শৈক্ষিক কাৰ্যসূচীবোৰৰ বিষয়সূচী আৰু সদস্য সংখ্যা, শিক্ষাৰ্থীৰ অধ্যয়ন সময়সীমা, ব্যৱস্থাটোত প্ৰয়োগ কৰা বিভিন্ন ধৰণৰ মাল্টি-মিডিয়াৰ তথ্য বাহিৰ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- শিক্ষাৰ্থী, শৈক্ষিক পৰামৰ্শদাতা, প্ৰশাসনিক বিষয়া, পিতৃ-মাতৃ আদিৰ দৰে বিভিন্ন ষ্টেকহোল্ডাৰৰ প্ৰত্যাশাৰ খতিয়ান ৰাখিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- একে সেৰা আগবঢ়োৱা বিভিন্ন পন্থাৰ মাজৰ সবাতোকৈ ফলপ্ৰসূ পন্থাটো বিচাৰি উলিওৱা, নতুন পন্থাৰ অন্বেষণ কৰা আৰু পন্থাবোৰৰ তুলনা কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- ষ্টেকহোল্ডাৰৰ ওপৰত পাঠ্যসূচীৰ কোনো হঠাতে কোনো অনাকাংক্ষিত প্ৰভাৱ পৰিছে নেকি সেয়া বিচাৰি উলিয়াবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- নিৰ্ধাৰিত লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ পাঠ্যসূচী এখনৰ অগ্ৰগতি সম্পৰ্কে মতামত সংগ্ৰহ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ বিভিন্ন পৰ্যায়ত শিক্ষাৰ্থীক আগবঢ়োৱা শৈক্ষিক সমৰ্থনবোৰ বিচাৰ কৰি চাবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যসূচী এখনৰ ফলাফলক প্ৰভাৱিত কৰা কাৰকবোৰৰ অন্বেষণ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ অতি কমেও তিনিটা প্ৰয়োজনীয় দিশ উল্লেখ কৰক।

.....

.....

৬.৬ দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যসূচী মূল্যায়নৰ বিভিন্ন দিশ

পূৰ্বৰ শিতানবোৰ অধ্যয়ন কৰি আপুনি গম পালে যে এটা পাঠ্যসূচী প্ৰয়োগৰ কৌশল, নীতি আৰু পাঠ্যবিষয় সম্পৰ্কীয় প্ৰয়োজনীয় কথাবোৰৰ উত্তৰ আগবঢ়াব পৰাকৈ

তথ্য নাইবা ডেটা সংগ্রহ, বিশ্লেষণ তথা প্রয়োগৰ প্রণালীবদ্ধ প্রক্রিয়াটোকে পাঠ্যসূচী মূল্যায়ন বোলে। কোনো এখন পাঠ্যসূচীৰ বিপণনযোগ্যতা, উপযোগিতা, অর্থনৈতিক লাভদায়কতা, পাঠ্যবিষয়বোৰৰ পর্যাপ্ততা তথা উপযুক্ততা, বিষয়সূচী আৰু মাধ্যম সমর্থনৰ সৈতে জড়িত তথ্য গোটোৱাটো অতি জৰুৰী। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নে প্রশাসক, নীতি নির্ধাৰক, পাঠ্যবিষয় লেখক, সম্পাদক, প্রচাৰ মাধ্যম বিভাগ আৰু কার্যসূচী সমন্বয়ৰক্ষীক সহায় কৰে। এই মূল্যায়নৰ সহায়ত তেওঁলোকে শিক্ষার্থীৰ বাবে এটা উন্নতৰ শিকন পৰিৱেশ গঢ়ি তোলাৰ আৰু ষ্টেকহোল্ডাৰসকলক সন্তুষ্ট কৰাৰ প্রয়াস কৰে। এই শিতানত দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ পাঠ্যসূচী মূল্যায়নৰ সমগ্র প্রক্রিয়াটো বহলাই আলোচনা কৰা হ'ল। সাধাৰণতে এখন শিক্ষানুষ্ঠানে কোনো নতুন শৈক্ষিক কার্যসূচী/পাঠ্যসূচী আৰম্ভ কৰাৰ লগে লগে কিছুমান মূল্যায়ন কেন্দ্রিক কার্যকলাপো আৰম্ভ কৰে। এনে কার্যকলাপৰ ভিতৰত এখন শৈক্ষিক কার্যসূচী নাইবা পাঠ্যসূচীৰ সামাজিক পটভূমিত প্রাসংগিকতা তথা বিপণনযোগ্যতাৰ আধাৰত মূল্যাংকনৰ প্রয়োজনীয়তাকো সামৰি লোৱা হয়। সামাজিক পটভূমিত পাঠ্যসূচী এখনত অন্তর্ভুক্ত পাঠবোৰ, সেইবোৰৰ বিষয়বস্তু আৰু পাঠ্যসূচীখনৰ অন্য অভিজ্ঞতাবোৰে সমাজৰ প্রয়োজনীয়তাবোৰ পূৰণ কৰিব পাৰিবনে নাই, পর্যাপ্তসংখ্যক শিক্ষার্থী আকর্ষণ কৰিব পাৰিবনে নাই, পাঠ্যসূচীখন ব্যয়প্রভাৰী হয়নে নহয় ইত্যাদি কথা বিবেচনা কৰি চোৱা হয়। পাঠ্যসূচী এখনৰ সামাজিক প্রয়োজনীয়তা আৰু ব্যয় প্রভাৰী বৈশিষ্ট্যৰ আধাৰত এখন দেশত পাঠ্যসূচীখনৰ উপযোগিতা জোখা হয়।

পাঠ্যসূচী মূল্যায়নৰ প্রধান দিশ তিনিটা। দিশকেইটা হ'ল—

(ক) পাঠ্যসূচী এখনৰ পৰিকল্পনাৰ মূল্যায়ন

(খ) নির্দেশনামূলক সামগ্রীৰ মূল্যায়ন

(গ) শিক্ষার্থী সমর্থন সেৱাবোৰৰ মূল্যায়ন

তলত দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যসূচী মূল্যায়নৰ সৈতে জড়িত এই দিশ তিনিটা বহলাই আলোচনা কৰা হ'ল।

৬.৬.১ এখন পাঠ্যসূচীৰ পৰিকল্পনাৰ মূল্যায়ন

এখন পাঠ্যসূচীৰ পৰিকল্পনাৰ মূল্যায়ন মানে হ'ল ইয়াৰ প্রয়োজনীয়তাৰ ভিত্তিত পাঠ্যসূচীখনৰ উপযোগিতা বিবেচনা কৰি চোৱা। ইয়াৰ বাবে কোনো এক শৈক্ষিক কার্যসূচীৰ পাঠ্যসূচীখন মূল্যাংকন কৰাৰ প্রয়োজন। এনে মূল্যায়নত পাঠ্যসূচীখনৰ বিপণনযোগ্যতা, উপযোগিতা, অর্থনৈতিক ফলপ্রসূতা আদিৰ মূল্যাংকন কৰা হয়। কোনো শৈক্ষিক কার্যসূচী আৰম্ভ কৰাৰ আগতে ইয়াৰ ব্যয়ৰ বাবদ হ'ব পৰা লাভালাভ বিশ্লেষণ কৰা হয়। ইয়াৰ লগতে মূল্যায়নৰ সময়ত পাঠ্যসূচীখনত অন্তর্গত বিভিন্ন পাঠ্যবিষয়ৰ ভিতৰুৱা পাঠবোৰৰ বিষয়বস্তু তথা অন্য মাধ্যমৰ সমর্থনৰ পর্যাপ্ততা তথা উপযুক্ততাও অধ্যয়ন কৰা হয়। পাঠ্যসূচীৰ পৰিকল্পনাৰ মূল্যায়নৰ আন এটা

গুৰুত্বপূৰ্ণ দিশ হ'ল লক্ষ্য শিক্ষার্থীগোট নাইবা সম্ভাব্য শিক্ষার্থীগোট চিনাক্ত কৰি উলিওৱা। এই দিশটো এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা হ'ল। ধৰা হ'ল, আমি এখন পাঠ্যসূচী/শৈক্ষিক কার্যসূচীৰ নামত হোৱা ব্যয়ৰ বাবদ হ'ব পৰা লাভালাভ বিশ্লেষণ কৰি চাব খুজিছোঁ। ইয়াৰ বাবে আমি অন্য মাধ্যমৰ সৈতে লগলগাই পাঠ্যবিষয়ৰ পাঠবোৰ প্ৰস্তুত কৰোঁতে কিমান খৰছ পৰিব আৰু পাঠ্যসূচীখনৰ প্ৰচলন ঘটাৰ পাছত আমি কিমান উপার্জন কৰিম সেয়া বিবেচনা কৰিব লাগিব। এই বিবেছনাত বিভিন্ন কমিটি (বিশেষজ্ঞ কমিটি, অধ্যয়ন ব'ৰ্ড, ব্যৱস্থাপনা ব'ৰ্ড, শৈক্ষিক পৰিষদ)ৰ বৈঠকবোৰত কিমান খৰছ পৰিব, পাঠ্যবিষয়ৰ পাঠবোৰ লিখোতাসকলক দিক্‌বিন্যাস প্ৰদানকাৰী অনুষ্ঠানবোৰত কিমান খৰছ পৰিব, লেখক আৰু সম্পাদক (পাঠ, ভাষা, আৰ্হি আদি পৰীক্ষা কৰোঁতাসকল)ক দিবলগীয়া অবৈতনিক পাৰিশ্ৰমিক, কাগজ আৰু ছপা কার্ডৰ নামত হোৱা ব্যয়, দৃশ্য-শ্ৰাব্য সামগ্ৰী, সমর্থন সেৱা আদিৰ অধ্যয়ন সামৰি লোৱা হয়। এই ব্যয়ভিত্তিক দিশবোৰে অন্য পাঠ্যসূচীৰ তুলনাত মূল্যায়নৰ বাবে গ্ৰহণ কৰা পাঠ্যসূচীখনৰ ব্যয়প্ৰভাৰী দিশটোৰ পূৰ্বানুমানত সহায় কৰে। এনে ধৰণৰ মূল্যায়ন এটা শিক্ষাব্যৱস্থাৰ পৰিকল্পনা তথা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ বাবে অতি উপযোগী কার্য।

৬.৬.২ নির্দেশনামূলক সামগ্ৰীৰ মূল্যায়ন

নির্দেশনামূলক সামগ্ৰীক তলত উল্লেখ কৰা স্তৰ দুটাৰ সহায়ত মূল্যায়ন কৰা হয় ঃ

ক) শিক্ষা প্ৰণালীমূলক স্তৰ (Didactic Stage) ঃ স্ব-অধ্যয়ন সামগ্ৰীবোৰৰ উপযুক্ততা, পাঠ্যসূচীৰ জটিলতাৰ স্তৰ, পাঠবোৰৰ স্পষ্টতা আৰু দুর্বোধ্যতা, ৰেখা-চিত্ৰ আদিৰে কৰা উপস্থাপন, দৃশ্য-শ্ৰাব্য সঁজুলি আদি।

(খ) বৈজ্ঞানিক স্তৰ (Scientific Stage) ঃ বিভিন্ন বৈজ্ঞানিক দৃষ্টিভংগীৰ সমতাপূৰ্ণ তথা যুক্তিসংগত উপস্থাপন, লক্ষ্য শিক্ষার্থীগোটৰ সামর্থ অনুসৰি শিকন পদ্ধতি প্ৰয়োগ, শিক্ষণ সামগ্ৰীবোৰৰ শেহতীয়াকৰণ প্ৰক্ৰিয়া, প্ৰাসংগিক গৱেষণামূলক অধ্যয়ন সংহতকৰণ, গ্ৰন্থপঞ্জীৰ উল্লেখ ইত্যাদি।

সর্বাধিক সুফলদায়ক মূল্যায়নৰ বাবে সামগ্ৰীবোৰ দুয়োটা স্তৰতে চালি-জাৰি চোৱাটো প্ৰয়োজনীয়।

নির্দেশনামূলক সামগ্ৰীবোৰ মূল্যায়ন কৰাৰ পন্থা তিনিটা—

- প্ৰাৰম্ভিক পৰীক্ষামূলক মূল্যায়ন (Piloting)
- বিশেষ মূল্যায়ন (Special Evaluation)
- নিয়মীয়া মূল্যায়ন (Routine Evaluation)
- *প্ৰাৰম্ভিক পৰীক্ষামূলক মূল্যায়ন ঃ* এই পন্থা অনুসৰি কোনো পাঠ্যসূচী অধ্যয়নৰ বাবে নামভর্তি কৰা সর্ব প্ৰথম দলটোৰ শিক্ষার্থীসকলক পৰীক্ষামূলকভাৱে অধ্যয়ন সামগ্ৰী দিয়া হয়। ইয়াৰ ফলত সেই পাঠ্যসূচীৰ দোষ-ত্ৰুটিবোৰ ধৰা

পৰে আৰু সেইমতে পাঠ্যসূচী সংশোধন কৰা হয়। সাধাৰণতে শিক্ষানুষ্ঠানৰ ব্যৱস্থাপনা বিভাগে ব্যয়ৰ দিশটো বিবেচনা নকৰাকৈ এই পন্থাটো প্ৰয়োগ কৰে। শৈক্ষিক ন্যায়নিষ্ঠতাৰ দিশেৰে এই পন্থাটো প্ৰয়োগ কৰাৰ পৰামৰ্শ দিয়া নহয়। কাৰ, এই পন্থাটোৱে সৰ্বপ্ৰথম শিক্ষাৰ্থী দলটোক গিনীপিগৰ দৰে ব্যৱহাৰ কৰে। এই পন্থাটোৰ আন কেইটামান দুৰ্বলতাও আছে, যেনে— প্ৰথমবাৰ প্ৰচলন কৰি উঠিয়েই অধ্যয়ন সামগ্ৰীবোৰ তৎক্ষণিকভাৱে পুনৰীক্ষণ কৰা হয়। ই বিতৰণ আৰু অন্য সমৰ্থন সেৱাবোৰৰ বিৰূপ প্ৰভাৱ পেলায়। ইয়াৰ উপৰি পাঠ্যবিষয়ৰ আৰ্হি প্ৰস্তুত কৰোঁতে হোৱা ব্যয় তথা পাঠ্যবিষয় প্ৰযোজনাৰ দিশ দুটাকো এই পন্থাই বিৰূপভাৱে প্ৰভাৱিত কৰে।

- *বিশেষ মূল্যায়ন ঃ* কিছুমান বিশেষ পৰিস্থিতিত এনে মূল্যায়ন কৰা হয়। যদি শিক্ষাৰ্থীৰ প্ৰদৰ্শন অগতানুগতিক আৰু আচৰিত ধৰণৰ হয়, যদি পাঠ্যসূচীত সন্নিৱিষ্ট সামগ্ৰীবোৰৰ প্ৰতি শিক্ষাৰ্থী/শৈক্ষিক পৰামৰ্শদাতা/বিদ্বৎ সমাজে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে নাইবা যদি কোনো বাহ্যিক পুঁজিদাতা অভিকৰণে মূল্যায়ন চলোৱাৰ কথা কয় তেন্তে এনেধৰণে পাঠ্যসূচী মূল্যায়ন কৰা হয়। এনে মূল্যায়নৰ আঁৰত একোটা নিৰ্বাচনাত্মক প্ৰকৃতিৰ বিশেষ উদ্দেশ্য থাকে।
- *নিয়মীয়া মূল্যায়ন ঃ* শিক্ষানুষ্ঠানবোৰৰ ব্যৱস্থাপনা বিভাগৰ এটা লাগতিয়াল অংশ হ'ল পাঠ্যসূচীৰ নিয়মীয়া মূল্যায়ন। এই পন্থা অনুসৰি শিক্ষানুষ্ঠান আৰু শিক্ষকবৃন্দই শিক্ষাৰ্থী আৰু পঠন সামগ্ৰীবোৰৰ সৈতে নিয়মীয়া সম্পৰ্ক বৰ্তাই ৰাখে। ইয়াৰ ফলত শিক্ষানুষ্ঠান, পাঠ্যবিষয়ৰ লেখক/সম্পাদক, শৈক্ষিক পৰামৰ্শদাতা ইত্যাদিসকলে শিক্ষাৰ্থীৰ নিয়মীয়া আৰু অবিৰত মতামত লাভ কৰে। পঠন সামগ্ৰীবোৰৰ মান বৰ্তাই ৰাখিবলৈ কেতিয়াবা সমলৰ অপব্যৱহাৰ নকৰাকৈ শিক্ষাৰ্থীসকলক পৰিপূৰক অধ্যয়ন সামগ্ৰীৰ যোগান ধৰা হয়। নিয়মীয়া মূল্যায়ন পন্থাৰে নিৰ্দেশনামূলক সামগ্ৰী, প্ৰদত্ত কাৰ্য আৰু শিক্ষাসত্ৰ/শিক্ষাবৰ্ষ সমাপ্তিত পতা পৰীক্ষাবোৰৰ প্ৰশ্নকাকতৰো মূল্যায়ন কৰা হয়।

ওপৰত মূল্যায়নৰ তিনিটা পন্থা আলোচনা কৰা হ'ল। কিন্তু বাস্তিৱিকতে নিৰ্দেশনামূলক সামগ্ৰীৰ মূল্যায়ন কৰাৰ বাবে কোনো এটা পন্থাই এককভাৱে ভাৰসাযোগ্য তথা বৈধ তথ্য যোগান ধৰিব নোৱাৰে। সেয়েহে মূল্যায়নৰ বাবে এটা সংযুক্ত/সৰ্বাত্মক/সংহত পন্থা গ্ৰহণ কৰাটো শ্ৰেয়। মূল্যায়নকাৰী দলক পৰিস্থিতি, প্ৰতিবন্ধক আৰু পটভূমি আদিৰ দৰে কাৰকে প্ৰভাৱিত কৰিব পাৰে।

অধ্যয়ন সামগ্ৰীৰ শ্ৰেণীবিভাজনৰ পাচত কৰা মূল্যায়ন

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত অধ্যয়ন সামগ্ৰীবোৰৰ বিভিন্ন শিতানত ভগোৱা হয়। যেনে— ছপা সামগ্ৰী, বৈদ্যুতিক সামগ্ৰী আৰু টেলিভিছন ভিত্তিক সামগ্ৰী। তলত প্ৰতিটো শ্ৰেণীৰ অধীনত সামগ্ৰীবোৰৰ মূল্যায়ন প্ৰক্ৰিয়াকেইটা চমুকৈ আলোচনা

কৰা হ'ল।

- *ছপা সামগ্ৰী ঃ* দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ব্যৱহৃত সবাতোকৈ জনপ্ৰিয় প্ৰযুক্তিটো হ'ল ছপাশাল। কাৰণ, এই প্ৰযুক্তিটো কমখৰছী। দূৰৱৰ্ত্তীণিবটীয়া আৰু দূৰ্গম এলেকাৰ শিক্ষাৰ্থীক সামৰি অধিকাংশ শিক্ষাৰ্থীকে ছপা পঠন সামগ্ৰী যোগান ধৰিব পাৰি। ছপা সামগ্ৰীৰ প্ৰধান উপাদানবোৰ হ'ল লিখিত পাঠ, ৰেখাচিত্ৰ আৰু অন্য চিত্ৰ তথা মনোবৈজ্ঞানিক সমল ইত্যাদি। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষাগ্ৰহণ কৰি থকাসকলৰ বাবে ছপা অধ্যয়ন সামগ্ৰী উপস্থাপনৰ সবাতোকৈ উপযুক্ত উপায়টো বিচাৰি উলিয়াবলৈ বহুতো গৱেষণাভিত্তিক অধ্যয়ন চলোৱা হৈছে। শৈক্ষিক তত্ত্ববিদ, অনুশীলনকাৰী, মনোবৈজ্ঞানিক, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষাদান কৰোঁতা, দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থী আৰু অন্য ব্যৱহাৰকাৰীৰ পৰা সংগ্ৰহ কৰা মতামতৰ আধাৰত এনে পঠন সামগ্ৰীবোৰ নাবালক শিক্ষাদান নীতি (pedagogical) আৰু প্ৰাপ্তবয়স্ক শিক্ষাদান নীতি (andragogical)ৰ দিশেৰে ফলপ্ৰসূ কৰি তোলা হয়। ষ্টেকহোল্ডাৰৰ পৰা মতামত নাইবা ডেটা সংগ্ৰহৰ দুটামান জনপ্ৰিয় আহিলা হ'ল প্ৰশ্নাৱলী প্ৰদান, মনোভাৱ জোখা, ক্ৰম জোখা, পৰীক্ষণ তালিকা প্ৰদান কৰা, সাক্ষাৎকাৰসূচী প্ৰস্তুত কৰা, পৰীক্ষা পতা ইত্যাদি। ছপা পঠন সামগ্ৰীবোৰ মূল্যায়ন কৰাৰো বিভিন্ন আৰ্হি আছে।
- *বৈদ্যুতিক সামগ্ৰী ঃ* অনাতাঁৰ সম্প্ৰচাৰ, শ্ৰব্য টেপ, কম্পিউটাৰ ভিত্তিক পঠন সামগ্ৰী (e-contents) আদি হ'ল বৈদ্যুতিক সামগ্ৰীৰ কেইটামান উদাহৰণ। দক্ষতা আৰু/অথবা মনোভাৱৰ ওপৰত আধাৰিত কিছুমান নিৰ্দেশনামূলক শৈক্ষিক উদ্দেশ্য কেৱল ছপা সামগ্ৰীয়ে পূৰণ কৰিব নোৱাৰে। ভাষা শিক্ষণৰ ক্ষেত্ৰত, বিশেষকৈ ধ্বনিতত্ত্ব শিক্ষণৰ সময়ত ছপা সামগ্ৰীৰ উপৰি কিছুমান শ্ৰব্য পাঠৰো প্ৰয়োজন হয়। শ্ৰব্য টেপবোৰ মূল্যায়ন কৰাৰ সময়ত মনত ৰাখিবলগীয়া কথাবোৰ হ'ল—
  - সৰলতা ঃ ব্যৱহাৰ কৰিবলৈ সহজ; টেপবোৰ চলাব, স্থবিৰ কৰিব, এটা নিৰ্দিষ্ট সময়ৰ বাবে বন্ধ কৰিব আৰু পুনৰ চলাবলৈ সহজ।
  - নমনীয়তা ঃ অন্য মাধ্যমৰ সৈতে সংযোজন ঘটাব পাৰি নাইবা পৰিপূৰক সামগ্ৰীৰূপে ব্যৱহাৰ কৰিব পাৰি।
  - ব্যৱহাৰকাৰী অনুকূল ঃ শিক্ষাৰ্থীয়ে প্ৰয়োজন অনুসৰি এনে সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে; এনে সামগ্ৰী ব্যৱহাৰ কৰিবলৈও সহজ।
  - শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্কক মানৱীয় ৰূপ দিয়ে ঃ শ্ৰব্য টেপবোৰে শিক্ষক-শিক্ষাৰ্থীৰ মাজত মানৱীয় সম্পৰ্ক স্থাপনত সহায় কৰা উচিত। এই টেপবোৰৰ জৰিয়তে শিক্ষকে শিক্ষাৰ্থীক উপযুক্ত দিক্‌নিৰ্দেশনা প্ৰদান কৰা উচিত।

- শ্ৰব্য টেপবোৰে কণ্ঠস্বৰৰ উঠা-নমা, স্বৰ স্তৰৰ তাৰতম্য আদিৰ দৰে বিষয়বোৰ বোধগম্য হোৱাত সহায় কৰি শিক্ষার্থীৰ শ্ৰৱণ ইন্দ্ৰিয়লৈ উদ্দীপনা অনা আৰু শিক্ষার্থীক শিকাৰ প্ৰতি উদ্বুদ্ধ কৰি তোলা উচিত।
- শ্ৰব্য টেপৰ সময় নিচেই কম নাইবা অতি দীঘলীয়া হ'ব নালাগে। লক্ষ্য শিক্ষার্থীৰ শিকন সামৰ্থৰ অনুকূলে টেপৰ সময় নির্ধাৰণ কৰা উচিত।

➢ *টেলিভিছন ভিত্তিক সামগ্ৰী ঃ* দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ব্যৱহৃত টেলিভিছন ভিত্তিক সামগ্ৰী কেইপদমানৰ উদাহৰণ হ'ল— টেলি সম্প্ৰচাৰ, কেৱল্ সেৱাৰে আগবঢ়োৱা অনুষ্ঠান, কৃত্ৰিম উপগ্ৰহৰ সহায়ত প্ৰচাৰিত অনুষ্ঠান, ভিডিঅ' টেপ, ভিডিঅ' ডিস্ক ইত্যাদি। টেলি সম্প্ৰচাৰ কৰা অনুষ্ঠানৰ জৰিয়তে বিপুল সংখ্যক শিক্ষার্থীৰ কাষ চাপিব পাৰি। ভিডিঅ' টেপ, কৃত্ৰিম উপগ্ৰহ, মাইক্ৰ'ৱেভ, ডিজিটেল আৰু কেবল্ প্ৰযুক্তিৰে আগবঢ়োৱা শিক্ষণে প্ৰযুক্তি ব্যৱহাৰত বিশেষ ব্যুৎপত্তিৰ অধিকাৰী শিক্ষার্থী গোট এটাক সহায় কৰে। ই দ্বিমুখী আন্তঃক্ৰিয়াশীল শিকন সম্ভৱ কৰি তোলে। টেলিভিছন ভিত্তিক সামগ্ৰীবোৰ মূল্যায়ন কৰাৰ সময়ত বিবেচনা কৰা দিশবোৰ হ'ল—

- সামগ্ৰী বিতৰণ ব্যৱস্থা
- শ্ৰাব্য আৰু দৃশ্যমান উপাদানৰ গুণমান
- এনে সামগ্ৰী কার্যৰূপায়িত কৰাৰ ফলপ্ৰসূতা
- সুলভতা আৰু ব্যৱহাৰকাৰী অনুকূল বৈশিষ্ট্য
- নির্ভুলতা, তথ্য পঞ্জীয়ন আৰু বিষয়বস্তুৰ গভীৰতা
- ভাৰসাযোগ্যতা আৰু বৈধতা
- পঠন সামগ্ৰীৰ আয়ুস



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ শৈক্ষিক কার্যসূচীৰ প্ৰাৰম্ভিক পৰীক্ষণ পন্থাৰ দুটা দুৰ্বলতা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৭ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত অধ্যয়ন সামগ্ৰীবোৰক কোন তিনিটা ভাগত ভগোৱা হয়?

.....

.....

৬.৬.৩ শিক্ষার্থীৰ সহায়কাৰী সমলবোৰৰ মূল্যায়ন

শিক্ষার্থীৰ সহায়কাৰী সমল (Learner Support Service/LSS)বোৰে শিক্ষার্থীক শৈক্ষিক সমর্থন আগবঢ়োৱাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দ্বিমুখী সংযোগ সম্ভৱ কৰি তোলাৰ শিক্ষার্থীৰ সহায়কাৰী সমল হ'ল এক প্রয়োজনীয় আহিলা। ই দূৰৱৰ্ত্তী আৰু মুক্ত শিকন ব্যৱস্থাৰ এক অপৰিহার্য উপ-ব্যৱস্থা। LSS বোৰৰ উদ্দেশ্য হ'ল শিক্ষার্থীক নির্দেশনামূলক উদ্দেশ্যবোৰত উপনীত হ'ব পৰাকৈ এক উষ্ম আৰু সহায় সমর্থনপূর্ণ পৰিৱেশ গঢ়ি দিয়া। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে শিক্ষাগ্রহণ কৰি থকাসকলক শিক্ষা আগবঢ়োৱাৰ পৰিকল্পনা, আৰ্হি, পৰিকল্পনাৰ বিকাশ আৰু সমর্থন সেৱা আটাইবোৰৰে কার্যৰূপায়ণৰ সৈতে সম্পর্ক আছে। এই কথাবোৰ শিক্ষা ব্যৱস্থাটোৰ অন্য বহু দিশৰ ওপৰত যথেষ্ট নির্ভৰশীল। এনে দিশ দুটামান হ'ল— শিক্ষাভৱন, পুথিভঁৰাল, কম্পিউটাৰ সুবিধা আৰু গৱেষণাগাৰৰ দৰে উপযুক্ত তথা পর্যাপ্ত ভৌতিক সা-সুবিধা; উপযুক্ত অর্হতাসম্পন্ন শিক্ষক, প্রশাসনীয় বিষয়া আৰু সমর্থক কর্মচাৰীৰ দৰে পর্যাপ্ত মানৱ সম্পদ; শিক্ষানুষ্ঠান এটাই আগবঢ়োৱা শৈক্ষিক কার্যসূচী, নামভর্তিৰ ধাৰা আৰু শিক্ষানুষ্ঠানৰ বাজেটত পুঁজি আৱণ্টনৰ পদ্ধতি ইত্যাদি। শিক্ষার্থীৰ সহায়কাৰী সমলৰ মূল্যায়নে শিক্ষার্থীৰ প্রয়োজন পূৰণত সহায় কৰে।

সাধাৰণতে শিক্ষার্থীৰ সহায়কাৰী সমল মূল্যায়নৰ সময়ত তলৰ প্রশ্নবোৰৰ উত্তৰ উলিওৱাৰ প্রয়াস কৰা হয়—

- এই সেৱাবোৰে শিক্ষার্থীৰ মনৰ খুদুৱনিবোৰ তাৎক্ষণিক, পর্যাপ্ত আৰু ফলপ্রসূভাৱে আঁতৰ কৰিব পাৰিবনে?
- এই সেৱাবোৰে কোনো পাঠ্যবিষয়ৰ আৰম্ভণি, চলি থকা আৰু সামৰণি পৰাৰ পৰৱর্তী সময় এই তিনিওটা স্তৰতে শিক্ষার্থীক দিক্‌নির্দেশনা দিব পাৰিবনে তথা এনে দিক্‌নির্দেশনা পর্যাপ্ত আৰু ফলপ্রসূ হ'বনে?
- চলাব খোজা/চলাই থকা কার্যসূচী এখনে পর্যাপ্ত সংখ্যক আৰু ফলপ্রসূ শৈক্ষিক পৰামর্শদান সত্রৰ আয়োজন কৰিব পাৰিবনে?
- শিক্ষার্থীয়ে শিক্ষকৰ মতামতসহ নিজ নিজ প্রদত্ত কর্মৰ ফলাফল লাভ কৰেনে?
- শিক্ষানুষ্ঠানৰ ৱেবচাইটত চলাব খোজা/চলাই থকা কার্যসূচীৰ প্রয়োজনীয় তথ্য যোগ কৰা হৈছেনে?
- সমর্থন সেৱাৰ সৈতে জড়িত কর্মচাৰীসকল নিজ কর্তব্যৰ প্রতি নিষ্ঠাৱান নে?
- সমর্থন সেৱাবোৰৰ সুবিধা সহজে গ্রহণ কৰিব পৰাবিধৰনে?
- শিক্ষার্থীয়ে সমর্থন সেৱাবোৰক কিমান মূল্য/গুৰুত্ব দিয়ে?
- সমর্থন সেৱাবোৰে শিক্ষার্থীক পৰীক্ষাত ভাল নম্বৰ লাভ কৰাত সহায় কৰেনে?

- সমর্থন সেৱাবোৰ পঢ় আধৰুৱা কৰা শিক্ষার্থীৰ হাৰ কম কৰিবলৈ সমর্থনে?

ওপৰৰ প্রশ্নসমূহৰ উত্তৰে শিক্ষার্থী সমর্থন সেৱাবোৰ মূল্যায়নৰ সময়ত গুৰুত্বপূর্ণ দিশ কিছুমান জনাত সহায় কৰে। এনে মূল্যায়নবোৰ সমর্থন সেৱাবোৰৰ গুণমান উন্নত কৰিবলৈকে চলোৱা হয়। মূল্যায়ন ফলাফলৰ আধাৰত ব্যৱস্থাপনা বিভাগ আৰু শৈক্ষিক বিভাগে সেৱাবোৰৰ সম্প্রসাৰণ নাইবা সংকোচন বিষয়ক গুৰুত্বপূর্ণ সিদ্ধান্ত ল'ব পাৰে। শিক্ষার্থী সমর্থন সেৱা মূল্যায়নৰ সময়ত তলৰ বিষয়বোৰ মূল্যায়নৰ বাবে লোৱা হয়—

- শিক্ষাদান কৰোঁতা
- মুখামুখি শৈক্ষিক সত্র, পৰামর্শদান সত্র
- অবিৰত মূল্যাংকন
- সমর্থন সেৱাসমূহৰ সাধাৰণ মূল্যায়ন

তলত বিষয়কেইটা বহলাই আলোচনা কৰা হ'ল—

- *শিক্ষাদান কৰোঁতা/শিক্ষকৰ মূল্যায়ন ঃ* এনে মূল্যায়নৰ সময়ত চিঠি, ই-মেইল, ফোনকল, এচ.এম.এচ., হোৱাটচ্এপ নাইবা মুখামুখি অৱস্থাৰ দৰে বিভিন্ন সংযোগ মাধ্যমৰ জৰিয়তে শিক্ষক তথা শিক্ষার্থীৰ মাজত স্থাপন হোৱা সংযোগ/আন্তঃক্রিয়াৰ প্রকৃতি বিচাৰ কৰি চোৱা হয়। ইয়াৰ উপৰি উদত্ত কার্য সন্দর্ভত শিক্ষকে কৰা মন্তব্যৰ গুণমান, এনে মন্তব্যৰ ভাৰসাযোগ্যতা, বৈধতা তথা বস্তুনিষ্ঠতা হ'ল মূল্যায়নকালত বিচাৰৰ বাবে গ্রহণ কৰা আন দুটা গুৰুত্বপূর্ণ কথা।
- *মুখ্যমুখি শৈক্ষিক সত্র/পৰামর্শদান সত্রবোৰৰ মূল্যায়ন ঃ* কোনো পাঠ্যবিষয় বাচনি কৰাৰ সময়ত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষার্থীসকলক সঘন পৰামর্শ তথা সমর্থনৰ প্রয়োজন হয়। শিক্ষার্থীয়ে অধ্যয়ন কাল মিলোৱা আৰু অধ্যয়নৰ সময়ত মনত উদয় হোৱা বিভিন্ন খোকোজা নাইকিয়া কৰাত শিক্ষক/পৰামর্শদাতাৰ সহায় বিচাৰিব পাৰে। ইয়াৰ উপৰি তেওঁলোকে এটা নির্দিষ্ট পাঠ্যক্রম শেষ কৰাৰ পাছত কি কৰিব সেই বিষয়টো দিক্নির্দেশনা বিচাৰে। এনে মূল্যায়নৰ দ্বাৰা শৈক্ষিক পৰামর্শদাতাৰ নিয়মানুবর্তিতা, নিষ্ঠা, শিক্ষার্থীৰ সৈতে বর্তাই ৰখা সম্বন্ধ, শিক্ষার্থীক উদ্বুদ্ধ কৰিব পৰা গুণ আৰু শিক্ষার্থীৰ সন্তুষ্টি বিচাৰ কৰি চোৱা হয়।
- *অবিৰত মূল্যায়ন ঃ* এনে মূল্যাংকনত প্রদত্ত কার্য সন্দর্ভত আগবঢ়োৱা মন্তব্যবোৰৰ ভাৰসাযোগ্যতা, বৈধতা আৰু বস্তুনিষ্ঠতাৰ বিচাৰক সামৰি লোৱা হয়। ইয়াত প্রদত্ত কার্যৰূপে আগবঢ়োৱা প্রশ্নবোৰ সজোৱাৰ প্রক্রিয়া, প্রদত্ত কার্য সন্দর্ভত কৰা মূল্যায়ন, প্রদত্ত কার্যত লিখা বিশেষ মন্তব্য, শুধৰণি, সামগ্রিক মন্তব্য আৰু প্রদান কৰা চূড়ান্ত গ্রেডৰ মূল্যায়ন সন্নিৱিষ্ট থাকে। প্রদত্ত কার্যৰূপে আগবঢ়োৱা

প্ৰশ্ন আৰু বাৰ্ষিক পৰীক্ষাৰ বাবে ধাৰ্য কৰা প্ৰশ্ন সমষ্টিৰ মাজৰ সহঃসম্পৰ্ক বিচাৰ কৰি চোৱাটোও এই মূল্যায়নৰ অংশ।

- *সমৰ্থন সেৱাসমূহৰ সাধাৰণ মূল্যায়ন ঃ* বিভিন্ন অধ্যয়ন কেন্দ্ৰই আগবঢ়োৱা একেটা শৈক্ষিক কাৰ্যসূচীৰ গুণমান, শিক্ষাৰ্থীয়ে লাভ কৰি থকা সমৰ্থন সেৱাৰ সংখ্যা আদি এই মূল্যায়নত বিচাৰ কৰি চোৱা হয়। এনে মূল্যায়নে শৈক্ষিক পৰামৰ্শদাতা নিয়োগ, প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সৃষ্টি আৰু থলুৱা তথা সমাজ ভৌগোলিক প্ৰতিবন্ধক আঁতৰোৱাৰ বাবে সমৰ্থন সেৱাবোৰ পুনৰ সজ্জিতকৰণত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ভিতৰত শিক্ষাৰ্থীৰ সহায়কাৰী সমলে কেনে উদ্দেশ্য সাধন কৰে? (৩০টা শব্দত উত্তৰ দিয়ক)

.....

.....

প্ৰশ্ন ৯ ঃ শিক্ষাৰ্থীৰ সহায়কাৰী সমলৰ মূল্যায়ন কৰাটো কিয় প্ৰয়োজনীয়? অতি কমেও তিনিটা কাৰণ উল্লেখ কৰক।

.....

.....



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত পাঠ্যসূচী মূল্যায়নৰ ধাৰণাটো আলোচনা কৰা হ'ল। এই আলোচনাত পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তাৰ উপৰি পৰীক্ষা, জোখ-মাখ, মূল্যাংকন তথা মূল্যায়নৰ মাজৰ প্ৰভেদ আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ সৈতে জড়িত বিভিন্ন দিশ সামৰি লোৱা হৈছে।
- নিৰ্দিষ্ট পাঠবোৰৰ সূচী নাইবা সামগ্ৰিক পাঠ্যসূচী এখনৰ কিছুমান বিশেষ দিশ সম্পৰ্কে প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সাৱধানতাৰে তথ্য সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়াটোকে পাঠ্যসূচী মূল্যায়ন বোলে।
- পৰীক্ষা, জোখ-মাখ, মূল্যাংকন আৰু মূল্যায়ন সদৃশ অভিধা যদিও ইয়াৰ অৰ্থ বেলেগ বেলেগ। মূল্যায়ন হ'ল এই আটাইবোৰ অভিধাৰ ভিতৰত সবাতোকৈ ব্যাপক অৰ্থ বুজোৱা অভিধা। মূল্যায়নত পৰীক্ষা, জোখ-মাখ আৰু মূল্যাংকন এই তিনিওটা দিশ

সন্নিৱিষ্ট থাকে।

- শিক্ষানুষ্ঠানভেদে পাঠ্যসূচী মূল্যায়নৰ প্ৰয়োজনীয়তা ভিন ভিন। পৰম্পৰাগত মুখামুখি শিক্ষা ব্যৱস্থা আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ মাজত পাৰ্থক্য আছে। কিন্তু সকলো ধৰণৰ শিক্ষানুষ্ঠানে পাঠ্যসূচী এখনৰ দ্বাৰা ঘোষিত লক্ষ্য তথা উদ্দেশ্যবোৰ পূৰণ কৰিব পৰা গৈছেনে নাই সেয়া বিচাৰ কৰি চোৱাটো বাধ্যতামূলক।
- পাঠ্যসূচী মূল্যায়নৰ দিশ তিনিটা হ'ল—
  - পাঠ্যসূচী এখনৰ পৰিকল্পনাৰ মূল্যায়ন
  - নিৰ্দেশনামূলক সামগ্ৰীৰ মূল্যায়ন
  - শিক্ষাৰ্থীৰ সহায়কাৰী সমলৰ মূল্যায়ন
- পাঠ্যসূচী হ'ল শিক্ষক আৰু শিক্ষানুষ্ঠান এটাই শিক্ষাৰ্থীক দিয়া অভিজ্ঞতাবোৰৰ সৰ্বমুঠ সমষ্টি। ইতিপূৰ্বে বিকশাই তোলা পাঠ্যসূচী এখনৰ পুনৰীক্ষণ কৰা প্ৰক্ৰিয়া অথবা কাৰ্যটোৱেই হ'ল মূল্যায়ন। মূল্যায়নে ব্যৱস্থাপনা বিভাগ/শৈক্ষিক বিভাগক পাঠ্যসূচী শুধৰোৱাৰ সুযোগ দিয়ে। পাঠ্যসূচী মূল্যায়ন অতি গুৰুত্বপূৰ্ণ। এটি শিশুৰ সৰ্বাত্মক বিভাগ, এটা শিক্ষা ব্যৱস্থাৰ উপযুক্ত অগ্ৰগতি, এখন সমাজৰ উন্নতি আৰু এটা জাতিৰ শ্ৰীবৃদ্ধিৰ বাবে পাঠ্যসূচী মূল্যায়ন এক বাধ্যতামূলক কাৰ্য।



৬.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Koul, B.N. (1991). Evaluation at Indira Gandhi National Open University, New Delhi, India. In Redolf, S. (Ed). *Evaluation Concepts and Practices in Selected Distance Education Institutions*. Hagen: ZIFF.

২) Satyanarayana, R. et. al. (Eds.). (2013). Curriculum Evaluation. *In Curriculum Development for Distance Education*, SLM of MADE programme of IGNOU.

৩) Chaudhary, S. V. S. & Dey, N. (2013). Assessment in Open and Distance Learning System (ODL): A Challenge. *Open Praxis*. Vol. 5, Issue 3, July–September 2013, pp. 207–216.

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা

২ নং প্রশ্নৰ উত্তৰ ঃ পাঠ্যসূচী মূল্যায়নৰ সংকীর্ণ অর্থ হ'ল মাত্র এজন/এজনী শিক্ষার্থীৰ সামগ্রিক পাৰদর্শিতাৰ আধাৰত তেওঁক নম্বৰ নাইবা গ্রেড দিয়া কার্য। আনহাতে, পাঠ্যসূচী মূল্যায়নৰ বহল অর্থ হ'ল শিক্ষা উদ্দেশ্যত উপনীত হোৱাৰ লক্ষ্যেৰে শিক্ষার্থীৰ আচৰণলৈ অহা পৰিবর্তন অথবা আচৰণৰ শুধৰণিৰ মূল্যায়ন।

৩ নং প্রশ্নৰ উত্তৰ ঃ কোনো এটা বিশেষ গোটৰ পৰা জ্ঞান/দক্ষতা/মনোভাৱ/কিহবাৰ ওপৰত থকা বিশ্বাস আদিৰ বিষয়ে পৰিমাণগত ডেটা সংগ্রহৰ এটা আহিলা/সঁজুলি/উপায় হ'ল পৰীক্ষা। আনহাতে, জোখ-মাখ মানে হ'ল কিবা জোখা কার্য। ডেটাত সাংখ্যিক সূচাংক (numerical index) যোগ কৰা কার্যই হ'ল জোখ-মাখ। সহজ অর্থত জোখ-মাখ মানে হ'ল এজন/এজনী শিক্ষার্থীয়ে কিমান শিকিলে তাৰ পৰিমাণগত ডেটা বাহিৰ কৰাৰ এটা প্রক্রিয়া।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষার্থীৰ জ্ঞান/দক্ষতা/মনোভাৱ/বিশ্বাস আদি পৰীক্ষাৰ সহায়ত খতিয়ানভুক্ত কৰাৰ প্রক্রিয়াটো হ'ল মূল্যাংকন। মূল্যাংকনৰ লক্ষ্য কেৱল বিচাৰ কৰা নহয়, ইয়াৰ লক্ষ্য হ'ল শিক্ষার্থীক উন্নত কৰা। মূল্যায়ন হ'ল এক বহল আৰু সর্বাত্মক অভিধা। অর্থাৎ, মূল্যায়নে পৰীক্ষা, জোখ-মাখ তথা মূল্যাংকন— এই তিনিওটা অভিধাকে সামৰি লয়। মূল্যাংকনৰ প্রকৃতি হ'ল ৰোগ নির্ণয়াত্মক। ই শিক্ষার্থী এজন/এজনীয়ে কোনবোৰ ক্ষেত্রত উন্নতি কৰিব লাগিব সেয়া চিনাক্ত কৰে আৰু ভৱিষ্যৎ পাৰদর্শিতা উন্নত কৰাৰ পথ দেখুৱাই দিয়ে। আনহাতে মূল্যায়ন হ'ল বিচাৰাত্মক। ই শিক্ষার্থীৰ পাৰদর্শিতাৰ আধাৰত এটা সামগ্রিক গ্রেড (নির্ণায়ক স্তৰ) প্রদান কৰে। ই পূর্বনির্ধাৰিত শৈক্ষিক মান অনুসৰি শিক্ষার্থীয়ে অগ্রগতি দেখুৱাব পাৰিছেনে নাই সেয়া প্রমাণ কৰি চায়। মূল্যাংকনৰ লক্ষ্য বিকাশশীল বা গঠনশীল, কাৰণ ই গুণমান উন্নত কৰাৰ প্রয়াস কৰে। মূল্যায়ন হ'ল গুণমানৰ বিচাৰ। সেয়েহে ইয়াৰ উদ্দেশ্য হ'ল সংক্ষেপী (summative)।

৫ নং প্রশ্নৰ উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ তিনিটা প্রয়োজনীয় দিশ হ'ল -

- কোনো এখন পাঠ্যসূচীৰ সামগ্রিক লক্ষ্য আৰু উদ্দেশ্যসমূহ পূৰণ হৈছেনে নাই সেয়া বিচাৰ কৰি চোৱাৰ বাবে পাঠ্যসূচী মূল্যায়ন কৰা হয়।
- পাঠ্যবিষয়বোৰৰ বিপৰীতে আগবঢ়োৱা পঠন সামগ্রীবোৰৰ ফলপ্রসূতা বিচাৰ কৰি চাবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।

- পাঠ্যসূচী এখনত অন্তর্ভুক্ত বিষয়/পাঠ, শিক্ষানুষ্ঠান এখনৰ কর্মচাৰীৰ সংখ্যা, মাচুলৰ দৰে বিত্ত বিষয়ক বিভিন্ন দিশ, প্রয়োজন হোৱা অধ্যয়ন কাল, নামভর্তি কৰা শিক্ষার্থীৰ সংখ্যা, পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰে পৰিচালিত শৈক্ষিক কার্যসূচীবোৰৰ বিষয়সূচী আৰু সদস্য সংখ্যা, শিক্ষার্থীৰ অধ্যয়ন সময়সীমা, ব্যৱস্থাটোত প্রয়োগ কৰা বিভিন্ন ধৰণৰ মাল্টি-মিডিয়াৰ তথ্য বাহিৰ কৰিবলৈ পাঠ্যসূচী মূল্যায়ন কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) পাঠ্যসূচীখন অধ্যয়ন কৰা সর্বপ্রথম দলটোৰ শিক্ষার্থীসকলক গিনীপিগৰ দৰে ব্যৱহাৰ কৰে। এয়া শৈক্ষিক ন্যায়নিষ্ঠতাৰ পৰিপন্থী।

(খ) প্রথমবাৰ প্রচলন কৰি উঠিয়েই অধ্যয়ন সামগ্রীবোৰ তাৎক্ষণিকভাৱে পুনৰীক্ষণ কৰা হয়। ই বিতৰণ আৰু অন্য সমর্থন সেৱাবোৰত বিৰূপ প্রভাৱ পেলায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ছপা সামগ্রী, বৈদ্যুতিক সামগ্রী, টেলিভিছন ভিত্তিক সামগ্রী।

৮ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষার্থীৰ সহায়কাৰী সমলবোৰৰ উদ্দেশ্য হ'ল শিক্ষার্থীক নির্দেশনামূলক উদ্দেশ্যবোৰত উপনীত হ'ব পৰাকৈ এক উষ্ম আৰু সহায়-সমর্থনপূর্ণ পৰিৱেশ গঢ়ি দিয়া। এই সেৱাবোৰ হ'ল শিক্ষার্থী আৰু শিক্ষক/শিক্ষানুষ্ঠানৰ মাজত দ্বিমুখী সংযোগ সম্ভৱ কৰি তোলা একোটা মাধ্যম।

৯ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষার্থীৰ সহায়কাৰীসমলবোৰৰ মূল্যায়ন কৰাটো প্রয়োজনীয় কাৰণ—

(ক) তেতিয়াহে এই সেৱাবোৰে শিক্ষার্থীৰ মনৰ খুদুৰনিবোৰ তাৎক্ষণিক, পর্যাপ্ত আৰু ফলপ্রসূভাৱে আঁতৰ কৰিব পাৰিবনে নাই সেয়া স্পষ্টকৈ গম পোৱা যাব।

(খ) তেতিয়াহে এই সেৱাবোৰে শৈক্ষিক লেনদেন সম্পন্ন কৰিব পাৰিছেনে নাই সেয়া বিচাৰ কৰি চাব পৰা যাব।

(গ) তেতিয়াহে এই সেৱাবোৰক শিক্ষার্থীৰ প্রয়োজন পূৰণত সহায়ক হ'ব পৰাকৈ প্রস্তুত কৰি তুলিব পৰা যাব।



৬.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আপোনাৰ নিজৰ ভাষাত পাঠ্যসূচী মূল্যায়নৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ পাঠ্যসূচী মূল্যায়নৰ সংকীর্ণ আৰু বহল অর্থৰ মাজৰ প্রভেদ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ পৰীক্ষা, জোখ-মাখ, মূল্যাংকন আৰু মূল্যায়নৰ সংজ্ঞা দিয়ক। অভিধাবোৰৰ মাজত থকা প্রভেদবোৰ বর্ণনা কৰক।

প্ৰশ্ন ৪ ঃ পাঠ্যসূচী মূল্যায়ন কৰাটো কিয় প্ৰয়োজনীয় ? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দৰ্শাওক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ পাঠ্যসূচী মূল্যায়নৰ সৈতে জড়িত বিভিন্ন দিশ বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ নিৰ্দেশনামূলক সামগ্ৰী মূল্যায়নৰ পন্থাবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ব্যৱহৃত অধ্যয়ন সামগ্ৰীবোৰ কেনেধৰণৰ ? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্রম

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তে সামূহিক উন্নয়ন

৭.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্রম

৭.৫ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে আগবঢ়োৱা সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্রমবোৰৰ সমস্যা তথা প্রত্যাহ্বান

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামূহিক উন্নয়নৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সামূহিক উন্নয়নত দূৰৱৰ্ত্তী শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- সামূহিক উন্নয়নৰ বাবে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে আগবঢ়াব পৰা পাঠ্যক্রমবোৰ চিনাক্ত কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে আগবঢ়োৱা সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্রমবোৰৰ সমস্যা তথা প্রত্যাহ্বানবোৰ বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

এটা সমূহ (community) অথবা সম্প্রদায় অথবা এখন সমাজ হ'ল এনে এক স্থান (place) নাইবা গোট (unit) য'ত মানৱ সমষ্টি এটা একেলগে বাস কৰে অথবা মানৱ সমষ্টিটোৱে স্বীকৃত বিধি-বিধান, প্রমূল্য, মনোভাৱ, ধর্ম, পৰিচয় আদিৰে সৈতে কিছুমান একৰূপী বৈশিষ্ট্য প্রকাশ কৰে। কোনো এক নির্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰা জনসমষ্টি এটাই জীৱনৰ কিছুমান উমৈহতীয়া নীতি অনুসৰণ কৰি একো একোটা সম্প্রদায় (সমূহ) গঠন কৰে। উমৈহতীয়া স্থানৰ বাসিন্দা নাইবা গোটৰ সদস্যসকলে নিজৰ মাজত পাৰস্পৰিক বুজাবুজি বর্তাই ৰাখে। ইয়াৰ বাবেই বিভিন্ন ব্যক্তিগত আৰু সামাজিক কার্যকলাপত লিপ্ত থকা সত্বেও সমূহৰ সদস্যসকল

এক নিশ্চিত শান্তিপূর্ণ পৰিৱেশত বাস কৰিব পাৰে। সেয়েহে এটা সমূহ অথবা সম্প্রদায়ৰ সদস্যসকল যুক্তিসংগতভাৱে পৰিচালিত তথা শিক্ষিত হোৱা উচিত। তেতিয়াহে একোখন উৎপাদনশীল তথা প্রগতিশীল সমাজ গঠন কৰাটো সম্ভৱ হ'ব। সমাজৰ প্রতিগৰাকী সদস্যই নিজৰ জীৱন সম্পর্কে গঠনমূলক তথা ইতিবাচক মনোভাৱেৰে চিন্তা কৰিব পৰাকৈ পৰিপক্ক হৈ উঠিবলৈ উপযুক্ত অভিজ্ঞতাৰ গৰাকী হোৱা উচিত। মানুহৰ গঠনমূলক আৰু ইতিবাচক দৃষ্টিভংগীয়ে সমাজলৈ ইতিবাচক পৰিবর্তন কঢ়িয়াই আনে। ই অৱধাৰিতভাৱে সম্প্রদায় আৰু বহল পৰিসৰত সমগ্র জাতিটোকো ইতিবাচক পৰিবর্তনৰ দিশেৰে আগবঢ়াই নিব পাৰে। এটা আদর্শসমূহ অথবা সম্প্রদায়ে ইয়াৰ প্রতিগৰাকী সদস্যৰে অর্থনৈতিক, সামাজিক আৰু আধ্যাত্মিক প্রয়োজনীয়তাবোৰ পূৰণ কৰিব লাগে। সমাজত এদল শিক্ষিত, দক্ষতাসম্পন্ন আৰু যোগ্য বাসিন্দাৰ সৃষ্টি কৰিব পাৰিলেহে এই উদ্দেশ্যত সফলতাৰে উপনীত হ'ব পৰা যাব। শিক্ষানুষ্ঠানবোৰ একোটা সম্প্রদায়ৰ সদস্যসকলে নির্মাণ আৰু তদাৰক কৰে। এই শিক্ষানুষ্ঠানবোৰৰ উদ্দেশ্য হ'ল সেই সম্প্রদায়টোৰ লোকৰ কল্যাণ সাধন কৰা। সেয়েহে শিক্ষানুষ্ঠানবোৰে সম্প্রদায় এটাৰ সদস্যসকলৰ প্রত্যাশা পূৰাব পৰা কিছুমান প্রয়োজন সাপেক্ষ পাঠ্যক্রম আৰম্ভ কৰি এনে কল্যাণ সাধনত এক গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। শিক্ষাৰ পৰম্পৰাগত পদ্ধতিৰ সৈতে বর্তমান মুক্ত আৰু দূৰৱৰ্ত্তী শিকন (ODL) ব্যৱস্থাৰো বিকাশ ঘটিছে। এই ব্যৱস্থাটোৱে মানুহৰ বসতি স্থল, লিংগ, বয়স, সমাজ-সাংস্কৃতিক পৃষ্ঠভূমি আদি নির্বিশেষে যিকোনো সম্প্রদায়ৰে সামর্থ তথা দক্ষতা বৃদ্ধি কৰি মানুহৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ সক্ষম হৈছে। এটা জ্ঞানসমৃদ্ধ জনসমষ্টি সৃষ্টি কৰিবলৈ নাইবা জ্ঞান অর্থনীতি গঢ়ি তুলিবলৈ মানুক প্রকৃতার্থত ***মানৱ মূলধন*** (human capital)ৰ ৰূপ দিবলৈ উচ্চ পর্যায়ৰ দক্ষতা আহৰণৰ সুযোগ দিয়াটো অতীৱ প্রয়োজনীয় কথা হৈ পৰিছে। উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে বিশ্ববিদ্যালয়বোৰৰ সম্প্রদায়বোৰৰ প্রয়োজন পূৰাব পৰাকৈ সকলো দিশেৰে বিৱর্তন ঘটা দৰকাৰ। সম্প্রদায়ৰ চাহিদা পূৰাবলৈ তথা পৰিৱর্তিত মনোভাৱৰ প্রতিফলন ঘটাব পৰাকৈ বিশ্ববিদ্যালয়বোৰে নতুন শৈক্ষিক কার্যসূচী আৰম্ভ কৰিব লাগে, আন্তঃগাঁথনিমূলক সা-সুবিধাবোৰ বঢ়াব লাগে, শিকন সামগ্রী যোগান পদ্ধতি উন্নত কৰিব লাগে, শিকন প্রক্রিয়াটো অধিক সমৃদ্ধ কৰি তুলিব লাগে আৰু নতুন প্রযুক্তি সংলগ্ন কৰিব লাগে। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই হ'ল এনে একমাত্র শিক্ষাব্যৱস্থা যিটোৱে জীৱন জোৰা শিক্ষাৰ ধাৰণাটোক বাস্তৱ ৰূপ দিব পাৰে আৰু সম্প্রদায়ৰ আগ্রহীসকলক কিছুমান বৃত্তিজীৰি (professional) আৰু বৃত্তিমুখী (vocational) পাঠ্যক্রম পঢ়াৰ তথ্য প্রশিক্ষণ গ্রহণৰ সুযোগ দিব পাৰে। এইবোৰে সম্প্রদায় এটাৰ সদস্যসকলক আত্ম-বিকাশ তথা কর্মসংস্থাপনৰ ক্ষেত্রখনত আগবাঢ়ি যোৱাত সহায় কৰে। এই অধ্যায়ত আমি এনে বহুতো পাঠ্যক্রমৰ বিষয়ে আলোচনা কৰিম যি আলোচনাই শিক্ষার্থীক সামূহিক উন্নয়নৰ বাবে এনে পাঠ্যক্রমবোৰৰ প্রয়োজনীয়তা আৰু গুৰুত্ব বুজাত সহায় কৰিব। অধ্যায়টি পঢ়ি শিক্ষার্থীসকলে এই পাঠ্যক্রমবোৰে সম্প্রদায়ৰ সদস্যসকলৰ সামর্থ কেনেদৰে বৃদ্ধি কৰিব পাৰে সেই কথাও বুজিব পাৰিব।



মানৱ মূলধন ঃ এগৰাকী ব্যক্তি নাইবা এটা জনসমূহে আহৰণ কৰা দক্ষতা, জ্ঞান আৰু অভিজ্ঞতা। কোনো এটা সংগঠন নাইবা দেশ এখনৰ ক্ষেত্রত এইবোৰৰ মূল্যৰ আধাৰত এনে দক্ষতা, জ্ঞান আৰু অভিজ্ঞতা জোখা হয়। ইয়াৰ নির্ণায়ক কাৰকবোৰ হ'ল শিক্ষা, প্রশিক্ষণ, চিকিৎসা ব্যৱস্থা ইত্যাদি। ই হ'ল উৎপাদনৰ এক ফলপ্রসু উপায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সম্প্ৰদায় বুলিলে কি বুজে?

.....

.....

৭.৩ দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তে সামূহিক উন্নয়ন

এই অধ্যায়টিৰ 'পৰিচয়' শিতানত আমি 'সম্প্ৰদায়' (সমূহ)ৰ অৰ্থ আলোচনা কৰিছোঁ। সম্প্ৰদায় এটাৰ সদস্যসকলৰ সামৰ্থ সংগঠিত কৰাৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই কিমান গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে সেয়াও আলোচনা কৰা হৈছে। ভাৰতৰ পৰিকল্পনা আয়োগৰ মতে "মানুহৰ নিজা প্ৰচেষ্টাৰ জৰিয়তে গাঁৱলীয়া জীৱনলৈ সামাজিক তথা অৰ্থনৈতিক ৰূপান্তৰ কঢ়িয়াই অনাৰ প্ৰচেষ্টাই হ'ল সামূহিক উন্নয়ন। মহাত্মা গান্ধীয়ে কৈছিল যে আচল ভাৰতখন গাঁৱতহে দেখা পোৱা যায় আৰু ভাৰতৰ উন্নয়ন সাধন কৰাৰ চেষ্টা চলাওতে গাঁওবোৰৰ কথা আওকাণ কৰিলে নহ'ব। ভাৰতে স্বাধীনতা লাভ কৰাৰ ৭০ বছৰ পাৰ হৈ যোৱাৰ পাচতো ৬৫ শতাংশতকৈও অধিক লোক এতিয়াও গ্ৰামাঞ্চলবোৰত বাস কৰি আছে। এই মানুহখিনি জীৱিকা অৰ্জনৰ বাবে মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল। এনে পৰিস্থিতিত দুখ-দুৰ্দশাৰ পৰা মুক্ত হ'বলৈ দুখীয়া কৃষক শ্ৰেণীটো শিক্ষিত হৈ উঠিব লাগিব। ইয়াৰ লগতে গ্ৰামাঞ্চলৰ সাধাৰণ জনগণক কিছুমান প্ৰয়োজন সাপেক্ষ পাঠ্যক্ৰমেৰে শিক্ষিত কৰি তোলা উচিত। ই তেওঁলোকক জীৱনৰ মান উন্নত কৰাত সহায় কৰিব। কিন্তু আনুষ্ঠানিক শিক্ষালাভৰ সুযোগ আগবঢ়োৱা শৈক্ষিক প্ৰতিষ্ঠানসমূহে বিচৰা ধৰণে জ্ঞানসমৃদ্ধ জনসমষ্টি একোটা গঢ়ি তুলিব নোৱাৰে। আনুষ্ঠানিক শিক্ষাৰ সৈতে বহুতো বাধা-নিষেধ জড়িত হৈ থাকে বাবে এই কাম সম্ভৱ হৈ নুঠে। এইটো কাৰণতে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যক। দূৰৱৰ্ত্তী শিক্ষাই পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষা আৰু শিক্ষাৰ্থীৰ মাজত থকা ব্যৱধান আঁতৰ কৰি প্ৰতিগৰাকী ব্যক্তিকে কিছু মৌলিক শিক্ষা গ্ৰহণৰ সুযোগ দিয়ে। ই ব্যক্তিৰ জীৱন যাপনৰ মান উন্নত কৰাত সহায় কৰে।

এটা জাতিৰ উন্নতিত দূৰৱৰ্ত্তী শিক্ষাৰ তাৎপৰ্য কিমান সেয়া বুজিবলৈ বৰ্তমান শিক্ষাৰ সকলো পৰ্যায়তে শিক্ষাৰ অনানুষ্ঠানিক উপায় নাইবা মুক্ত শিকন ব্যৱস্থাৰ অগ্ৰগতিলৈ মন কৰা উচিত। যিকোনো কাৰণতে আনুষ্ঠানিক শিক্ষাৰ সা-সুবিধা গ্ৰহণ কৰিব নোৱাৰা নাইবা শিকন সুযোগৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰাসকল এটা শিকন নেটৱৰ্কৰ সৈতে জড়িত কৰোৱাত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব বুলি ভাবি এই ব্যৱস্থাটো যুগুতাই উলিওৱা হৈছে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই পুনঃপৰীক্ষাত বহিব পৰা আৰু জীৱন জুৰি শিকি থাকিব পৰা শিক্ষাৰ সুযোগ প্ৰদান কৰে আৰু সমাজত বৃহত্তৰ সমতা স্থাপনৰ পৃষ্ঠপোষকতাকাৰী এক প্ৰধান উপায়ৰূপে নিজ ভূমিকা পালন কৰে।

সামূহিক উন্নয়নে মানুহৰ কল্যাণ সুনিশ্চিত কৰাৰ ইংগিত দিয়ে। ইয়াৰ ফলত মানুহে এক উৎপাদনশীল জীৱনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰে। শিক্ষাই হ'ল মানুহক উৎপাদনশীল আৰু সম্পদৰ উৎস কৰি তোলাৰ একমাত্ৰ মাধ্যম। বয়স, ভৌগোলিক অৱস্থান, সময়, শ্ৰেণী আৰু লিংগ নিৰ্বিশেষে সকলো লোককে, সকলো সময়তে তথা সকলোৰে বাবে জ্ঞান আৰু তথ্য আগবঢ়াব পৰা একমাত্ৰ মাধ্যমটো হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থা। তথ্য আৰু সংযোগ প্ৰযুক্তিৰ সদ্ব্যৱহাৰ কৰি মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটোৱে ন্যূনতম ব্যয়তে পৰম্পৰাগত শিক্ষা ব্যৱস্থাই ঢুকি নোপোৱাসকলৰ কাষ চাপিব পাৰে। সেয়েহে, বৰ্তমানৰ শৈক্ষিক পৰিৱেশত নিজৰ বিদ্যায়তনিক তথা শৈক্ষিক লেনদেন সম্পন্ন কৰাৰ কামত 'নিজৰ যতন নিজে লৈ আহক' বোলা আপ্তবাক্যযাৰিয়ে গুৰুত্ব লাভ কৰিছে। ই শিক্ষাত তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ক্ৰমৱৰ্দ্ধমান প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ কথাকে সূচায়। অৱশ্যে শিক্ষা ক্ষেত্ৰত এতিয়াও লিংগ অসমতা, ডিজিটেল মাধ্যমে সৃষ্টি কৰা বিভাজন, শিক্ষাৰ পৰা বঞ্চিত হৈ ৰোৱা আৰু শিক্ষাৰ প্ৰান্তীয়ভৱন আদিৰ দৰে সমস্যাবোৰ বৰ্তমান। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে এই অসুবিধাবোৰ হ্ৰাস কৰাটো জৰুৰী হৈ পৰিছে। গাঁও আৰু নগৰ অঞ্চলৰ লগতে উন্নত আৰু অনগ্ৰসৰ অঞ্চলৰ লোকৰ মাজত থকা ডিজিটেল মাধ্যমে সৃষ্টি কৰা বিভাজনৰ মাত্ৰা হ্ৰাস কৰাৰ সৰ্বোত্তম উপায়টো হ'ল মিশ্ৰিত শিক্ষা ব্যৱস্থাত অসমকালিন প্ৰযুক্তি (asynchronous technologies) ব্যৱহাৰ কৰা। মুক্ত শৈক্ষিক সম্পদসমূহে (OERs) শিকনৰ সুবিধা দিয়াৰ জৰিয়তে জ্ঞানৰ গতিধাৰা সৃষ্টি কৰিব পাৰিব। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই মুক্ত শৈক্ষিক সম্পদসমূহৰ আলমত শিক্ষাজগতত ব্যক্তিসকলৰ অংশগ্ৰহণৰ সম্ভাৱনীয়তা বাট মোকোলাব পাৰিব। ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে কেৱল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ জৰিয়তেহে শিক্ষাৰ গণতান্ত্ৰিকীকৰণ সম্ভৱ। এই ব্যৱস্থাত শিক্ষাগ্ৰহণৰ আৱশ্যকতা থকা কোনো লোকেই বঞ্চিত নহয়।

ওপৰৰ আলোচনাকালত ইয়াকো কোৱা হৈছে যে সম্প্ৰদায়বোৰ হ'ল এখন দেশৰ 'তৃণমূল' পৰ্যায়ৰ উপাদান। সম্পদায়বোৰে সমাজৰ প্ৰগতি আৰু উন্নয়নত সহায় কৰে। সেয়েহে সম্প্ৰদায়ৰ সদস্যসকলক অতি সোনকালে একোটা জ্ঞানৰ দ্বাৰা পৰিচালিত (knowledge driven) অথবা জ্ঞানসমৃদ্ধ (knowledge enabled) জনসমষ্টি কৰি তোলাটো অতীৰ প্ৰয়োজনীয় হৈ পৰিছে। এইক্ষেত্ৰত উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰক (জ্ঞানসমৃদ্ধ জনসমষ্টি গঢ়া চিন্তাৰ ভঁৰাল (think tank) বুলি বিবেচনা কৰা হয়। এনে শিক্ষানুষ্ঠানবোৰে বিভিন্ন প্ৰয়োজন সাপেক্ষ শৈক্ষিক পাঠ্যক্ৰম বিকশাই তুলিব পাৰে যিবোৰে সম্প্ৰদায়বোৰৰ জীৱিকা অৰ্জনৰ মান এসময়ত উন্নত কৰি তোলাত সহায় কৰিব। বৰ্তমানৰ প্ৰয়োজনীয়তাৰ সৈতে ফেৰ মাৰিব পৰাকৈ সম্প্ৰদায়বোৰক সংগঠিত কৰাৰ সৰ্বোত্তম ফলপ্ৰসু বিকল্পটো হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থা। ই মানুহক সমাজ অথবা সম্প্ৰদায়ৰ বাবে উৎপাদনক্ষম আৰু সুফল কঢ়িয়াই আনিব পৰা নাগৰিক হোৱাৰ প্ৰশিক্ষণ দিব পাৰে। মুক্ত বিশ্ববিদ্যালয় আৰু অন্য মুক্ত তথা দূৰৱৰ্ত্তী শিকন অনুষ্ঠানবোৰে মানুহৰ আত্মবিশ্বাস বৃদ্ধি কৰি তেওঁলোকৰ সমালোচনাত্মক

মনোভাৱ গঢ়ি তোলাৰ লগতে পৰিৱেশ তথা বৰ্তমান বিশ্বৰ পৰিবৰ্তনশীল পৰিস্থিতিবোৰৰ তাৎপৰ্য উপলব্ধি কৰিব পৰা মানসিকতাৰ গৰাকী কৰি তুলিব পাৰে। ইয়াৰ উপৰি এনে শিক্ষানুষ্ঠানবোৰে সামূহিক পৰ্যায়ত জনসংখ্যা বিস্ফোৰণ, পাৰিপাৰ্শ্বিকতালৈ আহি পৰা প্ৰত্যাহ্বানবোৰ, উদ্যমিতা বিষয়ক সুযোগ-সুবিধা, মানৱ অধিকাৰৰ জ্ঞান আদি বিভিন্ন বিষয়ত সজাগতা কাৰ্যসূচীৰ আয়োজন কৰি সম্প্ৰদায়ৰ সদস্যসকলৰ জীৱনক প্ৰভাৱিত কৰা জ্বলন্ত সমস্যাবোৰৰ বিষয়ে মানুহক সচেতন কৰি তুলিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই কেনেদৰে সামূহিক উন্নয়নত সহায় কৰে?

.....

৭.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰম

সামূহিক উন্নয়নমূলক কাম-কাজত জড়িত থকাসকলে সময় বাগৰাৰ লগে লগে স্থানীয় সম্প্ৰদায়, বিশেষকৈ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত সম্প্ৰদায়বোৰৰ বাবে কাম কৰাৰ সময়ত প্ৰয়োজন হোৱা কিছুমান বিশেষ দক্ষতা আৰু কাৰ্যপন্থা বিকশিত কৰিছে। এনে দক্ষতা আৰু কাৰ্যপন্থাবোৰত কম আনুষ্ঠানিকতা থকা শৈক্ষিক পদ্ধতি, সম্প্ৰদায় সংগঠিত কৰা কাৰ্যকলাপ আৰু দলৱদ্ধভাৱে কাম কৰাৰ দক্ষতা আদিক সামৰি লোৱা হয়। ১৯৬০ আৰু ৭০ৰ দশক দুটাত উন্নত তথা উন্নয়নশীল দুয়ো ধৰণৰ দেশতে চলা বিভিন্ন দৰিদ্ৰতা বিৰোধী কাৰ্যসূচী ৰূপায়ণৰ কালছোৱাত সাম্প্ৰদায়িক উন্নয়নৰ কাম-কাজত জড়িত থকাসকলক অসুবিধা আৰু দৰিদ্ৰতাৰ কাৰণবোৰৰ সংৰচনাত্মক বিশ্লেষণে যথেষ্ট প্ৰভাৱিত কৰিছিল। এনে বিশ্লেষণত সম্পদ, উপাৰ্জন, ভূমি আদিৰ অসম বিতৰণ, ৰাজনৈতিক ক্ষমতাৰ অভাৱ আৰু সামাজিক পৰিবৰ্তনক প্ৰভাৱিত কৰিব পৰাকৈ সাধাৰণ লোকৰ ক্ষমতাৰ অভাৱ আদি দিশক সামৰি লোৱা হৈছিল। সেয়েহে ব্ৰাজিলৰ প্ৰখ্যাত শিক্ষাবিদ পাউল' ফ্ৰিয়াৰৰ (Paulo Friere) দৰে এচামে সামূহিক উন্নয়নৰ কামত জড়িতসকল প্ৰভাৱিত কৰিছিল। ফ্ৰিয়াৰে (Friere) তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ "Pedagogy of the Oppressed"ত শৈক্ষিক নীতিবোৰৰ বেংকিং ব্যৱস্থাটো নাকচ কৰি যুক্তি দৰ্শাইছিল। শিক্ষাৰ বেংকিং ব্যৱস্থাটোৱে সমাজৰ মুষ্টিমেয় এচামকহে শিক্ষা লাভৰ সুযোগ দিছিল। ফ্ৰিয়াৰে এক মুক্ত আৰু উদাৰ পন্থাৰে সমাজৰ সকলো শ্ৰেণীৰ লোককে শিক্ষা দিব পৰা এক শিক্ষাদান পদ্ধতি (Pedagogy) আগবঢ়াব খুজিছিল। কাৰণ, তেওঁ অনুভৱ কৰিছিল যে নিপীড়িত আৰু উপান্ত শ্ৰেণীৰ লোকক শিক্ষাদান কৰি জ্ঞান অৰ্থনীতি সমৃদ্ধ কৰি তুলিব পৰা যাব। ফলত, এসময়ত সমাজৰ সকলো শ্ৰেণীৰ লোকে সমানে অৰ্থনৈতিক তথা সামাজিক অৱদান আগবঢ়াব পাৰিব।

সামূহিক উন্নয়নৰ কাৰ্যপন্থাবোৰক বিভিন্ন শিতানত ভগাব পৰা যায়। তলত তেনে

শিতান কেইটামান উল্লেখ কৰা হ'ল ঃ

- সামূহিক অৰ্থনৈতিক উন্নয়ন (CED);
- সামূহিক সামৰ্থ নিৰ্মাণ (CCB);
- সামাজিক মূলধন সৃষ্টি; ৰাজনৈতিক অংশগ্ৰহণৰ উন্নয়ন;
- অহিংস প্ৰত্যক্ষ ক্ৰিয়া
- পাৰিপাৰ্শ্বিক দিশেৰে বৰ্তি থাকিব পৰা উন্নয়ন;
- সম্পদভিত্তিক সামূহিক উন্নয়ন;
- বিশ্বাস ভিত্তিক সামূহিক উন্নয়ন;
- সম্প্ৰদায় ভিত্তিক অংশগ্ৰহণমূলক গৱেষণা (CBPR);
- সম্প্ৰদায় সংগঠিতকৰণ
- সম্প্ৰদায় সবলীকৰণ
- সম্প্ৰদায়ৰ অংশগ্ৰহণ
- সম্প্ৰদায় ভিত্তিক পৰিকল্পনাৰে সৈতে বিভিন্ন অংশগ্ৰহণমূলক পৰিকল্পনা (CBP)
- সম্প্ৰদায় পৰিচালিত উন্নয়ন (CDD); আৰু
- সম্প্ৰদায়বোৰক প্ৰত্যক্ষভাৱে পুঁজিৰ যোগান ধৰিব পৰা বিভিন্ন কাৰ্যপন্থা

ওপৰত উল্লেখ কৰা আটাইবোৰ কাৰ্যপন্থাৰ আঁৰৰ উদ্দেশ্য হ'ল নিজ নিজ সম্প্ৰদায়ৰ ফলপ্ৰসু পৰিবৰ্তন সাধন কৰিব পৰাকৈ প্ৰয়োজন হোৱা দক্ষতাৰে ব্যক্তি আৰু দলবোৰক সবল কৰি তোলা।

১৯৮২ চনত ভাৰতৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় ড° বি. আৰ. আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়ে ইয়াৰ কাম-কাজ আৰম্ভ কৰিছিল। ২০১৮ চনলৈকে ভাৰতত এখন ৰাষ্ট্ৰীয় আৰু চৌধ্যখন ৰাজ্যিক মুক্তি বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। এই দূৰৱৰ্ত্তী শিক্ষা কেন্দ্ৰবোৰে আগবঢ়োৱা পাঠ্যক্ৰমবোৰৰ প্ৰকৃতি বেলেগ বেলেগ। এই কথা সত্য যে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত পৰম্পৰাগত উচ্চ শিক্ষা ব্যৱস্থাৰ সমান্তৰাল বহুতো সদৃশ্য প্ৰতিৰূপৰ পাঠ্যক্ৰমৰ চাহিদা অধিক। সেয়েহে মুক্ত বিশ্ববিদ্যালয়বোৰে এনে পাঠ্যক্ৰমত শিক্ষা লাভৰ সুযোগ আগবঢ়াব। এই পাঠ্যক্ৰমবোৰ প্ৰধানতঃ বিদ্যালয় আধাতে এৰা, নব্য সাক্ষৰ, দক্ষতাহীন আৰু অৰ্ধ-দক্ষ কৰ্মী, গৃহিনী, মহিলা তথা অন্য বঞ্চিত শ্ৰেণী অথবা উপান্ত সম্প্ৰদায়ৰ লোকৰ বাবে প্ৰস্তুত কৰা হয়।

মুক্ত বিশ্ববিদ্যালয়বোৰে সাধাৰণ জনসমূহ আৰু উচ্চ ব্যুৎপত্তি আহৰণৰ প্ৰয়োজন থকা কৰ্মৰত বৃত্তিজীৱিসকলৰ বাবে বিভিন্ন ধৰণৰ পাঠ্যক্ৰম আগবঢ়ায়। এনে পাঠ্যক্ৰমবোৰৰ উল্লেখনীয় বৈশিষ্ট্যবোৰ হ'ল শিকন সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা আৰু কাৰ্যক্ষেত্ৰত শিক্ষক প্ৰশিক্ষণৰ সুবিধা। এই পাঠ্যক্ৰমবোৰে বিভিন্ন কামৰ সৈতে জড়িত বহুতো ক্ষেত্ৰ সামৰি লয়। এই পাঠ্যক্ৰমবোৰৰ লক্ষ্য হ'ল তৃণমূল পৰ্যায়ৰ কৰ্মীসকলক দক্ষ কৰি তোলা। স্ব-নিয়োজনৰ সুবিধা সৃষ্টি কৰিব পৰা আৰু উদ্যমিতা (enterpreneurship) পৃষ্ঠপোষকতা কৰা কিছুমান

পাঠ্যক্ৰম তলত উল্লেখ কৰা হ'লঃ

- **শিক্ষা আৰু শিশুৰ দিক্ নির্দেশনামূলক পাঠ্যক্ৰম**
  - শিক্ষা আৰু শিশুৰ দিক্ নির্দেশনামূলক পাঠ্যক্ৰম
  - প্ৰাৰম্ভিক শিশুকালৰ শিক্ষা বিষয়ক পাঠ্যক্ৰম
  - প্ৰাক্ আৰু প্ৰাথমিক শিক্ষকৰ শিক্ষা বিষয়ক পাঠ্যক্ৰম
  - দিক্ নির্দেশনা পাঠ্যক্ৰম
- **সামূহিক উন্নয়নমূলক পাঠ্যক্ৰম**
  - খাদ্য আৰু পৰিপুষ্টি বিষয়ক পাঠ্যক্ৰম
  - মানৱ অধিকাৰ বিষয়ক পাঠ্যক্ৰম
  - গ্ৰাহক সজাগতামূলক পাঠ্যক্ৰম
  - গ্ৰাম উন্নয়নমূলক পাঠ্যক্ৰম
  - নাৰী সৱলীকৰণ বিষয়ক পাঠ্যক্ৰম
  - এইচ.আই.ভি আৰু পৰিয়াল শিক্ষা বিষয়ক পাঠ্যক্ৰম
  - কম্পিউটাৰ সাক্ষৰতা বিষয়ক পাঠ্যক্ৰম
  - যুৱা বিকাশ কার্যসূচী সম্পৰ্কীয় পাঠ্যক্ৰম
- **পাৰিপার্শ্বিক সম্পৰ্কীয় পাঠ্যক্ৰম**
  - বনাঞ্চল সংৰক্ষণ বিষয়ক পাঠ্যক্ৰম
  - ৰেডিঅ' আৰু টেপ ৰেক'র্ডাৰ মেৰামতিৰ পাঠ্যক্ৰম
  - ফিটাৰ পাঠ্যক্ৰম
  - ঘৰুৱা বৈদ্যুতিক তাঁৰ সংযোগকাৰীৰ পাঠ্যক্ৰম
  - মেকানিক-অট'মোবাইল পাঠ্যক্ৰম
  - পানীৰ নল মেৰামতিকাৰীৰ পাঠ্যক্ৰম
  - ঘৰ নির্মাণকাৰীৰ পাঠ্যক্ৰম (ঘৰ সজা মিস্ত্ৰীৰ পাঠ্যক্ৰম)
  - বহুমুখী দক্ষতা বৃদ্ধিৰ বৃত্তিমুখী পাঠ্যক্ৰম
  - ঔদ্যোগিক ৰং কৰা কাৰিকৰী কর্মীৰ পাঠ্যক্ৰম
  - বাগিছা পতাৰ প্ৰশিক্ষণৰ পাঠ্যক্ৰম
  - কম্পিউটাৰৰ উপাদান সংলগ্নকাৰীৰ পাঠ্যক্ৰম
  - সুৰক্ষা সেৱাৰ চার্টিফিকেট পাঠ্যক্ৰম
  - কৃষি/উদ্যান কৃষিভিত্তিক ফটোগ্ৰাফী পাঠ্যক্ৰম
  - মৌ-মাখি পালনৰ পাঠ্যক্ৰম
  - কাঠফুলা খেতিৰ পাঠ্যক্ৰম
  - মীন পালনৰ পাঠ্যক্ৰম
  - হাঁহ-কুকুৰা পালনৰ পাঠ্যক্ৰম ইত্যাদি।

পাঠ্যবিষয়বোৰৰ লক্ষ্য শিক্ষার্থী গোটৰ প্ৰকাৰ অনুসৰি সাধাৰণতে এইবোৰৰ ওপৰত উল্লেখ কৰা ধৰণে শ্ৰেণীবিভাজন কৰা যায়। ওপৰৰ তালিকাত থকা পাঠ্যক্ৰমবোৰ সাধাৰণতে তৃণমূল পাৰ্যায়ৰ বিভিন্ন অৰ্হতাসম্পন্ন সাধাৰণ ব্যক্তিৰ উদ্দেশ্যেৰে প্ৰস্তুত কৰা হয়। সামূহিক উন্নয়নৰ সৈতে জড়িত কৰ্মীসকলৰ কাম-কাজৰ শিৰোনামবোৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। ৰাজহুৱা কৰ্তৃপক্ষ, স্বেচ্চাসেৱী নাইবা অনা-চৰকাৰী অনুষ্ঠানবোৰে এনে কৰ্মী নিয়োগ কৰিব পাৰে। ৰাজ্য আৰু স্বতন্ত্ৰ অনুদান যোগানকাৰী নিকায়বোৰে এনে অনুষ্ঠানক বিত্তৰ যোগান ধৰে। ১৯৭০ৰ দশকৰ পৰা 'সম্প্ৰদায়' বোলা উপসৰ্গটো আৰক্ষী, স্বাস্থ্যকৰ্মী, পৰিকল্পনাকাৰী আৰু স্থপতিবিদৰ দৰে বিভিন্ন বৃত্তিধাৰী বিভাগেও ব্যৱহাৰ কৰিবলৈ লৈছে। এই ক্ষেত্ৰবোৰো সামূহিক উন্নয়নৰ কাৰ্যপন্থাবোৰৰ দ্বাৰা প্ৰভাৱিত হৈছে। কিন্তু বৃত্তিমুখী, কাৰিকৰী, বৃত্তিজীৱী আৰু অন্য উদ্যমিতা বিকাশ পাঠ্যক্ৰমক মানুহৰ ঘৰৰ দুৱাৰদলিলৈকে লৈ যোৱাৰ ইমানবোৰ প্ৰচেষ্টা চলি থকাৰ পাচতো অধিকাংশ হিতাধিকাৰী এই প্ৰচেষ্টাবোৰৰ দ্বাৰা সিমান উপকৃত হোৱা নাই অথবা তেওঁলোকে এই সুবিধাবোৰ ভবা ধৰণে গ্ৰহণ কৰা নাই। এইটো কাৰণতে দূৰৱৰ্ত্তী শিক্ষাৰ এক বিস্তৃত নীতি বিকশাই তোলাটো প্ৰয়োজনীয় হৈ পৰিছে। এই নীতিয়ে ব্যক্তি আৰু সমাজ উভয়ৰে উন্নয়ন সাধনৰ দিশ দুটা সামৰি লোৱা উচিত।



চিন্তা-চৰ্চা কৰক — ৭.১

আপোনাৰ সম্প্ৰদায়ৰ সদস্যসকলক আৰ্থিক দিশেৰে উৎপাদনশীল কৰি তুলিব পৰা আপোনাৰ এলেকাটোৰ বাবে প্ৰাসংগিক কেইটামান শৈক্ষিক পাঠ্যক্ৰম চিনাক্ত কৰক লগতে পাঠ্যক্ৰম আৰ্হি প্ৰস্তুত কৰক।

.....

.....

৭.৫ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে আগবঢ়োৱা সামূহিক উন্নয়ন বিষয়ক পাঠ্যক্ৰমবোৰৰ সমস্যা তথা প্ৰত্যাহ্বান

সামূহিক উন্নয়নৰ বিশ্বজনীন প্ৰয়োজনীয়তাই একবিংশ শতিকাত এক গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ইউনেস্ক'ৰ মতে উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ বিশ্বৰ ১৯৫ খন ৰাষ্ট্ৰৰ অৰ্ধেক অংশই শিক্ষা ক্ষেত্ৰখন তাৎপৰ্যপূৰ্ণভাৱে সম্প্ৰসাৰিত কৰিব লাগিব। আৰ্থ-সামাজিক অসমতা, ৰাজনৈতিক অস্থিৰতা, জনসংখ্যা গাঁথনিৰ পৰিবৰ্তন আৰু এইচ.আই.ভি./এইডচ্‌ৰ দৰে মহামাৰীবোৰে সৃষ্টি কৰা সংকটে শিক্ষকৰ সংখ্যা যথেষ্ট কম কৰি তুলিছে। বহুতো উন্নয়নশীল দেশত শিক্ষকৰ নাটনি হোৱাৰ লগতে শিক্ষকৰ গুণগত উৎকৰ্ষও নিম্নমানৰ হোৱা দেখা যায়। উন্নয়ন প্ৰক্ৰিয়াৰ শিক্ষাই হ'ল মেৰুদণ্ডস্বৰূপ। এই উন্নয়ন প্ৰক্ৰিয়াত মুক্ত শিকন আৰু দূৰৱৰ্ত্তী শিক্ষাৰ কাৰ্যসূচীবোৰে একোটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইখিনিতে এটা কথা জানি

থোৱা ভাল হ'ব যে সাম্প্ৰতিক সময়ৰ শিক্ষকৰ নাটনি আৰু শিক্ষকৰ গুণগত উৎকৰ্ষ সাধনৰ সমস্যাটোৰ উপযুক্ত সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে শিক্ষকৰ শিক্ষা সম্প্ৰসাৰণে ভবা ধৰণে সুফল প্ৰদান নকৰিবও পাৰে।

এই অধ্যায়টিৰ এটা প্ৰাথমিক উদ্দেশ্য হ'ল দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে বৃত্তিজীৱী, বৃত্তিমুখী, কাৰিকৰী আৰু উদ্যমিতা বিকাশৰ পাঠ্যক্ৰমবোৰে কেনেদৰে একোটা সম্প্ৰদায়ক উন্নয়নত সহায় কৰিব পৰা যায় সেয়া আলোচনা কৰা। যদি দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে বৃত্তিজীৱি আৰু কাৰিকৰী দক্ষতাসম্পন্ন মানৱ সম্পদৰ লগতে উদ্যমী তথা বৃত্তিমুখী দক্ষতাসমৃদ্ধ ব্যক্তিৰ সৃষ্টি কৰিব পৰা যায়, তেতিয়াহে সঁচা অৰ্থত সম্প্ৰদায়ৰ উন্নয়ন হ'ব আৰু আটায়ে এটা শিক্ষা ব্যৱস্থাটোৰ প্ৰশংসা কৰিব। ভাৰত হ'ল সকলো অঞ্চলৰে উপযুক্ত সংযোগ তথা আন্তঃগাঁথনিমূলক সা-সুবিধাৰ সামঞ্জস্য নথকা একন বিশাল দেশ। সেয়েহে ইয়াত এটা একৰূপী শৈক্ষিক কৌশল বিকশাই তোলা আৰু সৰ্বত্ৰ প্ৰচলিত কৰাটো অসম্ভৱ। ভাৰতৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সফলতাত অন্তৰায়ৰ সৃষ্টি কৰা কেইটামান গুৰুতৰ সমস্যাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- অকুলন আন্তঃগাঁথনিমূলক সা-সুবিধা
- প্ৰতিকূল জলবায়ুভিত্তিক পৰিস্থিতি
- পাহাৰীয়া অঞ্চল
- সীমান্তত চলা সংঘৰ্ষ আৰু নৃগোষ্ঠীয় উদ্বেগজনক পৰিস্থিতি
- শিক্ষাৰ্থীৰ উৎসাহৰ স্তৰ বৰ্তাই ৰখাৰ সমস্যা
- ডাকসেৱাৰ হেমাহিৰ বাবে অধ্যয়ন সামগ্ৰীবোৰ সময়মতে যোগান ধৰাত হোৱা অসুবিধা
- শিক্ষাৰ্থীয়ে বাছনি কৰিব পৰাকৈ উপলব্ধ পাঠ্যক্ৰম সম্পৰ্কে থকা জ্ঞানৰ অভাৱ
- গাঁওবোৰত প্ৰচলিত বাল্যবিবাহ আৰু কম বয়সতে মাতৃ হোৱাৰ ফলত দেশ দিয়া অসুবিধা
- উপযুক্ত শিকন পৰিৱেশৰ অভাৱ
- জ্ঞানসমৃদ্ধ শিক্ষকৰ নাটনি ইত্যাদি

ওপৰত উল্লেখ কৰা অন্তৰায়বোৰৰ তালিকাখন সম্পূৰ্ণ আৰু আদ্যোপান্ত নহয়। এইবোৰৰ উপৰি আন বহুতো প্ৰত্যাহ্বান আছে। আন্তঃগাঁথনিমূলক সা-সুবিধাৰ সৃষ্টি আৰু গাঁওবোৰৰ সংযোগ ব্যৱস্থাৰ উন্নতি হ'ল এই মুহূৰ্তত মনোনিবেশ কৰিবলগীয়া সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়। দূৰৱৰ্ত্তীত্ব নাইবা বাধা-নিষেধ নিৰ্বিশেষে এই সমস্যা দুটা সমাধান কৰাৰ চেষ্টা চলোৱা উচিত। তেতিয়াহে হয়তো প্ৰকৃত অৰ্থত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই সামূহিক উন্নয়ন সাধন কৰি সম্প্ৰদায়ৰ সদস্যসকল উদ্যমিতা, বৃত্তিমুখী দক্ষতা, বৃত্তিজীৱি ব্যুৎপত্তি আৰু কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ কৰি তুলিব পাৰিব।

সামৰণিত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ এক দৰ্শন আলোচনা কৰোঁ আহক। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ পৰিপূৰক এক বিকল্প ব্যৱস্থা ৰূপে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটোৰ দোষ-ত্ৰুটি আঁতৰাই ল'ব পৰা যায়। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰে শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ আহৰণ কৰাসকলক প্ৰায়েই হেয় জ্ঞান কৰা হয় আৰু নিয়মীয়া তথা পৰম্পৰাগত

শৈক্ষিক অনুষ্ঠানবোৰৰ পৰা ডিগ্ৰী লোৱাসকলতকৈ তলৰ খাপৰ বুলি ভবা হয়। এইটোৱেই হয়তো গাঁও আৰু নগৰ উভয় অঞ্চলতে অসীম সুবিধা থকা সত্বেও মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত শিক্ষার্থীৰ সম্পূৰ্ণ নামভৰ্তিকৰণ নঘটাৰ প্ৰধান কাৰণ। এই মানসিকতা সলনি হ'ব লাগিব। তাৰবাবে শৈক্ষিক সংস্কাৰ আৰু শৈক্ষিক প্ৰশাসনৰ সৈতে জড়িতসকলে মানুহক মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত নামভৰ্তিৰ বাবে উৎসাহিত কৰিব লাগিব। হয়তো ইয়াৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ আগবঢ়োৱাৰ বিশেষ ব্যৱস্থা গঢ়ি তুলিবলগীয়াও হ'ব পাৰে। তথ্য আৰু সংযোগ প্ৰযুক্তি ব্যৱহাৰ কৰি মুক্ত তথা দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটো অধিক আন্তঃক্ৰিয়াশীল কৰি তুলিব পাৰিলে ই একে সময়তে সকলো শিক্ষার্থীৰে কাষ চাপিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ সামূহিক উন্নয়নত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই এটা অধিক ফলপ্ৰসূ ভূমিকা পালন কৰিব পৰাকৈ কেনেদৰে তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT) ব্যৱহাৰ কৰিব পৰা যায়?

প্ৰশ্ন ৪ ঃ ফলপ্ৰসূ সামূহিক উন্নয়ন সাধনত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাক বাধা দিয়া সমস্যাবোৰ বৰ্ণনা কৰক।

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এটা সম্প্ৰদায় হ'ল এনে এক স্থান য'ত মানৱ সমষ্টি এটা একেলগে বাস কৰে অথবা মানৱ সমষ্টিটোৱে স্বীকৃত বিধি-বিধান, প্ৰমূল্য, মনোভাৱ, ধৰ্ম, পৰিচয় আদিৰে সৈতে কিছুমান একৰূপী বৈশিষ্ট্য প্ৰকাশ কৰে।
- কোনো এক নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰা জনসমষ্টি এটাই জীৱনৰ কিছুমান উমৈহতীয়া নীতি অনুসৰণ কৰি একো একোটা সম্প্ৰদায় গঠন কৰে। উমৈহতীয়া স্থানৰ বাসিন্দা নাইবা গোটৰ সদস্যসকলে নিজৰ মাজত পাৰস্পৰিক বুজাবুজি বৰ্তাই ৰাখে।
- সামূহিক উন্নয়নে নিজ নিজ সম্প্ৰদায়ৰ ফলপ্ৰসূ পৰিবৰ্তন সাধন কৰিব পৰাকৈ প্ৰয়োজন হোৱা দক্ষতাৰে ব্যক্তি আৰু দলবোৰক সবল কৰি তুলিব খোজে। এক উমৈহতীয়া কাৰ্যনীতিৰ হকে কাম কৰিব পৰা বৃহৎ সামাজিক দল গঠন কৰি এই দলৰ সদস্যসকলক দক্ষ কৰি তোলা হয়।
- সম্প্ৰদায় বিকাশ কৰোঁতাসকলে ব্যক্তিৰ সৈতে কেনেদৰে কাম কৰা উচিত সেয়া বুজিব লাগে আৰু এক বৃহত্তৰ সামাজিক অনুষ্ঠানৰ পৃষ্ঠভূমিত সম্প্ৰদায়বোৰৰ প্ৰস্থিতিক

কেনেদৰে প্ৰভাৱিত কৰিব লাগে সেই সম্পৰ্কে জ্ঞাত হোৱা উচিত। ১৯৭০ৰ দশকৰ পৰা 'সম্প্ৰদায়' বোলা উপসৰ্গটো আৰক্ষী, স্বাস্থ্যকৰ্মী, পৰিকল্পনাকাৰী আৰু স্থপতিবিদৰ দৰে বিভিন্ন বৃত্তিধাৰী বিভাগেও ব্যৱহাৰ কৰিবলৈ লৈছে। এই বিভাগবোৰে মূলতঃ সা-সুবিধাৰ পৰা সৰ্বাধিক বঞ্চিত মানৰ দল তথা সম্প্ৰদায়বোৰৰ সৈতে কাম কৰে।

- বৰ্তমান সময়ত শিক্ষা ব্যৱস্থা সলনি কৰাৰ পৰিকল্পনা আৰম্ভ কৰিলে ইয়াক অঞ্চল নিৰ্দিষ্ট তথা প্ৰয়োজন সাপেক্ষ কৰি তোলাৰ দিশতো মনোযোগ দিব লাগে। বৰ্তমানৰ কৰ্ম বজাৰত প্ৰয়োজন হোৱা দক্ষতাৰ অভাৱত শিক্ষিত যুৱাচামৰ অধিকাংশই নিবনুৱা হৈ আছে। সেয়েহে, সাধাৰণ নামভৰ্তিকৰণৰ হাৰ বৃদ্ধি কৰাৰ লগতে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই এই দিশটো উন্নত কৰাৰ অৰ্থে কিছুমান গুৰুত্বপূৰ্ণ কাম কৰিব পাৰে। যুৱা সমাজক কৰ্মসংস্থাপন লাভৰ যোগ্য আৰু সফল উদ্যমী কৰি গঢ়ি তুলিবলৈ ই গুণমান বিশিষ্ট দক্ষতা বৃদ্ধিকাৰী শিক্ষা আগবঢ়াব পাৰে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন পদ্ধতি নমনীয় হোৱাৰ বাবে ই যিকোনো স্থানৰে শিক্ষাৰ্থীৰ যিকোনো সময়তে যিকোনো ঠাইতে শৈক্ষিক প্ৰত্যাশা পূৰণৰ চেষ্টা চলাব পাৰে। অৰ্থাৎ, শিক্ষাৰ্থীক ঈপ্সিত জ্ঞান আহৰণৰ সুবিধা দিবলৈ শিক্ষা আৰু সংগঠিতকৰণৰ জৰিয়তে মুক্ত তথা দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই সমগ্ৰ দেশতে যোগসূত্ৰ স্থাপন কৰিব পাৰে।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Tahir Mumtaz et al. *"Community Development through Open Learning and Distance Education"*, Secondary Education Journal, Vol.-I, Issue-I, Pp. 1-14

২) Govt. of India, (1987): *University System and Extension as the third Dimension*- Report of the Review Committee appointed by the UGC, New Delhi

৩) IGNOU (1995): *Certificate in Guidance- Programme Guide*, IGNOU, Delhi



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এডোখৰ নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰা মানৰ সমষ্টি এটাকে একোটা সম্প্ৰদায় বুলি কোৱা হয়। সম্প্ৰদায় এটাই জীৱন নিৰ্বাহৰ উদ্দেশ্যেৰে পৰস্পৰৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰে। 'সম্প্ৰদায়' হ'ল এটা বিশেষ অভিধা। ইয়াৰ দ্বাৰা একেটা অঞ্চলতে বাস কৰা জনসমষ্টিটোৰ সকলোকে সামৰি লোৱা

আৰু জনসমষ্টিটোৰ উন্নয়নৰ বাবে কৰা সকলো প্ৰচেষ্টাৰ কথা বুজোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই এনে কিছুমান শিক্ষাদান পন্থা আগবঢ়ায় যিবোৰে শিক্ষালাভ আৰু প্ৰশিক্ষণ লাভৰ সুবিধাবোৰ সকলোৰে বাবে মুকলি কৰাত মনোনিৱেশ কৰে। ই শিক্ষার্থীক সময় আৰু স্থানৰ দূৰৱৰ্ত্তীত্বই সৃষ্টি কৰা বাধাৰ পৰা মুক্ত কৰি নমনীয় শিকন সুযোগ আগবঢ়ায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT)ৰ ব্যৱহাৰে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোক অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে। বিশ্ববিদ্যালয়বোৰে নিজৰ শৈক্ষিক বিষয়সূচী এই পদ্ধতিৰে ন্যূনতম খৰছত অথবা বিনামূলীয়াকৈ লাখ লাখ শিক্ষার্থীৰ বাবে উপলব্ধ কৰি তুলিব পাৰে। এটা উদাহৰণলৈ মন কৰক। মুক্ত শৈক্ষিক সমল (Open Educational Resources/OERs)বোৰে বিভিন্ন ধৰণৰ উদ্ভাৱনীমূলক পন্থা আগবঢ়ায়। ই দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিকি থকাসকলক শিকনৰ বহুতো নতুন সুযোগ গ্ৰহণত সহায় কৰে। তথ্য আৰু সংযোগ প্ৰযুক্তিৰ সহায়ত চলি থকা দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাবোৰে শিক্ষার্থীৰ বিভিন্ন সীমাবদ্ধতা আৰু বাধা আঁতৰাই তেওঁলোকৰ শিক্ষা প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সম্ভাৱনীয়তা বঢ়াই তুলিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সফলতাত অন্তৰায় হিচাপে কাম কৰা দুটামান গুৰুত্বপূৰ্ণ সমস্যা হ'ল— অকুলন আন্তঃগাঁথনিমূলক সা-সুবিধা, শিক্ষার্থীৰ উৎসাহৰ স্তৰ বৰ্তাই ৰখাৰ সমস্যা, ডাক সেৱাৰ হেমাহিৰ বাবে অধ্যয়ন সামগ্ৰীবোৰ সময়মতে যোগান ধৰাত হোৱা অসুবিধা, শিক্ষার্থীয়ে বাছনি কৰিব পৰাকৈ উপলব্ধ পাঠ্যক্ৰম সম্পৰ্কে থকা জ্ঞানৰ অভাৱ, গাঁওবোৰত প্ৰচলিত বাল্যবিবাহ আৰু কম বয়সতে মাতৃ হোৱাৰ ফলত দেখা দিয়া অসুবিধা, উপযুক্ত শিকন পৰিৱেশৰ অভাৱ, জ্ঞানসমৃদ্ধ শিক্ষকৰ নাটনি ইত্যাদি।



৭.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামূহিক উন্নয়নৰ অৰ্থ কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দূৰৱৰ্ত্তী শিক্ষাই কেনেদৰে সামূহিক উন্নয়নত সহায় কৰিব পাৰে?

প্ৰশ্ন ৩ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিকিব পৰা পাঠ্যক্ৰমবোৰ কি কি হ'ব পাৰে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত সামূহিক উন্নয়নৰ ক্ষেত্ৰত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটো এক ফলপ্ৰসূ মাধ্যম বুলি আপুনি ভাবেনে? আপোনাৰ উত্তৰৰ সপক্ষে কেইটামান উপযুক্ত উদাহৰণ দাঙি ধৰক।

প্ৰশ্ন ২ ঃ সামূহিক উন্নয়নৰ এক পন্থাৰূপে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই মুখামুখি হ'বলগীয়া হোৱা সমস্যা প্ৰত্যাহ্বানবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ দূৰৱৰ্ত্তী শিক্ষা আৰু গ্ৰামীন বিকাশ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গ্ৰামীণ বিকাশৰ ধাৰণা
৮.৪ দূৰৱৰ্ত্তী শিক্ষা আৰু গ্ৰামীন বিকাশ
৮.৫ মহিলা সবলীকৰণ আৰু দূৰৱৰ্ত্তী শিক্ষা
৮.৫.১ দূৰৱৰ্ত্তী শিক্ষাৰ যোগেদি গ্ৰামীন বিকাশ আৰু মহিলা সবলীকৰণৰ বাবে অধ্যয়ন সূচী
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্ৰামীন বিকাশ আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সংজ্ঞা দিব পাৰিব
- গ্ৰামীন বিকাশৰ সৈতে জড়িত অধ্যয়নৰ সূচীৰ বিষয়ে জানিব পাৰিব
- মহিলা সবলীকৰণৰ ধাৰণা দিব পাৰিব।

৮.২ পৰিচয়

আমি জানো যে এখন দেশৰ সামগ্ৰীক বিকাশৰ ক্ষেত্ৰত গ্ৰামীন বিকাশ হৈছে এক অপৰিহাৰ্য্য পৰিমাপক। গ্ৰামীন বিকাশৰ কাৰ্য্যসূচীৰ লক্ষ্য হ'ল গাঁৱৰ লোকসকলৰ মাজৰ পৰা দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা হ্ৰাস কৰা আৰু সামাজিক ভাৱে বৈষম্যমূলক শ্ৰেণী আৰু দলসমূহক সুবিধা প্ৰদান কৰা। ভাৰতবৰ্ষৰ জনসংখ্যাৰ ৭০ শতাংশ লোকে গাঁৱত বাস কৰে, তেওঁলোকৰ প্ৰধান বৃত্তি হৈছে কৃষি। গাঁৱলীয়া অঞ্চল বা দেশ, চহৰ অঞ্চলৰ বিপৰীত মুখী হয় আৰু চহৰ অঞ্চলৰ লোকে লাভ কৰা সা-সুবিধাৰ পৰা বঞ্চিত হয়। গাওঁ অঞ্চলৰ জনবসতি পাতল হয় আৰু বেছিভাগ ঠাই কৃষিৰ বাবে ব্যৱহাৰ কৰে। আমাৰ নিচিনা দেশত চহৰ অঞ্চলৰ জনবসতি ঘন হয় আৰু মানুহবোৰ বিভিন্ন ধৰণৰ বৃত্তিত নিয়োজিত হয়, যিবোৰ কৃষিৰ সৈতে জড়িত নহয়। চহৰ অঞ্চলবোৰ ডাঙৰ নগৰ, মহানগৰ বা অৰ্দ্ধনগৰ হ'ব পাৰে য'ত বিকাশৰ গতি গাঁৱলীয়া অঞ্চলতকৈ খৰতকীয়া হয়। কিন্তু প্ৰকৃত বিকাশ হ'ব তেতিয়া, যেতিয়া গাঁৱলীয়া অঞ্চলবোৰৰ

বিকাশ ঘটিব আৰু গাওঁ আৰু নগৰৰ মাজত প্ৰভেদ নাথাকিব। প্ৰকৃততে গাওঁ আৰু নগৰৰ বিকাশ হৈছে এটা আনটোৰ পৰিপূৰক। গ্ৰামীন বিকাশে জনসাধাৰণৰ অৰ্থনৈতিক বিকাশ আৰু সামাজিক পৰিবৰ্তনক বুজায়। গ্ৰামীন অঞ্চলৰ লোকৰ অৰ্থনৈতিক বিকাশৰ সুবিধা প্ৰদান, এনে অঞ্চলৰ বিকাশৰ কাৰ্য্যসূচীত অংশ গ্ৰহণৰ সুযোগ বৃদ্ধি, পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ, ভূমি সংস্কাৰৰ বলবৎ কৰা আদিবোৰ প্ৰয়োজনীয়। বিকাশৰ ক্ষেত্ৰত প্ৰধানকৈ কৃষিভিত্তিক উদ্যোগসমূহ, যোগাযোগ, শিক্ষা, স্বাস্থ্য আৰু আনুসংগিক দিশবোৰত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে কিন্তু এইক্ষেত্ৰত বৰ্তমান অনুভৱ কৰা হৈছে যে যদিহে তৃণমূল পৰ্য্যায়ৰ পৰা শিক্ষাৰ বিকাশ কৰা হয় তেতিয়াহে আন আন দিশবোৰৰ বিকাশ সম্ভৱ হৈ উঠিব। গ্ৰামীন বিকাশৰ সৈতে মহিলা সবলীকৰণো জড়িত হৈ আছে। আপোনালোকে জনা উচিত যে মুঠ জনসংখ্যাৰ ক্ষেত্ৰত মহিলাৰ হৈছে ৪৮.৪৬ শতাংশ আৰু ৭০ শতাংশ মহিলা গাওঁ অঞ্চলত বাস কৰে (লোকপিয়ল, ২০১১)। এইটো সত্য যে মহিলাৰ স্বাক্ষৰতাৰ হাৰ নিম্ন আৰু তেওঁলোকৰ বেছি ভাগেই মজুৰি বিহীন কামত জড়িত। এনেবোৰ সমস্যাক শিক্ষাৰ জৰিয়তে সমাধানলৈ আনিব পাৰি। ব্যক্তি আৰু সমাজৰ বিকাশ আৰু সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মহিলাসকলক শিক্ষা দিয়া মানে সমাজখন শিক্ষিত কৰি তোলা।

গাওঁ অঞ্চলৰ সকলো লোককে শিক্ষিত কৰি তোলাতো পৰিকল্পনাকাৰী সকলৰ বাবে এক কঠিন প্ৰত্যাহ্বান স্বৰূপ। শিক্ষা ব্যৱস্থাক ঢুকি নোপোৱা সকলক সুবিধা প্ৰদান কৰাতো গুৰুত্বপূৰ্ণ আৰু এইটো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ জৰিয়তেহে সম্ভৱপৰ। এই অধ্যায়টিৰ জৰিয়তে আমি আপোনালোকক গ্ৰামীন বিকাশৰ ধাৰণা আৰু মহিলা সবলীকৰণৰ তথা কেনেদৰে দুৰৱৰ্ত্তী শিক্ষাই উপযুক্তভাৱে দৰকাৰী জ্ঞান প্ৰদান কৰে আৰু গ্ৰাম্যাঞ্চলৰ মহিলাসকলক বিদ্যায়তনিক পাঠ্যক্ৰমৰ জৰিয়তে প্ৰকৃতাৰ্থত সবলীকৰণ কৰি তুলি বিকাশৰ প্ৰক্ৰিয়াত ফলপ্ৰসু ভাৱে অংশ গ্ৰহণৰ কি দৰে সুবিধা প্ৰদান কৰিব তাক জানিব পাৰিব।

৮.৩ গ্ৰামীন বিকাশৰ ধাৰণা

গ্ৰাম্য বিকাশে সাধাৰণতে কিছুমান কৰ্ম আৰু অগ্ৰগতিত কাৰ্য্যাৱলীক বুজায় যিবোৰৰ দ্বাৰা গ্ৰাম্য অঞ্চলৰ আশপাশ, গ্ৰাম্যাঞ্চল আৰু পিছপৰা গাওঁবোৰৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা হয়। ইয়াত কৃষিভিত্তিক কাৰ্য্যাৱলী সমূহেই গুৰুত্বপূৰ্ণ স্থান পায় আৰু অৰ্থনৈতিক কাৰ্য্যাৱলীসমূহ প্ৰাথমিক ভাৱে খাদ্য আৰু কেচাঁ সামগ্ৰী উৎপাদনৰ সৈতে জড়িত থাকে।

গাঁৱলীয়া অঞ্চলবোৰ সাধাৰণতে সৰু, অৰ্ন্তমুখী আৰু শান্তিপূৰ্ণ অঞ্চল। ইয়াৰ বাসিন্দা সকলৰ মাজত তেজৰ সম্পৰ্ক আছে আৰু তেওঁলোক পৰস্পৰে পৰস্পৰৰ ওপৰত কৃষি বৃত্তিৰ ক্ষেত্ৰত নিৰ্ভৰশীল নগৰ আৰু গাওঁ অঞ্চলৰ মাজত থকা চাৰিত্ৰিক বৈশিষ্টবোৰে অন্তৰ্ভুক্ত কৰা। দিশবোৰ হৈছে আকাৰ, বিশেষকৈ মানুহে বাস কৰা অঞ্চল, জনবসতি সেৰেঙা, সম সত্বতা, সামাজিক শ্ৰেণীৰ ক্ষুদ্ৰ উপস্থিতি, জীৱনধাৰণৰ মানদণ্ড নিম্নস্তৰৰ, তাকৰীয়া নিম্ন স্তৰৰ উপভোগ্য

সামগ্ৰী যেনে- বিজুলী সৰবৰাহ, পাইপৰ পানী, নিম্ন সামাজিক গতিশীলতা, ভূমি সংক্ৰান্ত কাৰ্য্য ইত্যাদি। নগৰৰ লোকসকলে ভোগ কৰা খাদ্যসামগ্ৰীবোৰ গাওঁতে উৎপন্ন হয়।

তাৰোপৰি ইয়াৰ যুৱকসকলৰ মাজত পথচ্যুত হোৱাৰো সমস্যা আছে। সমৰ্থৱান সকলে নগৰৰ সম্পদ আৰু আধুনিক জীৱনৰ পৰা উপকৃত হ'বলৈ নগৰলৈ যায়। গাওঁতে বাস কৰা লোকৰ আন বৈশিষ্ট্য হৈছে নিম্ন মূলধন বিনিয়োগ, নিম্ন মজুতকৰণ আৰু নিম্ন উৎপাদন। পুৰুষতকৈ মহিলা সকলৰ মাজত দৈন্যতাও বেছি। মহিলাসকলে দুটা দায়িত্বপূৰ্ণ দিশতে সংগ্ৰাম কৰিবলগীয়া হয়- অৰ্থনৈতিক উৎপাদন আৰু ঘৰুৱা কাম-কাজ! তেওঁলোকৰ বেছি ভাগেই দৈন্যতা, অস্বাক্ষৰতা, স্বাস্থ্যহীনতা আৰু উৎপাদনহীন। তেওঁলোক বজাৰ/ ঋণ গ্ৰহণৰ সুবিধা ইত্যাদিৰ পৰাও বঞ্চিত।

গ্ৰাম্য বিকাশৰ কাৰ্য্যসমূহৰ লক্ষ্য হৈছে অঞ্চলটোৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশ সাধন কৰা। এনে কাৰ্য্যবোৰ সাধাৰণতে স্থানীয় আৰু আঞ্চলিক কৰ্তৃপক্ষ আৰু বেচৰকাৰী সংস্থা, ৰাষ্ট্ৰীয় চৰকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশৰ সংস্থাবোৰৰ পৰা আৰম্ভ হয়। প্ৰকৃততে আমি দেখিবলৈ পাওঁ যে বেছিভাগ বিকাশশীল দেশ গাওঁ অঞ্চলৰ বিকাশৰ কাৰ্য্যসূচীত যথেষ্ট আগবঢ়া। গাঁৱলীয়া অঞ্চলত চৰকাৰৰ নীতিৰ প্ৰধান লক্ষ্য হৈছে অনুন্নত গাওঁবোৰক উন্নত কৰি তোলা।

ভাৰতৰ প্ৰায় ৭০ শতাংশ ৰাজ্যৰ জনবসতি হৈছে গাওঁৰ অঞ্চলত। মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে "ভাৰতবৰ্ষ ইয়াৰ গাঁৱতেই বাস কৰে" আৰু এইটো বৰ্তমানেও সত্য। গাওঁবোৰক আৰু পিছপৰা অঞ্চলবোৰক অস্বীকাৰ কৰিলে উন্নতি আৰু বিকাশৰ পথত খুত বৈ যাব। প্ৰকৃততে গাঁৱলীয়া অঞ্চলত বাস কৰা লোক সকলে নগৰ আৰু অৰ্ধনগৰ অঞ্চলৰ লোকৰ দৰেই গুণগত জীৱনৰ মানদণ্ড উপভোগ কৰে। তাৰোপৰি গ্ৰাম্য অঞ্চলত একেৰাহে কিছুমান সমস্যা, যেনে, দাৰিদ্ৰতা, নিয়োগহীন অৱস্থা, বেয়া আৰু অনুপযুক্ত আন্তঃগাঠনি, নগৰৰ কেন্দ্ৰীয় অঞ্চলত বস্তি অঞ্চল আৰু সামাজিক, অৰ্থনৈতিক উদ্দীগ্নতা আদিয়ে নগৰীয়া জনসংখ্যাৰ মাজত দাৰিদ্ৰতা আৰু বেছি ভাগ লোককে অৰ্থনৈতিক ভাৱে বঞ্চিত কৰি তোলে। এই ক্ষেত্ৰত দেখা যায় যে, গাওঁ অঞ্চলৰ বিকাশ গাঁৱৰ লোকৰ বাবে জৰুৰী যাক পৰ্য্যাপ্ত পৰিমানে আৰু গুণগত সমাজ সেৱা আৰু সাধাৰণ মৌলিক প্ৰয়োজনৰ দ্বাৰা প্ৰদান কৰা হয়। বৰ্তমান পৰিস্থিতিত গ্ৰাম্য বিকাশে প্ৰধানকৈ দৈন্যতা প্ৰশমিত কৰা, জীৱন ধাৰণৰ উপযুক্ত সা-সুবিধা, মৌলিক উপভোগ্য সামগ্ৰী আৰু সা- সৱঞ্জামৰ সুবিধা আদিক বুজায়, য'ত নতুন কাৰ্য্যক্ৰমৰ দ্বাৰা মজুৰি প্ৰদান আৰু আত্মনিয়োগ আৰু বৃত্তিমুখী শিক্ষা দিয়া হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৩০ টা শব্দৰ ভিতৰত গ্ৰামীন বিকাশৰ বিষয়ে ব্যাখ্যা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ কিদৰে গ্ৰাম্যাঞ্চল চিনাক্ত কৰিব পাৰি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ গ্ৰামীন বিকাশৰ কাৰ্য্যৰ লক্ষ্য কি?

.....

.....

.....

৮.৪ দুৰৱৰ্ত্তী শিক্ষা আৰু গ্ৰামীন বিকাশ

দূৰৱৰ্ত্তী শিক্ষা বা শিক্ষণে শিকোৱা আৰু শিকাক বুজায় য'ত শিক্ষাৰ্থীসকল নিৰ্দেশকৰ পৰা শাৰীৰিক ভাৱে পৃথক হৈ থাকে, কিন্তু তথাপিও সদায় যোগাযোগ থাকে। কেতিয়াবা কোনো কাৰ্য্যৰ বাবে শিক্ষাৰ্থী আৰু নিৰ্দেশকৰ মাজত সাক্ষাৎ হয়! কিন্তু মুখামুখি যোগাযোগ সদায়েই সীমাবদ্ধ আৰু কেতিয়া বা হয়তো সাক্ষাৎ নহবও পাৰে। আপোনালোকক ক'ব বিচাৰো যে দূৰৱৰ্ত্তী শিক্ষা বৰ্তমান নিৰ্বাচিত বিষয় হৈ থকা নাই, ই সময়ৰ এক বাধ্যতামূলক আহ্বান স্বৰূপ।

দূৰৱৰ্ত্তী শিক্ষাৰ সেইসকলৰ বাবে আৰ্শীবাদ স্বৰূপ হৈ পৰিছে যিয়ে শিক্ষিত আৰু জ্ঞানাৰ্জন কৰিবলৈ ইচ্ছা কৰে কিন্তু নিয়মীয়া পদ্ধতিৰে কলেজীয়া শিক্ষা অৰ্থনৈতিক বা আন কোনো কাৰণত লাভ কৰিবলৈ সমৰ্থ ন'হল। সেইবাবে গ্ৰামীন বিকাশৰ ক্ষেত্ৰত দূৰৱৰ্ত্তী শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু বৰ্তমান এছিয়াৰ উন্নয়নশীল দেশ সমূহে ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লৈছে, যাৰ দ্বাৰা দাৰিদ্ৰৰ হাৰ শিক্ষাৰ দ্বাৰা কমাবৰ বাবে প্ৰয়াস কৰা হৈছে। এই পদ্ধতিৰ যোগেদি নিম্ন আয়ৰ লোকসকল, যাৰ আনুষ্ঠানিক বিশ্ববিদ্যালয়ত শিক্ষা লাভৰ সামৰ্থ নাই, তেওঁলোকেও জ্ঞান আয়ত্ব আৰু ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত স্বাক্ষৰতাৰ হাৰ বৃদ্ধিৰ লগতে, অদূৰৱৰ্ত্তী ভৱিষ্যত দাৰিদ্ৰতা আৰু ইয়াৰ আনুসংগিক সমস্যাবোৰ সমাধান কৰিবলৈ সক্ষম হ'ব।

আপোনালোকে জানে যে বহু সংখ্যক নগৰ থকা স্বত্বেও ভাৰতবৰ্ষ বৰ্তমানেও গাঁৱলীয়া সমাজৰ দ্বাৰা অধিকৃত হৈ আছে য'ত ৭০ শতাংশ লোকেই গাঁৱত বাস কৰে। গ্ৰামীন বিকাশে জনসাধাৰণ আৰু পিছপৰা অঞ্চলৰ ব্যাপক আৰু অবিৰত বিকাশক বুজায়। ই কিছুমান আন্তঃসংযোগী বিষয় বস্তুৰ ওপৰত নিৰ্ভৰশীল, যেনে, উপযুক্ত উৎপাদনশীল প্ৰযুক্তিৰ বিকাশ,

কৃষক সকলৰ ওচৰলৈ প্ৰযুক্তিক চপাই নিয়া, উদ্যানবোৰৰ বিকাশৰ বাবে উপযুক্ত নীতি গ্ৰহণ, আৰু গ্ৰাম্য অনা উদ্যান অৰ্থনীতি সংৰক্ষণ, আৰু প্ৰাকৃতিক সম্পদৰ ব্যাপক প্ৰয়োগ, সা-সৰঞ্জামৰ সুবিধা আৰু সমাজ সেৱা। সেইবাবে গ্ৰাম্যঞ্চল বিকাশপ্ৰাপ্ত হ'বলৈ আৰু এই দিশত বিশ্বায়নৰ প্ৰতি প্ৰত্যাহ্বান জনাবলৈ কিছুমান প্ৰশিক্ষণ প্ৰাপ্ত বৃত্তিধাৰী লোকৰ প্ৰয়োজন, যিসকল সংশ্লিষ্ট দিশত পাৰ্গত। তেওঁলোকে চৰকাৰী প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা আৰু ব্যক্তিগত খণ্ডত কাম কৰিব লাগিব। এনে বৃত্তিধাৰী লোকসকলে উপযুক্ত নীতি আৰু পৰিকল্পনা নিৰ্ধাৰণ, কৃষক আৰু ক্ষুদ্ৰ উদ্যোগী সকলক উপযুক্ত তথ্য আৰু প্ৰযুক্তি যোগান ধৰিব লাগে আৰু বাণিজ্য পৰিচালনা আৰু পৰ্য্যাপ্ত পৰিমানে গ্ৰাম্য অঞ্চলৰ যোগান সেৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও আপোনালোকে দেখিব যে বেছিভাগ ভাৰতীয়ই হৈছে গাওঁৰ অশিক্ষিত কৃষিজীৱি দুৰ্বল শ্ৰেণীৰ লোক আৰু বেছিভাগ ভাৰতীয় জনজাতি নিৰক্ষৰ আৰু অৰণ্যত সহৱস্থান কৰি চলে। সেইবাবে বৰ্তমান সময়ৰ প্ৰয়োজন হৈছে এই দুৰ্বল শ্ৰেণী আৰু জনজাতিৰ লোকসকলৰ বৃত্তিক আধুনিকীকৰণ আৰু এইটো সম্ভৱ হ'ব মাত্ৰ শিক্ষাৰ দ্বাৰা তথা বিশেষভাৱে বৃত্তিমুখী শিক্ষাৰ জৰিয়তে। ভাৰতবৰ্ষত বহুকেইখন সু-প্ৰতিস্থিত মুক্ত বিশ্ববিদ্যালয় আছে, যিবোৰে এনেবোৰ দিশ কাৰ্য্যকৰী কৰিব পাৰে। বেছিভাগ বিশ্ববিদ্যালয়ে গ্ৰাম্য আৰু কৃষি বিকাশৰ ক্ষেত্ৰত বৃত্তিমুখী শিক্ষাৰ কাৰ্য্যক্ৰম আৰম্ভ কৰিছে। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে গ্ৰাম্য বিকাশৰ ক্ষেত্ৰত বিভিন্ন কাৰ্য্যসূচীৰ আৰম্ভনি কৰিছে। IGNOUৰ উপৰিও, আন মুক্ত বিশ্ববিদ্যালয়সমূহে গ্ৰাম্য বিকাশৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ কাৰ্য্যসূচীৰ প্ৰচলন কৰিছে। এই ক্ষেত্ৰত YCMOU (যচবন্ত চাৱন মহাৰাষ্ট্ৰ মুক্ত বিশ্ববিদ্যালয়) য়ে মহাৰাষ্ট্ৰৰ জনজাতি সকলৰ উপযুক্ত বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। দুৰত্ব ধাৰাৰ জৰিয়তে কিছুমান কাৰ্য্যক্ৰম যেনে, ঘৰত পানীৰ নলী আদি লগোৱা, কুন্দশাল চলোৱা আদিবোৰৰ প্ৰচলন কৰা হৈছে। ই ৰাজ্যখনত কৃষক সকলৰ বাবে দহবিধ শস্যখেতি কাৰ্য্যসূচীও সফলভাৱে আৰম্ভনি কৰিছিল। এনেবোৰ মুক্ত বিশ্ববিদ্যালয় সমূহে গাওঁ আৰু পিছপৰা বঞ্চিত লোকসকললৈ আৰু সুবিধা নোপোৱা ঠাইলৈ যেনে মহিলা, অনুসূচীত জাতি, জনজাতিৰ লোকসকললৈ গুণগত উচ্চ শিক্ষা আগবঢ়োৱাৰ লক্ষ্য হাতত লৈছিল আৰু এইবোৰৰ উপৰিও কিছুমান উপযুক্ত উদ্ভাৱনমূলক কাৰ্য্যসূচীও প্ৰচলন কৰিছিল। বিশ্ববিদ্যালয় খনে আৰম্ভনি কৰা "প্ৰয়োগ পৰিবাৰ" (Prayug Parivar) ধাৰণাটো বহু আগৰে পৰা প্ৰচলিত হৈ থকা এক সফল পদক্ষেপ। এই ধাৰণাটোৱে কৃষক সকলক তেওঁলোকৰ সামঞ্জস্য থকা সমস্যাবোৰৰ সমাধান কৰিবলৈ, গৱেষণা আৰু জ্ঞানাৰ্জন বা স্থানীয় ভাৱে ব্যৱহাৰিক দিশত তেওঁলোকে লাভ কৰা অভিজ্ঞতাক সংৰক্ষণ কৰাৰ বাবে এখন সাধাৰণ মঞ্চ দিছিল। IGNOU য়ে গ্ৰামীন বিকাশৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ ক্ষেত্ৰত এখন স্মাৰক পত্ৰত চুক্তি কৰিছিল, যাতে ভৱিষ্যতে আৰু অধিক গ্ৰাম্য বিকাশৰ সম্ভৱ হয়। এনেদৰে মুক্ত আৰু দুৰত্ব শিক্ষাৰ গ্ৰামীন বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ বহুতো উদাহৰণ আমি পাব পাৰো।

শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত দুৰত্ব শিক্ষাৰ কাৰ্য্যসূচীবোৰ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বিশেষকৈ গাওঁৰ স্কুলবোৰ, যিবোৰ পৰম্পৰাগত ভাৱে উন্নত নহয় আৰু নগৰৰ দৰে সুবিধাজনক ঠাইত

অৱস্থিত নহয়, তেনেবোৰেও দূৰৱৰ্ত্তীশিক্ষণ প্ৰযুক্তিক বিদ্যাৰ সু-ফল উপভোগ কৰিবলৈ সক্ষম হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ দূৰৱৰ্ত্তী শিক্ষাৰ বিষয়ে বৰ্ণনা কৰক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ শিক্ষাৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ লোকৰ সবলীক�ৰণৰ দুটা পদক্ষেপ উল্লেখ কৰক।

.....

.....

.....

.....

.....

৮.৫ মহিলা সবলীকৰণ আৰু দূৰৱৰ্ত্তী শিক্ষা

সবলীকৰণ মানে হৈছে দেশৰ নাগৰিক সকলৰ জীৱনৰ প্ৰতিটো পদক্ষেপতে পৰিবৰ্তন অনা। অক্সফোৰ্ড ডিক্সনাৰীৰ মতে- Empower মানে হৈছে কৰ্তৃত্ব প্ৰদান, অনুজ্ঞা প্ৰদান (ব্যক্তিক কৰিবলৈ দিয়া), ক্ষমতা প্ৰদান কৰা, সমৰ্থবান কৰি তোলা ইত্যাদি। সবলীকৰণে নিপিড়ীত এজন মানুহক বা ব্যক্তিক তেওঁলোকৰ সপোন আৰু সামৰ্থ্যক বাস্তৱায়িত কৰাত সহায় কৰে আৰু নিজে বাস কৰা সমাজখনৰ ব্যক্তি বা আন কোনো দলৰ পৰা পোৱা প্ৰতিবন্ধকতাবোৰ আঁতৰ কৰি সবল কৰি তোলে। Okeke (1995) মত প্ৰকাশ কৰিছিল যে- সবলীকৰণ কৰা মানে হৈছে ক্ষমতা প্ৰদান, কৰ্তৃত্ব প্ৰদান, এজন ব্যক্তি বা দলক ক্ষমতা প্ৰদান"। "মহিলা সবলীকৰণ"ৰ অৰ্থটো বিভিন্ন আদৰ্শগত বা পূৰ্বনিৰ্ধাৰিত ধাৰণাৰ বাবে বহুজনৰ বাবে পৃথক পৃথক। মহিলা সবলিকৰণৰ লক্ষ্য হৈছে লিংগৰ মাজত সমতা ৰক্ষা কৰা যাতে সমাজত উপযুক্ত ভাৱে ক্ষমতাৰ সমবিতৰণ ঘটে।

ভাৰতীয় সংবিধানখন হৈছে এক বিকাশমূলক সংবিধান, কাৰণ ইয়াৰ প্ৰস্তাৱনাত সামাজিক নীতি, অৰ্থনৈতিক, ৰাজনৈতিক ন্যায়ৰ বিষয়ে উল্লেখ কৰা হৈছে। ভাৰতীয় সংবিধানে মহিলাসকলৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ অধিকাৰ সুনিশ্চিত কৰিছে। সাংবিধানিক ব্যৱস্থাবোৰে মহিলাসকলক লিংগভেদ নৰখাকৈ সম অধিকাৰ দিব বুলি উল্লেখ কৰিছে। সংবিধানৰ ১৪ নং

অনুচ্ছেদত কোৱা হৈছে যে আইনৰ আগত সকলো সমান আৰু আইনে সকলোকে সমান সুৰক্ষা দিব। ১৫ (১) নং অনুচ্ছেদত কোৱা হৈছে যে জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু জন্ম স্থানৰ ক্ষেত্ৰত কোনো ধৰণৰ বিভেদকৰণ নাথাকিব। ১৫ (৩) নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে মহিলা আৰু শিশুৰ ক্ষেত্ৰত ৰাজ্যই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

১৬ নং অনুচ্ছেদত নিয়োগকৰণৰ ক্ষেত্ৰত সকলো নাগৰিকে সমান সুবিধা পাব বুলি সুনিশ্চিত কৰা হৈছে। ৩৯ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাজ্যই সমান কামৰ বাবে পুৰুষ বা মহিলাৰ ভেদভাব নাৰাখি সমান মজুৰি দিব লাগিব। ৫১ নং অনুচ্ছেদক মহিলাসকলৰ মৰ্য্যদাক হানি কৰাৰ কাৰ্য্যকলাপৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। যদিও ভাৰতীয় সংবিধানে মহিলাসকলক বহুতো সাংবিধানৰ সুবিধা প্ৰদান কৰিছে তথাপিতো প্ৰকৃততে এতিয়াও মহিলাসকল দুৰ্বল আৰু অৱহেলিত হিচাপে চিহ্নিত হৈ আছে। মহিলাসকল তেওঁলোকৰ বিপৰীত পক্ষ পুৰুষৰ সমান নহয় আৰু বিভিন্ন ক্ষেত্ৰত বঞ্চিত আৰু বিমুখ হয়। সামুহিকভাৱে মহিলাসকলে সংস্থাপন, খাদ্য সামাজিক সুৰক্ষা আৰু শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। নগৰত বাস কৰা মহিলাসকলে যথেষ্ট পৰিমাণে সা-সুবিধা পোৱাৰ বাবে মূলসুতিৰ গতিৰ সৈতে নিজকে কিছুদূৰৱৰ্ত্তী পৰিচালিত কৰিব পাৰিলেওঁ গ্ৰাম্যঞ্চলৰ মহিলাসকল কিন্তু এতিয়াও শিক্ষা আৰু অন্যান্য দিশত পিছ পৰি থকা দেখা যায়। বিদ্যালয়ত নিম্নহাৰৰ নাম ভৰ্তিকৰণ আৰু বিদ্যালয়লৈ যোৱা ছোৱালীৰ অপচয়ৰ উচ্চহাৰে মহিলাসকলৰ স্বাক্ষৰতাৰ হাৰ নিম্নমুখী কৰি তুলিছে। গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ জীৱন ধাৰণৰ মানদণ্ড নিম্ন পৰ্য্যায়ৰ। বিভিন্ন অসুবিধাবোৰ যেনে গ্ৰাম্যঞ্চলত মহিলাৰ অসমান স্থান, ঘৰুৱা কাম কাজত আৱদ্ধ জীৱন, বাল্য-বিবাহ, ছোৱালী শিশুৰ প্ৰতি অভিভাৱকৰ অৱহেলা আদিবোৰ হৈছে গ্ৰাম্যাঞ্চলৰ মহিলাসকলৰ স্বাক্ষৰতাৰ পথৰ বাধা। আমি জানো যে আমাৰ মুঠ জনসংখ্যাৰ ৪৮.৪৬ শতাংশ হৈছে মহিলা আৰু মুঠ মহিলা জনসংখ্যাৰ ৭০ শতাংশই গাওঁত বাস কৰে। এইটো জনা গৈছে যে মহিলাসকল বেছিভাগেই অসংগঠিত ক্ষেত্ৰত, মজুৰিবিহীন কাৰ্য্যত জড়িত আৰু তেওঁলোকৰ স্বাক্ষৰতাৰ হাৰ নিম্ন।

ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে এবাৰ কৈছিল "জনসাধাৰণক জগাই তুলিবলৈ, মহিলাসকলক জগাব লাগিব, এবাৰ মহিলাসকলক উন্নত কৰিব পাৰিলে পৰিয়াল উন্নত হ'ব, গাওঁ উন্নত হ'ব আৰু দেশ উন্নত হ'ব।" (Pillai 1995, পৃ ৬২ পৰা লোৱা হৈছে)

মহিলাৰ শিক্ষা ঃ

ছোৱালীৰ বাবে শিক্ষাৰ প্ৰয়োজন কেৱল সামাজিক ন্যায়ৰ বাবে নহয়, ইয়াৰ দ্বাৰা সামাজিক পৰিবৰ্তনো ত্বৰান্বিত হয়। জৱাহৰলাল নেহৰুৰ মতে- মহিলাক শিক্ষা প্ৰদান কৰা মানে গোটেই পৰিয়ালটোক শিক্ষিত কৰি তোলা। কাৰণ এগৰাকী মহিলাই পৰিয়াল এটাৰ সমস্ত দায়িত্ব বহন কৰিবলগীয়া হয়, এগৰাকী শিক্ষিত মহিলাই তেওঁৰ শিশুৰ শিক্ষা, স্বাস্থ্য, পুষ্টিকাৰকতা ইত্যাদিবোৰৰ ক্ষেত্ৰত অধিক উপযুক্ত ভাৱে দায়িত্ব ল'ব পাৰে, সমাজ আৰু দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত সক্ষমতাৰে অৰিহনা যোগাব পাৰে। আপোনালোকে জানে যে অৰ্থনৈতিক সফলতা শিক্ষাৰ সফলতাৰ ওপৰত নিৰ্ভৰশৰীল। শিক্ষাৰ ক্ষেত্ৰত স্বাক্ষৰতা হৈছে

এক মৌলিক দিশ। শিক্ষিতা মহিলাৰ অবিহনে কোনো সমাজেই কেতিয়াও অর্থনৈতিক, ৰাজনৈতিক বা সামাজিক ভাৱে সবল হ'ব পৰা নাই। মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ এক প্ৰধান ভূমিকা আছে, কাৰণ শিক্ষাই মহিলাসকলক তেওঁলোকৰ অধিকাৰ, সমৰ্থ, পচন্দ আৰু সুবিধা ইত্যাদিৰ প্ৰতি সজাগ কৰি তোলে। সেয়েহে ছোৱালীৰ শিক্ষা এক জাতীয় লক্ষ্যত পৰিণত হৈছে। ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰক শিক্ষাক এক গুৰুত্বপূৰ্ণ আহিলা হিচাবে নেহৰুৰ সময়তে ভবা হৈছিল। ১৯৪৮ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ ড° এচ. ৰাধাকৃষ্ণনৰ অধ্যক্ষতাত গঢ়ি তোলা হৈছিল। এই আয়োগ খনক ৰাধাকৃষ্ণন আয়োগ বুলি জনা যায় আৰু এই আয়োগখন মহিলা শিক্ষাৰ এক সম্পূৰ্ণ অধ্যায় সহ ইয়াৰ প্ৰতিবেদন ১৯৪৯ চনত দাখিল কৰিছিল। ইয়াত উল্লেখ কৰা হৈছিল যে শিক্ষিতা মহিলা অবিহনে কোনেও শিক্ষিত হ'ব নোৱাৰে। প্ৰথম পঞ্চবাষিক পৰিকল্পনাত মহিলা পুৰুষৰ শিক্ষাতকৈ পৃথক হিচাবে বিবেচনা কৰা হোৱা নাছিল। কিন্তু ১৯৫২-৫৩ চনৰ মুদালিয়াৰ আয়োগে লিংগ পার্থক্যৰ ওপৰত গুৰুত্ব দিছিল।

১৯৫৬ চনৰ ৰাষ্ট্ৰীয় মহিলা কমিটিয়ে উচ্চ শিক্ষাৰ পৰা স্কুলীয়া শিক্ষাৰ পর্য্যায়লৈকে প্ৰাধান্য দিছিল। এই কমিটিৰ প্ৰতিবেদন মর্মে মহিলা শিক্ষাৰ পৰিষদ গঠিত হৈছিল। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে নিৰীক্ষণ কৰিছিল যে "বর্তমান আধুনীক পৃথিৱীত, ঘৰুৱা কাম কাজ আৰু ল'ৰা ছোৱালীক চোৱাচিতাৰ উপৰিও মহিলা সকলৰ অন্যক্ষেত্ৰতো যথেষ্ট কৰণীয় আছে। তাই এতিয়া নিজ ব্যক্তিত্বক গঢ় দি তুলিব পাৰে আৰু সমাজৰ সকলো দিশতে উন্নতিৰ ক্ষেত্ৰত পুৰুষৰ সমানেই দায়িত্ব গ্ৰহণ কৰিব পাৰে।" ভাৰতবর্ষৰ শিক্ষা আৰু সমাজ সেৱাৰ মন্ত্ৰী দপ্তৰৰ সন্মতি সাপেক্ষে ১৯৭১ চনত মহিলাৰ স্থান সম্পর্কে এখন কমিটি গঠন কৰিছিল। এই কমিটিৰ প্ৰতিবেদনখনে ভাৰতৰ মহিলা আৰু পুৰুষৰ মাজত থকা বৈষমতাৰ ক্ষেত্ৰত চকু মুকলি কৰা বুলি কোৱা হৈছে। এনে সকলোবোৰ ক্ষেত্ৰত চৰকাৰী প্ৰচেষ্টাৰ শীর্ষবিন্দুত আছিল ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি। এই নীতিত কোৱা হৈছিল যে মহিলাৰ স্থানৰ মৌলিক পৰিবর্তনৰ ক্ষেত্ৰত শিক্ষাক এক প্ৰধান আহিলা হিচাবে ধৰা হয়। জাতীয় শিক্ষাৰ ব্যৱস্থাই মহিলা সবলীকৰণৰ ক্ষেত্ৰত এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিব। বিভিন্ন পাঠ্যক্ৰমৰ অংশ হিচাবে মহিলা অধ্যয়নক স্থান দিয়া হ'ব আৰু শৈক্ষিক প্ৰতিস্থানবোৰক মহিলা বিকাশৰ ক্ষেত্ৰত অধিক কার্য্যসূচী গ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱা হ'ব। বিভিন্ন স্তৰত বিশেষকৈ বৃত্তিমুখী আৰু ব্যৱসায়িক শিক্ষাত মহিলাসকলৰ অংশ গ্ৰহণৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব। ১৯৯২ চনৰ কর্ম আঁচনিয়ে মহিলা সবলীকৰণৰ দিশত এক দিক্ নির্ণয় কৰে। কিন্তু মহিলা সবলীকৰণৰ বাবে ২০০১ চনৰ ৰাষ্ট্ৰীয় নীতিয়ে মহিলা সবলীকৰণৰ সকলো ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। সবলীকৰণৰ ক্ষেত্ৰত প্ৰধান অর্ন্তভুক্ত দিশবোৰৰ ভিতৰত এই নীতিয়ে মহিলাৰ স্বাস্থ্য সুৰক্ষা, সকলো স্তৰত গুণগত শিক্ষা প্ৰদান, বৃত্তিমুখী নির্দেশনা, সংস্থাপন ইত্যাদিত প্ৰাধান্য দিছিল।

ইতিমধ্যে বহুতো সংবিধানিক ঘোষণা চৰকাৰী নীতি লগতে বহুতো আয়োগ মহিলাসবলীকৰণৰ বাবে গঠন কৰা হৈছে, যিবোৰৰ মুখ্য উদ্দেশ্য হ'ল মহিলাৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি আৰু উদ্যোগিক মানসিকতা গঠন কৰা, য'ত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাক এক উপযুক্ত বিকল্প

হিচাপে চিহ্নিত কৰিব পৰা যায়।

উদাহৰণ স্বৰূপে, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে মহিলাসকলৰ জীৱন যাপনৰ মানদণ্ড উন্নত কৰি বৈষয়িক সম্পদসমূহৰ ওপৰত অধিকাৰ সাবস্ত্য কৰিব পৰাকৈ বিভিন্ন আঁচনি হাতত লৈছে যিয়ে মহিলা সবলীকৰণৰ প্ৰক্ৰিয়াত সহায় হ'ব। শিক্ষা- বিশেষকৈ প্ৰযুক্তিক আৰু বৃত্তীয় শিক্ষাই মহিলাসকলৰ অৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতাৰ ক্ষেত্ৰত কৌশল প্ৰদান কৰি মজুৰিৰ সুবিধা প্ৰদান কৰে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত মহিলা শিক্ষিতকৰণে উৎপাদনত অৰিহনা যোগায়, আয় বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশ সাধন কৰাৰ লগতে জীৱন ধাৰণৰ মানদণ্ড বিকাশ, উপযুক্ত স্বাস্থ্য আৰু পৰিপুষ্ট মানুহ সৃষ্টি কৰাত সহায় কৰে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱ, প্ৰযুক্তি বিদ্যাৰ উদ্ভাৱন, কৰ্মৰ পুনৰ সংগঠনৰ হেতু উপযুক্ত কৌশল সম্পন্ন ব্যক্তিৰ চাহিদা বৃদ্ধি পাইছে। উন্নয়নশীল দেশবোৰত অনানুষ্ঠানিক ক্ষেত্ৰত কৌশলৰ বিকাশৰ প্ৰক্ৰিয়া অতি জৰুৰী, কাৰণ আনুষ্ঠানিক প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰে বৃহৎ সংখ্যক ইচ্ছুক প্ৰাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত বৰ্তমানেও অপৰাগ। সেইবাবে কৌশলপূৰ্ণ শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই এক বিকল্প আহিলা হিচাবে পৰিগণিত হৈছে।

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই সকলো বা বেছিভাগ শিক্ষাৰেই, যিবোৰ কোনোবা এজনৰ দ্বাৰা পৰিচালিত হয়, সেই ক্ষেত্ৰত শিক্ষাৰ্থীৰ সময় আৰু স্থানৰ ভেদাভেদ দূৰৱৰ্ত্তী কৰে। এই অভিযানৰ লক্ষ্যই মুক্ত আৰু নমনীয়তাৰ ধাৰাক অন্তৰ্ভুক্ত কৰে, যিবোৰ উপায়, পাঠ্যক্ৰম বা সংগঠনৰ আন উপাদান। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ধাৰণাটো হৈছে এক আঁচনি, যিয়ে এখন ৰাষ্ট্ৰৰ প্ৰত্যেক নাগৰিককে শৈক্ষিক উপকাৰবোৰ সুবিধাজনক ভাৱে আৰু সহজলভ্য ভাৱে প্ৰদান কৰে, বিশেষকৈ যিবোৰে শিক্ষা ব্যৱস্থাক ঢুকি নাপায় বা সামাজিক কোনো কাৰণত শৈক্ষিক সুবিধাৰ পৰা বঞ্চিত হয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তে সম্পূৰ্ণৰূপে গৃহিনী হোৱা সকলকো শিক্ষা প্ৰদান কৰিব পাৰি, যিসকলৰ বেছি ভাগেই আনুষ্ঠানিক শিক্ষা লাভ কৰিবলৈ অসমৰ্থ, বা জীৱনৰ প্ৰাৰম্ভিক স্তৰতে বিদ্যালয় শিক্ষাক পৰিত্যাগ কৰিব লগাত পৰে। এনে ধৰণৰ মহিলাসকল আনুষ্ঠানিক শিক্ষাৰ প্ৰতি আগ্ৰহী নহয় কাৰণ তেওঁলোকৰ স্বামীসকলে তেওঁলোকক ঘৰতে থাকি ঘৰুৱা কাম কাজ আৰু সন্তান প্ৰতিপালন কৰিবলৈ নিৰ্দেশনা দিয়ে। এনে মহিলাসকলে আনুষ্ঠানিক বিশ্ববিদ্যালয়ত শিক্ষা লাভৰ অৰ্থে ঘৰ আৰু সন্তান এৰি আহিব নোৱাৰে। সমাজৰ এনে প্ৰত্যাহ্বানবোৰৰ বাবে আনুষ্ঠানিক শিক্ষা লাভৰ পৰা মহিলাসকল বঞ্চিত হয়, যি শিক্ষাই মহিলাসকলক উপযুক্ত প্ৰশিক্ষণ, কৌশল বিকাশৰ শিক্ষা প্ৰদান কৰিব পাৰে। তেওঁলোকৰ বেছিভাগেই নিজৰ অপূৰ্ণ সপোনবোৰ সন্তানৰ জৰিয়তে পূৰ্ণ কৰিব বিচাৰে আৰু অবচেতন ভাৱে নিজৰ সপোনবোৰ সন্তানৰ জীৱনলৈ ঠেলি দিয়ে। এনে পৰ্য্যায়ৰ মহিলাসকল দূৰৱৰ্ত্তী শিক্ষণৰ প্ৰতি কৃতজ্ঞ, কাৰণ এই ব্যৱস্থাৰ যোগেদি তেওঁলোকে ঘৰতে বহি পৰিয়ালৰ অসুবিধা নোহোৱাকৈ বা ল'ৰা-ছোৱালীক কষ্ট নিদিয়াকৈ শিক্ষা লাভৰ সুয়োগ পাইছে। ই নিশ্চিত ভাৱে বহুতো মহিলাক বিশেষকৈ গৃহিনীসকলক তেওঁলোকৰ সপোন সাৰ্থক কৰাত সহায় কৰে। গ্ৰাম্য বিকাশৰ ক্ষেত্ৰত মহিলাৰ শিক্ষা অতি লাগতিয়াল। নিৰক্ষৰতা আৰু শিক্ষাৰ অভাৱৰ ফলত সমাজত

মহিলাসকলে নিজৰ আসন পূৰণ কৰিবলৈ সমৰ্থ নহয়।

আকৌ, অসংগঠিত ক্ষেত্ৰত জড়িত মহিলাসকলৰ শিক্ষাৰ প্ৰয়োজনীয়তাও মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণে পূৰাব পাৰে। তেওঁলোকৰ বেছিভাগেই স্কুল কলেজীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈ সোনকালে বিবাহত সোমাই পৰি আৰু মজুৰি বিহীন, অসংগঠিত কাৰ্য্যত জড়িত হৈ থাকোতে সন্তানৰ দায়িত্বও বৃদ্ধি পায় আৰু অধ্যয়নো আধৰুৱা হৈ ৰৈ যায়। তাৰোপৰি স্বামীৰ পৰিয়ালৰ ক্ষেত্ৰতো কিছুমান দায়িত্ব আৰু বান্ধোন মানিব লগীয়া হয়। এই সকলোবোৰে তেওঁলোকক আনুষ্ঠানিক শিক্ষা লাভত বাধা প্ৰদান কৰে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই উচ্চ শিক্ষা লাভৰ অসম্পূৰ্ণ ইচ্ছাক বিভিন্ন পাঠ্যক্ৰমৰ আৰম্ভণি কৰি তাৰ যোগেদি সম্পূৰ্ণ কৰাত সহায় কৰে, যিবোৰৰ জৰিয়তে তেওঁলোকে দৈনন্দিন জীৱনত হস্তক্ষেপ আৰু পৰিয়ালৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি নোহোৱাকৈ শিক্ষা লাভ কৰিব পাৰে।

আপোনালোকে জানে যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই হৈছে শিক্ষাৰ প্ৰথম প্ৰভাৱশালী ধাৰণা যিয়ে দ্ৰুত পৰিবৰ্তনশীল পৃথিৱীত শিক্ষাৰ্থীৰ বৃদ্ধি পোৱা প্ৰয়োজনীয়তাক পূৰণ কৰিব পাৰে। দূৰৱৰ্ত্তী শিক্ষাৰ এই জনপ্ৰিয়তাই ইয়াৰ সক্ষমতা বৃদ্ধি কৰি বৃহৎ অংশৰ ইচ্ছুক শিক্ষাৰ্থীক নমনীয় আৰু কমখৰচী শিক্ষা দিবলৈ সমৰ্থ হৈছে। মহিলা সবলীকৰণ সমাজৰ শৈক্ষিক সাফল্যৰ সৈতে এক দৃশ্যমান সম্বন্ধ আছে। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু ১৯৯২ চনৰ কৰ্ম আচনিয়ে মহিলা শিক্ষাক অগ্ৰাধিকাৰ দিছে যিয়েই মহিলা সবলীকৰণৰ ক্ষেত্ৰত এক ইতিবাচক ভূমিকা পালন কৰিব পাৰিব। ২০০১ চনৰ মহিলা সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতিৰ উদ্দেশ্য হৈছে- মহিলাসকলক সকলো দিশতে অগ্ৰগতি, বিকাশ আৰু সবলীকৰণ কৰি তোলা।

শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাৰ ধাৰাৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই শিক্ষাৰ্থীসকলক পঢ়ি থকা অৱস্থাত উপাৰ্জন কৰিবলৈ অনুপ্ৰেৰণা দিয়ে, অৱশেষত এখন সুস্থ আৰু শিক্ষিত সমাজ গঢ়ি তুলিব পাৰে। উল্লেখযোগ্য যে ভাৰতৰ পৰিকল্পনাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে 'মহিলা আৰু বিকাশ' নামৰ এক পৃথক অধ্যায় ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তভূৰ্ক্ত কৰা হৈছিল। বৃত্তিমুখীকৰণ হৈছে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক মূল শব্দ, য'ত শিক্ষা আৰু সংস্থাপনৰ মাজত সু-সম্বন্ধ গঢ়ি তোলাৰ বাবে মনোযোগ দিয়া হয়। মহিলা শিক্ষাৰ উদ্দেশ্য হৈছে মহিলাসকলক সুক্ষ্ম বিশ্লেষণ, নিজৰ শক্তি আৰু সচেতনতা চিনাক্তকৰণ, ৰাষ্ট্ৰ বিকাশৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণৰ বাবে সবল কৰি তোলা। শিক্ষাৰ জৰিয়তে মহিলা সবলীকৰণে পৰিয়ালত মহিলাৰ মৰ্য্যদা বৃদ্ধি, সম্প্ৰদায় আৰু সমাজত লিংগ পাৰ্থক্য হ্ৰাস কৰা বুজায় যিটো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ জৰিয়তেহে সম্ভৱ হ'ব পাৰে।

স্বাধীনতাৰ পিছত বিগত ৬০ বছৰত ভাৰতবৰ্ষৰ মহিলাসকলে লক্ষণীয় ভাৱে অগ্ৰগতি লাভ কৰিছে। কিন্তু বৰ্তমান ভাৰতৰ মহিলাৰ স্বাক্ষৰতাৰ হাৰ মাত্ৰ ৬৫.৪৬ শতাংশ (লোকপিয়ল ২০১১)। সাংবিধানিক সুবিধা আৰু কিছুমান পৰামৰ্শ থকাৰ পিছতো ভাৰতীয় মহিলাসকলে কিছুমান সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়, যেনে- ছোৱালীসকলৰ শিক্ষাৰ স্থৱিৰতা, যৌতুকৰ ফলত ঘটা মৃত্যু, ঘৰুৱা কন্দল ইত্যাদি। ২০০১ চনৰ মহিলা সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতিত কোৱা

হৈছিল যে ভাৰতৰ সাংবিধানিক নীতি নিয়ম আঁচনি পৰিকল্পনা আৰু ইয়াৰ লগত জড়িত অন্য কার্য্যসূচী এফালে আৰু অন্যফালে বাস্তৱ ক্ষেত্ৰত থকা মহিলাৰ মর্য্যদাৰ মাজত এক বৃহৎ ব্যৱধান আছে। কুৰি শতিকাত মহিলা সবলীকৰণত শিক্ষাই হৈছে উপায়, কিন্তু বর্তমান নাগৰিক হিচাবে শিক্ষা হৈছে মহিলাগৰাকীৰ অধিকাৰ।



জানি থোৱা ভাল

মহিলাসকলক দুর্বল লিংগ হিচাবে গণ্য কৰাতো মানহানিকৰ, এইটো মহিলাসকলৰ প্ৰতি পুৰুষৰ অন্যায়। যদিহে শক্তিয়ে শাৰীৰিক শক্তিক বুজায়, তেন্তে, মহিলাসকল পুৰুষতকৈ কম শক্তিশালী। যদি শক্তি মানে মানসিক শক্তিক বুজোৱা হয়, তেন্তে অপৰিমেয় ভাৱে মহিলাসকল পুৰুষতকৈ শ্ৰেষ্ঠঃ তেওঁলোকৰ বোধশক্তি বেছি নহয় নেকি, তেওঁলোকে আত্ম বলিদান দিব নোৱাৰে নেকি, তেওঁলোকৰ সহনশীল শক্তি বেছি নহয় নেকি, তেওঁলোকৰ বেছি সাহস নাই নেকি? মহিলা অবিহনে পুৰুষৰ স্থিতি শূন্য। যদিহে অহিংসা আমাৰ নীতি হয়, তেতিয়া হ'লে মানৱ জাতিৰ ভৱিষ্যত মহিলাসকলৰ হাতত থাকিব। মহিলাসকলতকৈ কোনে অধিক অন্তৰৰ পৰা আবেদন জনাব পাৰিব?

— মহাত্মা গান্ধী



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ সবলীকৰণ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ মহিলা সবলীকৰণৰ ক্ষেত্ৰত মুক্ত আৰু দুৰত্ব শিক্ষা কেনেদৰে উপযোগী?

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ ২০০১ চনৰ ৰাষ্ট্ৰীয় মহিলা সবলীকৰণ নীতিৰ উদ্দেশ্য কি ?

.....

.....

.....

৮.৫.১ দূৰৱৰ্ত্তী শিক্ষাৰ যোগেদি গ্ৰাম্য বিকাশ আৰু মহিলা সবলীকৰণৰ বাবে অধ্যয়ন সূচী

দূৰৱৰ্ত্তী শিক্ষাক বিশেষভাৱে সমাজৰ অসমৰ্থ দুৰ্বলীসকলৰ বাবে বা "ঢুকি নোপোৱা সকলক ঢুকি পোৱাৰ ব্যৱস্থা কৰা" অৰ্থে তৈয়াৰ কৰা হৈছে।

দূৰৱৰ্ত্তী শিক্ষাই পৰম্পৰাগত বিশ্ববিদ্যালয় ব্যৱস্থাৰ কঠোৰ নীতি নিয়মৰ বিপৰীতে এক নতুন বিকল্প হিচাপে মুৰ দাঙি উঠিছে যিয়ে মানুহক আত্ম সংস্থাপন আৰু সাম্ভাব্য সংস্থাপনৰ সুবিধা প্ৰদান কৰে। এটা সময়জুৰি, ভাৰতৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই পৰম্পৰাগত উচ্চ শিক্ষাৰ পৰিপূৰক ভাৱে স্থান পাইছিল আৰু সামূহিক ভাৱে সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। আপোনালোকে চাব যে মুক্ত বিশ্ববিদ্যালয় সমূহে আৰু দ্বৈত বিশ্ববিদ্যালয় সমূহে মহিলা আৰু গ্ৰাম্য জাতি সকলৰ বাবে বিশেষ ধৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। IGNOU হৈছে এই ক্ষেত্ৰত আগৰণুৱা আৰু অন্য মুক্ত বিশ্ববিদ্যালয় সমূহ যেনে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আদিয়ে এই পথেৰেই আগবাঢ়িছে। IGNOUয়ে বহুধৰণৰ পাঠ্যক্ৰমৰ আৰম্ভনি কৰিছে, যাৰ লক্ষ্য হৈছে মহিলা সবলীকৰণৰ দ্বাৰা তেওঁলোকৰ জীৱনৰ গুণগত মানদণ্ড উন্নত কৰা। তেওঁলোকে মহিলা আৰু লিংগ অধ্যয়ণৰ ক্ষেত্ৰত স্নাতকোত্তৰ কলা আৰু মহিলা অধ্যয়নৰ ক্ষেত্ৰত স্নাতকোত্তৰ ডিপ্লমাৰ আৰম্ভনি কৰিছে। মুক্ত আৰু দুৰত্ব শিক্ষাৰ জৰিয়তে দিব পৰা কিছুমান পাঠ্যক্ৰম হৈছে- শিশু যতন নিৰ্দেশনা, গহনা সজোৱা, মাটিৰ পাত্ৰ সজোৱা, মন্টেশ্বৰী প্ৰশিক্ষণ, ফেচন ডিজাইনিং, বিউটিচিয়ানৰ পাঠ্যক্ৰম, পৰিপুষ্টিকাৰকতাৰ পাঠ্যক্ৰম ইত্যাদি। এনেবোৰ পাঠ্যক্ৰমৰ জৰিয়তে আত্ম সংস্থাপন কৰিব পাৰি। গ্ৰাম্য বিকাশৰ ক্ষেত্ৰত IGNOU য়ে স্নাতকোত্তৰ পৰ্য্যায়ৰ বহুধৰণৰ পাঠ্যক্ৰমৰ সুবিধা দিছে। ভাৰতৰ অন্য বিশ্ববিদ্যালয় সমূহেও এনেধৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। প্ৰকৃততে অসমত এনে ক্ষেত্ৰত, গ্ৰাম্য বিকাশ আৰু মহিলা সবলীকৰণত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে বিভিন্ন বৃত্তিমুখী পাঠ্যক্ৰমৰ আৰম্ভনি কৰিছে। যেনে বৈজ্ঞানিক ভাৱে গাহৰি পালন, (CSPF), বাণিজ্যিক ভাৱে ছাগলী পালন (CCGR), বাণিজ্যিক ভাৱে কুকুৰা পালন (CCBF), বাণিজ্যিক ভাৱে হাঁহ পালন প্ৰতিষ্ঠান (CCLF) বাণিজ্যিক কণী উৎপাদন কৰা কুকুৰাৰ প্ৰতিষ্ঠান (CCLF), ম'বাইল মেৰামতি, দৃশ্য শ্ৰাব্য সঁজুলিৰ পৰিচালন আৰু মেৰামতি, ইত্যাদি উল্লেখযোগ্য। অদূৰৱৰ্ত্তী ভৱিষ্যতে, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় মহিলা সবলীকৰণৰ ক্ষেত্ৰত কিছুমান বিষয়, যেনে- গহনা ডিজাইনিং, বন্ধন, খাদ্য যোগান ধৰা ইত্যাদি বিষয়সমূহ আৰম্ভ কৰিব পাৰে। ভাৰতবৰ্ষৰ এক পাটশিল্পৰ উদ্যোগ শুৱালকুছি যিহেতু অসমতে আছে, সেইবাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে বোৰা-কটাৰ ওপৰতো পাঠ্যক্ৰমৰ সুবিধা প্ৰদান কৰিব পাৰে। এইবোৰৰ উপৰিও দূৰৱৰ্ত্তী শিক্ষণৰ

জৰিয়তে দিব পৰা আন কিছুমান পাঠ্যক্ৰম হৈছে- সাৰ উদ্যোগ, নাৰ্চাৰী প্ৰতিপালন, ঘৰুৱা বাগিছা, ফল উৎপাদন, পৰিবেশ বিজ্ঞান, কম্পিউটাৰ বিজ্ঞান, মৎস উৎপাদন, মাটিৰ বস্তু নিৰ্মান, ভেষজ, তথ্য পৰিচালন, কম্পিউটাৰ এপ্লিকেশ্বন, কঠিন অভিগমন পৰিচালন, তথ্য প্ৰযুক্তি, ঘৰুৱা সামগ্ৰী মেৰামতি আৰু শীত-তাপ নিয়ন্ত্ৰণ আৰু শীতলীকৰণ যন্ত্ৰ মেৰামতি, পৰিস্কাৰ-পৰিচালনা বিচাৰকৰণ, ছাল প্ৰযুক্তি, আঙুৰৰ পনীয় প্ৰক্ৰিয়া, ভূমি জৰিপকৰণ, বেকাৰী উৎপাদন ইত্যাদি বিষয়সমূহ যিয়ে সংস্থাপনত সহায় কৰিব আৰু ইয়াৰ ফলত আমাৰ দেশৰ আৰ্থ-সামাজিক দিশৰ উন্নতি ঘটিব।

শেষত ক'ব পাৰি যে দূৰত্ব শিক্ষাই মহিলা সবলীকৰণ আৰু গ্ৰাম্য বিকাশৰ পৰিবৰ্তন আৰু বিকাশৰ ক্ষেত্ৰত এক অভূত পূৰ্ব ভূমিকা বহন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং৯ ঃ গ্ৰাম্য বিকাশ আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে কেনে ধৰণৰ পাঠ্যক্ৰম আগবঢ়াব পাৰি?

.....

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গ্ৰাম্য বিকাশে সাধাৰণতে কিছুমান কৰ্ম আৰু অগ্ৰগনিমূলক কাৰ্য্যাৱলীক বুজায় যিবোৰৰ দ্বাৰা গ্ৰাম্যাঞ্চল তথা পিছপৰা গাওঁবোৰৰ মানুহখিনিৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা হয়।
- গ্ৰাম্যবিকাশৰ কাৰ্য্যসমূহৰ লক্ষ্য হৈছে অঞ্চলটোৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশ। এনে কাৰ্য্যবোৰ সাধাৰণতে স্থানীয় আৰু আঞ্চলিক কৰ্তৃপক্ষ্য আৰু বেচৰকাৰী সংস্থা, ৰাষ্ট্ৰীয় চৰকাৰ আৰু আন্তঃ ৰাষ্ট্ৰীয় বিকাশৰ সংস্থাবোৰৰ পৰা আৰম্ভ হয়।
- দূৰৱৰ্ত্তী শিক্ষা বা শিক্ষণে শিকোৱা আৰু শিকাক বুজায়, য'ত শিক্ষাৰ্থীসকল নিৰ্দেশকৰ পৰা শাৰীৰিক ভাৱে পৃথক হৈ থাকে, কিন্তু তথাপিও সদায় যোগাযোগ থাকে।
- সবলীকৰণ মানে হৈছে দেশৰ নাগৰিকসকলৰ জীৱনৰ প্ৰতিটো পদক্ষেপতে পৰিবৰ্তন অনা।

- বেছিভাগ ভাৰতীয়ই হৈছে গাওঁৰ অশিক্ষিত কৃষিজীৱি দুৰ্বল শ্ৰেণীৰ লোক আৰু বেছিভাগ ভাৰতীয় জনজাতি নিৰক্ষৰ আৰু অৰণ্যত সহবস্থান কৰি আছে। সেইবাবে বৰ্তমান সময়ৰ প্ৰয়োজন হৈছে এই দুৰ্বল শ্ৰেণী আৰু জনজাতিৰ লোকসকলৰ বৃত্তিক আধুনিকিকৰণ কৰা যিটো সম্ভৱ হ'ব মাত্ৰ দূৰৱৰ্ত্তী শিক্ষাৰ দ্বাৰা তথা বিশেষভাৱে বৃত্তিমুখী শিক্ষাৰ দ্বাৰা।
- IGNOUয়ে বহুধৰণৰ পাঠ্যক্ৰমৰ আৰম্ভনি কৰিছে, যাৰ লক্ষ্য হৈছে মহিলা সবলীকৰণৰ যোগেদি তেওঁলোকৰ জীৱনৰ গুণগত মানদণ্ড উন্নত কৰা।
- মুক্ত বিশ্ববিদ্যালয় সমূহে বিভিন্ন পাঠ্যক্ৰমৰ জৰিয়তে মহিলা সবলীকৰণ আৰু গ্ৰাম্য অঞ্চলৰ বিকাশৰ ওপৰত গুৰুত্ব দিছে।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Bhatnagar, Tinku Paul,(2011) : *Women, Employment and Empowerment,* New Century Publications , New Delhi

২) Trivedi, Tanuja. (2009) : *Women and Rural Development*, Jnanada Prakashan , New Delhi

৩) Pillai, J.K. (1995) : *Women and employment*,: Gyan Publishing New Delhi

৪) Sharma, R. (1996) : *Empowering women through distance education.* Indian Journal of Open Learning.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ গ্ৰাম্য বিকাশে সাধাৰণতে কিছুমান কৰ্ম আৰু অগ্ৰগণি কাৰ্য্যাৱলীক বুজায় যিবোৰৰ দ্বাৰা গ্ৰামীন অঞ্চলৰ আশপাশ, গ্ৰাম্যাঞ্চল আৰু পিছপৰা গাওঁবোৰৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা হয়। ইয়াত কৃষিভিত্তিক কাৰ্যাৱলীসমূহে মুখ্য ভূমিকা পালন কৰে আৰু অৰ্থনৈতিক কাৰ্য্যাৱলীসমূহে প্ৰাথমিক ভাৱে খাদ্য আৰু কেচাঁ সামগ্ৰী উৎপাদনৰ সৈতে জড়িত থাকে।

২ নং প্ৰশ্ন উত্তৰ ঃ গাঁৱলীয়া অঞ্চলবোৰ সাধাৰণতে সৰু, অৰ্ন্তমুখী আৰু শান্তিপূৰ্ণ হয়। ইয়াত বাসিন্দাসকলৰ মাজত তেজৰ সম্পৰ্ক আছে আৰু তেওঁলোক কৃষি বৃত্তিৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰৰ ওপৰত ওপৰত নিৰ্ভৰশীল।

৩ নং প্ৰশ্ন উত্তৰ ঃ গ্ৰাম্য বিকাশ কাৰ্য্যৰ মূল লক্ষ্য হ'ল অঞ্চলটোৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশ।

৪ নং প্ৰশ্ন উত্তৰ ঃ দূৰৱৰ্ত্তী শিক্ষণ হৈছে এক ধৰণৰ শিক্ষণ যাৰ জৰিয়তে শিক্ষাৰ্থীক নিৰ্দিষ্টকৈ শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ জৰিয়তে জ্ঞান প্ৰদান কৰা নহয় কিন্তু অনিৰ্দিষ্ট আৰু অনানুষ্ঠানিক শিক্ষণ পদ্ধতিৰে বিভিন্ন শিক্ষাৰ্থীভিত্তিক যেনে সময়ে সময়ে চমু আদান প্ৰদানৰ কাৰ্য্যসূচী প্ৰদান।

৫ নং প্ৰশ্ন উত্তৰ ঃ গাওঁৰ দুখীয়ালোক সকলক শিক্ষাৰ দ্বাৰা সবলীকৰণৰ ক্ষেত্ৰত দুই ধৰণৰ পদক্ষেপ লোৱা হয়- গ্ৰাম্য আৰু কৃষি বিকাশৰ ক্ষেত্ৰত বৃত্তীয় কাৰ্য্যসুচী গ্ৰহণ আৰু IGNOU, KKHSOU আৰু YCMOU আদি বিশ্ববিদ্যালয়ৰ যোগেদি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰম প্ৰদানৰ ব্যৱস্থা কৰা।

৬ নং প্ৰশ্ন উত্তৰ ঃ সবলীকৰণৰ অৰ্থ হৈছে দেশৰ নাগৰিকসকলৰ জীৱনৰ প্ৰতিটো পদক্ষেপত পৰিবৰ্তন অনা। "সবলীকৰণ" শব্দটোৱে আত্মবল, নিয়ন্ত্ৰণ, আত্ম শক্তি, আত্মনিৰ্ভৰশীলতা, নিজপচন্দ, মূল্যবোধৰ সৈতে মৰ্য্যদা পূৰ্ণ জীৱন, নিজৰ অধিকাৰৰ বাবে যুজিব পৰা ক্ষমতা, আত্মনিৰ্ভৰশীলভাৱে নিজৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা, মুক্ত আৰু নিজৰ সমৰ্থৰ প্ৰতি সজাগতা ইত্যাদিক অৰ্ন্তভুক্ত কৰি লয়।

৭ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত আৰু দুৰত্ব শিক্ষাৰ জৰিয়তে সম্পূৰ্ণৰূপে গৃহিনী লগতে যিসকলৰ বেছিভাগেই আনুষ্ঠানিক শিক্ষা লাভ কৰিবলৈ অসমৰ্থ বা জীৱনৰ প্ৰাৰম্ভিক স্তৰতে বিদ্যালয়ৰ শিক্ষা পৰিত্যাগ কৰিবলগীয়া হৈছিল তেওঁলোকেও শিক্ষা গ্ৰহণ কৰিব পাৰে।

৮ নং প্ৰশ্ন উত্তৰ ঃ ২০০১ চনৰ ৰাষ্ট্ৰীয় মহিলা সবলীকৰণৰ নীতিৰ উদ্দেশ্য হৈছে মহিলা সবলীকৰণৰ ক্ষেত্ৰত সকলো দিশতে অগ্ৰগতি আৰু বিকাশ সম্ভৱ কৰি তোলা।

৯ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ বিশ্ববিদ্যালয় সমূহ আৰু আন দূৰৱৰ্ত্তী শিক্ষাৰ নিৰ্দেশনা আদিয়ে বিভিন্ন স্নাতকোত্তৰ কাৰ্য্যসূচীৰ দ্বাৰা, যেনে বৈজ্ঞানিক পদ্ধতিৰে গাহৰি পালন প্ৰতিষ্ঠান (CCPF) বা বাণিজ্যিক ভাৱে ছাগলী পালন (CCGR) বাণিজ্যিক ভাৱে মাংসৰ বাবে কুকুঁৰা পালন (CCBF), বাণিজ্যিক ভাৱে হাঁহ পালন প্ৰতিষ্ঠান (CCLF) বাণিজ্যিক ভাৱে কণীৰ উৎপাদনৰ বাবে কুকুঁৰা পালন (CCLF), মহিলা সবলীকৰণৰ ক্ষেত্ৰত স্নাতকোত্তৰ ডিপ্লমা আদিৰ দ্বাৰা গ্ৰাম্য বিকাশ আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত অদ্ভুতপূৰ্ব ভূমিকা পালন কৰিছে।



৮.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সবলীকৰণৰ ধাৰণা ব্যাখ্যা কৰক ।

প্ৰশ্ন ২ ঃ মহিলা সবলীকৰণৰ অৰ্থ কি?

প্ৰশ্ন ৩ ঃ দূৰৱৰ্ত্তী শিক্ষা বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ গ্ৰাম্য অঞ্চল আৰু নগৰ অঞ্চলৰ মাজৰ পাৰ্থক্য কিদৰে দেখুৱাব?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গ্ৰাম্য বিকাশৰ বিষয়ে চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ গ্ৰাম্য বিকাশ আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত কেনে ধৰণৰ পাঠ্যক্ৰমৰ আৰম্ভনি কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ মহিলা সবলীকৰণৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ দ্বাৰা প্ৰচলিত প্ৰশিক্ষণ কিদৰে উপযোগী?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহিলা সবলীকৰণৰ বিষয়ে ব্যাখ্যা কৰক আৰু ভাৰতীয় অৰ্থনীতিত ই কিদৰে অৱিহনা যোগাব পাৰে?

প্ৰশ্ন ২ ঃ এখন ৰাজ্যৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ মহিলা সবলীকৰণ আৰু গ্ৰাম্য বিকাশৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানসমূহে আগবঢ়োৱা বিভিন্ন পাঠ্যক্ৰমৰ ওপৰত আপোনাৰ মতামত কি ? মহিলা সবলীকৰণৰ দিশত থকা প্ৰধান অন্তৰায় সমূহ কি কি আৰু দূৰৱৰ্ত্তী শিক্ষাই কিদৰে এনেবোৰ সমস্যা আঁতৰাব পাৰে?

প্ৰশ্ন ৪ ঃ গ্ৰাম্য বিকাশৰ সৈতে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা কিদৰে জড়িত বাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ শিক্ষক প্রশিক্ষণ কার্যসূচীত দূৰৱৰ্ত্তী শিক্ষাৰ ভূমিকা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শিক্ষকৰ শিক্ষাৰ ধাৰণা

৯.৪ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক দিয়া প্রশিক্ষণ

৯.৫ দূৰৱৰ্ত্তী শিক্ষা আৰু ৰাষ্ট্রীয় শিক্ষা পৰিষদ (NCTE)ৰ প্রাথমিক পর্যায়ৰ শিক্ষাদান বিষয়ক ডিপ্লমা (D.El.Ed.) পাঠ্যক্রম

৯.৬ দূৰৱৰ্ত্তী শিক্ষা আৰু ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদ (NCTE)ৰ শিক্ষা বিষয়ৰ স্নাতক (B.Ed.) পাঠ্যক্রম

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শিক্ষকৰ শিক্ষাৰ ধাৰণাটো বুজি পাব
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক দিয়া প্রশিক্ষণৰ বিষয়ে জানিব পাৰিব
- NCTE য়ে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে আগবঢ়োৱা D.El.Ed. পাঠ্যক্রমৰ বিষয়ে বুজি পাব
- NCTE য়ে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে আগবঢ়োৱা B.Ed. পাঠ্যক্রমৰ বিষয়ে বুজি পাব।

৯.২ পৰিচয়

বিশ্বৰ যিকোনো দেশৰে প্রগতিত শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আজিৰ শিশু কাইলৈৰ প্রশাসক আৰু নাগৰিক। শিক্ষাৰ ক্ষেত্রত শিক্ষকসকলে এক গুৰুত্বপূর্ণ ভূমিকা লয়। ক্রমাৎ উত্থান ঘটা আধুনিক সমাজখনৰ প্রয়োজনীয়তা অনুসৰি শিক্ষাৰ প্রাসংগিকতা বঢ়োৱাত শিক্ষকসকলে এক প্রধান ভূমিকা পালন কৰিব লাগে। কেৱল প্রবুদ্ধ, সক্ষম তথা স্বাধীন শিক্ষকেহে শিক্ষার্থীক গুণমানবিশিষ্ট শিক্ষা প্রদান কৰি সমাজৰ প্রত্যাশা পূৰাব পাৰে। শিক্ষকসকলক ফলপ্রসূ শিক্ষকৰ শিক্ষা পাঠ্যক্রমৰ জৰিয়তে উপযুক্ত প্রশিক্ষণ প্রদান কৰি এই

কথাক বাস্তৱ ৰূপ দিব পৰা যায়। বৰ্তমান সময়ৰ শিক্ষক প্রশিক্ষণৰ বৰ্দ্ধিত চাহিদাক আনুষ্ঠানিক শিক্ষক প্রশিক্ষণ অনুষ্ঠানবোৰে অকলে পূৰ কৰিব নোৱাৰে। এই সমস্যাটোৰ বাবে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তেও শিক্ষকক প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই অধ্যায়টিত শিক্ষক প্রশিক্ষণ পাঠ্যক্রমবোৰ চলাই নিয়াত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ভূমিকাটো বহলাই আলোচনা কৰা হ'ব।

৯.৩ শিক্ষকৰ শিক্ষাৰ ধাৰণা

শিক্ষকৰ শিক্ষা হ'ল শিক্ষকসকলৰ ব্যুৎপত্তি তথা সামর্থৰ বিকাশৰ সৈতে জড়িত এক শিক্ষণ পাঠ্যক্রম। এই পাঠ্যক্রমে শিক্ষকসকলক নিজ বৃত্তিৰ প্রয়োজন অনুসৰি দক্ষ আৰু সবল কৰি তোলে। এনে শিক্ষণৰ ফলত তেওঁলোকে শিক্ষাদানৰ সৈতে জড়িত বিভিন্ন প্রত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ সমর্থ হৈ উঠে।

১৯০৬ চনৰ পৰা ১৯৫৬ চনলৈ শিক্ষকসকলক শিক্ষাদানৰ বাবে সাজু কৰি তোলা শৈক্ষিক কার্যসূচীবোৰক শিক্ষক প্রশিক্ষণ কার্যসূচী বোলা হৈছিল। এনে প্রশিক্ষণৰ জৰিয়তে শিক্ষকসকলক যন্ত্র-পাতি মেৰামতি কৰোঁতা নাইবা কাৰিকৰী দক্ষতাসম্পন্ন লোকত পৰিণত কৰা হৈছিল। এনে প্রশিক্ষণৰ লক্ষ্যবোৰ সংকীর্ণ আছিল। ইয়াৰ জৰিয়তে কেৱল কিছুমান দক্ষতা বৃদ্ধিৰহে প্রশিক্ষণ দিয়া হৈছিল। অর্থাৎ, আগতে শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য সংকীর্ণ তথা ইয়াৰ পৰিসৰ সীমাৱদ্ধ আছিল। ডব্লিউ. এইছ. কিল্‌পেট্রিক (W.H. Kilpatrick) ৰ মতে, "জীৱ-জন্তু আৰু চার্কাচ প্রদর্শনকাৰীক প্রশিক্ষণ দিয়া হয়, মানুহক সাধাৰণতে শিক্ষা প্রদান কৰা হয়।"

শিক্ষকৰ শিক্ষাই শিক্ষণ দক্ষতা, সুস্থ শিক্ষাদান শৈলী বিষয়ক তত্ত্ব আৰু বৃত্তিগত দক্ষতাক সামৰি লয়। শিক্ষকৰ শিক্ষাক তলত দিয়া সূত্রৰ দৰে লিখিব পাৰি ঃ

শিক্ষকৰ শিক্ষা = শিক্ষণ দক্ষতা + সুস্থ শিক্ষাদান শৈলী তত্ত্ব + বৃত্তিগত দক্ষতা

তলত শিক্ষকৰ শিক্ষাৰ কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল।

- Goods Dictionary of Educationৰ মতে, "এগৰাকী ব্যক্তিক শিক্ষক বৃত্তিটোৰ সদস্যৰূপে বিভিন্ন দায়িত্ব পালন কৰাৰ নাইবা তেওঁৰ দায়িত্ববোৰ অধিক ফলপ্রসূভাৱে কার্যত ৰূপায়িত কৰাৰ যোগ্যতা আহৰণত সহায় কৰা সকলোবোৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কার্যকলাপ তথা অভিজ্ঞতাকে শিক্ষকৰ শিক্ষা বোলা হয়।"
- শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্রীয় পৰিষদ (NCTE)ৰ সংজ্ঞা মতে শিক্ষকৰ শিক্ষা হ'ল— এগৰাকী ব্যক্তিক প্রাক্-প্রাথমিকৰ পৰা উচ্চতৰ শিক্ষাৰ পর্যায়লৈকে শিক্ষাদান কৰিব পৰাকৈ দক্ষ কৰি তোলা শিক্ষা, গৱেষণা আৰু প্রশিক্ষণৰ এক কার্যসূচী/পাঠ্যক্রম।
- ৱাল্টাৰ এচ. ম'ন'ৰোই (Walter S. Monoroe) Encyclopaedia of Educationত আগবঢ়োৱা সংজ্ঞা মতে "শিক্ষকৰ শিক্ষা হ'ল এগৰাকী ব্যক্তিক প্রস্তুত কৰি তোলাত অৰিহণা আগবঢ়োৱা সম্পূর্ণ শিক্ষা অভিজ্ঞতা। কিন্তু এই অভিধাটো সম্পূর্ণৰূপে

কোনো এক শৈক্ষিক প্রতিষ্ঠানে আগবঢ়োৱা সেইবোৰ পাঠ্যক্রম আৰু অন্য অভিজ্ঞতা সম্বলিত কার্যসূচীৰ কথা বুজাবলৈ ব্যৱহাৰ কৰা হয় যিবোৰে ব্যক্তিক শিক্ষা তথা অন্য শৈক্ষিক সেৱাৰ বাবে প্রস্তুত কৰি তোলাৰ উদ্দেশ্য ঘোষণা কৰাৰ লগতে এনে সেৱাৰ বাবে তেওঁলোকৰ দক্ষতা বৃদ্ধিত অৰিহণা যোগায়। এই শিক্ষকৰ শিক্ষা কার্যসূচী/পাঠ্যক্রমবোৰ শিক্ষক মহাবিদ্যালয়, নর্মাল বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ দৰে শৈক্ষিক অনুষ্ঠানবোৰে আগবঢ়ায়।"

ভাৰতত শিক্ষকৰ শিক্ষা পাঠ্যক্রম/কার্যসূচীবোৰ দুই ধৰণৰ— (১) সেৱাত যোগদান কৰাৰ আগতে লাভ কৰা শিক্ষকৰ শিক্ষা কার্যসূচী/পাঠ্যক্রম (Pre-service teacher education programme) আৰু (২) সেৱা নিয়োজিত শিক্ষকৰ শিক্ষা কার্যসূচী/পাঠ্যক্রম (In-service teacher education programme)। প্রাক্-প্রাথমিক, প্রাথমিক আৰু উচ্চতৰ শিক্ষাৰ সৈতে জড়িত হ'ব খোজা ভৰিষ্যৎ শিক্ষকসকলে সেৱাত যোগদান কৰাৰ আগতে লাভ কৰা শিক্ষা কার্যসূচী/পাঠ্যক্রম পঢ়ে। আমাৰ দেশত শিক্ষকৰ শিক্ষা কার্যসূচী/পাঠ্যক্রম আগবঢ়োৱা কেইটামান প্রতিষ্ঠানৰ নাম তলত উল্লেখ কৰা হ'ল—

- ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (NCERT)
- শৈক্ষিক পৰিকল্পনা আৰু প্রশাসনৰ ৰাষ্ট্রীয় প্রতিষ্ঠান (NIEPA)
- কেন্দ্রীয় ভাৰতীয় ভাষা প্রতিষ্ঠান (CIIL)
- ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (SCERT)
- ৰাজ্যিক শিক্ষা প্রতিষ্ঠান (SIE)
- শিক্ষকৰ শিক্ষা মহাবিদ্যালয় (CTE)
- জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান (DIET)

দেশত গুণমান বিশিষ্ট শিক্ষকৰ শিক্ষা প্রদান কৰিব পৰাকৈ ১৯৯৩ চনত ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদ (NCTE) গঠন কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শিক্ষকৰ শিক্ষা = শিক্ষণ দক্ষতা = _____ = বৃত্তিগত দক্ষতা। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ২ ঃ NCERTৰ সম্পূর্ণ ৰূপটো কি?

.....

.....

প্রশ্ন ৩ ঃ শিক্ষকৰ শিক্ষা মানে কি?

.....

.....

৯.৪ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক দিয়া প্রশিক্ষণ

একবিংশ শতিকাৰ শিক্ষকক প্রশিক্ষণ দিয়াৰ ব্যৱস্থাটোলৈ নাটকীয় পৰিবর্তন আহিছে। বর্তমানৰ শিক্ষকসকলক নতুন যুগৰ শ্রেণীকোঠাবোৰত আত্মবিশ্বাস সহকাৰে পাঠদান কৰিব পৰাকৈ উদ্ভাৱনীমূলক আৰু শেহতীয়া দক্ষতাৰ প্রয়োজন। শিক্ষকক শিক্ষক্ষেত্রৰ সবাতোকৈ গুৰুত্বপূর্ণ সমল বুলি গণ্য কৰা হয়। কাৰণ, তেওঁলোকে কুমলীয়া মনবোৰক গভীৰভাৱে প্রভাৱিত কৰাৰ লগতে কণ কণ শিক্ষার্থীৰ সর্বাত্মক বিকাশৰ পথ প্রশস্ত কৰি তোলে। প্রযুক্তিভিত্তিক অগ্রগতিয়ে পৰম্পৰাগত শিক্ষক, শিক্ষা আৰু শ্রেণীকোঠাৰ মাজৰ ভৌতিক সীমাবোৰ অস্পষ্ট কৰি পেলাইছে। শিক্ষক হ'ব খোজাসকলে এতিয়া কেৱল শিল-বালিৰে নির্মিত শিক্ষক প্রশিক্ষণ প্রতিষ্ঠানবোৰত লাভ কৰা শিক্ষাকে সাৰোগত কৰি আগবাঢ়িব নালাগে। তেওঁলোক আজি বিশ্বত প্রচলিত বিভিন্ন পন্থাৰে প্রশিক্ষণ ল'ব পৰা হৈছে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক প্রশিক্ষণ দিব পৰা পন্থাটোৱে নিজ অস্তিত্ব সাব্যস্ত কৰিছে। পন্থাটোৱে জনপ্রিয়তাও অর্জন কৰিছে। বহুতো আগ্রহী ব্যক্তি আৰু বৃত্তিজীৰী শিক্ষকে শিকনৰ এই পন্থাটো গ্রহণ কৰিছে।

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক প্রশিক্ষণ দিয়াৰ কামটো ভাৰতত পাঁচ দশকৰো অধিক কাল জুৰি চলি আহিছে। শিক্ষা আয়োগ (১৯৬৪-৬৬)এ গ্রীষ্মকালীন পাঠ্যক্রম, দীঘলীয়া বন্ধকালীন পাঠ্যক্রম, অংশকালীন পাঠ্যক্রম আৰু ডাক পাঠ্যক্রম আদি ব্যৱস্থাৰ জৰিয়তে প্রশিক্ষণহীন শিক্ষকক প্রশিক্ষণ প্রদান কৰাৰ পৰিপূৰক ব্যৱস্থা গ্রহণৰ পৰামর্শ দিছিল। ডাকযোগে প্রেৰণা আৰু যোগাযোগ স্থাপন (correspondance-cum-contact) ব্যৱস্থাটোক উচ্চতৰ বিদ্যালয় পর্যায়ৰ শিক্ষকসকলৰ বাবে বিশেষভাৱে উপযুক্ত বুলি বিবেচনা কৰা হৈছিল। শিক্ষক প্রশিক্ষণৰ এই ব্যৱস্থাটোক এটা আনুষ্ঠানিক ৰূপ দিবলৈ ১৯৬৬ চনত NCERTৰ এটা বিশেষ শাখাৰূপে কেন্দ্রীয় শিক্ষা প্রতিষ্ঠান (Central Institute of Education) স্থাপন কৰা হৈছিল। এই প্রতিষ্ঠানে শিক্ষা বিষয়ৰ স্নাতক (B.Ed.) পাঠ্যক্রম আৰম্ভ কৰিছিল। শিক্ষকে ডাকযোগে প্রেৰণ আৰু যোগাযোগ স্থাপন ব্যৱস্থাৰে এই পাঠ্যক্রম অধ্যয়ন কৰিছিল। অৱশ্যে কেন্দ্রীয় শিক্ষা প্রতিষ্ঠান আৰু দেশৰ চাৰিখন আঞ্চলিক শিক্ষা মহাবিদ্যালয় (বর্তমান আঞ্চলিক শিক্ষা প্রতিষ্ঠান নামেৰে জনাজাত)এ পৰৱর্তী সময়ত এই ব্যৱস্থাটো বন্ধ কৰিছিল। কিন্তু শৈক্ষিক ভাৰসাযোগ্যতাৰে সৈতে এই প্রতিষ্ঠানকেইটাই ডাক ব্যৱস্থাৰ জৰিয়তে উচ্চতৰ বিদ্যালয়ৰ শিক্ষকৰ শিক্ষা বিষয়ক পাঠ্যক্রমবোৰ বিয়পোৱাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

অধ্যাপক আৰ.চি. দাসৰ অধ্যক্ষতাত NCTEএ গঠন কৰি দিয়া এখন বিশেষজ্ঞ কমিটি (১৯৯৫ চন)এ পর্যবেক্ষণৰ অন্তত কৈছিল যে ঃ "যদি ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদৰ বিধি-বিধানৰ সৈতে নির্দেশনাৰ মুঠ কাল, পাঠ্যক্রম/কার্যসূচী, শৈক্ষিক বিষয়াবৃন্দৰ উপযুক্ত সমর্থন আগবঢ়াব পৰা সামর্থ আৰু আন্তঃগাঁথনি আদিৰ দিশেৰে মুখামুখি ব্যৱস্থাৰ অংশকালীন আনুষ্ঠানিক শৈক্ষিক কার্যসূচীবোৰৰ সমতুল্য হয়, তেন্তে ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদে তেনে শিক্ষানুষ্ঠানবোৰৰ বিস্তৃত তথ্য চালি-জাৰি চাই তেনে শিক্ষানুষ্ঠানবোৰত স্বীকৃতি প্রদানৰ

বিষয়টো বিবেচনা কৰি চাব পাৰে।" ইয়াত এই শিক্ষানুষ্ঠানবোৰৰ দ্বাৰা দূৰৱৰ্ত্তী-শিকন প্রতিষ্ঠানবোৰৰ কথা কোৱা হৈছে।

ডাকযোগে পাঠ্যক্রম অধ্যয়নৰ সেৱা আগবঢ়োৱা এই শৈক্ষিক প্রতিষ্ঠানবোৰৰ ৰূপ বর্তমান উন্নত হৈছে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই শিক্ষাক্ষেত্রৰ প্রয়োজনীয়তা পূৰাব পৰাকৈ শিক্ষকৰ শিক্ষা অধিক সহাঁৰিপূর্ণ কৰি তোলাৰ ব্যৱস্থা গ্রহণ কৰিছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ বিকাশ ঘটাবলৈ চলা শেহতীয়া ধাৰাবোৰে শিক্ষকৰ শিক্ষা বিষয়ক কার্যসূচীবোৰৰ পাঠ্যক্রম লেনদেনৰ ভিন্ন আৰু ফলপ্রসূ ব্যৱস্থা অন্বেষণৰ প্রয়াসক প্রতিফলিত কৰে। NCTEএ বর্তমান শিক্ষকৰ শিক্ষা কার্যসূচীবোৰ আগবঢ়াই নিয়াৰ এক ফলপ্রসূ মাধ্যমৰূপে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটোক স্বীকৃতি প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ দূৰৱৰ্ত্তী শিক্ষাক _____ বুলিও জনা যায়। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৫ ঃ NCTEৰ সম্পূর্ণ ৰূপটো কি?

.....

৯.৫ দূৰৱৰ্ত্তী শিক্ষা আৰু NCTEৰ প্রাথমিক পর্যায়ৰ শিক্ষাদান বিষয়ক ডিপ্লমা (D.El.Ed.) পাঠ্যক্রম

ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদ (NCTE)এ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে প্রাথমিক শিক্ষকৰ শিক্ষা কার্যসূচী অধ্যয়নক স্বীকৃতি প্রদান কৰিছে। ইয়াৰ প্রধান উদ্দেশ্য হ'ল প্রাথমিক বিদ্যালয়ত সেৱা আগবঢ়াই থকা শিক্ষকসকলৰ বৃত্তিগত সামর্থ উন্নততৰ কৰি তোলা। এই কার্যসূচীৰ লক্ষ্য হ'ল শিক্ষকসকলক প্রথম শ্রেণীৰ পৰা অষ্টম শ্রেণীৰ ছাত্র-ছাত্রীক শিক্ষাদান কৰিব পৰাকৈ সাজু কৰি তোলা। এই কার্যসূচী অধ্যয়নৰ সময়সীমা হ'ল দুটা শৈক্ষিক সত্র/বর্ষ। অৱশ্যে শিক্ষার্থীসকলক সর্বাধিক পাঁচ বছৰৰ ভিতৰত এই কার্যসূচীত উত্তীর্ণ হোৱাৰ সুযোগ দিয়া হয়। পাঠ্যক্রমৰ দিশেৰে মুখামুখি শিক্ষাগ্রহণ ব্যৱস্থাৰ বাবে প্রস্তুত কৰা D.El.Ed. পাঠ্যক্রমটোকে অধ্যয়নৰ ক্রেডিট ঘণ্টা অনুসৰি বিভিন্ন অধ্যয়ন খণ্ড/অধ্যায়ত ভগাই দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ উপযোগী কৰি লোৱা হয়। শৈক্ষিক প্রতিষ্ঠানবোৰে প্রস্তুত কৰা স্ব-শিকন সামগ্রীবোৰ দূৰৱৰ্ত্তী শিক্ষা পৰিষদ/ব্যুৰ'ই পৰীক্ষা কৰি চোৱাৰ অন্তত ব্যৱহাৰৰ অনুমোদন প্রদান কৰে।

D.El.Ed. কার্যসূচী প্রয়োগ কৰাৰ সময়ত মানি চলা গুৰুত্বপূর্ণ কথা কেইটামান হ'ল—

- কার্যসূচীখন চলাব খোজা বিশ্ববিদ্যালয়/শিক্ষানুষ্ঠানবোৰে নিজাকৈ পাঠ্যক্রম ভিত্তিক দৃশ্য-শ্রাব্য সমল প্রস্তুত কৰিব লাগে নাইবা অন্য অনুষ্ঠানে প্রস্তুত কৰা এনে সমল গ্রহণ কৰিব লাগে।

- কার্যসূচীখন এটা মিশ্রিত ৰূপত শিক্ষার্থীলৈ আগবঢ়াব লাগে। ইয়াৰ বাবে স্ব-শিকন, মুখামুখি পৰামর্শদান, কর্মশালা, প্রযুক্তিৰ সহায়ত সম্পন্ন কৰা আন্তঃক্রিয়া আৰু শিকনৰ আধাৰত সংগৃহিত সমলৰ উপাদানবোৰ যুক্তিযুক্তভাৱে মিহলি কৰিব লাগে।
- নির্দেশনাত্মক আর্হি আৰু স্ব-শিকনৰ শিক্ষাদান শৈলীৰ নীতিবোৰৰ আধাৰত ছপা আৰু ছপা নকৰা স্ব-শিকন সামগ্রীবোৰ প্রস্তুত কৰিব লাগে।
- দুবছৰীয়া কার্যসূচী চলি থকা সময়তে অনুষ্ঠান/প্রতিষ্ঠানৰ মুখ্য কার্যালয় নাইবা শিক্ষার্থীৰ সুবিধা হোৱাকৈ অধ্যয়ন কেন্দ্রবোৰত ব্যক্তিগত যোগাযোগ কার্যসূচীবোৰৰ আয়োজন কৰিব লাগে।
- সমগ্র কার্যসূচীকালতেই শৈক্ষিক পৰামর্শদান সত্রবোৰ চলি থাকিব লাগে। এনে সত্র নিয়মীয়াকৈ বহা উচিত।
- শিক্ষার্থীক শিক্ষক নাইবা শিক্ষকক শিক্ষাদান কৰোঁতাৰ বৃত্তি গ্রহণ কৰাৰ বাবে প্রয়োজনীয় সামর্থ তথা দক্ষতা আহৰণত সহায় কৰিবলৈ বিভিন্ন কর্মশালাৰ আয়োজন কৰা উচিত।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষকৰ শিক্ষা পাঠ্যক্রম অধ্যয়ন কৰি থকা শিক্ষার্থীসকলক বিদ্যালয়ত কৰি দেখৰাবলগীয়া বিভিন্ন ধৰণৰ কার্যকলাপত জড়িত কৰাব লাগে।
- D.El.Ed. কার্যসূচী অধ্যয়ন কৰি থকা শিক্ষার্থীসকলে নির্দিষ্ট বিদ্যালয়ত একোটা শিক্ষণ অনুশীলনত ভাগ ল'ব লাগে। এনে অনুশীলন শিক্ষক/শৈক্ষিক পৰামর্শদাতাৰ তত্ত্বাৱধানত সম্পন্ন কৰা হয়।
- শৈক্ষিক অনুষ্ঠানৰ প্রধান কার্যালয়ত কর্মৰত সকলে পাঠ্যক্রম, স্ব-শিকন সামগ্রী, আর্হি পাঠ পৰিকল্পনা আৰু দৃশ্য-শ্রাব্য সামগ্রীবোৰ প্রস্তুত কৰে। এনে সামগ্রীবোৰ অধ্যয়ন কেন্দ্রবোৰে ব্যৱহাৰ কৰে।

এনে শৈক্ষিক অনুষ্ঠানবোৰৰ প্রধান কার্যালয় আৰু অধ্যয়ন কেন্দ্রবোৰত পর্যাপ্ত সংখ্যক শিক্ষার্থী সমর্থন সেৱা থাকিব লাগে। শিক্ষকৰ শিক্ষা কার্যসূচীৰ শিক্ষার্থীসকলৰ মূল্যায়নৰ বাবে শিক্ষানুষ্ঠানবোৰে অবিৰত তথা বিস্তৃত মূল্যায়ন পদ্ধতি প্রয়োগ কৰাৰ লগতে বছৰেকীয়া পৰীক্ষা পাতে। অবিৰত তথা বিস্তৃত মূল্যায়ন কর্মশালাত অংশগ্রহণ তথা পাৰদর্শিতা প্রদর্শনৰ আধাৰত প্রাপ্য নম্বৰ দিয়া হয়। শিক্ষার্থীয়ে জমা দিয়া প্রদত্ত কার্য/প্রকল্প প্রতিবেদন আদি শিক্ষক/পৰামর্শদাতাসকলে নির্দিষ্ট সময়ৰ ভিতৰত পৰীক্ষা কৰি উপযুক্ত নম্বৰ দিয়ে। প্রদত্ত কার্য/প্রকল্প প্রতিবেদনবোৰত যথোপযুক্ত গঠনমূলক মন্তব্য আৰু পৰামর্শ লিখি শিক্ষার্থীসকলক ওভটাই দিয়া হয়। ই শিক্ষার্থীৰ ভৱিষ্যৎ পাৰদর্শিতা উন্নত কৰাত সহায় কৰে। প্রদত্ত কার্য/প্রকল্প প্রতিবেদনবোৰৰ মূল্যায়নৰ প্রধান কাম হ'ল শিক্ষার্থীৰ মনোবল অটুট ৰখাৰ লগতে বুজাৰ সামর্থ বঢ়াবলৈ নিয়মীয়া অনুপ্রেৰণাদায়ক মতামত আগবঢ়োৱা। বাহ্যিক মূল্যায়নৰ বাবে পাঠ্যক্রমত সন্নিৱিষ্ট আটাইবোৰ অধ্যায়ৰে প্রশ্ন সোধা উচিত। প্রশ্নবোৰৰ প্রকাৰ বস্তুনিষ্ঠ/চুটি/ৰচনাধর্মী হয় আৰু প্রাপ্ত উত্তৰৰ মূল্যায়ন কৰা হয়। আভ্যন্তৰীণ আৰু বাহ্যিক মূল্যায়নত প্রদান কৰা নম্বৰৰ অনুপাত হ'ল ৩০ঃ৭০।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ NCTE য়ে অনুমোদন জনোৱা দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ D.El.Ed. কার্যসূচীখনৰ ম্যাদ কেইবছৰীয়া?

.....

প্রশ্ন ৭ ঃ D.El.Ed. কার্যসূচীৰ মূল্যায়ন ব্যৱস্থাটোৰ বিষয়ে চমুকৈ লিখক।

.....

.....

৯.৬ দূৰৱৰ্ত্তী শিক্ষা আৰু ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদৰ শিক্ষা বিষয়ৰ স্নাতক (B.Ed.) পাঠ্যক্রম

B.Ed. হ'ল এটা বৃত্তিগত শৈক্ষিক কার্যসূচী। ই উচ্চ প্রাথমিক (ষষ্ঠৰ পৰা অষ্টম শ্রেণী), উচ্চ মাধ্যমিক (নৱম-দশম শ্রেণী) আৰু উচ্চতৰ মাধ্যমিক (একাদশ-দ্বাদশ শ্রেণী) পর্যায়ৰ শিক্ষকক শিক্ষাদানৰ বাবে প্রস্তুত কৰি তোলে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে বিদ্যালয়ত বর্তমান সেৱা আগবঢ়াই থকা শিক্ষকসকলে এই বৃত্তিগত শিক্ষা বিষয়ৰ স্নাতক (B.Ed.) পাঠ্যক্রমটো পঢ়িব পাৰে। শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত ই হ'ল দ্বিতীয়টো গুৰুত্বপূর্ণ ডিগ্রী। উচ্চ প্রাথমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ত কোনো ধৰণৰ আনুষ্ঠানিক উচ্চ মাধ্যমিক স্তৰৰ শিক্ষক প্রশিক্ষণ গ্রহণ নকৰাকৈ পোনে পোনে শিক্ষকৰ বৃত্তিত যোগ দিয়াসকলে নিজৰ বৃত্তিগত দক্ষতা উন্নত কৰিবলৈ এই পাঠ্যক্রম অধ্যয়ন কৰে। NCTEএ উচ্চ মাধ্যমিক পর্যায়ত পাঠদান কৰি থকা শিক্ষকসকলৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষা বিষয়ৰ স্নাতক পাঠ্যক্রম চলোৱাত অনুমোদন জনাইছে। শিক্ষক পদৰ বাবে NCTEএ জাৰি কৰা জাননীত নূন্যতম অর্হতাৰ শিতানত B.Ed. ডিগ্রীটো সন্নিৰিষ্ট কৰা হৈছে। এই পাঠ্যক্রম সমাপ্ত কৰাৰ সাধাৰণ সময়সীমা হ'ল দুটা শিক্ষাবর্ষ। অৱশ্যে শিক্ষার্থীসকলে সর্বাধিক পাঁচ বছৰৰ ভিতৰত এই পাঠ্যক্রমৰ অধ্যয়ন সমাপ্ত কৰাৰ সুযোগ পায়।

B.Ed. পাঠ্যক্রমটো মুখামুখি শিক্ষণ ব্যৱস্থাৰ জৰিয়তেও আগবঢ়াই অহা হৈছে। সেয়েহে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে আগবঢ়োৱা কার্যসূচীখনৰ কার্যসূচীও B.Ed. বুলি উল্লেখ কৰা বিষয়টোৰ পাঠ্যক্রমৰ সৈতে একে হ'ব লাগে। শিক্ষকসকলৰ অতীত শিক্ষণ অভিজ্ঞতাবোৰক প্রণালীবদ্ধ আৰু সংৰচনাত্মক ৰূপ দিব পৰাকৈ পাঠ্যক্রমখন যুগুত কৰা হয়। কাৰণ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে আগবঢ়োৱা B.Ed. পাঠ্যক্রমে শিক্ষকতা বৃত্তিত জড়িত থকা (Enservice) শিক্ষকসকলক সহায় কৰে। কার্যসূচীৰ আর্হি, বিকাশ আৰু কার্যৰূপায়ণৰ বাবে শিকনৰ যৌক্তিক ক্রমৰ মিশ্রণ ব্যৱহাৰ কৰা উচিত। এই কার্যসূচীক দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সৈতে খাপ খোৱাকৈ অধ্যয়নৰ ক্রেডিট ঘণ্টাৰ হিচাপত বিভিন্ন খণ্ড/অধ্যায়ত ভাগ কৰা হয়। শৈক্ষিক প্রতিষ্ঠানবোৰে প্রস্তুত কৰা স্বশিকন সামগ্রীবোৰ দূৰৱৰ্ত্তী শিক্ষা পৰিষদ/ব্যুৰ'ৰ অনুমোদন প্রাপ্ত হোৱা উচিত।

দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে আগবঢ়োৱা B.Ed. কার্যসূচীৰ লক্ষ্য হ'ল শিক্ষকসকলৰ বৃত্তিগত অনুশীলনৰ অবিৰত মূল্যায়ন তথা দক্ষতা উন্নত কৰিব পৰাকৈ সমর্থ কৰি তোলা। B.Ed. কার্যসূচী অধ্যয়নৰ সুযোগ দিয়াৰ সময়ত মনত ৰাখিবলগীয়া গুৰুত্বপূর্ণ কথা কেইটামান হ'ল—

- কার্যসূচীখন চলাব খোজা বিশ্ববিদ্যালয়/শিক্ষানুষ্ঠানবোৰে নিজাকৈ পাঠ্যক্রম ভিত্তিক দৃশ্য-শ্রাব্য সমল প্রস্তুত কৰিব লাগে নাইবা অন্য অনুষ্ঠানে প্রস্তুত কৰা এনে সমল গ্রহণ কৰিব লাগে।
- কার্যসূচীখন এটা মিশ্রিত ৰূপত শিক্ষার্থীলৈ আগবঢ়াব লাগে। ইয়াৰ বাবে স্ব-শিকন, মুখামুখি পৰামর্শদান, কর্মশালা, প্রযুক্তিৰ সহায়ত সম্পন্ন কৰা আন্তঃক্রিয়া আৰু শিকনৰ আধাৰত সংগৃহিত সমলৰ উপাদানবোৰ যুক্তিযুক্তভাৱে মিহলি কৰিব লাগে।
- নির্দেশাত্মক আর্হি আৰু স্ব-শিকনৰ শিক্ষাদান শৈলীৰ নীতিবোৰৰ আধাৰত ছপা আৰু ছপা নকৰা স্ব-শিকন সামগ্রীবোৰ প্রস্তুত কৰিব লাগে।
- দুবছৰীয়া কার্যসূচী চলি থকা সময়তে অনুষ্ঠান/প্রতিষ্ঠানৰ মুখ্য কার্যালয় নাইবা শিক্ষার্থীৰ সুবিধা হোৱাকৈ অধ্যয়ন কেন্দ্রবোৰত ব্যক্তিগত যোগাযোগ কার্যসূচীবোৰৰ আয়োজন কৰিব লাগে। এনে কার্যসূচীত পৰামর্শদান, কর্মশালা, আলোচনা চক্রত কৰা কাকত উপস্থাপন, প্রতিবেদন লিখাৰ কৌশল আদিক সামৰি লোৱা উচিত।
- সমগ্র কার্যসূচীকালতেই শৈক্ষিক পৰামর্শদান সত্রবোৰ চলি থাকিব লাগে। এনে সত্র শিক্ষার্থীৰ প্রয়োজন আৰু সুবিধা অনুসৰি নিয়মীয়াকৈ বহা উচিত।
- শিক্ষার্থীক শিক্ষক নাইবা শিক্ষকক শিক্ষাদান কৰোঁতাৰ বৃত্তি গ্রহণ কৰাৰ বাবে প্রয়োজনীয় সামর্থ তথা দক্ষতা আহৰণত সহায় কৰিবলৈ বিভিন্ন কর্মশালাৰ আয়োজন কৰা উচিত।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষকৰ শিক্ষা পাঠ্যক্রম অধ্যয়ন কৰি থকা শিক্ষার্থীসকলক বিদ্যালয়ত কৰি দেখুৱাবলগীয়া বিভিন্ন ধৰণৰ কার্যকলাপত জড়িত কৰাব লাগে।
- B.Ed. কার্যসূচী অধ্যয়ন কৰি থকা শিক্ষার্থীসকলে নির্দিষ্ট বিদ্যালয়ত একোটা শিক্ষণ অনুশীলনত ভাগ ল'ব লাগে। এনে অনুশীলন শিক্ষক/শৈক্ষিক পৰামর্শদাতাৰ তত্ত্বাৱধানত সম্পন্ন কৰা হয়।
- শৈক্ষিক অনুষ্ঠানৰ প্রধান কার্যালয়ত কর্মৰতসকলে পাঠ্যক্রম, স্ব-শিকন সামগ্রী, আর্হি পাঠ পৰিকল্পনা আৰু দৃশ্য-শ্রাব্য সামগ্রীবোৰ প্রস্তুত কৰে। এনে সামগ্রীবোৰ অধ্যয়ন কেন্দ্রবোৰে ব্যৱহাৰ কৰে।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে B.Ed. কার্যসূচীত অধ্যয়নৰ সুযোগ আগবঢ়োৱা শিক্ষানুষ্ঠানবোৰৰ নিজা ৱেবচাইট থাকিব লাগে। ইয়াৰ ফলত শিক্ষার্থীসকলে সহজে আটাইবোৰ শিকন সামগ্রী তথা সমল সংগ্রহ কৰিব পাৰে আৰু সহপাঠীৰ সৈতে প্রয়োজন অনুসৰি বিভিন্ন আন্তঃক্রিয়া সম্পন্ন কৰিব পাৰে। সক্রিয় ৱেবচাইটৰ সহায়ত শিক্ষক-শিক্ষার্থীৰ মাজত উপযুক্ত সামাজিক মাধ্যম নাইবা নেটৱর্কিং সেৱাৰ মাধ্যমেৰে

বিভিন্ন আলাপ-আলোচনাও চলাব পৰা যায়।

এনে শৈক্ষিক অনুষ্ঠানবোৰৰ প্ৰধান কার্যালয় আৰু অধ্যয়ন কেন্দ্ৰবোৰত পর্যাপ্ত সংখ্যক শিক্ষার্থী সমর্থন সেৱা থাকিব লাগে। শিক্ষকৰ শিক্ষা কার্যসূচীৰ শিক্ষার্থীসকলৰ মূল্যায়নৰ বাবে শিক্ষানুষ্ঠানবোৰে অবিৰত তথা বিস্তৃত মূল্যায়ন পদ্ধতি প্রয়োগ কৰাৰ লগতে বছৰেকীয়া পৰীক্ষা পাতে। অবিৰত তথা বিস্তৃত মূল্যায়নত কর্মশালাত অংশগ্রহণ তথা পাৰদর্শিতা প্রদর্শনৰ আধাৰত প্রাপ্য নম্বৰ দিয়া হয়। শিক্ষার্থীয়ে জমা দিয়া প্রদত্ত কার্য/প্রকল্প প্রতিবেদন আদি শিক্ষক/পৰামর্শদাতাসকলে নির্দিষ্ট সময়ৰ ভিতৰত পৰীক্ষা কৰি উপযুক্ত নম্বৰ দিয়ে। প্রদত্ত কার্য/প্রকল্প প্রতিবেদনবোৰত যথোপযুক্ত গঠনমূলক মন্তব্য আৰু পৰামর্শ লিখি শিক্ষার্থীসকলক ওভটাই দিয়া হয়। ই শিক্ষার্থীৰ ভৱিষ্যৎ পাৰদর্শিতা উন্নত কৰাত সহায় কৰে। প্রদত্ত কার্য/প্রকল্প প্রতিবেদনবোৰৰ মূল্যায়নৰ প্রধান কাম হ'ল শিক্ষার্থীৰ মনোবল অটুট ৰখাৰ লগতে বুজাৰ সামর্থ বঢ়াবলৈ নিয়মীয়া অনুপ্রেৰণাদায়ক মতামত আগবঢ়োৱা। বাহ্যিক মূল্যায়নৰ বাবে পাঠ্যক্রমত সন্নিৱিষ্ট আটাইবোৰ অধ্যায়ৰে প্রশ্ন সোধা উচিত। প্রশ্নবোৰৰ প্রকাৰ বস্তুনিষ্ঠ/চুটি/ৰচনাধর্মী হয় আৰু প্রাপ্ত উত্তৰৰ মূল্যায়ন কৰা হয়। আভ্যন্তৰীণ আৰু বাহ্যিক মূল্যায়নত প্রদান কৰা নম্বৰৰ অনুপাত হ'ল ৩০ঃ৭০।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ NCTE য়ে অনুমোদন জনোৱা দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে অধ্যয়নৰ সুবিধা থকা B.Ed. কার্যসূচীৰ লক্ষ্য কি?

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষকৰ শিক্ষাই শিক্ষণ দক্ষতা, সুস্থ শিক্ষাদান শৈলী তত্ত্ব আৰু বৃত্তিগত দক্ষতাৰ বিকাশক সামৰি লয়।
- শিক্ষকৰ শিক্ষা হ'ল এক সম্পূর্ণ শৈক্ষিক অভিজ্ঞতা। ই এগৰাকী ব্যক্তিক শিক্ষকৰূপে প্রস্তুত কৰি তোলে। কিন্তু এই অভিধাটো সম্পূর্ণৰূপে কোনো এক শৈক্ষিক প্রতিষ্ঠানে আগবঢ়োৱা সেইবোৰ পাঠ্যক্রম আৰু অন্য অভিজ্ঞতা সম্বলিত কার্যসূচীৰ কথা বুজাবলৈ ব্যৱহাৰ কৰা হয় যিবোৰে ব্যক্তিক শিক্ষা তথা অন্য শৈক্ষিক সেৱাৰ বাবে প্রস্তুত কৰি তোলাৰ উদ্দেশ্য ঘোষণা কৰাৰ লগতে এনে সেৱাৰ বাবে তেওঁলোকৰ দক্ষতা বৃদ্ধিত অৱিহণা যোগায়।

- শিক্ষকৰ শিক্ষা কার্যসূচী/পাঠ্যক্রমবোৰ শিক্ষক মহাবিদ্যালয়, নর্মাল বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ দৰে শৈক্ষিক অনুষ্ঠানবোৰে আগবঢ়ায়।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক প্রশিক্ষণ দিব পৰা পন্থাটোৱে নিজ অস্তিত্ব সাব্যস্ত কৰিছে। পন্থাটোৱে জনপ্রিয়তাও অর্জন কৰিছে। বহুতো আগ্রহী ব্যক্তি আৰু বৃত্তিজীৱী শিক্ষকে শিকণৰ এই পন্থাটো গ্রহণ কৰিছে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষকক প্রশিক্ষণ দিয়াৰ কামটো ভাৰতত পাঁচ দশকৰো অধিক কাল জুৰি চলি আহিছে।
- শিক্ষা আয়োগ (১৯৬৪-৬৬)এ গ্রীষ্মকালীন পাঠ্যক্রম, দীঘলীয়া বন্ধকালীন পাঠ্যক্রম, অংশকালীন পাঠ্যক্রম আৰু ডাক পাঠ্যক্রম আদি ব্যৱস্থাৰ জৰিয়তে প্রশিক্ষণহীন শিক্ষকক প্রশিক্ষণ প্রদান কৰাৰ পৰিপূৰক ব্যৱস্থা গ্রহণৰ পৰামর্শ দিছিল।
- ৰাষ্ট্রীয় শিক্ষকৰ শিক্ষা পৰিষদে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে প্রাথমিক শিক্ষকৰ শিক্ষা কার্যসূচী অধ্যয়নক স্বীকৃতি প্রদান কৰিছে। ইয়াৰ প্রধান উদ্দেশ্য হ'ল প্রাথমিক বিদ্যালয়ত সেৱা আগবঢ়াই থকা শিক্ষকসকলৰ বৃত্তিগত সামর্থ উন্নততৰ কৰি তোলা। এই কার্যসূচীৰ লক্ষ্য হ'ল শিক্ষকসকলক প্রথম শ্রেণীৰ পৰা অষ্টম শ্রেণীৰ ছাত্র-ছাত্রীক শিক্ষাদান কৰিব পৰাকৈ সাজু কৰি তোলা। এই কার্যসূচী অধ্যয়নৰ সময়সীমা হ'ল দুটা শৈক্ষিক বর্ষ। অৱশ্যে শিক্ষার্থীসকলক সর্বাধিক পাঁচ বছৰৰ ভিতৰত এই কার্যসূচীত উত্তীর্ণ হোৱাৰ সুযোগ দিয়া হয়।
- শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত দ্বিতীয়টো গুৰুত্বপূর্ণ ডিগ্রী হ'ল বি.এড.। উচ্চ প্রাথমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ৰ ছাত্র-ছাত্রীক শিক্ষাদান কৰি থকা শিক্ষকসকলৰ বৃত্তিগত দক্ষতা উন্নত কৰাই হ'ল এই ডিগ্রীৰ লক্ষ্য। উচ্চতৰ শাখাৰ ছাত্র-ছাত্রীক পঢ়ুওৱাৰ আনুষ্ঠানিক শিক্ষক প্রশিক্ষণ লাভ নকৰাকৈ শিক্ষকৰ বৃত্তিত যোগ দিয়াসকলক সহায় কৰিবলৈ এই কার্যসূচী যুগুতাই উলিওৱা হৈছে।
- NCTE য়ে উচ্চ মাধ্যমিক পর্যায়ত পাঠদান কৰি থকা শিক্ষকসকলৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষা বিষয়ৰ স্নাতক পাঠ্যক্রম চলোৱাত অনুমোদন জনাইছে। শিক্ষক পদৰ বাবে NCTE য়ে জাৰি কৰা জাননীত নূন্যতম অর্হতাৰ শিতানত B.Ed. ডিগ্রীটো সন্নিৱিষ্ট কৰা হৈছে। এই পাঠ্যক্রম সমাপ্ত কৰাৰ সাধাৰণ সময়সীমা হ'ল দুটা শিক্ষাবর্ষ। অৱশ্যে শিক্ষার্থীসকলে সর্বাধিক পাঁচ বছৰৰ ভিতৰত এই পাঠ্যক্রমৰ অধ্যয়ন সমাপ্ত কৰাৰ সুযোগ পায়।



৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Arora, G. L. (2002). *Teachers and Their Teaching Delhi*, Ravi Books.

২) Chaurasia, G. (2000). *Teacher Education and Professional Organizations, Delhi, Authorspress.*

৩) *National Council for Teacher Education (NCTE) (1998)*. NCTE Document New Delhi, Published by Member Secretary, NCTE.



৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সুস্থ শিক্ষাদান শৈলী তত্ত্ব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ National Council for Educational Research and Training.

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এগৰাকী ব্যক্তিক শিক্ষক বৃত্তিটোৰ সদস্যৰূপে বিভিন্ন দায়িত্ব পালন কৰাৰ নাইবা তেওঁৰ দায়িত্বৰোৰ অধিক ফলপ্ৰসূভাৱে কাৰ্যত ৰূপায়িত কৰাৰ যোগ্যতা আহৰণত সহায় কৰা সকলোবোৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কাৰ্যকলাপ তথা অভিজ্ঞতাকে শিক্ষকৰ শিক্ষা বোলা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ডাকযোগে গ্ৰহণ কৰা শিক্ষা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ National Council for Teacher Education.

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দুবছৰীয়া

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ডি.এল.এড. কাৰ্যসূচী অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলৰ অবিৰত তথা বিস্তৃত মূল্যায়ন কৰা হয়। এই কাৰ্যসূচী চলাই থকা শিক্ষানুষ্ঠানবোৰে মূল্যায়নৰ বাবে বছৰেকীয়া পৰীক্ষাও পাতে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ NCTEএ উচ্চ মাধ্যমিক পৰ্যায়ত পাঠদান কৰি থকা শিক্ষকসকলৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষা বিষয়ৰ স্নাতক পাঠ্যক্ৰম চলোৱাত অনুমোদন জনাইছে। শিক্ষক পদৰ বাবে NCTEএ জাৰি কৰা জাননীত নূন্যতম অৰ্হতাৰ শিতানত B.Ed. ডিগ্ৰীটো সন্নিৱিষ্ট কৰা হৈছে।



৯.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষকৰ শিক্ষাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ SCERTৰ সম্পূৰ্ণ নামটো কি?

প্ৰশ্ন ৩ ঃ DIETৰ সম্পূৰ্ণ নামটো কি?

প্ৰশ্ন ৪ ঃ NCTE কোন চনত গঠন কৰা হৈছিল?

প্ৰশ্ন ৫ ঃ NCTE এ অনুমোদন জনোৱা দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে চলাই থকা B.Ed. ডিগ্ৰীৰ সময়সীমা কিমান?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষকৰ শিক্ষাৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে আগবঢ়োৱা শিক্ষকৰ প্ৰশিক্ষণ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ NCTEএ অনুমোদন জনোৱা B.Ed. কাৰ্যসূচীৰ মূল্যায়ন প্ৰক্ৰিয়াটোৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ NCTEএ অনুমোদন জনোৱা D.El.Ed. কাৰ্যসূচীখনৰ ৰূপায়ণ প্ৰক্ৰিয়াটোৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে প্ৰদান কৰা শিক্ষকৰ প্ৰশিক্ষণ সম্পৰ্কে এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে NCTEএ আগবঢ়োৱা D.El.Ed. কাৰ্যসূচীটোৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে NCTEএ আগবঢ়োৱা B.Ed. কাৰ্যসূচীটোৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায়. ১০.ঃ দূৰৱৰ্ত্তী শিক্ষাৰ গুণগত আশ্বাস

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ গুণগত শিক্ষাৰ ধাৰণা
১০.৩.১ দূৰৱৰ্ত্তী শিক্ষাত গুণগত আশ্বাস বা নিশ্চিতকৰণ
১০.৩.২ দূৰৱৰ্ত্তী শিক্ষাত গুণগত আশ্বাসৰ বিভিন্ন উপায়
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্রগতিৰ খতিয়ান
১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিচত আপুনি ঃ—

- গুণগত শিক্ষাৰ ধাৰণাৰ অর্থ নির্ণয় কৰিব পাৰিব,
- দূৰৱৰ্ত্তী শিক্ষাৰ গুণগত মানৰ আশ্বাস সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব,
- দূৰৱৰ্ত্তী শিক্ষাত গুণগত আশ্বাসৰ বিভিন্ন উপায় সম্বন্ধে আলোচনা কৰিবলৈ সমর্থবান হ'ব।

১০.২ পৰিচয়

এখন দেশৰ সর্বাঙ্গীনভাবে আর্থ-সামাজিক আৰু সাংস্কৃতিক বিকাশ আৰু মানব সম্পদ বিকাশৰ মাজত গভীৰ সম্বন্ধ আছে। প্রকৃততে, জ্ঞান আৰু কৌশলৰ সম্প্রসাৰণৰ আন্তঃসম্বন্ধ হৈছে মানব সম্পদ বিকাশৰ প্রকৃত উপাদান। মানৱ সম্পদসমূহৰ গুণগত মানৰ উন্নয়নে দেশৰ শতকৰা ২০% জাতীয় আয়ৰ ক্ষেত্রত অৱদান আগবঢ়ায় আৰু সেই অৱদানৰ অন্তৰালত থাকে শিক্ষা আৰু প্রশিক্ষণৰ গুণগত বিকাশ।

২০০৮ চনৰ গোলকীয় মন্দাৱস্থাৰ বাহিৰে ভাৰতীয় অর্থনীতি বিগত ৭/৮ বছৰৰ ভিতৰত বার্ষিক উচ্চ হাৰত শতকৰা ৮ৰ পৰা ৯লৈ উর্ধগামী হৈছে। অদূৰ ভৱিষ্যতে এই হাৰ বিশ্ব পৰিক্রমালৈ লক্ষ্য কৰি দুগুণ তথা দ্রুতগতিৰ হ'ব বুলি আশা কৰিব পৰা যায়। এনে উচ্চ হাৰৰ অর্থনৈতিক বৃদ্ধি অবিৰতভাৱে হ'বলৈ হ'লে ভাৰতবর্ষক এখন প্রধান জ্ঞান অর্থনীতিলৈ ৰূপান্তৰ কৰিব লাগিব; য'ত পর্যাপ্ত আৰু প্রচুৰ পৰিমাণে নিপুন/কৌশলপূর্ণ

আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱ শক্তি উপলব্ধ হয়। বৰ্তমানৰ ধাৰামতে কৌশলপূৰ্ণ আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱশক্তিৰ গঠনৰ হাৰ আমাৰ দেশৰ অৰ্থনীতিৰ উচ্চ গঠনৰ হাৰৰ অৱস্থিতিৰ ক্ষেত্ৰত অধিকভাৱে উৎসাহজনক নহয়।

স্বাধীনতাৰ পিছত আমাৰ দেশৰ স্বাক্ষৰতাৰ হাৰৰ যথেষ্ট উন্নত অৱস্থা প্ৰদৰ্শিত হৈছে। ১৯৫০-৫১ চনত স্বাক্ষৰতাৰ হাৰ আছিল শতকৰা ১৬.৬৭% আৰু ২০১১ চনত ইয়াৰ উন্নতি সাধন হৈছেগৈ শতকৰা ৭৪.৪%। কিন্তু স্বাক্ষৰতাৰ হাৰ বৃদ্ধি হোৱা অৱস্থাটোৱে 'প্ৰধান জ্ঞান অৰ্থনীতিৰ' নেতৃত্ব প্ৰদানত অধিক প্ৰয়োজনীয়তা নাথাকিব যদিহে অৰ্থনীতিৰ নিশ্চিত বিকাশত উপনীত হোৱাৰ ক্ষেত্ৰত আমাৰ দেশৰ মানৱশক্তিক প্ৰকৃত নিৰ্দেশনাৱে আগুৱাই লৈ যোৱা নাযায়। দেশখনে কৌশলী আৰু প্ৰশিক্ষণপ্ৰাপ্ত মানৱশক্তি গঢ়ি তুলিব লাগিব আৰু এইটো সম্ভৱপৰ হ'ব বৃত্তিগত দুয়োবিধ উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ মাধ্যমত। এনেবোৰ কথা মনত ৰাখি শিক্ষাত কি ধৰণে গুণগত মান নিশ্চিত কৰিব পাৰি, ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ ফলপ্ৰসুতা উন্নত অৱস্থালৈ নিব পৰা, বিশেষকৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ইত্যাদিৰ বিষয়ে আলোচনা কৰিবলৈ এক প্ৰচেষ্টা কৰা হৈছে।

১০.৩ গুণগত শিক্ষাৰ ধাৰণা

গুণগত ধাৰণাটোৱে কোনো নিৰ্দিষ্ট বস্তুৰ শ্ৰেষ্ঠতাৰ মানক সূচায়। ই এক প্ৰতিমান এটা পৰ্য্যায় বা এক মানদণ্ডওঁ হ'ব পাৰে যিটো এখন অনুষ্ঠানৰ কৰ্মৰাজি সম্পাদনৰ মূল্যায়নৰ পিচত নিৰ্ণয় কৰা হয়। গুণ নিশ্চিতকৰণ হ'ল এক বিকশিত কৌশল। ইয়াক এখন অনুষ্ঠানৰ সামগ্ৰীকভাৱে ফলপ্ৰসুতাৰ উন্নতকৰণ আৰু প্ৰতিপালনৰ ৰূপাঙ্গন বুলি ক'ব পৰা যায়। এখন অনুষ্ঠানৰ গুণগত মানৰ উন্নতকৰণৰ ক্ষেত্ৰত পাঠ্যক্ৰমিক দিশ, শিকন-শিক্ষণ প্ৰক্ৰিয়া, গৱেষণা পৰামৰ্শদান আৰু শিক্ষা, স্বাস্থ্য অনুশীলন আৰু শিকাৰু সমৰ্থিত সেৱা, প্ৰকাশৰ বিস্তৃতিকৰণ আৰু সহপাঠ্যক্ৰমিক কাৰ্যসূচীসমূহ আদিৰ দৰে দিশবোৰৰ উন্নতিকৰণৰ প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ঃ গুণ মানে আপুনি কি বুজে? এখন শিক্ষানুষ্ঠানত গুণগত মানৰ ওপৰত কিয় গুৰুত্ব দিব লাগে বুলি আপুনি ভাৱে?

.....

.....

১০.৩.১ দূৰৱৰ্ত্তী শিক্ষাত গুণগত মানৰ নিশ্চিতকৰণ

প্ৰচুৰ পৰিমাণৰ কৌশলী আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱশক্তিৰ দ্বাৰা এক জ্ঞান অৰ্থনীতিত উপনীত হ'ব পৰাকৈ সাম্প্ৰতিক কালত আমাৰ দেশৰ উচ্চ শিক্ষাৰ দৃশ্যপট বৰ উৎসাহজনক বা সন্তোষজনক নহয়। স্বাধীনতা লাভৰ পিচত আৰু বৰ্তমান উপলব্ধ হোৱা তথ্য অনুসৰি বিশ্ববিদ্যালয়সমূহৰ সংখ্যা ২০ ৰ পৰা ১১১৩ লৈ বৃদ্ধি হৈছেগৈ, মহাবিদ্যালয় হৈছেগৈ ৫০০ ৰ পৰা ৪৩,৭৯৬ খন। ((AISHE,২০২০-২১)। ইয়াৰ উপৰিও ১৬খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, এখন ৰাষ্ট্ৰীয় মুক্তবিশ্ববিদ্যালয় আৰু প্ৰচলিত বিশ্ববিদ্যালয়সমূহত ১১২টা দূৰৱৰ্ত্তী শিক্ষা সঞ্চালকালয়ে দ্বৈত প্ৰকৃতিৰে শিক্ষাদান কৰি 'জ্ঞান অৰ্থনীতি'ৰ প্ৰয়োজন পুৰণ কৰি আছে।

'জ্ঞান অৰ্থনীতি' শক্তিশালী কৰাৰ উদ্দেশ্য আগত ৰাখি ভাৰত চৰকাৰে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ৩০খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় (১৪খন ইতিমধ্যে স্থাপিত হৈছে), ৮খন ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (৬খন ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে), ৮খন ভাৰতীয় ব্যৱস্থা প্ৰতিষ্ঠান (৪খন ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে) ১০খন প্ৰযুক্তিবিদ্যাৰ জাতীয় প্ৰতিষ্ঠান, ৫খন বিজ্ঞান আৰু গৱেষণা প্ৰতিষ্ঠান, ২খন স্থাপত্যবিদ্যা প্ৰতিষ্ঠান (স্কুল), ৩৭৪খন আৰ্হি স্নাতক মহাবিদ্যালয় ইত্যাদি স্থাপন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিব। লগতে ১০০০খন পলিটেক্‌নিকৰ সহায়ত অৰ্থনীতিৰ চাহিদা অনুযায়ী প্ৰশিক্ষণপ্ৰাপ্ত কৌশলী মানৱ শক্তি গঢ়ি তুলিবলৈ বিচাৰিছে। অলপদিন আগতে ভাৰতৰ মানৱসম্পদ বিকাশ মন্ত্ৰণালয়ে ৮০০খন নতুন বিশ্ববিদ্যালয় ভাৰতবৰ্ষত স্থাপন কৰিব বুলি ঘোষণা কৰিছে। উল্লেখনীয়ভাৱে (অৰ্থবোধকভাবে), ভাৰতবৰ্ষৰ উচ্চশিক্ষাৰ বৰ্তমান সময়ৰ মুঠ নামভৰ্তিকৰণৰ অনুপাতে বিশ্বৰ ছবিখনলৈ যেতিয়া আমি চাওঁ তেতিয়া বহুত নিম্নমানৰ দেখা পাওঁ। ই বিশ্বৰ মুঠ নামভৰ্তিৰ হাৰৰ আধা (শতকৰা ২৭.৩%) আৰু ভাগ উন্নতশীল ৰাষ্ট্ৰসমূহৰ (শতকৰা ৪৮%) আৰু একেবাৰে নিম্নমানৰ গড় উন্নত ৰাষ্ট্ৰবোৰৰ (শতকৰা ৮৮%)। আনকি চীন দেশৰ লগত তুলনা কৰিলেও ভাৰতৰ উচ্চশিক্ষাত নামভৰ্তিকৰণৰ মুঠ হাৰ নিম্নমানৰ হোৱা দেখা যায় (১০%) যদিও তুলনামূলকভাৱে ই প্ৰায় দহবছৰ পূৰ্বৰ হ'ব। ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ মাজতো মুঠ নামভৰ্তিৰ হাৰৰ ভাজত যথেষ্ট ভিন্নতা থকা পৰিলক্ষিত হয়।

উচ্চশিক্ষাৰ ক্ষেত্ৰখনলৈ প্ৰৱেশ কৰাৰ ক্ষেত্ৰত নিৰ্দিষ্ট বয়সৰ দলৰ বহুখিনি জনসংখ্যাই

আপত্তি কৰা দেখা যায়। এইটো অকল প্ৰচলিত শিক্ষা ব্যৱস্থাত থকা সীমিত আসনৰ বাবে নহয়, লগতে শিক্ষাৰ খৰচ বৃদ্ধিও অন্য এটা কাৰণ। ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানসমূহত বৰ্ধিত মাছুলৰ বাবে সমাজৰ বহুসংখ্যক ইচ্ছুক শিক্ষার্থীয়ে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হৈছে।

একাদশ পঞ্চম বার্ষিক পৰিকল্পনাৰ শেষলৈ উচ্চ শিক্ষাত শতকৰা ১৫% আৰু কেন্দ্ৰীয়, ৰাজ্যিক, ডিমড্ আৰু ব্যক্তিগত খণ্ডৰ প্ৰচলিত বিশ্ববিদ্যালয়সমূহ আৰু ব্যক্তিগত খণ্ডৰ লগতে অন্যান্য শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা ২০২০ চনৰ ভিতৰত ৩০ শতাংশ মুঠ নামভর্ত্তিকৰণৰ যি লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে সেই লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা অতি ক্ষীণ। এইটো মূলত সীমিত আসন আৰু উচ্চহাৰৰ খৰচ বিশেষকৈ ব্যক্তিগত খণ্ডৰ দ্বাৰা ধার্য্য কৰা বাবে উচ্চশিক্ষাৰ ক্ষেত্ৰখনলৈ প্ৰৱেশ কৰিব বিচৰা বৃহৎ সংখ্যক ব্যক্তিয়ে বাধাৰ সন্মুখীন হৈছে। নিৰ্দ্ধাৰিত লক্ষ্যৰ মুঠ নামভর্তিৰ হাৰত উপনীত হ'ব পৰাৰ দৰে এই দুসাধ্য কাম সম্পাদন কৰাটো সম্ভৱ হ'ব মুক্ত, নমনীয় আৰু কম ব্যয়ৰ শিক্ষাৰ মাধ্যমেৰেহে, যিটো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ দ্বাৰা দিব পৰা যাব। ৰাষ্ট্ৰীয় জ্ঞান আয়োগেও ২১ শতিকাত 'জ্ঞানসমাজ' গঢ়ি তোলাৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ দায়িত্বও অর্পন কৰিছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত থকা তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ব্ৰড্‌বেণ্ড আৰু চেটেলাইট্ নেটৱৰ্কৰ দ্বাৰা শিথিল, ব্যয় বহন যোগ্য আৰু শিক্ষার্থী অনুকুল পৰিৱেশৰ মাধ্যমেৰে সঙ্গতিপূৰ্ণ গুণগত শিক্ষা সকলো নাগৰিকৰ দুৱাৰ দলি পর্য্যন্ত প্ৰদান কৰিব পৰা যায়। এই ব্যৱস্থাৰ দ্বাৰা শিকণ শিক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে '3 As scenerio- Anyone, Anytime, Any where' অর্থাৎ স্থান, কাল, পাত্ৰ ভেদে 'বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ' (Education beyond barriers) কৰিব পৰা যায়। ৰাষ্ট্ৰীয় জ্ঞান আয়োগে এক প্ৰতিবেদনত বিশেষভাৱে উল্লেখ কৰিছে যে— 'মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা, তথ্য আৰু সংযোগ প্ৰযুক্তিৰ দ্বাৰা দক্ষতা গঠনৰ বাবে সহজলভ্য, নতুন আৰু বিকল্প প্ৰকৃতিৰ শিক্ষা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতি বদ্ধ'। (NKC, ২০০৯, পৃষ্ঠা ৪)। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ বহল পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি সাধাৰণ, বৃত্তিগত আৰু বৃত্তিমুখী উচ্চশিক্ষাত নমনীয় প্ৰবেশৰ ব্যৱস্থা কৰিব লাগিব। কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়োবিধ চৰকাৰে মুক্ত আৰু দূৰ শিক্ষাৰ মাধ্যমত ১৯৮০ চনৰ পৰাই দিগন্তমুখী আৰু বিস্তৃত গুণগত মানৰ শিক্ষা সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আছে। ইয়াৰ ফলশ্ৰুতিতে বর্তমানলৈ ১৫খন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, এখন ৰাষ্ট্ৰীয় মুক্তবিশ্ববিদ্যালয় (IGNOU) আৰু প্ৰায় ১১২খন প্ৰচলিত বিশ্ববিদ্যালয়ত দূৰৱৰ্ত্তী শিক্ষা সঞ্চালকালয় গঢ় লৈ উঠিছে। সঁচাকৈয়ে মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাটোৱে আমাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত মুঠ নামভর্ত্তিৰ প্ৰায় শতকৰা ১২% ভাগ সম্পূৰ্ণ কৰিছে আৰু মুঠ নামভর্তিৰ হাৰৰ বৃদ্ধিত অৰিহণা যোগাবলৈ সক্ষম হৈছে।

গুণগত মান হ'ল সকলোৰে বাবে শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ প্ৰধান কার্য্য। সেয়েহে প্ৰচলিত শিক্ষাৰ উপৰিও মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ প্ৰতিষ্ঠানসমূহে আৰম্ভণিৰ পৰা

শেষলৈ গুণগত মানৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস কৰিব লাগিব। শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষা এই সকলো পৰ্যায়তে গুণগত মান ৰক্ষা কৰাৰ বাবে ব্যৱস্থা লোৱাটো বৰ্তমান সময়ৰ এটি প্ৰয়োজনীয় দিশ। গুণগত মানৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় জ্ঞান আয়োগে কৈছে যে— " উচ্চ শিক্ষাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বানটো হৈছে সম্ভাব্য নিম্ন ব্যয়েৰে গৰিষ্ঠ সংখ্যক শিক্ষাৰ্থীৰ বাবে গুণগত মানদণ্ডৰ উচ্চ শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা।" (NKC, 2009, page 5) মুক্ত আৰু দূ�ৰ শিক্ষা ব্যৱস্থাৰ উচ্চ শিক্ষাৰ সকলো অংশগ্ৰহণকাৰী মুক্ত বিশ্ববিদ্যালয়, পৰম্পৰাগত বিশ্ববিদ্যালয়সমূহৰ দ্বৈতধৰণ, ডিমড্ বিশ্ববিদ্যালয়সমূহ আৰু ব্যক্তিগত ব্যৱস্থাবোৰে চোৱা উচিত যাতে 'জ্ঞানসমাজ' গঠন কৰাৰ বৃহত্তৰ স্বাৰ্থত কেতিয়াও উচ্চশিক্ষাৰ গুণগত দিশ ৰক্ষা কৰাত আপোচ কৰা নহয়। কিন্তু দুৰ্ভাগ্যক্ৰমে অংশগ্ৰহণকাৰীসকলৰ মাজত প্ৰাক প্ৰবল্য অনুভূতি থাকে যে কিছুমান বিশ্ববিদ্যালয় বা অনুষ্ঠানে বহুলাভৰ আশাত সমাজত গুণগত মানৰ শিক্ষাপ্ৰদানৰ কথা পাহৰি দূ�ৰশিক্ষা আৰু মুক্তশিক্ষা ধৰণটোৰ গুণগত মানৰ ক্ষেত্ৰত আপোচ কৰিবলৈ লৈছে। ঘটনাক্ৰমে, অধিকসংখ্যক দ্বৈত ধৰণৰ বিশ্ববিদ্যালয়ৰ দূ�ৰশিক্ষা সঞ্চালকালয়ৰ মাধ্যমত অতিৰিক্ত সমল সৃষ্টি কৰি পৰম্পৰাগত শিক্ষণ আঁচনিৰ উন্নতি সাধনত সাধাৰণভাৱে বিনিয়োগ কৰা দেখা যায় আৰু অলপমানহে দূৰ শিক্ষাত বিনিয়োগ কৰিবলৈ লয়, তাৰ ফলস্বৰূপে মুক্ত আৰু দূৰশিক্ষণ ধাৰণাটোৰ মাধ্যমত সম্প্ৰসাৰণ কৰা শিক্ষাৰ গুণগত মানত বেয়াধৰণে প্ৰভাব পৰিবলৈ লয়।

দূৰশিক্ষা ধৰণৰ মাধ্যমত গুণগত মান নিশ্চিত কৰাৰ কাৰণে ৰাষ্ট্ৰীয় জ্ঞান আয়োগে (এন.কে.চি) মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষণ প্ৰতিষ্ঠান সমূহক নিয়মীয়া ব্যৱধানত নিৰূপন আৰু মূল্যায়ন কৰাৰ বাবে এটা 'বাহ্যিক গুণ নিশ্চিতকৰণ কোষ' গঠন কৰাৰ পৰামৰ্শ আগবঢ়াইছে। দূৰৱৰ্ত্তী শিক্ষা পৰিষদে বা ব্যুৰোও **'আভ্যন্তৰীণ গুণ নিশ্চিতকৰণৰ কেন্দ্ৰ'** একোটা সকলোবোৰ মুক্ত বিশ্ববিদ্যালয়ত খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত গুণৰ প্ৰয়োগৰ এক বিশেষ বৈশিষ্ট আছে। আমি জানো যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাত সাধাৰণতে শিকাৰুসকল শিক্ষা অনুষ্ঠান আৰু শিক্ষকসকলৰ পৰা শাৰীৰিকভাৱে আতঁৰত থাকে, আনকি স্থান আৰু সময়ৰ ক্ষেত্ৰতো। সেয়েহে গুণগত মান ৰক্ষাৰ ক্ষেত্ৰত মুক্ত শিক্ষানুষ্ঠানখনৰ যথেষ্ট দায়িত্ব থাকে। ইয়াক প্ৰকৃততে পদ্ধতিগত ভাৱে আৰু আত্মসচেতনভাৱে চোৱাচিতা কৰিব লাগে। মুক্ত আৰু দূৰ শিক্ষণত গুণৰ প্ৰয়োগ মানে হ'ল আশা কৰা পৰ্যায়ত জ্ঞান আৰু কৌশলক উপনীত কৰোৱা। সেইবোৰ সচৰাচৰ জীৱনত শিকাৰুসকলৰ ব্যক্তিগত আৰু সামাজিক বিনিময় পৰিচালনা কৰাৰ বাবে প্ৰয়োজন।

ই প্ৰকৃত কৰ্ম অভিজ্ঞতাৰ দ্বাৰা পৰৱৰ্ত্তী শিক্ষণৰ বাবে আহিলাসদৃশ হৈ পৰে। এই গুণসমূহ দূৰৱৰ্ত্তী শিক্ষাৰ সকলো শিক্ষাৰ্থীয়ে এক নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত আহৰণ কৰিব লাগিব। তলত গুণৰ মান ৰক্ষণাবেক্ষণৰ কাৰণে কিছুমান ক্ষেত্ৰ উল্লেখ কৰা হ'ল—

যিবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্ৰয়োজন।

- শিকাৰুসকলৰ বাবে স্থানীয়ভাৱে, আঞ্চলিকভাৱে; ৰাষ্ট্ৰীয়ভাৱে আৰু আৰ্ন্তজাতিকভাৱে পাঠ্যক্ৰম ৰূপাংকন আৰু মডিউল প্ৰস্তুতকৰণ।
- শিক্ষণ, শিকন আৰু মূল্যায়ন
- শিকাৰুৰ কৰ্ম সম্পাদন, তেওঁলোকৰ বিকাশ আৰু মূল্যায়ন
- শিক্ষার্থী সহায়কাৰী সমল ব্যৱস্থা।



চি. আই. কিউ.এ (CIQA) ঃ দূৰৱৰ্ত্তী শিক্ষা ব্যুৰোয়ে (Distance Education Bureau (DEB) আমাৰ দেশৰ সকলোবোৰ মুক্ত বিশ্ববিদ্যালয়কে আভ্যান্তৰীন গুণ নিশ্চিতকৰণ কেন্দ্ৰ একোটা স্থাপন কৰাৰ বাবে নির্দেশনা দিছে। Distance Education Bureau, UGC য়ে 'আভ্যান্তৰীন গুণ নিশ্চিতকৰণ কেন্দ্ৰ' স্থাপনৰ ক্ষেত্ৰত সমর্থন আগবঢ়ায়। CIQAয়ে দূৰৱৰ্ত্তী শিক্ষণ বিশ্ববিদ্যালয়সমূহ আৰু অনুষ্ঠানসমূহৰ বৌদ্ধিক সামর্থতাক শক্তিশালী কৰি তোলাৰ বাবে বিভিন্ন ধৰণৰ নির্দেশনা, আদর্শ মানদণ্ড আৰু নীতিসমূহ বিকশিত কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং২ঃ এখন দেশৰ 'জ্ঞান অর্থনীতি' সৃষ্টিকৰণৰ সৈতে মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাত গুণগতমান নিশ্চিতকৰণ কেনেকুৱা ধৰণে সংহতিপূর্ণ? ব্যাখ্যা কৰক।

.....

১০.৩.২ দূৰৱৰ্ত্তী শিক্ষাত গুণগতমান নিশ্চিতকৰণৰ বিভিন্ন উপায়সমূহ

'গুণ' ধাৰণাটোৱে সাধাৰণতে কিছুমান বস্তুৰ মানদণ্ডক সূচায় য'ত আন কিছুমানৰ লগত তুলনা কৰা হয়। গুণে যিকোনো মানৰ কর্মৰ সম্পাদনৰ শ্ৰেষ্ঠতাকো সুচায়। সেয়েহে আমি যেতিয়া দূৰৱৰ্ত্তী শিক্ষাৰ লগত জড়িত গুণ নিশ্চিতকৰণৰ কথা কওঁ তাৰ অর্থ হ'ল আমি কর্মসম্পাদন কৰাৰ সুন্দৰতাৰ পর্য্যায়ত উপনীত হওঁ। মুক্ত আৰু দূৰত্ব শিক্ষণ ব্যৱস্থাৰ বিশেষত্ব আৰু সফলতা কিছুমান উপাদানৰ ওপৰত নির্ভৰশীল। ইয়াত আমি কেইটামান উপাদানৰ বিষয়ে আলোচনা কৰিমহক ঃ-

- **মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ পাঠ্যক্ৰম সুন্দৰভাৱে চিন্তাশীল, নিয়োগ সম্বন্ধীয় আৰু শিকাৰু সম্বন্ধসূচক হোৱা উচিত।**

তুলনামূলকভাৱে পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিকাৰুসকল কম বয়সীয়া তেওঁলোকৰ মূল লক্ষ্য হ'ল চাকৰিৰ বজাৰত সোমাই পৰা কিন্তু মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ শিকাৰুসকল হ'ল সকলো বয়সৰ ব্যক্তিৰ বাবে। কিছুমান একেবাৰে নতুন আৰু চাকৰি প্ৰয়াসী, কিছুমান ইতিমধ্যে চাকৰিয়াল তেওঁলোকৰ লক্ষ্য হ'ল অৰ্হতা বৃদ্ধি কৰি পদোন্নতি লোৱা, কিছুমান হ'ল গৃহিণী আৰু বয়োজেষ্ঠ নাগৰিক, যিসকলে জীৱন ব্যাপ্তি শিক্ষা আহৰণ কৰিব বিচাৰে আৰু নিজকে সমৃদ্ধিশালী কৰিব বিচাৰে। সেয়েহে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যক্ৰম বিশেষভাৱে নজৰ দি প্ৰস্তুত কৰি তুলিব লাগিব যাতে ই শিকাৰু সম্বন্ধিত হয়। নব্য ধাৰণাৰ পাঠ্যক্ৰমৰ লগতে প্ৰয়োজন আধাৰিত পাঠ্যক্ৰম যেনে কথন ইংৰাজী কম্পিউটাৰ প্ৰয়োগ আৰু কাৰ্যালয় ব্যৱস্থাপনা, দেশৰ সাংস্কৃতিক ইতিহাস পৰিবেশ অধ্যয়ন আৰু দুৰ্যোগ ব্যৱস্থাপনা আদিৰ দৰে পাঠ্যক্ৰমো সামৰি ল'ব লাগিব। এনে ধৰণৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিয়ে শিকাৰুসকলক নিয়োগৰ সুবিধা লাভত অৱিহণা যোগাব।

➢ **স্ব-শিক্ষণ সামগ্ৰী-ছপা আৰু দৃশ্য-শ্ৰাব্য দুয়োবিধ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই সামগ্ৰীসমূহ উচ্চ মান বিশিষ্ট হোৱা উচিত।**

সকলোবোৰ ছপাকৰা স্ব-শিক্ষণ মাধ্যম বা আহিলা ঘৰুৱা আৰ্হিৰ মানদণ্ডৰ হ'ব লাগে, ভাষাৰ লালিত্য সহজ সৰল আৰু বোধগম্য হ'ব লাগে আৰু শিকাৰুসকলে যেতিয়া ইয়াক অধ্যয়ন কৰিবলৈ লয় সেই সময়ত তেওঁলোকৰ শিক্ষক ওচৰতেই আছে তেনেধৰণৰ অনুভৱ হোৱা উচিত। 'ৰাষ্ট্ৰীয় জ্ঞান আয়োগে' 'জ্ঞান সমাজ' তৈয়াৰ কৰাৰ অৰ্থে দক্ষ্যতা উপলব্ধ কৰিবলৈ "মুক্ত শৈক্ষিক সম্পদসমূহ" তৈয়াৰ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। 'দূৰৱৰ্ত্তী শিক্ষা পৰিষদ' আৰু ইন্দিৰাগান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানসমূহক গুণবিশিষ্ট স্ব-শিক্ষণ সামগ্ৰী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট পৰ্য্যায়ৰ সমতা ৰক্ষাৰ নিৰ্দেশনা আগবঢ়ায়।

➢ **উপযুক্ত আৰু ফলপ্ৰসু নিৰ্দেশনাদানৰ সত্ৰসমূহ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰি মুখামুখী পাৰস্পৰিক ক্ৰিয়াৰ লগতে শ্ৰৱণদৰ্শনৰ মাধ্যমত অনুষ্ঠিত কৰিব লাগে।**

দূৰৱৰ্ত্তী শিক্ষা পৰিষদৰ বিধান অনুসৰে ৩ঘণ্টা সময়ৰ নিৰ্দেশনাৰ ব্যৱস্থা একোটা কাৰ্য্যক্ৰমৰ প্ৰত্যেকটো 'ক্ৰেডিত পইণ্ট'ৰ বাবে হ'ব লাগে। অধ্যয়ন কেন্দ্ৰবোৰৰ যোগেদি পৰামৰ্শদান শ্ৰেণীসমূহ অনুষ্ঠিত কৰাৰ উপৰিও মুক্তবিশ্ববিদ্যালয়বোৰ আৰু আন আন সঞ্চালকালয়সমূহে শিকাৰুসকলৰ ব্যৱহাৰৰ বাবে শ্ৰব্য আৰু দৃশ্য-শ্ৰাব্য স্ব-অধ্যয়ন আহিলাসমূহ উৎপাদন কৰিব পাৰে আৰু বক্তৃতা আৰু আলোচনাৰ জৰিয়তে পৰামৰ্শ দান শ্ৰেণীবোৰৰ জীৱন্ত সম্প্ৰচাৰ কৰিব পাৰে।

➢ **সময় উপযোগী শিক্ষাৰ্থী সহায়কাৰী সমল সেৱাসমূহ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ সফলতাৰ কাৰণে যোগান ধৰা উচিত।**

স্ব-শিক্ষণ আহিলাসমূহৰ ব্যৱস্থাকৰণ নিয়মীয়া নিৰ্দেশনা পুথিভড়ালৰ সুবিধাসমূহৰ লগতে বৈদ্যুতিক পুথিভড়াল, শ্ৰৱণদৰ্শন আহিলাসমূহৰ দৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱস্থা, ৰেডিও আৰু দূৰদৰ্শন কাৰ্যক্ৰমসমূহ, তাৰ-যোগ অভিবৰ্তনৰ সুবিধাসমূহ,

অন লাইন কার্য্যক্রম আদি শিকাৰু সমর্থিত সেৱাৰ কিছুমান গুৰুত্বপূর্ণ উপাদান। এইবোৰৰ সময়মতে আৰু ফলদায়কভাৱে ব্যৱস্থা কৰিব লাগে। শৈক্ষিক ৰেডিঅ' আৰু দূৰদর্শন সেৱা যেনে 'জ্ঞান দর্শন' ২৪ ঘন্টীয়া পূর্ণ সংখ্যাগত বর্হিগমন শৈক্ষিক দূৰদর্শন সেৱা 'জ্ঞানবাণী' ইন্দিৰাগান্ধী ৰাষ্ট্রীয় মুক্তবিশ্ববিদ্যালয়ৰ ৰেডিঅ' সেৱাই আমাৰ দেশৰ শিকাৰুসকলৰ মাজত জ্ঞান অৰু তথ্য সম্প্রসাৰণৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা লৈ আছে। কিছুদিন আগতে স্থাপন কৰা ৰাজ্যিক মুক্তবিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়ে উত্তৰ পূর্বাঞ্চলত প্রথম 'সম্প্রদায় ৰেডিঅ' আচনি' 'জ্ঞান তৰংগ' সম্প্রচাৰ কৰিছে। ইয়াৰ পিচতে দ্বিতীয়টো 'সম্প্রদায় ৰেডিঅ' আঁচনি' 'ৰেডিওঁ লুইত' প্রকল্পিত কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'দূৰ আৰু মুক্ত শিক্ষণ প্রতিষ্ঠানে' বা আইডলে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে 'একলব্য' নামেৰে সদৌভাৰত ৰেডিওঁ গুৱাহাটী আৰু ডিব্রুগড় কেন্দ্রৰ মাধ্যমত আন এটি শৈক্ষিক ৰেডিওঁ আঁচনি সম্প্রচাৰ কৰিছে। সদ্যহতে সপ্তাহত দুদিন কিছুমান শৈক্ষিক আঁচনিৰ ওপৰত কৰা আলোচনাৰ মাধ্যমেৰে শৈক্ষিক তথ্য যোগান ধৰি আছে।

➢ **মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ গুণমান তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ ব্যৱহাৰৰ মাধ্যমত বহুল পৰিমাণে উন্নত অৱস্থালৈ গৈছে আৰু সঁচাকৈয়ে তথ্য প্রযুক্তিৰ দ্বাৰা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাটোৱে 3As অর্থাৎ যিকোনো ব্যক্তিক, যিকোনো সময়ত আৰু যিকোনো স্থানত শিক্ষা ব্যৱস্থাসম্ভৱ কৰি তুলিছে।**

তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যা ব্যৱহাৰকাৰীৰ বন্ধুত্ব সূচকতাই ৰেডিওঁ, দূৰদর্শন দৃশ্য-শ্রাব্য স্ব-শিক্ষণ সামগ্রী, ইন্টাৰনেট, তাৰসংযোগ অভিবর্ত্তন, অন-লাইন পাঠ্যক্রম আদিৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ফলপ্রসু শিকন শিক্ষণ প্রক্রিয়া সহজ কৰি তুলিছে। ঘটনাক্রমে, ৰাষ্ট্রীয় জ্ঞান আয়োগে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ প্রযুক্তিগত দাবী পুৰণ কৰিবলৈ ৰাজ্যিক সমর্থনৰ মাধ্যমত এটা ৰাষ্ট্রীয় তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যা গাথনি প্রতিষ্ঠা কৰিবলৈ পৰামর্শ আগবঢ়াইছে। জাতীয় জ্ঞান আয়োগৰ সেই পৰামর্শটোৱে 'জাতীয় জ্ঞান' (নেটৱর্ক), গঠনত নেতৃত্ব বহন কৰিছে যিটোৱে মুক্ত শিক্ষা ব্যৱস্থাৰ উচ্চশিক্ষাৰ অনুষ্ঠান সমূহৰ মাজত এটা যোগসূত্র স্থাপনত দায়িত্ব বহন কৰিছে। এই ৰাষ্ট্রীয় নেটৱর্কৰ মাধ্যমত সমপৰিমাণে জ্ঞানৰ অংশ ল'ব পৰা যাব।

➢স্বচ্চ আৰু পূর্ণপ্রমাণিত পৰীক্ষা ব্যৱস্থা হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ বিশেষত্ব আৰু গুণমানৰ কাৰণে আন এক গুৰুত্বপূর্ণ উপাদান ঃ

প্রচলিত শিক্ষা ব্যৱস্থাত পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন এক সাধাৰণ পৰিঘটনা। মুক্ত আৰু দূৰশিক্ষণ ব্যৱস্থাত পৰীক্ষা সংস্কাৰৰ ব্যৱস্থা কৰিব লাগে যাতে ইয়াৰ পৰীক্ষা ব্যৱস্থাটো স্বচ্চ প্রকৃতিৰ হয় আৰু অসৎ উপায় অৱলম্বনৰ কোনো অৱকাশ নাথাকে। পৰীক্ষাত অসৎ উপায় অৱলম্বনৰ দৰে ঘটনা এটা মূল্যায়ণৰ ত্রুটি হ্রাস কৰি পৰীক্ষা ব্যৱস্থাত সংস্কাৰ সাধন কৰিবলৈ কিছু ব্যৱস্থা লোৱা হৈছে। এই ব্যৱস্থা সমূহ হ'ল -

O পৰীক্ষার্থী গৰাকীৰ আলোকচিত্রৰ পর্বৰ বিশ্লেষণ কৰি প্রৱেশ পত্রত আৰু উর্ত্তীন প্রমাণ পত্রত ছপোৱা হয়।

O প্রশ্নসমূহ প্রশ্নোত্তৰ বহীত ছপোৱা হয় আৰু উত্তৰ কৰাৰ বাবে প্রয়োজনীয় ঠাই ৰখা হয়।

O অতিৰিক্ত প্ৰশ্নোত্তৰ পত্ৰ যোগান ধৰাৰ ব্যৱস্থা নাই যিটোক সাধাৰণতে অপঅনুশীলনৰ সমল বুলি ভবা হয়।

O বহুবিকল্প প্ৰশ্নপত্ৰত একে বস্তুনিষ্ঠ ধৰণৰ প্ৰশ্নসমূহ মিশ্ৰভাৱে সংযোজিত।

O প্ৰশ্নোত্তৰ বহী পুনৰ নিৰিক্ষণৰ ব্যৱস্থা

O অনুবোধক্ৰমে শিকাৰুসকলক নিজৰ প্ৰশ্নোত্তৰ বহীৰ প্ৰতিলিপি দিয়াৰ ব্যৱস্থা।

O নিজৰ প্ৰশ্নোত্তৰ বহীৰ প্ৰতিলিপি পোৱাৰ পিচতো যদি শিকাৰুজন নিজে লাভ কৰা নম্বৰৰ বাবে সুখী নহয় তেওঁ প্ৰশ্নোত্তৰ বহী দ্বিতীয়গৰাকী পৰীক্ষকৰ দ্বাৰা পুনৰ পৰীক্ষা কৰাৰ বাবে আবেদন জনাব পাৰে।

O পৰীক্ষাৰ ফলাফল ঘোষণা সম্পূৰ্ণৰূপে কম্পিউটাৰ প্ৰতিক্ৰিয়াৰ মাজেৰে কৰা হয় যাতে ব্যক্তিগত স্বজনপ্ৰীতি নাথাকে।

➢ **সুপ্ৰশাসনও হ'ল গুণগত নিশ্চিতকৰণৰ এক গুৰুত্বপূৰ্ণ উপাদান**

ক্ষীপ্ৰ আৰু সময়মতে শিকাৰ সমৰ্থিত সেৱাসমূহৰ যোগান, সময়মতে পৰামৰ্শ দান শ্ৰেণীবোৰ অনুষ্ঠিত কৰা সময়মতে পৰীক্ষা অনুষ্ঠিত কৰা আৰু ফলাফল ঘোষণা কৰা ইত্যাদিবোৰ হ'ল সুপ্ৰশাসনৰ চাবি কাঠি আৰু মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ বিশেষত্ব। মুক্ত বিশ্ববিদ্যালয়বোৰ আৰু অনুষ্ঠানসমূহে অধ্যয়নৰ আহিলাবোৰ সময়মতে যোগান ধৰি নিৰ্দেশনা শ্ৰেণীবোৰ সময়মতে অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰি ফলপ্ৰসুতা আনিব লাগিব। প্ৰত্যেকটো বিশ্ববিদ্যালয়ে শৈক্ষিক উদ্দেশ্য সাধনৰ বাবে নিজস্ব বিশ্বজোৰা নেটৱৰ্ক বিকশিত কৰাৰ উপৰিও পৰীক্ষাৰ আৰিখ, নামভৰ্তিৰ তাৰিখ, ফলাফল ঘোষণাৰ তাৰিখ আদি সময়ে সময়ে শিকাৰুসকল, অধ্যয়ন কেন্দ্ৰৰ কৰ্মকৰ্তা, সমাজৰ সদস্যসকললৈ প্ৰেৰণ কৰাৰ বাবে মোবাইল ফোন সক্ৰিয় কৰি ৰাখিব লাগিব। আনকি কিছুমান বিশ্ববিদ্যালয় আৰু মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানে ফোনৰ দ্বাৰা আঁচনিসমূহ অবগত কৰাৰ বাবে 'পাৰস্পৰিক ক্ৰিয়া সত্ৰ' অনুষ্ঠিত কৰা দেখা যায়। অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ উচ্চ পৰ্যায়ৰ বিষয়াসকলে প্ৰত্যক্ষভাৱে বিভিন্ন দিশৰ ওপৰত শিকাৰুসকলৰ লগত আলোচনা কৰিব পাৰে আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ওপৰত থকা সন্দেহ, পাঠ্যক্ৰমৰ ওপৰত থকা আসাঁৱাহবোৰ আঁতৰোৱাৰ বাবে ফোনেৰে শিকাৰু আৰু সমাজৰ সদস্যসকলৰ লগত মিলিত হ'ব পাৰে।

➢ **মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ ভৱিষ্যত বিকাশ নিৰ্ভৰ কৰে নব্য উদ্ভাৱন আৰু গৱেষণাৰ মানদণ্ডৰ উৎকৰ্ষ সাধনৰ ওপৰত-**

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ অতিশয় প্ৰয়োজন হ'ল নব্য উদ্ভাৱন। সেইবাবেই শিক্ষণৰ এটা উন্নত ক্ষেত্ৰ হিচাপে গঢ় দি তোলাৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ গৱেষণাই বিশেষ গুৰুত্বতা লাভ কৰিব লাগে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ ওপৰত পি এইচ ডি কাৰ্য্যক্ৰমৰ ব্যৱস্থা কৰিব পৰা যায় আৰু শিকাৰুসকলক বিভিন্ন ধৰণৰ গৱেষণা আঁচনিৰ লগত জড়িত কৰি নব্য উদ্ভাৱন আৰু গৱেষণা কাৰ্যৰ বাবে উৎসাহ যোগাব পাৰি।

প্ৰকৃতাৰ্থত, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ বিশেষত্ব আৰু গুণমানে গুণসম্পন্ন মানব সম্পদসমূহ সৃষ্টি কৰাৰ ক্ষেত্ৰত স্ব-শিক্ষণ সামগ্ৰীৰ/আহিলাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আহিলাসমূহ হ'ল ছপা আৰু শ্ৰৱণ দৰ্শন, তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত

ৰেডিঅ', দূৰদৰ্শন, শ্ৰব্য কেচেট, শ্ৰব্য ভিডিও আহিলাসমূহ, তাৰ সংযোগ অভিবৰ্ত্তন কম্পিউটাৰ আধাৰিত শিক্ষণ প্ৰযুক্তিবিদ্যা অন লাইন শিক্ষণ, ৱেব পৰটেল, ইন্টাৰনেট শিক্ষণ, মোবাইল আৰু শিকাৰু সমৰ্থিত সেৱা, নিৰ্দেশনা ইত্যাদি। সেয়েহে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ প্ৰতিষ্ঠানসমূহে বিভিন্ন শৈক্ষিক আঁচনিসমূহৰ গুণমান আৰু বিশেষত্বত কেন্দ্ৰীভূত হোৱাটো প্ৰয়োজনীয়। কেৱল মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ উন্নতি সাধনেই নহয় এই শিক্ষাৰ মাধ্যমেৰে সকলোকে গুণমান বিশিষ্ট শিক্ষা দিব পৰাটোও প্ৰয়োজনীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং৩ঃ শিক্ষাৰ গুণমান নিশ্চিত কৰাৰ ক্ষেত্ৰত, বিশেষকৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত কি কি পথ বা উপায় অৱলম্বন কৰিব লিখক।

.....

.....




১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোৰ পৰা তলত উল্লেখ কৰা মৌলিক ধাৰণাসমূহত আমি জানিব পাৰিলোঁ-

- এখন দেশৰ মানৱ সম্পদ বিকাশৰ বাবে শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত দিশটোৰ উন্নতি সাধনৰ প্ৰয়োজন।
- ভাৰতবৰ্ষৰ অৰ্থনৈতিক গঠনৰ উচ্চ হাৰ ক্ৰমাগত বিকাশৰ ধাৰা বাহাল ৰাখিবলৈ হ'লে উপযুক্ত আৰু প্ৰচুৰতাপূৰ্ণ কৌশলী আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱশক্তি গঢ়ি তুলি 'প্ৰধান জ্ঞান অৰ্থনীতিলৈ' ৰূপান্তৰিত কৰিব লাগিব।
- দেশে কৌশলী আৰু প্ৰশিক্ষণপ্ৰাপ্ত মানৱশক্তি গঢ়ি তুলিব লাগিব আৰু এইটো সম্ভৱপৰ হ'ব সাধাৰণ আৰু বৃত্তিমুখী আৰু বৃত্তিগত দুয়োটা দিশৰ 'গুণগত উচ্চশিক্ষা সম্প্ৰসাৰণৰ মাধ্যমত।
- গুণগত মানে এটা নিৰ্দিষ্ট বস্তুৰ শ্ৰেষ্ঠতাৰ মানক সুচায়। গুণগত মানৰ আস্বাস হ'ল বিকাশমুখী কৌশল। ইয়াক অনুষ্ঠানৰ সামগ্ৰিকভাৱে ফলপ্ৰসুতা ৰক্ষা আৰু বৃদ্ধিকৰণৰ ৰূপাঙ্কন বুলি ক'ব পৰা যায়।
- বিশ্বৰ প্ৰতিচ্ছবিখনলৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ মুঠ নামভৰ্তিৰ হাৰ বৰ্তমান বহু নিম্নমানৰ।
- ভাৰতবৰ্ষৰ বৰ্তমানৰ উচ্চশিক্ষাৰ ছবিখন 'জ্ঞান অৰ্থনীতিৰ' লক্ষ্যত উপনীত হোৱাৰ বাবে উৎসাহজনক নহয়। ইয়াক প্ৰচুৰতাপূৰ্ণ কৌশলী আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱ শক্তিৰ মাধ্যমেৰে নিশ্চিত কৰিব পৰা যাব।
- লক্ষ্য নিৰ্দ্ধাৰিত মুঠ নামভৰ্তিৰ হাৰত উপনীত হ'বলৈ হ'লে ব্যয়ৰ কম নমনীয় প্ৰকৃতিৰ মুক্ত ধৰণৰ শিক্ষাহে প্ৰয়োগিক হ'ব, যেনে— 'মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ' ব্যৱস্থা।

- তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্ৰড্‌বেণ্ড আৰু চেটেলাইট নেট্‌ৱৰ্কৰ যোগেদি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণেই শিকন শিক্ষন প্ৰক্ৰিয়াৰ 3As অৰ্থাৎ যিকোনো ব্যক্তি, যিকোনো সময়ত, যিকোনো স্থানত লক্ষ্যত উপনীত 'বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ' কৰিব পাৰি।
- গুণমান হ'ল সকলোকে শিক্ষাৰ ক্ষেত্ৰখন প্ৰৱেশ কৰাৰ সুবিধা প্ৰদানৰ এক প্ৰধান দিশ, সেয়েহে পৰম্পৰাগত শিক্ষাৰ বাহিৰেও মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ অনুষ্ঠানসমূহে আৰম্ভণিৰ পৰাই শিকাৰুসকলক গুণমান বিশিষ্ট শিক্ষা প্ৰদানৰ লক্ষ্য স্থিৰ কৰি লব লাগে।
- শিক্ষাত গুণমান বিশিষ্টতাৰ গুৰুত্বতা দেখুৱাবলৈ যাওঁতে 'ৰাষ্ট্ৰীয় আয়োগে' প্ৰকাশ কৰিছে যে "উচ্চ শিক্ষাই ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব, সেয়েহে শিকাৰুসকলৰ বাবে সম্ভাব্য নিম্নমানৰ খৰছত বহুসংখ্যকক গুণগত উচ্চ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।"
- দূৰ শিক্ষণৰ মাধ্যমেৰে গুণমানৰ আশ্বাস পাবলৈ ৰাষ্ট্ৰীয় শিক্ষা আয়োগে "বাহ্যিক গুণমান নিশ্চিতকৰণ কোষ" এটা গঠন কৰাৰ পৰামৰ্শ আগবঢ়াইছে। কোষটোৱে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণৰ অনুষ্ঠানসমূহক নিয়মীয়া বিৰতিৰ ভিতৰত নিৰূপন আৰু মূল্যায়ন কৰিব।
- দূৰৱৰ্ত্তী শিক্ষণ পৰিষদেওঁ 'আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কেন্দ্ৰ' একোটা দেশৰ প্ৰতিখন মুক্ত বিশ্ববিদ্যালয়ত স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ পাঠ্যক্ৰম সুন্দৰভাৱে চিন্তাকৰ্ষক, প্ৰয়োজন আধাৰিত, নিয়োগ সম্বন্ধিত, গুণমান নিশ্চিত কৰিবলৈ যাওঁতে শিকাৰু সম্বন্ধিত হোৱা উচিত।
- স্ব-শিক্ষণ আহিলাসমূহ ছপা আৰু দৃশ্য-শ্ৰাব্য ধৰণ দুয়োটাই মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাৰ 'মন আৰু আত্মা' স্বৰূপ। সেয়ে সেইবোৰ উন্নতমানৰ হোৱা প্ৰয়োজন।
- উপযুক্ত আৰু ফলদায়ক পৰামৰ্শদান শ্ৰেণীসমূহ মুখামুখী ধৰণৰ মাধ্যম আৰু শ্ৰৱন দৰ্শন ধৰণৰ মাধ্যমেৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ দ্বাৰা ব্যৱস্থা কৰা উচিত।
- মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাৰ গুণগত শিক্ষা তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সহায়ত বহু পৰিমাণে উন্নত অৱস্থালৈ নিব পৰা যায়। তথ্য অনুসাৰে- তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সম্বলিত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাইহে অকল 3As যিকোনো ব্যক্তি, যিকোনো সময়ত, যিকোনো স্থানত শিক্ষা সম্ভৱ কৰি তুলিব পাৰে।
- মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাৰ গুণগত মান উন্নত কৰিবলৈ হ'লে গৱেষণা কাৰ্য সম্পাদন কৰিব লাগিব আৰু নতুন ক্ষেত্ৰ কিছুমান উদঘাটন কৰিব লাগিব।
- গুণসম্পন্ন মানৱ সম্পদ গঢ়ি তুলিবলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ গুণমান আৰু বিশিষ্টতা নিৰ্ভৰ কৰে স্ব-শিক্ষণ আহিলাসমূহ - যেনে ছপা আৰু শ্ৰৱণ দৰ্শন, তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত ৱেডিঅ', দূৰদৰ্শন, শ্ৰব্য কেছেট, শ্ৰৱন ভিডিও আহিলাসমূহ, অন্-লাইন অভিবৰ্তন, কম্পিউটাৰ আধাৰিত শিক্ষণ প্ৰযুক্তিবিদ্যা, অন্-লাইন, ৱেব পৰটেল, ইণ্টাৰনেট আধাৰিত শিক্ষণ, মোবাইল আৰু শিকাৰু সমৰ্থিত সেৱা, পৰামৰ্শদান আদিবোৰৰ ওপৰত।



১০.৫ অধিক জানিবলৈ

1) Jadhav, Narendra, "Higher Education in India: In Retrospect and Prospects", Fourth Foundation Day Lecture, KKHSOU, 2010.

2) National Knowledge Commission, "Recommendations of the Working Group on Open and Distance Education" Working Group on Open and Distance Education, 2008.

3) Srivastava, Manjulika and Swaraj Basu, " Distance Learning in North East : An Overview ", University News, 48 (38) September, 2010

4) Thorat, Sukadeo, , " Higher Education in India : Emerging Issues Related to Access, Inclusiveness and Quality", Nehru Memorial Lecture, University of Mumbai, 2007.

(5) STRIDE, Hand Book of Distance Education IGNOU



১০.৬ অগ্রগতি খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ গুণগত ধাৰণাটোৱে কিছুমান নির্দিষ্ট বস্তুৰ সুন্দৰতাৰ মানক সুচায়। গুণমান মানে যিকোনো মানৰ কর্মৰ সম্পাদন কার্য্যৰ সুন্দৰতাওঁ হ'ব পাৰে। সেয়েহে আমি যেতিয়া দূৰ শিক্ষা সম্বন্ধিত গুণৰ নিশ্চিতকৰণৰ কথা কওঁ তাৰ অর্থ হ'ল শিকন শিক্ষন প্রক্রিয়াৰ নির্দিষ্ট ধৰণৰ মাধ্যমেৰে শিক্ষা বিস্তাৰ আৰু জ্ঞানৰ সৈতে জড়িত সম্পাদিত কর্মৰ শ্রেষ্ঠতাৰ কিছু পর্যায়ত উপনীত হোৱা।

গুণমান নিশ্চিতকৰণ হ'ল এক বিকাশমুখী কৌশল সেইটোৱে আনুষ্ঠানিক ফলপ্রসুতাৰ সামগ্রীকভাৱে ৰক্ষণাবেক্ষণ আৰু বৃদ্ধিকৰণ ৰূপাঙ্কন কৰে। এখন অনুষ্ঠানৰ গুণমান উন্নত কৰাটো প্রয়োজনীয় বিশেষকৈ পাঠ্যসূচীৰ দিশ, শিকন শিক্ষন প্রক্রিয়া, গৱেষণা পৰামর্শদান আৰু শিক্ষা, স্বাস্থ্য অনুশীলন আৰু শিকাৰু সমর্থিত সেৱা, সম্প্রসাৰিত প্রকাশ আৰু অনুষ্ঠানখনৰ সহ-পাঠ্যক্রমিক কার্যসূচীসমূহৰ দৰে ভাগবোৰৰ প্রতিপালনৰ বাবে।

২নং প্রশ্ন উত্তৰ ঃ বর্তমানৰ সমাজখনক "জ্ঞান সমাজ" হিচাপে অভিহিত কৰা হয়, য'ত সদস্যসকলে কিছুমান প্রয়োজন আধাৰিত কৌশল আয়ত্ব কৰা উচিত, যিবোৰ সুন্দৰভাৱে জীৱন যাপনত সহায়ক হ'ব পাৰে। শিক্ষাই হ'ল একমাত্র পথ যিটোৰ মাধ্যমত এখন সমাজৰ মানৱ শক্তিক বিকশিত কৰাৰ বাবে জ্ঞান আৰু তথ্য বিস্তাৰ শিকাৰুসকলৰ মাজত কৰিব পৰা যায়। আমাৰ দেশৰ চৰকাৰৰ সন্মুখলৈ অহা এটা গুৰুত্বপূর্ণ প্রত্যাহ্বান হ'ল উচ্চ শিক্ষাক সকলোৰে বাবে সহজলভ্য কৰি তোলাৰব্যৱস্থা কৰা। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাটোৱে হ'ল আটাইতকৈ ফলদায়ক বিকল্প

পথ যিটোৰ মাধ্যমত ব্যক্তিসকলে উচ্চ শিক্ষাত প্ৰৱেশ কৰিব পাৰে। সকলোকে প্ৰৱেশ কৰিবলৈ যেতিয়া সুবিধা দিব বিচৰা যায় তেতিয়া গুণমান প্ৰধান বিষয় হৈ পৰে। সেয়েহে পৰম্পৰাগত শিক্ষাৰ লগতে মুক্ত আৰু দূৰ শিক্ষণৰ প্ৰতিষ্ঠান সমূহে আৰম্ভণিৰ পৰাই গুণগত শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিব লাগিব। দূৰত্ব ধৰণৰ মাধ্যমেৰে গুণগতমান নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় জ্ঞান আয়োগে মুক্ত আৰু দূৰ শিক্ষণ অনুষ্ঠান সমূহৰ প্ৰত্যেকতে একোটা 'বাহ্যিক গুণগতমান নিশ্চিতকৰণ কোষ' খোলাৰ পৰামৰ্শ আগবঢ়াইছে। সেই কোষটোৱে অনুষ্ঠানসমূহৰ গুণমান নিয়মীয়া বিৰতিৰ মাধ্যমত নিৰ্ণয় আৰু মূল্যায়ন কৰিব। 'দূৰত্ব শিক্ষা পৰিষদেওঁ' - দেশৰ প্ৰতিখন মুক্ত বিশ্ববিদ্যালয়ত একোটাকৈ 'আভ্যন্তৰিণ গুণমান নিশ্চিতকৰণ কেন্দ্ৰ' খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩নং প্ৰশ্ন উত্তৰ ঃ মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থাৰ এখন অনুষ্ঠানে গুণমান ৰক্ষাৰ ক্ষেত্ৰত কিছুমান পথ অৱলম্বন কৰিব পাৰে। সেইবোৰ হ'ল ঃ-

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ পাঠ্যক্ৰমৰ গুণমান নিশ্চিতকৰাৰ বাবে সুচিন্তাযুক্ত, প্ৰয়োজন আধাৰিত, নিয়োগসম্বন্ধীয় আৰু শিকাৰু বন্ধুত্বসূচক হোৱা উচিত।
- স্ব-শিক্ষণ আহিলাসমূহ ছপা আৰু দৃশ্য-শ্ৰাব্য ধৰণৰ সামগ্ৰী দুয়োবিধেই হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ মূলবস্তু, সেইবোৰ উচ্চ গুণসম্পন্ন হোৱাউচিত।
- উপযুক্ত আৰু ফলদায়ক পৰামৰ্শদানৰ সত্ৰসমূহ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰি মুখামুখী ধৰণৰ লগতে শ্ৰৱন দৰ্শন ধৰণৰ মাধ্যমেৰে অনুষ্ঠিত কৰিব পাৰি।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাক সফল কৰিবলৈ হ'লে উপযুক্তভাৱে আৰু সময়মতে শিকাৰু সমৰ্থিত সেৱাৰ ব্যৱস্থা কৰিব লাগিব।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ গুণগত মান তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰি উন্নত কৰিব পৰা যায়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সম্বলিত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ দ্বাৰাহে মাত্ৰ 3As যিকোনো ব্যক্তি, যিকোনো সময়ত আৰু যিকোনো স্থানৰ সৈতে শিক্ষা সম্ভৱ কৰি তুলিব পৰা যায়।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ গুণমান উন্নত কৰিবলৈ হ'লে গৱেষণা আৰু নতুন ক্ষেত্ৰ উদ্ভাৱনৰ ব্যৱস্থা কৰিব লাগিব।
- গুণসম্পন্ন মানৱ সম্পদ গঢ়ি তুলিবলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাৰ গুণমান আৰু বিশিষ্টতা নিৰ্ভৰ কৰে আত্ম অধ্যয়ন আহিলাসমূহ যেনে ছপা আৰু শ্ৰৱন দৰ্শন, তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত ৱেডিওঁ, দূৰদৰ্শন, শ্ৰব্যকেছেট, শ্ৰৱণ ভিডিওঁ আহিলাসমূহ, তাৰ সংযোগ

অভিবর্তন, কম্পিউটাৰ আধাৰিত শিক্ষণ প্রযুক্তিবিদ্যা, অন-লাইন শিক্ষন, ৱেব পৰটেল, ইন্টাৰনেট আধাৰিত শিক্ষন, মোবাইল আৰু শিকাৰু সমর্থিত সেৱা; পৰামর্শদান আদিবোৰৰ ওপৰত।



১০.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ঃ গুণমান বুলিলে কি বুজে?

প্রশ্ন নং২ঃ শিক্ষাত গুণমান মানে আপুনি কি বুজে?

প্রশ্ন নং৩ঃ দূৰৱর্তী শিক্ষাৰ গুৰুত্বতা কি?

প্রশ্ন নং৪ঃ ভাৰতবর্ষৰ উচ্চশিক্ষাৰ বর্তমান অৱস্থা কেনেধৰণৰ?

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং১ঃ আমি কিয় মুক্ত আৰু দূৰৱর্তী শিক্ষন অনুষ্ঠানত 'আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কেন্দ্র" গুণমান নিশ্চিতকৰণৰ বাবে গুৰুত্বপূর্ণ বুলি ভাবো?

প্রশ্ন নং২ঃ এখন দেশৰ 'জ্ঞান অর্থনীতি' তৈয়াৰ কৰাৰ বাবে গুণমানৰ শিক্ষা কিয় গুৰুত্বপূর্ণ?

প্রশ্ন নং৩ঃ এখন ৰাষ্ট্রৰ মানৱসম্পদ বিকাশৰ ক্ষেত্রত গুণমানৰ শিক্ষা কেনেদৰে জড়িত?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং১ঃ এখন অনুষ্ঠানৰ গুণমানৰ উন্নতি সাধন কৰিব পাৰি বুলি আপুনি ভাবে নেকি? যদি ভাবে তাৰবাবে কি পৰামর্শ আগবঢ়াব?

প্রশ্ন নং২ঃ শিক্ষাত গুণমান বিশেষকৈ মুক্ত আৰু দূৰৱর্তী শিক্ষাৰ ধৰণত নিশ্চিত কৰাৰ বাবে কি কি উপায় আৰু পথ আছে আলোচনা কৰক।

অধ্যায় ১১ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়ন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ মূল্যায়ন (Assessment) আৰু মূল্যাংকন (Evalutation)

১১.৩.১ মূল্যায়নৰ অর্থ আৰু সংজ্ঞা

১১.৩.২ মূল্যাংকনৰ অর্থ আৰু সংজ্ঞা

১১.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন (ODL) ব্যৱস্থাত মূল্যায়ন

১১.৫ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য

১১.৬ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ প্রকাৰ

১১.৬.১ স্ব-মূল্যায়ন, অবিৰত মূল্যায়ন আৰু বছৰেকীয়া মূল্যায়ন

১১.৬.২ নম্বৰ আৰু গ্রেড প্রদান ব্যৱস্থা

১১.৬.৩ মূল্যায়নৰ অন্য ৰূপবোৰ

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আর্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মূল্যায়ন আৰু মূল্যাংকনৰ সংজ্ঞা আগবঢ়াব পাৰিব
- মূল্যায়ন আৰু মূল্যাংকনৰ প্রভেদ নিৰূপণ কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য বর্ণনা কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত প্রয়োগ কৰা মূল্যায়নৰ প্রকাৰবোৰ চিনাক্ত কৰিব পাৰিব।

১১.২ পৰিচয়

যিকোনো শৈক্ষিক প্রক্রিয়াকে তিনিটা প্রধান শিক্ষায়তনিক কার্যকলাপে নিয়ন্ত্রণ কৰে। কার্যকলাপ তিনিটা হ'ল ঃ শিক্ষকে শিকায়, শিক্ষার্থীয়ে শিকো আৰু শিক্ষকে মূল্যায়ন কৰে। প্রত্যেকেই কিবা শিকাৰ পাচত মূল্যায়ন প্রক্রিয়াৰ মাজেদি পাৰ হ'ব লাগে। আমি

সকলোৱেই পৰীক্ষা ব্যৱস্থা, শৈক্ষিক প্ৰণালীত এই ব্যৱস্থাৰ গুৰুত্ব আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুণগত মান বৰ্তাই ৰখাত ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে অৱগত। এগৰাকী শিক্ষাৰ্থীৰূপে আপুনি পৰীক্ষাৰ সৈতে জড়িত মূল্যায়ন তথা মূল্যাংকন ব্যৱস্থাবোৰৰ সৈতেও পৰিচিত। শিক্ষাৰ পৰম্পৰাগত মাধ্যমবোৰৰ দৰেই মূল্যায়ন মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰো এক অবিচ্ছেদ্য উপাদান। অৱশ্যে, শিক্ষক তথা শিক্ষাৰ্থীৰ মাজত থকা কায়িক দূৰত্ব, অধ্যয়নৰ সময়ৰ ক্ষেত্ৰত তথা শিক্ষাৰ্থীৰ মাজত থকা কায়িক দূৰত্ব, অধ্যয়নৰ সময়ৰ ক্ষেত্ৰত থকা মুক্ততা, বয়স আদি বৈশিষ্ট্যৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়ন প্ৰক্ৰিয়াটোত কিছু উদ্ভাৱনীমূলক বিশেষত্বৰ সংযোজ ঘটিছে। এই অধ্যায়টিত আমি সাধাৰণ অৰ্থত মূল্যায়ন প্ৰক্ৰিয়াটোৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিম। ইয়াৰ লগতে অধ্যায়টিত মূল্যাংকন সম্পৰ্কে আৰু মূল্যায়নৰ সৈতে জড়িত আন কিছুমান সদৃশ সংজ্ঞাৰ বিষয়েও চমুকৈ আলোচনা কৰিম।

১২.৩ মূল্যায়ন (Assessment) আৰু মূল্যাংকন (Evaluation)

শিক্ষাত 'মূল্যায়ন' বোলা অভিধাটোৱে শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰস্তুতি, শিকনৰ অগ্ৰগতি, দক্ষতা আহৰণ নাইবা শৈক্ষিক প্ৰয়োজনীয়তাবোৰ পৰিমাপন তথা খতিয়ানৰদ্ধ কৰিবলৈ শিক্ষাবিদসকলে ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতি/সজুলি/আহিলা আদিৰ কথা বুজোৱা হয়। ই শৈক্ষিক নিৰ্দেশনা প্ৰদানৰ এটা অবিচ্ছেদ্য অংশ। ই শিক্ষাৰ লক্ষ্যবোৰ পূৰণ হৈছেনে নাই সেয়া নিৰ্ধাৰণ কৰে। মূল্যায়নে গ্ৰেড, সংস্থাপন, অগ্ৰগতি, নিৰ্দেশনামূলক প্ৰয়োজনীয়তা, পাঠ্যক্ৰম, পুঁজি আদিৰ দৰে বিষয়বোৰত ল'বলগীয়া সিদ্ধান্তসমূহৰ দিক্‌নিৰ্দেশকৰ কাম কৰে। শিক্ষাৰ অন্য ক্ষেত্ৰবোৰত হোৱাৰ দৰে পৰম্পৰাগত তথা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ মূল্যায়ন প্ৰক্ৰিয়াটোলৈকো দৃষ্টান্তমূলক পৰিৱৰ্তন আহিছে। প্ৰথম অৱস্থাত কেৱল গ্ৰেডিং আৰু প্ৰমাণপত্ৰ প্ৰদানৰ সময়তহে মূল্যায়ন প্ৰয়োগ কৰা হৈছিল। কিন্তু বৰ্তমান মূল্যায়নক শিক্ষাৰ্থীৰ শিকন তথা দক্ষতা বিকাশ সৈতেও সংলগ্ন কৰা হৈছে। সেয়েহে পূৰ্বৰ একক লিখিত পৰীক্ষাৰ সলনি বৰ্তমানৰ মূল্যায়ন প্ৰক্ৰিয়াত বিভিন্ন কৌশল তথা পদ্ধতিৰ সংযোজন ঘটোৱা হৈছে। 'মূল্যাংকন' হ'ল 'মূল্যায়ন'ৰ সৈতে একেলগে আৰু সঘনাই ব্যৱহৃত আন এক অভিধা। কিন্তু দুয়োটা অভিধা সদৃশ নহয় আৰু দুয়োটাৰে পৃথক পৃথক সুনিৰ্দিষ্ট অৰ্থ আছে। এই প্ৰক্ৰিয়া দুটাৰ সৈতে ব্যৱহৃত আন দুটা অভিধা হ'ল 'পৰীক্ষা' (test) আৰু 'পৰিমাপন' (measurement)। এই দুয়োটা অভিধাত সঘনাই আৰু একে সময়তে ব্যৱহাৰ কৰা হয়। কথাটো ভালদৰে বুজিবলৈ আপুনি অধ্যায় ৬ ৰ ৬.৪ নং উপ-শিতানটো পঢ়ি চাব পাৰে এই শিতানটোত চাৰিওটা পৰিভাষা বহলাই আলোচনা কৰা হৈছে। আপোনাৰ নিশ্চয় মনত আছে যে এই চাৰিওটা পৰিভাষাৰ ভিতৰৰ মূল্যাংকনৰ পৰিধি সবাতোকৈ বহল। মূল্যাংকনে আন তিনিটা ধাৰণাকো সামৰি লয়। এই অধ্যায়টোত আমি মূল্যাংকনৰ বিষয়েও আলোচনা কৰিম। আমি আশা কৰোঁ, অধ্যায়টি পঢ়ি আপুনি মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়নৰ ধাৰণাটো স্পষ্টকৈ বুজি পাব।

১১.৩.১ মূল্যায়নৰ অর্থ আৰু সংজ্ঞা

এগৰাকী শিক্ষার্থীৰ শিকন, শৈক্ষিক অগ্রগতি আৰু সাফল্য বিষয়ক তথ্য সংগ্রহ কৰা প্রক্রিয়াটোকে মূল্যায়ন (Assessment) বোলা হয়। অর্থাৎ, কোনো এক পাঠ্যবিষয়ক/শৈক্ষিক কার্যসূচী নাইবা পাঠ্যক্রমৰ অন্তর্গত পাঠ (বিষয়বস্তু)বোৰ শিক্ষার্থীয়ে কিমানখিনি বুজিব পাৰিছে সেয়া মূল্যায়নৰ দ্বাৰা বিচাৰ কৰি চোৱা হয়। এই তথ্যবোৰ পৰীক্ষা তথা পৰিমাপনৰ বিভিন্ন আহিলা আৰু কৌশলৰ সহায়ত আহৰণ কৰা হয়। মূল্যায়ন বুজোৱা ইংৰাজী শব্দ 'Assessment'ৰ মূল হ'ল লেটিন শব্দ 'asseior'। ইয়াৰ অর্থ হ'ল — 'বিন্যস্ত কৰ' (to set) নাইবা 'স্থিৰ সিদ্ধান্তলৈ আহ' (to settle)। অর্থাৎ, শব্দ ব্যুৎপত্তিৰ দিশেৰে মূল্যায়ন মানে হ'ল কোনো সিদ্ধান্তত উপনীত হোৱা নাইবা কোনো কথা নির্ধাৰণ কৰা। সেয়েহে, শিক্ষার্থীৰ পাৰদর্শিতা নির্ধাৰণ কৰিবলৈ আৰু এই পাৰদর্শিতাৰ পৰিমাপন কৰিবলৈ তথ্য সংগ্রহৰ বাবে, পৰিমাপণ তথা ব্যাখ্যা কৰাৰ বাবে ব্যৱহৃত সকলো কার্যকলাপে মূল্যায়নৰ সংজ্ঞাৰে সামৰিব পৰা যায়। মূল্যায়ন প্রক্রিয়াত শিক্ষার্থীৰ শৈক্ষিক অগ্রগতিৰ তথ্য আহৰণ কৰাৰ পাচত শিক্ষার্থী গৰাকীক এটা মূল্য (value) প্রদান কৰা হয়। এটা উদাহৰণৰ সহায়ত কথাটো বুজাৰ চেষ্টা কৰোঁ আহক! ধৰা হ'ল, সুশ্রুত নামৰ শিক্ষার্থী এটা বিজ্ঞান পৰীক্ষাত অৱতীর্ণ হৈছিল। তেওঁৰ উত্তৰ বহীখন পৰীক্ষা কৰাৰ অন্তত শিক্ষকে তেওঁক মুঠ ১০০ নম্বৰৰ ভিতৰত ৯৫ নম্বৰ দিলে। অর্থা, সুশ্রুতে বিজ্ঞানৰ পৰীক্ষাত ৯৫% নম্বৰ লাভ কৰিলে। এই নম্বৰ হ'ল তেওঁৰ পাৰদর্শিতাৰ বিপৰীতে প্রদান কৰা মূল্য। ইয়াৰ অর্থ হ'ল শিক্ষকে সুশ্রুতৰ শৈক্ষিক দিশটো মূল্যায়ণ কৰিলে। একেদৰে, মিচিকি নামৰ ছাত্রগৰাকীয়ে এটা প্রকল্পৰ কার্যৰ বাবে 'A+' গ্রেড লাভ কৰিলে। এই ৯৫% আৰু 'A+' গ্রেড আদি হ'ল মূল্যায়নৰ উদাহৰণ। মূল্যায়নৰ উদ্দেশ্য হ'ল সাময়িক পাৰদর্শিতা উন্নত তথা সংশোধন কৰা।

মূল্যায়নৰ আন এক সংজ্ঞা অনুসৰি ই হ'ল এটা পর্যায়ক্রমিক প্রণালীৱদ্ধ পন্থা। য'তেই যিধৰণে প্রয়োজন তাতেই ব্যক্তি নাইবা বস্তুৰ পাৰদর্শিতা উন্নত কৰাৰ অর্থে তথ্য আহৰণ আৰু পুনৰীক্ষণ কৰাৰ প্রণালীৱদ্ধ তথা সুশৃংখল পন্থাটোৱেই হ'ল মূল্যায়ন। মূল্যায়নৰ অভিধাটোক বিভিন্ন দিশ ব্যাখ্যা কৰা হয়। মূল্যায়ন শৈক্ষিক মনোবৈজ্ঞানিক, বিত্তীয় কৰ প্রদান বিষয়ক, মানৱ সম্পদ আৰু অন্যান্য বহুতো প্রকাৰৰ হ'ব পাৰে। শৈক্ষিক দিশেৰে মূল্যায়ন মানে হ'ল এক প্রণালীবদ্ধ উপায়েৰে এক নির্দিষ্ট শিক্ষার্থী দলৰ জ্ঞান, দক্ষতা, মনোভাৱ আৰু বিশ্বাস নথিভুত কৰাৰ প্রক্রিয়া।

মূল্যায়ন এক অবিৰত আন্তঃক্রিয়াশীল প্রক্রিয়া। ইয়াত দুটা দল থাকে ঃ এটা দলত মূল্যায়নকাৰী (assessor) সকল আৰু আনটো দলত মূল্যায়ন

কৰিবলগীয়া পক্ষ (assessee) টো থাকে। মূল্যায়নকাৰীসকল শিক্ষক, ব্যৱস্থাপনা বিভাগৰ সদস্য নাইবা কোনো নিয়ামক/বিধি প্ৰাধিকৰণ হ'ব পাৰে। মূল্যায়ন কৰিবলগীয়া পক্ষটোত শিক্ষাৰ্থী, কোনো অনুষ্ঠান/প্ৰতিষ্ঠান নাইবা কোনো অনুষ্ঠান/প্ৰতিষ্ঠানৰ বিভিন্ন উপাদান থাকিব পাৰে। মূল্যায়নকাৰী সকলে কোনো নিৰ্দিষ্ট অনুষ্ঠান (যেনে— KKHSOU নাইবা IGNOU) নাইবা নিয়ামক প্ৰাধিকৰণ (যেনে— UGC নাইবা NCTE)ৰ ইতিপূৰ্বে সংজ্ঞাৱদ্ধ স্বীকৃতি/বিধি মানৰ আধাৰত মূল্যায়ন কৰিবলগীয়া পক্ষটোৰ পাৰদৰ্শিতা পৰীক্ষা কৰি চায়। এই প্ৰক্ৰিয়াটোৰ লক্ষ্য হ'ল মূল্যায়নৰ বাবে লোৱা পক্ষটোৰ সামগ্ৰিক পাৰদৰ্শিতা ফলপ্ৰসূতা নিৰ্ণয় কৰা আৰু অধিক উন্নত কৰাৰ অৱকাশ থকা ক্ষেত্ৰবোৰ বিচাৰি উলিওৱা।

১১.৩.২ মূল্যাংকনৰ অৰ্থ আৰু সংজ্ঞা

তথ্য সংগ্ৰহ, বিশ্লেষণ, ব্যাখ্যা আৰু প্ৰতিবেদন দাখিলকৰণৰ দৰে কাম-কাজবোৰ সামৰি লোৱা প্ৰক্ৰিয়াটোৱেই হ'ল মূল্যাংকন (Evaluation)। মূল্যায়নৰ তুলনাত মূল্যাংকন অধিক ব্যাপক আৰু সৰ্বাত্মক। সংজ্ঞাৱদ্ধ শিতান আৰু প্ৰমাণ (পৰীক্ষা, পৰিমাপন তথা মূল্যায়নৰ যোগেদি আহৰণ কৰা তথ্যৰ আধাৰত ৰায়দান কৰা নাইবা কোনো সিদ্ধান্তত উপনীত হোৱাৰ প্ৰক্ৰিয়াটোকেই মূল্যাংকন বোলে। ব্যক্তিবিশেষ নাইবা বস্তুবিশেষৰ মূল্য (value), নম্বৰ (numbers) তথা পাৰদৰ্শিতা (performance) আধাৰত মূল্যাংকন প্ৰক্ৰিয়াৰ অন্তত একোটা ৰায়দান কৰা হয়। মূল্যাংকন বুজোৱা ইংৰাজী শব্দ 'evaluation'ৰ মূল হ'ল আন এটা ইংৰাজী শব্দ 'value'। ইয়াৰ অৰ্থ হ'ল 'কিহবাৰ উপযোগিতা' (usefulness of something)। অৰ্থাৎ, কোনো এটা বস্তুৰ উপযোগিতা জুখিবলৈ চলোৱা পৰীক্ষাকে মূল্যাংকন বোলা হয়।

এক পৰ্যায়ক্ৰমিক, প্ৰণালীৱদ্ধ আৰু বস্তুনিষ্ঠ প্ৰক্ৰিয়াৰে ব্যক্তিবিশেষ নাইবা বস্তুবিশেষ বিচাৰ কৰি চোৱা/ব্যক্তিবিশেষ নাইবা বস্তুবিশেষ মূল্য নিৰ্ধাৰণ কৰাটোকে মূল্যাংকন বুলি ক'ব পৰা যায়। ইয়াৰ লক্ষ্য হ'ল স্বীকৃত মান/বিধিৰ সমষ্টি এটাৰ আধাৰত নাইবা সাদৃশ থকা ধাৰণাবোৰৰ সৈতে তুলনা কৰি কোনো ব্যক্তি অথবা বস্তু সম্পৰ্কে এক সিদ্ধান্তত উপনীত হোৱা। আমি কোনো এটা নিৰ্দিষ্ট বিষয়ত শিক্ষাৰ্থী এজন/এজনীয়ে লাভ কৰা নম্বৰ অন্য শিক্ষাৰ্থীয়ে লাভ কৰা নম্বৰবোৰৰ সৈতে তুলনা কৰোঁ। তাৰ আধাৰত আমি শিক্ষাৰ্থীজন/জনী সেই বিষটোত ভাল/বেয়া/ মধ্যমীয়া বুলি ৰায় দিওঁ। এয়াই হ'ল শিক্ষাৰ্থীজন/জনীক মূল্যাংকন কৰা কাৰ্য। আগৰ শিতানটোত উল্লেখ কৰা উদাহৰণটোলৈ মনত পেলাওক। সুশ্ৰুতে বিজ্ঞানৰ পৰীক্ষাত ৯৫% নম্বৰ লাভ কৰিছিল। এতিয়া আমি শিক্ষাৰ্থীৰূপে সুশ্ৰুতৰ মূল্যাংকন কৰি ক'ব পাৰোঁ যে ল'ৰাজন বিজ্ঞানত চোকা। অৰ্থাৎ, বিজ্ঞান বিষয়টোৰ

পটভূমিত আমি সুশ্ৰুতৰ মূল্যাংকন কৰিলোঁ। এই আলোচনাৰ পৰা আমি ক'ব পাৰোঁ যে মূল্য, নম্বৰ, বস্তু আদি সম্পৰ্কে ৰায়দান কৰাৰ সৈতে মূল্যাংক প্ৰক্ৰিয়াটোৰ সম্পৰ্ক আছে। মূল্যাংকন প্ৰক্ৰিয়াত গুণগত তথা পৰিমাণগত বৰ্ণনাৰ লগতে এক মূল্য বিষয়ক ৰায়দানো জড়িত হৈ থাকে। দৈনন্দিন জীৱনত আপুনি প্ৰায়েই কথাছবি এখন, সাজ-পোছাক এযোৰ, ৰেস্তোৰাঁ এখন, কিতাপ এখন নাইবা কাৰোবাৰ আচৰণ সম্পৰ্কে মূল্যাংকনধৰ্মী মন্তব্য কৰি থাকে। আপুনি কথাছবি এখন উপভোগ কৰি ভাল পাব পাৰে, কোনোবাই পিন্ধা কাপোৰ এসাজ আপোনাৰ পছন্দ হ'ব পাৰে, কোনোবাখন ৰোস্তোৰাঁৰ খাদ্য খাই ভাল পাব পাৰে, নাইবা কাৰোবাৰ আচৰণক আপুনি প্ৰশংসা কৰিব পাৰে ইত্যাদি। এই আটাইবোৰ হ'ল মূল্য আৰু উৎকৰ্ষ সম্পৰ্কে কৰা সৰল তথা পোনপটীয়া মন্তব্য।

১১.৩.৩ মূল্যায়ন আৰু মূল্যাংকনৰ প্ৰভেদ

ওপৰৰ শিতানবোৰত কৰা আলোচনাৰ পৰা গম পোৱা গ'ল যে মূল্যায়ন হ'ল সমগ্ৰ মূল্যাংকন ব্যৱস্থাটোৰ এটা অংশ। কিন্তু লক্ষ্য, উদ্দেশ্য আৰু প্ৰকৃতিৰ দিশেৰে দুয়োটাৰে মাজত কিছুমান প্ৰভেদ আছে। তলত মূল্যায়ন আৰু মূল্যাংকনৰ প্ৰভেদ কেইটামান আলোচনা কৰা হ'ল ঃ

➢ শিক্ষাৰ্থী, শিক্ষক, শৈক্ষিক প্ৰশাসক, পাঠ্যক্ৰম, শিক্ষানুষ্ঠান নাইবা শিক্ষা ব্যৱস্থাৰ যিকোনো ষ্টেকহোল্ডাৰৰ বৰ্তমান পাৰদৰ্শিতা উন্নতৰ কৰি তোলাৰ উদ্দেশ্যেৰে তথ্য সংগ্ৰহ, পুনৰীক্ষণ তথা ব্যৱহাৰ প্ৰক্ৰিয়াটোকে শিক্ষাত মূল্যায়ণ বুলি কোৱা হয়। আনহাতে, মূল্যায়ন প্ৰক্ৰিয়াৰে সংগ্ৰহ কৰা তথ্যবোৰ সংজ্ঞাৰদ্ধ শিতানত ভগাই লোৱাৰ পাচত আৰু সংগ্ৰহ কৰা প্ৰমাণৰ আধাৰত ৰায়দান কৰা (সিদ্ধান্তত উপনীত হোৱা) আৰু মূল্য (নম্বৰ) নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়াটোক মূল্যাংকন বোলা হয়।

- মূল্যায়ন ৰোগ নিৰ্ধাৰণকাৰী প্ৰকৃতিৰ। ইয়াৰ লক্ষ্য হ'ল উন্নতিৰ অৱকাশ থকা ক্ষেত্ৰবোৰ চিনাক্ত কৰি উলিওৱা। কিন্তু মূল্যাংকন হ'ল নিৰ্ণায়ক প্ৰকৃতিৰ। ইয়াৰ লক্ষ্য হ'ল এক সামগ্ৰিক গ্ৰেড প্ৰদান কৰা।
- মূল্যায়নে বৰ্তমান পাৰদৰ্শিতা সম্পৰ্কে মতামত আগবঢ়ায় আৰু ভৱিষ্যৎ পাৰদৰ্শিতা উন্নত কৰাৰ পথ দেখুৱায়। আনহাতে, ইতিমধ্যে স্বীকৃত মান/প্ৰথা অনুসৰি ব্যক্তি নাইবা বস্তু এটাই উৎকৰ্ষৰ সীমা স্পৰ্শ কৰিব পাৰিছেনে নাই মূল্যাংকনে সেয়া নিৰ্ধাৰণ কৰে।
- মূল্যায়নৰ উদ্দেশ্য গঠনমূলক। ই গুণমান বৃদ্ধি কৰে। আনহাতে মূল্যাংকনৰ উদ্দেশ্য হ'ল মুঠ ফল নিৰ্ণায়ক। ই মূল্যায়নৰ দ্বাৰা সংগ্ৰহ কৰা তথ্যবোৰৰ গুণমান বিচাৰ কৰি চায়।

➢ মূল্যায়ন এক কার্যকলাপৰ সমষ্টি। ই প্রক্রিয়াটো সম্পন্ন কৰাত গুৰুত্ব দিয়ে। আনহাতে, মূল্যাংকনে চূড়ান্ত উৎপাদন নাইবা ফলাফলত গুৰুত্ব দিয়ে।

ওপৰৰ আলোচনাৰ পৰা এয়া স্পষ্ট হ'ল যে মূল্যায়ন আৰু মূল্যাংকন দুটা সম্পূর্ণ পৃথক বিষয়। মূল্যাংকনে সিদ্ধান্ত প্রদান কৰে আৰু মূল্যায়নে শিক্ষার্থীৰ দুর্বলতাবোৰ আঁতৰোৱাৰ প্রয়াস কৰে। দুয়োটাই মিলি কোনো ব্যক্তি, বস্তু, প্রকল্প নাইবা প্রক্রিয়াৰ বিশ্লেষণ তথা পাৰদর্শিতা উন্নত কৰাত গুৰুত্বপূর্ণ ভূমিকা লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) মূল্যায়ন বুজোৱা ইংৰাজী শব্দ 'assessment' ৰ মূল হ'ল ——— শব্দ 'asseior'।

(খ) মূল্যাংকন বুজোৱা ইংৰাজী শব্দ 'evaluation' ৰ মূল হ'ল 'value' আৰু অর্থ হ'ল———।

প্রশ্ন ২ ঃ মূল্যায়ন আৰু মূল্যাংকনৰ কেইটামান উদাহৰণ দিয়ক।

প্রশ্ন ৩ ঃ মূল্যায়ন আৰু মূল্যাংকনৰ মাজত থকা দুটা পার্থক্য উল্লেখ কৰক।



চিন্তা চর্চা কৰক — ১১.১

মূল্যায়ন আৰু মূল্যাংকনৰ মাজত থকা আৰু কেইটামান প্রভেদ বিচাৰি উলিয়াওক। দুয়োটাৰে মাজত থকা সাদৃশ্য কেইটামানৰ তালিকা প্রস্তুত কৰক।

.....

.....

১১.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন (ODL) ব্যৱস্থাত মূল্যায়ন

মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ দুটা বিশেষত্ব আছে। এটা হ'ল ইয়াৰ সৈতে দূৰত্বৰ দিশটো জড়িত হৈ থাকে আৰু আনটো হ'ল ই এক মুক্ত শিকন প্রক্রিয়া। দূৰৱৰ্ত্তী মানে হ'ল শিক্ষার্থী আৰু শিক্ষক তথা শিক্ষানুষ্ঠানৰ মাজত থকা ভৌতিক ব্যৱধান। মুক্ত শিকন মানে হ'ল বয়স, সময়, স্থান আৰু শিকনৰ গতি নির্বিশেষে নামভর্তিৰ ক্ষেত্রত থকা নমনীয়তা। স্লেটাৰ (২০০৭) ৰ মতে, "মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই দুটা বিষয় প্রতিফলিত কৰে। সকলোবোৰ নাইবা অধিকাংশ শিক্ষণেই এনে লোকৰ দ্বাৰা প্রদান কৰা হয় যিসকল সময় তথা স্থানৰ দিশেৰে শিক্ষার্থীৰ পৰা আঁতৰত থাকে। এই অভিযানৰ লক্ষ্য হ'ল সুচলতা, পাঠ্যক্রম নাইবা ব্যৱস্থাটোৰ সংৰচনাত অন্তর্ভুক্ত অন্য উপাদান নির্বিশেষে মুক্ততাক এক বৃহত্তৰ মাত্রা

আৰু নমনীয়তা প্রদান কৰা।"

শিক্ষন-শিকন প্রক্রিয়াৰ এটা অবিচ্ছেদ্য অংশ হ'ল মূল্যায়ন তথা মূল্যাংকন। ই যিকোনো শৈক্ষিক প্রণালীতে জ্ঞান, দক্ষতা তথা মনোভাৱ আহৰণ কৰাত আৰু প্রমাণ-পত্র লাভৰ বাবে প্রয়োজনীয়। পৰম্পৰাগত মুখামুখি শৈক্ষিক প্রণালী নাইবা মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থা উভয়তে মূল্যায়ন তথা মূল্যাংকন পদ্ধতি প্রয়োগ কৰা হয়। ওপৰৰ শিতানবোৰৰ আলোচনাৰ পৰা আপুনি ইমানপৰে নিশ্চয় বুজিব পাৰিছে যে মূল্যায়ন হ'ল সমগ্র মূল্যাংকন প্রক্রিয়াটোৰ এটা অংশ। শিক্ষার্থীৰ জ্ঞান, শিকন অগ্রগতি, সফলতা আদিৰ তথ্য আহৰণ কৰা প্রক্রিয়াটোক মূল্যায়ন বোলে। আনহাতে, মূল্যাংকন হ'ল শিক্ষার্থীৰ জ্ঞান নাইবা সফলতাৰ গুণৰ মূল্য উৎকর্ষ বিচাৰ কৰা বা বিচাৰি উলিওৱা প্রক্রিয়া। দুয়োটা সংজ্ঞাৰে ভিন ভিন অর্থ আছে যদিও আমি দুয়োটাৰে কার্যকলাপক পৃথক পৃথককৈ চাব নোৱাৰো। শিক্ষানুষ্ঠানভিত্তিক আৰু পাঠ্যক্রমভিত্তিক উদ্দেশ্যবোৰ পূৰণ কৰিবলৈ দুয়োটাই একেলগে কাম কৰি যায়। মূল্যায়ন তথা মূল্যাংকন হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ এটা অতি গুৰুত্বপূর্ণ উপ-ব্যৱস্থা। ইয়াত আমি প্রধানতঃ মূল্যায়ন সম্পর্কে আলোচনা কৰিম।

মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত গুণমান নিশ্চিত কৰাত মূল্যায়ণে এক অবিচ্ছেদ্য আহিলাৰ ভূমিকা লয়। আমি ইতিমধ্যে গম পাই আহিছো যে শিক্ষার্থীৰ শিক্ষক তথা শিক্ষানুষ্ঠানৰ পৰা শাৰীৰিক দূৰত্ব, সময়-বয়স-অধ্যয়নৰ গতি আদি ক্ষেত্রত থকা মুক্ত পৰিস্থিতি/নমনীয়তা আদি হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ কেইটামান বৈশিষ্ট্য। এই বৈশিষ্ট্যবোৰে ব্যৱস্থাটোক যথেষ্ট প্রত্যাহ্বানমূলক কৰি তুলিছে। বিভিন্ন মুক্ত আৰু দূৰৱৰ্ত্তী শিকন প্রতিষ্ঠানৰ মূল্যায়ন কৌশল বেলেগ বেলেগ। এটা শিক্ষানুষ্ঠানে গ্রহণ কৰা নির্দেশনামূলক পৰিকল্পনা আৰু অধ্যয়ন সামগ্রী শিক্ষার্থীৰ হাতত তুলি দিয়াৰ মাধ্যম, উপলব্ধ সময় তথা সমল শিক্ষার্থীৰ সহায়কাৰী সমগ্র আদিৰ দৰে বিষয়ৰ ওপৰত সাধাৰণতে মূল্যায়ন কৌশলবোৰ নির্ভৰশীল। বিজ্ঞান আৰু প্রযুক্তি ক্ষেত্রখনত হোৱা শেহতীয়া উদ্ভাৱণবোৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থালৈও দৃষ্টান্তমূলক পৰিৱর্তন কঢ়িয়াই আনে। এই ব্যৱস্থাটোৱে শেহতীয়া ই-লার্নিং (E-Learning), অনলাইন লানিং (Online Learning), ব্লেন্ডেড লানিং (Blended Learning), মুকচ (MOOCs) আদিৰ দৰে নব্য প্রক্রিয়াৰে শিকন সম্ভৱ কৰি তুলিছে। ইয়াৰ ফলত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়ন তথা মূল্যাংক প্রক্রিয়াত ই-এচেছমেন্ট বা অনলাইন এচেছমেন্ট সুবিধাৰো সংযোজন ঘটিছে।

১১.৫ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য

পূর্বতে কেৱল প্রমাণ পত্র আৰু কৃতিত্বৰ স্বীকৃতি দিবলৈ মূল্যায়ন কৰা হৈছিল। সেয়েহে, প্রতিটো শিক্ষাবর্ষৰ অন্তত শিক্ষার্থীৰ মূল্যায়ন কৰাৰ প্রক্রিয়াটো চলিছিল। শিক্ষানুষ্ঠানৰ মূল্যায়ন পাঁচ নাইবা দহ বছৰ দীঘলীয়া অন্তৰালতহে কৰা হৈছিল। আগতেই উল্লেখ কৰা হৈছে যে শৈক্ষিক প্রক্রিয়া তথা মূল্যায়ন কার্যকলাপলৈ দৃষ্টান্তমূলক পৰিৱর্তন আহিছে। বর্তমান

সময়ত মূল্যায়নৰ উদ্দেশ্য কেৱল প্ৰমাণপত্ৰ নাইবা স্বীকৃতি দিয়াই নহয়। শিক্ষানুষ্ঠাৰ বিভিন্ন ষ্টেকহোল্ডাৰৰ মাজত হোৱা সকলো শৈক্ষিক লেনদেনৰ সামগ্ৰিক সঁহাৰি জনাত আজিকালি মূল্যায়নে আমাক সহায় কৰে। মূল্যায়নে এটা শিক্ষা ব্যৱস্থাৰ সৰ্বাত্মক উন্নতি সাধনৰ অৰ্থে শিক্ষাৰ্থী আৰু শিক্ষানুষ্ঠান নাইবা শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত দ্বিমুখী সংযোগ বৃদ্ধি কৰে।

নমনীয়, মুক্ত আৰু উদ্ভাৱনীমূলক প্ৰকৃতিৰ হোৱা বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ শিক্ষাৰ্থীসকলো সংমিশ্ৰিত প্ৰকৃতিৰ। সেয়েহে, মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাই বিভিন্ন প্ৰকৃতিৰ আৰু বিভিন্ন স্তৰৰ শৈক্ষিক কাৰ্যসূচী অধ্যয়ন কৰাৰ সুবিধা আগবঢ়ায়। এই ব্যৱস্থাত অধ্যয়নৰ শিক্ষাৰ্থীসকলে নিজাববীয়াকৈ অধ্যয়ন কৰে। ইয়াৰ বাবে তেওঁলোকক অধ্যয়ন সামগ্ৰী (স্ব-শিকন সামগ্ৰী আৰু দৃশ্য-শ্ৰব্য কাৰ্যসূচী)ৰ যোগান ধৰা হয়। এই শিক্ষাৰ্থীসকলে টেলিফোন, অন-লাইন সুবিধা আদি ব্যৱহাৰ কৰি মুখামুখিকৈও পাঠবোৰ শিকিব পাৰে। ইয়াৰ উপৰি মূল শিক্ষানুষ্ঠানৰ পৰা আঁতৰত থাকি ডাক আৰু ই-মেইলৰ দৰে সুবিধা গ্ৰহণ কৰিও শিক্ষাৰ্থীয়ে শিকিব পাৰে। লগতে শিক্ষাৰ্থীৰ বাবে ব্যক্তিগত পাঠদান (tutoring), পৰামৰ্শদান (counselling) আৰু আন বহুতো ধৰণৰ সমৰ্থন সেৱা থাকে। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত শিক্ষাৰ্থীৰ সংখ্যা যথেষ্ট বেছি। সেয়েহে এই ব্যৱস্থাৰ অধীনৰ শিক্ষানুষ্ঠানবোৰে লক্ষ্য শিক্ষাৰ্থীগোট, উপলব্ধ সমল আৰু প্ৰচাৰ মাধ্যম সমৰ্থন আদি দিশ বিবেচনা কৰি নিজা শৈক্ষিক ব্যৱস্থা একোটা বিকশাই তুলিব লাগে। অৰ্থাৎ, ব্যৱস্থাটোৰ শিক্ষক-শিকন প্ৰক্ৰিয়াটো অতি উদ্ভাৱনীমূলক। ইয়াক শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাক কেন্দ্ৰ কৰি বিকশাই তোলা হয়। যিসকল শিক্ষকে শৈক্ষিক পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুত কৰে তেওঁলোকে শিকন প্ৰক্ৰিয়াটো অধিক ফসপ্ৰসূ কৰি তুলিবলৈ উপযুক্ত মাধ্যমো বাছনি কৰে। এই পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়নে শিক্ষাৰ্থীক এক উন্নতৰ উপায়েৰে সঁহাৰি জনাবলৈ নতুন ৰূপ গ্ৰহণ কৰিছে। এনে সময়তে নতুন মূল্যায়ন প্ৰক্ৰিয়াটোৱে শিক্ষক আৰু ব্যৱস্থাপনা বিভাগকো শিক্ষণৰ উৎকৰ্ষ সাধন কৰাত তথা শিক্ষানুষ্ঠানবোৰ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিছে। এতেকে, আমি ক'ব পাৰোঁ যে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়ণৰ উদ্দেশ্য যথেষ্ট উদ্ভাৱনীমূলক আৰু শিক্ষানুষ্ঠানভেদে মূল্যায়নৰ প্ৰকৃতি ভিন ভিন ধৰণৰ হ'ব পাৰে। শিক্ষানুষ্ঠানবোৰৰ নিজস্ব উদ্দেশ্য যিয়েই নহওক, মূল্যায়নৰ উমৈহতীয়া প্ৰধান উদ্দেশ্যটো হ'ল শিক্ষাৰ্থীৰ শেহতীয়া শিকনৰ মান আৰু পাৱদৰ্শিতা উন্নত কৰা। তলত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়নৰ উদ্দেশ্যবোৰ আলোচনা কৰা হ'ল।

- **শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ সন্দৰ্ভত মতামত সংগ্ৰহ ঃ** মূল্যায়নৰ প্ৰধান উদ্দেশ্য হ'ল শিক্ষণ-শিকন প্ৰক্ৰিয়া সন্দৰ্ভত মতামত সংগ্ৰহ। সহজ অৰ্থত, মূল্যায়নৰ উদ্দেশ্য হ'ল শিক্ষাৰ্থীৰ শিকন আৰু শিক্ষকৰ শিক্ষণ প্ৰক্ৰিয়া উন্নত কৰি তোলা। শিক্ষক হিচাপে আমি মনোনিৱেশ কৰিবলগীয়া প্ৰধান বিষয়টো হ'ল শিক্ষাৰ্থীক আমি কৰা আলোচনা-পৰ্য্যালোচনাবোৰ বুজি পাবলৈ সক্ষম কৰি তোলা আৰু আমাৰ পৰা লাভ কৰা জ্ঞান

ভৱিষ্যৎ জীৱনত প্ৰয়োগ কৰিব পৰাকৈ সিহঁতক সমৰ্থ কৰা। এগৰাকী দক্ষ শিক্ষকে সদায় শিক্ষণ আৰম্ভ কৰাৰ আগতে নিজৰ শৈক্ষিক উদ্দেশ্যবোৰ স্থিৰ কৰি লয়। তেওঁ শিক্ষণ প্ৰক্ৰিয়াৰ সামৰণিত এই উদ্দেশ্যবোৰ বাস্তৱ কৰাৰ চেষ্টা চলায়। এই কামটো বাস্তৱ কৰি তুলিবলৈ শিক্ষকে শিক্ষাৰ্থীৰ অহৰহ মূল্যায়ন কৰে। শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত সংযোগ স্থাপনৰ ক্ষেত্ৰত মূল্যায়নৰ জৰিয়তে শিক্ষাৰ্থীয়ে শিক্ষকক নিজৰ শিকন স্তৰ সম্পৰ্কে জানিবলৈ দিয়ে। শিক্ষকে নম্বৰ, গ্ৰেড নাইবা মূল্য বিচাৰ কৰি শিক্ষাৰ্থীৰ সৈতে ওলোটা সংযোগ স্থাপন কৰে।

মূল্যায়নক এক দুমখীয়া তৰোৱালৰ সৈতে তুলনা কৰিব পাৰি। শিক্ষকে অকলে শিক্ষাৰ্থীৰ মূল্যায়ন নকৰে। শিক্ষাৰ্থীয়েও শিক্ষকৰ মূল্যায়ন কৰিব পাৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক প্ৰায়েই কোৱা শুনা যায় "অমুক ছাৰে ভাল নম্বৰ নিদিয়ে", "তমুক বাইদেৱে বৰ সুন্দৰকৈ শিকায়", "অমুক বাইদেউৰ শ্ৰেণীত আমি টোপনিয়াই থাকে" ইত্যাদি। শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ দ্বাৰাও শিক্ষকে নিজৰ শিক্ষণ সামৰ্থ বিচাৰ কৰি প্ৰয়োজন অনুসৰি নিজৰ শিক্ষণ উন্নত কৰিব পাৰে। এই দিশেৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ উদ্দেশ্য হ'ল —

- *পাঠ্যবিষয় লেখকসকল নিৰ্দেশনা প্ৰদান কৰে ঃ* এটা প্ৰাথমিক পৰীক্ষা নাইবা আৰম্ভণি পৰ্যায়ৰ পৰীক্ষাই শিক্ষকক শিক্ষাৰ্থীৰ পূৰ্বৰ জ্ঞান আৰু সামৰ্থ সম্পৰ্কীয় তথ্য সংগ্ৰহত সহায় কৰে। ইয়াৰ দ্বাৰা এটা পাঠ্যবিষয় যুগুত কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা পোৱা যায়। লগতে, আহৰণ কৰা তথ্যই শিক্ষাৰ্থীৰ বৰ্তমানৰ জ্ঞান আৰু ঈপ্সিত ফলাফলৰ মাজত থকা ব্যৱধান চিনাক্ত কৰা তথা এই ব্যৱধান আঁতৰোৱাত সহায় কৰে। এগৰাকী আদৰ্শশিক্ষক/পৰামৰ্শদাতা/পাঠ্যবিষয় লেখকে শিক্ষাৰ্থীয়ে ইতিমধ্যে কি কথা জানে সেয়া বিচাৰি উলিয়ায় আৰু এনে পূৰ্ব জ্ঞানক নতুন বোধশক্তি বিকাশৰ আধাৰৰূপে ব্যৱহাৰ কৰে।
- *শিক্ষাৰ্থীক শিকিবলৈ উদ্বুদ্ধ কৰে ঃ* শিক্ষাৰ্থীৰ শিকন বহুলাংশে মূল্যায়ন প্ৰক্ৰিয়া সম্পৰ্কে থকা সচেতনতা নিৰ্ভৰশীল। সেয়েহে মূল্যায়নে শিক্ষাৰ্থীক কি পঢ়িব লাগে, কেনেদৰে পঢ়িব লাগে, ধাৰণাবোৰ বুজাত খৰছ কৰিবলগীয়া আপেক্ষিক সময় আৰু এটা পাঠ্যবিষয়ৰ পৰা আহৰণ কৰিলগীয়া দক্ষতা আদিৰ বিষয়ে উপযুক্ত ইংগিত দিব লাগে। এই ক্ষেত্ৰত মূল্যায়ন সঁহাৰি হিচাপে শিক্ষকে কৰা মন্তব্যবোৰে এক তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে।
- *শিক্ষাৰ্থী অগ্ৰগতি অৱগত কৰে ঃ* মূল্যায়নৰ সহায়ত শিক্ষাৰ্থীয়ে কোনো এটা বিষয় তেওঁ কিমান জানে আৰু কিমান নাজানে সেয়া চিনাক্ত কৰিব পাৰে। শিক্ষকৰ পৰা পোৱা মন্তব্যই শিক্ষাৰ্থীয়ে নিজৰ পাৰদৰ্শিতা উন্নত কৰাৰ নিৰ্দেশনা লাভ কৰে।
- *ছপা কাম আৰু অন্য প্ৰচাৰ মাধ্যম ব্যৱস্থাপনাত পাঠ্যবিষয় সমন্বয়ৰক্ষীক দিক্*

নির্দেশনা প্রদান কৰে ঃ মূল্যায়নৰ আধাৰত পাঠ্যবিষয় সমন্বয়ৰক্ষীয়ে কেনে প্রকাৰৰ শিক্ষার্থীৰ বাবে কোনটো মাধ্যম ব্যৱহাৰ কৰাতো ভাল হ'ব সেয়া চিনাক্ত কৰিব পাৰে।

- *পৰামর্শদাতা/ব্যক্তিগত শিক্ষকক তেওঁলোকৰ শিক্ষণ কৌশলৰ ফলপ্রসূতা অৱগত কৰে ঃ* শিক্ষার্থীৰ পাৰদর্শিতাই এগৰাকী শিক্ষকক তেওঁৰ শিক্ষণৰ শক্তি আৰু দুর্বলতা দুয়োটা চিনাক্ত কৰাত সহায় কৰে। ইয়াৰ সহায়ত তেওঁ কোনবোৰ শিক্ষণ কৌশলৰ শুধৰণি ঘটাব আৰু কোনবোৰ আগৰ দৰে চলাই নিব সেই সম্পর্কে দিক্‌নির্দেশনা লাভ কৰে।
- *গ্রেড/নম্বৰ আগবঢ়ায় ঃ* মূল্যায়নৰ উদ্দেশ্য হ'ল পাৰদর্শিতা অনুসৰি শিক্ষার্থীয়ে গ্রেড নাইবা নম্বৰ দিয়া।

- **ব্যৱস্থাটো সন্দর্ভত মতামত সংগ্রহ ঃ** এটা প্রক্রিয়াৰূপে মূল্যায়নৰ জৰিয়তে শিক্ষার্থীৰ শিকনৰ মান উন্নত কৰি তুলিব পৰা বিভিন্ন পন্থা নির্ণয়ৰ বাবে অর্থপূর্ণ তথ্য সংগ্রহ কৰা হয়। এটা সামগ্রিক শিক্ষা ব্যৱস্থা আৰু ইয়াৰ বিভিন্ন উপ-ব্যৱস্থা সন্দর্ভত মতামত সংগ্রহৰ বাবেও মূল্যায়ন কৰা হয়। ই শিক্ষার্থীৰ শৈক্ষিক প্রয়োজনীয়তাবোৰ চিনাক্ত কৰাৰ লগতে কোনো এক শিক্ষানুষ্ঠানৰ শৈক্ষিক লেনদেন প্রক্রিয়াৰ শক্তি তথা দুর্বলতা উদঙাই দেখুৱায়। ইয়াৰ সহায়ত শিক্ষানুষ্ঠানখনৰ বিভিন্ন ষ্টেকহোল্ডাৰ অনুষ্ঠানখনৰ সবল আৰু দুর্বল দিশবোৰ বুজি পায়। এই দিশেৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য হ'ল —
  - পিতৃ-মাতৃ, পৰিয়াল তথা অভিভাৱকক/শিক্ষার্থী এজন এজনীৰ শিকন অগ্রগতি জনাত সহায় কৰা। ইয়াৰ ফলত তেওঁলোকে ল'ৰা-ছোৱালীৰ শিকন প্রক্রিয়াত এক সক্রিয় ভূমিকা লোৱাৰ সুযোগ পায়।
  - শিক্ষানুষ্ঠানৰ প্রশাসক তথা ব্যৱস্থাপকসকলক ভৰিষ্যৎ পৰিকল্পনা গ্রহণত সহায় কৰাৰ লগতে শিক, পাঠ্যবিষয় লেখক আৰু সম্পাদক আদিক সমর্থন আগবঢ়োৱাৰ দিশত কি কি কথা পূর্বতকৈ উন্নত কৰিব লাগিব সেয়া চিনাক্ত কৰাত সহায় কৰে। মূল্যায়নে বৃত্তিজীৱী বিকাশ প্রয়োজনীয়তা নির্ধাৰণতো সহায় আগবঢ়ায়।
  - প্রশাসক আৰু ব্যৱস্থাপকসকলক শিক্ষার্থীৰ প্রয়োজনীয়তা অনুসৰি শিক্ষার্থী সমর্থন সেৱাৰ ব্যৱস্থা কৰাত সহায় কৰে।
  - বিশ্ববিদ্যালয় নাইবা শিক্ষানুষ্ঠানক প্রশাসনিক ভূমিকা পালনৰ উপযুক্ত দিক্‌-নির্দেশনা প্রদান কৰে। মূল্যায়নে বিশ্ববিদ্যালয়ক ইয়াৰ মুখ্য কার্যালয় আৰু অধ্যয়ন কেন্দ্রবোৰত কিমান কর্মচাৰী আৰু সমলৰ প্রয়োজন হ'ব সেয়া আলোচনাৰো সুযোগ দিয়ে।
  - শিক্ষা মন্ত্রালয় আৰু বিধিসম্মত শৈক্ষিক অভিকৰণক প্রচলিত শিক্ষা ব্যৱস্থা

পুনৰীক্ষণৰ সুযোগ দিয়ে, পুৰণি নীতি উন্নত কৰাত সহায় কৰে আৰু দেশৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটোৰ সামগ্রিক উন্নয়ণৰ বাবে নতুন নীতি প্রণয়ন কৰে।

- চৰকাৰী পুঁজিৰ ব্যৱহাৰ আৰু নীতিত হস্তক্ষেপ কৰণ আদিৰ দৰে বিষয়ত সিদ্ধান্ত লোৱাত চৰকাৰী অনুস্থান বা সংস্থাবোৰক সহায় তথা দিক্ নির্দেশনা প্রদান কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) পূর্বতে ——— আৰু কৃতিত্বক স্বীকৃতি দিয়াৰ উদ্দেশ্যেৰে মূল্যায়ন কৰা হৈছিল।

(খ) মূল্যায়নৰ প্রাথমিক উদ্দেশ্য হ'ল শিক্ষার্থীৰ সাম্প্রতিক শিকন আৰু ——— উন্নত কৰা।

প্রশ্ন ৫ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ দুটা উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰক।

১১.৬ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ প্রকাৰ

দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ শিক্ষার্থীৰূপে আপুনি বিভিন্ন প্রকাৰৰ মূল্যভিত্তিক কার্যকলাপ কৰি আহিছে। যেনে — স্ব-অগ্রগতি নিৰীক্ষণ, প্রদত্ত কার্য বিকল্প উত্তৰ সন্নিৰিষ্ট প্রশ্ন, বছৰেকীয়া পৰীক্ষা, প্রকল্প ইত্যাদি। এই শিতানটোত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত সাধাৰণতে প্রয়োগ কৰা মূল্যায়ণ প্রকাৰবোৰৰ বিষয়ে আলোচনা কৰিম। ব্যৱস্থাটোত প্রয়োগ কৰা মূল্যাংকনৰ বিভিন্ন প্রকাৰো ইয়াত আলোচনা কৰা হ'ব। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বেলেগ বেলেগ ধৰণত প্রশ্ন সুধি গঠনমূলক আৰু মুঠ ফল নির্ণায়ক মূল্যাংকন কৰা হয়। তলত মূল্যাংকনৰ প্রকাৰ দুটা চমুকৈ আলোচনা কৰা হ'ল —

- **গঠনমুলক মূল্যাংকন (Formative Evaluations)** ঃ কোনো এটা শৈক্ষিক কার্যসূচীৰ ইতিপূর্বে নির্ধাৰণ কৰা শিক্ষন উদ্দেশ্যবোৰত উপনীত হোৱাৰ প্রক্রিয়াটোত শিক্ষার্থীয়ে দেখুওৱা দুর্বলতাবোৰ এনে মূল্যাংকনেৰে জুখি চোৱা হয়। দুর্বলতাবোৰ বিচাৰি উলিওৱাৰ পাচত শিক্ষার্থীক শিক্ষাকাল সমাপ্তি পর্বত দেখুওৱা আচৰণ সংশোধনত সহায় কৰা হয়। ই এক অবিৰত প্রক্রিয়া। শিক্ষার্থীক শিকাৰ বাবে উদ্বুদ্ধ কৰিবলৈ আৰু শিক্ষার্থীয়ে কেনেদৰে অগ্রগতি লাভ কৰিছে সেয়া বুজাত সহায় কৰিব পৰাকৈ গঠনমূলক মূল্যাংকন প্রক্রিয়াবোৰৰ আৰ্হি প্রস্তুত কৰা হয়। এটা শৈক্ষিক কার্যসূচী চলি থাকোতে নিয়মীত অন্তৰালত গঠনমলূক মূল্যাংকন কৰি গৈ থকা হয়। এনে মূল্যাংকনৰ বাবে শিক্ষার্থীয়ে বিভিন্ন প্রদত্ত কার্যৰ লগতে ব্যৱহাৰিক কার্য, ক্ষুদ্র গোটক শিক্ষাদান, সমূহীয়া অংশগ্রহণ, ক্ষেত্রভিত্তিক অভিজ্ঞতা, বিদ্যালয় ভিত্তিক কার্যকলাপ, থিতাতে কৰা কার্য, আলোচনা চক্র, দলীয় আলোচনা আদিৰ দৰে বিভিন্ন কর্মশালাকেন্দ্রিক কার্যকলাপ কৰিবলগীয়া হয়।

- **মুঠ ফল নির্ণায়ক বা সংক্ষেপী মূল্যাংকন (Summative Evaluations) ঃ** 'মুঠ ফল নির্ণায়ক' বুলি কোৱাৰ লগে লগে মূল্যাংকনৰ যিটো অর্থ মনলৈ আহে সেইটা হ'ল কোনো পাঠ্যবিষয় এটাৰ সামৰণিত কৰা মূল্যাংকনবোৰ। এনে মূল্যাংকনৰ লক্ষ্য হ'ল শৈক্ষিক উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্রত শিক্ষার্থীয়ে লাভ কৰা সফলতাৰ প্রমাণপত্র আৰু এক সর্বমুঠ প্রতিবেদন আগবঢ়োৱা। মুঠ ফল নির্ণায়ক মূল্যাংকন গঠনমূলক মূল্যাংকনবোৰৰ চূড়ান্ত ফলাফল হ'ব পাৰে। ই শিক্ষার্থীৰ শিকন স্তৰ নাইবা শৈক্ষিক উদ্দেশ্যত উপনীত হোৱাৰ গ্রেড চূড়ান্ত কৰে। বছৰেকীয়া পৰীক্ষা, প্রকল্প আৰু নিৱন্ধ/গৱেষণাপত্রৰ মূল্যাংকন হ'ল মুঠ ফল নির্ণায়ক মূল্যাংকনৰ অংশ।

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত মূল্যাংকনক কেইবাটাও প্রকাৰত ভগোৱা হয়। তলৰ উপ-শিতানবোৰত আমি এই প্রকাৰবোৰৰ বিষয়ে আলোচনা কৰিম।

১১.৬.১ স্ব-মূল্যায়ন, অবিৰত মূল্যায়ন আৰু বছৰেকীয়া মূল্যায়ন

মূল্যায়নক প্রধানকৈ তিনিটা ভাগত ভগোৱা হয় — স্ব-মূল্যায়ন (self assessment), অবিৰত মূল্যায়ন (continuous assessment) আৰু বছৰেকীয়া মূল্যায়ন (term-end assessment)।

- *স্ব-মূল্যায়ন ঃ* স্ব-শিকন সামগ্রীবোৰত আদিৰ পৰা অন্তলৈ বিভিন্ন স্থানত স্ব-মূল্যায়ন কৰিব পৰা প্রশ্ন (SAQ) নাইবা অগ্রগতি নিৰীক্ষণকাৰী প্রশ্নবোৰ (CYPs) দিয়া থাকে। এই প্রশ্নবোৰ শ্রেণীকোঠা ভিত্তিক শিক্ষণ আৰু শিক্ষকৰ অনুপস্থিতিৰ ক্ষতিপূৰণ হিচাপে পাঠত সংযোজিত কৰা হয়। এই প্রশ্নবোৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত শিক্ষণ-শিকন প্রক্রিয়াত সঁহাৰি জ্ঞাপনৰ সুযোগ দিয়ে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষার্থীয়ে নিজৰ শৈক্ষিক অগ্রগতিৰ বিষয়ে জানিব বিচাৰিলেও তেওঁক সঁহাৰি জনাব পৰাকৈ কোনো শিক্ষক উপস্থিত নাথাকে। এই SAQs আৰু CYPsবোৰেই হ'ল দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষার্থীসকলে অগ্রগতি বিষয়ক তাৎক্ষণিক সঁহাৰি লাভ কৰাৰ একমাত্র পথ। এইবোৰ হ'ল গঠনমূলক মূল্যাংকনৰ আহিলা যিবোৰে শিক্ষার্থীক অধিক ভালদৰে শিকাত সহায় কৰে। SAQবোৰত প্রধানকৈ বস্তুনিষ্ঠ প্রকাৰৰ আৰু চুটি উত্তৰ দিব পৰা প্রশ্ন সন্নিৱিষ্ট কৰা থাকে।
- *অবিৰত মূল্যায়ন ঃ* দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বেছিভাগ সময়তেই শিক্ষার্থীক প্রদত্ত কার্য সমাপ্ত কৰিবলৈ দি অবিৰত মূল্যায়ন কৰা হয়। এমুঠিমান শিক্ষানুষ্ঠানতহে বিকল্প উত্তৰ সম্বলিত প্রশ্ন (MCQ)ৰ পৰীক্ষা পাতি অবিৰত মূল্যায়ন কৰা হয়। সাধাৰণতে একোটা প্রদত্ত কার্যত সামগ্রিক মূল্যায়নৰ ২০-৩০% নম্বৰ থাকে। ই এক দ্বিমুখী সংযোগ স্থাপন প্রক্রিয়া। ইয়াত এটা পক্ষত শিক্ষার্থী থাকে আৰু আনটো পক্ষত দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠান নাইবা ব্যক্তিগত

শিক্ষক থাকে। প্রদত্ত কার্যবোৰ শিক্ষার্থীৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সদস্যৰূপে থকা বিচ্ছিন্নতাবোধ আঁতৰ কৰে। প্রদত্ত কার্য মূল্যাংকন কৰোঁতাসকলে সঁহাৰি স্বৰূপে বিভিন্ন লিখিত মতামত নাইবা মন্তব্য আগবঢ়ায়। এনে মন্তব্যবোৰ অতি গুৰুত্বপূর্ণ। ইয়াৰ দ্বাৰাই শিক্ষার্থীয়ে পিছত সবল আৰু দুর্বল দিশবোৰৰ লগতে সামগ্রিক শৈক্ষিক অগ্রগতি গম পায়। এই মন্তব্যবোৰক 'ব্যক্তিগত শিক্ষকৰ মন্তব্য' (tutor comments) বোলা হয়। মন্তব্য কৰাৰ স্থান অনুসৰি এই মন্তবোৰক দুটা ভাগত ভগোৱা হয়। ইয়াৰে এটা হ'ল প্রান্তীয় মন্তব্য নাইবা নির্দিষ্ট মন্তব্য (marginal or specific comments)। প্রদত্ত কার্যৰ সঁহাৰি জনাবলৈ থকা মার্জিত অংশত এই মন্তব্য লিখা হয়। আনটো হ'ল 'সর্বাত্মক মন্তব্য' (Global Comments)। ইয়াৰ বাবে পৃথক কাগজ ব্যৱহাৰ কৰা হয় আৰু প্রদত্ত কার্যৰ সকলোৰে উত্তৰ সামৰি মন্তব্য লিখা হয়। প্রান্তীয় মন্তবোৰক আঠটা শাখাত ভগোৱা হয় —


- ক্ষতিকাৰক মন্তব্য (harmful comments)
- উপৰুৱা মন্তব্য (hollow comments)
- বিপথে পৰিচালনাকাৰী মন্তব্য (misleading comments)
- ইতিবাচক মন্তব্য (positive comments)
- নেতিবাচক মন্তব্য (negative comments)
- গঠনমূলক মন্তব্য (constructive comments)
- মূল্যহীন মন্তব্য (null comments)
- ব্যক্তিগত মন্তব্য (personal comments)

ব্যক্তিগত শিক্ষকৰ মন্তবোৰ সদায় শিক্ষার্থীৰ কামত অহা ধৰণৰ হ'ব লাগে। এনে মন্তব্যই পৰৱর্তী প্রদত্ত কার্যত শিক্ষার্থীৰ পাৰদর্শিত উন্নত কৰাৰ থল থাকে। ইয়াৰ সুফল আনকি বছৰেকীয়া পৰীক্ষাৰ ফলাফলতো দেখা পোৱা যায়। শিক্ষার্থীক প্রদত্ত কার্য দি আৰু মন্তব্যৰ জৰিয়তে বিভিন্ন দিহা-পৰামর্শ আগবঢ়োৱা কার্যটো এক প্রকাৰৰ গঠনমূলক মূল্যাংকন বুলি ক'ব পৰা যায়।

- *বছৰেকীয়া পৰীক্ষা ঃ* বছৰেকীয়া পৰীক্ষা হ'ল শিক্ষা সমাপ্তি পৰীক্ষা। এনে পৰীক্ষা শৈক্ষিক অনুষ্ঠান এটাৰ নীতি আৰু পাঠ্যবিষয় এটাৰ জটিলতা অনুসৰি বছৰত এবাৰ নাইবা দুবাৰ পতা হয়। বার্ষিক ব্যৱস্থা এটাত এনে পৰীক্ষা বছৰত এবাৰ আৰু ষান্মাসিক ব্যৱস্থা এটাত বছৰত দুবাৰকৈ পতা হয়। এই পৰীক্ষা প্রধানতঃ কাগজ কলম ভিত্তিক কার্যকলাপ। কিছুমান শৈক্ষিক কার্যসূচীত শিক্ষার্থীৰ পাৰদর্শিতা মূল্যায়ন কৰিবলৈ ব্যৱহাৰিক কার্যকলাপ আৰু প্রকল্প আদিও কৰিবলৈ দিয়া হয়। বছৰেকীয়া পৰীক্ষাত সামগ্রিক মূল্যায়ন ৭০-

৭৫% নম্বৰ থাকে। বছৰেকীয়া পৰীক্ষাবোৰ হ'ল মুঠ ফল নির্ণায়ক মূল্যাংকনৰ উদাহৰণ। বছৰেকীয়া পৰীক্ষাত অৱতীর্ণ হোৱাৰ পাচত শিক্ষার্থীয়ে যদি উত্তীর্ণ হ'বলৈ স্থিৰ কৰি দিয়া নূন্যতম নম্বৰ (pass mark) লাভ কৰে, তেন্তে তেওঁ পৰৱর্তী বর্ষ নাইবা ষান্মাসিকত পঢ়াৰ বাবে পদোন্নতি পায় অথবা কোনো ডিগ্রী লাভ কৰে।

চিত্র ১১.১ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত মূল্যায়ন তথা মূল্যাংকন



➢ *মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়ন তথা মূল্যাকন ঃ* ওপৰত উল্লেখ কৰা স্ব-মূল্যায়ন, অবিৰত মূল্যায়ন আৰু বছৰেকীয়া পৰীক্ষা হ'ল দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত প্রয়োগ কৰা সাধাৰণ অনুশীলন। শিক্ষার্থীৰ বস্তুনিষ্ঠ জ্ঞান কিমান সেয়া তিনি প্রকাৰৰ প্রশ্নৰ জৰিয়তে বুজাৰ চেষ্টা কৰা হয়। প্রকাৰ কেইটা হ'ল — অতি চমু প্রশ্ন (বস্তুনিষ্ঠ প্রকাৰ), চুটি প্রশ্ন (৫০-১৫০টা শব্দৰ ভিতৰত দিব পৰা) আৰু দীঘলীয়া প্রশ্ন/ৰচনাধর্মী প্রশ্ন (৫০০-৬০০টা শব্দৰ ভিতৰত দিব পৰা)। বিশ্লেষণ, সংশ্লোষণ আৰু মূল্যাংকন আদিৰ দৰে উচ্চ ক্রমৰ প্রজ্ঞাত্মক উদ্দেশ্যবোৰত শিক্ষার্থী উপনীত হ'ব পাৰিছেনে নাই সেয়া মূল্যাংকন কৰিবলৈ চুটি উত্তৰ আৰু দীঘল উত্তৰ দিব পৰা প্রশ্ন সোধা হয়। জ্ঞান, বোধশক্তি আদিৰ দৰে নিম্ন ক্রমৰ উদ্দেশ্যবোৰত শিক্ষার্থীৰ অগ্রগতিৰ মূল্যাকন কৰিবলৈ বস্তুনিষ্ঠ প্রকাৰৰ প্রশ্ন সোধা হয়। অধ্যয়নকালত শিক্ষার্থীক তাৎক্ষণিক সঁহাৰি জনাবলৈ এই ধৰণৰ প্রশ্নবোৰ সবাতোকৈ উপযুক্ত। বস্তুনিষ্ঠ প্রকাৰৰ প্রশ্নবোৰক ছটা প্রধান ভাগত ভগোৱা হয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ শিক্ষার্থীসকলৰ পাৰদর্শিতা মূল্যায়ন কৰিবলৈ সাধাৰণতে বস্তুনিষ্ঠ প্রকাৰৰ প্রশ্ন সোধা হয়। প্রকাৰ কেইটা হ'ল —

- সঁচা-মিছা (True/False)
- শুদ্ধ যুটী মিলোৱা (Matching)
- খালী ঠাই পূৰণ (Fill in the blanks)
- বাক্য সম্পূৰ্ণ কৰা (Completion of the sentence)
- বিকল্প পছন্দ (Multiple Choice)
- ক্ৰম মিলোৱা (Sequencing)

চিত্ৰ ১১.২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ বিভিন্ন প্ৰকাৰৰ প্ৰশ্ন



স্ব-মূল্যায়নৰ সময়ত সাধাৰণতে বস্তুনিষ্ঠ প্ৰকাৰৰ প্ৰশ্ন ব্যৱহাৰ কৰা হয়। অৱশ্যে, শিক্ষাৰ্থীৰ শিকন অগ্ৰগতি মূল্যায়ন কৰিবলৈ চুটি উত্তৰ দিব পৰা (৫০ টা শব্দৰ ভিতৰত) প্ৰশ্নও সোধা হয়। অবিৰত মূল্যায়নৰ ক্ষেত্ৰত চুটি আৰু দীঘল বা ৰচনাধৰ্মী দুয়ো ধৰণৰ প্ৰশ্ন সোধা হয়। বছৰেকীয়া মূল্যায়নৰ সময়ত তিনিওটা প্ৰকাৰৰ প্ৰশ্ন সোধা হয়।

১১.৬.২ নম্বৰ আৰু গ্ৰেড প্ৰদান ব্যৱস্থা

মূল্যায়নৰ বিষয়ে বহলাই আলোচনা কৰাৰ সময়ত আমি সুশ্ৰুত নামৰ ল'ৰাজনৰ উদাহৰণটো ব্যৱহাৰ কৰিছিলোঁ। তেওঁ বিজ্ঞানৰ পৰীক্ষা এটাত ৯৫% নম্বৰ লাভ কৰিছিল। আন এটা উদাহৰণত মিচিকি নামৰ ছোৱালীজনীয়ে প্ৰকল্প কাৰ্যত 'A' গ্ৰেড পোৱা কথা কোৱা হৈছিল। অৰ্থাৎ, এজন শিক্ষাৰ্থীয়ে নম্বৰ লাভ কৰিছে আৰু এজনী শিক্ষাৰ্থীয়ে গ্ৰেড পাইছে। অৰ্থাৎ, গণনা কৰিব পৰা সংখ্যা আৰু গ্ৰেডিঙৰ সহায়ত মূল্যায়ন কৰা হয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত দুয়োটা পদ্ধতিয়েই প্ৰয়োগ কৰা হয়। নম্বৰ দিয়া ব্যৱস্থা মানে হ'ল নম্বৰৰ আধাৰত উত্তৰ বহীৰ উত্তৰবোৰ পৰীক্ষা কৰি এগৰাকী শিক্ষাৰ্থীৰ মূল্যায়ন কৰা প্ৰক্ৰিয়া। অৰ্থাৎ, এই পদ্ধতিত শূন্যৰ পৰা প্ৰশ্ন কাকতৰ সৰ্বমুঠ নম্বৰটোৰ ভিতৰত উত্তৰ বিপৰীত নম্বৰ দিয়া হ'ব পাৰে। ০-১০০ সীমাৰ ভিতৰত নম্বৰ দিয়া প্ৰক্ৰিয়াটোৰ সৈতে আমাৰ পৰিচয় আছে। গ্ৰেডিং হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে বিভিন্ন স্বীকৃতিপ্ৰাপ্ত মান পৰিমাপন প্ৰয়োগ কৰি এটা পাঠ্যবিষয়ত শিক্ষাৰ্থীৰ সফলতাৰ ভিন ভিন স্তৰবোৰৰ

মূল্যায়ন কৰা হয় আৰু পাচত সেইবোৰ কিছুমান প্ৰতীকলৈ সলনি কৰা হয়। সাধাৰণতে কেইটামান বৰ্ণৰ সহায়ত গ্ৰেড বুজোৱা হয় (A ৰ F পৰা)। এনেদৰে, পৰিসৰ বুজাবলৈ কেইটামান সংখ্যা (১ ৰ পৰা ৬), অগ্ৰগতি বুজাবলৈ কেইটামান বৰ্ণনামূলক (Excellent/অতি উত্তম, Very good/উত্তম, Satisfactory/সন্তোষজনক, Not satisfactory/সন্তোষজনক নহয়, Needs Improvement/উন্নত কৰা প্ৰয়োজন, দুৰ্বল ইত্যাদি) নাইবা কেইটামান সংখ্যা (৫,৪,৩,২ আৰু ১) আদি ব্যৱহাৰ কৰা হয়। গ্ৰেডিং আৰ্হিত পৰিমাপৰ জোখ পাঁচ পইন্ট, সাত পইন্ট নাইব ন পইন্ট হ'ব পাৰে।

যদিও সমগ্ৰ বিশ্বতে গ্ৰেডিং এক জনপ্ৰিয় পদ্ধতি, তথাপিও ভাৰতত গ্ৰেডক নম্বৰলৈ সলনি কৰোঁতে দেখা দিব পৰা সমস্যাবোৰ এৰাই চলিবলৈ সততে নম্বৰদিয়া পদ্ধতিটোৱেই ব্যৱহাৰ কৰা হয়। বিশেষকৈ শিক্ষাৰ্থীৰ শিকন গতিশীলতা সুচল কৰি ৰাখিবলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত নম্বৰ দিয়া পদ্ধতিটো প্ৰয়োগ কৰা হয়। কিন্তু মূল্যায়নৰ গুণগত অভিযোজনৰ বাবে সকলো শিক্ষানুষ্ঠানেই গ্ৰেডিং ব্যৱস্থা প্ৰয়োগ কৰিব লাগিব।

তালিকা ১১.১ ঃ IGNOUৰ গ্ৰেডিং ব্যৱস্থা

বৰ্ণ গ্ৰেড	গুণগত স্তৰ	পইন্ট গ্ৰেড	শতাংশ (%)
A	Excellent/অতি উত্তম	5	৮০% আৰু তাতোকৈ অধিক
B	উত্তম	4	৬০-৭৯.৯%
C	ভাল	3	৫০-৫৯.৯%
D	সন্তোষজনক	2	৪০-৪৯.৯%
E	সন্তোষজনক নহয়	1	৪০% তকৈ কম



চিন্তা চৰ্চা কৰক ১১.২

আপোনাৰ বিশ্ববিদ্যালয়ে কেনেধৰণৰ গ্ৰেড প্ৰদান ব্যৱস্থা অনুসৰণ কৰে? ব্যৱস্থাটোৰ IGNOU ব্যৱস্থাৰ সৈতে তুলনা কৰক।

.....

.....

১১.৬.৩ মূল্যায়নৰ অন্য ৰূপবোৰ

দূৰৱৰ্ত্তী শিক্ষাত আন কেইটামান ৰূপো ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা হয়। সেই ৰূপবোৰ হ'ল —

- *সমনীয়াৰ মূল্যায়ন (Peer assessment)* ঃ সমান প্ৰতিস্থিত (status)ৰ শিক্ষাৰ্থীয়ে কৰা কামৰ মূল্যায়নত এই পদ্ধতি ব্যৱহাৰ কৰা হয়। বৃত্তিমুখী পাঠ্যবিষয়বোৰৰ ক্ষেত্ৰত এই পদ্ধতিৰ ব্যৱহাৰ অধিক।
- *প্ৰকল্প মূল্যায়ন (Project assessment)* ঃ শিক্ষাৰ্থীৰ ব্যৱহাৰিক দক্ষতা

বৃদ্ধি কৰিবলৈ প্ৰকল্পৰ এক মূল্যায়ন আহিলাৰূপে ব্যৱহাৰ কৰা হয়।

- *প'র্টফ'লিঅ' মূল্যায়ন (Portfolio assessment)* ঃ প'র্টফ'লিঅ' হ'ল শিক্ষার্থীৰ পাৱদর্শিতাৰ এক প্রণালীৱদ্ধ খতিয়ান। ইয়াৰ এক নির্দিষ্ট সময়সীমাৰ ভিতৰত শিক্ষার্থীয়ে এক পূর্ব নির্ধাৰিত উদ্দেশ্য সমষ্টিৰ ভিতৰত কোনবোৰ উদ্দেশ্যত কিমানদূৰৱৰ্ত্তী সফলতা লাভ কৰিছে তাৰ উল্লেখ থাকে।
- *মৌখিক মূল্যায়ন (Oral assessment)* ঃ সাধাৰণতে কোনো এক প্রকল্প কার্যৰ সামৰণিত মৌখিক পৰীক্ষা (viva-voce) ৰ দ্বাৰা এনে মূল্যায়ন কৰা হয়।
- *আলোচনা চক্র উপস্থাপন (Seminar presentation)* ঃ শিক্ষার্থীৰ ভাষাজ্ঞান, নেতৃত্ব দিব পৰা ক্ষমতা আৰু দলীয় উৎসাহ আদি মূল্যায়ন তথা উন্নত কৰিবলৈ আলোচনা চক্র পতা হয়। এইবোৰে শিক্ষার্থীক ফলপ্রসূ উপস্থাপন কৰে সেয়া শিকাত সহায় কৰাৰ লগতে তেওঁলোকৰ এই বিষয়ত দক্ষতা বৃদ্ধি কৰে।
- *শিক্ষা নবিচ কাল (Internship)* ঃ ই মূল্যায়নৰ অংশ নহয়। ই হ'ল শিক্ষার্থীক কৰিবলৈ দিয়া প্রকৃত কর্ম অভিজ্ঞতা।

ওপৰত তিনিটা পৃথক পৃথক উপ-শিতানত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত ব্যৱহৃত মূল্যায়নৰ প্রকাৰসমূহ আলোচনা কৰা হ'ল। এই আটাইবোৰ মূল্যায়নকে আকৌ দুটা ভাগত ভগোৱা হয় — *অনলাইন মূল্যায়ন* আৰু *অফ্‌লাইন মূল্যায়ন*। অনলাইন মূল্যায়ন নাইবা পৰীক্ষা হ'ল মূল্যায়ন ব্যৱস্থাৰ এটা নতুন উদ্ভাৱন। ইয়াক *ই-এচেছমেন্ট* (e-assessment) বুলিও কোৱা হয়। কোনো এক প্রদত্ত বিষয়ত অংশগ্রহণকাৰীৰ জ্ঞান আৰু মনোভাৱ পৰিমাপণৰ বাবে *অনলাইন পৰীক্ষা* পতা প্রক্রিয়াটোৱেই হ'ল ই-এচেছমেন্ট। অনলাইন পৰীক্ষাবোৰত শিক্ষার্থীয়ে নিজৰ সময়মতে আৰু নিজৰ যন্ত্র/আহিলা ব্যৱহাৰ কৰি অৱতীর্ণ হ'ব পাৰে। এইক্ষেত্রত শিক্ষার্থীৰ বাসস্থানে কোনো অসুবিধাৰ সৃষ্টি নকৰে। শিক্ষার্থীয়ে কেৱল এটা ব্রাউছাৰ (browser) আৰু ইন্টাৰনেট সংযোগৰ প্রয়োজন হয়। লাহে লাহে অনলাইনৰ পৰীক্ষা ব্যৱস্থাই শিক্ষার্থীৰ মাজত জনপ্রিয়তা অর্জন কৰিছে। ইয়াৰ দ্রুততা আৰু নির্ভুলতাই ইয়াক দ্রুত বিকশিত পৰীক্ষা পদ্ধতিৰ ৰূপ দিছে। অনলাইনৰ পৰীক্ষাৰ মূল্যায়নৰ প্রতিটো স্তৰতে যথেষ্ট কমসংখ্যক মানৱশক্তিৰ প্রয়োজন হয়। এই পৰীক্ষা পদ্ধতিত প্রশ্ন কাকত প্রস্তুত কৰাৰ পৰা শিক্ষার্থীক গ্রেড প্রদান কৰালৈকে সকলো কামতে মানৱ শক্তি কমকৈ প্রয়োজন হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নক কি তিনিটা ভাগত ভগোৱা হয়?

.....

.....

প্ৰশ্ন ৭ ঃ তিনিটা বস্তুধৰ্মী প্ৰশ্নৰ উদাহৰণ দিয়ক।

.....

.....



চিন্তা চৰ্চা কৰক ১১.৩

অনলাইন মূল্যায়ন প্ৰক্ৰিয়াটো বুজিবলৈ অনুগ্ৰহ কৰি তলত উল্লেখ কৰা লিংকটো খুলি ভিডিঅ'টো চাওক —

https://www.youtube.com/watcg?v=qU6DBkb57Gs

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়ন তথা মূল্যাংকন প্ৰক্ৰিয়া দুটাৰ বিষয়ে আলোচনা কৰিলোঁ।
- মূল্যায়ন হ'ল এনে এক কাৰ্যকলাপ যিটোৰ সহায়ত শিকন ফলাফলৰ ৰূপত শিক্ষাৰ্থীৰ শিকন সফলতাৰ অগ্ৰগতিৰ অথবা হাৰ গম পোৱা যায়।
- আমি যেতিয়া মূল্যাংকনকাৰীৰ ভূমিকা পালন কৰিবলগীয়া হয় তেতিয়া পৰীক্ষা, পৰিমাপন আৰু মূল্যায়ন প্ৰক্ৰিয়াৰে সংগ্ৰহ কৰা গুণগত আৰু/নাইবা পৰিমাণগত তথ্য নাইবা নম্বৰবোৰ বিচাৰ কৰি চাও। তাৰ ভিত্তিত আমি অতি উত্তম, ভাল, মোটামুটি নাইবা দুৰ্বল আদিৰ দৰে ৰায়দান কৰি 'মূল্য' দিও অথবা 'উৎকৰ্ষ'ৰ মান নিৰ্ধাৰণ কৰোঁ।
- পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ দৰে মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিকন ব্যৱস্থাতো শিক্ষাৰ গুণগত নিশ্চিত প্ৰদানত মূল্যায়নে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়নে এক নতুন ৰূপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত পূৰ্বতকৈ উন্নততৰ পন্থাৰে শিক্ষাৰ্থীক শৈক্ষিক শৈলী উন্নত কৰাত সহায় কৰিব পৰা গৈছে আৰু অনুষ্ঠান প্ৰশাসকসকলে শিক্ষানুষ্ঠান এটা ফলপ্ৰসূ তথা মসৃণভাৱে চলাব পৰা হৈছে।
- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বিভিন্ন প্ৰকাৰৰ প্ৰশ্নৰ সৈতে গঠনমূলক তথা মুঠ ফল নিৰ্ণায়ক মূল্যায়ন পদ্ধতি প্ৰয়োগ কৰা হয়।
- মূল্যায়নক তিনিটা ভাগত ভগোৱা হয় — স্ব-মূল্যায়ন, অবিৰত মূল্যায়ন আৰু বছৰেকীয়া মূল্যায়ন।

- দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত বেছিভাগ সময়তে প্ৰদত্ত কাৰ্যৰ জৰিয়তে অবিৰত মূল্যায়ন কৰা হয়। প্ৰদত্ত কাৰ্যৰ মূল্যাংকনকাৰীসকলে সঁহাৰি ৰূপে লিখা মন্তব্যবোৰক 'ব্যক্তিগত শিক্ষকৰ মন্তব্য' বোলা হয়। এই মন্তব্যবোৰক পুনৰ দুটা ভাগত ভগোৱা হয় — প্ৰান্তীয় নাইবা সুনিৰ্দ্দিষ্ট মন্তব্য আৰু সৰ্বাত্মক মন্তব্য।
- শিক্ষাৰ্থী শিকন উদ্দেশ্যত উপনীত হ'ব পাৰিছেনে নাই সেয়া তিনি প্ৰকাৰৰ প্ৰশ্নৰ সহায়ত মূল্যায়ন কৰা হয় — বস্তুনিষ্ঠ প্ৰশ্ন, চুটি উত্তৰ দিব পৰা প্ৰশ্ন (৫০-১০৫ টা শব্দত) আৰু দীঘলীয়া উত্তৰ দিব পৰা ৰচনাধৰ্মী প্ৰশ্ন (৫০০-৬০০ টা শব্দত)।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ মূল্যায়নৰ বাবে সাধাৰণতে ব্যৱহাৰ কৰা ছটা প্ৰধান বস্তুনিষ্ঠ প্ৰকাৰৰ প্ৰশ্ন হ'ল — সঁচা-মিছা, শুদ্ধ, যুটী মিলোৱা, খালী ঠাই পূৰণ, বাক্য সম্পূৰ্ণ কৰা, বিকল্প পছন্দ আৰু ক্ৰম মিলোৱা।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ শেহতীয়া বিকাশে মূল্যায়ন তথা মূল্যাংকন প্ৰক্ৰিয়া দুটালৈকো পৰিৱৰ্তন কঢ়িয়াই আনিছে। ইয়াৰ ফলত ই-লাৰ্নিং, অনলাইন লাৰ্নিং, ব্লেণ্ডেড লানিং, মুকচ্ (MOOCs) আদিৰ দৰে ব্যৱস্থাবে শিক্ষা গ্ৰহণৰ প্ৰতি শিক্ষাৰ্থীসকলৰ আগ্ৰহ বৃদ্ধি পাইছে। ই-এচেছমেণ্ট নাইবা অনলাইন এচেছমেণ্ট মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়ন তথা মূল্যাংক প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অংশত পৰিণত হৈছে।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Mishra, S. (2007), *"Assessment in Distance Education"* in Open and Distance Learning: Theory and Practice, Training Module for Academic Counsellors. STRIDE, IGNOU. New Delhi.

২) Pradhan, B and Biswas, P.K. (2002), *"Assessment and Evaluation in Distance Learning"* STRIDE Handbook: 4. STRIDE, IGNOU. New Delhi.



১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) লেটিন, (খ) কিহবাৰ উপযোগিতা

২ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যায়ন ঃ চাকিয়ে গণিত বিষয়ত ৯৫% নম্বৰ পাইছে।

মূল্যাংকন ঃ তাই গণিতত খুব চোকা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যায়ন আৰু মূল্যাংকনৰ মাজত থকা দুটা পাৰ্থক্য হ'ল —

(ক) মূল্যায়নৰ উদ্দেশ্য গঠনমূলক, মূল্যাংকনৰ উদ্দেশ্য মুঠফল নিৰ্ণয় কৰা।

(খ) মূল্যায়নে শিক্ষার্থীৰ দুর্বলতা তথা উন্নত কৰাত মনোযোগ দিয়ে। মূল্যাংকনে উৎপাদন নাইবা ফলাফলত মনোনিৱেশ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) প্রমাণ পত্র প্রদান, (খ) পাৰদর্শিতা।

৫ নং প্রশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য দুটা হ'ল —

(ক) শিক্ষণ আৰু শিকন প্রক্রিয়া দুটাৰ সন্দর্ভত মতামত প্রকাশ কৰা।

(খ) ব্যৱস্থাটোৰ সন্দর্ভত মন্তব্য আগবঢ়োৱা।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্ব-মূল্যায়ন, অবিৰত মূল্যায়ন আৰু বছৰেকীয়া মূল্যায়ন।

৭ নং প্রশ্নৰ উত্তৰ ঃ সঁচা-মিছা, শুদ্ধ যুটী মিলোৱা, খালী ঠাই পূৰণ কৰা।



১১.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মূল্যায়ন আৰু মূল্যাংকনৰ অর্থ কি?

প্রশ্ন ২ ঃ মূল্যায়ন আৰু মূল্যাংকনৰ প্রভেদবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ মূল্যায়ন আৰু মুক্ত তথা দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ মূল্যায়নৰ মাজত পার্থক্য আছে নেকি? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দর্শাওক।

প্রশ্ন ৪ ঃ চমুটোকা লিখক —

(ক) গঠনমূলক আৰু মুঠ ফল নির্ণায়ক মূল্যাংকন

(খ) বছৰেকীয়া পৰীক্ষা

(গ) নম্বৰ প্রদান আৰু গ্রেডিং ব্যৱস্থা

(ঘ) বস্তুনিষ্ঠ প্রকাৰৰ প্রশ্ন

(ঙ) অনলাইন এচেছমেন্ট

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত মূল্যায়ন কিয় প্রয়োজনীয়? মুক্ত আৰু দূৰৱৰ্ত্তী ব্যৱস্থাত মূল্যায়নৰ উদ্দেশ্য সমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত স্ব-মূল্যায়ন অতি গুৰুত্বপূর্ণ — ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত অবিৰত মূল্যায়ন কেনেদৰে কৰা হয়? উদাহৰণেৰে সৈতে ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ শিক্ষার্থীৰ পাৰদর্শিতাৰ মূল্যায়ন কৰিবলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিকন ব্যৱস্থাত কেনে প্রকাৰৰ প্রশ্ন ব্যৱহাৰ কৰা হয়? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা কি?

১২.৩.১ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন

১২.৩.২ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ

১২.৪ দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ভূমিকা

১২.৪.১ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সুবিধাসমূহ

১২.৪.২ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিকন ঃ বিভিন্ন ক্ষেত্ৰসমূহ

১২.৪.৩ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষা সম্প্ৰসাৰণৰ প্ৰতিষ্ঠানসমূহ

১২.৫ শিক্ষাৰ ক্ষেত্ৰত ব্যৱহৃত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰত্যাহ্বানসমূহ

১২.৬ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ফলপ্ৰসূতাৰ কাৰণে লোৱা কৌশলসমূহ

১২.৭ উত্তৰ পূব ভাৰতত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ

১২.৮ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্ৰগতিৰ খতিয়ান

১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ভূমিকা আৰু উপকাৰিতাৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন আৰু প্ৰয়োগৰ বিষয়ে জানিব পাৰিব
- শৈক্ষিক ক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰত দেখা দিয়া প্ৰত্যাহ্বানৰ বিষয়ে বিচাৰ কৰিব পাৰিব
- দূৰৱৰ্ত্তী শিক্ষা আৰু তথ্য যোগাযোগ প্ৰযুক্তিবিদ্যাৰ কাৰণে কৌশলসমূহ বিকশিত কৰিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাক সাধাৰণতে ইংৰাজীত 'আই চি টি' (ICT) বুলি জনা যায়। ই বৰ্তমান বিশ্বত শিক্ষাৰ ক্ষেত্ৰত নতুন কেতবোৰ ক্ষেত্ৰ তথা ধাৰণা মুকলি কৰিছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই ৰেডিঅ', দূৰৱৰ্ত্তীদৰ্শনক সামৰি লোৱাৰ উপৰিও সংখ্যাগত প্ৰযুক্তিবিদ্যাসমূহ যেনে কম্পিউটাৰ আৰু ইণ্টাৰনেটকো সামৰি লৈছে। এনেধৰণৰ আহিলাবোৰ শৈক্ষিক পৰিবৰ্তন আৰু সংস্কাৰৰ কাৰণে শক্তিশালী আহিলা। এই আহিলাবোৰৰ সফল প্ৰয়োগে শিক্ষাৰ ক্ষেত্ৰখনক সাফল্যমণ্ডিত কৰিব আৰু ইয়াৰ পৰিসীমা বিস্তৃতভাৱে প্ৰসাৰিত হ'ব। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ আহিলাবোৰে সংখ্যাগত কৰ্মস্থানবোৰৰ মানদণ্ড উন্নত কৰিবলৈ লৈছে আৰু শিক্ষাৰ গুণগত মান বৃদ্ধি কৰি শিকণ-শিক্ষণ প্ৰক্ৰিয়াক মনোগ্ৰাহী আৰু অভিনবত্ব কৰি তুলিছে। বৰ্তমান সময়ত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ আহিলাবোৰে শিক্ষাৰ্থীসকলক বিভিন্ন স্থানত থকাৰ পিছতো সংযোজিত কৰি তুলিছে। ইয়াৰ ব্যৱহাৰৰ ফলত কোনো শিক্ষাৰ্থী অধিকদিন অকলশৰীয়া হৈ থাকিবলগীয়া হোৱা নাই। আধুনিক শিক্ষাৰ বাতাবৰণে বৰ্তমান সমাজখনক 'বৈদ্যুতিক সমৰ্থিত সম্প্ৰদায়' হিচাপে পৰিগণিত কৰিছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে বিদ্যালয়ৰ শিক্ষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত শিক্ষাৰ্থীসকলৰ মনত উচ্চ পৰ্যায়ৰ 'আত্মনিৰ্দেশনা' আৰু অভিৰোচন আনি দিছে। ইয়াৰ ফলত শিকাৰু-শিক্ষক-শিক্ষাদান প্ৰক্ৰিয়া একত্ৰিত হৈ পৰিছে যদিও আগৰ 'শিক্ষককেন্দ্ৰিক শিক্ষাৰ' ঠাইত 'আত্মঅধ্যয়নৰ দৃষ্টিভংগী' প্ৰকট হৈ পৰিছে। পুৰণি সময়ত শিক্ষককেই পৰম্পৰাগতভাৱে 'জ্ঞানৰ ভৰাল' বুলি আখ্যা দিয়া হৈছিল আৰু সকলোধৰণৰ তথ্য, খবৰ আৰু জ্ঞান শিক্ষকৰ পৰা পোৱা গৈছিল। বৰ্তমান কিন্তু তেনে অৱস্থা নাই। শিক্ষকৰ পৰিবৰ্তে সকলোধৰণৰ তথ্য আৰু জ্ঞান শিকাৰুৱে যিকোনো স্থানৰ পৰা যেতিয়াই তেতিয়াই আহৰণ কৰিব পাৰে। আনকি নিজৰ পাঠসূচীৰ প্ৰয়োজনীয় অংশও যোগাযোগৰ মাধ্যমেৰে বোধগম্য কৰি ল'ব পাৰে। এই অধ্যায়টোৱে অকল আপোনাক তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ অৰ্থ ব্যাখ্যা কৰাত সহায় নকৰিব; ইয়াৰ মাধ্যমত আপুনি বৰ্তমান শিক্ষাৰ ক্ষেত্ৰলৈ অনা সকলোধৰণৰ গুৰুত্বপূৰ্ণ পৰিবৰ্তনৰ সম্ভেদো পাব। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ আহিলাবোৰে যে দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা ব্যৱস্থাক নতুন দিগন্তলৈ ধাবিত কৰিছে তাৰ বিষয়েও আপুনি অৱগত হ'ব আৰু বিভিন্নধৰণৰ শৈক্ষিক বিনিময়ৰ ধাৰাৰ বিষয়ে জানিব পাৰিব।

১২.৩ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা কি ?

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ হ'ল ICTs। সাধাৰণভাৱে ক'বলৈ গ'লে ই হ'ল প্ৰযুক্তিগত আহিলা আৰু সম্পদসমূহৰ এটা বিভাজিত গোট। ইয়াক ব্যৱহাৰ কৰা হয় গঠন, সংৰক্ষণ আৰু তথ্য ব্যৱস্থাপনাৰ অৰ্থে যোগাযোগ কৰিবলৈ। এই প্ৰযুক্তিবিদ্যাই ছপা মাধ্যম, কম্পিউটাৰ, ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনৰ দৰে সম্প্ৰচাৰমুখী প্ৰযুক্তিবিদ্যা, টেলিফোন

আৰু ইন্টাৰনেট আদিক সামৰি লৈছে। বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে কম্পিউটাৰ আৰু ইন্টাৰনেটৰ দ্বাৰা কেনেকৈ আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাক বেছি ফলপ্ৰসু কৰি তুলিব পৰা যায় সেই বিষয়ে অধিক মনোযোগ দিয়া হৈছে। কিন্তু ICT মানে কেৱল এই প্ৰযুক্তিবিদ্যাক নুবুজায়, কাৰণ আগৰ প্ৰযুক্তিবিদ্যা যেনে ছপা পাঠ্যপুথি আৰু টেলিফোন আদিক সম্পতি কম গুৰুত্ব দিয়া হৈছে যদিও এইবোৰৰ শিক্ষাৰ সজুলি হিচাপে এক দীঘলীয়া আৰু বেছি ফলপ্ৰসু ইতিহাস আছে। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনক বহুলভাৱে ব্যৱহাৰ কৰি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাক বাস্তৱমুখী কৰি তোলা হৈছে সঁচা কিন্তু ছপা মাধ্যমৰ আদৰ আজিও কমি যোৱা নাই। বিশ্বৰ বিকশিত আৰু বিকাশমুখী দেশবোৰে বৰ্তমানেওঁ ছপা সামগ্ৰীসমূহক প্ৰাধান্যতা দি থকা দেখা যায় আৰু ই শিক্ষা ব্যৱস্থা সহজলভ্য কৰি তোলাত যথেষ্ট অৰিহণা যোগাই আছে। ভাৰতবৰ্ষৰ দৰে বিকাশমুখী দেশত কম্পিউটাৰ আৰু ইন্টাৰনেটৰ ব্যৱহাৰ অগম্য আৰু পিছপৰা অঞ্চলত অধিক খৰছ আৰু সীমাবদ্ধতাৰ বাবে সাফল্যমণ্ডিত কৰি তুলিব পৰা নাই। সেয়েহে বিভিন্ন ক্ষেত্ৰত বৰ্তমানেও তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ উপকাৰিতাৰ বিষয়ে আলোচনা কৰাৰ যথেষ্ট থল তথা পৰিসৰ আছে।

যিয়েই নহওঁক সম্প্ৰতি শিক্ষা ব্যৱস্থাৰ ফলপ্ৰসূতা বৃদ্ধিৰ ক্ষেত্ৰত বিভিন্নধৰণৰ প্ৰযুক্তিবিদ্যাৰ সংযোগীত আৰু কৌশলগত ব্যৱহাৰে বিশেষ অৰিহণা যোগোৱা দেখা গৈছে। উদাহৰণস্বৰূপে আমি ক'ব পাৰো যে শ্ৰীলংকাৰ গ্ৰাম্য সমাজত শৈক্ষিক সুবিধা প্ৰদানৰ অৰ্থে কোথমালে সমুহীয়া অনাতাঁৰ কেন্দ্ৰটোৱে ৰেডিঅ' সম্প্ৰচাৰ, কম্পিউটাৰ আৰু ইন্টাৰনেট ব্যৱহাৰ কৰি তথ্য সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। ইংলেণ্ডত ১৯৬৯ চনত 'United Kingdom Open University' (UKOU) স্থাপন কৰা হৈছিল যিখন হ'ল বিশ্বৰ প্ৰথম মুক্ত বিশ্ববিদ্যালয়। তাত আজিও ছপা সামগ্ৰীক প্ৰাধান্যতা দি সংযোগী হিচাপে ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনক ব্যৱহাৰ কৰি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাক বাস্তৱমুখী কৰি তোলা হৈছে। সাম্প্ৰতিকভাৱে বিশ্ববিদ্যালয়খনে ফলপ্ৰসূ শিক্ষণৰ সুবিধা প্ৰদানৰ অৰ্থে ইন্টাৰনেট আঁচনিৰে শিক্ষাদান সম্ভৱ কৰি তুলিছে। UKOU সফলতাৰ অন্তৰালত নিহিত হৈ আছে শিক্ষাৰ্থী, এক সুসংগঠিত শিক্ষাৰ্থীৰ সহায়কাৰী সমল সেৱাৰ ব্যৱস্থাকৰণ আৰু ভিডিও টেপ, অডিও টেপ, দূৰৱৰ্ত্তীদৰ্শন, বৈদ্যুতিক অভিবৰ্ত্তন, দলীয় আলোচনা আদিৰ লগতে পৰম্পৰাগত শিক্ষণ উপাদানৰ ব্যৱহাৰিক দিশ। একেধৰণে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়েওঁ ছপা সামগ্ৰীৰ ব্যৱহাৰৰ লগতে ভিডিও আৰু অডিও কেচেট, ৰেডিঅ' সম্প্ৰচাৰ আৰু দূৰৱৰ্ত্তীদৰ্শন, শ্ৰৱণ দৰ্শন অভিবৰ্ত্তন প্ৰযুক্তিবিদ্যা আদিৰ ব্যৱহাৰৰ যোগেদি দূৰৱৰ্ত্তী শিক্ষা বাস্তবায়িত কৰি তুলিছে। সেয়েহে আমি ক'ব পাৰো যে বিশ্বৰ প্ৰায় সকলো প্ৰান্ততে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বহল ব্যৱহাৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰখন আৰু অধিক সম্পদশালী কৰি তুলিছে।



অগ্ৰগতিৰ নিৰিক্ষণ

প্ৰশ্ন নং ১ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ বিশ্বৰ প্ৰথম মুক্ত বিশ্ববিদ্যালয় কোনখন? ই তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাক কিদৰে ব্যৱহাৰ কৰিছে?

.....

.....

১২.৩.১ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন

যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গাঠনিক ইতিহাস বহুত দীঘল। আপুনি বোধহয় জানে যে যোগাযোগ মানব সভ্যতাৰ বাবে এটা মৌলিক ধাৰণা। কাৰণ এখন সমাজ কৰ্মৰত অৱস্থাত তেতিয়াহে থাকিব পাৰে যেতিয়া তাৰ সদস্যসকলৰ মাজত যোগাযোগসূত্ৰ সঠিকভাৱে চলি থাকে। পুৰণি কালত যোগাযোগ ব্যৱস্থা আজিৰ নিচিনা নাছিল। তেতিয়াৰ মানুহে শিল আৰু কাঠত লিখি বাৰ্তা প্ৰেৰণ কৰিছিল। ই মাত্ৰ অলপ ঠাইৰ ভিতৰতে সীমাবদ্ধ আছিল। কিন্তু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে উন্নত যোগাযোগৰ বাবে মানুহে প্ৰচেষ্টা চলালে আৰু আৱিষ্কাৰো কৰিলে বিভিন্ন যোগাযোগ ব্যৱস্থাৰ। উদাহৰণস্বৰূপে ক'ব পাৰি যে ছপাশালৰ আৱিষ্কাৰে যোগাযোগ ব্যৱস্থাত এটা নতুন মোৰ আনি দি গোটেই যোগাযোগ প্ৰক্ৰিয়াটোৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰিলে। যিয়েই নহওঁক ছপাশালৰ ধাৰণাটোয়ে আমাৰ সমাজক প্ৰতিষ্ঠাপিত হ'বলৈ বহুখিনি সময় ললে। আজি অৱশ্যে আমি ছপাসামগ্ৰী আৰু অনাছপা সামগ্ৰীৰ যোগেদি অত্যাধুনিক যোগাযোগ প্ৰক্ৰিয়া বিচাৰি উলিয়াবলৈ সক্ষম হৈছো; যাৰফলত অভিজ্ঞতা আৰু তথ্যৰ ভাণ্ডাৰ সমৃদ্ধিশালী কৰি ৰাখিব পাৰিছো। অনাছপা যোগাযোগ প্ৰযুক্তিবিদ্যাই সামৰি লোৱা মূল মাধ্যমসমূহ হ'ল— অডিও, ভিডিও, অনাতাৰ আৰু একেধৰণৰ আন কেতবোৰ যোগাযোগ ব্যৱস্থা। ক্ৰমাগতভাৱে এই সকলোবিলাক মাধ্যমৰ উৎপাদন, সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ, সম্পাদন আৰু এইবিলাকৰ যোগেদি খবৰ তথা তথ্যৰ সৰবৰাহ কৰিব পৰা ব্যৱস্থাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি তাৰ সময়োপযোগী ব্যৱহাৰ সম্ভৱপৰ কৰি তোলা হ'ল। সেয়েহে তথ্য আৰু ফলস্বৰূপে যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ধাৰাই মানৱ সমাজক এখন তথ্য আধাৰিত সমাজ বা জ্ঞান আধাৰিত সমাজৰ পিনে অগ্ৰসৰ হোৱাত অৰিহণা যোগালে। তলত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন আৰু বিকাশৰ বিভিন্ন পৰ্যায়ৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

- *শ্ৰৱণ মাধ্যম (Audio Media) ঃ* ৰেডিঅ' বা অনাতাৰ ব্যৱস্থাৰ আৱিষ্কাৰৰ ইতিহাস খুব এক পুৰণি নহয়। ইয়াৰ গঠন আৰু বিকাশ আৰম্ভ হৈছিল ১৯২০ আৰু ১৯৪০ চনৰ ভিতৰত। তেতিয়াৰপৰাই আমাৰ সমাজখনত ৰেডিঅ'ই সম্প্ৰচাৰ কাৰ্যসূচীৰ মাধ্যমেৰে খবৰ, তথ্য আৰু জ্ঞান লাভৰ সুবিধা প্ৰদান কৰি আছে। শ্ৰৱণ মাধ্যমৰ শেহতীয়া সুবিধা হৈছে এফ এম ৰেডিও। ইয়াৰ বিকাশৰ লগে লগে তথ্য, খবৰ আৰু আনন্দমুখৰ পৰিবেশ অহৰ্নিশে আমাৰ সমাজত বিয়পি পৰিছে। এফ এম ৰেডিঅ'ৰ কাৰ্যসূচী শ্ৰৱণ মাধ্যমৰ এবিধ শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈছে। অৱশ্যে শিক্ষাৰ ক্ষেত্ৰত ৰেডিঅ'ৰ ব্যৱহাৰ বহু দেৰিকৈ হৈছে। যদি গভীৰভাৱে উপলব্ধি কৰা হয় ৰেডিঅ'ই অগণন মানুহক একে সময়তে বিভিন্ন স্থানত জ্ঞানবৃদ্ধি আৰু বিনিময়ত অৰিহণা যোগাই আছে। ৰেডিঅ'ৰ লগতে একেধৰণৰ উল্লেখযোগ্য এবিধ শ্ৰৱণ মাধ্যম হ'ল গ্ৰামোফোন আৰু কেচেট প্লেয়াৰ। এইবোৰ সহজপ্ৰাপ্য আৰু এইবোৰে আমাৰ সমাজখনক প্ৰযুক্তিগত ধাৰণাৰে জ্ঞানলব্ধ কৰিবলৈ সক্ষম কৰি তুলিছে। 'শ্ৰব্য টেপৰেকৰ্ডাৰ'ক যদিও আনন্দলাভৰ আহিলা হিচাপে ধৰা হয় শিক্ষাৰ ক্ষেত্ৰখনত ইয়াৰ মূল্য সৰ্বাত্মক। শ্ৰব্য মাধ্যমত অভিনব অৱদান হিচাপে ধৰা দিছে 'চিডি' যাক কোৱা হয় 'কমপেক্ট্ ডিস্ক্' আৰু 'ডিভিডি' যাক কোৱা হয় 'ডিজিটেল ভাৰচেটাইল ডিস্ক্' বুলি। এই দুবিধ আহিলাই সুন্দৰ মাত আৰু উন্নত পৰ্যায়ৰ শব্দৰ প্ৰাচুৰ্য্যতাৰে আমাৰ সমাজখনক আপ্লুত কৰি তুলিবলৈ সক্ষম হৈছে।
- *শ্ৰৱণ দৰ্শন মাধ্যম (Audio Visual Media) ঃ* ৰেডিঅ'ৰ পিছতে প্ৰযুক্তিৰ জগতখনত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে দূৰৱৰ্ত্তীদৰ্শনে। উনৈশ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ আৰম্ভণিতে এই শ্ৰৱণ দৰ্শন মাধ্যমে বহুলভাৱে মানুহৰ মাজত জনপ্ৰিয়তা লাভৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছিল। এই প্ৰযুক্তিবিদ্যাই প্ৰথমে প্ৰথম বিশ্বৰ দেশসমূহৰ মাজত দূৰৱৰ্ত্তীদৰ্শন সম্প্ৰসাৰণতে সীমাবদ্ধ আছিল। বৰ্তমান ইয়াৰ সম্প্ৰসাৰণ অভাৱনীয়ভাৱে বৃদ্ধি হৈছে কাৰণ ই সামৰি লৈছে ভিডিও কেচেটসমূহ, সংযোগী দূৰৱৰ্ত্তীদৰ্শন (TV) , কম্পিউটাৰ, ভিডিও পাঠসমূহ, ভিডিও ডিস্ক ইত্যাদিবোৰক। দূৰৱৰ্ত্তীদৰ্শন আঁচনিবোৰো বৰ্তমান ভিন্নধৰণে বিকশিত হৈছে আৰু চৰকাৰীভাৱেও ইয়াৰ কাৰ্যসূচী ৰূপায়িত হ'ব ধৰিছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ চাহিদা অনুসাৰে কাৰ্যসূচীবোৰ সজাই-পৰাই সম্প্ৰসাৰণৰ ব্যৱস্থা হৈ আছে। সাম্প্ৰতিক সময়ত এনেধৰণৰ শ্ৰৱণ দৰ্শনৰ আহিলাবোৰে শিক্ষাৰ উদ্দেশ্য সফল কৰি জনগণৰ মাজত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু এইবিলাকে শিক্ষাৰ জগতখনক আৰু অধিক চহকী কৰি তুলিছে।
- *দূৰৱৰ্ত্তী যোগাযোগ ব্যৱস্থা (Tele Communication) ঃ* দূৰৱৰ্ত্তী যোগাযোগ

প্ৰযুক্তিবিদ্যাৰ সম্প্ৰসাৰণ কাৰ্যসূচী আৰম্ভ হৈছিল তাৰ সংযোগ কৰি প্ৰেৰণ কৰা বাৰ্তালাপৰ যোগেদি। ১৮৭৬ চনত অগ্ৰদূত গ্ৰাহামবেলে আৱিষ্কাৰ কৰা টেলিফোনৰ (দূৰৱৰ্ত্তী শব্দ চালনা যন্ত্ৰ) মাধ্যমত দূৰৱৰ্ত্তী যোগাযোগ ব্যৱস্থা কাৰ্যকৰী হৈছিল। এঠাইৰ পৰা বহুদূৰৱৰ্ত্তীৰ আন এঠাইত থকা কোনো ব্যক্তিৰ লগত কথা-বতৰা পতাত এই যোগাযোগ ব্যৱস্থাই অৱিহণা যোগাইছিল। গ্ৰাহামবেলে মানুহৰ মাজত যোগাযোগৰ ক্ষেত্ৰত পৰিবৰ্তন আনি দিছিল। পৰৱৰ্ত্তী সময়ত ফেক্স যন্ত্ৰৰ আৱিষ্কাৰে যোগাযোগ বিনিময়ক অন্য এটা ধাৰালৈ লৈ গৈছিল। সাম্প্ৰতিক সময়ত টেলিফোনৰ ধাৰণাটোৱে মোবাইল ফোন সেৱাৰ মাধ্যমত এক অভিনৱ যোগাযোগ ব্যৱস্থাৰ পিনে অগ্ৰসৰ হৈছে। এই গতিশীল প্ৰযুক্তিবিদ্যাই প্ৰথমতে কথপোকথনকহে সম্ভৱ কৰি তুলিছিল। বৰ্তমান ই শ্ৰৱণ, দৰ্শন, ছবি আৰু পাঠ সৰবৰাহ কাৰ্যসূচীও ৰূপায়ণ কৰিবলৈ সক্ষম হৈ উঠিছে।। বৰ্তমান সময়ৰ 'টু-জি' আৰু 'থ্ৰি-জি'ৰ আৱিষ্কাৰে যোগাযোগ প্ৰযুক্তিবিদ্যাৰ জগতখনক অন্য এক প্ৰান্তলৈ ধাবিত কৰাইছে, সেইবিষয়ে আপুনি ইতিবধ্যে অবগত হৈছে নিশ্চয়।

- *বহুমাধ্যম যোগাযোগ (Multimedia Communication)* ঃ বহুমাধ্যম হ'ল এবিধ এনেধৰণৰ মাধ্যম য'ত বিভিন্নধৰণৰ যোগাযোগৰ সংযোগ সাধন হয়। এনে মাধ্যমৰ ধাৰণা বা নামটোৱে ইয়াকে সুচায় যে — পৰম্পৰাগত মাধ্যম যেনে ছপাৰ পৰম্পৰাগত ধৰণ বা হস্তলিখিত আহিলা ইত্যাদিৰ তুলনাত ইয়াৰ ব্যৱহাৰ বহুত পৃথক। বহু মাধ্যমে সামৰি লোৱা মাধ্যমসমূহ হ'ল পাঠ্যসূচী, শ্ৰবণ, স্থিতপ্ৰতিৰূপ (Still images), এনিমেচন, ভিডিও আৰু আন আন পাৰস্পৰিক সূচীসমূহ। বহু মাধ্যম হ'ল সাধাৰণতে তালিকাভুক্ত আৰু ব্যৱহৃত হোৱা সম্প্ৰচাৰ আহিলাৰ সুগম প্ৰয়োগ। কিন্তু বহু মাধ্যম হিচাপে বৈদ্যুতিক আহিলাসমূহকো ধৰি ল'ব পাৰি, যিবিলাকক সংৰক্ষণ কৰিবলৈ আৰু অভিজ্ঞতা লাভৰ বহু মাধ্যম সূচী হিচাপে ব্যৱহাৰ কৰা দেখা গৈছে। উপগ্ৰহ প্ৰযুক্তিবিদ্যা আৱিস্কাৰ ইন্টাৰনেট আৰু নেটৱৰ্ক প্ৰযুক্তিবিদ্যাসমূহে ১৯৯০ চনৰ পিছৰ পৰা তথ্য বিনিময়ৰ ক্ষেত্ৰত বিশেষ পৰিবৰ্তন আনি দিছে। ফলস্বৰূপে বা পৰিণতি হিচাপে বহু মাধ্যম প্ৰযুক্তিবিদ্যাসমূহৰ সম্ভাৱনা সৰ্বাত্মক বুলি ধৰি লোৱা হৈছে আনকি শৈক্ষিক সূচীৰ বিনিময়ৰ এক স্বচ্ছল পথ হিচাপেও ই পৰিগণিত হৈছে। আপুনি কল্পনা কৰকছোন, বিগত পাচবছৰমানৰ ভিতৰত আপোনাৰ জীৱনধাৰণ প্ৰক্ৰিয়াক কম্পিউটাৰ আৰু ইন্টাৰনেটে কি ধৰণেৰে পৰিবৰ্তন আনি দিছে।



অগ্রগতিৰ নিৰিক্ষণ

প্রশ্ন নং ৩ ঃ প্রাক ঐতিহাসিক যুগৰ ব্যক্তিসকলে কিদৰে যোগাযোগ সম্ভৱ কৰি তুলিছিল?

.....

.....

প্রশ্ন নং ৪ ঃ তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাসমূহৰ গঠন আৰু বিকাশৰ বিভিন্ন পর্যায়সমূহ কি কি?

.....

.....

১২.৩.২ তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ প্রয়োগ

শৈক্ষিক উদ্দেশ্য সাধনৰ বাবে প্রযুক্তিবিদ্যাসমূহ ব্যৱহাৰ কৰিবলৈ লোৱাৰ ক্ষেত্রত বোধহয় আটাইতকৈ গুৰুত্বপূর্ণ কথাটোৱে হৈছে তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ সমলসমূহ প্রকৃততে ব্যৱহাৰ কৰা হয়নে নহয় তাক বিচাৰ কৰি চোৱাটো। ইয়াৰোপৰি বিভিন্নধৰণৰ নির্দিষ্ট শ্রোতাৰ প্রয়োজনমতে যোগাযোগ প্রযুক্তিবিদ্যাৰ প্রয়োগ হৈছে নে নাই সিও এটা সুধিবলগীয়া প্রশ্ন। ইয়াৰ মানে হ'ল তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ প্রকৃত ব্যৱহাৰ আৰু প্রয়োগ সদায়ে গুৰুতৰ দিশ হিচাপে ধৰি লোৱা হৈছে। আমাৰ সমাজত তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ প্রয়োগৰ দুটা সম্ভাব্য পথ আছে। তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাই আমাক যোগাযোগৰ বহুবোৰ দক্ষতাসম্পন্ন আৰু অভিনৱ আহিলাসমূহ দিছে। ই মানব জাতিৰ দিগন্তক একে সময়তে বৃদ্ধি আৰু বিস্তৃত কৰি তুলিছে। তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ প্রয়োগৰ ধাৰাটোক চমুকৈ দুটা ভাগত ভগাব পৰা যায়। ভাগ দুটা হ'ল— সুগমতা আৰু শিক্ষাদান।

- *সুগমতা (Access)* ঃ সুগমতা বা প্রবেশৰ ইচ্ছাই অগণন মানুহক একে সময়তে দ্রুতগতিৰ যোগাযোগ প্রক্রিয়াসমূহৰ আৱিষ্কাৰৰ পথ মুকলি কৰি দিছিল। আধুনিক যোগাযোগ প্রযুক্তিবিদ্যাসমূহে সময় নলগাকৈয়ে আমাক একে সময়তে বহুসংখ্যক মানুহৰ লগত যোগাযোগ কৰাৰ যোগ্যতা প্রদান কৰিছে। উদাহৰণস্বৰূপে, সম্প্রচাৰ নেটৱর্ক (Transmission Networks) আৰু উপগ্রহভিত্তিক যোগাযোগ (Satelite based communication) ব্যৱস্থাৰ সহায়ত মানুহে বুজনসংখ্যক জনগণৰ মাজত প্রৱেশ কৰিছে। টেলিফোন বা কথোপকথন যন্ত্র, প্রতিৰূপ প্রেৰণযন্ত্র, মোবাইল ফোন আৰু বর্তমান যুগৰ কম্পিউটাৰসমূহে নতুন প্রযুক্তিবিদ্যাৰ উপাদানেৰে মানুহৰ মাজত আৰু অধিক সুগমতা আনি দিছে। এইটো সম্ভৱপৰ হৈছে কাৰণ যথেষ্টসংখ্যক তথ্য

কম্পিউটাৰত সংৰক্ষণ কৰিবপৰা যায় আৰু কি বৰ্ডৰ (Key board)সহায়ত সেইবোৰৰ বিনিময় কৰিব পৰা যায়। সি যিকিয়েই নহওঁক তাঁৰসংযোগ অভিবৰ্ত্তনৰ নতুন ধাৰাত 'শ্ৰৱণ অভিবৰ্ত্তন' 'শ্ৰৱণ-দৰ্শন অভিবৰ্ত্তন' আৰু কম্পিউটাৰ অভিবৰ্ত্তনে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগক আৰু অধিক উৎপাদনশীল আৰু দক্ষতাপূৰ্ণ কৰি তোলা দেখা গৈছে। ক্ৰমাগতভাৱে শিক্ষাদানৰ ক্ষেত্ৰত ব্যৱহৃত হ'ব পৰা সূচীৰ প্ৰয়োজনীয়তাৰ লগত খাপ খোৱাকৈ আন বহুবোৰ প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱন হৈয়ে আছে।

ইণ্টাৰনেট ম্ৰআৰু 'বিশ্বব্যাপিত ৱেৰ'ৰ (world wide-web) বিকাশৰ ফলত সুগমতাৰ ধাৰণাটোৱে অভাৱনীয়ভাৱে নতুন ৰূপ লোৱা দেখা গৈছে। কম খৰছী বৈদ্যুতিক ডাক সেৱা বা ই-মেইল হ'ল আটাইতকৈ কম খৰছী বাৰ্তালাপৰ মাধ্যম। খুব কমসময়ৰ ভিতৰত 'ব্ৰেৰ-টু' প্ৰযুক্তিবিদ্যাই নেটৰ্কৰ বহল পৰিবৰ্তন সম্ভৱ কৰি তুলিছে। এইক্ষেত্ৰত ব্যৱহৃত মাধ্যমসমূহ হ'ল ব্লগচ্ (Blogs), উইকিচ্ (wikis) আৰু ৰিচ চাইট চামাৰী (Rich site summary)। শিক্ষাদান কৰি থকা অৱস্থাত এইবোৰ মাধ্যমৈ শিক্ষাৰ্থী সমৰ্থিত সেৱাক বাস্তৱমুখী কৰি তোলে। আজিৰ দিনত 'ই-পৰটেলচ্' আৰু 'চ'চিয়েল নেটৰ্ৰক' আদিয়ে শিক্ষানুষ্ঠানসমূহত সৰ্বাত্মক জনপ্ৰিয়তা লাভ কৰিছে। এইবোৰে একেলগে শৈক্ষিক পাৰস্পৰিক ক্ৰিয়াক অৰ্থপূৰ্ণ কৰি তাত সংশ্লিষ্টতা আনি দিছে। আপোনালোক অলপসময় ৰৈ যাওঁক আৰু চাবলৈ চেষ্টা কৰক কেনেকৈ 'অৰকুট' আৰু 'ফেচবুক' আদিৰ দৰে 'এচ এম এচ' (SMS) আৰু 'চ'চিয়েল নেটৰ্ৰক চাইট' (Social Networking Sites) আজিৰ বিশ্বক বদলাই পেলাইছে।

- *শিক্ষাদান (Teaching)* ঃ সৌ সিদিনালৈকে পৰম্পৰাগত তথা মুখামুখিভাৱে সম্প্ৰসাৰণ হোৱা শিক্ষা ব্যৱস্থাত শিক্ষক এজনে লোৱা ভূমিকা মাত্ৰ এজন মানুহৰ প্ৰদৰ্শন হিচাপে ধৰা হৈছিল। মানুহে এতিয়াও বিশ্বাস কৰে যে চাৰিবেৰৰ মাজৰ শ্ৰেণীকোঠাত পোৱা শিক্ষাহে প্ৰকৃত শিক্ষা। কিন্তু আজিৰ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা যোগ্য কাৰণ বৰ্তমান সময়ত ই মাত্ৰ এজন শিক্ষকৰ কেন্দ্ৰীভূত শিক্ষাৰ ধাৰণাটোক আঁতৰাই শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ অভিনবত্ব প্ৰদান কৰিছে। দূৰৱৰ্ত্তীশিক্ষা ব্যৱস্থাই প্ৰমাণ কৰি দিছে যে শিক্ষা যতে-ততে যিকোনো সময়তে পাব পৰা যায় বা লাভ কৰিব পৰা যায়। যোগাযোগ প্ৰযুক্তিবিদ্যাই শিক্ষক আৰু পাঠ্যপুথিক আঁতৰাই পেলাইছে আৰু শিক্ষাদানৰ লগতে আহৰণ প্ৰক্ৰিয়াটোকে উপভোগ্য কাৰ্যসূচীত পৰিণত কৰিছে। ই শিকাৱুসকলক শিকণ প্ৰক্ৰিয়া নিজ ঠাইতে উপলব্ধ কৰাইছে।

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত এক শক্তিশালী শিকাৱু সমৰ্থিত সেৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমি সততে কৈ আহিছো। বিশ্বৰ সকলো প্ৰান্তেত আজি

মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাৰ সম্প্ৰসাৰণ ঘটিছে আৰু এইটো আনন্দৰ কথা যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ উত্থান আৰু প্ৰয়োগক সকলোৱে যোগাত্মক দৃষ্টিভংগীৰে সমৰ্থন কৰিছে। এনে ধাৰণাৰ উদয় হোৱাৰ মূলতে তিনিটা কাৰণ আছে। কাৰণ তিনিটা হ'ল—

(ক) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শিক্ষা আহৰণৰ বাবে প্ৰয়োজনীয় খৰচ কমাই পেলাইছে।

(খ) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই অধিক সংখ্যক শিকাৰুক প্ৰয়োজনভিত্তিক শৈক্ষিক আঁচনিসমূহত নামভৰ্ত্তিকৰণৰ সুযোগ দিছে; আৰু

(গ) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই খুব কম সময়ৰ ভিতৰতে নতুন আঁচনি প্ৰণয়নৰ সুবিধা কৰি দিছে।

উদাহৰণস্বৰূপে আমি ক'ব পাৰো যে ভিডিও অভিবৰ্তন সুবিধাসমূহৰ বিকাশৰ মূলতে হৈছে যিকোনো পিছপৰা ভিতৰুৱা অঞ্চলৰ অকলশৰীয়া শিকাৰুজনৰ আন শিকাৰুসকলৰ লগত ভাবৰ বিনিময় কৰাৰ সুবিধা প্ৰদান কৰা। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সমৰ্থিত অন্য দিশবোৰ হ'ল— প্ৰাক নামভৰ্তিৰ পৰামৰ্শদান, নামভৰ্তিকৰণ, অধ্যয়নৰ আহিলাসমূহৰ প্ৰেৰণ (ছপা মাধ্যম আৰু শ্ৰৱণ দৰ্শন মাধ্যম), নিৰ্দিষ্ট বিষয়ৰ ওপৰত শৈক্ষিক পৰামৰ্শৰ ব্যৱস্থা, শ্ৰৱণ দৰ্শন সম্প্ৰচাৰ সুবিধাসমূহ, তাৰসংযোগী অভিবৰ্ত্তনত অংশগ্ৰহণ আৰু তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত বৈদ্যুতিক শিক্ষণ। ইয়াৰোপৰি VSAT (Very Small Apertive Terminal) ব্যৱস্থাত ইন্টাৰনেট আধাৰিত সমলসমূহৰ কাৰণে শক্তিশালী বিতৰণ কৌশল বৰ্ধিতভাৱে ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা গৈছে।

ভাৰতবৰ্ষতো ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে বহু গমন বা পথসমৃদ্ধ আৰু বহুবিকল্প মাধ্যমৰ যোগেদি শিকণ-শিক্ষণ নিৰ্দেশনা আৰু আত্মশিক্ষণৰ ব্যৱস্থা কৰিছে। শিকণ-শিক্ষণ প্ৰক্ৰিয়াত আত্মনিৰ্দেশনামূলক ছপা আৰু শ্ৰৱণ দৰ্শন আহিলাসমূহ, ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শন সম্প্ৰচাৰসমূহ, মুখামুখি পৰামৰ্শদান/শিক্ষণ, বিজ্ঞানাগাৰ আৰু হাতকামৰ অভিজ্ঞতা, তাঁৰসংযোগ অভিবৰ্তন, ভিডিও অভিবৰ্তন, আন্তঃক্ৰিয়া ৰেডিও পৰামৰ্শদান, আন্তঃক্ৰিয়া বহুমাধ্যম, চিডি-ৰম আৰু ইন্টাৰনেট আধাৰিত শিক্ষণ আৰু খবৰ প্ৰেৰণৰ বাবে ম'বাইল ফোনৰ ব্যৱহাৰ ইত্যাদি বিভিন্ন ধৰণৰ উপাদান সমূহৰ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। বিশ্ববিদ্যালয়খনে আন্তঃক্ৰিয়াত্মক বহুমাধ্যম সূচীৰ বিকাশ কৰি আছে আৰু 'এডুচেট' আৰু 'ইন্টাৰনেট' ব্যৱহাৰ কৰি শিক্ষার্থীসমৰ্থিত মাধ্যম হিচাপে 'ভিডিও অভিবৰ্ত্তন' আৰু 'ৱেব আধাৰিত ভেটিসমূহ' প্ৰকল্পিত কৰিছে। এইবোৰৰ উপৰিও ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ চৌহদত 'বৈদ্যুতিক মাধ্যম উৎপাদন কেন্দ্ৰ' স্থাপন কৰা হৈছে আৰু শ্ৰৱণ দৰ্শন শৈক্ষিক আঁচনিসমূহ নিজাববীয়াকৈ প্ৰস্তুত কৰি কার্যকৰী কৰি তুলিছে। বৈদ্যুতিক মাধ্যম উৎপাদন কেন্দ্ৰই সমন্বয়সূচক দৃষ্টিভংগীৰে

'জ্ঞান দৰ্শন' নামেৰে ২৪ ঘণ্টীয়া ডিজিটেল শৈক্ষিক ৰেডিও আৰু দূৰৱৰ্ত্তীদৰ্শন বিশেষ সেৱা, আৰু 'জ্ঞানবাণী' নামেৰে সুন্দৰ কম খৰছৰ 'শিকণ শিক্ষণ প্ৰক্ৰিয়া'ৰ বিকাশৰ কাৰণে আন্তঃক্ৰিয়াত্মক মাধ্যম প্ৰয়োগ কৰিছে। 'ইগনো' (IGNOU)ৰ উদাহৰণে দেখুৱাইছে যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ সঁচাকৈয়ে পৰম্পৰাগত শিক্ষাদান পদ্ধতিতকৈ উচ্চস্থানত উপনীত হৈ শিকাৰু সমৰ্থিত সেৱাৰ ফলপ্ৰসূতা আনিছে। (এই সমলখিনি http:// www. digitallearning.in নামৰ Website টোৰ পৰা তুলি লোৱা হৈছে)



অগ্ৰগতিৰ নিৰিক্ষণ

প্ৰশ্ন নং ৫ ঃ শিক্ষাৰ ক্ষেত্ৰত সুগমতা শব্দটোৰ অৰ্থ বুলিলে আপুনি কি বুজে? তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই কেনেকৈ সুন্দৰভাৱে সুগমতা অনাত সমৰ্থ হৈছে?

.....

.....

প্ৰশ্ন নং ৬ ঃ শিক্ষাৰ জগতখনত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই কিদৰে বিপ্লৱৰ সূচনা কৰিছে?

.....

.....

১২.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ভূমিকা

আপুনি জানি থোৱা ভাল যে বিশ্বৰ বিকাশ লাভ কৰি থকা দেশবোৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সম্ভাৱনাসমূহে মাধ্যমিকৰ শিক্ষাৰ লগতে উচ্চ শিক্ষাৰো গুণগত মান উন্নত কৰাত সুগমতা আনিবলৈ সমৰ্থবান হৈছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই বিকাশমুখী ৰাষ্ট্ৰবোৰক ভাবিব নোৱাৰাধৰণে শিক্ষা ব্যৱস্থাক বিকশিত কৰিবলৈ শিক্ষাৰ নীতি নিৰ্দ্ধাৰণ উন্নত কৰি তাক কাৰ্যকৰী কৰিবলৈ, আৰু এতিয়ালৈকে শিক্ষাৰ স্পৰ্শ নকৰা দিশবোৰৰ পিনে ধাবিত হ'বলৈ উদগনি যোগাইছে। যিয়েই নহওঁক, আমি আপোনাক আগতে অৱগত কৰিছো যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে অধিক সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছে। মুক্ত আৰু দূৰৱৰ্ত্তী সম্বন্ধে 'কমনওৱেলথ শিক্ষণ'ত কোৱা হৈছে যে "ই শিক্ষণ সুবিধা প্ৰদান কৰাৰ বাবে লোৱা এটা পথ যিয়ে শিকাৰু আৰু শিক্ষকক সময় বা স্থানৰ পৰা পৃথক কৰি ৰাখে, শিক্ষণক কোনোবা এটা অনুষ্ঠান বা সংস্থাই প্ৰমাণপত্ৰ প্ৰদান কৰে; ছপা আৰু বৈদ্যুতিক মাধ্যমৰ লগতে অইন বহুতো মাধ্যমক সামৰি লয়, দুতৰপীয়া যোগাযোগৰ মাধ্যমত শিকাৰুসকল আৰু শিক্ষকৰ পাৰস্পৰিক যোগদান ঘটায়, মুখামুখিভাৱে লগ হোৱাৰ কাৰণগত সম্ভাৱনা দেখুৱায় আৰু পাঠ্যক্ৰমৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত বিশেষধৰণৰ শ্ৰমৰ বিভাজন ঘটোৱায়।" ইয়াৰ

মানে হ'ল এইটোৱে যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আৰু মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থা এই দুয়োবিধে শিকণ-শিক্ষণ প্ৰক্ৰিয়াক অধিকভাৱে অৰ্থপূৰ্ণ কৰি তুলিবলৈ সংহতিসূচক দৃষ্টিভংগী লোৱাটো উচিত। তলত উল্লেখ কৰা উপভাগবোৰৰ মাধ্যমেৰে আপুনি তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা মুক্ত আৰু দূ�ৰৱৰ্ত্তীবৰ্ত্তী শিক্ষা ব্যৱস্থাত কিদৰে ব্যৱহৃত হয় বা সেইবিলাকৰ সুবিধাবোৰ কি তাৰ বিষয়ে অধিকভাৱে জানিবলৈ সক্ষম হ'ব।

১২.৪.১ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সুবিধাসমূহ

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সুবিধাৰ বিষয়ে তলত উল্লেখ কৰা দিশসমূহৰ পৰা বুজিব পৰা যাব—

- *যিকোনো সময়ত, যিকোনো স্থানত আৰু যিকোনো উপায়ে (Any time, Any where and Any one)* ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল সময় আৰু স্থানৰ বৈশিষ্ট্যতাক অতিক্ৰম কৰা। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই অভিন্ন শিক্ষণৰ সুবিধা কৰি দিয়াৰ লগতে বিশেষ নিৰ্দেশনা প্ৰেৰণ আৰু এজন নিৰ্দিষ্ট শিকাৰুৱে তাক গ্ৰহণ কৰাৰ মাজৰ সময়খিনিৰ মাজৰ ব্যৱধানখিনি কমাই আনিছে। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে তাঁৰ সংযোগ শিক্ষণ আৰু বৈদ্যুতিক শিক্ষণ সুবিধাই পাঠ আহিলাসমূহৰ এটা দিনৰ ২৪ ঘন্টাতেই সুগম থাকে আৰু সপ্তাহৰ সাতোটি দিনতেই উপলব্ধ হয়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শৈক্ষিক উপাদানসমূহৰ প্ৰয়োজনীয় স্থানত পাৰস্পৰিক ক্ৰিয়া সম্পাদনৰ কাৰণে বাস্তৱায়িত কৰা হয়। দেৰিকৈ হ'লেও তাঁৰ সংযোগ অভিবৰ্ত্তন আৰু ভিডিও অভিবৰ্ত্তন প্ৰযুক্তিবিদ্যাৰ সহায়ত দূৰ-দূৰণিত থকা বহু বিকল্পিত আৰু ভৌগোলিকভাৱে বিভাজিত শিকাৰুসকল পৰ্যায়ক্ৰমে নিৰ্দেশনা গ্ৰহণত সমৰ্থবান হৈছে। সেয়েহে ক'ব পৰা যায় যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে শিক্ষাৰ ক্ষেত্ৰত বিশ্ব শিক্ষণৰ ধাৰা প্ৰবাহিত কৰোৱাত বিশেষ অৰিহণা যোগাইছে।
- *দুৰস্থ শিক্ষণ সমলসমূহলৈ সুগমতা (Access to Remote Learning Resources)* ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বিকাশৰ কাৰণে আজিৰ শিক্ষক আৰু শিক্ষাৰ্থীয়ে শৈক্ষিক প্ৰয়োজনীয়তা পূৰণৰ কাৰণে ছপা কিতাপ আৰু তেনেধৰণৰ আন আন সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। ইন্টাৰনেট সেৱা আৰু বিশ্বজোৰা ৱেবৰ (World Wide Web) সহায়ত অগণন মানুহক একেসময়তে যিকোনো স্থানত প্ৰত্যেক বিষয়ৰ ওপৰত বহুসংখ্যক তথ্য তথা খবৰ উপলব্ধ কৰিব পৰা যায়। এই ব্যৱস্থাটোৱে বিকশিত আৰু বিকাশ লাভ কৰি থকা দেশবোৰৰ বিদ্যালয়বোৰত সৰ্বাত্মক জনপ্ৰিয়তা লাভ কৰিছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই সমগ্ৰ বিশ্বৰ সম্পদশালী তথা সমলসমৃদ্ধ

ব্যক্তিসকল, বিশেষজ্ঞসকল, সদুপদেশকসক, গৱেষকসকল, বৃত্তিধাৰীসকল, ব্যৱসায়ীসকলক, নেতাসকল আৰু সমবন্ধুসকললৈ সুবিধা প্ৰদানত সুগমতা আনিছে।

- *শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষণ পৰিবেশ (Learner- centered Learning Environment)* ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰকৃত ব্যৱহাৰে শিক্ষণৰ শিক্ষাবিষয়ক দিশ আৰু সাম্প্ৰতিক শিক্ষাৰ সূচী প্ৰেৰণ এই দুয়োটাৰে আৰ্হিৰ পৰিবৰ্তন আনিছে। ইয়াক যেতিয়া প্ৰকৃতভাৱে ব্যৱহাৰ কৰা হয়, কম্পিউটাৰ আৰু ইণ্টাৰনেট প্ৰযুক্তিবিদ্যাই শিকন-শিক্ষণ প্ৰক্ৰিয়াত নতুন পথৰ সুচল কৰি তোলে। শিক্ষক আৰু শিক্ষাৰ্থীয়ে আগতে ব্যৱহাৰ কৰি লাভবান্বিত হোৱা ব্যৱস্থাতকৈ ইয়াত নতুনত্ব পায়। শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ এই নতুন পথটোৱে 'শিক্ষককেন্দ্ৰিক শিক্ষাৰ' পৰিবৰ্তে শিকাৰুকেন্দ্ৰিক বা শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাৰ ধাৰণাক অধিকভাৱে বাস্তৱমুখী কৰি তুলিছে।



জানি থোৱা ভাল

তাঁৰ সংযোগ অভিবৰ্ত্তনঃ- তাঁৰসংযোগ অভিবৰ্ত্তন মানে হ'ল দুটা বা তাতকৈ অধিক স্থানত থকা ব্যক্তিসকলৰ মাজত বৈদ্যুতিক যোগাযোগৰ আন্তঃক্ৰিয়া সম্পাদন কৰা। মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষণত তাঁৰ সংযোগ অভিবৰ্ত্তন হ'ল এবিধ উপকাৰী আহিলা আৰু ই চিধাচিধিভাৱে নিৰ্দেশনা আৰু শিকাৰু সমৰ্থনৰ ব্যৱস্থা কৰে।

তাঁৰসংযোগ অভিবৰ্ত্তনৰ সাধাৰণতে চাৰিটা কৌশল আছে। কৌশলসমূহ আন্তঃক্ৰিয়াৰ প্ৰকৃতি, ধৰণ আৰু প্ৰযুক্তিবিদ্যাৰ অত্যাধুনিকতাৰ ওপৰত আধাৰিত। ভাগবোৰ হ'ল—

১। **শ্ৰৱণ অভিবৰ্ত্তন ঃ** এই অভিবৰ্ত্তন টেলিফোন বা তাঁৰ সংযোগ নেটৱৰক'ৰ মাধ্যমত শব্দ খবৰ বিনিময় ব্যৱস্থাৰ জীৱন্ত অবতাৰণ কৰে।

২। **শ্ৰৱণ ৰৈখিক অভিবৰ্ত্তন ঃ** এই অভিবৰ্ত্তনে পাঠ আৰু স্থিৰ প্ৰতিৰূপ যেনে ৰেখাচিত্ৰ, চিত্ৰ বা ছবিবোৰ শব্দ খবৰৰ সৈতে বিনিময়ৰ ব্যৱস্থা কৰে।

৩। **ভিডিও অভিবৰ্ত্তন ঃ** এই অভিবৰ্ত্তনে কেৱল শব্দ আৰু ৰৈখিক চিত্ৰই বিনিময় নকৰে, ইয়াত প্ৰতিৰূপসমূহ লৰচৰ কৰাৰ অনুমতিও প্ৰদান কৰে। ভিডিও অভিবৰ্ত্তন উপগ্ৰহ সংযোগ বা দূৰৱৰ্ত্তীদৰ্শন নেটৱৰ্ক'ৰ সহায়ত উপস্থাপন কৰা হয়।

৪। **ৱেব আধাৰিত অভিবৰ্ত্তন ঃ** এই অভিবৰ্ত্তনত পাঠ, ৰেখাচিত্ৰ, শ্ৰৱণ আৰু দৰ্শন মাধ্যম ইণ্টাৰনেটৰ মাজেৰে সম্প্ৰচাৰ কৰা হয়। ইয়াত ব্ৰাউজাৰ (browser) যোগেদি কম্পিউটাৰ ব্যৱহাৰৰ প্ৰয়োজন হয় যাতে চিন্ন আৰু নিৰবচিন্ন দুয়োটা যোগাযোগৰে কাৰ্যসূচীৰ ৰূপায়ণ সম্ভৱ হয়।

১২.৪.২ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষণ ঃ বিভিন্ন ক্ষেএসমূহ

আজিৰ প্ৰেক্ষাপটত নিসন্দেহে ক'ব পৰা যায় যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সম্ভাৱনাসূচক আৰু শক্তিশালী ভালেমান আহিলা আছে আৰু এইবোৰে সীমাসূচক শৈক্ষিক সুবিধাসমূহ সম্প্ৰসাৰিত কৰিছে। এই সুবিধাসমূহে সামৰি লৈছে— জাতীয় সংখ্যালঘুসকলক, ছোৱালীবোৰৰ আৰু মহিলাসকল, অসমৰ্থ ব্যক্তিসকল, সাংস্কৃতিক বা সামাজিক কাৰণত সাধাৰণ শিক্ষা লাভৰ পৰা বাহিৰত থকা বয়স্ক ব্যক্তিসকলক। তলত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ উপকাৰিতাসমূহৰ লগতে সমগ্ৰ বিশ্বত উদ্ভৱ হোৱা শিক্ষাক্ষেত্ৰৰ নতুন নতুন ধাৰণা বা শব্দসমূহৰ চমু আভাষ দিয়া হ'ল—

- *কৰ্মক্ষম শিকন (Active Learning)* ঃ শিকাৰুসকলে তেতিয়াহে শিকে যেতিয়া প্ৰকৃত জীৱন সমস্যাৰ কৰ্ম সমাধানৰ অৰ্থে নিৰূপন আৰু সম্পাদন কৰে। গতিকে শিকাৰুসকলৰ প্ৰকৃত জীৱন অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি শিকন অবিমূৰ্ত আৰু অধিক গ্ৰহণযোগ্য কৰি তোলা অতিকে প্ৰয়োজনীয়। এইক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শিকনক উন্নত অৱস্থালৈ লৈ গৈছে আৰু শিক্ষাৰ্থীসকলৰ ব্যস্ততা বৃদ্ধি কৰিছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই সময় সাপেক্ষভাৱে শিক্ষাক বৃদ্ধি কৰে যাতে শিক্ষাৰ্থীয়ে নিজেই কি শিকিব আৰু কেতিয়া তেওঁলোকে ইয়াক শিকাটো প্ৰয়োজন হ'ব তাক ভালদৰে জানে বা বুজি পায়।
- *সহযোগিতাসূচক শিকন (Collaborative Learning)* ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সমৰ্থিত শিকনে পা�ৰস্পৰিক ক্ৰিয়া সম্পাদনৰ সহযোগিতা আৰু শিক্ষাৰ্থীসকল, শিক্ষকসকল আৰু বিশেষজ্ঞসকলৰ মাজত সহযোগিতা বৃদ্ধিত উদগনি যোগায়। তেওঁলোকে যতেই নাথাকক তাতেই সহযোগিতা স্থাপনত ই আগভাগ লয়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সমৰ্থিত শিকনে শিকাৰুসকলক বিভিন্ন সাংস্কৃতিক দিশৰ পৰা অহা ব্যক্তিসকলৰ সৈতে কৰ্ম সম্পাদন কৰাৰ সুবিধা প্ৰদান কৰে। তাৰ ফলস্বৰূপে শিকাৰুসকলৰ যোগাযোগ স্থাপনৰ দক্ষতা আৰু কৌশল বৃদ্ধি হোৱাত ই অৰিহণা যোগায় আৰু বিশ্বায়ণৰ প্ৰতি সজাগতা আনি দিয়ে।
- *সৃষ্টিশীল শিকন (Creative Learning)* ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সমৰ্থিত শিকনে বৰ্তমানৰ খবৰসমূহক ইফাল সিফাল কৰাত আৰুপ্ৰকৃত বিশ্বৰ উৎপাদন নতুনকৈ সৃষ্টি কৰাত সহায় আগবঢ়ায়। ই ইতিমধ্যে গ্ৰহণ কৰা খবৰক পুনৰ উৎপাদিত কৰ্ত্তব নিবিচাৰে।
- *সংহতিপূৰ্ণ শিকন (Integrated Learning)* ঃ তথ্য আৰু যোগাযোগ

প্ৰযুক্তিবিদ্যাই শিকন বৃদ্ধি কৰাৰ লগত, শিকন-শিক্ষণ প্ৰক্ৰিয়াটোৰ প্ৰতিও সংহতিপূৰ্ণ দৃষ্টিভংগী আনি দিয়ে। এই দৃষ্টিভংগীয়ে পৰম্পৰাগত শ্ৰেণীকোঠাৰ বৈশিষ্ট্যতা আৰু বিভিন্ন বিষয়ৰ তত্ব আৰু ব্যৱহাৰৰ মাজত থকা কৃত্ৰিম বিভাজন আঁতৰ কৰি পেলায়।

- মূল্যায়ণাত্মক শিকন (Evaluative Learning) ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শিকন বিকশিত কৰি শিক্ষার্থীসকলৰ প্ৰতি নির্দেশনা আগবঢ়ায়। স্থিতিশীল পাঠ্যপুথি বা ছপাভিত্তিক শৈক্ষিক প্ৰযুক্তিবিদ্যাসমূহৰ দৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শিকনক বিকশিত কৰি স্বীকৃতি প্ৰদান কৰিছে যে তাত বিভিন্নধৰণৰ শিক্ষণ পথ আৰু বহুবোৰ জ্ঞানৰ ক্ষেত্ৰ আছে। এই প্ৰযুক্তিবিদ্যাই শিক্ষার্থীসকলক তেওঁলোকৰ নিজস্ব শিক্ষণক মূল্যায়ণ কৰাৰ অনুমতি প্ৰদান কৰে আৰু অকল কেবল শ্ৰোতা আৰু স্মৰণ কৰোতা হোৱাত উদ্‌গনি নোযোগায়।
- *বৈদ্যুতিক শিকন/তাঁৰ সংযোগ শিকন/জালি আধাৰিত শিকন (E-Learning / Online Learning / Web-based Learning)* ঃ যদিওঁ এই ধাৰাটো সাধাৰণতে উচ্চ শিক্ষা আৰু নিগমৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা দেখা গৈছে, ইয়াৰ প্ৰয়োগ আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ ক্ষেত্ৰটো হোৱা দেখা যায়। বৈদ্যুতিক শিকন, তাঁৰযোগে শিকন আৰু ৱেব আধাৰিত শিকন বর্তমান সময়ত শিক্ষাৰ সকলো পর্যায়তে প্ৰয়োগিক হৈ উঠিছে। এই শিকনে ইন্টাৰনেট, ইনট্রানেট (Intranet LAN) একষ্ট্রানেট (Extranet WAN) আদিৰ জৰিয়তে পাঠ্যক্ৰম প্ৰেৰণ, পাৰস্পৰিক ক্ৰিয়া সম্পাদন আৰু সুবিধা প্ৰদানত আংশিক বা পূৰ্ণভাৱে অৰিহণা যোগাৱ দেখা গৈছে।
- *মিশ্রিত শিকন (Blended Learning)* ঃ এই ধাৰাটোৰ বিশেষ তাৎপর্য্যতা আছে। মিশ্রিত শিকনে বৈদ্যুতিক শিকনৰ সৈতে পৰম্পৰাগত শ্ৰেণীকোঠা ব্যৱহাৰক একত্রিত কৰি এক আৰ্হি প্ৰদর্শন কৰিছে। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে পৰম্পৰাগত শ্ৰেণীক ছপা মাধ্যম আৰু তাঁৰ সংযোগ দুয়োটা মাধ্যমেৰে ফলপ্ৰসূ কৰি তুলিব পাৰি। 'চ্যাট' (Chatting) নতুবা বৈদ্যুতিক ডাক প্ৰক্ৰিয়াৰ মাধ্যমত শিক্ষার্থীৰ লগত শিক্ষকৰ সৈতে সম্পর্কৰ ধাৰাটো তাত অধিক প্ৰয়োগিক হৈ উঠে। ইয়াৰ উপৰিও 'সাময়িক মুখামুখি নির্দেশনা'ৰ দ্বাৰা ৱেব আধাৰিত প্ৰশিক্ষণ পাঠ্যক্ৰম উন্নত অৱস্থালৈ নিব পাৰি।
- *মোবাইল শিকন (Mobile Learning)* ঃ মোবাইল শিকন হ'ল মোবাইল আহিলাসমূহৰ মাধ্যমেৰে লাভ কৰা শিকন, যিটোৱে আধুনিক সংযোগ ব্যৱস্থাত অভিনৱত্ব আনিছে। মোবাইল শিকনৰ সংজ্ঞা এনে ধৰণেৰে দিব পৰা যায়— *যিকোনো ধৰণৰ শিকন , যাৰ কোনো নির্দিষ্ট স্থান নাথাকে বা য'তে ততে লাভ*

কৰাৰ সুবিধা থাকে বা শিকন যিটোক শিকাৰুসকলে মোবাইল প্ৰযুক্তিবিদ্যাৰ দ্বাৰা লাভ কৰে। মোবাইল শিকনৰ অৰ্থ আনধৰণেও নিৰ্ণয় কৰিব পৰা যায় যেনে— লৈ ফুৰিবপৰা প্ৰযুক্তিগত আহিলাৰ সৈতে, এম পি থ্ৰি প্লেয়াৰ (MP3 players), টোকাবহীসমূহ আৰু মোবাইল ফোনসমূহৰ মাধ্যমেৰে। মোবাইল শিকনে শিকাৰুসকলৰ গতিশীলতাক প্ৰদৰ্শন কৰাৰ লগতে লৈ ফুৰিবপৰা প্ৰযুক্তিবিদ্যাসমূহৰ সৈতে পাৰস্পৰিক ক্ৰিয়া সম্পাদন কৰে। এই শিক্ষাই ক্ৰমবৰ্দ্ধিত জনসংখ্যাৰে সমৃদ্ধ সমাজখনত আৰু সমাজৰ বিভিন্ন অনুষ্ঠানসমূহত জ্ঞানৰ আদান প্ৰদান কৰাত বহুত সুবিধা আগবঢ়াইছে।



জানি থোৱা ভাল

(Community Radio) 'সমূহীয়া অনাঁতাৰ' এনে এবিধ সেৱা যিটো কোনো এক সম্প্ৰদায় আস্থানৰ পৰা সম্প্ৰচাৰিত হৈ ভৌগোলিক সম্প্ৰদায় আৰু আগ্ৰহী সম্প্ৰদায়সমূহলৈ সেৱা আগবঢ়ায়। ই স্থানীয় তথা বিশেষ শ্ৰোতাৰ বাবে জনপ্ৰিয় বিষয়বস্তু সম্প্ৰচাৰ কৰে। যাক সাধাৰণতে ব্যৱসায়িক বা গণমাধ্যম সম্প্ৰচাৰৰ মাধ্যম বিলাকে আওকাণ কৰিব খোজে। সমূহীয়া অনাঁতাৰ কেন্দ্ৰই যি সম্প্ৰদায়লৈ সেৱা আগবঢ়ায়, সেই সম্প্ৰদায়ে এই কেন্দ্ৰক চলাই আৰু নিজেই ইয়াৰ গৰাকী হয়। সমূহীয়া অনাতাঁৰ কেন্দ্ৰবোৰত যিহেতু কোনো ব্যৱসায়িক লাভ লোকচানৰ দ্বাৰা প্ৰভাবান্বিত নহয়, বৰঞ্চ তথ্য আৰু যোগাযোগৰ ক্ষেত্ৰখনত ই ব্যক্তি, গোট, দল আৰু সম্প্ৰদায়বোৰক কাহিনীবোৰ কোৱাত সহায় কৰে, অভিজ্ঞতা আহৰণত অৰিহণা যোগায় আৰু সক্ৰিয় সৃষ্টিত অৱদান আগবঢ়ায়। সমুহীয়া অনাতাঁৰ সেৱা ব্যৱস্থাটো বিভিন্ন দেশত বিভিন্নধৰণেৰে বিকশিত হৈছে আৰু বিভিন্ন দেশত ইয়াক বিভিন্ন নামেৰে জনা যায়। ইংলণ্ড, আয়াৰলেণ্ড, আমেৰিকা, কানাডা আৰু অষ্ট্ৰেলিয়াত ইয়াৰ অৰ্থবোৰ ভিন্নতা প্ৰদৰ্শিত হৈছে। ভাৰতবৰ্ষত বৰ্তমানলৈ ৩০০টা সমুহীয়া অনাতাঁৰ কেন্দ্ৰ স্থাপিত হৈছে। সমুহীয়া অনাতাঁৰ কেন্দ্ৰবোৰ শিক্ষা সম্প্ৰসাৰণৰ গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে প্ৰমাণিত হৈছে। আমি জনা উচিত যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো সমুহীয়া ৰেডিও কেন্দ্ৰ হ'ল 'জ্ঞান তৰংগ'। এই কেন্দ্ৰটো স্থাপন কৰা হৈছে 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়', গুৱাহাটীৰ নেতৃত্বত। সেইটোৰ অনুসৰণক্ৰমে 'অনাতাঁৰ লুইত' স্থাপিত হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ত। ইয়াৰ নেতৃত্ব বহন কৰিছে 'দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষণ প্ৰতিষ্ঠান' গুৱাহাটী বিশ্ববিদ্যালয়ে।



অগ্ৰগতি নিৰিক্ষণ

প্ৰশ্ন নং ৭ ঃ শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সুবিধা তিনিটা কি কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ বৰ্তমান সময়ত বিস্তৃতভাৱে ব্যৱহাৰ হোৱা শিকনৰ নতুন ধাৰণাসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৯ঃ মোবাইল শিকন কি?

.....

.....

প্ৰশ্ন নং ১০ঃ সাম্প্ৰতিক শিক্ষা সম্প্ৰসাৰণৰ মাধ্যম হিচাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাক ব্যৱহাৰ কৰা বিশ্বৰ কেইটামান প্ৰতিষ্ঠানৰ নাম উল্লেখ কৰক।

.....

.....

১২.৪.৩ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষা সম্প্ৰসাৰণৰ প্ৰতিষ্ঠানসমুহ

সমগ্ৰ বিশ্বজুৰি বহুকেইখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ জৰিয়তে মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষণৰ মাধ্যমত পাঠ্যক্ৰম আগবঢ়াই আছে। উদাহৰণস্বৰূপে 'মন্টেৰেই প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান' নামৰ মেক্সিকোৰ Virtual University খনে সমগ্ৰ মেক্সিকো আৰু লেটিন আমেৰিকাৰ দেশবোৰত শিক্ষাৰ্থীসকললৈ ছপা সামগ্ৰী,চলন্ত আৰু বাণীবদ্ধ সম্প্ৰচাৰ আৰু ইন্টাৰনেটক লগলগাই পাঠ্যক্ৰম চলাই আছে।

আফ্ৰিকাত বিশ্ববেংকৰ আৰ্থিক সমৰ্থনত ১৯৯৭ চনত 'Africa Virtual University' স্থাপিত হয়। সেই বিশ্ববিদ্যালয়টোৱে উপগ্ৰহ আৰু ইন্টাৰনেট প্ৰযুক্তিবিদ্যাৰ ব্যৱস্থা কৰি সমগ্ৰ আফ্ৰিকাৰ দেশবোৰৰ মাজত ইংৰাজী আৰু ফৰাচী ভাষা কোৱা ব্যক্তিসকলক দূৰৱৰ্ত্তী শিক্ষণৰ সুবিধা প্ৰদান কৰি আছে।

ফিলিপাইনচৰ মুক্ত বিশ্ববিদ্যালয়খনে আজিওঁ ছপা মাধ্যমৰ ওপৰত আধাৰিত যদিও মুখামুখি শিক্ষণৰ বিকল্প হিচাপে তাৰসংযোগী (Online) শিল্পৰ ব্যৱস্থা কৰি শিক্ষাদানৰ কাৰ্যসূচী সম্প্ৰসাৰণ কৰি আছে। আনকি মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ বাবেও

ইণ্টাৰনেট আৰু ৱেব আধাৰিত মাধ্যমসমূহৰ বহুল ব্যৱহাৰ হোৱা দেখা গৈছে। Virtual High School হ'ল ৱেব আধাৰিত পাঠ্যক্ৰম সম্প্ৰসাৰণ কৰাৰ বাবে গঢ়ি উঠা আমেৰিকাৰ এটি প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানটো হ'ল জিলাবোৰত ৰাষ্ট্ৰজুৰি চলোৱা প্ৰচেষ্টাৰ ফলশ্ৰুতি। কানাডাত মুক্ত বিদ্যালয়ে K-12 পৰ্যায়ৰ শিক্ষকসকল আৰু শিক্ষাৰ্থীসকলৰ বাবে ইংৰাজ কলুম্বীয়া পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে বহুল পৰিসৰৰ পাঠ্যক্ৰম আৰু সম্পদসমূহ আগবঢ়াইছে। অতি গুৰুত্বপূৰ্ণ কথা যে তাত পাঠ্যক্ৰম প্ৰেৰণ কৰা হয় সম্প্ৰচাৰ আৰু ভিডিও পদ্ধতিৰ মিশ্ৰণ প্ৰক্ৰিয়াৰে। আনহাতে কিছুমান পাঠ্যক্ৰম সম্পূৰ্ণৰূপে তাঁৰসংযোগ (On-line)মাধ্যমত প্ৰেৰণ কৰা হয়।

আজি কিছু বছৰ আগৰপৰাই বিশ্বৰ বিভিন্ন প্ৰান্তত বহুবোৰ আইনগতভাৱে প্ৰতিষ্ঠিত বিশ্ববিদ্যালয় গঢ় লৈ উঠিছে যাক 'কৰপো�ৰেট ইউনিভাৰচিটি' (Corporate University) বুলি জনা যায়। দৰাচলতে এই বিশ্ববিদ্যালয়বোৰ হ'ল কিছুমান 'আন্তঃগৃহ' সংগঠন। এনেধৰণৰ বিশ্ববিদ্যালয়বোৰে বহুজাতিক কোম্পানীবোৰৰ কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিবলৈ 'ভিডিও অভিবৰ্ত্তন' আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰে। এনেধৰণেৰে বিকাশ লাভ কৰি থকাৰ ফলত কৰপো�ৰেট ইউনিভাৰচিটিৰ (Corporate Universities) সংখ্যা ২০১৫ চনত পৰম্পৰাগত বিশ্ববিদ্যালয়তকৈ অধিক হৈ যাব বুলি অনুমান কৰিব পাৰি।

এচিয়া মহাদেশত বৰ্তমানলৈ চীনৰ 'কেন্দ্ৰীয় অনাতাঁৰ আৰু দূৰৱৰ্ত্তীদৰ্শন ইউনিভাৰচিটি'ক (China Central Radio and Television University) ধৰি আন ৪৪টা অনাতাঁৰ আৰু দূৰৱৰ্ত্তীদৰ্শন বিশ্ববিদ্যালয়, ইন্দোনেচিয়াৰ ইউনিভাৰচিটাচ তাৰবুকা', (Universitas Terbuka) ভাৰতবৰ্ষৰ 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে' ৰেডিও আৰু দূৰৱৰ্ত্তীদৰ্শন ব্যৱহাৰ কৰি অগণন ব্যক্তিক খুব কম সময় আৰু কম খৰছত শিক্ষাদান কৰিবলৈ সক্ষম হৈছে। বিদ্যালয় সম্প্ৰচাৰৰ লগতে চিধাচিধিভাৱে শ্ৰেণী শিক্ষণতো ইয়াৰ ব্যৱহাৰ সাফল্যমণ্ডিত হৈছে। এই বিশ্ববিদ্যালয়বোৰে সম্প্ৰচাৰৰ লগে লগে 'ছপা আহিলা' আৰু 'শ্ৰৱণ কেচেট'ৰ ব্যৱহাৰো কৰিছে।

'জাপানৰ এয়াৰ ইউনিভাৰচিটি' (University of the Air) ২০০০ চনলৈকে ১৬০টা দূৰৱৰ্ত্তীদৰ্শন আৰু ১৬০টা অনাতাঁৰ বা ৰেডিও সম্প্ৰচাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে। প্ৰত্যেকটো সম্প্ৰচাৰ কাৰ্যসূচীতে ৰাষ্ট্ৰজুৰি প্ৰচাৰৰ বাবে ১৫ৰ পৰা ৪৫ মিনিটৰ বক্তৃতা অনুষ্ঠান থাকে। পাঠ্যক্ৰমবোৰ বিশ্ববিদ্যালয়ৰ নিজা আস্থান বা কেন্দ্ৰৰ দ্বাৰা সম্প্ৰচাৰিত কৰা হয় ৰাতিপুৱা ৬ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ। শিক্ষাৰ্থীসকলক পৰিপূৰকভাৱে ছপা সামগ্ৰী, মুখামুখি নিৰ্দেশনা আৰু চিধাচিধিভাৱে পঢ়োৱাৰ ব্যৱস্থা কৰা হয়। বৃহৎ সম্প্ৰচাৰ নিগমসমূহে বিদ্যালয় সম্প্ৰচাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। এইক্ষেত্ৰত ইংলণ্ডৰ 'বৃটিছ শিক্ষা অনাতাঁৰ দূৰৱৰ্ত্তীদৰ্শন সম্প্ৰচাৰ নিগম' (British

Broad Casting Corporation Education Radio TV) আৰু 'এন এইচ কে জাপান সম্প্ৰচাৰ' (NHK Japanese Broadcasting Station) কেন্দ্ৰৰ নাম উল্লেখ কৰিব পাৰি।

দক্ষিণ কোৰিয়াত বিশ্বৰ ভিতৰতে অতি আগবঢ়া তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ এটা ক্ষেত্ৰ আছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সফলতাই দক্ষিণ কোৰিয়াৰ সমাজখনৰ উচ্চ শিক্ষা ব্যৱস্থাটোক সলনি কৰি পেলাইছে। দক্ষিণ কোৰিয়াত বৰ্তমান ১৫টা এককশৈলীৰ (Single Made) নিয়মীয়া বিশ্ববিদ্যালয় আছে সেইবোৰে অকল তথ্য আৰু প্ৰযুক্তিবিদ্যা আধাৰিত পাঠ্যক্ৰমহে প্ৰবৰ্তন কৰে। সেইবোৰৰ ভিতৰত কোৰিয়া চাইবাৰ বিশ্ববিদ্যালয়, কোৰিয়া ডিজিটেল বিশ্ববিদ্যালয় আৰু মুক্ত চাইবাৰ বিশ্ববিদ্যালয়ৰ নাম উল্লেখযোগ্য। সেই বিশ্ববিদ্যালয়বোৰে বিশেষভাৱে জীৱনজোৰা শিক্ষণ আৰু বৃত্তিমুখী শিক্ষা সম্প্ৰসাৰণত আগভাগ লয়। এই বিশ্ববিদ্যালয়বোৰত বহল পৰিসৰৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হোৱা দেখা যায়; যেনে—

প্ৰযুক্তিবিদ্যা, ব্যৱস্থাপনা, আইন, ভাষা, সমাজবিজ্ঞান, শিক্ষাবিজ্ঞান আৰু ধৰ্মতত্ব বিজ্ঞান ইত্যাদি। দক্ষিণ কোৰিয়াৰ ১০০ তকৈ অধিক দ্বৈত শৈলীৰ বিশ্ববিদ্যালয়ে তাঁৰযোগেও (On-line) পাঠ্যক্ৰম সম্পাদন কৰে। এইটোৰ আৰম্ভণি হৈছিল ১৯৯৮ চনত Virtual University Trial Project কাৰ্যকৰী কৰা সময়ৰ পৰা।

বিকাশমুখী ৰাষ্ট্ৰবোৰত বিদ্যালয় সম্প্ৰচাৰ কাৰ্যসূচী ৰূপায়িত হয় শিক্ষা মন্ত্ৰণালয় আৰু তথ্য মন্ত্ৰণালয়ৰ যৌথ অংশীদাৰৰ ভিত্তিত। সাধাৰণ শৈক্ষিক কাৰ্যসূচীসমূহত বিস্তৃতধৰণৰ কাৰ্যৰ আঁচনি থাকে। সেইবোৰ হ'ল— বাতৰি কাৰ্যসূচী, চুটি তথ্য চিত্ৰ, কুইজ প্ৰদৰ্শন, শৈক্ষিক চিত্ৰ প্ৰদৰ্শন ইত্যাদি। এইবোৰে সকলোপ্ৰকাৰৰ শিকাৰুক অগতানুগতিক শিক্ষাৰ সুবিধা প্ৰদান কৰে। আনকি ভাৰতবৰ্ষইও এইক্ষেত্ৰত পিছপৰি থকা নাই। ভাৰতবৰ্ষত কেইবাটাও নামজ্বলা প্ৰতিষ্ঠান আছে যিবোৰে এনেধৰণৰ কাৰ্যসূচী সুন্দৰভাৱে ৰূপায়িত কৰিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত ভাৰতীয় প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠানসমূহ (IITs) , ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়, নতুন দিল্লী; যচোবন্তৰাওঁ চৱণ মহাৰাষ্ট্ৰ মুক্ত বিশ্ববিদ্যালয়, মহাৰাষ্ট্ৰ; আৰু পৰম্পৰাগত বিশ্ববিদ্যালয় হিচাপে যাদবপুৰ বিশ্ববিদ্যালয়ৰ নাম উল্লেখযোগ্য। এনেবোৰ অগ্ৰণী প্ৰতিষ্ঠানবোৰে শিক্ষা সম্প্ৰসাৰণত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাক প্ৰয়োগ কৰি সুবিধা প্ৰদান কৰি আছে।

১২.৫ শিক্ষাৰ ক্ষেত্ৰত ব্যৱহৃত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰত্যাহ্বানসমূহ

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ সমস্যামুক্ত নহয়। এটা সাধাৰণ প্ৰত্যাহ্বান হ'ল প্ৰযুক্তিবিদ্যাৰ সুবিধা থকা আৰু নথকাবোৰৰ মাজত গঢ়ি উঠা ব্যৱধানবোৰ নোহোৱা কৰাতো। এনেধৰণৰে সৃষ্টি হোৱা পাৰ্থক্য বা ব্যৱধানখিনিৰ বাবে শিক্ষাৰ বিভিন্ন পৰ্যায়ত তথ্য আৰু

যোগাযোগ প্ৰযুক্তিবিদ্যাৰ পৰিচয় প্ৰদান আৰু সংহতি স্থাপনত প্ৰত্যাহ্বান আহি পৰিছে। এনেদৰে সৃষ্টি হোৱা প্ৰত্যাহ্বানখিনিৰ মোকাবিলা কৰি অন্ত পেলাব নোৱাৰিলে দুখীয়া আৰু ধনীক শ্ৰেণীৰ লোকসকলৰ মাজত সামাজিক অসমতা প্ৰকট হৈ পৰিব আৰু অৰ্থনৈতিক বৈষম্যতা বৃদ্ধি হ'ব। যিয়েই নহওঁক উপশিক্ষক প্ৰতিষ্ঠানবোৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ সময়ত সাধাৰণতে সন্মুখীন হোৱা প্ৰত্যাহ্বান হ'ল চাৰিধৰণৰ। সেইবোৰ হ'ল—

- **ফলপ্ৰসূতা (Effectiveness) ঃ** তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ফলপ্ৰসূতা নিৰ্ভৰ কৰে ইয়াক কি উদ্দেশ্যত আৰু কেনেকৈ ব্যৱহাৰ কৰা হয় তাৰ ওপৰত। শৈক্ষিক ক্ষেত্ৰত প্ৰদান কৰা তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই সকলো স্থানৰ সকলো ক্ষেত্ৰত একেধৰণে কাম নকৰিব পাৰে। পৰিণতিস্বৰূপে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলপ্ৰসূতা অনাত অতি জটিল সমস্যা হয় ইয়াৰ মানদণ্ড নিৰূপণৰ ক্ষেত্ৰত। কাৰণ শিকাৰুকেন্দ্ৰিক পৰিবেশত বিচৰাধৰণে ইয়াৰ পৰা সুবিধা পোৱাত অসুবিধাৰ সৃষ্টি হয়। বৰ্তমানেও প্ৰাথমিক নতুবা মূল শিক্ষাৰ গুণগত মান উন্নয়নত ৰেডিও আৰু দূৰৱৰ্ত্তীদৰ্শনৰ প্ৰভাৱ গৱেষণাৰ বিষয় হৈয়ে আছে।
- **খৰছ (Cost) ঃ** বহলভাবে ক'বলৈ গ'লে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ দ্বাৰা বৃদ্ধি কৰা শিকণ-শিক্ষণ প্ৰক্ৰিয়া অধিক খৰচীয়া হয়। উদাহৰণস্বৰূপে শৈক্ষিক দূৰৱৰ্ত্তীদৰ্শন সম্প্ৰচাৰ আৰু কম্পিউটাৰ আধাৰিত তাঁৰ সংযোগ শিক্ষণ আঁচনিসমূহ ৰেডিও সম্প্ৰচাৰতকৈ অধিক খৰছীয়া। বিকাশমুখী ৰাষ্ট্ৰবোৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ জৰিয়তে শিক্ষণৰ প্ৰয়োগ ব্যৱস্থাক অৰ্থপূৰ্ণ কৰিবলৈ যাওঁতে বহু টকা-পইছা খৰছ কৰিবলগীয়া হয়।
- **ন্যায্যতা (Equity) ঃ** বিশ্বৰ দুখীয়া আৰু ধনী ৰাষ্ট্ৰবোৰৰ মাজত থকা ক্ৰমাত বাঢ়ি অহা বৈষম্যতা আৰু তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সুবিধা লাভ কৰিবলৈ বিচৰা দলবোৰৰ ভিন্নতালৈ লক্ষ্য কৰি যুক্তি প্ৰদৰ্শন কৰিব পাৰি যে শিক্ষাত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে মানুহৰ মাজত গঢ় লৈ উঠা বৰ্তমানৰ বিভেদৰ পৰিসৰ বহলহে কৰিছে। এই ধাৰণাই অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ভৌগোলিক আৰু লিংগ সম্বন্ধীয় সমস্যাৰো উদ্ভৱ কৰে। শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ যদি সাৱধানতাৰে কৰা নহয় তেতিয়াহ'লে ইতিমধ্যে অসুবিধাৰ সন্মুখীন হোৱা বা সুবিধা লাভৰ পৰা বঞ্চিত হোৱাসকল পুনৰ সীমাৰেখালৈ গুছি যাব। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে মহিলাসকলৰ মাজতেই নিৰক্ষৰতাৰ হাৰ অধিক আৰু তেওঁলোকে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সুবিধা পুৰুষতকৈ কম পায়। গতিকে নায্যতা বৃদ্ধিৰ বাবে নিৰ্দিষ্ট শিকাৰুসকলৰ ওপৰত মনোযোগ সমানে দিব লাগিব আৰু তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা বৈষম্যতাসমূহ দূৰৱৰ্ত্তী কৰিব পাৰিব লাগিব।
- **দীৰ্ঘ সময় ধৰি বৰ্তি থকা (Sustainability) ঃ** শিক্ষা ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সংহতি স্থাপনৰ সফলতাৰ হাৰ নিৰ্ধাৰণ বা বৃদ্ধিৰ বাবে নিৰ্দিষ্ট কোনো সূত্ৰ

নাই। নীতি নিৰ্ধাৰকসকল আৰু পৰিকল্পনাকাৰীসকল, শিক্ষাদানকাৰীসকল, শিক্ষা প্ৰশাসকসকল আৰু অংশীদাৰসকলে শৈক্ষিক নীতি আৰু পৰিকল্পনা, আচবাব, ভাষা আৰু সূচী বিকাশ, সক্ষমতা আৰু অৰ্থনৈতিক দিশক সামৰি লবলৈ বিবেচনা কৰাটো অতি প্ৰয়োজন। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ মাধ্যমত শিক্ষাৰ উন্নতকৰণ আৰু সংস্কাৰ সাধন কৰাৰ বাবে স্বচ্ছ আৰু নিৰ্দিষ্ট উদ্দেশ্য, নীতি নিৰ্দেশনাসমূহ আৰু সময়সূচক লক্ষ্যৰ প্ৰয়োজন আছে। এইক্ষেত্ৰত প্ৰচেষ্টা আৰম্ভ কৰিবলৈ সকলো পৰ্যায়ত প্ৰয়োজনীয় সম্পদসমূহৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাতো বহু বেছি প্ৰাসংগিক।

১২.৬ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণত ফলপ্ৰসূতা অনাৰ কাৰণে লোৱা কৌশলসমূহ

যিয়ে নহওঁক শ্ৰেণীকোঠাত বিভিন্নধৰণৰ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাসমূহ ব্যৱহাৰৰ কৰাৰ পৰা পোৱা অভিজ্ঞতাই সূচাইছে যে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সম্ভাৱনাসূচক শৈক্ষিক সুবিধা বা লাভালাভসমূহ নিয়মীয়া নহয়। এনে ধাৰণাৰ উমান যোৱা দৰ্শক কেইটাৰ শৈক্ষিক অৱস্থাটো পোৱা গৈছিল। শিক্ষা ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ফলদায়ক সংহতি হ'ল এটা জটিল অৱস্থা আৰু বহুমুখী প্ৰক্ৰিয়া। সেইবোৰ অকল প্ৰযুক্তিবিদ্যাই নহয় তাত শিক্ষাবিষয়ক পাঠ্যক্ৰম, আনুষ্ঠানিক প্ৰস্তুতি, শিক্ষকৰ দক্ষতা আৰু আনকেতবোৰ ধাৰণাও থাকে। এই শিক্ষা ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ফলদায়ক ব্যৱহাৰৰ প্ৰকৃত সীমা আৰু নীতি নিৰ্ধাৰণৰ এক আভাষ দিয়ে। প্ৰথমতে ই শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সম্ভাৱনাসূচক লাভালাভৰ চমু মতামত প্ৰদান কৰে। দ্বিতীয়তে ই তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ শিক্ষাত ব্যৱহাৰৰ চাৰিটা বহল ঘটনাৰ প্ৰকাশ কৰে। অৱস্থাকেইটা হ'ল— ফলপ্ৰসূতা, আৰ্থিক খৰছ, ন্যায্যতা আৰু দীৰ্ঘ সময় ধৰি চলি থকা সমৰ্থতাৰ আদিৰ প্ৰতি আঙুলিয়াইছে।

শিক্ষাৰ নীতি নিৰ্ধাৰকসকল আৰু অংশগ্ৰহণকাৰীসকলে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষাৰ ফলশ্ৰুতি কি হ'ব নিশ্চিত হ'ব লাগিব। তেওঁলোকে অকল এটা প্ৰযুক্তিবিদ্যা নিৰ্বাচন কৰি ল'লেই নহ'ব, সেই প্ৰযুক্তিবিদ্যাটোৰ সম্ভাৱনীয়তাৰ বিষয়েওঁ জানিব লাগিব। প্ৰত্যেকটো প্ৰযুক্তিবিদ্যাৰ সম্ভাৱনীয় ব্যৱহাৰৰ ক্ষেত্ৰখন বেলেগ বেলেগ হ'ব। আপোনলোকে ইতিমধ্যে গম পাইছে যে ছপা সামগ্ৰী, শ্ৰবণ-দৰ্শন কেচেট, ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শন, কম্পিউটাৰ বা ইন্টাৰনেটৰ উপস্থাপন আৰু প্ৰদৰ্শনৰ বাবে ব্যৱহাৰ কৰা যায়। আনহাতে নেটৱৰ্ক সম্পন্ন কম্পিউটাৰ (Networks Computer) আৰু ইন্টাৰনেট (Internet) যদি অকল উপস্থাপন আৰু প্ৰদৰ্শনৰ বাবেই ব্যৱহাৰ কৰা হয় তেতিয়া শৈক্ষিক আহিলা হিচাপে ই উপলব্ধিহীন হৈ থাকিব।

ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনক শৈক্ষিক আহিলা হিচাপে বহলভিত্তিত ব্যৱহাৰ কৰা হয় যথাক্ৰমে ১৯২০ আৰু ১৯৫০ চনৰপৰাহে। শিক্ষাত ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনৰ সম্প্ৰচাৰ কাৰ্যসূচীৰ ব্যৱহাৰৰ সম্ভাব্য তিনিটা দিশ আছে; সেইকেইটা হ'ল—

- **চিধাচিধিভাৱে শ্ৰেণী শিক্ষণ** য'ত সম্প্ৰচাৰ কাৰ্যসূচীয়ে সাময়িকভাৱে শিক্ষকৰ বিকল্প হৈ পৰে।
- **বিদ্যালয় সম্প্ৰচাৰ** য'ত সম্প্ৰচাৰ কাৰ্যসূচীসমূহ শিক্ষণ সমলৰ উপলব্ধ নোহোৱাৰ সময়ত অতিৰিক্তভাৱে শিক্ষণ প্ৰদান বাবে কৰে।
- সমুহীয়া **সাধাৰণ শৈক্ষিক কাৰ্যসূচী** যাক জাতীয় আৰু আন্তৰ্জাতিক কেন্দ্ৰবোৰৰ পৰা ৰূপায়ণ কৰা হয় আৰু য'ত সাধাৰণ আৰু অনানুষ্ঠানিক শৈক্ষিক সুবিধাসমূহ প্ৰদান কৰা হয়।

ওপৰত উল্লেখ কৰা পৰামৰ্শবিলাকৰ উপৰিও শিক্ষা প্ৰশাসকসকল, কাৰিকৰী সমৰ্থন বিশেষজ্ঞসকল, শিক্ষক সকলৰ মাজত কৰ্মক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰটো ব্যৱস্থা হাতত ল'ব লাগিব। এইক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সৈতে শিক্ষাৰ সংহতি স্থাপন কৰিবলৈ নেতৃত্ব দিয়া শ্ৰেণীটোৱে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। সূচী বিকাশ আন এটা গুৰুত্বপূৰ্ণ এলেকা যাক অধিকভাৱে চকুৰ বাহিৰত ৰখা হৈছে। বৰ্তমান চলি থকা তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শৈক্ষিক আহিলাসমূহ ইংৰাজী বিষয়ত হোৱাৰ বাবে বিকশিত হৈ থকা ৰাষ্ট্ৰসমূহৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ লগত ৰেৱ আহিলাসমূহৰ কিমান সম্পৰ্ক থাকিব অৱধাৰণা কৰিব নোৱাৰি। গতিকে মাতৃভাষা বা থলুৱা ভাষাবোৰতো মূল শৈক্ষিকসূচীৰ বিকাশৰ প্ৰয়োজনীয়তা আছে। ৰেডিও কাৰ্যসূচী, পা�ৰস্পৰিক বহুমাধ্যম শিক্ষণ আহিলাসমূহ, চিডি ৰ'ম বা ডিভিডি নেটৱৰ্ক আধাৰিত পাঠ্যক্ৰমে ইতিমধ্যে চলি থকা সূচীসমূহ ল'ব লাগে আৰু ছপা আধাৰিত সূচীসমূহ সংখ্যাগত মাধ্যমলৈ ৰূপান্তৰিত কৰিব লাগে। নিৰ্দেশনা আৰ্হিকাৰক, পাঠলিখক, শ্ৰৱণ দৰ্শন উৎপাদন বিশেষজ্ঞসকল, আঁচনিকাৰকসকল, বহুমাধ্যম পাঠ্যক্ৰমৰ লিখকসকল, পাঠ্যক্ৰম সম্পাদকসকল আৰু নেটৱৰ্ক উন্নতকাৰকসকলৰ দৰে শৈক্ষিক সূচী বিকাশৰ বিশেষজ্ঞসকলৰ বাবে নিৰ্দিষ্ট কৰ্মসূচী ৰখাটো প্ৰয়োজন।

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ প্ৰবৰ্তন কৰাৰ আগতে শৈক্ষিক ব্যৱস্থাটোৰ বৰ্তমান অৱস্থাৰ বিষয়ে কঠোৰ সমালোচনা কৰিবই লাগিব। প্ৰচলিত আনুষ্ঠানিক ব্যৱস্থাপনাসমূহত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত হস্তক্ষেপৰ হিচাপ ৰাখিবই লাগিব। নিৰ্দিষ্টভাৱে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা বাধাসমূহ আৰু ইয়াৰ লগত সম্বন্ধিত পাঠ্যক্ৰম আৰু শিক্ষাবিষয়, আচবাব, দক্ষতা নিৰ্মাণ, ভাষা আৰু সূচী আৰু আৰ্থিক দিশক সামৰি লৈ চিনাক্ত কৰাটো প্ৰয়োজন। গতিকে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ বিভিন্ন পৰ্যায়ৰ লগতে বিভিন্ন আৰ্হিৰ শৈক্ষিক উদ্দেশ্যসমূহ নিৰ্দিষ্টকৰণত কৰাটো ভাল। নীতি নিৰ্ধাৰকসকলে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বিভিন্ন উদ্দেশ্যৰ কাৰণে বিভিন্ন সূচী প্ৰয়োগ কৰোতে তাৰ সম্ভাৱনীয়তাসমূহৰ বিষয়ে প্ৰথমতে বুজ লোৱাটো প্ৰয়োজন।

১২.৭ উত্তৰ-পূব ভাৰতত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ

অৰ্থনৈতিকভাৱে অনগ্ৰসৰ আৰু শৈক্ষিকভাৱে স্থবিৰ ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত মুক্ত

আৰু দূ�ৰৱৰ্ত্তীবৰ্ত্তী শিক্ষাৰ সম্প্ৰসাৰণ বৰ্তমান খুব প্ৰয়োজনীয় আৰু প্ৰাসংগিক। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সমৰ্থিত শিক্ষাক বিস্তৃত ৰূপত (Outreaching) শিক্ষাৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ মাধ্যম হিচাপে ধৰি ল'ব পাৰি। উত্তৰ-পূব ভাৰততো বৰ্তমান ডিজিটেল (Digital) প্ৰযুক্তিবিদ্যাসমূহৰ বিকাশ আৰু অন্তৰ্ভুক্তিয়ে শিক্ষাৰ জগতখনক বহলভাৱে প্ৰভাবান্বিত কৰিবলৈ ধৰিছে। ভাৰতবৰ্ষৰ আন আন প্ৰদেশবোৰৰ দৰে উত্তৰ-পূব ভাৰততো দূ�ৰৱৰ্ত্তীবৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে সৰ্বাত্মক বিকাশৰ অভিজ্ঞতা বৃদ্ধি কৰিছে। অসমত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষণ সম্প্ৰসাৰণ কৰাত আগভাগ লৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'দূ�ৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান' আৰু 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে'। দুয়োটা প্ৰতিষ্ঠানে লোৱা প্ৰচেষ্টাসমূহ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূ�ৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠানটোৱে ২০০৯ চনৰ ১৩ নৱেম্বৰত উত্তৰ-পূবৰ প্ৰথমটো 'ই-পৰটেল' ব্যৱস্থা মুকলি কৰিছে যিটোৰ নাম ৰখা হৈছে 'www.bodhidroom.idolgu.org'। এই 'পৰটেল' ব্যৱস্থাটো অকল উত্তৰ-পূবৰ শিকাৰু, শিক্ষক আৰু বিশেষজ্ঞসকলৰ বাবে সুবিধা প্ৰদানত সীমাবদ্ধ হৈ থকা নাই, ইয়াৰ পৰা বিশ্বৰ সকলো প্ৰান্তলৈ সুবিধা লাভৰ আশা কৰা গৈছে। একেধৰণেৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে শিকাৰুসকলৰ বাবে উচ্চ শিক্ষাৰ ক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰত মাধ্যমত সুকীয়া স্থান দখল কৰি উত্তৰ পূৰ্বাঞ্চলত জনজাগৰণ সৃষ্টি কৰিছে। ছপা মাধ্যমৰ সমান্তৰালভাৱে শ্ৰৱণ আৰু শ্ৰৱণ দৰ্শন সামগ্ৰীসমূহ উৎপাদন কৰি শিকাৰুসকলক বিশ্ববিদ্যালয়খনে আগ্ৰহান্বিত কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয়খনে অতি কম দিনৰ ভিতৰত এটা 'ৱেব পৰটেল' (web-portal) স্থাপন কৰিবলৈ পৰিকল্পনা হাতত লৈছে। প্ৰস্তাৱিত 'পৰটেলটোৰ' নাম হ'ব 'ই-দৃষ্টি' (e-dristi) আৰু তাত 'শ্ৰৱণ পুথি', 'বৈদ্যুতিক ৰেডিঅ' সেৱা', 'শ্ৰৱণ দৰ্শন কাৰ্যসূচী' আদিৰ দৰে বহুবোৰ সুবিধা অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। বিভিন্নধৰণৰ তাঁৰ সংযোগ সামাজিক নেটৱৰ্ক (Online Social Networks) যেনে, www.snkkhsou.org, 'ফেচবুক', টুইটাৰ 'idolgu' আদিৰ দৰে ব্যৱস্থাবোৰৰ মাধ্যমত শিকাৰুসকলৰ শৈক্ষিক প্ৰয়োজনীয়তাসমূহ পূ�ৰণৰ অৰ্থে সেৱা আগবঢ়াই থকা হৈছে। দেৰিকৈ হ'লেও অসমত সমুহীয়া অনাতাঁৰ সেৱা ব্যৱস্থাটোৱে সৰ্বাত্মক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। আপুনি অধ্যায়টিৰ আগভাগত অধ্যয়ণ কৰিছে যে উত্তৰ-পূব ভাৰতৰ প্ৰথমটো সমুহীয়া অনাতাঁৰ কেন্দ্ৰ 'জ্ঞান তৰংগ' স্থাপন কৰিছে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে। ইয়াক স্থাপন কৰা হৈছে গুৱাহাটীত। সেইটোক অনুসৰণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'দূৰৱৰ্ত্তী আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠানে' 'ৰেডিঅ' লুইত' নামেৰে উত্তৰ-পূব ভাৰতৰ দ্বিতীয়টো সমুহীয়া অনাতাঁৰ কেন্দ্ৰৰ কাম আৰম্ভ কৰিছে। আপোনালোকে এইটো জানি থোৱা উচিত যে প্ৰযুক্তিবিদ্যা চালিত আজিৰ বিশ্বত এই বিকাশে অসমক "জ্ঞান সম্প্ৰদায়" ধাৰণাটোক বাস্তৱত পৰিণত কৰাইছে। আন আন প্ৰতিষ্ঠানসমূহেওঁ তেওঁলোকৰ নিজৰ নিজৰ নেটৱৰ্ক আধাৰিত ব্যৱস্থা সোনকালে কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। এনেধৰণৰ প্ৰচেষ্টাসমূহৰ পৰা বুজা যে ইয়াৰ

প্ৰভাৱ গুণগত শিক্ষাৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ সাধাৰণ শিক্ষাৰ মুঠ নামভৰ্ত্তিৰ অনুপাতিক বৃদ্ধি কৰিছে।

যেতিয়া মুক্ত আৰু দূ�ৰৱৰ্ত্তীবৰ্ত্তী শিক্ষাত গুণগত মানৰ কথা আহিব তেতিয়া আমি ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ এশাৰী মন্তব্য প্ৰাসংগিক যেন লাগে। আয়োগত কোৱা হৈছে যে, "উচ্চ শিক্ষাত অতি ডাঙৰ প্ৰত্যাহ্বান হ'ব সেয়েহে সম্ভাব্য একেবাৰে নিম্ন খৰছত, বহুসংখ্যক শিক্ষাৰ্থীৰ বাবে গুণগত উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব" "The biggest challenge in higher education, therefore, is the provision of quality higher education to the greatest number at the lowest possible cost to the learner (NKC 2009 P-5)"। কিন্তু এইটোও গুৰুত্বপূৰ্ণ কথা যে ৰাষ্ট্ৰীয় জ্ঞান আয়োগ আঁচনিয়ে এটা শক্তিশালী আৰু ডাঙৰ আভ্যান্তৰীণ ভাৰতীয় নেটৱৰ্ক স্থাপনৰ লক্ষ্য হাতত লৈছে যিয়ে নিশ্চিত আৰু বিশ্বাসযোগ্য স্থায়ী সংযোগ দিবলৈ সমৰ্থবান হ'ব। ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্ক (National Knowledge Network) ব্যৱহাৰ কৰি ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানসমূহে তথ্য আৰু জ্ঞানৰ সুগমতা আনিবলৈ সময় আৰু স্থানৰ সীমাবদ্ধতা দূৰৱৰ্ত্তী কৰিব পাৰিব। ইয়াৰ মাধ্যমত অনুষ্ঠানসমূহ লাভাৱান্বিত হোৱাৰ লগতে সমাজখনো উপকৃত হ'ব। যদি 'ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্ক' সত্যৰ ওপৰত প্ৰতিষ্ঠিত হয় ই ৰাষ্ট্ৰৰ জ্ঞান বিপ্লৱত বৈশিষ্ট্যপূৰ্ণ পদক্ষেপ আনি দিব আৰু প্ৰায় ১৫০০খন অনুষ্ঠানক সামৰি লৈ গোটেই ভাৰতবৰ্ষৰ ভিতৰত উত্তৰ পূৰ্বাঞ্চল হৈ পৰিব এক আটাইতকৈ লাভাৱান্বিত অঞ্চল।



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ অৰ্থ আৰু শিক্ষাৰ ক্ষেত্ৰত তাৰ ব্যৱহাৰৰ বিষয়ে জানিব পাৰিলো । তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাসমূহ যিয়ে ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনৰ লগতে সাম্প্ৰতিক সময়ৰ কম্পিউটাৰ আৰু ইন্টাৰনেট আদিক সামৰি লৈছে। এইবোৰ হ'ল শৈক্ষিক পৰিবৰ্তন আৰু সংস্কাৰ সাধনৰ বাবে সম্ভাৱনাপূৰ্ণ শক্তিশালী আহিলা।
- United Kingdom Open University ১৯৬৯ চনত স্থাপিত হয় আৰু এইখনেই হ'ল বিশ্বৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয়। ই সম্পূৰ্ণৰূপে মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষণৰ সেৱা আগবঢ়াই আছে আৰু বৰ্তমানেও 'ছপা আধাৰিত সামগ্ৰীৰ' ওপৰত বিশ্বাস ৰাখি ৰেডিঅ' আৰু দূৰৱৰ্ত্তীদৰ্শনৰ দ্বাৰা শিক্ষা সম্প্ৰসাৰণ কৰি আছে। কিছুদিন আগৰপৰাই এই বিশ্ববিদ্যালয়ে ফলদায়ক শিক্ষা প্ৰসাৰৰ বাবে তাঁৰসংযোগ (on-line) আঁচনিসমূহো প্ৰবৰ্তন কৰিছে।
- যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন প্ৰক্ৰিয়াৰ এক দীঘলীয়া ইতিহাস আছে। বৰ্তমান ইয়াত বহু মাধ্যম যোগাযোগ ব্যৱস্থা আছে। ই সম্পূৰ্ণভাৱে অৱস্থাগত আৰু পৰিবৰ্তিত সময়

আৰু অভিনৱ চিন্তাধাৰাসমূহ আৰু আদৰ্শসমূহৰ ওপৰত আধাৰিত।

- মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষণত শিক্ষাক 'আত্মনিৰ্দেশনা শিক্ষণ' হিচাপে সজাবলৈ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ বৰ উপকাৰী। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আৰু মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষণ দুয়োটা শৈক্ষিক ধাৰণাই এক সংহতিপূৰ্ণ দৃষ্টিভংগীৰে শিকণ-শিক্ষণ প্ৰক্ৰিয়াক অধিক অৰ্থপূৰ্ণ কৰি তুলি উন্নত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা উচিত।
- বিশ্ব বা ভাৰতবৰ্ষৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বহুবোৰ মুক্ত আৰু দূৰৱৰ্ত্তীবৰ্ত্তী শিক্ষা প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয়ে তেওঁলোকৰ নিজস্ব প্ৰযুক্তিবিদ্যাৰ ধাৰণা গঢ়ি তুলিছে আৰু শৈক্ষিক উদ্দেশ্যসমূহ পূৰণ কৰাৰ বাবে প্ৰয়োগ কৰিছে।
- ফলপ্ৰসূতা, খৰছ, ন্যায্যতা, দীৰ্ঘসময় ধৰি চলি থকা আদিবোৰ হ'ল প্ৰত্যাহ্বান। এইবোৰৰ ওপৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাক অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ শৈক্ষিক আঁচনিত প্ৰয়োগ কৰিবলৈ লওঁতে চকু ৰাখিব লাগে।



১২.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Victoria L. Tinio: *ICT in Education*

২) *Communication Technology for Distance Education (ES-318)* of Staff Training and Research Institution of Distance Education, IGNOU

৩) *NKC Brochure in website* : http//www. knowledgecommission. gov. in



১২.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'আই চি টি' মানে হ'ল তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ই সামৰি লয় প্ৰযুক্তিগত আহিলা আৰু সমলসমূহৰ বহুবোৰ গোটক, যিবোৰে যোগাযোগ, সৃষ্টি, বিস্তাৰ, সংৰক্ষণ আদিৰ দৰে বিভিন্নধৰণৰ তথ্যৰ ব্যৱস্থাপনা কৰে। এনেধৰণৰ আহিলাবোৰে ছপা মাধ্যম, কম্পিউটাৰ, সম্প্ৰচাৰ প্ৰযুক্তিবিদ্যাসমূহ যেনে ৰেডিও আৰু দূৰৱৰ্ত্তীদৰ্শন, টেলিফোন আৰু ইণ্টাৰনেট আদিক সামৰি লয়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে আনুষ্ঠানিক আৰু অগতানুগতিক দুয়োবিধ শিক্ষাৰ সামৰ্থতা আৰু ফলপ্ৰসূতাৰ বিকাশ সাধন কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 'United Kingdom Open University' আৰু এইখনেই হ'ল বিশ্বৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয়। ইয়াক স্থাপন কৰা হৈছিল ১৯৬৯ চনত। বৰ্তমানলৈওঁ এই

বিশ্ববিদ্যালয়খনে ছপা মাধ্যমৰ আহিলাৰ লগতে ৰেডিও আৰু দূৰৱৰ্ত্তীদৰ্শন ব্যৱহাৰ কৰি আছে। তেওঁলোকে ফলদায়ক শিক্ষণৰ কাৰণে তাঁৰ সংযোগ মাধ্যমত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সমলসমূহ ব্যৱহাৰ কৰি আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সেই সময়ত মানৱ সমাজে শিল বা কাঠত লিখি যোগাযোগ ব্যৱস্থা চলাইছিল আৰু এই যোগাযোগৰ পৰিসীমা সৰু এলেকাতে সীমাবদ্ধ আছিল। তেওঁলোকে যোগাযোগ ব্যৱস্থাক কাৰ্যকৰী কৰিছিল চিহ্ন, ইঙ্গিত, সংকেত আদিৰ মাধ্যমত। ক্ৰমাগতভাৱে তেওঁলোকে আন আনধৰণৰ যোগাযোগৰ মাধ্যম আৱিষ্কাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে ছপাশালৰ আৱিষ্কাৰে বহু ডাঙৰ দলৰ মাজত যোগাযোগ স্থাপন কৰাৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বিভিন্নপ্ৰকাৰৰ গাঠনিক পৰ্যায় যেনে শ্ৰৱণ মাধ্যম, শ্ৰৱণ দৰ্শন মাধ্যম, তাৰ যোগাযোগ আৰু বহুমাধ্যম যোগাযোগ হিচাপে জনা যায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক ব্যৱহাৰৰ সুগমতা মানে হ'ল একেলগে বহুবোৰ শিক্ষার্থীক স্পৰ্শ কৰিবলৈ সমৰ্থবান হোৱা। টেলিফোন, ফেক্স মেছিন বা প্ৰতিলিপ প্ৰেৰণ যন্ত্ৰ, মোবাইল ফোন আৰু এতিয়া কম্পিউটাৰৰ আৱিষ্কাৰে যোগাযোগ প্ৰযুক্তিবিদ্যাত বিপ্লৱৰ সূচনা কৰিছে। যিয়েই নহওঁক বৰ্তমানৰ তাঁৰসংযোগ অভিবৰ্তন, শ্ৰৱণ অভিবৰ্তন, ভিডিও অভিবৰ্তন আৰু কম্পিউটাৰ অভিবৰ্তনে অধিক সামৰ্থতা আনিবলৈ সক্ষম হৈছে। সুগমতাৰ আদৰ্শই ইন্টাৰনেট আৰু বিশ্বজোৰা ওৱেবৰ সহায়ত অভাৱনীয়ভাৱে পৰিবৰ্তন আনি দিছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শৈক্ষিক ক্ষেত্ৰখনৰ তিনিটা সাম্ভাব্য পথেৰে পৰিবৰ্তন আনিছে। সেইবোৰ হ'ল— (ক) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই শিক্ষাৰ খৰছ কমাই দিছে, (খ) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই বৃহৎ সংখ্যক শিকাৰুক প্ৰয়োজন আধাৰিত শৈক্ষিক আঁচনিত অন্তৰ্ভুক্ত হ'বলৈ সমৰ্থবান কৰি তুলিছে (গ) তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই নতুন নতুন অধ্যয়নৰ আঁচনিসমূহ উদ্ভাৱন কৰাত কম সময় লগাইছে আৰু নব্যধৰণেৰে নমনীয়তা আনি দিছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ যিকোনো সময়ত, যিকোনো স্থানত, যিকোনোপ্ৰকাৰে শিক্ষা আহৰণৰ সুবিধা, সুৰস্থ শিক্ষণ সমলসমুহলৈ সুগমতা আৰু শিকাৰুকেন্দ্ৰিক শিক্ষণ পৰিবেশ সৃষ্টিত এই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই সুগমতা আনি দিয়ে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সক্ৰিয় শিকন, সহযোগী শিকন, সৃষ্টিশীল শিকন, সংহতিসূচক শিকন, মূল্যায়িত শিকন, বৈদ্যুতিক শিকন, তাঁৰসংযোগ শিকন, নেটৱৰ্ক শিকন, মিশ্ৰিত শিকন আৰু মোবাইল শিকন।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'মোবাইল শিকনে' প্ৰাথমিকভাৱে মোবাইল সামগ্ৰীসমূহৰ মাধ্যমেৰে শিকা ব্যৱস্থাটোকে সূচায়। এইক্ষেত্ৰত ব্যৱহাৰ হোৱা দিশবোৰ হ'ল এম পি থ্ৰি প্লেয়াৰ, বৈদ্যুতিক টোকা বহীসমূহ আৰু মোবাইল ফোনসমূহ। মোবাইল শিক্ষণে শিকাৰু আৰু শিক্ষণৰ সক্ৰিয় ধাৰাটোক সূচায় আৰু ই গতিশীল প্ৰক্ৰিয়াৰে সমাজ আৰু ইয়াৰ

অনুষ্ঠানসমূহক সংস্থাপনৰ ধাৰাৰে সুবিধা প্ৰদান কৰি সমৰ্থন আগবঢ়ায় বিশেষকৈ গতিশীল জনসংখ্যাৰ বৃদ্ধিকৰণৰ মাধ্যমেৰে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ মেক্সিকোৰ 'মন্টেৰেই প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান' , আফ্ৰিকা ভাৰচোৱেল ইউনিভাৰচিটি, ফিলিপাইন মুক্ত বিশ্ববিদ্যালয়, ইন্দোনেচিয়াৰ 'ইউনিভাৰচিটাচ তাৰবুকা', ভাৰতবৰ্ষৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়, জাপানৰ ইউনিভাৰচিটি অব দা এয়াৰ, কোৰিয়াৰ চাইবাৰ বিশ্ববিদ্যালয়, মহাৰাষ্ট্ৰৰ যশোবন্ত ৰাওঁচৱন মুক্ত বিশ্ববিদ্যালয়, ইত্যাদি।



১২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দত উত্তৰ কৰক)

প্ৰশ্ন ১ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা মানে কি?

প্ৰশ্ন ২ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই কেনেকৈ শিক্ষাৰ প্ৰক্ৰিয়াসমূহত প্ৰভাৱ পেলাইছে?

প্ৰশ্ন ৩ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত শিক্ষণৰ উদ্ভাৱিত ক্ষেত্ৰবোৰ কি কি?

প্ৰশ্ন ৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষণ ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা কিয় গুৰুত্বপূৰ্ণ?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ গঠন আৰু বিকাশৰ বিভিন্ন পৰ্যায়বোৰ কি কি?

প্ৰশ্ন ২ ঃ সমাজত 'সমুহীয়া অনাতাঁৰ'ৰ মূল ভূমিকা কি? ইয়াক শিক্ষাৰ ক্ষেত্ৰত কিয় ব্যৱহাৰ কৰা হয়? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ আধুনিক সময়ত বিস্তৃতভাৱে ব্যৱহৃত হোৱা শিক্ষণৰ নতুন ধাৰণাসমূহৰ ওপৰত চমু আলোচনা আগবঢ়াওক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আধুনিক সময়ৰ শিক্ষাৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ আহিলাসমূহ সুবিধাপ্ৰদক বুলি আপুনি অনুভৱ কৰে নেকি? যদি ভাবে বহলাই লিখক।

প্ৰশ্ন ২ ঃ উচ্চ শিক্ষা পদ্ধতিত পৰম্পৰাগত ধাৰণাটোক তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা আধাৰিত কৰিবলৈ যাওঁতে মুখামুখি হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে চমু পৰ্যালোচনা কৰক।

প্ৰশ্ন ৩ ঃ উত্তৰ-পূব ভাৰতত শিক্ষা ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ বাৱহাৰৰ বিষয়ে এটি চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূব ভাৰতত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাল ব্যৱহাৰৰ সম্বন্ধে এটি জৰিপ কৰক।

*** ***** ***

অধ্যায় ১৩ঃ মুক্ত শৈক্ষিক সম্পদ আৰু ভাৰতত ইয়াৰ প্ৰত্যাহ্বানসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ মুক্ত শৈক্ষিক সম্পদৰ ধাৰণা

১৩.৩.১ শিক্ষাত মুক্ত শৈক্ষিক সম্পদৰ (OER) প্ৰয়োজনীয়তা

১৩.৩.২ শিক্ষাত মুক্ত শৈক্ষিক সম্পদৰ (OER) পৰিসৰ

১৩.৪ ভাৰতবৰ্ষৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদ প্ৰয়োগৰ প্ৰত্যাহ্বানসমূহ

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মুক্ত শৈক্ষিক সম্পদসমূহ (OER)ৰ সংজ্ঞা দিব পাৰিব
- আধুনিক শিক্ষাত নতুন সংযোজন হিচাবে মুক্ত শৈক্ষিক সম্পদসমূহৰ ব্যাখ্যা কৰিব পাৰিব
- মুক্ত শৈক্ষিক সম্পদসমূহৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব পাৰি
- ভাৰতবৰ্ষত মুক্ত শৈক্ষিক সম্পদসমূহৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ ধাৰণা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি মুক্ত শৈক্ষিক সম্পদসমূহ (OER) ধাৰণা সম্পৰ্কে জ্ঞাত হ'ব। মুক্ত শৈক্ষিক সম্পদসমূহক থুলমূলকৈ শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু গৱেষণাৰ দিশ বুলি ধাৰণা কৰা হয়, যাক সকলোৱে বিনামূলীয়াকৈ ব্যৱহাৰ কৰিব পাৰে। এনেদৰে বিনামূলীয়া আৰু সহজলভ্য হোৱা বাবে মুক্ত শৈক্ষিক সম্পদসমূহ নতুন প্ৰজন্মই শিক্ষাৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সকলো দিশতে ব্যৱহাৰ কৰাৰ সুযোগ পাইছে। আৰু সেইবাবে ২১ শতিকাৰ ডিজিটেল বিপ্লৱক ধন্যবাদ দিব লাগিব যে বৰ্তমান সময়ত মুক্ত শৈক্ষিক সম্পদসমূহক যিকোনো শিক্ষানুষ্ঠানতে ব্যৱহাৰ কৰিব পাৰি। মুক্ত শৈক্ষিক সম্পদসমূহে শিক্ষাবিদসকলক সৃজনশীল

হিচাবে গঢ়ি তুলিছে, কাৰণ তেওঁলোকে এনেকুৱা শিক্ষার্থীক সমর্থ আৰু অভিজ্ঞতাৰ সৈতে কাম কৰিব লাগে, যিবোৰ শিক্ষার্থীৰ সৈতে তেওঁলোকৰ দেখা দেখি নহ'বও পাৰে। মুক্ত শৈক্ষিক সম্পদ আৰু অন্য শৈক্ষিক সম্পদৰ মাজত থকা প্ৰধান পার্থক্য হৈছে মুক্ত শৈক্ষিক সম্পদ (OER)ৰ মুক্ত অনুজ্ঞাপত্ৰ থাকে, প্ৰধানকৈ এখন সৃজনীমূলক অনুজ্ঞাপত্ৰ, যাৰফলত স্বত্বাধিকাৰীক অনুৰোধ নকৰাকৈ গ্ৰহণ আৰু পুনৰ ব্যৱহাৰ কৰিব পাৰি। এইক্ষেত্ৰত মাচাচুচেট ইনষ্টিটিউট অফ টেকন'লজি (MIT) মুক্ত পাঠ্যক্ৰমৰ বাবে পদক্ষেপ লৈছে, য'ত শিক্ষকে তেওঁলোকৰ পাঠ অনলাইনযোগে বিনামূলীয়াকৈ প্ৰদান কৰে (OCW)। ইয়াৰ ফলত বিশ্বত এনে মাধ্যমৰ বহুল প্ৰসাৰ ঘটিছে। এনেদৰে, এই অধ্যায়টোৰ শেষত আপুনি কেৱল মুক্ত শৈক্ষিক সম্পদৰ ধাৰণা ব্যাখ্যা কৰাই নহয়, ইয়াৰ প্ৰয়োজনীয়তা আৰু পৰিসৰ সম্পর্কে আলোচনা তথা ভাৰতবর্ষত মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰয়োগৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ জানিব পাৰিব।

১৩.৩ মুক্ত শৈক্ষিক সম্পদৰ ধাৰণা

যিসকল লোকে বর্তমানলৈকে মুক্ত শৈক্ষিক সম্পদ (OER) বিষয়ে শুনা নাই তেওঁলোকৰ বাবে মুক্ত শৈক্ষিক সম্পদ কি এটা ডাঙৰ প্ৰশ্ন। ই হৈছে বিনামূলীয়া আৰু মুক্ত অনুজ্ঞাপত্ৰযুক্ত শৈক্ষিক সামগ্ৰী যিবোৰক শিক্ষণ, শিকন, গৱেষণা আৰু অন্য কিছুমান ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। কিন্তু মুক্ত শৈক্ষিক সম্পদসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰাৰ আগতে আহকচোন আমি বিশ্বৰ সকলোতে গ্ৰহণযোগ্য ইয়াৰ সংজ্ঞা কিছুমানৰ ওপৰত চকু ফুৰাও।

- **দি উইলিয়াম এণ্ড ফ্লৰা হিওলেট ফাউনডেচন** (The William and Flora Hewlett Foundation)ঃ মুক্ত শৈক্ষিক সম্পদসমূহ হৈছে শিকন, শিক্ষণ আৰু গৱেষণাৰ সম্পদ, যিবোৰ জনসাধাৰণৰ সৈতে জড়িত আৰু বৌদ্ধিক অনুজ্ঞাপত্ৰ, যিয়ে বিনামূলীয়া ব্যৱহাৰ আৰু অন্যই পুনঃ উদ্দেশ্যৰে ব্যৱহাৰ কৰিব পাৰে। মুক্ত শৈক্ষিক সম্পদসমূহক (OER) পাঠ্যক্ৰম, পাঠ্যক্ৰমৰ সামগ্ৰীসমূহ, পাঠ্যপুথি, শাখা, ভিডিঅ', পৰীক্ষা, চফটওৱেৰ আৰু যিকোনো আহিলা সামগ্ৰী, পদ্ধতি, জ্ঞান অর্জনৰ অর্থে ব্যৱহাৰ কৰিব পাৰি। "OER are teaching, learning and research resources that reside in the public demain or have been released under on intellectual property, license that permits their free use and repurposing by others. OER include full courses, course materials modules, textbooks, streaming, videos, tests, software and any other tools, materials or techniques used to support access to knowledge."
- **অৰগানাইজেন ফ'ৰ ইকন'মিক কো-অপাৰেচন এণ্ড ডেভেলপমেণ্ট** (Organisation for Economic Co-Operation and Development)ঃ "ডিজিটেল সামগ্ৰী মুক্ত আৰু বিনামূলীয়াকৈ শিক্ষক, শিক্ষার্থী আৰু আত্ম শিকাৰুসকলৰ শিকন, শিক্ষণ আৰু

গৱেষণাৰ ক্ষেত্রত ব্যৱহাৰ আৰু পুনঃ ব্যৱহাৰৰ বাবে প্রদান কৰা হয়। মুক্ত শৈক্ষিক সম্পদে শিক্ষণ পাঠ্যসূচী বিকাশৰ বাবে চফটওৱেৰ আহিলাসমূহ, পাঠ্যসূচী বিতৰণ আৰু মুক্ত অনুজ্ঞাপত্রৰ দৰে সম্পদ প্রয়োগ কৰে।" (Digital materials offered freely and openly for educators, students and self-learners to use and reuse for teaching, learning and research. OER includes learning content software tools, etc develop, use and distribute content and implementation resources such as open license.)

- **ইউনেস্ক' (UNESCO)** ঃ "শিকন, শিক্ষণ আৰু গৱেষণাৰ সামগ্রীসমূহ যিকোনো মাধ্যমৰ ডিজিটেল বা অন্য যিবোৰ জনসাধাৰণৰ সৈতে জড়িত বা যিবোৰ আহৰণ কৰিবৰ বাবে কোনো অনুজ্ঞা পত্র নেলাগে, কোনো সীমাবদ্ধতা নোহোৱাকৈ আনৰ সৈতে পুনঃবিতৰণ আৰু ব্যৱহাৰ কৰিব পাৰি।"

  (Teaching, learning and research materials in my medium, digital or otherwise, that reside in the public domain or have been released under an open license that permits no cost access, use, adaptation and redistribution by others with no or limited restrictions.")

- **The Cape Town Open Education Declaration** ঃ "মুক্ত শৈক্ষিক সম্পদসমূহ মুক্ত অনুজ্ঞাপত্রৰ জৰিয়তে বিনামূলীয়াকৈ বিতৰণ কৰিব লাগে, যিয়ে ব্যৱহাৰ, পুনৰীক্ষণ, অনুবাদ, উন্নতি আৰু অন্যৰ সৈতে বিতৰণৰ সুবিধা দিয়ে। গৱেষণাবোৰ উপযুক্ত আৰ্হিত প্রকাশ হ'ব লাগে য'ত ব্যৱহাৰ আৰু সম্পাদনা থাকে আৰু যিয়ে প্রযুক্তিৰ জগতত অনৈক্যৰ মাজত ঐক্যতা আনে। যেতিয়াই সম্ভৱ সেইবোৰ উপযুক্ত আৰ্হিত পোৱাৰ সুযোগ থাকিব লাগে আৰু বিশেষভাৱে সক্ষম ব্যক্তি আৰু ইণ্টাৰনেট ব্যৱহাৰ নজনা লোকসকলেও পাব লাগে।

  "Open educational resources should be freely shared through open license which facilitate use, revision, translation, improvement and sharing by anyone. Resources should be published in formals that facilitates both use and editing and that accomodate a diversity of technical platforms. Whenever possible, they should also be available in formats that are accessible to people with disabilities and people who do not yet have access to the internet."

- **The Wikieducator OER Handbook** ঃ "মুক্ত শৈক্ষিক সম্পদে (OER) এনেবোৰ নির্দেশনা কৰে (পাঠ পৰিকল্পনা, কুইজ, পাঠ্যসূচী, নির্দেশনাত্মক আৰ্হি, অনুকৰণ ইত্যাদি) যিবোৰ ব্যৱহাৰ, পুনঃব্যৱহাৰ গ্রহণ আৰু বিতৰণৰ বাবে বিনামূলীয়া আৰু সহজলভ্য।"

"The term OER refers to educational resources (lesson plans, quizze syllabi, instructional modules, simulations etc) that are freely available for use, reuse, adaptation and sharing."

- **OER Commons ঃ** "মুক্ত শৈক্ষিক সম্পদসমূহ হৈছে শিকন আৰু শিক্ষণ সামগ্ৰী, যাক আপুনি কোনো পইচা নলৱাকৈ বিনামূলীয়াভাৱে ব্যৱহাৰ আৰু পুনঃব্যৱহাৰ কৰিব পাৰে। মুক্ত শৈক্ষিক সম্পদসমূহৰ প্ৰায়ে এক সৃজনীমূলক সাধাৰণ অনুজ্ঞা পত্ৰ (GNU) থাকে, যিয়ে সামগ্ৰীসমূহ কেনেকৈ ব্যৱহাৰ, পুনঃ ব্যৱহাৰ গ্ৰহণ আৰু বিতৰণ কৰিব তাক উল্লেখ কৰে।"

  "Open educational resources are teaching and learning materials that you may freely use and reuse, without charge. OER often have a Creative Commons or GNU license that state specifically how the material may be used, reused, adapted and shared."

ওপৰত উল্লেখিত সংজ্ঞাসমূহত মুক্ত শৈক্ষিক সম্পদসমূহক এক প্ৰকাৰ পাঠ্যসূচী বা উৎপাদিত সামগ্ৰী হিচাবে উল্লেখ কৰা হৈছে, যিবোৰ বিনামূলীয়া আৰু সহজলভ্য। মুক্ত শৈক্ষিক সম্পদসমূহ কেৱল মাত্ৰ উচ্চ শিক্ষাৰ বাবে নহয় শিক্ষাৰ সকলো স্তৰৰ বাবে উপযোগী আৰু এনে সম্পদসমূহ মুক্ত অনুজ্ঞাপত্ৰৰ দ্বাৰা মুকলি কৰা হয়। যিকোনো মাধ্যমত যেনে ছপা সামগ্ৰী, দৃশ্য শ্ৰাব্য, ডিজিটেল আদি সকলো ক্ষেত্ৰতে মুক্ত শৈক্ষিক সম্পদে (OER) প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰে আৰু ই সহজলভ্য।

এতিয়া আমি মুক্ত শৈক্ষিক সম্পদৰ ওপৰত বিশদভাৱে আলোচনা কৰিম। উন্নয়নশীল দেশবোৰৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদসমূহৰ প্ৰভাৱ সম্পৰ্কত UNESCO য়ে 2002 চনত প্ৰকাশ কৰা ফ'ৰামৰ ৰিপৰ্টত (UNESCO, Paris 1-3 July, 2002) মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ কৰ্মৰত শিক্ষকসকলে পাঠ্যক্ৰম আৰু অধ্যয়নৰ ক্ষেত্ৰত খাপখুৱাকৈ কি দৰে উপযুক্তভাৱে মুক্ত শৈক্ষিক সম্পদসমূহ বিতৰণ কৰিব পাৰি তাৰ বিষয়ে প্ৰথমবাৰৰ বাবে বিতংভাবে আলোচনা কৰা হৈছিল । এইখিনিতে MITUয়ে (Massachusetts Institute of Technology University) প্ৰদান কৰা মুক্ত পাঠ্যক্ৰমৰ কথা উল্লেখ কৰিব পাৰি। এই ফ'ৰামৰ অংশগ্ৰহণকাৰীসকলে MITUক গোটেই পৃথিৱীৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলক প্ৰায় দুই হেজাৰ পাঠ্যক্ৰম বিনামূলীয়াকৈ প্ৰদান কৰাৰ বাবে উৎসাহিত আৰু প্ৰশংসা কৰে। এনে ফ'ৰামে কেৱল মাত্ৰ বৌদ্ধিক দিশত পথ মুকলি কৰাই নহয়, সংশ্লিষ্ট প্ৰাথমিক দিশতো আগভাগ লোৱাৰ ক্ষেত্ৰত সহায় কৰে। এই ফ'ৰামৰ এক ডাঙৰ অৱিহনা হৈছে উন্নয়নশীল দেশত বিভিন্ন শৈক্ষিক পৰিকল্পনাসমূহ গ্ৰহণ কৰা। এনেধৰণে, বিভিন্ন মুক্ত শৈক্ষিক সম্পদসমূহ (OER) বিভিন্ন দেশসমূহত গ্ৰহণ কৰা হয়।

এটা দশকৰ পিছত পৃথিৱীৰ মুক্ত শৈক্ষিক সম্পদসমূহৰ সংগঠন, UNESCO, Paris, 20–22 জুন 2012, দশম বাৰ্ষিকী অনুষ্ঠান উদ্‌যাপনত মুক্ত শৈক্ষিক সম্পদৰ ধাৰণাটোৰ

বহুলভাৱে প্রসাৰ ঘটোৱা হয় আৰু জনসাধাৰণৰ পুঁজিৰে শৈক্ষিক সামগ্রী উৎপাদনত উৎসাহ প্রদান কৰা হয়। তেতিয়াৰ পৰা উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ স্থাপিত হোৱাৰ লগে লগে ছপা কিতাপ বা অন্য পঢ়া সামগ্রীৰ সৈতে মুক্ত শৈক্ষিক সম্পদ (OER) প্রসাৰ ঘটে। MITUৰ উপৰিও পৃথিৱীৰ প্রথম স্থানৰ বিশ্ববিদ্যালয়সমূহ যেনে ষ্টেনফ'র্ড (Stanford), য়েল (Yale), ইউনিভাৰ্চিটি অফ মিচিপান (University of Michigan), ইউনিভাৰ্চিটি অফ কালিফর্নিয়া(University of California), ইউনাইটেড নেচন্চ ইউনিভাৰচিটি (United Nations University) আদিবোৰে বিভিন্ন বিষয়ত যেনে বাণিজ্য, শক্তি, কলা, মানৱীয় বিজ্ঞান, সমাজ বিজ্ঞান আৰু প্রযুক্তিবিদ্যা আদিবোৰত আন্তর্জাতিক পর্যায়ত শিক্ষণ-শিকন কার্যাৱলীৰ উন্নতিত সহায় আগবঢ়ায়। এনে কার্যসমূহে কেৱল শিক্ষক আৰু শিক্ষার্থীকহে যে সাধাৰণভাৱে উপকৃত কৰিছে এনে নহয়, জনসাধাৰণকো সবলীকৃত কৰি তুলিছে। এনে লোকসকলে বর্তমানৰ প্রতিযোগিতামূলক পৃথিৱীত তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে এনে সম্পদসমূহৰ ব্যৱহাৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মুক্ত শৈক্ষিক সম্পদ কাক বোলে?

.....

.....

প্রশ্ন নং ২ ঃ মুক্ত অনুজ্ঞাপত্র কি?

.....

.....

প্রশ্ন নং ৩ ঃ মুক্ত শৈক্ষিক সম্পদ আৰু অন্য শৈক্ষিক সম্পদৰ মাজত পার্থক্য কি?

.....

.....

প্রশ্ন নং ৪ ঃ OER গুৰুত্ব সম্পর্কে উল্লেখ কৰা পৃথিৱীৰ দুখন কনফাৰেঞ্চ কি কি আছিল?

.....

.....

প্রশ্ন নং ৫ ঃ OERক বহুলভাৱে ব্যৱহাৰ কৰা পৃথিৱীৰ প্রথম স্থানৰ বিশ্ববিদ্যালয়সমূহ কি কি?

.....

.....

১৩.৩.১ শিক্ষাত মুক্ত শৈক্ষিক সম্পদৰ প্ৰয়োজনীয়তা

আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে যেতিয়া প্ৰথমে মুক্ত শৈক্ষিক সম্পদৰ ধাৰণা গঢ়ি উঠে যেতিয়া মুখ্যভাৱে শিক্ষা বা উচ্চ শিক্ষাত গুৰুত্ব দিয়া হৈছিল। কিন্তু সময় যোৱাৰ লগে লগে ২০০২ চনৰ পৰা যেতিয়া সমগ্ৰ পৃথিৱীত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত অংশগ্ৰহণত গুৰুত্ব দিলে তেতিয়া মুক্ত শৈক্ষিক সম্পদৰ ব্যবহাৰৰ বহুক্ষেত্ৰতে আনুষ্ঠানিক নীতি হিচাবে অন্তৰ্ভুক্ত কৰা হ'ল। তাৰোপৰি সমগ্ৰ বিশ্বতে ইণ্টাৰনেট ব্যৱহাৰৰ বৃদ্ধিৰ ফলত উচ্চ শিক্ষাৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদৰ (OER) ব্যৱহাৰ কঠিন হৈ নেথাকিল। ২১ শতিকাত ইণ্টাৰনেটৰ বাহিৰেও অন্য সংযোগৰ মাধ্যম বা সহজলভ্য মোবাইলৰ দ্বাৰাও মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰিব পাৰি।

তথাপিও, এইখিনিতে প্ৰশ্ন হয় যে অনুষ্ঠানসমূহত অন্য সম্পদসমূহ থাকোতে মুক্ত শৈক্ষিক সম্পদৰ সঁচাকৈয়ে প্ৰয়োজন আছেনে? এই প্ৰশ্নৰ উত্তৰত ক'ব পাৰি যে জ্ঞানৰ বহুমুখী বিকাশৰ বাবে মুক্ত শৈক্ষিক সম্পদ (OER)ৰ আমাক প্ৰয়োজন আছে। মুক্ত শৈক্ষিক সম্পদে আমাক বিশ্বত জ্ঞানৰ আদান-প্ৰদানৰ সুযোগ দিয়ে, যিহেতু আমি পৃথিৱীৰ বিভিন্ন ঠাইৰ বিভিন্ন বিকাশমুখী কাৰ্যৰ পৰা জ্ঞান আহৰণ কৰোঁ। এইক্ষেত্ৰত মুক্ত অনুজ্ঞাপত্ৰৰ অভিগমনে জনসাধাৰণৰ জ্ঞানৰ ক্ষীপ্ৰ প্ৰসাৰত আৰু অধিক অৱিহনা যোগাইছে। এনে পৰিপ্ৰেক্ষিতত সাধাৰণ সৃজনশীলতাই আটাইতকৈ গুৰুত্বপূৰ্ণ অনুজ্ঞাপত্ৰৰ আৰ্হি হিচাবে দেখা দিয়ে, যদিও অনুজ্ঞাপত্ৰসমূহ দেশভেদে পৃথক হয়। মুক্ত শৈক্ষিক সম্পদ (OER)ৰ দুটা ডাঙৰ সুবিধা আছে, প্ৰথমটো হৈছে ই ছপা সামগ্ৰীৰ ক্ষেত্ৰত হোৱা খৰচৰ পৰিমাণ ৰোধ কৰে, যাৰফলত জনসাধাৰণৰ অৰ্থৰ ৰাহি হয়। অন্যটো হৈছে মুক্ত শৈক্ষিক সম্পদসমূহে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি তুলিব পাৰে।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত, য'ত শিক্ষা ক্ষেত্ৰত অৰ্থৰ খৰচৰ পৰিমাণ দিনকদিনে বৃদ্ধি পাই গৈ আছে, তেনেক্ষেত্ৰত দুখীয়া লোকৰ শিক্ষাৰ বাবে মুক্ত শৈক্ষিক সম্পদসমূহ যথেষ্ট উপযোগী। কাৰণ ভাৰতৰ কিছুমান মানুহ এনে ঠাইত বসবাস কৰে যিবোৰ অঞ্চলত ভৌগোলিক আৰু অৰ্থ-সামাজিক কাৰণৰ ফলত আনুষ্ঠানিক শিক্ষাৰ অনুষ্ঠান স্থাপিত কৰাটো সহজসাধ্য নহয়। এনে লোকৰ ক্ষেত্ৰত বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্তিৰ খৰচ, পাঠ্যপুথিৰ খৰচ আৰু অন্য পঢ়া সামগ্ৰীৰ খৰচ পৰিয়ালৰ মাহিলি আয়তকৈ অধিক। সেইবাবে মুক্ত শৈক্ষিক সম্পদৰ বিকাশ সময়োপযোগী যাৰ দ্বাৰা এনে লোকসকলৰ সমস্যাৰ সমাধান কৰিব পাৰি আৰু লগতে শিক্ষাৰ শূন্য বাতিল নীতি আৰু অন্তৰ্ভুক্তিকৃত শিক্ষাৰ ধাৰণা অনুভৱ কৰিব পাৰি। তাৰোপৰি, এনে সম্পদসমূহ সম্প্ৰদায় মহাবিদ্যালয়ৰ দ্বাৰা সহজে শিকাব পাৰি, যাৰবাবে ভাৰত চৰকাৰৰ মানৱ বিকাশ মন্ত্ৰালয়ৰ স্পষ্ট নিৰ্দেশনা আছে। যিয়েই নহওঁক, এইক্ষেত্ৰত

গুৰুত্বপূৰ্ণ কথা হৈছে জনসাধাৰণৰ অৰ্থৰ সহায়ত শৈক্ষিক বিষয়সূচী উৎপাদিত আৰু সহজলভ্য কৰি তুলিব পাৰি, যিয়ে মুক্ত শৈক্ষিক সম্পদৰ গুৰুত্বপূৰ্ণ উদ্দেশ্য সফল কৰি তুলি বিপ্লৱৰ সৃষ্টি কৰিব পাৰে তথা বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ শিক্ষাৰ বাবে অন্তৰ্ভুক্তিকৃত শিক্ষাৰ সুবিধা প্ৰদান কৰিব পাৰে।

ব্যক্তিসকলে আৰু অনুষ্ঠানসমূহে মুক্ত শৈক্ষিক সম্পদসমূহৰ ভাগ বিতৰণৰ প্ৰয়োজনীয়তা (need to share) আছে বুলি অনুভৱ কৰে, যাক তিনিটা মৌলিক কাৰণত বিভক্ত কৰিব পাৰি। সেইকেইটা হৈছে (ক) প্ৰযুক্তি আৰু অৰ্থনৈতিক, (খ) সামাজিক আৰু (গ) আইনগত কাৰণ। প্ৰযুক্তি আৰু অৰ্থনৈতিক কাৰণসমূহে উন্নত, কম খৰচী আৰু বেছি প্ৰয়োগ হোৱা তথ্য প্ৰযুক্তিৰ আহিলা (যেনে ব্ৰডবেণ্ড, ইংৰাজীত broadband) কোমলতা আৰু কঠিনতাৰ অভিগমনক অন্তৰ্ভুক্ত কৰে। পাঠ্যসূচী কমখৰচী আৰু সহজে উৎপাদিত কৰি ভাগ বিতৰণ দ্বাৰা কম খৰচী কৰিব পৰা যায়। নতুন অৰ্থনৈতিক আৰ্হি বা নক্সাসমূহৰ পাঠ্যসূচী বিনামূলীয়াকৈ বিতৰণ কৰা হয়। আইনগত কাৰণসমূহ নতুন অনুজ্ঞাপত্ৰ আঁচনিৰ সৈতে জড়িত, যাৰ বিনামূলীয়া বিতৰণ আৰু পুনঃব্যৱহাৰ পাঠ্যসূচী থাকে। সামাজিক দিশে বৰ্দ্ধিত বিতৰণৰ ইচ্ছাক অন্তৰ্ভুক্ত কৰে।



জানি থোৱা ভাল

মুক্ত শৈক্ষিক সম্পদৰ ব্যৱহাৰৰ উৎপাদন আৰু বিতৰণ কেতিয়াও বাধামুক্ত নহয়। ব্ৰডবেণ্ডৰ অভাৱ-অসুবিধা হৈছে প্ৰযুক্তিৰ ক্ষেত্ৰৰ বাধা। অৰ্থনৈতিক ক্ষেত্ৰত হেঙাৰ হৈছে বিকাশ আৰু বিতৰণৰ বাবে প্ৰয়োগ কৰা চফ্‌ট্‌ওৱেৰ আৰু হাৰ্ডওৱেৰৰ বাবে ব্যৱহাৰ কৰা সম্পদৰ অভাৱ। এনে বাধাসমূহে সাধাৰণতে উন্নয়নশীল দেশবোৰত অসুবিধাৰ সৃষ্টি কৰে। সামাজিক বাধাই প্ৰযুক্তিৰ ন উদ্ভাৱন ক্ষেত্ৰত প্ৰয়োজনীয় নিপুণতাৰ অভাৱক অন্তৰ্ভুক্ত কৰে আৰু সাংস্কৃতিক বাধাই অন্য শিক্ষক বা অনুষ্ঠানে বিকাশ কৰা সম্পদৰ বিতৰণ বা ব্যৱহাৰক অন্তৰ্ভুক্ত কৰে।

মুক্ত শৈক্ষিক সম্পদ (OER) ক্ষেত্ৰত পৃথিৱীৰ বিভিন্ন চৰকাৰৰ মাজত তিনিপ্ৰকাৰৰ মতভেদ আছে। সেইবোৰ হৈছে—

- ইয়াৰ দ্বাৰা প্ৰত্যেকে শিক্ষাৰ সুবিধা পায়, বিশেষকৈ যিবোৰ শিক্ষার্থী প্ৰচলিত শিক্ষাৰ লগত জড়িত নহয় আৰু এনেকৈ উচ্চ শিক্ষাত অংশগ্ৰহণ বিস্তৃত কৰি তুলিব পাৰি।
- ই হৈছে ব্যক্তি আৰু চৰকাৰৰ বাবে জীৱনযোৱা শিক্ষাৰ উপযুক্ত পথ।
- ইয়াৰ দ্বাৰা আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিব পাৰি।

তথাপিও, এনে বিভিন্ন সমস্যা থকাৰ পিছতো মুক্ত শৈক্ষিক সম্পদৰ প্ৰকল্পত অন্তৰ্ভুক্তিৰ প্ৰধান উদ্দেশ্যসমূহ তলত দাঙি ধৰা হ'ল।

- বিদ্যায়তনিক পৰস্পৰৰ দিশৰ পৰা জ্ঞানৰ ভাগ বিতৰণৰ দ্বাৰা পৰোপকাৰ কৰা হয়।
- শৈক্ষিক অনুষ্ঠানসমূহে (বিশেষকৈ জনসাধাৰণৰ পুঁজিৰ দ্বাৰা পৰিচালিত) মুক্ত বিতৰণ আৰু সম্পদৰ পুনৰ ব্যৱহাৰৰ দ্বাৰা কৰ দাতাৰ অৰ্থৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব লাগে।
- বিতৰণ আৰু পুনৰ ব্যৱহাৰৰ দ্বাৰা পাঠ্যসূচীৰ গুণগত মানদণ্ড উন্নত কৰিব পাৰি আৰু খৰচ হ্ৰাস কৰিব পাৰি। OER নতুন শিক্ষাৰ্থীৰ বাবে আকৰ্ষণীয় হ'ব পাৰে।
- খৰচৰ পৰিমাণ হ্ৰাস কৰিবলৈ মুক্ত শৈক্ষিক সম্পদৰ প্ৰকল্পৰ দৰে নতুন আৰ্হি প্ৰয়োজন আছে, যিহেতু অনুষ্ঠানসমূহৰ মাজত প্ৰতিযোগিতা বাঢ়ি আহিছে।
- মুক্ত বিতৰণে নতুন শিকণ সম্পদৰ বিকাশ কৰিব, আভ্যন্তৰীণ উন্নতিত অৰিহনা যোগাব, নতুন উদ্ভাৱন আৰু পুনৰ ব্যৱহাৰৰ বিস্তাৰ কৰিব। তাৰোপৰি আহিলাসমূহৰ সঠিক হিচাপ ৰখা আৰু সেইবোৰৰ বাহ্যিক আভ্যন্তৰীণ ব্যৱহাৰৰ ক্ষেত্ৰত অনুষ্ঠানসমূহক সহায় কৰিব।

অনুষ্ঠানখন মুক্ত শৈক্ষিক সম্পদৰ প্ৰকল্পৰ সৈতে জড়িত হওঁক বা নহওঁক, মুক্ত শৈক্ষিক সম্পদসমূহে (OER) পাঠ্যক্ৰম, শিক্ষণ নীতি বা মান নিৰ্ধাৰণৰ ওপৰত প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। আন্তৰ্জাতিক খ্যাতি সম্পন্ন উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ বহু হেজাৰ পাঠ্যক্ৰমসমূহ বিনামূলীয়া আৰু সহজলভ্য হ'ব লাগে; শিক্ষক আৰু শিক্ষাবিদসকলে শিক্ষাৰ্থীক এনে পাঠ্যসূচীসমূহ অন্য পাঠ্যসূচীৰ সৈতে তুলনা কৰাৰ সুযোগ দিব লাগে। শিক্ষকৰ এনেও ভূমিকা হৈছে ক্ৰমে হ্ৰাস পাই অহা পঢ়ন আৰু শিকনৰ সামগ্ৰীসমূহ যোগান ধৰা। মুক্ত শৈক্ষিক সম্পদসমূহে স্বাৱলম্বী শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত প্ৰচলিত শিক্ষণ আৰু মূল্যায়নত পৰিবৰ্তন আনিব বিচাৰে। অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি তথা মূল্যায়ণ আৰু স্বীকৃতিৰ ক্ষেত্ৰত সমৰ্থ থকা বাবে আনুষ্ঠানিক শিক্ষাৰ বাহিৰতো সুযোগ গ্ৰহণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শিক্ষাক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদসমূহৰ দুটা সুবিধা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ ঃ মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰৰ ক্ষেত্ৰত থকা ৩টা বাধা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ মুক্ত শৈক্ষিক সম্পদৰ প্ৰথমত অংশগ্ৰহণ বৃদ্ধি পোৱাৰ দুটা কাৰণ উল্লেখ কৰক।

.....

.....

১৩.৩.২ মুক্ত শৈক্ষিক সম্পদৰ (OER) পৰিসৰ

আপোনালোকে জানে যে সমগ্ৰ বিশ্বতে মুক্ত শৈক্ষিক সম্পদৰ (OER) ব্যৱহাৰ বিকাশ ঘটাবলৈ কমনওৱেলথ শিক্ষণ (Canada) আৰু UNESCO (Paris) একেলগে বহুবছৰ ধৰি কাম কৰি আহিছে। উইলিয়াম (William)আৰু ফ্লৰা হিওলেট ফাউনডেচনৰ (Flora Hewlett Foundation) সহযোগত ২০১২ চনত OER বিশ্ব কংগ্ৰেছ পেৰিচত অনুস্থিত কৰা হৈছিল, যিটো OER শব্দ ব্যৱহাৰৰ দশম বাৰ্ষিকী আছিল। পেৰিচ ঘোষণা পত্ৰই মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ বাবে১০ টা পৰামৰ্শ প্ৰদান কৰিছিল । তাৰে ভিতৰত তিনিটা বিশেষ পৰামৰ্শ আছিল—

- মুক্ত শৈক্ষিক সম্পদৰ ব্যৱহাৰ আৰু এই দিশৰ সচেতনতা বৃদ্ধি।
- বিভিন্ন ভাষা আৰু সাংস্কৃতিক ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদসমূহৰ গ্ৰহণ আৰু বিকাশত উৎসাহ যোগোৱা।
- জনসাধাৰণৰ পুঁজিৰ দ্বাৰা উৎপাদিত শৈক্ষিক আহিলাসমূহৰ মুক্ত অনুজ্ঞাপত্ৰৰ বাবে উৎসাহ যোগোৱা।

মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ ক্ষেত্ৰত এনে পৰামৰ্শৰলী যথেষ্ট গুৰুত্বপূৰ্ণ। বিভিন্ন চৰকাৰে মুক্ত শৈক্ষিক সম্পদক গ্ৰহণ কৰি এইবোৰৰ উপকাৰিতালৈ লক্ষ্য কৰি শিক্ষা ব্যৱস্থাত এই নীতিসমূহ প্ৰয়োগ কৰিব বিচাৰে। এনে পৰিপ্ৰেক্ষিতত, মুক্ত শৈক্ষিক সম্পদক (OER) জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত COL ৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ বিশ্বৰ প্ৰতিযোগিতামূলক শৈক্ষিক পৰিবেশত COLয়ে OERক বিস্তৃত কৰি তুলিছে। আপোনালোকে শিকিব যে কমনওৱেলথ দেশৰ পৰা COLয়ে মুক্ত শৈক্ষিক সম্পদৰ বাবে এক অনলাইন ডিৰেক্টৰি সেৱাৰ প্ৰচলন কৰে, যিটো তেওঁলোকৰ ৱেবচাইটৰ যোগেদি www.col.org সহজে উপলব্ধ হয়। তাৰোপৰি, তেওঁলোকে কমনওৱেলথ দেশসমূহৰ বিভিন্ন অনুষ্ঠানসমূহৰ পৰা বিনামূলীয়া পাঠ্যক্ৰম চিনাক্তকৰণ কৰি উলিয়াইছে, এইবোৰ অন্য দিশত যেনে উচ্চ শিক্ষা, মাধ্যমিক শিক্ষা, শিক্ষক শিক্ষা, স্ত্ৰীশিক্ষা আৰু নিপুণতাৰ বিকাশ আদিবোৰতো ব্যৱহাৰ কৰিব পৰা যায়। এই সকলোবোৰ মুক্ত শৈক্ষিক সম্পদসমূহৰ পাঠ্যক্ৰম আৰু আহিলাসমূহ বিকাশ কৰা হয় যাতে অংশগ্ৰহণকাৰী দেশসমূহে কোনো ধৰণৰ প্ৰতিলিপি নকৰাকৈ প্ৰয়োজনীয় আহিলাসমূহ

আহৰণ কৰিব পাৰে। COL হৈছে মুক্ত শৈক্ষিক সম্পদৰ (OER) শেহতীয়া গৱেষণা প্ৰকাশ কৰাৰ এটা মাধ্যম। আমেৰিকাৰ উইলিয়াম (William)আৰু ফ্লৰা হিওলেট ফাউনডেচনো (Flora Hewlett Foundation) এই দিশত কামৰ বাবে আগবাঢ়ি আহিছে, যিয়ে শিক্ষকৰ বৃত্তীয় বিকাশক মুক্ত শৈক্ষিক সম্পদৰ সৈতে জড়িত কৰি তুলিছে। এনেদৰে COLয়ে মুক্ত শৈক্ষিক সম্পদৰ পৰিসৰ বৃদ্ধি কৰি তুলিছে। এইক্ষেত্ৰত আমি তলত উল্লেখ কৰা দিশবোৰ আঙুলিয়াই দিব পাৰোঁ।

- চাইনা অপেন ৰিচ'চ ফ'ৰ এডুকেচনে (China Open Resource for Education) MITUৰ শিক্ষণ সামগ্ৰীসমূহ চীন ভাষালৈ অনুবাদ কৰে।
- ক'ল (COL) ইনষ্ট্ৰাকচনেল ডিজাইন টেমপ্লেট, এটা মুক্ত শৈক্ষিক সম্পদ চীনদেশৰ মুক্ত বিশ্ববিদ্যালয়ে অনুবাদ আৰু গ্ৰহণ কৰিছে।
- ক'ল ৱেবচাইটৰ (COL's website)সামগ্ৰীসমূহ ইউক্ৰেন (Ukrainian), জাৰ্মানী (Germany)আৰু অন্য কমনওৱেলথৰ অন্তৰ্ভুক্ত নোহোৱা দেশৰ ভাষালৈ অনুবাদিত হৈছে।
- ক'লে (COL) ইংলিচ ভাষা শিক্ষণৰ পাঠ্যসূচী বিনামূলীয়াকৈ বিকাশ কৰিছে, যিবোৰ কেনিয়াৰ (Kenya)শিক্ষক প্ৰশিক্ষণত ব্যৱহাৰ কৰা হয়।

ভাৰতবৰ্ষৰ নিচিনা দেশত, মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে ১৯৯৯ চনত ৭খন আই. আই. টিৰ আৰু বাংগালুৰুৰ ইণ্ডিয়ান ইনষ্টিটিউত অফ চাইঞ্চো সাঙুৰি NPTELৰ প্ৰকল্পৰ কাম হাতত লৈছে। এইবোৰৰ দ্বাৰা ইঞ্জিনিয়াৰিং আৰু প্ৰযুক্তি, মানৱবিদ্যা আৰু সমাজ বিজ্ঞান আদিৰ পাঠ্যক্ৰমসমূহ অনলাইনযোগে ই-লাৰ্নিং দ্বাৰা প্ৰদান কৰা হয়। এনেকুৱা ধৰণে হাইদৰাবাদৰ ICRISATয়ে ভাৰচুৱেল একাডেমি ফ'ৰ চেমিএৰিড টপিকচ (Virtual Academy for the Semi-Arid Tropics) অধীনত কৃষি সম্পৰ্কীয় বিভিন্ন শিক্ষণ সামগ্ৰী যুগুত কৰি উলিয়াইছে, যাৰ দ্বাৰা প্ৰাকৃতিক সম্পদৰ সাহিত্যৰ বিকাশ হয়। পৰবৰ্তী সময়ত এখন অগ্ৰণী অনুষ্ঠান IGNOUয়ে ফেক্সিলাৰ্ণ প্ৰজেক্ট (FlexiLearn project)ৰ আৰম্ভণি কৰে, ইয়াত বিনামূলীয়াকৈ ব্যক্তিগত শিক্ষণৰ সুবিধা প্ৰদান কৰা হয়। এতিয়ালৈকে এচিয়াৰ অন্য উন্নত দেশ যেনে চীন, কোৰিয়া আৰু জাপানৰ দৰে ভাৰতবৰ্ষয়ো বুজন পৰিমাণে মুক্ত শৈক্ষিক সম্পদৰ প্ৰকাশ কৰিছে। আজি ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়সমূহে আৰু শিক্ষানুষ্ঠানসমূহে মুক্ত শৈক্ষিক সম্পদসমূহৰ বিকাশ ঘটাইছে, সেইবাবে ক'ব পাৰি যে ইয়াৰ স্থিতি ভাৰতবৰ্ষত নতুন নহয়। এইখিনিতে উল্লেখযোগ্য যে মুক্ত শৈক্ষিক সম্পদসমূহ কেৱল মাত্ৰ যে মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাতে ব্যৱহাৰ হয় তেনে নহয়, এই সম্পদসমূহৰ ব্যৱহাৰ বৰ্তমান মুখামুখি আৰু আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত বৃদ্ধি পাই উঠিছে। মুক্ত শৈক্ষিক সম্পদ (OER)ৰ বহুতো দিশ 'ইউটিউব'(YouTube)ৰ যোগেদিও জনপ্ৰিয়তা লাভ কৰি উঠিছে। আপোনালোকে মন কৰিব যে অগ্ৰণী

অনুষ্ঠানসমূহে ভাৰত চৰকাৰৰ সহযোগত ইঞ্জিনিয়াৰিং আৰু প্ৰযুক্তিবিদ্যাৰ পাঠ্যক্ৰম মুক্ত শৈক্ষিক সম্পদ ৰূপে প্ৰস্তুত কৰি তুলিছে। এইবোৰ এশতকৈ বেছি অনুষ্ঠানত ব্যৱহাৰ কৰা হৈ আহিছে, ইয়াৰে বেছিভাগ অনুষ্ঠান পিছপৰা অঞ্চলত অৱস্থিত। কিন্তু গুৰুত্বপূৰ্ণ কথা যে অন্য শিক্ষানুষ্ঠানৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলে তেওঁলোকৰ শিক্ষণ আৰু শিকনৰ গুণগত মানদণ্ড বঢ়াবলৈ IITৰ সম্পদসমূহ ব্যৱহাৰ কৰে। অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে পাঠ্য সামগ্ৰী আৰু গৱেষণা কাৰ্যাৱলী মুক্ত অনুজ্ঞাপত্ৰৰ মাধ্যমত প্ৰকাশৰ বাবে সিদ্ধান্ত লৈছে। ইয়াৰ যোগেদি মুক্ত শৈক্ষিক সম্পদৰ বিতৰণ আৰু ব্যৱহাৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। KKHSOUয়ে কেৱল বিভিন্ন সংশ্লিষ্ট লোকসকলৰ বাবে মুক্ত শৈক্ষিক সম্পদসমূহৰ প্ৰয়োজনীয়তাক চিনাক্ত কৰা নাই, তেওঁলোকক মূল্যবান পাঠ্যসূচীৰ প্ৰকাশক হিচাবে গঢ়ি তুলিছে। ইয়াৰ যোগেদি স্থানীয় প্ৰয়োজন পূৰণ কৰিবলৈ স্থানীয় ভাষাত মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰকাশ কৰা হৈছে। বৰ্তমানলৈকে, মুক্ত শৈক্ষিক সম্পদ নীতিৰ অংশ হিচাবে এই বিশ্ববিদ্যালয়ে CC-BY-NC-SAক সকলো সম্পদ বিকাশৰ বাবে গ্ৰহণ কৰিছে। তাৰোপৰি, এশতকৈ অধিক শৈক্ষিক ভিডিঅ' 'ইউটিউব'ত লভ্য হয় যাক www.youtube.com/user/kkhsouত পাব পাৰি। KKHSOUৰ এইক্ষেত্ৰৰ অভিজ্ঞতা অন্য অগ্ৰণী অনুষ্ঠানসমূহৰ মুক্ত শৈক্ষিক সম্পদৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত এক সতৰ্কস্বৰূপ হ'ব আৰু সমগ্ৰ মানৱ জাতিলৈ অৰ্থপূৰ্ণ অৱদান আগবঢ়াব।

সেইবাবে, ২১ শতিকাৰ দ্বিতীয় দশকত মুক্ত শৈক্ষিক সম্পদসমূহৰ পৰিসৰে আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰী আৰু বিশ্বলৈ অভূতপূৰ্ব অৱদান আগবঢ়াইছে। তথাপিও, বৰ্তমান সময়ত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানসমূহ হৈছে শৈক্ষিক অনুষ্ঠানসমূহত মুক্ত শৈক্ষিক সম্পদসমূহক মূল সুঁতিলৈ অনা আৰু ইয়াৰ বিকাশৰ বাবে কি ধৰণৰ উদগণি যোগাব লাগিব আৰু কেনে ধৰণৰ আনুষ্ঠানিক প্ৰক্ৰিয়া হাতত ল'ব লাগিব আদি তলত উল্লেখ কৰা দিশসমূহ হাতত ল'লে মুক্ত শৈক্ষিক সম্পদসমূহক আৰু বিস্তৃত কৰিব পৰা যাব।

- অনুষ্ঠানৰ ভিতৰত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ নীতি বিকাশ কৰা।
- স্বত্বাধিকাৰীৰ নীতি বিস্তৃত কৰা।
- ইয়াৰ কৰ্মচাৰীসকলক দৰমহা বৃদ্ধি আৰু মুক্ত শৈক্ষিক সম্পদৰ দ্বাৰা চিনাক্তকৰণেৰে উৎসাহ যোগোৱা।
- সংশ্লিষ্ট ব্যক্তিসকলক নীতি নিৰ্ধাৰণেৰে অন্তৰ্ভুক্ত কৰি লোৱা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ মুক্ত শৈক্ষিক সম্পদ (OER) বিকাশৰ সৈতে জড়িত থকা আন্তৰ্জাতিক সংস্থা দুটা কি কি?

.....

.....

প্ৰশ্ন ১০ ঃ OERৰ পৰিসৰ বৃদ্ধিত COLয়ে কেনে ভূমিকা গ্ৰহণ কৰিছে?

.....

প্ৰশ্ন ১১ ঃ ভাৰতীয় পটভূমিত মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ লগত জড়িত ভাৰতীয় পদক্ষেপবোৰ কি কি?

.....

১৩.৪ ভাৰতবৰ্ষৰ ক্ষেত্ৰত মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰয়োগৰ প্ৰত্যাহ্বানসমূহ

আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত মুক্ত শৈক্ষিক সম্পদসমূহক জনপ্ৰিয় কৰি তোলা আৰু ইয়াৰ উপকাৰিতা প্ৰসাৰ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে যদিও মুক্ত শৈক্ষিক সম্পদক (OER) উপযুক্তভাৱে গঢ়ি তুলিবলৈ কিছুমান প্ৰধান বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগিব।

- প্ৰথমতে, পৃথিৱীত ডিজিটেলৰ বিভাজন এতিয়াও চলি আছে। উন্নত দেশসমূহৰ বাহিৰে, ভাৰতৰ দৰে উন্নয়নশীল দেশত প্ৰযুক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰত অসুবিধা আছে। তথাপিও, মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰসাৰৰ ক্ষেত্ৰত কেৱল প্ৰযুক্তি বিজ্ঞানে নহয়, সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু এই দিশৰ নীতিও জড়িত হৈ আছে। সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ বাবে আচুতীয়া নীতিসমূহ পৰিহাৰ কৰিব লাগে।
- দ্বিতীয়তে, এইটো আলোচনা কৰিব চেষ্টা কৰা উচিত যে মুক্ত শৈক্ষিক সম্পদ (OER) সমূহে সমতা আৰু অসমতাৰ ক্ষেত্ৰত কিদৰে সহায় কৰিব পাৰে। অনুষ্ঠান আৰু দলসমূহে যাৰ সম্পদ আৰু আন্তঃগাঁথনি ভাল তেওঁলোকে শৈক্ষিক প্ৰযুক্তিৰ ন-উদ্ভাৱনসমূহ যেনে- মুক্ত আৰু বিনামূলীয়া সম্পদসমূহ অধিক ব্যৱহাৰ কৰিব পাৰে। সেইবাবে, আগতে অকল আৰ্থিকভাৱে সবল শিক্ষাৰ্থীসকলে ব্যৱহাৰ কৰিব পৰা সম্পদসমূহ বৰ্তমান আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষাৰ্থীয়েও ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে।
- তৃতীয়তে, ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান আগৰ নিচিনা হৈ থকা নাই, গৱেষণাৰ পৰা গম পোৱা গৈছে যে প্ৰত্যেক শিক্ষা প্ৰযুক্তি বা মুক্ত শৈক্ষিক সম্পদ (OER)য়ে বিশেষভাৱে কেৱল আৰ্থিক স্বচ্ছলতা সম্পন্ন লোকসকলৰ উপকাৰৰ বাবে প্ৰযোজ্য হৈ থকা নাই।
- চতুৰ্থতে, বহুত শিক্ষক আৰু শিক্ষাবিদসকলে অনুভৱ কৰে যে তেওঁলোকৰ কামৰ সৈতে সামঞ্জস্য থকা মুক্ত শৈক্ষিক সম্পদ (OER)ৰ সামগ্ৰীসমূহ বাচি উলিওঁৱা, মিলাই চোৱা আৰু পুনৰ ব্যবহাৰৰ বাবে সময়ৰ অভাৱ। মুক্ত শৈক্ষিক সম্পদৰ (OER) ভঁৰাল উদ্‌ঘাটনৰ বাবে শিক্ষকসকলৰ মাজত মনোযোগ আৰু ইচ্ছাৰ অভাৱৰ ফলস্বৰূপে মানৱ সম্পদৰ যথেষ্ট ক্ষতি হোৱা দেখা যায়।
- পঞ্চমতে, শিক্ষাৰ্থীসকলেও অনুভৱ কৰিব লাগে যে মুক্ত শৈক্ষিক সম্পদসমূহ সম্পূৰ্ণৰূপে মুক্ত আৰু ইয়াৰ সামগ্ৰীসমূহ বিকল্প প্ৰযুক্তি যেনে মোবাইল আদিত উপলব্ধ

হ'ব লাগে। অনুষ্ঠান পৰিচালক সকলে বৌদ্ধিক সম্পদ আৰু স্বত্বাধিকাৰৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহৰ বিষয়েহে চিন্তা কৰে কিন্তু স্বত্বাধিকাৰৰ ক্ষেত্ৰত থকা প্ৰকৃত ধাৰণাৰ অভাৱ আৰু মুক্ত অনুজ্ঞাপত্ৰ আদিও মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ ক্ষেত্ৰত বাধাস্বৰূপ হ'ব পাৰে।

- শেষত, মুক্ত শৈক্ষিক সম্পদৰ (OER) আন্দোলনৰ সৈতে বিশেষভাৱে জড়িত হৈ থকা শিক্ষক আৰু শিক্ষাবিদসকলক বিশেষভাৱে উদ্‌গণি যোগাব লাগে। কাৰণ, শিক্ষকৰ মৌলিক কৰ্তব্য হৈছে শিক্ষাৰ গুণমান উন্নত কৰি তোলা। কিন্তু কঠিন বাস্তৱ এইটোৱে যে যেতিয়া তেওঁলোকে মুক্ত শৈক্ষিক সম্পদৰ (OER) বিষয়ে নাজানিব, তেতিয়া তেওঁলোকে কিদৰে এই দিশত সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰিব?



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ জৰিয়তে আপোনালোকে জানিব পাৰিলে যে মুক্ত শৈক্ষিক সামগ্ৰী (OER)ৰ অৰ্থ হৈছে যিকোনো ডিজিটেল সামগ্ৰী মুক্ত আৰু বিনামূলীয়াকৈ শিক্ষক, শিক্ষাৰ্থী আৰু স্ব-শিক্ষাৰ্থীৰ শিকন আৰু গৱেষণাৰ ক্ষেত্ৰত ব্যৱহাৰ আৰু পুনঃব্যৱহাৰৰ বাবে যোগান ধৰা সম্পদ।
- এনেদৰে মুক্ত শৈক্ষিক সম্পদসমূহে (OER) শিক্ষণ পাঠ্যসূচী, কোমলতাৰ আহিলা, ব্যৱহাৰ আৰু বিতৰণৰ সূচী আৰু মুক্ত অনুজ্ঞাপত্ৰৰ অধীনত সম্পদ প্ৰয়োগ আদিক অন্তৰ্ভুক্ত কৰি লয়। মুক্ত শৈক্ষিক সম্পদ (OER)য়ে এনেকুৱা কিছুমান সম্পদক দেখুৱাই দিয়ে যিবোৰ সমযোজিত হয়, যিবোৰ কোনো সীমাবদ্ধতা নোহোৱাকৈ আনে উপভোগ কৰিব পাৰে।
- আপোনালোকে জানিছে যে জ্ঞানৰ যুগত, শৈক্ষিক সম্পদসমূহৰ ভাগ-বতৰা বা ব্যবহাৰ বৰ্তমান শিক্ষানুষ্ঠানসমূহৰ বাবে অগ্ৰাধিকাৰ লাভ কৰা এটা দিশ। সেই কাৰণে, পৃথিৱীজুৰি মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰয়োজনীয়তা ক্ৰমান্বয়ে অনুভৱ কৰা হৈছে।
- তাৰোপৰি, যিদৰে মুক্ত শৈক্ষিক সম্পদ (OER) সমূহে শিক্ষাৰ ক্ষেত্ৰত এটা যুগৰ সৃষ্টি কৰিলে, ইয়াৰ পৰা বুজা যায় যে অনাগত দিনসমূহত মুক্ত শৈক্ষিক সম্পদসমূহে আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত ইয়াৰ বিশাল পৰিসৰৰ সৃষ্টি কৰিব।
- তথাপিও মুক্ত শৈক্ষিক সম্পদৰ ক্ষেত্ৰত কিছুমান প্ৰত্যাহ্বান আছে, যেনে— পৃথিৱীজুৰি ডিজিটেল প্ৰয়োগৰ বিভাজন, সমতা আৰু অসমতাৰ দিশ, OERৰ উপকাৰিতাৰ ক্ষেত্ৰত গৱেষণাৰ অভাৱ আৰু মুক্ত শৈক্ষিক সম্পদসমূহ গ্ৰহণ কৰাৰ ক্ষেত্ৰত শিক্ষাবিদসকলৰ ইচ্ছা অভাৱ আদি।



১৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Giving Knowledge for Free: *The Emergence of Open Educational Resources*. Organisation For Economic Co-Operation And Development, 2007.

২) https://wiki.creativecommons.org/wiki/What_is_OER%3F

৩) www.col.org



১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত শৈক্ষিক সম্পদ হৈছে মুক্ত অনুজ্ঞাপত্ৰযুক্ত শৈক্ষিক সামগ্ৰী যাক শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু গৱেষণাৰ দিশত সকলোৱে বিনামূলীয়াকৈ ব্যৱহাৰ কৰিব পাৰে।

২ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত অনুজ্ঞাপত্ৰ, বিশেষকৈ সৃজনীমূলক সাধাৰণ অনুজ্ঞাপত্ৰই সাধাৰণতে সম্পদ গ্ৰহণ আৰু পুনঃব্যৱহাৰৰ বাবে এখন নক্সা প্ৰদান কৰে য'ত স্বত্বাধিকাৰীৰ কোনোধৰণৰ অনুৰোধৰ ব্যৱস্থা নাথাকে।

৩ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত শৈক্ষিক সম্পদ আৰু অন্য সম্পদৰ মাজত থকা প্ৰধান পাৰ্থক্য হৈছে মুক্ত শৈক্ষিক সম্পদৰ (OER) মুক্ত অনুজ্ঞাপত্ৰ আছে, প্ৰধানকৈ এখন সৃজনীমূলক অনুজ্ঞাপত্ৰ, যাৰফলত স্বত্বাধিকাৰীৰ অনুৰোধ নৰখাকৈ ব্যৱহাৰ কৰিব পাৰি।

৪ নং প্ৰশ্ন উত্তৰ ঃ (১) উচ্চ শিক্ষাৰ ক্ষেত্ৰত উন্নয়নশীল দেশবোৰত মুক্ত পাঠ্যক্ৰমৰ প্ৰভাৱৰ বিষয়ৰ ফ'ৰাম, UNESCO, Paris ১-৩ জুলাই, ২০০২।

(২) মুক্ত শৈক্ষিক সম্পদৰ বিশ্ব কংগ্ৰেছ, (World Congress on OER) UNESCO, Paris ২০-২২ জুন, ২০১২।

৫ নং প্ৰশ্ন উত্তৰ ঃ MITU, ষ্টেনফ'ৰ্ড (Stanford), য়েল (Yale) , ইউনিভাৰ্চিটি অফ মিচিপান (University of Michigan), ইউনিভাৰ্চিটি অফ কালিফৰ্নিয়া (University of California), ইউনাইটেড নেচন্চ ইউনিভাৰচিটি (United Nations University)

৬ নং প্ৰশ্ন উত্তৰ ঃ মুক্ত শৈক্ষিক সম্পদৰ (OER) দুটা বিশেষ সুবিধা আছে, প্ৰথমটো হৈছে ই ছপা সামগ্ৰীৰ ক্ষেত্ৰত হোৱা খৰচৰ পৰিমাণ হ্ৰাস কৰে, যাৰ ফলত জনসাধাৰণৰ

অর্থৰ ৰাহি হয়। অন্যটো হৈছে মুক্ত শৈক্ষিক সম্পদসমূহে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি তুলিব পাৰে।

৭ নং প্রশ্ন উত্তৰ ঃ প্রযুক্তিগত বাধা হৈছে ব্র'ডবেণ্ডৰ অসুবিধা, অর্থনৈতিক বাধা হৈছে মুক্ত শৈক্ষিক সম্পদৰ বিকাশ আৰু বিতৰণৰ বাবে হার্ডৱেৰ আৰু চফ্টৱেৰত প্রয়োগ কৰা অর্থৰ অভাৱ, আৰু সামাজিক দিশৰ সমস্যাবোৰ হৈছে প্রযুক্তিৰ নউদ্ভাৱনৰ কৌশলৰ অভাৱ আৰু সাংস্কৃতিক ক্ষেত্রত আন শিক্ষক বা অনুষ্ঠানৰ সৈতে ভাগবতৰাৰ অভাৱ।

৮ নং প্রশ্ন উত্তৰ ঃ বিদ্যায়তনিক দিশৰ পৰা জ্ঞানৰ ভাগ বিতৰণৰ জৰিয়তে পৰোপকাৰ কৰা হয়। শিক্ষানুষ্ঠানসমূহৰ উদ্দেশ্য হৈছে কৰদাতাসকলৰ টকা ব্যৱহাৰ কৰি সম্পদসমূহৰ মুক্ত আৰু বিনামূলীয়া ভাগবিতৰণৰ সুবিধা দিয়া।

৯ নং প্রশ্ন উত্তৰ ঃ কমনওৱেলথ্ দেশসমূহ, কানাডা আৰু UNESCO পেৰিচ আদিয়ে বহুবছৰ জুৰি মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ অর্থে কাম কৰি আহিছে।

১০ নং প্রশ্ন উত্তৰ ঃ কমনওৱেলথ দেশৰ পৰা COLয়ে মুক্ত শৈক্ষিক সম্পদৰ বাবে এক অনলাইন ডিৰেক্টৰি সেৱাৰ প্রচলন কৰে। তাৰোপৰি এই দেশসমূহৰ বিভিন্ন অনুষ্ঠানসমূহৰ পৰা বিভিন্ন দিশৰ যেনে উচ্চশিক্ষা, মাধ্যমিক শিক্ষা, শিক্ষক শিক্ষা আৰু নিপুনতাৰ বিকাশ আদি পাঠ্যক্রমসমূহ চিনাক্তকৰণ কৰি উলিয়াইছে।

১১ নং প্রশ্ন উত্তৰ ঃ MHRD ৰ NPTEL প্রকল্প, হাইদৰাবাদৰ ICRISAT য়ে VASAT ৰ অর্ন্তগত প্রদান কৰা কৃষি সম্বন্ধীয় বিভিন্ন মুক্ত শৈক্ষিক সামগ্রী, ব্যক্তিগত শিকনৰ উন্নতিৰ বাবে IGNOU ৰ Floxilearn প্রকল্প ইত্যাদি ।



১৩.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ২১ শতিকাত মুক্ত শৈক্ষিক সম্পদৰ বিকাশৰ আঁৰত থকা কাৰণসমূহ কি কি?

প্রশ্ন ২ ঃ ২০০২ চনৰ পেৰিচ ফ'ৰামৰ পৰিপ্রেক্ষিতত মুক্ত শৈক্ষিক সম্পদ (OER) আন্দোলনৰ ইতিহাসৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ আমাক সঁচাকৈয়ে মুক্ত শৈক্ষিক সম্পদ (OER) লাগেনে? ২১ শতিকাৰ উচ্চ শিক্ষাৰ ক্ষেত্রত মুক্ত শৈক্ষিক সম্পদৰ ওপৰত এটি টোকা লিখক।

প্রশ্ন ৪ ঃ মুক্ত শৈক্ষিক সম্পদ (OER) পৰিসৰ কি? বিশ্ববাসীয়ে কিয় ভাগ বিতৰণৰ কথা অনুভৱ কৰে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কিদৰে এগৰাকী শিক্ষকে মুক্ত শৈক্ষিক সম্পদৰ ব্যৱহাৰ কৰিব পাৰে আৰু শিক্ষাৰ্থীক ইয়াৰ ব্যৱহাৰত সহায় কৰিব পাৰে?

প্ৰশ্ন ২ ঃ OER ৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত অনুষ্ঠান এখনৰ কি উপকাৰিতা আছে, উল্লেখ কৰক ।

প্ৰশ্ন ৩ ঃ মুক্ত শৈক্ষিক সম্পদ (OER)ৰ বিকাশৰ ক্ষেত্ৰত কমনওৱেলথ শিকনে লোৱা ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ মুক্ত শৈক্ষিক সম্পদসমূহৰ ওপৰত বিভিন্ন আন্তৰ্জাতিক কাৰ্যাৱলী হাতত লোৱা হৈছে। বিশদভাৱে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতবৰ্ষৰ নিচিনা দেশ এখনত মুক্ত শৈক্ষিক সম্পদৰ (OER) বৰ্তমান স্থিতি কি? বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ বৰ্তমান সময়ত মুক্ত শৈক্ষিক সম্পদ (OER) প্ৰয়োগৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ কি কি? বহুলভাৱে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা (ODE)ত থকা প্রত্যাহ্বানসমূহ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা (ODE)ত থকা প্রত্যাহ্বানসমূহ

১৪.৩.১ শিক্ষার্থীয়ে সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ

১৪.৩.২ শিক্ষকে সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ

১৪.৩.৩ বিশ্ববিদ্যালয়/শিক্ষানুষ্ঠানে সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ

১৪.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্রত্যাহ্বানসমূহ জয় কৰাৰ উপায়

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্রগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্রত্যাহ্বানবোৰ চিনাক্ত কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা পদ্ধতিৰ শিক্ষার্থীসকলে সন্মুখীন হোৱা প্রত্যাহ্বানবোৰ ব্যাখ্যা কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষকসকলে সন্মুখীন হোৱা প্রত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সুযোগ আগবঢ়োৱা শিক্ষানুষ্ঠানবোৰে সন্মুখীন হোৱা প্রত্যাহ্বানবোৰ বর্ণনা কৰিব পাৰিব
- প্রতিবন্ধক আৰু প্রত্যাহ্বান আঁতৰোৱাৰ কেইটামান সম্ভাব্য সমাধান চিনাক্ত কৰিব পাৰিব।

১৪.২ পৰিচয়

বিগত ৩০-৩৫ বছৰ ধৰি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা (ODE) ব্যৱস্থাটো সক্রিয় হৈ আছে। লক্ষ্য কৰা গৈছে যে বহুতো শিক্ষানুষ্ঠানে শিক্ষণ-শিকন প্রক্রিয়াটো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ মাধ্যমেৰে আগবঢ়াই নিয়াৰ ফলত উচ্চ শিক্ষা লাভৰ প্রক্রিয়াটো এক নতুন দিশেৰে ধাৱমান হৈছে। শেহতীয়াকৈ, পাৰ হৈ যোৱা বছৰ কেইটামানত মুক্ত আৰু দূৰৱৰ্ত্তী শিকন পদ্ধতিটোক সহায় কৰিব পৰা বহুতো নতুন প্রণালী তথা আহিলা বিকশাই তোলা হৈছে। ইয়াৰ ফলত মুক্ত

আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰখনলৈ যথেষ্ট পৰিবৰ্তন আহিছে। এটা উদাহৰণ দাঙি ধৰা হ'ল। আগতে দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থীসকললৈ ছপা কৰা শিকন সামগ্ৰী ডাকযোগে প্ৰেৰণ কৰা হৈছিল। কিন্তু বৰ্তমান এই ব্যৱস্থা অপ্ৰচলিত হৈ পৰিছে। কাৰণ, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাক সফলভাৱে নব্য মাধ্যমৰ লগতে তথ্য আৰু সংযোগ প্ৰযুক্তিৰ সৈতে সংহত কৰি তোলা হৈছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সৈতে সদায় তিনিটা পক্ষ জড়িত হৈ থাকে। ইয়াৰে এটা হ'ল দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাৰ্থী, আনটো হ'ল শিক্ষক আৰু তৃতীয়টো হ'ল দূৰৱৰ্ত্তী শিক্ষাৰ সুযোগ আগবঢ়োৱা শিক্ষানুষ্ঠান নাইবা বিশ্ববিদ্যালয়। একবিংশ শতিকাত সমগ্ৰ বিশ্বতে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰখনৰ বৈপ্লৱিক বিকাশ ঘটিছে। কিন্তু এতিয়াও এই শিক্ষাৰ লগত জড়িত তিনিওটা পক্ষই বহুতো বাধা আৰু প্ৰত্যাহ্বানৰ সৈতে যুঁজিবলগীয়া হৈ আছে। এই কথাই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ফলপ্ৰসূতা হ্ৰাস কৰিছে। অথচ এই ব্যৱস্থাটোৰ দ্ৰুত গতিৰে বিকশিত হোৱা আৰু ইয়াক শিক্ষাৰ্থী সমাজে আদৰি লোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। এই অধ্যায়টিত আমি ভাৰতৰ দৰে দেশৰ পটভূমিৰ বিশেষ উল্লেখ সহকাৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই সাধাৰণতে মুখামুখি হোৱা বাধা আৰু প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰিম।

১৪.৩ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্ৰত্যাহ্বানসমূহ

বৰ্তমান বিশ্বত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই উচ্চ শিক্ষা লাভৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে নিজৰ স্থিতি ক্ৰমে সবলতৰ কৰি তুলিছে। ই এক বহল পৰিসৰত শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰাত সফল হৈছে। দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীয়ে তেওঁলোকৰ জীৱনৰ কোনো কোনো ক্ষেত্ৰত শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই আমাৰ সমাজৰ গতানুগতিক আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হোৱা শিক্ষাৰ্থীসকলক সুবিধাজনক, নমনীয় আৰু সহজে নিয়ন্ত্ৰণ কৰিব পৰা বিকল্প শিক্ষালাভৰ সুযোগ আগবঢ়াইছে যদিও এই ব্যৱস্থাটো কেতিয়াও প্ৰতিবন্ধক তথা প্ৰত্যাহ্বানমুক্ত নহয়। সেয়েহে প্ৰতিটো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষানুষ্ঠানেই এই প্ৰত্যাহ্বানবোৰ প্ৰথমে চিনাক্ত কৰি উলিয়াই খৰছি মাৰি বুজি লোৱা উচিত। তাৰপাছত এই সমস্যাবোৰৰ সমাধানৰ উপায় বাহিৰ কৰা উচিত। এটা উদাহৰণ লোৱা যাওঁক। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সবাতোকৈ সাধাৰণ সমস্যাটো হ'ল শিক্ষকৰ 'অনুপস্থিতি'। এই সমস্যাটোৰ এটা গভীৰ শিক্ষাদানকেন্দ্ৰিক তাৎপৰ্য আছে। তলৰ উপ-শিতানবোৰত আমি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাই সাধাৰণতে সন্মুখীন হোৱা উমৈহতীয়া প্ৰতিবন্ধক আৰু প্ৰত্যাহ্বানবোৰৰ বিষয়ে বহলাই আলোচনা কৰিম।

১৪.৩.১ শিক্ষাৰ্থীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ

তলত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰে শিক্ষাগ্ৰহণ কৰাসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ উল্লেখ কৰা হ'ল—

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষার্থীসকলে সন্মুখীন হোৱা সবাতোকৈ গুৰুত্বপূৰ্ণ সমস্যাটো বিচ্ছিন্নতা আৰু প্ৰান্ত্যকৰণৰ অনুভৱটো হ'ব পাৰে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত 'মুখামুখি' সংযোগক শিক্ষাদানৰ অংশ বুলি ধৰা নহয়। সেয়েহে অধিকাংশ শিক্ষার্থীয়ে কথা পাতিবলৈ, নিজৰ অকলন আৰু খুদুৱনিবোৰ ক'বলৈ এগৰাকী 'বাস্তৱ' ব্যক্তিৰ অনুপস্থিতি অনুভৱ কৰে। এয়া হ'ল ODEৰ এটা সাধাৰণ কিন্তু প্ৰধান সমস্যা। কিন্তু বিগত বছৰবোৰত ব্যৱস্থাটোত থকা বিভিন্ন দিক্‌নির্দেশক আৰু পৰামৰ্শদানৰ প্ৰক্ৰিয়াটো নানা ইতিবাচক পৰিবৰ্তন আহিছে। বিচ্ছিন্নতাৰ অনুভৱৰ উপৰি এই মুহূৰ্তত ODEৰ সবাতোকৈ গুৰুতৰ মনোযোগ আকৰ্ষণকাৰী প্ৰত্যাহ্বানটো হ'ল এক নতুন আৰু প্ৰযুক্তিবিদ্যাৰ দিশেৰে উন্নত শিকন পৰিৱেশত শিক্ষক তথা শিক্ষার্থীৰ মাজত থকা 'ব্যৱধান'টো কেনেদৰে আঁতৰাব পাৰি তাৰ আলোচনা কৰা। সেয়েহে, সুবিধা আৰু সমস্যা দুয়োটাৰে সৃষ্টি কৰা পৰিৱৰ্তিত শিক্ষা প্ৰক্ৰিয়াৰ সৈতে খাপ খোৱাকৈ শিক্ষণ (tutorials), সংযোগ (contact), পৰামৰ্শদান কাল (counselling sessions) আৰু যিকোনো প্ৰকাৰৰ দিক্‌নির্দেশনাৰ দৰে বিষয়বোৰক শিক্ষক আৰু শিক্ষার্থীৰ মাজত 'বাস্তৱ' আন্তঃক্ৰিয়া স্থাপনকাৰী প্ৰক্ৰিয়াটোৰ এক অংশ হিচাপে পুনৰ বিবেচনা কৰি চোৱা উচিত।
- এই কথা কোনেও নুই কৰিব নোৱাৰে যে এটা শিক্ষার্থী সমৰ্থন সেৱা (Learners Support Service/LSS) অবিহনে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটো আগবঢ়াই নিব পৰা নাযায়। এই সেৱাই শিক্ষার্থীৰ শৈক্ষিক তথা ব্যক্তিগত দুয়োধৰণৰ সমস্যাকে উপযুক্তধৰণে সামৰি ল'ব লাগিব। শিক্ষার্থীৰ সমস্যা সমাধান কৰা আৰু শৈক্ষিক দিশত তেওঁলোকৰ পাৰদৰ্শিতা সম্পৰ্কে নিয়মীয়াকৈ মন্তব্য আগবঢ়াই থকাটো এনে সেৱাৰ উদ্দেশ্য হ'ব লাগিব। শিক্ষার্থীৰ সৈতে নিয়মীয়া আৰু প্ৰত্যক্ষ সংযোগৰ অনুপস্থিতি হ'ল ODEৰ এটা সাধাৰণ বৈশিষ্ট্য। সেয়েহে দূৰৱৰ্ত্তী-দূৰৱৰ্ত্তীণিৰ অঞ্চলবোৰত থকা শিক্ষার্থীসকলৰ বাবে এটা শক্তিশালী LSS সুনিশ্চিত কৰাটো অতি প্ৰয়োজনীয়। এনে সমৰ্থন সেৱা বিভিন্ন প্ৰকাৰৰ আছে। কিন্তু ODEৰ শিক্ষার্থীসকল 'আঁতৰত' থাকে বাবে পৰামৰ্শদান আৰু সহাঁৰি (Counselling and Feedback), শেহতীয়া অধ্যয়ন সামগ্ৰী (Up-to-date study material), মাধ্যম সমৰ্থন সেৱা (Media Support Services) আদিৰ দৰে দিশবোৰত তেওঁলোক বহুতো সমস্যাৰ সন্মুখীন হয়। এই অসুবিধাবোৰে ODEৰ সৈতে জড়িত বিচ্ছিন্নতাৰ অনুভৱটো অধিক জটিল কৰি তোলে।
- ছপা আৰু শিকন সামগ্ৰীয়ে শিক্ষার্থীৰ জ্ঞানৰ ভেটিটো গভীৰভাৱে উদ্দীপিত কৰিব পাৰে। তথাপিও এনে সামগ্ৰীৰ গ্ৰহণযোগ্যতাৰ সমস্যা সম্পৰ্কীয়

প্ৰশ্নটোৰ এতিয়াও উত্তৰ ওলোৱা নাই। এনে সামগ্ৰীবোৰে এবিধ শক্তিশালী শিক্ষার্থী সমৰ্থন সেৱাৰূপে পোনপটীয়াকৈ নিজৰ উপকাৰিতা দাবী কৰিব পাৰেনে? এনে সামগ্ৰীবোৰক 'ছপা ৰূপত শিক্ষক' বুলি অভিহিত কৰা হয় যদিও এইবোৰক সচাঁকৈয়ে শিক্ষকৰ বিকল্পৰূপে ব্যৱহাৰ কৰিব পৰা যায়নে? নাইবা বিকল্পভাৱে, এই শিকন সামগ্ৰীবোৰৰ বাহিৰেও শিক্ষার্থীসকলক কিছু বাহিৰা সহায়ৰ প্ৰয়োজন আছে নেকি? বেছিভাগ ক্ষেত্ৰতে অভিজ্ঞতাৰ পৰা গম পোৱা গৈছে যে শিক্ষার্থীয়ে নামভৰ্তি কৰাৰ পাচত কোনোদিনে প্ৰকৃতাৰ্থত কোনো সমৰ্থন সেৱা লাভ নকৰে।

- সাধাৰণভাৱে ক'বলৈ হ'লে উন্নয়নশীল দেশবোৰৰ দূ�ৰৱৰ্ত্তী শিক্ষা গ্ৰহণ কৰি থকা প্ৰায় সকলো শিক্ষার্থীয়েই বিভিন্ন অসুবক্ষাৰ ভাৱনাত আক্ৰান্ত। ইয়াৰ মূল কাৰণবোৰ হ'ল— মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ প্ৰতি থকা সমাজৰ সাধাৰণ দৃষ্টিভংগী, কৰ্মৰত লোকে নিয়োগকৰ্তাৰ পৰা প্ৰয়োজনীয় সমৰ্থন লাভ নকৰা, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ অধীনত স্নাতক অথবা স্নাতকোত্তৰ ডিগ্ৰীধাৰী বুলি সৃষ্টি হোৱা বিচ্ছিন্নতাৰ অনুভৱ ইত্যাদি। এই সমস্যাবোৰৰ গুৰুত্ব বুজি এইবোৰৰ সমাধান বাহিৰ কৰা উচিত। অন্যথা এইবোৰ সমস্যা হৈয়েই ৰৈ যাব।
- বহুতো দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষার্থীয়ে প্ৰায়েই অধ্যয়ন সামগ্ৰীবোৰে তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে বুলি গম পায়। সামগ্ৰীবোৰৰ আৰ্হি আৰু বিষয়বস্তু দুয়োটাকে লৈ শিক্ষার্থীয়ে অসন্তুষ্টি ব্যক্ত কৰি আহিছে। ব্যৱস্থাটোত পোন প্ৰথমবাৰৰ বাবে নিজকে জড়িত কৰা শিক্ষার্থীসকলৰ বাবে ই এক গুৰুতৰ সমস্যা। ই শিক্ষার্থীৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। দুৰ্বল আৰ্হিৰে প্ৰস্তুত কৰা পাঠ্য সামগ্ৰীবোৰেও শিক্ষার্থীৰ মনোবল হ্ৰাস কৰিব পাৰে। এচামে যুক্তি দৰ্শাব পাৰে যে তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT)ৰ ব্যৱহাৰে শিক্ষার্থীক বহুতো সমস্যাৰ পৰা সকাহ দিছে। কিন্তু দূৰৱৰ্ত্তীণিবটীয়া আৰু দূৰ্গম অঞ্চলৰ শিক্ষার্থীসকলৰ শিকন উদ্দেশ্যত তথ্য আৰু প্ৰযুক্তি ব্যৱহাৰ বিষয়ক সাধাৰণতে কোনো ধাৰণা নাথাকে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ আন এটা সাধাৰণ সমস্যা হ'ল শিক্ষার্থীৰ মুখামুখি সংযোগ নঘটাটো। পৰম্পৰাগত শিক্ষা ব্যৱস্থাত শিক্ষার্থীক দলীয় পৰিবেশত শিক্ষা দিয়া হয়, শিক্ষার্থীয়ে নিজৰ বন্ধুবৰ্গৰ পৰাও শিকিব পাৰে আৰু তথ্য ভাগ-বাটোৱাৰা কৰিব পাৰে। কিন্তু মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত এনেদৰে বন্ধুৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰাৰ সুযোগ নাথাকে। এইধৰণৰ সংযোগ অবিহনে দূৰৱৰ্ত্তী শিক্ষা কাৰ্যসূচীবোৰ প্ৰকৃতাৰ্থত শিকন প্ৰক্ৰিয়া নহৈ তথ্য হস্তান্তৰ কৰা প্ৰক্ৰিয়াতহে পৰিণত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ প্ৰত্যাহ্বানবোৰৰ মুখামুখি হোৱাত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে কেনে ভূমিকা পালন কৰা উচিত?

.....

.....

প্ৰশ্ন ২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠান এটাত বিচ্ছিন্নতাৰ অনুভৱে এক বৃহৎ সমস্যাৰ ৰূপ লয় বুলি আপুনি ভাবেনে?

.....

.....

প্ৰশ্ন ৩ ঃ উন্নয়নশীল দেশবোৰৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীসকলে মুখামুখি হোৱা উমৈহতীয়া সমস্যাবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

প্ৰশ্ন ৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষ্য ব্যৱস্থাত কেনেধৰণৰ সংযোগ সমস্যাই দেখা দিব পাৰে?

.....

.....

১৪.৩.২ শিক্ষকে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ

তলত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত শিক্ষকসকলে সন্মুখীন হোৱা বাধাবোৰ উল্লেখ কৰা হ'ল।

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ বহুতো শিক্ষক (teachers/educators/ faculty members)এ প্ৰায়েই সেৱা কাল বিষয়ক সমস্যাৰ সন্মুখীন হয়। কাৰণ, উন্নয়নশীল দেশবোৰৰ বহুতো ODE প্ৰতিষ্ঠানতেই স্থায়ী শিক্ষকৰ অভাৱ নাইবা মাত্ৰ কেইগৰাকীমানহে স্থায়ী শিক্ষক থাকে। নিয়োগৰ সময়ত, বিশেষকৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ ক্ষেত্ৰখনত, ভাৰতৰ দৰে দেশ এখনত থকা অগ্ৰহণযোগ্য নিয়ম তথা চৰ্তাৱলীৰ বাবে বহুতো শিক্ষকে ODE অনুষ্ঠানত যোগদান কৰাৰ সিদ্ধান্ত লওতে দোমোজাত পৰে। ইয়াৰ অৰ্থ এইটোৱেই যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে নিষ্ঠাৱান আৰু দক্ষ শিক্ষক লাভ কৰাত বিফল হৈছে।
- স্ব-শিকন সামগ্ৰী (Self Learning Materials/SLM)ৰ ছপা আৰু বৈদ্যুতিক দুয়োটা ৰূপেই হ'ল মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ৰাজহাড়স্বৰূপ। এই

সামগ্ৰীবোৰৰ আৰ্হি তৈয়াৰ আৰু প্ৰস্তুতি পৰ্বত যথেষ্ট কষ্ট কৰিবলগীয়া হয়। ই শিক্ষকসকলৰ কামৰ বোজা যথেষ্ট বৃদ্ধি কৰে। কাৰণ, তেওঁলোকে একেধাৰে পাঠ্যবিষয় লেখক, সম্পাদক আৰু আৰ্হি নিৰ্দেশকৰ কামো কৰিবলগীয়া হয়। ইয়াৰ উপৰি মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাৰ শিক্ষক তথা শিক্ষাবিদসকলে নানা ধৰণৰ নকলনবীচ জাতীয় কামো কৰিবলগীয়া হয়। এইবোৰ কথাই শিক্ষকৰ ব্যক্তিগত অধ্যয়নকাল হ্ৰাস কৰাৰ লগতে তেওঁলোকৰ জ্ঞানৰ আধাৰক গুৰুতৰভাৱে প্ৰভাৱিত কৰে। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষকসকলে এতিয়াও শিক্ষকতকৈ ব্যৱস্থাপকৰ ভূমিকাহে পালন কৰি আছে বুলি ক'ব পৰা যায়।

- শিক্ষকসকলে সন্মুখীন হৈ অহা আন এটা আলোচনাযোগ্য সমস্যা হ'ল বিভিন্ন বয়সৰ শিক্ষাৰ্থীৰ উপস্থিতি। এয়া সকলোৱে জনা কথা যে বিভিন্ন বয়সৰ শিক্ষাৰ্থীৰ শিকন ক্ষমতা ভিন ভিন। দূৰৱৰ্ত্তী শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ মাজৰে এটা বৃহৎ অংশই হ'ল প্ৰাপ্তবয়স্ক আৰু ৪০ বছৰৰ উৰ্দ্ধৰ। শিক্ষক/শিক্ষাবিদসকলৰ বাবে এনে শিক্ষাৰ্থীক পঢ়ুৱাবলৈ নিজৰ শিকন শৈলী সলাবলগীয়া হোৱা কথাটোৱে এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। ই সহজ কাম নহয়। উপযুক্ত প্ৰশিক্ষণ তথা অভিজ্ঞতা থকা শিক্ষকেহে এই কামটো কৰিব লাগে। বৰ্তমানলৈকে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত এনে শিক্ষক বিচাৰি পোৱাটো অতি দুৰূহ কাৰ্য হৈ আছে।
- পৰ্যাপ্ত মানৱ সম্পদৰ নাটনিৰ বাবে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানবোৰ পাঠ্যবিষয় লেখক, সম্পাদক, পৰামৰ্শদাতা, পৰীক্ষা বহী মূল্যাংকন কৰোঁতা আদিৰ দৰে কামবোৰ বাবে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত শিক্ষকৰ সহায় ল'বলগীয়া হয়। কিন্তু এই শিক্ষকসকলৰ বেছিভাগেই দূৰৱৰ্ত্তী শিক্ষাৰ ব্যৱস্থাটো পছন্দ নকৰিবও পাৰে নাইবা ব্যৱস্থাটোৰ সৈতে জড়িত হ'বলৈ অনিচ্ছুক হ'ব পাৰে। নিয়মীয়া মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে যেতিয়ালৈকে দূৰৱৰ্ত্তী শিক্ষা কাৰ্যসূচীবোৰক অতিৰিক্ত বোজা বুলি গণ্য কৰিব তেতিয়ালৈকে দূৰৱৰ্ত্তী শিক্ষা কাৰ্যসূচীবোৰ তেওঁলোকৰ সহায়ৰ পৰা বঞ্চিত হৈ ৰ'ব। এই কথাটোৱে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৰ অপকাৰ সাধন কৰিছে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষকসকলে সন্মুখীন হোৱা আন এটা সমস্যা হ'ল তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ব্যৱহাৰ। আধুনিক শিক্ষা প্ৰযুক্তিবোৰ ব্যৱহাৰ কৰিবলৈ কম্পিউটাৰৰ সহায়ত আধুনিক চাইবাৰ পাৰ্লাৰ চলোৱা নাইবা ভিডিঅ' কনফাৰেন্সিঙৰ সুবিধা স্থাপন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ বাবে সৃজনশীল পৰিৱেশৰে সৈতে নতুন মনোভাৱাপন্ন শিক্ষকৰ অতীৱ প্ৰয়োজন। এতিয়া প্ৰশ্ন হয়, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সকলো শিক্ষক তথা শিক্ষাবিদ আধুনিক সংযোগ প্ৰযুক্তি ব্যৱহাৰৰ সৈতে ভালদৰে পৰিচিতনে? ভাৰতে যিটো

সময়ত মুক্ত শৈক্ষিক সমল (Open Educational Resources) আৰু বিশাল মুক্ত অনলাইন পাঠ্যবিষয় (Massive Open Online Courses)ৰ দৰে ব্যৱস্থা গ্ৰহণ কৰি দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীসকলৰ উপকাৰ সাধনৰ কথা কৈছে সেই সময়ত এই প্ৰশ্নটোৱে সবাতোকৈ গুৰুত্বপূৰ্ণ ৰূপ ধাৰণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ তথ্য আৰু সংযোগ প্ৰযুক্তিয়ে দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীক আগতকৈ উন্নত ধৰণে শিকাৰ সুযোগ দিছে। কিন্তু এই প্ৰযুক্তিয়ে কেতিয়াবা কিছুমান সমস্যাৰো সৃষ্টি কৰে। কথাটোত আপুনি একমতনে?

.....

.....

প্ৰশ্ন ৬ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ প্ৰতি শিক্ষকবৃন্দ (teachers and faculty members)ৰ সাধাৰণ মনোভাৱ কেনেধৰণৰ হয়?

.....

.....

প্ৰশ্ন ৭ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই দক্ষ শিক্ষকক আকৰ্ষণ কৰাত ব্যৰ্থ হৈছে বুলি কিয় কোৱা হয়?

.....

.....

১৪.৩.৩ বিশ্ববিদ্যালয়/শিক্ষানুষ্ঠানে সম্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ

বহুতো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষানুষ্ঠানে, বিশেষকৈ ভাৰতৰ দৰে দেশবোৰত থকা মুক্ত বিশ্ববিদ্যালয়বোৰে শিক্ষাৰ্থীৰ প্ৰত্যাহ্বানবোৰ আঁতৰোৱাৰ চেষ্টা চলাই আহিছে। কিন্তু ইয়াৰে বহুতো শৈক্ষিক প্ৰতিষ্ঠানে নিজেই বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিবলগীয়া হৈছে। তলত এনে কেইটামান প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰা হ'ল—

- বৰ্তমানৰ বহুতো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষানুষ্ঠানৰ শৈক্ষিক কাৰ্যসূচীবোৰ কেৱল প্ৰচলিত পদ্ধতিৰ আধাৰত চলাই নিয়া হয়। কিন্তু শিক্ষাৰ্থীসকলে অৱকাশৰ সময়ত বিকল্প জীৱিকাৰ ব্যৱস্থা আৰু ঘৰতে থাকি কাম কৰা/পঢ়াৰ ব্যৱস্থা কৰি ল'ব পাৰে বাবে এই ধাৰাটো ক্ৰমে শক্তিশালী হৈ পৰিছে। সেয়েহে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষানুষ্ঠানবোৰে এনে শৈক্ষিক কাৰ্যসূচী যুগুত কৰা দৰকাৰ যিটোৱে শিক্ষাৰ্থীৰ বৃহত্তৰ ব্যক্তিগত দায়িত্ববোধ আৰু বৰ্দ্ধিত স্বনিয়ন্ত্ৰণৰ পোষকতা

কৰিব। যিহেতু একে সময়তে সামাজিক আৰ্হিবোৰ সলনি হ'বলৈ ধৰিছে সেয়েহে শিক্ষার্থীসকলক শৈক্ষিক কার্যকলাপ আৰু নিজ নিজ বৃত্তিত জড়িত থকাৰ মাজত এক সমতা স্থাপনৰ কথা কোৱা হয়। ODE অনুষ্ঠানবোৰে নতুনকৈ উত্থান ঘটা শিক্ষার্থীচামৰ প্ৰয়োজন পূৰাব পৰাকৈ তথ্য একবিংশ শতিকাৰ সৈতে খাপ খোৱাকৈ নিজৰ পৰিবর্তন সাধন কৰা উচিত। কিন্তু দেখা গৈছে যে বহুতো মুক্ত বিশ্ববিদ্যালয়ে এতিয়াও এনে সমস্যাবোৰ আঁতৰাবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।

- শিক্ষার্থীৰ অধিক লাভ হোৱাকৈ প্ৰযুক্তিবিদ্যা সংলগ্ন হৈ থকা শিক্ষাদান ব্যৱস্থা প্ৰয়োগৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে এক স্পষ্ট তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT) নীতি তৈয়াৰ কৰি লোৱা উচিত। ইয়াৰ অবর্তমানত প্ৰযুক্তিবিদ্যা সংলগ্ন শিক্ষাদান কৰাটো সদায় এক সমস্যা হৈ ৰ'ব। ইয়াৰ উপৰি, এক উপযুক্ত আনুষ্ঠানিক নীতি অবিহনে এটা উপযুক্ত শিকন পৰিৱেশ গঢ়ি তুলিব পৰা নাযায়। নীতি নাথাকিলে শাৰৰী একেবাৰে শেষত থকাজন হয়তো শিক্ষালাভৰ পৰা বঞ্চিত হ'ব। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ ই এক বৃহৎ সমস্যা।
- শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰযুক্তি সংলগ্ন কৰিবলৈ পর্যাপ্ত বিনিয়োগ আৰু পুঁজিৰ প্ৰয়োজন। বহুতো ব্যক্তিগত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানে প্ৰযুক্তি ব্যৱহাৰ কৰাৰ নামত হোৱা ব্যয় বহন কৰিবলৈ শিক্ষার্থীসকলক বাধ্য কৰে। ইয়াৰ ফলত শিক্ষার্থীয়ে এনে অনুষ্ঠানত শিক্ষা গ্ৰহণ নকৰাৰ সিদ্ধান্ত ল'ব পাৰে। আৰু সমস্যাটো সমস্যা হৈয়েই ৰৈ যাব পাৰে। প্ৰযুক্তিয়ে নতুন কথা যোগ কৰাৰ লগতে প্ৰচলিত সকলো কথা সলনি কৰিব পাৰে। নতুন প্ৰযুক্তিয়ে সদায় পুৰণি পদ্ধতিবোৰৰ বিৰুদ্ধে যুদ্ধ কৰি আহিছে। সেয়েহে কোনো নতুন প্ৰযুক্তি প্ৰয়োগ কৰাৰ পৰিকল্পনা হাতত লোৱা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে এই প্ৰযুক্তিবিধ কিমান দিন টিকি থাকিব আৰু ই শিক্ষার্থীক কিমান দিন উপকৃত কৰিব সেয়া নিশ্চিতকৈ জানি লোৱা উচিত।
- দূৰৱৰ্ত্তী শিক্ষাৰ পাঠ্যবিষয়বোৰ পৰম্পৰাগত পদ্ধতিৰ শিক্ষাৰ পাঠ্যবিষয়তকৈ তলখাপৰ বুলি এটা সাধাৰণ বিশ্বাস সমাজত প্ৰচলিত হৈ আছে। ই শিক্ষক আৰু শিক্ষার্থী উভয়ৰে মনোবল বহু পৰিমাণে হ্ৰাস কৰে। ভাৰতৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে মুখামুখি হোৱা ই এক বৃহৎ প্ৰত্যাহ্বান। এই বিশ্বাসক ভুল প্ৰমাণিত কৰিবলৈ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষানুষ্ঠান নাইবা বিশ্ববিদ্যালয়বোৰে গভীৰ আৰু সংহত প্ৰয়াসেৰে পাঠ্যবিষয়বোৰত সন্নিবিষ্ট পাঠ তথা শিকন সামগ্ৰী বিতৰণ প্ৰক্ৰিয়াৰ মান উন্নত কৰিব লাগিব। তেতিয়াহে মানুহে এই পাঠ্যবিষয়বোৰ নিয়মীয়া শিক্ষানুষ্ঠান চৌহদৰ ভিতৰত চলি থকা

পাঠ্যবিষয়তকৈ নিম্নমানৰ বুলি ধৰি ল'বলৈ বাদ দিব। একেদৰে, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে উন্নত ফলাফল লাভৰ এক উপায় হিচাপে নিজৰ কৰ্মচাৰীসকলক উদগণিমূলক বানচ আগবঢ়োৱাৰ চেষ্টা কৰা উচিত। এইক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ নীতি গ্ৰহণ কৰাসকলৰ লগতে প্ৰণয়নকৰ্তাসকলৰ সদিচ্ছাৰ অভাৱ দেখা যায়।

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰৰ আন এক ডাঙৰ সমস্যা হ'ল শিক্ষাৰ্থীৰ পাৱদৰ্শিতা ফলপ্ৰসূ মূল্যায়ন। দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠান এটাৰ পৰা উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ পাৱদৰ্শিতা তথা শিকন ফলাফল জোখাৰ উপায়টো কি? এতিয়ালৈকে মাত্ৰ কেইখনমান শিক্ষানুষ্ঠানহে বিষয়টোত গুৰুত্ব দিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল ভাৰতীয় উচ্চ শিক্ষাৰ সফলতাৰ হাৰ কোনো প্ৰস্তাৱিত শিকন ফলাফলৰ জৰিয়তে নিৰ্ধাৰণ কৰা নহয়। মুঠ নামভৰ্তি অনুপাত (Gross Enrolment Ratio/GER)ৰ ওপৰতহে এই সফলতা নিৰ্ভৰশীল। ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোৰ সফলতাও GERলৈ ইয়াৰ অৱদানৰ ভেটিতহে বিচাৰ কৰি চোৱা হয়।
- দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে সন্মুখীন হোৱা দুটা সাধাৰণ প্ৰত্যাহ্বান হ'ল পঢ়া আধাতে এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি হোৱা আৰু উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ শতাংশ কমি যোৱাটো। দুয়োটা সমস্যাৰে আঁৰৰ কাৰণটো হ'ল ব্যক্তিগত তথা চৰকাৰী দুয়োটা শিক্ষাখণ্ডতে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানে প্ৰদান কৰা ডিগ্ৰীবোৰ বৈধ নহয় অথবা পৰম্পৰাগত শিক্ষানুষ্ঠানবোৰে প্ৰদান কৰা ডিগ্ৰীৰ সমপৰ্যায়ৰ নহয় বুলি ধৰি লোৱাটো। কিন্তু ভাৰতৰ বিশ্ববিদ্যালয় অনুদান আয়োগে এই কথা স্পষ্টকৈ উল্লেখ কৰি মুক্ত শিক্ষা ব্যৱস্থাৰে লাভ কৰা ডিগ্ৰী পৰম্পৰাগত ডিগ্ৰীৰ সমপৰ্যায়ৰ বুলি জাননী জাৰি কৰিছে। পঢ়া আধাতে এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পোৱালৈ চালে গম পোৱা যায় যে শিক্ষাৰ্থীৰ সমৰ্থন ব্যৱস্থাটো সময়মতে শিক্ষাৰ্থীৰ কাষ চাপিব পৰা নাই। মুখামুখি আন্তঃক্ৰিয়া একেবাৰে সংঘটিত নোহোৱা কথাটোৱেও হয়তো মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰত শিক্ষাৰ্থীৰ সংখ্যা কম কৰিছে। মুক্ত বিশ্ববিদ্যালয়বোৰকে ধৰি সকলোবোৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানেই এইবোৰ সমস্যাৰ সমাধান সূত্ৰ বাহিৰ কৰিব লাগিব।
- প্ৰতিবছৰে যথেষ্ট সংখ্যক শিক্ষাৰ্থীয়ে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত নামভৰ্তি কৰে। এইসকল শিক্ষাৰ্থীৰ শিকন ফলাফলৰ মূল্যাংকন কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। মূল্যাংক প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ বহুকেইটা ব্যৱস্থা প্ৰচলিত যদিও প্ৰায় সকলোবোৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা প্ৰতিষ্ঠানেই মুখামুখি হোৱা সমস্যা এটা হ'ল বছৰেকীয়া পৰীক্ষা (Term-end examinations) পতাটো।

ইয়াৰ উপৰি, শিক্ষার্থীয়ে পৰীক্ষাত উত্তীর্ণ হ'বলৈ বহুলভাৱে অসৎ উপায় অৱলম্বন কৰিবলৈ ধৰা কথাটোৱে আন এক সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। এই কথাটোৱে দূৰৱৰ্ত্তী শিক্ষাৰ মাধ্যমেৰে বিভিন্ন বিষয়ত অধ্যয়নৰ সুযোগ আগবঢ়োৱা শৈক্ষিক অনুষ্ঠান এটাৰ ভাৱমূর্তি নষ্ট কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ একবিংশ শতিকাৰ পটভূমিত শৈক্ষিক প্রতিষ্ঠানবোৰে নিজৰ শিক্ষাদানকেন্দ্রিক আৰ্হিবোৰ সলনি কৰাটো উচিত বুলি আপুনি ভাবেনে?

.....

.....

প্রশ্ন ৯ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানৰ সন্মুখত থকা সবাতোকৈ সাধাৰণ প্রত্যাহ্বানবোৰ কি কি?

.....

.....



চিন্তা চর্চ্চা কৰক— ১৪.১

মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষা লাভ কৰি থকা শিক্ষার্থীৰূপে আপুনি মুখামুখি হৈ থকা সমস্যাবোৰ চিনাক্ত কৰক।

.....

.....

১৪.৪ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাত থকা প্রত্যাহ্বানবোৰ জয় কৰাৰ উপায়

ওপৰৰ উপ-শিতানবোৰত আমি মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষার্থী, শিক্ষক তথা অনুষ্ঠানবোৰে মুখামুখি হোৱা কিছুমান সমস্যাৰ বিষয়ে আলোচনা কৰিলোঁ। এয়া সকলোৰে জ্ঞাত যে সমস্যা থাকিলে সমাধানো থাকিব। সেয়েহে, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ সমস্যাবোৰো সদায় সমস্যা হৈয়েই নাথাকে। এই শিক্ষা ব্যৱস্থাটোত থকা সকলো ধৰণৰ বাধা আঁতৰাবলৈ উপযুক্ত ব্যৱস্থা গ্রহণ কৰা উচিত। ওপৰত আলোচনা কৰা সমস্যাবোৰৰ সম্ভাব্য সমাধান কিছুমান তলত উল্লেখ কৰা হ'ল—

- শিক্ষণ-শিকন প্রক্রিয়াত প্রযুক্তি ব্যৱহাৰৰ প্রয়োজনীয়তা ক্রমে বাঢ়িবলৈ ধৰিছে। ই আধুনিক যুগৰ প্রয়োজনীয়তাৰ অনুকূল। সেয়েহে দূৰৱৰ্ত্তীণিবটীয়া আৰু দূর্গম অঞ্চলৰ শিক্ষার্থীসকলক প্রযুক্তিভিত্তিক আহিলাসমূহ ব্যৱহাৰৰ প্রশিক্ষণ দিয়াৰ প্রয়োজনীয়তাও আহি পৰিছে। একে কথাই শিক্ষক, শিক্ষাবিদ তথা বিভিন্ন কর্তৃত্বৰ গৰাকী প্রশিক্ষকসকলৰ

ক্ষেত্ৰতো প্ৰযোজ্য। শিক্ষাদানৰ সৈতে জড়িত প্ৰযুক্তিবোৰৰ সফল ব্যৱহাৰৰ বাবে তেওঁলোককো কেৱল তথ্য আৰু সংযোগ প্ৰযুক্তি বিষয়ক প্ৰশিক্ষণ দিব লাগে।

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সুযোগ আগবঢ়াওতাসকলে নিজ নিজ শৈক্ষিক কাৰ্যসূচীবোৰৰ সম্ভাব্য গ্ৰাহক বিচাৰি একোটা বজাৰ গৱেষণা চলোৱাৰ পাচতহে দূৰৱৰ্ত্তী শিক্ষা কাৰ্যসূচীবোৰৰ বিকাশ ঘটাব আৰু প্ৰণয়ন কৰিব লাগে। ইয়াৰ উপৰি, পাঠ্যবিষয়ৰ মূল্যাংকন (course evalution) আৰু কাৰ্যসূচীৰ বৈধতা স্বীকাৰ কৰাৰ বাবে একোটা মানক ব্যৱস্থা (standard mechanism) থকা উচিত। নতুন শৈক্ষিক কাৰ্যসূচী আৰু ইয়াৰ বিতৰণ ব্যৱস্থাটো সম্পৰ্কে সাৱধানে ভাবি-গুণী চোৱা উচিত। একবিংশ শতিকাৰ ভিন্ন সাংস্কৃতিক পৰিৱেশত যিকোনো শৈক্ষিক কাৰ্যসূচী প্ৰণয়ন কৰাৰ আগেয়ে এনে বিবেচনা অতি জৰুৰী।
- প্ৰযুক্তিৰ সহায়ত শিক্ষাদান কৰাৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত। দেখা গৈছে যে পাঠদানৰ বিষয় উন্নত কৰাতকৈ নতুন প্ৰযুক্তিগত সা-সুবিধা ব্যৱহাৰ কৰাতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে (কাৰণ, প্ৰতিদিনেই নতুন শৈক্ষিক প্ৰযুক্তিৰ উত্থান ঘটিবলৈ ধৰিছে)। শিক্ষণৰ বাবে বাচনি কৰা বিষয়বোৰ যাতে প্ৰযুক্তিৰ জোৱাৰত ভাঁহি নাযায় তাৰবাবে কেৱল নতুন প্ৰযুক্তিত গুৰুত্ব দিয়াতকৈ পাঠনিৰ্দেশনা/প্ৰশিক্ষণৰ আৰ্হিৰ ওপৰত অধিক জোৰ দিব লাগিব।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ বহুতো সাধাৰণ সমস্যাৰ আন এক সমাধান হ'ল দেশৰ বিভিন্ন অঞ্চলত কৰ্মৰত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ শিক্ষাবিদ তথা শিক্ষকসকলক আৰম্ভণিৰে পৰা সমগ্ৰ প্ৰক্ৰিয়াটোৰ সৈতে জড়িত কৰোৱাটো। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাটোত যোগদান কৰাৰ আগতে তেওঁলোকে ব্যৱস্থাটোৰ দৰ্শন সম্পৰ্কে ভালদৰে বুজা উচিত। ইয়াৰ বাবে তেওঁলোকে STRIDE, IGNOU-এ চলাই থকা PGDDE (Post Graduate Diploma in Distance Education) নামৰ পাঠ্যক্ৰমটো পঢ়িব পাৰে।
- ইণ্টাৰনেটকে ধৰি আন বহুতো প্ৰচলিত তথ্য আৰু সংযোগ প্ৰযুক্তিয়ে প্ৰায়েই শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত অত্যন্ত সীমাৱদ্ধতাৰ পৰিচয় দিয়ে। কাৰণ, শিক্ষাৰ্থীসকলৰ বেছিভাগেই মাতৃভাষাৰ বাহিৰে অন্য ভাষাত শিকন নিৰ্দেশনাবোৰ বুজাত অসুবিধা পায়। প্ৰযুক্তিভিত্তিক শিকন ব্যৱস্থাৰ সুযোগ আগবঢ়োৱাসকলে এই কথাটো মনত ৰাখিব লাগিব। যদি ভ্ৰাম্যভাষ (Mobile) ভিত্তিক দূৰৱৰ্ত্তী শিকন ব্যৱস্থাৰ প্ৰচলন ঘটাব পৰা যায়, তেন্তে এনেধৰণৰ কাৰিকৰী বাধা আৰু সমস্যা হৈ নাথাকে। ভ্ৰাম্যভাষ ভিত্তিক শিকন সামগ্ৰীয়ে বৰ্তমান সময়ত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানবোৰে মুখামুখি হৈ থকা বহুতো প্ৰত্যাহ্বান আঁতৰোৱাত সহায় কৰিব।
- ভাৰতত বৰ্তমান সক্ৰিয় হৈ থকা মুক্ত বিশ্ববিদ্যালয় আৰু দূৰৱৰ্ত্তী শিক্ষা নিৰ্দেশালয়ে এটা কথা বুজি পোৱা আৰু মনত ৰখা উচিত যে প্ৰতিটো শৈক্ষিক কাৰ্যসূচীয়ে সামৰি লোৱা পাঠ্যবিষয়বোৰ হ'ল শিক্ষাৰ্থীক আগবঢ়োৱা সামগ্ৰিক শিক্ষাৰ একোটা অংশ। সেয়েহে, এনেবোৰ কাৰ্যসূচীৰ লগত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক আন সকলোবোৰ

আনুষ্ঠানিক সহায় সমৰ্থন আগবঢ়াব লাগিব। এনে সহায়-সমৰ্থনৰ ভিতৰত প্ৰাক্ আৰু উত্তৰ পৰামৰ্শদান সুবিধা, শৈক্ষিক পৰামৰ্শদান, পুথিভঁৰালৰ সমৰ্থন আৰু শিক্ষানুষ্ঠানৰ চৌহদতে লাভ কৰা সংস্থাপন সুবিধাৰ দৰে অন্য প্ৰশাসনিক সহায়ক সামৰি লোৱা হয়।

- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ মান বৰ্তাই ৰখাৰ ক্ষেত্ৰত সহায়ক হ'ব পৰা আন এক তাৎপৰ্যপূৰ্ণ কাৰ্য হ'ল অধিক আঞ্চলিক কেন্দ্ৰ স্থাপনত মনোনিৱেশ কৰা। যিবোৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানে নিজৰ শৈক্ষিক কাৰ্যসূচীবোৰ নিজৰ অঞ্চলৰ লগতে অন্য অঞ্চললৈকো সম্প্ৰসাৰিত কৰিব খুজিছে তেনেবোৰ অনুষ্ঠানে একোটা আঞ্চলিক কেন্দ্ৰ অবিহনে এক নিৰ্দিষ্ট এলেকাৰ শিক্ষাৰ্থীবোৰৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে। আঞ্চলিক কেন্দ্ৰবোৰে শিক্ষাৰ্থীৰ পৰা বহু আঁতৰত থকা প্ৰধান অনুষ্ঠানটোৰ প্ৰতিবিম্বৰূপে কাম কৰিব আৰু শিক্ষাৰ্থীৰ স্থানীয় তথা বিশেষ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব। ই এক বিশ্বজনীন শিকন পৰিৱেশত দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীসকলৰ বিচ্ছিন্নতাৰ অনুভৱ কিছু হ'লেও হ্ৰাস কৰিব।
- সদৌ শেষত এক উৰ্দ্ধতন বাহ্যিক কৰ্তৃপক্ষই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰৰ সময়ে সময়ে মূল্যায়ন কৰিব আৰু উদ্গনিমূলক স্বীকৃতি প্ৰদান কৰি থকা উচিত। এই কথাই শিক্ষা ব্যৱস্থাটোক এক বিশ্বজনীন প্ৰতিদ্বন্দিতামূলক শৈক্ষিক পৰিৱেশৰ সৈতে খাপ খোৱাকৈ আগবাঢ়ি যাবলৈ গুৰুত্বপূৰ্ণ পথনিৰ্দেশনা দিব। ইয়াৰ সৈতে মিলাকৈ কানাডাহ COL-RIM অনুশীলনী (Commonwealth of Learning Review and Improvement Model) এটা পুনৰীক্ষণ অনুশীলন চলাই আহিছে। এইঅনুশীলনে আমাৰ দেশৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰক নিজৰ দোষ-ত্ৰুটিসমূহ চিনাক্তকৰণত আৰু অনুষ্ঠানবোৰ উন্নত কৰি তোলাৰ কাৰ্যকলাপ গ্ৰহণত সহায় কৰিব পাৰে। একেদৰে ভাৰতত NAAC (National Assessment and Accreditation Council) হ'ল বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ৰ অধীনস্থ এটা মূল্যায়ন কৰ্তৃপক্ষ। ই UGC-ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানবোৰৰ পুনৰীক্ষণ তথা মূল্যায়ন কৰে। এনে পুনৰীক্ষণ তথা মূল্যায়নত মুক্ত বিশ্ববিদ্যালয়বোৰকো সামৰি লোৱা হয়। এনে অনুশীলনবোৰে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানসমূহে মুখামুখি হ'বলগীয়া হোৱা বহুতো প্ৰত্যাহ্বান দূৰৱৰ্ত্তী কৰাত নিশ্চিতভাৱে সহায় কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১০ ঃ আপোনাৰ মতে তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ব্যৱহাৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহ কেনেদৰে আঁতৰাব পৰা যায়?

.....

.....

প্ৰশ্ন ১১ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানবোৰৰ নিয়মীয়া পুনৰীক্ষণ আৰু মূল্যায়ন কৰি থকাটো প্ৰয়োজনীয় বুলি আপুনি ভাবেনে?

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি পঢ়ি আপুনি নিশ্চয় বুজিব পাৰিলে যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই দীৰ্ঘদিন ধৰি বহুতো প্ৰত্যাহ্বানৰ মুখামুখি হৈ আহিছে। লগতে দূৰৱৰ্ত্তী শিকন ব্যৱস্থাটো মুখামুখিকৈ শিক্ষাগ্ৰহণ কৰা ব্যৱস্থাতকৈ তলখাপৰ বুলি এটা সাধাৰণ ধাৰণাও চলি আহিছে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই সন্মুখীন হোৱা দুটামান সমস্যা হ'ল— শিক্ষাৰ্থীৰ ব্যক্তিগত শিকন শৈলী অনুসৰি শিক্ষাদান কৰাত থকা অসুবিধা, পাঠ্যবিষয়ৰ গতি আৰু অগ্ৰগতি নিয়ন্ত্ৰণৰ অসমৰ্থতা ইত্যাদি।
- এই শিক্ষা ব্যৱস্থাটোৰ সবাতোকৈ ডাঙৰ প্ৰত্যাহ্বানটো হ'ল তথাকথিত 'দূৰত্ব'। ই শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত এক গুৰুতৰ সংযোগ ব্যৱধানৰ সৃষ্টি কৰিছে। বিভিন্ন গৱেষণা আৰু আলোচনাই মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সমগ্ৰ ব্যৱস্থাটোক এক বিকাশশীল প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে। এনে এক পটভূমিত 'মানৱ যোগাযোগ'ৰ বিষয়টো দূৰৱৰ্ত্তী শিক্ষাৰ বাধাবোৰ আঁতৰ কৰাত সঁচাকৈয়ে সহায়ক হ'বনে সেই সম্পৰ্কে আলোচনা কৰাৰ থল আছে।
- মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে প্ৰায়েই দাবী কৰে যে শিক্ষাৰ্থীৰ বাবে প্ৰয়োগ কৰিবলৈ সুচল বিভিন্ন তথ্য আৰু সংযোগ প্ৰযুক্তিভিত্তিক সমৰ্থন সেৱা আৰম্ভ কৰি এক বিকল্প শিক্ষা ব্যৱস্থাৰ সুবিধা আগবঢ়াব পৰা যায়। কিন্তু একবিংশ শতিকাৰ পটভূমিত এই দিশত ODE-এ কিমান দূৰৱৰ্ত্তী সফলতা লাভ কৰিছে সেই সম্পৰ্কে আমি এতিয়াও নিশ্চিতকৈ একো ক'ব পৰা অৱস্থাত নাই। কাৰণ, শিক্ষাব্যৱস্থাটোৱে আজি পৰ্যন্ত বহুতো সমস্যাৰ মুখামুখি হৈয়েই আছে।



১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে প্ৰথমে নিজৰ সন্মুখত থকা প্ৰত্যাহ্বানবোৰ চিনাক্ত কৰিব আৰু ভালদৰে বুজিব লাগিব। তাৰ পাচত এইবোৰৰ সমাধানৰ ব্যৱস্থা কৰিব লাগিব। যেনে- এই শিক্ষা ব্যৱস্থাটোৰ সবাতোকৈ সাধাৰণ

সমস্যাটো হ'ল শিক্ষকৰ 'শাৰীৰিক অনুপস্থিতি'।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, ভাবোঁ। মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত 'মুখামুখি' যোগাযোগক শিক্ষাৰ এক অংশ বুলি গণ্য কৰা নহয়। সেয়েহে অধিকাংশ শিক্ষাৰ্থীয়ে প্ৰায়েই কথা পাতিবলৈ, নিজৰ আকলন তথা খুদুৰনিবোৰৰ বিষয়ে ক'বলৈ এগৰাকী 'বাস্তৱ' ব্যক্তিৰ অভাৱ অনুভৱ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ প্ৰতি থকা সমাজৰ সাধাৰণ নেতিবাচক ধাৰণা, অধ্যয়ন কাৰ্যসূচীবোৰ অপ্ৰাসংগিক বুলি শিক্ষাৰ্থীৰ মনত ওপজা ধাৰণা, নিয়োগকৰ্তাৰ সন্তোষজনক সমৰ্থনৰ অভাৱ, মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ অধীনত স্নাতক নাইবা স্নাতকোত্তৰ ডিগ্ৰাধাৰী বুলি সৃষ্টি হোৱা বিচ্ছিন্নতাৰ অনুভৱ ইত্যাদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত সৃষ্টি হোৱা সংযোগ সমস্যা, দুগৰাকী শিক্ষাৰ্থীৰ মাজত সৃষ্টি হোৱা সংযোগ সমস্যা আৰু শিক্ষানুষ্ঠান তথা শিক্ষাৰ্থীৰ মাজত সৃষ্টি হোৱা সংযোগ সমস্যা আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, একমত। কাৰণ, এয়া প্ৰায়েই দেখা যায় যে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষক তথা শিক্ষাবিদসকল সংযোগৰ আধুনিক প্ৰযুক্তিবোৰ ব্যৱহাৰত দক্ষ নহয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ প্ৰতি শিক্ষকবৃন্দৰ সাধাৰণ মনোভাৱটো হ'ল— তেওঁলোকে এই ব্যৱস্থাটোৰ ধাৰণাটোক পছন্দ নকৰে। কেতিয়াবা তেওঁলোকে দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰক বৃত্তিগত আৰু শৈক্ষিক সহায় আগবঢ়োৱাত অনিচ্ছুক মনোভাৱ দেখুৱায় নাইবা ব্যৱস্থাটোৰ সৈতে কোনো ধৰণৰ সম্পৰ্ক ৰাখিব নোখোজে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত কৰ্মৰত বহুতো শিক্ষকেই সেৱা কাল বিষয়ক সমস্যাৰ সন্মুখীন হয়। এনে বহু অনুষ্ঠানতেই হয়তো স্থায়ী শিক্ষক নাই অথবা স্থায়ী শিক্ষকৰ সংখ্যা নিচেই কম। নিয়োগৰ ক্ষেত্ৰত ধৰি দিয়া অগ্ৰহণযোগ্য নীতি-নিয়ম আৰু চৰ্তবোৰৰ বাবে ব্যৱস্থাটোৱে দক্ষ শিক্ষকক আকৰ্ষণ কৰাত ব্যৰ্থ হৈছে বুলি কোৱা হয়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, ভাবোঁ। ইয়াৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানবোৰে শিক্ষাৰ্থীক অৱকাশৰ সময়ত বিকল্প জীৱিকাৰ ব্যৱস্থা কৰা আৰু ঘৰতে থাকি কাম কৰাৰ/পঢ়াৰ ব্যৱস্থা কৰি লোৱাৰ সুযোগ বৃদ্ধি কৰিব লাগে। উন্নত দেশবোৰৰ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে শিক্ষাৰ্থীৰ বৃহত্তৰ ব্যক্তিগত দায়িত্ববোধ আৰু বৰ্দ্ধিত স্বনিয়ন্ত্ৰণৰ পোষকতা কৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা অনুষ্ঠানৰ সন্মুখত থকা সবাতোকৈ সাধাৰণ প্ৰত্যাহ্বানবোৰ হ'ল— আধাতে পঢ়া বাদ দিয়া শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি, উত্তীৰ্ণ শিক্ষাৰ্থীৰ শতকৰা হাৰ নিম্নগামী হোৱা, বৃহৎ সংখ্যক শিক্ষাৰ্থীৰ শিকন অগ্ৰগতি মূল্যাংকন কৰাত দেখা দিয়া সমস্যা ইত্যাদি।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত জড়িত হৈ থকা প্ৰযুক্তিবোৰৰ সফল প্ৰয়োগ সুনিশ্চিত কৰিবলৈ তথ্য আৰু সংযোগ প্ৰযুক্তিবোৰ ব্যৱহাৰ কৰিব পৰাকৈ শিক্ষক-শিক্ষাৰ্থীক উপযুক্ত প্ৰশিক্ষণ দিয়া উচিত। প্ৰযুক্তিৰ বাবে শিক্ষণৰ বিষয়সূচীৰ গুৰুত্ব হ্ৰাস পাবহ নালাগে। নতুন প্ৰযুক্তি প্ৰয়োগত মাত্ৰাধিক জোৰ দিয়াতকৈ শিক্ষণ নিৰ্দেশনাৰ আৰ্হি উন্নত কৰাত জোৰ দিয়া উচিত। শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত ইণ্টাৰনেটে দেখুওৱা সীমাৱদ্ধতাৰ বহল আলোচনা হোৱা উচিত।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, ভাবোঁ। এক উৰ্দ্ধতন কৰ্তৃপক্ষৰ দ্বাৰা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰৰ নিয়মীয়া মূল্যায়ন আৰু উদ্‌গনিমূলক স্বীকৃতিয়ে এক বিশ্বজনীন শৈক্ষিক প্ৰতিদ্বন্দ্বিতাপূৰ্ণ পৰিৱেশৰ সৈতে ফেৰ মৰাত এই অনুষ্ঠানবোৰক গুৰুত্বপূৰ্ণ দিক্‌নিৰ্দেশনা প্ৰদান কৰিব।



১৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Panda, Santosh (Ed.), 2003 : *Planning and Management in Distance Education*, Kogan Page : London.



১৪.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইংৰাজী ODE অভিধাটোৰ সম্পূৰ্ণ ৰূপটো কি?

প্ৰশ্ন ২ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ সৈতে জড়িত পক্ষ তিনিটা কি কি?

প্ৰশ্ন ৩ ঃ এটা মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানে মুখামুখি হোৱা কেইটামান সাধাৰণ প্ৰত্যাহ্বান আৰু সমস্যাৰ এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ্থীসকলে অনুভৱ কৰি বিচ্ছিন্নতা নাইবা প্ৰান্তীকৰণৰ সমস্যাটো কেনেদৰে সমাধান নাইবা হ্ৰাস কৰিব পৰা যায় বুলি আপুনি ভাবে?

প্ৰশ্ন ৫ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰ নিয়মীয়াকৈ মূল্যায়ন কৰাটো কিয় প্ৰয়োজনীয়?

সাধাৰণভাৱে শৈক্ষিক অনুষ্ঠানৰ পুনৰীক্ষণ তথা মূল্যায়ন কাৰ্যত জড়িত কেইটামান সংগঠনৰ নাম উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে সততে মুখামুখি হোৱা প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ দৰে দেশত মুক্ত বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলে সন্মুখীন হোৱা সমস্যাবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰৰ শিক্ষকসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ কি কি? এই প্ৰত্যাহ্বানবোৰ কেনেদৰে আঁতৰ কৰিব পৰা যায় বুলি আপুনি ভাবে? বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ অনুষ্ঠানবোৰে নিজেই বিভিন্ন প্ৰত্যাহ্বানৰ সৈতে যুঁজিবলগীয়া হৈছে বুলি আপুনি ভাবেনে? বহলাই আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰা সমস্যাবোৰ আঁতৰোৱাৰ সময়ত ল'বলগীয়া গুৰুত্বপূৰ্ণ ব্যৱস্থা কেইটামানৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থী আৰু শিক্ষক তথা দুগৰাকী শিক্ষাৰ্থীৰ পৰস্পৰৰ মাজত সংযোগ স্থাপন কৰাটো সদায়েই এক সমস্যা বুলি আপুনি ভাবেনে? আলোচনা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

১) Baruah, Srinath, (2011): *"Education Beyond Barriers: Role of Open and Distance learning with special reference to Krishna Kanta Handiqui State Open University"*, Horizon, The Newsletter of KKHSOU, Vol-V, No II, July 2011

২) Bhatnagar Tinku Paul ,2011.*Women, Employment and Empowerment New Century Publications* , New Delhi

৩) *Communication Technology for Distance Education* (ES-318) of Staff Training and Research Institution of Distance Education, IGNOU

৪) Jadhav, Narendra, *"Higher Education in India: In Retrospect and Prospects"*, Fourth Foundation Day Lecture, KKHSOU, 2010.

৫) Kanwar, Asha (2011): *"Crisis in ODL: What is the response?"*, Lecture presented at Symbiosis International Conference on ODL, 23rd February, Pune, India

৬) National Knowledge Commission, *"Recommendations of the Working Group on Open and Distance Education"* Working Group on Open and Distance Education, 2008.

৭) NKC Brochure in Website: http://www.knowledgecommission.gov.in/

৮) NKN Brochure in Website: www.nkn.in

৯) Pillai, J.K. (1995). *Women and employment,*: Gyan Publishing New Delhi

১০) Sharma, R. (1996). *Empowering women through distance education*. Indian Journal of Open Learning.

১১) Srivastava, Manjulika and Swaraj Basu, *" Distance Learning in North East : An Overview "*, University News, 48 (38) September, 2010

১২) *STRIDE* Handbook on Distance Education, IGNOU

১৩) Thorat, Sukadeo, *" Higher Education in India : Emerging Issues Related to Access, Inclusiveness and Quality"*, Nehru Memorial Lecture, University of Mumbai, 2007.

১৪) Trivedi Tanuja. 2009. *Women and Rural Development* , Jnanada Prakashan , New Delhi

১৫) V P Mathes Waran (2005): *Distance Education: Student Support Services*, Anmol Publication, New Delhi

কাকতৰ নাম ঃ **পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ**

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৰৱণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ৰেচম নগৰ, খানাপাৰা, **গুৱাহাটী - ৭৮১০২২**

ই-মেইল ঠিকনা ঃ **ciqa@kkhsou.in**

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে? ☐☐☐

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৰৱণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৰৱণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।